সোণালী জয়ন্তী স্মৃতিগ্রন্থ



আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

১৯৫৯-২০০৯

সম্পাদক
কৈলাস চন্দ্র দাস


ANANDARAM DHEKIAL PHOOKAN COLLEGE


A.D.P.COLLEGE



সোণালী জয়ন্তী স্মৃতিগ্রন্থ

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No.....
Date..

With best compliments to -

.....

.....

Dr. S. U. Ahmed
Principal
ADP College

Kailash Chandra Das
Editor, Golden Jubilee **Souvenir**
M. H. Ullah
Asstt. Editor, Golden Jubilee **Souvenir**

সম্পাদক
কৈলাস চন্দ্র দাস

সহকাৰী সম্পাদক
এম. হবিব উল্লাহ

ANANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
NAGAON:ASSAM
Acc. No. 15707
Date.. 16/7/07

সোণালী জয়ন্তী স্মৃতিগ্রন্থ ঃ সম্পাদনা সমিতি

সভাপতি ঃ ড° ছৰিফ উদ্দিন আহেমদ
অধ্যক্ষ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

সম্পাদক ঃ কৈলাস চন্দ্র দাস

সহকাৰী সম্পাদক ঃ এম. হবিব উল্লাহ


সদস্যমণ্ডলী
সত্যমণি দত্ত
ড° আবু হানিফা
আমিনুল ইছলাম
জীৱন নৰহ
ড° ৰজিতা কলিতা
আৰশ্বাদ হুছেইন, সাধাৰণ সম্পাদক, ছাত্র একতা সভা
জিয়াউৰ ৰহমান, সম্পাদক, সাহিত্য-আলোচনী

বেটুপাতৰ শিল্পী ঃ বিষ্ণু তামুলী


প্রকাশক
অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ
সম্পাদক, সোণালী জয়ন্তী উদ্‌যাপন সমিতি
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়

ডিটিপি ঃ ক্রান্তিকাল প্রকাশন (নিউ অজন্তা প্রেছ), এম.জি. ৰোড, নগাঁও

মুদ্রক ঃ অজন্তা প্রেছ, হয়বৰগাঁও, নগাঁও- ২




আনন্দৰাম ঢেকিয়াল ফুকন (১৮২৯-১৮৫৯ খ্ৰীষ্টাব্দ)



প্রতিষ্ঠাপক অধ্যক্ষ শুকদেব গোস্বামী (১৯০৫-১৯৬৪ খ্রীষ্টাব্দ)

মহাবিদ্যালয় সঙ্গীত



এই প্রেম আৰু পুণ্যভূমি
অমৃত-জ্ঞানৰ এই প্রেম আৰু পুণ্যভূমি
আনন্দ-আলয় বাণী-বন্দনাৰ দিব্যভূমি
এই প্রেম আৰু পুণ্যভূমি

নাই ভেদ সৰু-বৰ
পণ আমাৰ জীৱনৰ
শান্ত শুদ্ধ এক সমাজ সজাৰ,

উৰ্ব্বৰ পৃথিৱীত
দুৰ্ব্বাৰ গতিৰে
দীপ্ত কৰ্মময় জীৱন গঢ়াৰ,

জীৱন গঢ়াৰ এই মুক্তভূমি
এই প্রেম আৰু পুণ্যভূমি।

ৰচনা— অধ্যাপক হীৰেন্দ্রনাথ শইকীয়া
সুৰ— অধ্যাপক মলয়কুমাৰ ৰায়
অধ্যাপক শৰদ্ মাধৱ কুশ্রে



ঢেকিয়াল ফুকন কলেজ

যজ্ঞেশ্বৰ শর্মা

তিনিকুৰি দহ বছৰতো মন যায়, সঁচাকৈয়ে কওঁ,
ল'ৰাহঁতৰ লগত বেঞ্চিত বহি আকৌ যেন
কলেজৰ ক্লাচ কৰো।
পঢ়িলে, কোনটো কলেজত ?
ঢেকিয়াল ফুকন কলেজতেই নিশ্চয়।
কলঙৰ পাৰৰ ফুকনৰ মৰিশালিৰ এঙাৰ
এটুকুৰাও নাই এতিয়া।
নগৰৰ সাত-ঘোঁকোটত শুকদেউ গোসাঁয়ে এই কলেজখন পাতিলে।
আধুনিক অসমৰ জাতীয় আদর্শৰ বাণী উচ্চাৰণ কৰোঁতা
আনন্দৰামৰ পৱিত্র সোঁৱৰণি এই কলেজখনতহে
অকণমান বৈ আছে।
ইয়াৰ বেৰে-চালে, বাহিৰে-ভিতৰে গছে-জেওৰাই
এটা নৈতিক সপোন বিয়পি আছে।
ইয়াত দুর্নীতি আৰু দেশ-দ্রোহিতাৰ ঠাই নাই। হ'ব নোৱাৰে।
ইয়াৰ বায়ু এফেৰা পূৰক-কুম্ভকেৰে ভিতৰলৈ সুমাই নিয়া।
তোমালোকৰ বুকুত এই সপোন সোমাবলৈ দিয়া;
তোমালোকৰ লগতে মোকো ঠাই দিয়া,
ময়ো উশাহ লওঁ।

কবিতাটি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ 'ৰূপালী জয়ন্তী স্মৃতিগ্রন্থ'ৰ পৰা পুনর্মুদ্রিত কৰা হৈছে। —সম্পাদক।

সত্যমেব জয়তে

তৰুণ গগৈ

মুখ্যমন্ত্রী, অসম
গুৱাহাটী, দিছপুৰ



শুভেচ্ছাবাণী

তাৰিখ - ২২/০৭/২০০৯

নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সোণালী জয়ন্তীৰ সামৰণী অনুষ্ঠান অহা ছেপ্টেম্বৰ মাহত উদ্‌যাপন কৰিবলৈ লোৱা বুলি জানিবলৈ পাই মই সুখী হৈছোঁ।

নগাঁৱৰ এই ঐতিহ্যমণ্ডিত শিক্ষানুষ্ঠানখনে প্ৰতিষ্ঠাকালৰে পৰা অৰ্দ্ধশতিকা জুৰি গুণগত শিক্ষাৰ বিকাশ, সুস্থ শৈক্ষিক পৰিৱেশ সৃষ্টি আৰু উপযুক্ত মানৱ সম্পদ সৃষ্টিৰ ক্ষেত্ৰত উল্লেখনীয় অৱিহণা আগবঢ়াই আহিছে।

আশা কৰোঁ, আগন্তুক দিনবোৰতো শিক্ষানুষ্ঠানখনে বিদ্যায়তনিক দিশত নিষ্ঠাপূৰ্ণ সেৱা অব্যাহত ৰাখিব।

শিক্ষানুষ্ঠানখনৰ উত্তৰোত্তৰ উন্নতি আৰু সোণালী জয়ন্তী উৎসৱৰ সফলতা আন্তৰিকতাৰে কামনা কৰাৰ লগতে এই উপলক্ষে প্ৰকাশ পাবলগীয়া স্মৃতিগ্ৰন্থখনে সকলোৰে পৰা সমাদৰ লাভ কৰিব বুলি আশা কৰিলোঁ।

(তৰুণ গগৈ)

মন্ত্রী
পৰিবেশ আৰু বন, পৰ্যটন, মুদ্রণ ও লেখন
সামগ্ৰী আৰু তথ্য ও জনসংযোগ
অসম, দিশপুৰ, গুৱাহাটী - ৭
ফোন নং - (০৩৬১) - ২২৩৩১৬৩ (কা)
২২৩৭০০৭ (কা)
২২৬২৯০ (বাঃ গৃঃ



ৰকিবুল হুছেইন

শুভেচ্ছাবাণী

অহা ছেপ্টেম্বৰ মাহৰ আৰম্ভণিত নগাঁৱৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়
সোণালী জয়ন্তী উছৱৰ সামৰণী অনুষ্ঠান উদ্‌যাপিত হ'ব বুলি জানিবলৈ পাই মই অ
সন্তোষ পাইছোঁ।

বিগত আঢ়ৈ কুৰি বছৰ জুৰি এই শিক্ষানুষ্ঠানটিয়ে ঐকান্তিক প্ৰচেষ্টা আৰু আন্তৰি
অধ্যৱসায়েৰে শিক্ষা প্ৰদান কৰি অসংখ্য বিদ্যার্থীক সমাজৰ উপযুক্ত নাগৰিক হিচা
গঢ়ি তোলাত মহৎ অবিহণা যোগাই আহিছে। ছাত্ৰ-ছাত্ৰীৰ একাগ্ৰতা আৰু শিক্ষক
শিক্ষয়িত্ৰীৰ ত্যাগৰ সমন্বয়ত মহবিদ্যালয়ৰ পৰা বছৰে বছৰে এচাম শিক্ষিত নাগৰি
ওলাই আহি সমাজৰ বিভিন্ন ক্ষেত্ৰত প্ৰৱেশ কৰে। আনন্দৰাম ঢেকিয়াল ফুক
মহাবিদ্যালয়ো ইয়াৰ ব্যতিক্ৰম নহয়।

সোণালী জয়ন্তী বৰ্ষ পালনত ব্যস্ত হৈ থকা ঐতিহ্যমণ্ডিত এই শিক্ষানুষ্ঠানটি
ঢেকিয়াল ফুকনদেৱৰ আদৰ্শ অটুট ৰাখি আগন্তুক দিনবোৰত আৰু অধিক ফলপ্ৰসূভা
আগবাঢ়িব বুলি মই বিশ্বাস কৰোঁ। মোৰ শুভকামনা নিৰন্তৰ থাকিব।

(ৰকিবুল হুছেইন)

শ্রীগৌতম বৰা
শিক্ষামন্ত্রী, অসম
দিছপুৰ, গুৱাহাটী - ৭৮১০০৬

দূৰভাষ - (০৩৬১) ২২৩৭২৩৯ (কার্যালয়)
(০৩৬১) ২২৬৬২৯৩ (বাসস্থান)
৯৪৩৫০-৬১৮৫৫ (ম'বাইল)



শুভেচ্ছাবাণী

নগাঁও জিলাৰ মাজ মজিয়াত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত স্থাপিত হোৱা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে "সোণালী জয়ন্তী" বৰ্ষত উপনীত হোৱা উপলক্ষে এখনি স্মৰণিকা প্ৰকাশৰ আয়োজন কৰা বুলি জানিব পাৰি মই অতি আনন্দিত হৈছো। দেশৰ সুনাগৰিক গঢ় দিয়াৰ ক্ষেত্ৰত মহাবিদ্যালয়সমূহৰ ভূমিকা অপৰিসীম। মই আশা কৰো পঞ্চাশ বছৰীয়া অভিজ্ঞতাৰে পুষ্ট এই মহাবিদ্যালয়খনিয়ে ছাত্ৰ-ছাত্ৰীসকলক সুনাগৰিক ৰূপে গঢ় দি আমাৰ ৰাজ্যখন তথা দেশখনৰ আৰ্থ-সামাজিক উন্নয়নত অৰিহণা যোগাব। স্মৰণিকাখনিত প্ৰকাশিত বহুমূলীয়া লিখনি সমূহেও ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীসকলৰ সাহিত্য প্ৰতিভা বিকাশত উদ্‌গনি যোগাব বুলি মই আশাবাদী।

অৱশেষত মহাবিদ্যালয়খনিৰ সমূহ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী আৰু সংশ্লিষ্ট সকলো পক্ষলৈ "সোণালী জয়ন্তী"ৰ শুভেচ্ছা জ্ঞাপন কৰিলো আৰু লগতে সকলো কাৰ্যসূচীৰ সফলতা কামনা কৰিলো। ইতি।

(শ্রীগৌতম বৰা)

सुखदेव थोरात
अध्यक्ष
Sukhadeo Thorat
Chairman

विश्वविद्यालय अनुदान आयोग
बहादुरशाह जफ़र मार्ग, नई दिल्ली - 110 002
UNIVERSITY GRANTS COMMISSION
BAHADUR SHAH ZAFAR MARG,
NEW DELHI-110 002
OFF : (011) 23239628
: (011) 23221313
FAX : (011) 23231797
E-mail : skthorat@ugc.ac.in

July 8, 2009



Message

I am very happy to know that ADP College, Nagaon, Assam has successfully completed 50 glorious years of its existence and is celebrating the closing functions of its Golden Jubilee on September 5-9, 2009. Golden Jubilee Celebration is a landmark in the life of an Institution. To commemorate this occasion the College is bringing out a Souvenir. I send my greetings and best wishes to all the participants, organizers, Principal, Faculties, teachers, supporting staff and students of the College and wish the Celebration/ publication good luck and grand success.

(Sukhadeo Thorat)

Dr. S.U. Ahmed
Secretary
Golden Jubilee Celebration Committee
ADP College, Nagaon : Assam

Prof. O.K. Medhi
Vice-chancellor

GAUHATI UNIVERSITY
Gopinath Bardoloi Nagar
Guwahati-781014
Assam : India
: +91-361-2570412 (O)
Fax : +91-361-2700311
email : vc_gu@yahoo.in



Message

It gives me immense pleasure to know that the ADP College, Nagaon is going to celebrate the closing functions of its Golden Jubilee from 5th September to 9th September, 2009.

It is praiseworthy that as a part of Golden Jubilee celebration, the organizing committee has decided to publish a 'Souvenir'. I hope, the distinguished writers of this Souvenir will endeavour to focus on the various aspects of the college, which I hope will be immensely beneficial to all concerned.

I wish all success in their mission and hope the 'Souvenir' will be an asset of the ADP College.

Date : 23.07.2009


(Prof. O.K. Medhi)



আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ

অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ

সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ সম্পাদকৰ নিবেদন



অসমত আধুনিকতাৰ উন্মেষ ঘটোৱা অসমীয়াৰ নবজাগৰণৰ মূল হোতা আনন্দৰাম ঢেকিয়াল ফুকনৰ পুন্য স্মৃতিত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰৰ দিনা নগঞা ৰাইজে কঠোৰ পৰিশ্রম আৰু ত্যাগৰ বিনিময়ত আমাৰ এই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়খন প্রতিষ্ঠা কৰিছিল। আজি মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বর্ষত ঢেকিয়াল ফুকনৰ লগতে সেইসকল নগঞা ৰাইজৰ অবদানক আমি শ্রদ্ধাৰে সোঁৱৰণ কৰিছো। ঢেকিয়াল ফুকনৰ সপোনক এঢাপ আগুৱাই নিবলৈ অসমত বিশেষকৈ নগাঁও জিলাত উচ্চশিক্ষাৰ সম্প্রসাৰণ গাঁৱে-ভূঁয়ে ঘটাবলৈ এইসকল ব্যক্তিয়ে যিদৰে সকলোধৰণৰ প্রতিকূলতাৰ বিৰুদ্ধে যুঁজ দিলে তাৰ বাবে আমি তেখেতসকলৰ ওচৰত চিৰকৃতজ্ঞ। এইখিনিতেই মই নাম ল'ব বিচাৰিছোঁ কলেজৰ প্রতিষ্ঠাপক অধ্যক্ষ শুকদেব গোস্বামীৰ, কলেজৰ প্রতিষ্ঠাপক শিক্ষক সকলৰ, প্রাৰম্ভিক সময়ৰ ছাত্র-ছাত্রীসকলৰ যি সকলৰ সন্মিলিত প্রয়াসে আনন্দৰামে ঢেকিয়াল ফুকন মহাবিদ্যালয়ক আজিৰ পর্যায় দিলেহি।

যোৱা পঞ্চাছটা বছৰত মহাবিদ্যালয়খনে সময়ৰ ধাৰাবাহিকতাৰ সৈতে গতি মিলাই স্বর্গীয় শুকদেৱ গোস্বামী, স্বর্গীয় কন্দর্পদেৱ গোস্বামী, স্বর্গীয় আব্দুল হাই, ড°নাৰায়ণ চন্দ্র বর্মন, শ্রীনৰেন্দ্র নাথ শইকীয়া, শ্রীজিতেন্দ্র নাথ বৰা, শ্রীৰবীন্দ্র চন্দ্র বৰা, ড°ৰামচন্দ্র ডেকা, শ্রীসহজানন্দ ওজা আৰু শ্রীনগেন্দ্র চন্দ্র নাথৰ দৰে অধ্যক্ষৰ নেতৃত্বত প্রভূত উন্নতি লাভ কৰিবলৈ সক্ষম হৈছে। এই উন্নতি মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশৰ উপৰিও আন্তঃগাঁথনি আৰু পাঠ্যক্রম-সহযোগী আদি অন্যান্য আনুষঙ্গিক ক্ষেত্রলৈকো বিস্তৃত। কলা আৰু বিজ্ঞান শাখাৰ পূর্ণাংগ পাঠ্যক্রমেৰে মহাবিদ্যালয়খনত বর্তমান ১৫০০ ছাত্র-ছাত্রীয়ে শিক্ষা লাভ কৰি আছে আৰু মুঠ ১০৮ গৰাকী শিক্ষক আৰু কর্মচাৰীয়ে কার্যনির্বাহ কৰি আছে। মহাবিদ্যালয়খনত ১৬ টা বিষয়ত প্রধান পাঠ্যক্রম আৰু ১৯ টা বিষয়ত সাধাৰণ পাঠ্যক্রমৰ উপৰি বিশ্ববিদ্যালয় অনুদান আয়োগৰ অর্থ-সাহায্যত কেইবাটাও বিষয়ত বৃত্তিমূলক পাঠ্যক্রমত পাঠদানৰ ব্যৱস্থা আছে। তদুপৰি গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনত Self-financing ব্যৱস্থাত পি জি ডি চি এ, Fashion Designing আৰু বি চি এ পাঠ্যক্রমো আৰম্ভ কৰা হৈছে।

মহাবিদ্যালয়খনৰ মুঠ ৯ বিঘা ১ কঠা মাটি আছে য'ত তেৰটা ভবন, দুটা চাইকেল ষ্টেণ্ড, এখন কেন্টিন, এটা কম্পিউটাৰ প্রশিক্ষণ কেন্দ্র আৰু এখন খেলপথাৰ আছে। প্রেক্ষাগৃহ নির্মাণৰ কাম হাতত লোৱা হৈছে। ইয়াৰোপৰি দুটা ছাত্রী-নিবাসো মহাবিদ্যালয়ৰ চৌহদতে আছে। ২০০৬ চনৰ পৰা আমাৰ মহাবিদ্যালয়ত উচ্চতৰ মাধ্যমিক শ্রেণীত নামভর্ত্তিৰ বাবে এক ন্যূনতম নম্বৰৰ সীমা বান্ধি দিয়া হয় আৰু তাৰ সুফল যোৱা কেইবছৰত আমি লাভ কৰিবলৈ সক্ষম হৈছো। ২০০৯ চনত উচ্চতৰ মাধ্যমিক কলা আৰু বিজ্ঞান শাখাত ক্রমে ৭১% আৰু ৯৪% ছাত্র-ছাত্রী উত্তীর্ণ হৈছে। বিজ্ঞান শাখাত স্নাতক মহলাত এই বছৰ অধিক মেধাসম্পন্ন ছাত্র-ছাত্রীয়ে নামভর্ত্তি কৰিছে, যাৰ বাবে মহাবিদ্যালয়ৰ বিজ্ঞান শাখাৰ উজ্বল ভবিষ্যতৰ সম্ভাৱনা আমি দেখিছোঁ। শেহতীয়াকৈ মহাবিদ্যালয়ৰ ছাত্র-ছাত্রীসকলে বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত দেখুওৱা উল্লেখযোগ্য ফলাফলে মহাবিদ্যালয়ৰ বিদ্যায়তনিক দিশটোৰ উন্নতিকেই প্রতিফলন কৰিছে। এইবছৰ বিশ্ববিদ্যালয়ৰ চূড়ান্ত পৰীক্ষাত মহাবিদ্যালয়ৰ কলা শাখাৰ চাৰিজন আৰু বিজ্ঞান শাখাৰ তিনিজন ছাত্র-ছাত্রীয়ে প্রথম শ্রেণী আৰু এগৰাকীয়ে প্রথম বিভাগ লাভ কৰিবলৈ সক্ষম হৈছে। এই আঠগৰাকীৰ ভিতৰত ৬ গৰাকীয়ে ডিষ্টিংশ্বন লাভ কৰিছে। ইতিমধ্যে মহাবিদ্যালয়ত UGC-Sponsored Mushroom Cultivation, Bio-Fertilizer, Electronic Instrument Maintenance,

Computer Application আদি বৃত্তিমুখী পাঠ্যক্রমৰ শ্রেণী চলি থকাৰ উপৰি শেহতীয়াকৈ Fashion designing আৰু Dress makingৰ পাঠ্যক্রমো আৰম্ভ কৰা হৈছে। বিশ্ববিদ্যালয় অনুদান আয়োগৰ অর্থ সাহায্যত মহাবিদ্যালয়ত ইংৰাজী, অর্থনীতি বিজ্ঞান, ৰাজনীতি বিজ্ঞান, বুৰঞ্জী, শিক্ষা, ৰসায়ন বিজ্ঞান আদি বিভাগত নিৰাময় পাঠ্যক্রমৰ শ্রেণীসমূহ চলি আছে। ২০০৭ চনৰ পৰা প্রৱর্তন হোৱা এই পাঠ্যক্রমে বিশেষকৈ দৰিদ্র-সীমাৰেখাৰ তলৰ ছাত্র-ছাত্রীসকলক প্রভূত সহায় কৰিছে। ইয়াৰোপৰি এইবছৰৰ পৰা কর্মসংস্থাপনৰ বাবে ছাত্র-ছাত্রীক প্রস্তুত কৰি তুলিব পৰা পাঠ্যক্রমৰ দিহা কৰা হ'ব।

আমাৰ বাবে অতি আনন্দৰ কথা যে বিশ্ববিদ্যালয় অনুদান আয়োগৰ অর্থসাহায্যত মহাবিদ্যালয়ত এটা 'গান্ধী-অধীয়ন কেন্দ্র' স্থাপন কথা হৈছে। এই কেন্দ্রটোৱে ইতিমধ্যে গান্ধী-দর্শনৰ সৈতে জড়িত কর্মশালা, বক্তৃতা অনুষ্ঠান, চেমিনাৰ আৰু অন্যান্য সম্প্রসাৰণ-অনুষ্ঠানৰ আয়োজন কৰিছে। মহাবিদ্যালয়ে একেসময়তে গান্ধী-দর্শন আৰু মানৰ অধিকাৰৰ দৰে বিষয়ৰ ওপৰত চার্টিফিকেট পাঠ্যক্রমৰো প্রৱর্তন কৰিছে। যোৱা বছৰটোত মহাবিদ্যালয়খনত বিভিন্ন বিষয়ৰ ওপৰত কেইবাখনো উল্লেখযোগ্য আলোচনা চক্র অনুষ্ঠিত হৈছে য'ত ৰাজ্যৰ কেইবাজনো বিশিষ্ট ব্যক্তিয়ে অংশগ্রহণ কৰি আমাক উৎসাহিত কৰিছে। বাছকৰনীয়া গ্রন্থসম্ভাৰেৰে আমাৰ মহাবিদ্যালয়ৰ পুথিভঁৰালটো যিকোনো গ্রন্থপ্রেমীৰ বাবেই আকর্ষণৰ বিষয় হ'ব। গ্রন্থাগাৰৰ লগতে শিক্ষক আৰু ছাত্র-ছাত্রীক অধ্যয়নৰ সুবিধা প্রদানৰ বাবে এক বিশাল অধ্যয়ন কোঠাও নির্মাণ কৰা হৈছে। যোৱা কেইবছৰৰ ভিতৰত বেজবৰুৱা ভৱনৰ দ্বিতীয় মহলাৰ একাংশত এখন স্থায়ী টিনৰ চালি দিয়া হৈছে। অসম চৰকাৰ আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ অর্থসাহায্যত দুমহলীয়া প্রশাসনীয় ভবনটোও নির্মাণ হৈ উঠিছে। এইসময়তে নির্মাণ হোৱা দুটা ছাত্রী নিবাসে দূৰণিৰ ছাত্রীসকলৰ থকা-মেলাৰ সমস্যা আঁতৰ কৰিব বুলি আশা কৰা হৈছে।

একেসময়তে নির্মাণ কৰা হৈছে লেবৰটৰি আৰু প্রথম মহলাত শ্রেণীকোঠাৰ সৈতে উদ্ভিদ বিজ্ঞান বিভাগ, বেজবৰুৱা ভৱনত সভাকক্ষ, প্রথম মহলাত শ্রেণীকোঠাৰ সৈতে সোণালী জয়ন্তী ভৱন, অর্কিড হাউচ, কম্পিউটাৰ ভবন আদি। এই সময়ছোৱাতেই মহাবিদ্যালয়খনে নিজাববীয়াকৈ ট্রেন্সফর্মাৰ স্থাপন কৰাৰ লগতে ছটা জেনেৰটৰো ক্রয় কৰে, যাতে কার্যালয় আৰু শ্রেণীসমূহলৈ অবিচ্ছিন্ন ভাৱে বিদ্যুৎ যোগান ধৰিব পৰা যায়। শেহতীয়া প্রযুক্তিৰ সুবিধা গ্রহণেৰে কার্যালয়ৰ আধুনিকীকৰণৰ কামো চলি আছে আৰু শিক্ষক আৰু ছাত্র-ছাত্রীয়ে বিশুদ্ধ খোৱাপানী পাবৰ নিমিত্তে মহাবিদ্যালয়ৰ বিভিন্ন স্থানত মুঠ দহটা একোৱাগার্ড স্থাপন কৰা হৈছে। মহাবিদ্যালয়খনৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্রত বর্তমান এটা বিজ্ঞান ভবনৰ নির্মাণ, কলেজ কেণ্টিনৰ নির্মাণ, ৰসায়ন বিজ্ঞান বিভাগ আৰু লেবৰেটৰি নির্মাণ আৰু প্রশাসনীয় ভবনক পৰিবর্দ্ধন কৰাৰ পৰিকল্পনা হাতত লোৱা হৈছে।

বর্তমান আমাৰ মহাবিদ্যালয়খনে অসমৰ এখন আগশাৰীৰ শিক্ষানুষ্ঠান হিচাপে প্রতিষ্ঠা লাভ কৰিছে। মই আশা কৰোঁ অসম চৰকাৰৰ সহায়-সহানুভূতিত, নগাঁও জিলাৰ উপায়ুক্ত তথা আমাৰ মহাবিদ্যালয় পৰিচালনা সমিতিৰ সভাপতি ড° জে. বালাজীৰ পৰিচালনাত, পৰিচালনা সমিতিৰ সদস্যসকলৰ দূৰদর্শী সিদ্ধান্তৰে আমাৰ শিক্ষকসকলৰ ত্যাগেৰে, কার্যালয় কর্মচাৰী সকলৰ নিষ্ঠাৰে ছাত্র-ছাত্রীসকলৰ কঠোৰ পৰিশ্রমেৰে আৰু প্রাক্তন ছাত্র-ছাত্রী অভিভাৱক আৰু সাধাৰণ বাইজৰ শুভইচ্ছা আৰু আশীর্বাদেৰে মহাবিদ্যালয়খন উন্নতিৰ জখলাৰে বহুদূৰ আগুৱাই যাব পাৰিব।

মহাবিদ্যালয়খন সোণালী জয়ন্তী বর্ষৰ বিদায় বেলাত উপনীত হৈছেহি। সোণালী জয়ন্তী বর্ষৰ কার্য্যসূচী হিচাপে তিনিটা সোণালী জয়ন্তী বর্ষ স্মাৰক বক্তৃতা অনুষ্ঠিতকৰণ, আনন্দৰাম ঢেকিয়াল ফুকন বিষয়ে এখন গ্রন্থ প্রণয়ন, সোণালী জয়ন্তী ভৱন নির্মাণ আদি বহুতে কার্যসূচী হাতত লোৱা হৈছে। সামৰণী কার্যসূচী আগস্তুক ছেপ্টেম্বৰ মাহৰ প্রথম ভাগতে অনুষ্ঠিত কৰা হ'ব। সোণালী জয়ন্তী সমাৰোহৰ হৈ যোৱা কার্যসূচীত যিসকলে যোগদান কৰি আমাক কৃতার্থ কৰিলে সেইসকললৈ আমাৰ কৃতজ্ঞতা জনালোঁ। সামৰণী কার্যসূচীলৈও সংশ্লিষ্ট সকলোকে সাদৰে আমন্ত্রণ জনালোঁ। সোণালী জয়ন্তী সমাৰোহৰ উদ্‌যাপনৰ ক্ষেত্রত মহাবিদ্যালয়ৰ পৰিচালনা সমিতি, অধ্যাপক-অধ্যাপিকাসকল, ছাত্র-ছাত্রীসকল, কার্যালয়ৰ কর্মচাৰীসকল, গ্রন্থাগাৰিক আৰু গ্রন্থাগাৰৰ কর্মচাৰীসকল আৰু প্রাক্তন ছাত্র-ছাত্রীসকলে বিভিন্ন ধৰণে আমালৈ সহায়-সহযোগিতা আগবঢ়াইছে সকলোলৈকে আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলো। বিশেষভাৱে সোণালী জয়ন্তী উদ্‌যাপন সমিতিৰ মুখ্য পৃষ্ঠপোষক, বন-পর্যটন আৰু বিভাগৰ মন্ত্রী ৰকিবুল হুছেইন দেৱক তেখেতৰ সহায়-শুভেচ্ছা আৰু বদান্যতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। সোণালী জয়ন্তী উদ্‌যাপন আদৰণী সমিতিৰ সম্পাদক হিচাপে হ'ব পৰা ভুল-ত্রুটিৰ বাবে সকলোৰে ওচৰত মার্জনা বিচাৰিলোঁ।

জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়।

তাৰিখ ঃ ৩১-৮-২০০৯

ড° ছৰিফ উদ্দিন আহমে
অধ্যক্ষ তথা সম্পা
সোণালী জয়ন্তী উদ্‌যাপন স

সম্পাদকীয়

আধুনিক অসমৰ অন্যতম প্ৰধান নিৰ্মাতা 'মহাত্মা' আনন্দৰাম ঢেকিয়াল ফুকনৰ পৱিত্ৰ স্মৃতিত নগাঁও চহৰত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত প্ৰতিষ্ঠা কৰা হৈছিল আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়। নৈশ মহাবিদ্যালয় হিচাপে প্ৰতিষ্ঠিত হ'লেও, যাঠিৰ দহকৰ মাজ ভাগৰপৰাই দিবা-শাখাও সংযোজন কৰা হয়।

প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীৰ আদৰ্শ পুৰুষ আছিল আনন্দৰাম ঢেকিয়াল ফুকন। তেখেতৰ আনটো সত্তা আছিল যেন আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়! আক্ষৰিক অৰ্থতেই তেখেতে হাবি কাটি ফুলনি পাতিছিল। গোস্বামীদেৱৰ ত্যাগ, আত্ম-প্ৰত্যয় আৰু কৰ্মতৎপৰতাৰ ফলতে মহাবিদ্যালয়খনে কম সময়ৰ ভিতৰতে (১।৪।১৯৬৪) ৰাজ্য চৰকাৰৰ ঘাটি-মঞ্জুৰি লাভ কৰিবলৈ সমৰ্থ হৈছিল। পৰৱৰ্তী অধ্যক্ষ আব্দুল হাইদেৱৰ দিনত মহাবিদ্যালয়খনৰ আৱয়ৱিক বিকাশৰ লগতে বিদ্যায়তনিক দিশতো যথেষ্ট অগ্ৰগতি হৈছিল। তেখেতৰ মহত্তম অৱদান আছিল মহাবিদ্যালয়ত ১৯৭৮ চনত বিজ্ঞান শাখা প্ৰৱৰ্ত্তন কৰি কম সময়ৰ ভিতৰতে (১।৯।১৯৮৩) ৰাজ্য চৰকাৰৰ ঘাটি-মঞ্জুৰি লাভ কৰা। ২০০৪ চনত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (NAAC)ৰ পৰিদৰ্শনৰ পৰিপ্ৰেক্ষিতত মহাবিদ্যালয়খনে এক নতুন শৃঙ্খলা আৰু ভৱবেগ লাভ কৰে। বৰ্তমান অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদৰ দিনত মহাবিদ্যালয় খনে বিদ্যায়তনিক আৰু বিশেষকৈ আৱয়ৱিক দিশত অভূতপূৰ্ব্ব সমৃদ্ধি লাভ কৰিছে।

বৰ্তমানে উচ্চশিক্ষাৰ ক্ষেত্ৰখনত এক অভূতপূৰ্ব্ব পৰিবৰ্তন ঘটিব ধৰিছে। কুৰি শতিকাৰ প্ৰায় আশীৰ দশকলৈকে মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহে কেইটামান ধৰা-বন্ধা বিষয়ত শিক্ষাদান কৰিয়ে দায়িত্ব সামৰিছিল। কিন্তু বৰ্তমানে শিক্ষাৰ্থীসকলৰ সন্মানজনক নিযুক্তিৰ দায়িত্বও আহি পৰিছে। ভাৰত চৰকাৰে গ্ৰহণ কৰা উদাৰীকৰণ, ব্যক্তিগতকৰণ আৰু বিশ্বায়নৰ বিধানমতে, শিক্ষা এতিয়া পণ্যদ্ৰব্যলৈ ৰূপান্তৰিত হৈছে। যি শিক্ষানুষ্ঠানে আন্তৰ্জাতিক বজাৰত বিক্ৰিযোগ্য শিক্ষা দান কৰিব পাৰিব, সেই অনুষ্ঠানহে বৰ্ত্তি থাকিব। কিন্তু শিক্ষা যদি পণ্য হয়, মৌলিক বিজ্ঞানকে ধৰি মানৱ-বিদ্যাৰ বহু দৰ্কাৰী বিষয় অৱহেলিত হোৱাৰ আশঙ্কা। উচ্চ শিক্ষাৰ দায়িত্ব যদি ব্যক্তিগত খণ্ডলৈ যায়, সমাজ-কল্যাণ উপেক্ষিত হোৱাৰ আশঙ্কা। এই আশঙ্কাবোৰ আঁতৰোৱা দৰ্কাৰ আৰু ভাৰত চৰকাৰে তাৰ বাবে ব্যৱস্থা হাতত লৈছে।

এনে পৰিস্থিতিত মহাবিদ্যালয়-বিশ্ববিদ্যালয়সমূহে সময় আৰু সমাজৰ চাহিদাৰ প্ৰতি শশকৰ্ণ হৈ থাকি তাক পূৰাবৰ বাবে যথোপযুক্ত পাঠ্যক্ৰম প্ৰস্তুত কৰি গুণগত শিক্ষা দান কৰিব লাগিব। এই প্ৰসঙ্গত ইউনেস্কো (UNESCO)ৰ 'বিদ্যা ঃ আভ্যন্তৰীণ কোষাগাৰ' (১৯৯৮) শীৰ্ষক প্ৰতিবেদনখন প্ৰনিধানযোগ্য। ইয়াত শিক্ষাক একবিংশ শতিকাৰ উপযোগী কৰি তুলিবৰ বাবে চাৰিটা স্তম্ভ চিহ্নিত কৰা হৈছে ঃ

ক) জানিবলৈ শিকা (Learning to know)

খ) কাম কৰিবলৈ শিকা (Learning to do)

গ) মিলিজুলি থাকিবলৈ শিকা (Learning to live together)

ঘ) ব্যক্তিসত্তাৰ বিকাশৰ বাবে শিকা (Learning to be)

এই চাৰিটা স্তম্ভক আধাৰস্বৰূপে লৈ উচ্চ শিক্ষাৰ অনুষ্ঠান সমূহ আগ বাঢ়িব লাগিব। উচ্চ শিক্ষাৰ অনুষ্ঠান আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়েও পৰিবৰ্ত্তিত পৰিস্থিতিত নিজৰ স্থান আৰু মান ৰক্ষা কৰিব লাগিব।

গৌৰৱৰ কথা, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে অসমৰ শিক্ষাজগতলৈ অৰ্ধ-শতাব্দী কাল জুৰি প্ৰভূত অৱিহণা যোগাই, সোণালী জয়ন্তী বৰ্ষৰ মেলানি-বেলাত উপনীত হৈছেহি। সোণালী

জয়ন্তী সমাৰোহৰ লগত সঙ্গতি ৰাখি এখন মানবিশিষ্ট স্মৃতিগ্ৰন্থ প্ৰস্তুত কৰিবলৈ মহাবিদ্যালয় কৰ্ত্তৃপক্ষই এখন 'সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ উপ-সমিতি' গঠন কৰি দিয়ে। পিছত অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদক সভাপতি হিচাপে লৈ উক্ত উপসমিতিৰ পৰাই এখন 'সম্পাদনা সমিতি' গঠন কৰা হয়।

'সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ' খনৰ প্ৰস্তুতিৰ ক্ষেত্ৰত সম্পাদনা সমিতিখনে আমাক বিভিন্ন ধৰণে সহায় কৰিছে। অধ্যক্ষ মহোদয়ে প্ৰয়োজনীয় ধন যথাসময়ত যোগান ধৰি আৰু উপাদেয় দিহা-পৰামৰ্শ দি আমাক কৃতজ্ঞতা-পাশত বান্ধিছে। স্মৃতিগ্ৰন্থ উপ-সমিতিৰ আহ্বায়ক আৰু স্মৃতিগ্ৰন্থৰ সহকাৰী সম্পাদক হিচাপে অধ্যাপক এম. হবিব উল্লাহে আদ্যন্ত উৎসৰ্গীকৃত সেৱা আগবঢ়াইছে। বিশেষকৈ তেখেতে প্ৰুফ্ চোৱা কাৰ্যত আমাক সৰ্বাত্মকভাৱে সহায় কৰিছে। অধ্যাপক আমিনুল ইছলামে বিভিন্ন ধৰণে আমাক সহায় কৰিছে— বিশেষকৈ বহু দুষ্প্ৰাপ্য ফটো অতি নিষ্ঠাৰে সংগ্ৰহ কৰি দিছে। অধ্যাপক ড° আবু হানিফা আৰু অধ্যাপিকা সত্যমণি দত্তই দিহা-পৰামৰ্শৰে উপকৃত কৰিছে। অধ্যাপিকা ড° ৰজিতা কলিতাই কিছু প্ৰুফ্ চাই দিছে। অধ্যাপক জীৱন নৰহে স্মৃতিগ্ৰন্থখনৰ বেটুপাত আঁকাই অনাৰ দায়িত্ব লৈ আমাক সকাহ দিছে। সম্পাদনা সমিতিত নথকা সত্ত্বেও, অধ্যাপক অৰিন্দম ৰৱকটকীয়ে আমাক নানা প্ৰকাৰে সহায় কৰিছে। সকলোজনলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। বেটুপাতৰ শিল্পী বিষ্ণু তামুলীৰ শলাগ ললোঁ। স্মৃতিগ্ৰন্থখন যথাসময়ত নিয়াৰিকৈ উলিয়াই দিয়াৰ বাবে নিউ অজন্তা প্ৰেছ আৰু অজন্তা প্ৰেছৰ কৰ্তৃপক্ষ তথা কৰ্মচাৰীসকললৈ ধন্যবাদ জনালোঁ।

আমাৰ অনুৰোধৰ প্ৰতি সঁহাৰি জনাই যিসকল লেখক-লেখিকাই আমালৈ প্ৰবন্ধ পাতি পঠিয়ালে, সেই সকললৈ বিশেষভাৱে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। স্মৃতিগ্ৰন্থখনৰ নীতি-আদৰ্শৰ লগত খাপ নোখোৱা বাবে দুই এটা প্ৰবন্ধ প্ৰকাশ কৰিব পৰা নগ'ল। তাৰ বাবে আমি দুঃখিত। স্মৃতিগ্ৰন্থখনৰ আদৰ্শ আৰু লক্ষ্যৰ লগত সঙ্গতি ৰাখি মহাবিদ্যালয়ৰ 'ৰূপালী জয়ন্তী স্মৃতিগ্ৰন্থ' আৰু বাৰ্ষিক আলোচনী 'আনন্দলেখা'-দিয়েকৰপৰা কেইটামান প্ৰবন্ধ পুনৰ্মুদ্ৰণ কৰা হৈছে। সংশ্লিষ্ট সম্পাদক আৰু লেখক সকললৈ এই ছেগতে শলাগ যাঁচিলোঁ আৰু প্ৰয়াত লেখক সকলৰ স্মৃতিত শ্ৰদ্ধা নিবেদন কৰিলোঁ। লেখকসকলে আমাৰ মহাবিদ্যালয়খনক বুজাবলৈ যাদৃচ্ছিকভাৱে 'আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়', 'আনন্দৰাম ঢেকিয়াল ফুকন কলেজ' বা 'এডিপি কলেজ' অভিধা তেখেতসকলৰ লেখাত প্ৰয়োগ কৰিছে। আমি তাত হস্তক্ষেপ কৰা নাই।

দৰাচলতে অসমীয়া আৰু ইংৰাজী বিভাগেৰে (Section) সমৃদ্ধ স্মৃতিগ্ৰন্থখনৰ জৰিয়তে প্ৰধান ভাবে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অতীত, বৰ্তমান আৰু ভৱিষ্যতৰ ওপৰত আলোকপাত কৰিবলৈ প্ৰয়াস কৰা হৈছে। লগতে উচ্চ শিক্ষাৰ কেন্দ্ৰ হিচাপে সংশ্লিষ্ট বিভিন্ন দিশৰ প্ৰবন্ধ-পাতি স্মৃতিগ্ৰন্থখনত সন্নিৱিষ্ট কৰা হৈছে। এই ক্ষেত্ৰত আমি কিমানদূৰ সফল হৈছো, তাৰ বিচাৰৰ ভাৰ সুশীল পাঠক-সমাজৰ ওপৰত এৰিলোঁ।

'সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ'ৰ সম্পাদনাৰ দৰে গধু�ৰ দায়িত্ব পালন কৰাৰ যোগ্যতা আমাৰ আছে নে নাই নেজানো। তথাপি মহাবিদ্যালয় কৰ্তৃপক্ষই সেই দায়িত্ব ন্যস্ত কৰাত, কান্ধ পাতি ললোঁ। আমাৰ অহোপুৰুষাৰ্থ সত্ত্বেও, জ্ঞাতে-অজ্ঞাতে হ'ব পৰা ভুল-ত্ৰুটিৰ বাবে সংশ্লিষ্ট সকলোৰে ওচৰত মাৰ্জনা বিচাৰিলোঁ।

দূৰ অতীতত উপনিষদৰ মন্ত্ৰদ্ৰষ্টা ঋষিয়ে উচ্চাৰণ কৰিছিল ঃ 'ৱিদ্যয়াঽমৃতমশ্নুতে' (ঈশোপনিষৎ)। সেই অমৃত আমাৰ শৰীৰ আৰু হৃদয় উভয়ৰে বাবে পৰিভুগী হওক, এই কামনাৰে—

কৈলাস চন্দ্ৰ দাস
সম্পাদক
সোণালী জয়ন্তী স্মৃতিগ্ৰন্থ

সূচী

সোঁৱৰণিৰ ছাঁ-পোহৰ....

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত মোৰ অধ্যাপনা আৰু অধ্যক্ষতা ঃ স্মৃতিৰ সুবভি	□	ড° নাৰায়ণ চন্দ্ৰ বৰ্মন	১
চাকৰি কালৰ স্মৃতিৰ ৰ'দ কাঁচলি আৰু পৰৱৰ্তী কিছু কথা	□	নৱেন্দ্ৰনাথ শইকীয়া	৬
এৰি অহা দিনবোৰ	□	শশী বৰা	১১
খেলা-ধূলা, মই আৰু আনন্দৰাম ঢেকিয়াল ফুকন কলেজ	□	সহজানন্দ ওজা	১৫
ইতিহাসে গৰকা এডিপি কলেজ	□	উপেন্দ্ৰ নাথ বৰা	১৮
স্মৃতিৰ জলঙাৰে মই পঢ়া কলেজখন	□	পূৰ্ণকান্ত নাথ	২৫
মহাবিদ্যালয়ৰ স্মৃতি সুঁৰবি	□	প্ৰভাত শৰ্মা বৰুৱা	২৯
আমাৰ দিনৰ এডিপি কলেজ	□	ড° ৰাজেন শইকীয়া	৩১
আনন্দৰাম ঢেকিয়াল ফুকন কলেজ ঃ মোৰ স্মৃতিৰ জোলোঙাত সঞ্চিত পাণ্ডুলিপিৰ এছোৱা	□	যতীন্দ্ৰ কুমাৰ বৰগোহাঞি	৩৭
এডিপি কলেজত দুটা বছৰ	□	ড° লীলাৱতী শইকীয়া বৰা	৪৩
স্মৃতিৰ সঁফুৰা	□	এম. হবিব উল্লাহ	৪৬
ভাবৰ অকৃত্ৰিম ধাৰা	□	ৰোহিত চন্দ্ৰ মহন্ত	৪৯
সোঁৱৰণিৰ এচেৰেঙা	□	সোণালী বৰা হাজৰিকা	৫১
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ দিনবিলাক	□	সত্যপ্ৰসাদ শৰ্মা	৫৩
এডিপি কলেজ আৰু হাই ছাব	□	মঃ মজিবুৰ ৰহমান	৫৫

চৰৈৰেতি চৰৈৰেতি

ৰূপালী জয়ন্তী উৎসৱত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু পৰিচালনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন	□	আব্দুল হাই	৫৬
কলেজৰ স্বৰ্ণ জয়ন্তীত 'নাক'ৰ কথা মনত পৰে	□	নগেন্দ্ৰ চন্দ্ৰ নাথ	৬১
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনী (N.C.C.)	□	খগেন্দ্ৰ মহেলা	৬৩
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ঃ ৰাষ্ট্ৰীয় সেৱা যোজনা (N.S.S.) গোট	□	দেৱপ্ৰসাদ হাজৰিকা	৬৪
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ঃ গান্ধী-অধ্যয়ন কেন্দ্ৰ	□	গীতাদেৱী ভট্টাচাৰ্য	৬৫
আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষসকল	□	কৈলাস চন্দ্ৰ দাস	৬৭

কৃতি আৰু কীর্ত্তি

ড° সর্বেপল্লী ৰাধাকৃষ্ণণৰ দর্শন	□	অর্পণা তামুলী	৭৯
শ্রীনিবাস ৰামানুজন ঃ জীৱন আৰু কর্ম	□	ড° গায়ত্রী দাস	৮২
আনন্দৰাম ঢেকিয়াল ফুকনৰ ব্যক্তিত্ব আৰু অসমীয়া ভাষা উদ্ধাৰৰ প্রথম আন্দোলন	□	হীৰেন্দ্র নাথ শইকীয়া	৮৬
অধ্যক্ষ শুকদেৱ গোস্বামী ঃ এডিপি কলেজৰ প্রাণ-প্রতিষ্ঠাপক	□	ড° গকুল গোস্বামী	৯১
স্মৃতিৰ এলবামত মৰহুম আব্দুল হাই ছাৰ	□	আমিনুল ইছলাম	৯৫

ভাষা-সাহিত্য-সংস্কৃতি

কবি-নাট্যকাৰ বার্টল্ড ব্রেশ্‌ট	□	ড° মলয় ৰয়	৯৮
জ্যোতিপ্রসাদৰ নাটকত লোক-সংস্কৃতিৰ সমল	□	ড° ৰজিতা কলিতা	১০১
সংস্কৃত ভাষাৰ স্বৰূপ আৰু অৱস্থান ঃ এক আলোকপাত	□	গুণ শইকীয়া	১০৬
অসমীয়া সাহিত্যত সংস্কৃত উৎস	□	ড° থানেশ্বৰ শর্মা	১০৯
ৰবীন্দ্র কাব্যৰ উষাপর্ব	□	ড° অণিমা ভট্টাচার্য	১১৩
আৰবী ভাষা-সাহিত্যৰ প্রচাৰ-প্রসাৰত ভাৰতীয় মুছলমানৰ ভূমিকা	□	ড° আব্দুল মজিদ নাদৰী	১১৬
দেৱকান্ত বৰুৱাৰ কবিতাত কলং	□	ড° মহেশ্বৰ কলিতা	১২০
পদ্মানদীৰ মাঝি ঃ প্রাসঙ্গিক পাঠ	□	ড° অজিত কুমাৰ সিংহ	১২৩
লোকগীতৰ কাব্যিক সৌন্দর্য ঃ এটি বিশ্লেষণ	□	অজিত ভৰালী	১২৭

ৰর্ণ-বিচ্ছুৰণ

প্রাচীন ভাৰতৰ শ্রমনীতি	□	প্রদীপ শইকীয়া	১৩৫
শিল্পাচার্য ইন্দ্রেশ্বৰ ৰৰঠাকুৰৰ শিল্প-চিন্তা	□	ড° নৰেন কলিতা	১৪১
ইতিহাস অধ্যয়ন আৰু সমাজ	□	ড° সাগৰ বৰুৱা	১৪৪
লীলাৱতী আৰু 'লিলাৱতি অংক শাস্ত্র'	□	ড° ৰামচন্দ্র ডেকা	১৪৭
ভাৰতৰ স্বাধীনতা আন্দোলনত নগাঁৰৰ অৱদান	□	উপেন্দ্র ৰৰকটকী	১৫২
বিশ্বায়ন ঃ সম্ভাৱনা আৰু সংশয়	□	গীতিমল্লিকা শইকীয়া	১৫৭
হেমন্তৰ মিঠা সন্ধিয়াত আত্মাৰ অন্বেষণ	□	আব্দুল কুদ্দুছ	১৬২
ৰৰ অসম ঃ 'সাত ৰাজ মাৰি এক ৰাজ' পত্তন	□	ড° মিনামুদ্দিন আহমেদ	১৬৭
বিদ্যুৎ সঙ্কট	□	প্রবীৰ কুমাৰ বৰুৱা	১৭৩
সোণালী জয়ন্তী বর্ষৰ কিছু অনুভৱ	□	মঃ আৰশ্বাদ হুছেইন	১৭৫

বিশেষ দ্রষ্টব্য ঃ অসমীয়া বিভাগৰ পাছত **English Section** আছে।
English Sectionৰ পাছত 'পৰিশিষ্ট' আছে। — *সম্পাদক*



অসমীয়া বিভাগ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত মোৰ অধ্যাপনা আৰু অধ্যক্ষতা ঃ স্মৃতিৰ সুৰভি

ড° নাৰায়ণ চন্দ্ৰ বৰ্মন

স্নাতকোত্তৰ পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতেই প্ৰায় একে সময়তে বিশ্বনাথ চাৰিআলি মহাবিদ্যালয়, গোৱালপাৰা মহাবিদ্যালয়, গড়গাঁও মহাবিদ্যালয় আৰু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত প্ৰবক্তা-পদত নিযুক্তি পাই ক'ত যোগদান কৰোঁ এই চিন্তাত বিপাঙত পৰিলোঁ। অসমীয়া ভাষাৰ ত্ৰাণকৰ্তা আনন্দৰাম ঢেকিয়াল ফুকন মহাপুৰুষগৰাকীৰ পবিত্ৰ স্মৃতি-বিজড়িত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ নামটোৱেই মোক আকৃষ্ট কৰিলে আৰু এইখন মহাবিদ্যালয়তে যোগদান কৰাৰ সিদ্ধান্ত ল'লোঁ। আহি দেখিলোঁ মহাবিদ্যালয়ৰ পাঠদানৰ বাবে নিজ গৃহ নাই, আনকি মহাবিদ্যালয়ৰ কাম-কাজ পৰিচালনাৰ বাবে নিজ কাৰ্যালয় এটিও নাই। মহাবিদ্যালয়ত যোগদান কৰিবলৈ আহি কাৰ্যালয় বিচাৰি ঘূৰ্মুটিখাই ফুৰিলোঁ। মনটো সেমেকি গ'ল। প্ৰখ্যাত নেহৰুবালিৰ সমীপৱৰ্তী প্ৰতিষ্ঠাতা অধ্যক্ষ প্ৰয়াত শুকদেৱ গোস্বামীৰ বাস গৃহতেই অধ্যক্ষ মহোদয়ক সাক্ষাৎ কৰিলোঁ। প্ৰথম সাক্ষাততে তেখেতৰ মৰমসনা 'বোপাই' সম্বোধনে মোক মোহিত কৰিলে। ওচৰতে বৈ থকা মেখেলা-চাদৰ পৰিহিতা তেখেতৰ মেম পত্নীৰ লগতো মোক পৰিচয় কৰাই দিলে আৰু স্নেহপূৰ্ণ মিচিকিয়া হাঁহিটিৰে তেখেতে মোৰ লগত দুষাৰ কথা পাতিলে। সিদিনাই অৰ্থাৎ ১৯৬০ চনৰ ১ লা ছেপ্টেম্বৰ তাৰিখে মহাবিদ্যালয়ত অধ্যাপক হিচাপে যোগদান কৰা প্ৰ-পত্ৰ অধ্যক্ষৰ হাতত অৰ্পণ কৰিলোঁ।

মহাবিদ্যালয়খনিত নৈশ শাখাহে প্ৰৱৰ্তন কৰা হৈছিল। প্ৰকৃততে নৈশ শাখাৰ এই মহাবিদ্যালয়খনি প্ৰতিষ্ঠিত হৈছিল বিভিন্ন বিভাগত চাকৰি কৰি থকা উচ্চ শিক্ষাৰ প্ৰতি অতিশয় আগ্ৰহী অথচ উচ্চ শিক্ষাৰ সুযোগ-সুবিধাৰ পৰা বঞ্চিত এচাম ছাত্ৰৰ অদম্য উৎসাহ-উদ্দীপনা ভেটিত। নগঞা ৰাইজৰ সুদূৰ প্ৰসাৰী উচ্চ চিন্তা-চৰ্চ্চাৰ ফলত আৰু ইতিমধ্যে বিলাতৰ পৰা অৰ্থনীতি বিভাগত স্নাতকোত্তৰ ডিগ্ৰী লৈ স্বদেশলৈ উভতি অহা নগাঁৱৰ সুযোগ্য সন্তান প্ৰয়াত শুকদেৱ গোস্বামীৰ অধ্যক্ষতাত এই মহাবিদ্যালয়ৰ শুভাৰম্ভ কৰা হয় ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত। পাঠদানকাৰ্য সম্পন্ন কৰা হয় ডচন বহুমুখী উচ্চ মাধ্যমিক বিদ্যালয়ত। মহাবিদ্যালয়ত মোৰ প্ৰথম পাঠদানকাৰ্য সম্পন্ন কৰাৰ ক্ষেত্ৰত দিহা-পৰামৰ্শ আগবঢ়াইছিল নগাঁও মহাবিদ্যালয়ৰ প্ৰবক্তা শ্ৰদ্ধেয় শ্ৰীমহিম বৰাদেৱে। তেতিয়া নগাঁও মহাবিদ্যালয়ৰ অধ্যাপকসকলে অংশকালীন অধ্যাপক হিচাপে এডিপি কলেজৰ বিভিন্ন বিভাগৰ পাঠদান কাৰ্য সম্পন্ন কৰিছিল। প্ৰথম পূৰ্ণকালীন অধ্যাপক হিচাপে মোৰ লগত অগাপিছাকৈ নিযুক্তি লাভ কৰা ব্যক্তিসকল আছিল শিক্ষাবিভাগত শিক্ষাবিদ প্ৰয়াত হৰেশ্বৰ গোস্বামী, সংস্কৃত বিভাগত ড° নৰেন্দ্ৰ নাথ শৰ্মা, বুৰঞ্জী বিভাগত প্ৰয়াত অধ্যাপক কন্দৰ্পদেৱ গোস্বামী, দৰ্শন বিভাগত প্ৰয়াত অধ্যাপক আবু বক্কৰ মঃ চিদ্দিক, আৰবী বিভাগত প্ৰয়াত অধ্যাপক আবু নচৰ ৰাহিদ আৰু অৰ্থনীতি বিভাগত অধ্যাপক বাণেশ্বৰ শইকীয়া। এই সকলৰ পিছত নিযুক্তি লাভ কৰা অধ্যাপকসকল হ'ল— দৰ্শন বিভাগত প্ৰয়াত ৰবীন্দ্ৰ নাথ শৰ্মা, ৰাজনীতি বিভাগত প্ৰয়াত পুষ্পকান্ত বৰা, অধ্যাপক শশীকান্ত বৰা, সংস্কৃত বিভাগত প্ৰয়াত শৰৎ মাধৱ কুম্ভে, অৰ্থনীতি বিভাগত অধ্যাপক কৃষ্ণকান্ত ফুকন, অসমীয়া বিভাগত প্ৰয়াত হীৰেন্দ্ৰ নাথ শইকীয়া, বুৰঞ্জী বিভিাগত প্ৰয়াত ধৰ্মেশ্বৰ বৰা, আৰবী বিভাগত উত্তৰ প্ৰদেশৰ প্ৰায়ত এম্. এ. হাছমী, ইংৰাজী বিভাগত উত্তৰ

প্রদেশৰ অধ্যাপক টি. এন্ বাজপেয়ী, শিক্ষা বিভাগত অধ্যাপক নৰেন্দ্ৰ নাথ শইকীয়া, বাংলা বিভাগত অধ্যাপক ড° মলয় ৰয় ইত্যাদি। সেই সময়তে কিছুদিনৰ বাবে অসমীয়া বিভাগত অধ্যাপক হৰেন্দ্ৰ নাথ দেৱগোস্বামী, ড° কেশৱানন্দ দেৱগোস্বামী আৰু ইংৰাজী বিভাগত অধ্যাপক ভৰত চন্দ্ৰ মিশ্ৰ ভাগৱতীয়ে অধ্যাপনা কৰিছিল। উল্লেখযোগ্য যে মহাবিদ্যালয়ৰ প্ৰতীক-পট (Emblem) ৰূপায়ণ কৰিছিল অধ্যাপক মিশ্ৰ ভাগৱতীয়ে আৰু এই কাৰ্যত তেখেতক সংস্কৃত বিভাগৰ অধ্যাপক শৰৎ মাধৱ কুশ্ৰেই সহায় কৰিছিল আৰু মহাবিদ্যালয় সঙ্গীতৰ ৰচক আছিল অসমীয়া বিভাগতৰ প্ৰবক্তা প্ৰয়াত হীৰেন্দ্ৰ নাথ শইকীয়া।

ডচন বহুমুখী বিদ্যালয়ত অনুষ্ঠিত নৈশ শাখাৰ প্ৰথম পাঠদানকাৰ্য সম্পাদন কৰিবলৈ গৈ মই বিচূৰ্তি খাওঁ। ছাত্ৰৰে গিজগিজাই থকা শ্ৰেণীকোঠাত প্ৰৱেশ কৰিয়েই মই কোঠাটো ভালদৰে নিৰীক্ষণ কৰিলোঁ। দেখিলোঁ— সমুখৰ বেঞ্চত বহি থকা ছাত্ৰসকলৰ কেবাজনো মোৰ পিতৃ বয়সৰ। পৰিচয় পৰ্ব আৰম্ভ হ'ল। ছাত্ৰসকলৰ মাজত আছিল কেবাজনো খুৰাক-ভতিজা, শহুৰ-জোঁৱাই, ককাই-ভাই, মোমাই-ভাগিন। প্ৰায় সকলোবোৰ ছাত্ৰই আছিল চাকৰিজীৱী, চৰকাৰী বিভিন্ন বিভাগৰ দায়িত্বশীল কৰ্মচাৰী, নগাঁও জিলাৰ বিভিন্ন বিদ্যালয়ত শিক্ষাব্ৰতী শিক্ষক। এইসকল বয়সস্থ ছাত্ৰৰ সমুখত জীৱনৰ আগলি পৰৰ পঁচিশ বছৰীয়া চফল ডেকা অধ্যাপক মই। পৰিৱেশটো মোৰ মনত আজিও সজীৱ হৈ আছে। আদহীয়া ছাত্ৰসকলে সবিনয়ে ব্যক্ত কৰিলে, 'চাৰ, বুঢ়া কালত মহাবিদ্যালয়লৈ আহিছোঁ কিবা অলপ শিকোঁ বুলি। আমাৰ জীৱন সাংসাৰিক জঞ্জালে আ�ৱৰা, মেধাও মামৰে ধৰা। আশীৰ্বাদ কৰিব।' মই ছাত্ৰসকলক 'আপুনি' সম্বোধনেৰে ধন্যবাদ জনাই শিক্ষক জীৱনৰ পবিত্ৰ যাত্ৰ আৰম্ভ কিৰলোঁ। ছাত্ৰসকলক উদ্দেশ্য কৰি প্ৰকাশ কৰিলোঁ, "আপোনালোকে মোৰ সম্ভাষণ গ্ৰহণ কৰক। আপোনালোক হতাশ হোৱাৰ কোনো কাৰণ নাই। শিক্ষা গ্ৰহণত বয়স হেঙাৰ নহয়। মেধাতো মামৰে নধৰে। মনত ৰাখিব— 'শ্ৰদ্ধা যত্নো যদি স্যাতা মেধয়া কিং প্ৰয়োজনম্'। আপোনালোকৰ শ্ৰদ্ধা আছে। যত্ন কৰক— জীৱনত কৃতকাৰ্য হ'বই। 'শ্ৰদ্ধাৱান্ লভতে জ্ঞানম্'। আপোনালোক নিশ্চয় গুণী, জ্ঞানী হ'ব।" সেই বয়সস্থ ছাত্ৰসকলৰ আচাৰ-ব্যৱহাৰ, নিষ্ঠা-সততা, শ্ৰদ্ধা-ভক্তিত মোৰ মন তৃপ্তিৰে উপচি পৰিল। শ্ৰেণীকোঠাত প্ৰৱেশ কৰিয়েই সদায় লক্ষ্য কৰোঁ পূৰ্ণ শৃঙ্খলতা বিৰাজমান, প্ৰতিজন ছাত্ৰই পাঠ-গ্ৰহণত একান্ত ব্ৰতী। প্ৰয়োজন হ'লে একাধিকাবাৰ প্ৰশ্ন কৰি সন্দেহ ভঞ্জন কৰি লয়। ভাব হৈছিল প্ৰতিজন ছাত্ৰই যেন এটা অনুসন্ধিৎসু, জিজ্ঞাসু মন লৈ শ্ৰেণীকোঠাত সমাহিত হৈ থাকে। ছাত্ৰ-শিক্ষকৰ সম্বন্ধও আছিল প্ৰকৃত গুৰু-শিষ্যৰ সম্বন্ধ। ছাত্ৰ-শিক্ষকৰ এই মধুৰ সম্পৰ্ক এডিপি কলেজৰ পুৰণিচাম ছাত্ৰই গঢ় দিছিল আৰু গৌৰৱৰ কথা এই সম্পৰ্ক বৰ্তমান অৱস্থাতো এডিপি কলেজত অটুট আছে। মহাপুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতিত প্ৰতিষ্ঠিত এই মহাবিদ্যালয়ৰ ছাত্ৰ হিচাপে এক সুকীয়া গৌৰৱৰ অধিকাৰী প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰী। মহাপুৰুষগৰাকীৰ আদৰ্শেৰে উদ্বুদ্ধ হৈ আদৰ্শবান নাগৰিক হোৱাৰ লক্ষ্য প্ৰতিগৰাকী ছাত্ৰ-ছাত্ৰীৰ অন্তৰত সদা জাগ্ৰত।

প্ৰতিষ্ঠাতা অধ্যক্ষ প্ৰয়াত শুকদেৱ গোস্বামী কলেজৰ অধ্যক্ষ হৈ থকা কালত নৱাগত আদৰণী উৎসৱ উপলক্ষে গুৱাহাটী বিশ্ববিদ্যালয়ৰ তদানীন্তন মাননীয় উপাচাৰ্য টেইলৰ মহোদয়ে সস্ত্ৰীক নৱ নিৰ্মিত কলেজ ভৱনত পদাৰ্পণ কৰিছিল আৰু কলেজৰ পৰিৱেশ দেখি সন্তোষ প্ৰকাশ কৰি এটি সুন্দৰ ভাষণ প্ৰদান কৰিছিল। অসমৰ সুযোগ্য সন্তান, কলংপৰীয়া কবি শ্ৰদ্ধেয় দেৱকান্ত বৰুৱা দেৱ অসম মন্ত্ৰীসভাৰ শিক্ষামন্ত্ৰী হৈ থকা অৱস্থাতে এই মহাবিদ্যালয়ৰ প্ৰতি সদয় আছিল। এটি বিশেষ অনুষ্ঠানত কলেজ কৰ্তৃপক্ষ আৰু ছাত্ৰসকলৰ অনুৰোধ সাপেক্ষে তেখেত মহাবিদ্যালয়ত উপস্থিত হৈ কলেজখন ঘাটীমঞ্জুৰিপ্ৰাপ্ত কলেজলৈ উন্নীত কৰাৰ প্ৰতিশ্ৰুতি দিছিল। উল্লেখযোগ্য যে তেখেতে অসম উচ্চ শিক্ষাধিকৰ্তাকো লগতে আনি আৱশ্যকীয় নথি-পত্ৰ সংগ্ৰহ কৰিবলৈ নিৰ্দ্দেশ দিছিল। ফলস্বৰূপে ১৯৬৪ চনৰ ১লা এপ্ৰিল তাৰিখৰ পৰা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে অসম এখন ঘাটীমঞ্জুৰিপ্ৰাপ্ত মহাবিদ্যালয় হিচাপে স্বীকৃতি লাভ কৰে। তেতিয়া কলেজৰ অধ্যাপক-অধ্যাপিকাসকলৰ মাহিলী বেতন আছিল দুশ টকা আৰু ১৭১/২% মৰগীয়া বানচ সহ মুঠ দুশ পঁয়ত্ৰিশ টকা। তাৰ পিছতে মহাবিদ্যালয়ত দিবা-নৈশ উভয় শাখাতে পাঠদান প্ৰবৰ্তন কৰা হয়। নতুন নতুন অধ্যাপক অধ্যাপিকাই নিযুক্তি লাভ কৰে। পূৰ্বতে এই মহাবিদ্যালয়তে বুৰঞ্জী বিভাগত অংশকালীন অধ্যাপক হিচাপে সেৱা আগবঢ়োৱা নগাঁ মহাবিদ্যালয়ৰ অধ্যাপক প্ৰয়াত আব্দুল হাই চাহাব নতুন অধ্যক্ষ নিযুক্ত হয় আৰু মই উপাধ্যক্ষ পদত অধিষ্ঠিত হওঁ। শৈক্ষিক আৰু আন্তঃগাঁথনিৰ দিশত মহাবিদ্যালয়খনে দোপত-দোপে উন্নতি প্ৰদৰ্শন কৰি অসমৰ এখন আগশাৰীৰ উচ্চ শিক্ষানুষ্ঠান ৰূপে পৰিগণিত হ'ল। প্ৰায় সকলো বিভাগতে অনাৰ্চ পাঠ্যক্ৰম প্ৰবৰ্তন কৰা হয়। অধ্যক্ষ হাই চাহাৰৰ দিনতেই বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা আৰ্থিক অনুদান লাভ কৰি লক্ষ্মীনাথ বেজবৰুৱা ভৱন, Stuents'-Day Home নিৰ্মাণ কৰা হয়। ছাত্ৰ-ছাত্ৰী তাগিদাত বিজ্ঞান শাখাও প্ৰবৰ্তন কৰা হয় আৰু শেষত ছাত্ৰাবাস নিৰ্মাণৰ বাবে বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা অনুদান লাভ কৰি গৃহ-নিৰ্মাণ আৰম্ভ কৰা হয়। কিন্তু দুৰ্ভাগ্য ক্ৰমে ক্ৰটীপূৰ্ণ এই নিৰ্মাণ কাৰ্য অসম্পূৰ্ণ হৈ ৰয়।

১৯৬২ চনৰ চীনা আক্ৰমণৰ পিছত ভাৰত চৰকাৰে কলেজসমূহত ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনী (N.C.C) প্ৰচলন কৰে। এডিপি কলেজৰ পৰা মই তিনিমহীয়া Pre-commission training লৈ Commissioned officer হিচাপে ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনীত যোগদান কৰি Major Rank পৰ্যন্ত সেৱা আগবঢ়াইছিলোঁ। উক্ত কালছোৱাত নিয়মীয়া সামৰিক বিভাগৰ Commanding officer নথকাত কেবাবছৰো মই

Assam Bn. N.C.C. আৰু 72 Girls' Division N.C.C ৰ commanding officer হিচাপে কার্যনির্বাহ কৰিছিলোঁ। উল্লেখযোগ্য যে আমাৰ মহাবিদ্যালয়ৰ পৰা কেবাগৰাকী N.C.C. cadet C certificate লাভ কৰি সামৰিক আৰু আৰক্ষী বিভাগত নিযুক্ত হৈছে। এই কালছোৱাৰ ভিতৰতে মই N.C.C. officer হিচাপে আৰু আমাৰ কলেজৰে ছাত্ৰ শ্ৰীকৃষ্ণ শর্মাই senior N.C.C. cadet হিচাপে দার্জিলিঙত অৱস্থিত Jawaharlal Nehru Mountaineering Institute অত 42 Basic Mountaineering Training course অত যোগদান কৰিছিলোঁ। তেতিয়া তাৰ field Director আছিল এভাৰেষ্ট বিজয়ী বীৰ টেনজিং নৰ্কে। তেওঁৰ তত্ত্বাবধানতে দার্জিলিঙৰ পৰা নব্বৈ মাইল আঁতৰত অৱস্থিত চিকিমৰ চৌৰীকিয়াঙ নামৰ Base camp-ৰ পৰা শিলাময় পর্বত বগোৱা আৰু স্তূপীকৃত বৰফ বগোৱা প্ৰশিক্ষণ সমাপ্ত কৰা হৈছিল। প্ৰকৃততে এই প্ৰশিক্ষণ আছিল মোৰ জীৱনৰ অভূতপূর্ব চমকপ্ৰদ অভিজ্ঞতা। এই প্ৰশিক্ষণৰ অন্তত সুউচ্চ, সুবিশাল শিলাময় আৰু তুষাৰাবৃত হিমালয় পর্বত বগোৱা মোৰ সঙ্গী, মোৰ প্ৰিয় ছাত্ৰ শ্ৰীকৃষ্ণ শর্মাই সামৰিক বিভাগত Commissioned officer হিচাপে নিযুক্তি লাভ কৰে আৰু Major Rank পর্যন্ত উক্ত বিভাগত সেৱা আগবঢ়ায়।

অধ্যক্ষ-পদত অধিষ্ঠিত হোৱাৰ পিছতেই মহাবিদ্যালয়ৰ আর্থিক সংকট দেখি মই উদ্বিগ্ন হৈ পৰোঁ। বিজ্ঞান শাখাৰ অনাদায় হৈ থকা বৃহৎ পৰিমাণৰ ঋণৰ বোজাৰে আর্থিক দিশ ভাৰাক্ৰান্ত। তদুপৰি অধ্যাপক-অধ্যাপিকা আৰু অন্যান্য কর্মচাৰীৰ জীৱন-বীমা আৰু P.F.ৰ মাহিলী জমাও অনিয়মীয়া। আর্থিক সংকট ইমানেই তীব্ৰ আছিল যে সময়মতে উচ্চ শিক্ষাধিকর্তাৰ কার্যালয়ৰ পৰা মাহিলী Deficit grants-in-aid মোকোলাই নিদিলে কলেজৰ কোষৰ পৰা এমাহৰ দর্মহা দিবলৈকো অসম্ভৱ হ'ল। কলেজ পৰিচালনা সমিতি আহ্বান কৰি সমস্ত দিশ আলোচনা কৰা হয়। পৰিচালনা সমিতিৰ নির্দেশনাত আর্থিক দিশত অতি সংযত ব্যৱস্থা গ্ৰহণ কৰা হ'ল। আনকি বিজ্ঞান শাখাৰ ব্যৱহাৰিক পাঠদানৰ বাবে আৱশ্যকীয় নিয়মীয়া বিজ্ঞানাগাৰ-খৰচৰ ক্ষেত্ৰতো যথা সম্ভৱ টানি চলিবলৈ অধ্যাপকসকলক অনুৰোধ জনোৱা হ'ল। এনে এক জটিল আর্থিক পৰিস্থিতিৰ সন্মুখীন হৈ তদানীন্তন উচ্চ শিক্ষাধিকর্তা শ্ৰদ্ধেয় শৈলজানন্দ ভঁড়ালী মহোদয়ক সাক্ষাৎ কৰি সমস্ত দিশ উন্মুক্ত কৰি তেখেতৰ উপদেশ বিচাৰিলোঁ। নানা সদুপদেশ দিয়াৰ অন্তত তেখেতে মোক সকীয়াই দিলে যাতে Deficit grants-in-aid পোৱা তাৰিখ পর্যন্ত অধ্যাপক-অধ্যাপিকা আৰু অন্যান্য কর্মচাৰীৰ দর্মহাসহ জীৱন-বীমা আৰু P.F.ৰ জমা দিব লগা ধন আদায় দিয়া হয়। তেখেতৰ উপদেশ অনুসৰি যথাৰীতি কার্যব্যৱস্থা গ্ৰহণ কৰি আগ বাঢ়িবলৈ প্ৰয়াস কৰিলোঁ। অমঞ্জুৰিপ্ৰাপ্ত পদত অধ্যাপক-অধ্যাপিকাৰ নিয়োগ প্ৰায় বন্ধ কৰা হ'ল। কোনো কোনো বিভাগৰ পৰা অংশকালীন অধ্যাপক-অধ্যাপিকা নিয়োগৰ বাবে অহা অনুৰোধো প্ৰত্যাখ্যান কৰা হ'ল। মোৰ কার্যকালতেই উদ্ভিদ্ বিজ্ঞান বিভাগত major course প্ৰবর্তন কৰা হয় আৰু এই বিভাগত আৱশ্যক হোৱা অধ্যাপকৰ পদৰ বাবে দর্শন বিভাগৰ অতিৰিক্ত এটা পদ উদ্ভিদ বিজ্ঞান বিভাগলৈ পৰিৱর্তন কৰাৰ ব্যৱস্থা লোৱা হয়। কলেজ-কোষৰ পৰা যাতে অতিৰিক্ত ধন অধ্যাপক-অধ্যাপিকাৰ দা-দর্মহাত খৰচ কৰিব লগা নহয় তাৰ বাবে সতর্ক হৈ প্ৰায় সমস্ত পদ মঞ্জুৰিপ্ৰাপ্ত পদলৈ উন্নীত কৰা হয়। মোৰ কার্যকালত দুটা পদ, এটা হিন্দী আৰু আনটো বঙালী বিভাগৰ, মঞ্জুৰ কৰিব পৰা নগ'ল; কিন্তু মঞ্জুৰ কৰাৰ পূর্ণ পদক্ষেপ গ্ৰহণ কৰা হ'ল আৰু ফলস্বৰূপে অনতিবিলম্বে দুয়োটা পদো মঞ্জুৰিপ্ৰাপ্ত হ'ল। এনে আর্থিক সংকটৰ সময়তো কলেজৰ আন্তঃগাঁথনি উন্নয়নৰ ক্ষেত্ৰত যথাসাধ্য চেষ্টা অব্যাহত ৰাখিছিলোঁ। কলেজৰ উন্মুক্ত চৌহদ পকাবেৰৰ দ্বাৰা আবৃত কৰাৰ প্ৰচেষ্টা মোৰ কার্যকালতেই আৰম্ভ কৰা হয়। পূর্বতে নির্মিত Students' Day Home নামৰ গৃহৰ প্ৰথম মহলা মেৰামতি কৰি তাৰ পুথিভঁৰাল স্থানান্তৰিত কৰি ছাত্ৰ-শিক্ষকৰ বাবে সুকীয়া পাঠাগাৰৰ ব্যৱস্থা কৰা হয়। অধ্যাপক-অধ্যাপিকাসকলৰ বাবে জিৰণি কোঠা-সংলগ্ন প্ৰস্ৰাৱাগাৰ আদিৰ সুব্যৱস্থা নাছিল। অধ্যাপক আৰু অধ্যাপিকা সকলৰ বাবে সুকীয়াকৈ পানীযোগান ব্যৱস্থাসহ প্ৰস্ৰৱাগাৰ, শৌচাগাৰ, স্নানাগাৰ, প্ৰসাধন কক্ষ আদি জিৰণি-কোঠাৰ লগত সংলগ্ন কৰি নির্মাণ কৰা হয়। বেজবৰুৱা ভৱনৰ প্ৰথম মহলা পানী উৰুখি ব্যৱহাৰৰ অনুপযোগী হোৱাত মেৰামতিৰ ব্যৱস্থা কৰা হয় আৰু তাৰ ওপৰত অসম আর্হিত দ্বিতীয় মহলা নির্মাণৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। এই সংক্ৰান্তত তদানীন্তন অসমৰ মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তক সাক্ষাৎ কৰি আর্থিক অনুদানৰ বাবে লিখিত আৱেদন প্ৰদান কৰা হয় আৰু তেখেতৰ অনুগ্ৰহতেই state lottery fundৰ পৰা এক লাখ টকাৰ অনুদান লাভ কৰা হয় আৰু সেই অনুদানেৰে বেজবৰুৱা ভৱনৰ দ্বিতীয় মহলাৰ নির্মাণ কার্য আৰম্ভ কৰি উদ্ভিদ্ বিদ্যা বিভাগৰ শ্ৰেণী কোঠা আৰু ব্যৱহাৰিক কক্ষৰ ব্যৱস্থা কৰা হয়। তদুপৰি মাননীয় মুখ্যমন্ত্ৰী শ্ৰীপ্ৰফুল্ল কুমাৰ মহন্তৰ সৌজন্যতে পঞ্চাশ হাজাৰ টকাৰ আন এটি অনুদান লাভ কৰি উল্লেখিত নির্মাণকার্যতেই ব্যৱহাৰ কৰা হয়।

অধ্যক্ষৰূপে কার্যভাৰ গ্ৰহণ কৰাৰ পিছতেই আন এটি সমস্যৰ সন্মুখীন হ'ব লগা হয়। আমাৰ মহাবিদ্যালয়ত যদিও বিজ্ঞান শাখা প্ৰবর্তন কৰা হয়, শ্ৰেণীকোঠাৰ নাটনিৰ বাবে আৰম্ভণিৰে পৰা নিকটৰর্তী নগাঁও আইন মহাবিদ্যালয়-ভৱনত বিজ্ঞান শাখাৰ পাঠদান কার্য সম্পন্ন কৰা হৈছিল। বিজ্ঞান শাখাৰ অধ্যাপক-অধ্যাপিকাসকলে এদিন অধ্যক্ষৰ কক্ষলৈ আহি মোক জনালে যে নগাঁও আইন মহাবিদ্যালয়ত পাঠদান কার্যসম্পন্ন কৰাত তেখেতসকল অসুবিধাৰ সন্মুখীন হৈছে। মই তেখেতসকলক শ্ৰেণীকোঠাৰ নাটনিৰ কথা জনাই ভৱিষ্যতে এই বিষয়ে চিন্তা-চর্চা কৰা হ'ব বুলি বুজাই বঢ়াই পঠালোঁ। অন্য এদিন পদার্থ বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক প্ৰয়াত

আশ্রফ আলি মোৰ কোঠালৈ আহি সবিনয়ে ব্যক্ত কৰিলে, 'ছাৰ, আইন মহাবিদ্যালয়ত অনুষ্ঠিত পাঠদান কার্য সন্মান জনিত কাৰণত আপুনি যেনেতেনে আমাৰ মহাবিদ্যালয় ভৱনলৈ সোনকালে স্থানান্তৰিত কৰক।' সন্মানৰ প্রশ্ন জড়িত তেখেতৰ উক্তিয়ে মোৰ মনত গভীৰ ৰেখাপাত কৰিলে আৰু লগে লগে মই সিদ্ধান্ত গ্রহণ কৰিলোঁ যে অনতিবিলম্বে টিনৰ চালিঘৰ নির্মাণ কৰি হ'লেও আমাৰ মহাবিদ্যালয় চৌহদত বিজ্ঞান শাখাৰ পাঠদান কার্য সম্পন্ন কৰা হ'ব। মই এই সিদ্ধান্তৰ কথা নগাঁও আইন মহাবিদ্যালয়ৰ অধ্যক্ষ পৰম শ্রদ্ধেয় প্রয়াত ত্রৈলোক্য নাথ হাজৰিকা দেৱক সন্তর্পণে অৱগত কৰিলোঁ আৰু তেখেতৰ সহায়-সহযোগিতাৰ বাবে কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ। তেতিয়া কলেজত গ্রীষ্মবন্ধৰ আৰম্ভণি। মই নগাঁও জিলাৰ বন বিভাগৰ দায়িত্বশীল বিষয়াৰ লগত যোগাযোগ কৰি আৱশ্যকীয় সমস্ত খুঁটা লাভ কৰিলোঁ আৰু অন্যান্য কাঠ বন-বিষয়াৰ সহযোগত হোজাই নগৰত কাঠফলা কলৰ পৰা বিনামূল্যে সংগ্রহ কৰি চাৰিটা কোঠাযুক্ত ১২০´ × ৩০´ আকাৰৰ পকা ভেটিৰে টিনত চালিঘৰ নির্মাণ কৰি গ্রীষ্মবন্ধ খোলাৰ লগে লগে মহাবিদ্যালয় চৌহদৰ নৱ নির্মিত শ্রেণী কোঠাত বিজ্ঞান বিভাগৰ পাঠদান কার্যৰ ব্যৱস্থা কৰিলোঁ।

মোৰ কার্যকালতেই পিছপৰা শ্রেণীৰ ছাত্রীৰ বাবে ছাত্রী-নিবাস নির্মাণৰ উদ্দেশ্যে অসম চৰকাৰ পৰা এটি আর্থিক অনুদান লাভ কৰি সেই অনুদানেৰে মহাবিদ্যালয়ৰ চৌহদৰ উত্তৰ দিশত অসম আৰ্হিত এটি গৃহ নির্মাণ কৰা হয় আৰু বর্তমান ই মহাবিদ্যালয়ৰ শৈক্ষিক কার্যতেই ব্যৱহৃত হৈছে। তদুপৰি মোৰ কার্যকালৰ আৰম্ভণিতেই বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা কম্পিউটাৰ ক্রয়ৰ বাবে এটি অনুদান লাভ কৰিছিলোঁ। অসমত তেতিয়া কম্পিউটাৰ যুগৰ সূচনা হৈছে মাত্র আৰু তেনে এটি সময়তে এডিপি কলেজত কম্পিউটাৰ ব্যৱহাৰ কৰা হয়।

অধ্যক্ষৰূপে কার্যভাৰ গ্রহণ কৰিয়েই বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা গৃহ নির্মাণ অনুদান, পুথিভঁৰাল অনুদান, বিজ্ঞানাগাৰ অনুদান আদিৰ বাবে সমস্ত নীতি-নিয়ম পালন কৰি আয়োগৰ ওচৰত আৱেদন কৰা হয়। যথা সময়ত অন্যান্য সকলো অনুদান লাভ কৰা হ'ল, কিন্তু গৃহ নির্মাণ অনুদানৰ ক্ষেত্রত আয়োগৰ পৰা কোনো সঁহাৰি পোৱা নগ'ল। একাধিকবাৰ লিখালিখি কৰিও কোনো সদুত্তৰ নাপাই গুৱাহাটী বিশ্বাবিদ্যালয়ৰ অনুদান আয়োগ সম্পর্কিত বিষয় তদাৰক কৰা তদানীন্তন বিষয়া বন্ধুবৰ শ্রীবনমালী নাথক সাক্ষাৎ কৰি তেখেতৰ পৰামর্শ বিচাৰিলোঁ। তেখেতে স্পষ্টভাৱে ক'লে যে এই বিষয়ে আয়োগৰ লগত লিখালিখি কৰি লাভ নাই। দিল্লীলৈ গৈ আয়োগৰ কার্যালয়ত নথি-পত্র ঘাটিলেহে উৰহীৰ ওৰ পোৱা যাব। তেখেতে দিল্লীৰ আয়োগৰ কার্যালয়ৰ বিষয়া এগৰাকী উৰীয়া ভদ্রলোকৰ নাম উল্লেখ কৰি তেখেতক লগ ধৰিবলৈ উপদেশ দিলে। তেখেতৰ নির্দেশ অনুসৰি কলেজ পৰিচালনা সমিতিৰ সভাত বিষয়টো উত্থাপন কৰি দিল্লীলৈ যোৱাৰ অনুমতি লাভ কৰিলোঁ আৰু পৰিচালনা সমিতিৰ মাননীয় সভাপতি প্রয়াত দেবেন্দ্র নাথ বৰাৰ সৈতে দিল্লীলৈ ৰাওনা হ'লোঁ। বহু অসমৰ মাননীয় মুখ্যমন্ত্রী তেতিয়া দিল্লীৰ মন্ত্রীসভাৰ এগ মন্ত্রীৰ দায়িত্বত আছিল। তেখেতক সাক্ষাৎ কৰি সমস্ত কথা কৰিলোঁ। তেখেতে ফোনযোগে আয়োগৰ সংশ্লিষ্ট বিষয়ৰ ক্ষেত্রত আমাক সহায় কৰিবলৈ নির্দ্দেশ দিলে। উৰ ভদ্রলোকগৰাকীৰ সহায়-সহযোগিতা মোৰ জীৱনৰ স্মৰণীয় তেখেতে নিজে বিভাগীয় কোঠাত প্রৱেশ কৰি কার্য বিভাগীয়া কর্মচাৰীৰ হতুৱাই নথি-পত্র চাই-চিতি প্রকৃত উদঘাটন কৰিলে। পঞ্চবার্ষিক পৰিকল্পনাৰ অন্তর্গত বিশ্ববি অনুদান আয়োগৰ পৰা লাভ কৰা ছাত্রাবাস নির্মাণ-অ অন্তর্ভুক্ত লক্ষাধিক টকাৰ অনুদানৰ হিচাপ-পাতি দাখিল অপৰাধত এডিপি কলেজলৈ নতুন গৃহ-নির্মাণ সম্পর্কীয় বন্ধ কৰা হৈছে। তেখেতে মোক নথি-পত্রসহ বিভাগীয় ওচৰলৈ লৈ গ'ল আৰু মোক সহায় কৰিবলৈ অনুৰোধ বিভাগীয় বিষয়াজনে উক্ত অনুদানৰ ব্যয়ৰ হিচাপ-পত্র কৰাৰ লগে লগে পৰৱর্তী গৃহ-নির্মাণ অনুদান অনুমোদন বুলি মোক আশ্বাস দি পঠালে। দিল্লীৰ পৰা উভতি কলেজৰ বিভাগীয় কর্মচাৰীক যথোপযুক্ত ব্যৱস্থা গ্রহণ দিহা-পৰামর্শ আগবঢ়ালোঁ। পৰৱর্তী কালত এই কন্টক পৰিস্থিতিৰ অন্তত মহাবিদ্যালয়ে নিয়মীয়াভাৱে বিশ্ববি অনুদান আয়োগৰ পৰা সমস্ত অনুদান লাভ কৰিবলৈ সমর্থ আৰু বর্তমান অধ্যক্ষ সোদৰোপম ড° ছৰিফ উদ্দিন আহমে দিশত কলেজখনৰ অগ্রগতি প্রদর্শনৰ ক্ষেত্রত সফল হৈছে

কলেজৰ বিভিন্ন পৰিস্থিতিত মই সহকর্মী সকলৰ বিচাৰিছিলোঁ; কিন্তু সকলো ক্ষেত্রতে চূড়ান্ত সিদ্ধান্ত নিজে গ্রহণ কৰিছিলোঁ আৰু শুদ্ধ বুলি বিবেচিত সিদ্ধান্তত মই অচল-অটল আছিলোঁ। শৈক্ষিক দিশত নিয়মানুবর্তিতা ৰক্ষা নিয়মিত পাঠদানকার্য সুসম্পন্ন কৰি শিক্ষণীয় বিষয় কৰিবলৈ অধ্যাপক-অধ্যাপিকাসকলক অনুৰোধ জনাইছিলোঁ সেইমতে তেখেতসকলে পূর্ণ আন্তৰিকতাৰে দায়িত্ব কৰিছিল। আর্থিক দিশত সামন্যতম আসোঁৱাহ নোহো কার্যনির্বাহ কৰিছিলোঁ। নিয়োগৰ ক্ষেত্রত— চতুর্থবর্গৰ কর্ম পৰা অধ্যাপক-অধ্যাপিকাৰ নিয়োগ-ব্যৱস্থাত কোনো ক্র পদক্ষেপ লোৱা নাছিলোঁ। কলেজ পৰিচালনা কৰাৰ কদাপি নীতি-নিয়ম উলঙঘা কৰা নাছিলোঁ। মোৰ দুগৰাকী এই মহাবিদ্যালয়তে সুখ্যাতিৰে অধ্যয়ন কৰি গৈছে। কন্ জীয়ৰী দুগৰাকীৰ প্রতি মোৰ যি দৃষ্টি তেনে সমদৃষ্টিৰে ছাত্র-ছাত্রীকে মই সন্তানৰ দৰে জ্ঞান কৰিছিলোঁ। মহাবি কর্মচাৰীসকলৰ প্রতিও সততে সহানুভূতিশীল আছিলোঁ। গ্র হ'লে টান কথা কৈ সতর্ক কৰি দিছিলোঁ; কোনো অনুশাসনমূলক ব্যৱস্থা ল'বলগীয়া পৰিৱেশৰ সন্মুখীন নাছিলোঁ।

উপাধ্যক্ষ হৈ থকা কালৰে পৰা অধ্যক্ষ পদত

হাৰালৈকে কলেজৰ সমস্ত অনুষ্ঠানতে আৰম্ভণিৰ পৰা অন্তলৈকে উপস্থিত আছিলোঁ। ৰাতিপুৱা আঠ বজাৰ পৰা ৰাতি নবজলৈকে দিবা শাখা আৰু নৈশ শাখাৰ সুকীয়া সময়-সূচীমতে কলেজৰ দৈনিক পাঠদান কার্য চলিছিল। অতি ব্যস্ততাৰে বিভিন্ন কার্যসূচী সম্পন্ন কৰা হৈছিল, তদাৰক কৰা হৈছিল। মহাবিদ্যালয়ৰ প্রতিষ্ঠা দিৱস, নবাগত আদৰণী উৎসৱ, বার্ষিক উৎসৱ আদি বিভিন্ন অনুষ্ঠানত আদিৰ পৰা অন্তলৈকে উপস্থিত থাকি তদাৰক কৰিব লগা হৈছিল। কলেজৰ কোনো অনুষ্ঠানতে নিয়ম-শৃঙ্খলা ভঙ্গ হুবা ৰেগীং আদি কুপ্রথাৰ দৃষ্টান্ত মহাবিদ্যালয়ৰ ইতিহাসত ঘটা নাই। বার্ষিক উৎসৱত অনুষ্ঠিত বিভিন্ন প্রতিযোগিতা লক্ষ্য কৰি ইই উপলব্ধি কৰিছিলোঁ যে অনেক ছাত্র-ছাত্রীৰ পঢ়া-শুনাৰ উপৰি অন্যান্য দিশত যথেষ্ট পাৰদর্শিতা প্রদর্শন কৰাৰ যোগ্যতা আছে। সুযোগ-সুবিধা পালে তেওঁলোকে নিশ্চয় প্রতিভা বিকাশ কৰি যোগ্য ব্যক্তিৰূপে প্রতিষ্ঠা লাভ কৰিব আৰু অনেক ক্ষেত্রত মোৰ সেই ধাৰণা ফলৱতী হৈছে; কাৰণ মহাবিদ্যালয়ৰ অনেক ছাত্র-ছাত্রী সামাজিক বিভিন্ন স্তৰত সুপ্রতিষ্ঠিত হোৱা দেখিবলৈ পাইছোঁ।

কলেজৰ আভ্যন্তৰীণ, উচ্চতৰ মাধ্যমিক শিক্ষাবোর্ড আৰু বিশ্ববিদ্যালয়ৰ সমস্ত পৰীক্ষা মই উপাধ্যক্ষ হৈ থকাৰ পৰাই নিয়ন্ত্রণ কৰিছিলোঁ। পৰীক্ষা নিয়ন্ত্রণৰ ক্ষেত্রত আমাৰ মহাবিদ্যালয়ৰ এটা সুনাম প্রতিষ্ঠিত হৈছিল আৰু সেই বাবেই উচ্চতৰ মাধ্যমিক শিক্ষাবোর্ড আৰু বিশ্ববিদ্যালয় স্নাতক চূড়ান্ত পৰীক্ষাৰ Zone নিয়ন্ত্রণৰ দায়িত্ব মোৰ কার্যকালতেই আমাৰ মহাবিদ্যালয়ৰ ওপৰত অর্পিত হৈছিল। আনকি Post Graduate B. Ed পৰীক্ষাৰ Zoneৰ দায়িত্বও সুকলমে পালন কৰিছিলোঁ।

উপাধ্যক্ষ হৈ থকা কালতেই মই গুৱাহাটী বিশ্ববিদ্যালয়ৰ ৺ইন্দ্রনাথ ঠাকুৰ অধ্যাপক প্রয়াত ড° সত্যেন্দ্র নাথ শর্মাদেৱৰ তত্ত্বাবধানত গৱেষণা কৰি "Manasa Cult and Literature of Assam" শীর্ষক গৱেষণা গ্রন্থৰ বাবে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা Ph.D. ডিগ্রী লাভ কৰোঁ। অধ্যক্ষ হোৱাৰ পিছত সহকর্মী অধ্যাপক-অধ্যাপিকা বিশেষকৈ কনিষ্ঠ অধ্যাপক-অধ্যাপিকসকলক বিশ্ববিদ্যালয় অনুদান আয়োগৰ আঁচনিৰ আধাৰত Ph.D. ডিগ্রীৰ বাবে গৱেষণা কৰিবলৈ অনুপ্রাণিত কৰিছিলোঁ। কনিষ্ঠ অধ্যাপক-অধ্যাপিকাসকলৰ প্রতিভা আৰু পাৰদর্শিতাৰ দিশত মই নিবিড় পর্যবেক্ষণ নিবদ্ধ কৰিছিলোঁ আৰু ব্যক্তিগত প্রতিভা বিকাশৰ বাবে তেওঁলোকক বিভিন্ন ধৰণে উৎসাহিত কৰিছিলোঁ। পৰীক্ষা নিয়ন্ত্রণকে ধৰি মহাবিদ্যালয়ৰ গুৰুত্বপূর্ণ দায়িত্ব তেওঁলোকৰ ওপৰত অর্পণ কৰিছিলোঁ। প্রকৃততে মোৰ এনে পৰিকল্পিত কার্য-ব্যৱস্থা আছিল কনিষ্ঠ অধ্যাপক-অধ্যাপিকাসকলৰ অন্বেষা শক্তি আৰু প্রতিভাৰ উন্মেষ ঘটাই ভৱিষ্যতে মহাবিদ্যালয়ৰ সর্বাঙ্গীণ অগ্রগতিৰ ক্ষেত্রত তেওঁলোকৰ অৰিহণা আগবঢ়াব পৰা সামর্থ্য প্রকাশৰ অনুশীলন স্বৰূপ।

শিক্ষকতা মোৰ জীৱিকাই নহয় জীৱনৰ ব্রত হিচাপেও গ্রহণ কৰিছিলোঁ। আদর্শবান শিক্ষকৰূপে প্রতিষ্ঠিত হোৱাৰ অভিলাষ অন্তৰত চিৰবিদ্যমান আছিল আৰু এই আদর্শ মই লাভ কৰিছিলোঁ মোৰ পৰম শ্রদ্ধেয় শিক্ষক-পিতৃৰ পৰা। ছাত্রৰ প্রতি থকা তেখেতৰ অকৃত্রিম মৰম আৰু তেখেতৰ প্রতি ছাত্রসকলে প্রদর্শন কৰা অতুলনীয় শ্রদ্ধা-ভক্তিৰ নিদর্শনে মোক প্রভাৱান্বিত কৰিছিল আৰু শিক্ষকতাকেই জীৱনৰ আদর্শনীয় লক্ষ্য ৰূপে গ্রহণ কৰিছিলোঁ। মোৰ বোধেৰে ছাত্রসকল বিদ্যা-মন্দিৰৰ একোগছি বর্ত্তি স্বৰূপ আৰু এই বর্ত্তিসমূহ প্রজ্বলিত কৰাৰ দায়িত্ব শিক্ষকসকলৰ। গতিকে আত্ম-প্রজ্বলিত হৈ শিক্ষকসকলে এই বর্ত্তিসমূহ উজ্জ্বলিত কৰি এখন নিকা সমাজ গঢ়িব লাগিব। শিক্ষক হিচাপে এই দিশত সামান্যতম অৰিহণা আগবঢ়াবলৈ সমর্থ হোৱা বুলি আত্ম-প্রত্যয়ৰ সঞ্চাৰ হৈছে। অলেখ গুণমুগ্ধ ছাত্রৰ শ্রদ্ধা-ভক্তিত অন্তৰ আপ্লুত হৈছে আৰু নিজকে ভাগ্যৱান বুলি আত্ম-তৃপ্তি লাভ কৰিছোঁ। কিন্তু এনে পৰিৱেশতো এচপৰা ক'লা ডাৱৰৰ দৰে মোৰ মন-আকাশ আচ্ছন্ন কৰিছে এটি দুর্বিসহ বেদনাই। বিষাদ-বেদনা এই কাৰণেই যে মোৰ লগৰ কেবাগৰাকীয়ো সতীর্থ যিসকলৰ লগত একলগে কলেজৰ জিৰণি কোঠাত বহি নানা তৰহৰ আলাপ-আলোচনা কৰিছিলোঁ, কত ৰং-ৰহইচ কৰিছিলোঁ, ডবা খেলিছিলোঁ, কলেজৰ বিভিন্ন অনুষ্ঠানত একেলগে বহি উৎসৱ উপভোগ কৰিছিলোঁ, একেলগে মঞ্চত অভিনয় কৰিছিলোঁ, একেলগে কত বনভোজ, প্রীতিভোজৰ আয়োজন কৰি আনন্দ উপভোগ কৰিছিলোঁ, একেলগে কত শিক্ষামূলক ভ্রমণৰ ব্যৱস্থা কৰি বিভিন্ন ঠাই ঘুৰি ফুৰিছিলোঁ— তেনে অভিন্ন হৃদয়ৰ বহু কেইগৰাকী সতীর্থ আজি ইহ সংসাৰত নাই। তেখেতসকলৰ প্রতি শ্রদ্ধাপূর্ণ অশ্রু-অঞ্জলিৰে স্মৃতি-তর্পণ যাচিলোঁ।

জীৱনৰ আগ বয়সৰ ভৰ যৌৱন কালতে আহি আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত জীৱনৰ অমূল্য কালছোৱা সামৰি শিক্ষক জীৱনৰ কর্তব্যৰ পৰা অৱসৰ গ্রহণ কৰাৰ পিছত আজি জীৱনৰ বিয়লি বেলাত বার্দ্ধক্যৰ দুৱাৰ দলিত উপনীত হৈ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ উপলক্ষে শিক্ষক-জীৱনৰ স্মৃতি ৰোমন্থন কৰিছোঁ। সৌভাগ্যৰ কথা যে জীৱন-কালতেই মহাবিদ্যালয়ৰ সোণালী জয়ন্তী উৎসৱৰ আনন্দৰ সমভাগী হৈ এই মহাবিদ্যালয়তে উৎসর্গিত মোৰ অধ্যাপনা আৰু অধ্যক্ষতাৰ সোণালী স্মৃতি ৰোমন্থনৰ সুযোগ পাই ধন্য হৈছোঁ। জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ, জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়। ❑

চাকৰি কালৰ স্মৃতিৰ ৰ'দ কাঁচলি আৰু পৰৱৰ্তী কিছু কথা

নৰেন্দ্রনাথ শইকীয়া

মৌলৈ পঠিওৱা নিয়োগপত্রত ১৯৬২ চনৰ ৬ আগষ্ট তাৰিখে কামত যোগ দিয়াৰ নির্দেশনা আছি সেই মর্মে ৫ আগষ্ট তাৰিখে নগাঁৱলৈ বুলি দেৱগাঁৱৰ পৰা পুৱা যাত্রা আৰম্ভ কৰিলোঁ। উক্ত সময়ত আম এজন চুবুৰীয়া স্বর্গীয় উপেন্দ্রনাথ মহন্তদেৱে নগাঁও নর্মাল স্কুলত প্রশিক্ষণ গ্রহণ কৰি আছিল। সেয়ে তেখেত লগত ৰাতিটো পাৰ কৰাৰ উদ্দেশ্যে নর্মাল স্কুলত উঠিলোগৈ। ৰাতিৰ ভাত সাজ প্রশিক্ষার্থী সকলৰ লগ এক আনন্দমুখৰ পৰিৱেশত গ্রহণ কৰা হ'ল। প্রশিক্ষার্থী সকলৰ আর্থিক অৱস্থাৰ ওপৰত নির্ভৰ কৰি ছাত্রাবাস খাদ্যাভাস সেই অনুৰূপৰ। ভাত, দালি আৰু গাইপতি দুটাকৈ চেনিপুঠি মাছৰ ভাজিৰে অতি তৃপ্তিৰে আহা গ্রহণ কৰিলো।

৬ আগষ্ট তাৰিখে কলেজৰ চাকৰিত যোগ দিয়াৰ উদ্দেশ্যে আহি কলেজৰ অধ্যক্ষ স্বর্গীয় শুকদে গোস্বামীৰ কলংপাৰৰ গৃহত উপস্থিত হ'লোগৈ। স্বর্গীয় গোস্বামী ছাৰে মোৰ লগত যি ধৰণে মৰম চেনেহে কথা-বার্তা পাতিলে মই তেখেতৰ প্রতি শ্রদ্ধাত মূৰ অৱনত কৰিবলগীয়া অৱস্থাত পৰিলো। তেখেতে ক বয়সীয়া জনক 'বোপাই' বুলিয়েই সম্বোধন কৰে। তেখেতে অফিচৰ এখন ডাঙৰ 'লেজাৰ বুক' লৈ কলেজ যাবলৈ ক'লে আৰু এখন বিক্সা মতাই আনি বিক্সাৱালাটোক বিক্সাভাড়া দি মোক কলেজলৈ লৈ যাবৈ নির্দেশ দিলে। তেখেতে ৰিক্সাভাড়া দিয়া কথাত মই আপত্তি কৰিছিলো যদিও তেখেতে কলেজৰ কামত সেই ভাড়া দিয়া হৈছে বুলি কোৱাত মই কোনো আপত্তি কৰিব নোৱাৰিলো। কথাটো ক্ষুদ্র হ'লেও তেখেত মহানুভৱতা প্রকাশ পালে। তেখেত এজন অতি উদ্যোগী ব্যক্তি আছিল।

মই গৈ কলেজৰ অফিচ পোৱাত কেৰাণীজনে মোৰ মুখলৈ এবাৰ চাই পুনৰ কামত মনোনিবে কৰিলে। মই অলপ ইতস্ততঃ কৰি কলেজৰ চাকৰিত যোগ দিবলৈ অহা বুলি কৈ কেৰাণীজনলৈ মে নিয়োগপত্রখন আগবঢ়াই দিলো। তেখেতে তেতিয়া কিছু পৰিমাণে অপ্রস্তুত হ'ল আৰু চকীৰ পৰা থিয় আথে-বেথে মোক এখন চকীত আসন গ্রহণ কৰিবৰ বাবে অনুৰোধ জনালে আৰু ক'লে, 'আপোন মুখলৈ চাই আপোনাক এজন ছাত্র বুলিহে ভাবিছিলো।' মোৰ মুখত তেতিয়াও এটা চেমনীয়া ল'ৰাৰ আভা আছিল। কেৰাণীজন হ'ল, পাছলৈ লাইব্রেৰীয়ান হৈ অৱসৰ গ্রহণ কৰা শ্রীপ্রভাত শর্মা বৰুৱা।

পিচৰ দিনা নর্মাল স্কুলৰ প্রশিক্ষার্থী স্বর্গীয় উপেন্দ্র নাথ মহন্ত দেৱে মোক আনি ফৌজদাৰীপা কামাখ্যা হোটেলৰ এটা ৰুমত থকাৰ ব্যৱস্থা কৰি দিলেহি। পাছদিনা ৰাতিপুৱা মুখ-হাত ধুই চাহ খোৱ পাছতেই মই থকাৰ সন্মুখৰ ৰুমত থকা এজন শকত-আৱত পালোৱান সদৃশ চেহেৰাৰ মানুহে মোক হোটে এজন ৰান্ধনিৰ যোগে মাতি পঠালে। মই তেখেতৰ ৰুমলৈ যোৱাত বিছনাত আসন কৰা অৱস্থাত বহি থ মানুহজনে মোক তেখেতৰ টেবুলৰ কাষত থকা চকীখনত 'বহ' বুলি কৈ বহিবলৈ দিলে। তেখেতে আ কৰিলে পঢ়ি-শুনি ডিগ্রীটো লৈ আহিলেই অধ্যাপক হ'ব নোৱাৰি। সদায় নিয়মীয়াকৈ দিনটো ৫-৬ ঘ অধ্যয়ন কৰিব লাগিব। কলেজলৈ যোৱাৰ সময়খিনিৰ বাদে মই তোক সদায় ৰুমত পঢ়ি-শুনি থকাই দে লাগিব। সেইজনেই আছিল নগাঁও কলেজৰ বাণিজ্য শাখাৰ অধ্যাপক স্বর্গীয় সুৰেন ভূঞা ছাৰ। তেখে আৰু ক'লে, 'তই মোৰ সন্মুখৰ ৰুমত আছ, তই মোৰ ভাই সদৃশ। ছাত্র হৈ পঢ়া-শুনা কৰাটো আছিল ডি

লোৱাৰ বাবে প্ৰস্তুতি, এতিয়া ক্লাছত বক্তৃতা দিওঁতে আগৰ অধ্যয়নে বৰকৈ সহায় নকৰিব। সেয়ে কলেজত পঢ়াবলগীয়া সকলো কথা আঁতি-গুৰি মাৰি জানিব লাগিব।' তেখেত নিজেও বৰ অধ্যয়নশীল ব্যক্তি আছিল আৰু পাছত তেখেতৰ বিভাগৰ ছাত্ৰৰ মুখত তেখেতৰ পঢ়োৱাৰ আদৰ-কায়দাৰ ভূয়সী প্ৰশংসা শুনিবলৈ পাইছিলো।

সেই সময়ত আমাৰ কলেজখন সম্পূৰ্ণৰূপে 'নাইট' কলেজ আছিল। এই কলেজখন আৰম্ভ হৈছিল অসমৰ এজন স্বনামধন্য পুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত আৰু নগাঁও কলেজৰ অধ্যাপক সকলেই ইয়াত পাঠদান কৰিছিল।

নগাঁও কলেজৰ অংশকালীন অধ্যাপক সকলৰ নাম উল্লেখ কৰা হ'ল—

বুৰঞ্জী বিভাগত —	(ক)	মোঃ আব্দুল হাই
	(খ)	শ্ৰীললিত চন্দ্ৰ শইকীয়া
ইংৰাজী বিভাগত—	(ক)	স্বৰ্গীয় এছ. এম. চক্ৰৱৰ্তী
	(খ)	স্বৰ্গীয় এছ. চৌধুৰী
সংস্কৃত বিভাগত —	(ক)	স্বৰ্গীয় ফণি দত্ত
	(খ)	স্বৰ্গীয় দিনেশ দত্ত
অসমীয়া বিভাগত —	(ক)	শ্ৰীমহিম চন্দ্ৰ বৰা
	(খ)	শ্ৰীতাৰিণী কান্ত শৰ্মা
অৰ্থনৈতিক বিভাগত —	(ক)	স্বৰ্গীয় জগৎ চন্দ্ৰ শৰ্মা
	(খ)	স্বৰ্গীয় হেমচন্দ্ৰ শৰ্মা (অধিবক্তা)

আমৰ কলেজখন ১৯৫৯ চনতেই আৰম্ভ হৈছিল আৰু ইতিমধ্যে কেইজনমান পূৰ্ণকালীন অধ্যাপকে কামত যোগ দিছিল। সেইসকলৰ ভিতৰত—

অসমীয়া বিভাগত—	(ক)	ড° নাৰায়ণ চন্দ্ৰ বৰ্মন
	(খ)	ড° কেশৱানন্দ গোস্বামী
অৰ্থনীতি বিভাগত —		শ্ৰীবাণেশ্বৰ শইকীয়া
বুৰঞ্জী বিভাগত —		স্বৰ্গীয় কন্দৰ্পদেৱ গোস্বামী
শিক্ষা বিভাগত —		স্বৰ্গীয় হৰেশ্বৰ গোস্বামী
ৰাজনীতি বিজ্ঞান বিভাগত —		স্বৰ্গীয় পুষ্পকান্ত বৰা
আৰবী বিভাগত —		স্বৰ্গীয় আবু নচৰ ওৰাহিদ
বঙলা বিভাগত —		ড° মলয় কুমাৰ ৰায়
দৰ্শন বিভাগত —	(ক)	স্বৰ্গীয় ৰবীন্দ্ৰনাথ শৰ্মা
	(খ)	স্বৰ্গীয় আবু বক্কৰ চিদ্দিক (প্ৰথমে অংশকালীন আৰু পাছলৈ পূৰ্ণকালীন)
সংস্কৃত বিভাগত —		স্বৰ্গীয় শৰৎ মাধৱ কুস্ৰে।

পূৰ্ণকালীন অধ্যাপক সকলে নগাঁও কলেজৰ অংশকালীন সকলো অধ্যাপকক অতিকৈ সমীহ কৰি চলিছিল আৰু তেখেত সকলক 'ছাৰ' বুলি সম্বোধন কৰিছিল।

সেই সময়ত কলেজ অফিচৰ কৰ্মচাৰী দুজন। এজন শ্ৰীপোনাৰাম বৰা আৰু আনজন শ্ৰীপ্ৰভাত শৰ্মা বৰুৱা। দুয়োজনেই ডিগ্ৰী মহলাৰ ছাত্ৰ আছিল। কিছুদিনৰ পিছত শ্ৰীপোনাৰাম বৰাই পৰীক্ষা দিয়াৰ অজুহাতত কলেজৰ পৰা ছুটী লৈ পুনৰ কলেজত জইন নকৰিলে। তেখেতৰ ঠাইত শ্ৰীযুত মোহিত চন্দ্ৰ মহন্তই অফিচৰ চাকৰিত যোদ দিয়েহি আৰু পাছলৈ কলেজৰ মুখ্য সহকাৰী হয়গৈ। শ্ৰীপ্ৰভাত শৰ্মা বৰুৱাই কলেজ পুথিভঁৰালৰ দায়িত্বলৈ আহে আৰু পাছলৈ লাইব্ৰেৰি চাইঞ্চৰ প্ৰশিক্ষণ লৈ পূৰ্ণকালীন লাইব্ৰেৰিয়ান হ'লগৈ। ৪র্থ শ্ৰেণীৰ কৰ্মচাৰী চিতাৰাম (সীতাৰাম) বৰ দায়িত্বশীল আৰু বিশ্বাসী কৰ্মচাৰী আছিল।

আমি কলেজত যোগ দিয়াৰ সময়ত কলেজত মাত্ৰ তিনিটা পকীঘৰৰ কোঠা আছিল। এটা অধ্যক্ষৰ কোঠা, এটা কাৰ্যালয় কোঠা আৰু আনটো শিক্ষকৰ জিৰণি কোঠা (আনটো ব্লকত)। ক্লাছৰ কোঠা বিলাক প্লাষ্টাৰ নকৰা পকীবেৰ আছিল যদিও ওপৰত টিনৰ চালিহে আছিল। তিৰ্পাল বা কাপোৰৰ বেৰাৰে শ্ৰেণী কোঠাসমূহ ভাগ কৰা হৈছিল। ৰাতিৰ ক্লাছৰ কাৰণে লাইটৰ সৰবৰাহ নোহোৱাৰ সময়ত জেনেৰেটৰ আৰু পেট্ৰমাক্সৰ ব্যৱহাৰ হৈছিল। ছাত্ৰসকলৰ বেছিভাগেই নগাঁও চহৰৰ আৰু নগাঁও জিলাৰ অফিচৰ কৰ্মচাৰী আৰু স্কুলৰ শিক্ষক আছিল। বয়সীয়াল ছাত্ৰসকলক শিক্ষকসকলে আপুনি বুলিয়েই সম্বোধন কৰিবলগীয়া হয়। এদিন আবেলি পৰত কেএৰাপট্টিৰ ওচৰত এজন ছাত্ৰই মোক এখন হোটেলত চাহ খাবলৈ নিমন্ত্ৰণ জনালে আৰু লগৰ ইজন ছাত্ৰলৈ আঙুলিয়াই ক'লে, 'ছাৰ, এখেতৰ ২য় নাতিৰ জন্ম হৈছে। গতিকে আমি উদ্‌যাপন কৰো আহক।'

আমাৰ কলেজৰ চাৰিসীমা সঠিক ভাৱে নিৰ্ধাৰিত নাছিল আৰু বেৰা আদিও নাছিল। ক্লাছৰুমৰ চাৰিওফালে মস্ত চোৰাত গছৰ বাগানহে আছিল আৰু মাজে মাজে ছাত্ৰসকলে সেই জংঘল কাটি চাফা কৰিবলগীয়া অৱস্থা হৈছিল। অনুমান ১৯৬২ চনত আমাক কলেজৰ ছাত্ৰসম্ভাৰ ভাৰপ্ৰাপ্ত অধ্যাপক নিয়োগ কৰা হৈছিল। সম্পাদক তেতিয়া স্বৰ্গীয় অনেশ্বৰ শইকীয়া আছিল। নৱাগত আদৰণী উৎসৱৰ বাবে অধ্যক্ষই যিখিনি পুঁজি আগবঢ়াইছিল সেইয়া কম হ'ব বুলি তেওঁ মোৰ পৰা উৎসৱৰ বাবে ধাৰ্য কৰা পৰিমাণৰ টকা নলৈ তৰ্জন-গৰ্জন কৰি যাবলৈ ওলাল। মই ক'লো যে ভাৰপ্ৰাপ্ত অধ্যাপক হিচাপে মই পইচাখিনি অফিচৰ পৰা ইতিমধ্যে সংগ্ৰহ কৰিছো। মোৰ পৰা টকাখিনি লৈ আপুনি সম্পাদক হিচাপে উৎসৱ অনুষ্ঠিত কৰিলে কৰক নহ'লে কালিলৈ মই অফিচত পইচা উভতাই জমা দিম। সম্পাদকে তেতিয়াও তৰ্জন-গৰ্জন কৰিয়েই গ'লগৈ।

কিন্তু পাছদিনা ৰাতিপুৱা ৮.৩০ টা মান বজাত সম্পাদকে লগত দুজন লগৰীয়া লৈ আহি মোক কলেহি, 'ছাৰ, অনুষ্ঠান পাতিম, মোক টকাখিনি দিয়ক।' মই সম্পাদকক টকাখিনি দিলো আৰু সম্পাদকে মোৰ ওচৰত ক্ষমা খুজি টকাখিনি লৈ গ'লগৈ। অনুষ্ঠান ভালকৈ সম্পাদন হ'ল আৰু ৰাতিলৈ এখন ভাওনাও অনুষ্ঠিত হ'ল। সেই ভাওনাত কলেজৰ ছাত্ৰ স্বৰ্গীয় চন্দ্ৰপ্ৰসাদ শইকীয়া আৰু তেখেতৰ ভ্ৰাতৃৰ অভিনয়ৰ সঁচাকৈয়ে অতুলনীয় আছিল।

প্ৰথম কেইবছৰ মানত অধ্যাপকৰ সঘনাই আহ-যাহ হৈছিল।

অসমৰ বাহিৰৰ পৰা কলেজৰ অধ্যাপকৰ চাকৰি কৰিম বুলি আহি কেতিয়াবা দুমাহ-এমাহ চাকৰি কৰিয়েই শিক্ষকসকলে কলেজ এৰি গুচি গৈছিল। কথাটো কলেজ কৰ্তৃপক্ষ আৰু ছাত্রসকলৰ বাবে বিশেষ চিন্তনীয় বিষয় হৈ পৰিছিল। কেৱল বাহিৰৰ শিক্ষকেই নহয় অসমৰে কেইবাজনো শিক্ষকে এবছৰ দুবছৰ চাকৰি কৰি নিজৰ সুবিধাজনক ঠাইত চাকৰি পাই আমাৰ মহাবিদ্যালয়ৰ পৰা বিদায় লৈছিল। কেইজনমানে অৱশ্যে কেন্দ্রীয় চৰকাৰৰ চাকৰি আই. এ. এচ. বা অসম লোকসেৱা আয়োগৰ এ. চি. এছ. চাকৰিত যোগ দিবলৈ কলেজ ত্যাগ কৰিছিল। অৱশ্যে এই মহাবিদ্যালয়ত যিসকল ৰৈ গৈছিল, তেওঁলোকৰ মাজত এক সৌহার্দপূর্ণ অৱস্থাৰ সৃষ্টি হৈছিল।

এই কলেজৰ শিক্ষক গোটৰ বনভোজ খোৱাটো এটা ৰীতি হৈ পৰিছিল। প্রথম তিনি চাৰি বছৰ দিনজোৰা বনভোজ খোৱা হৈছিল। পাছলৈ ৰাতি থকা বনভোজৰ প্রচলন হৈছিল। প্রথমটো দিনতীয়া বনভোজত আমি আমচৈলৈ গৈছিলো আৰু ড° কেশৱানন্দ দেৱ গোস্বামীয়ে তৎকালীন ৰচনা কৰা গীতেৰে বাছ যাত্রা আৰু বনভোজৰ ঠাইত আমাক অতি আনন্দ লগাকৈ আপ্যায়িত কৰিছিল। আকৌ এবাৰ সেই আমচৈতে বনভোজ খাবলৈ যাওঁতে আমাৰ সহকর্মী শ্রীজিতেন বৰাদেৱে আমাক পাহাৰত বগাবলৈ দি ফটো লোৱাৰ দিহা কৰিলে। আমি সকলোৱে অতি কষ্টেৰে ফটো উঠাৰ উদ্দেশ্যে পাহাৰ বগালো আৰু বৰাদেৱে আমাৰ ফটো উঠালে। কিন্তু বনভোজ খোৱাৰ কেইবাদিনৰ পিছতো আমাৰ হাতলৈ ফটো কপি নাহিল আৰু পাছত গম পালো তেখেতৰ কেমেৰাত ৰিলেই নাছিল। ৰাতি থকা বনভোজত আমাৰ লগত কেইজন মানক বনভোজৰ বিভিন্ন দায়িত্ব অর্পণ কৰা হৈছিল। যেনে— শ্রীজিতেন বৰাক বনভোজৰ ঠাই নির্দ্ধাৰণ কৰাৰ দায়িত্ব দিয়া হৈছিল, কিয়নো তেখেতৰ বন বিভাগৰ উচ্চ পদস্থ কেইবাজনো বিষয়াৰ লগত বন্ধুত্ব আছিল। সেইযোগে আমি ৰাতি বনবিভাগৰ অতিথিশালাত থকা-মেলাৰ সুবিধাকণ আদায় কৰিব পাৰিছিলোঁ। পৰিবহণৰ কাৰণে স্বর্গীয় দেৱেন শইকীয়াক দায়িত্ব অর্পণ কৰা হৈছিল। কিয়নো তেখেতৰ পৰিয়ালত ককাই-ভাইসকলৰ কেইবাখনো বাছ আছিল। সূপকাৰৰ দল নিয়োগৰ ক্ষেত্রতো শ্রীবৰা আৰু স্বর্গীয় শইকীয়াক দায়িত্ব দিয়া হৈছিল। বজাৰ-সমাৰ কৰাৰ বাবে শ্রীসুৰেন বাৰৈ প্রমুখ্যে কেইজনমানক দায়িত্ব দিয়া হৈছিল। বনবিভাগৰ অতিথিশালা নথকা ঠাইত বনভোজ হ'লে নগাঁৱৰ এন.চি.চি. অফিচৰ পৰা টেণ্ট আদি যোগাৰ কৰি নিয়া আৰু বনভোজৰ ঠাইত টেণ্ট তৰাৰ দায়িত্ব আমাৰ ওপৰত অর্পণ কৰা হৈছিল। ৰাতি থকা বা দিনতীয়া বনভোজত আমাৰ গান-বাজনাৰ আখৰা চলিছিল আৰু সেইবিলাকত শ্রীমলয় কুমাৰ ৰয় আৰু স্বর্গীয় শৰৎ মাধৱ কুম্রেয়ে বিশেষ ভাৱে অংশ গ্রহণ কৰিছিল। খুহুতীয়া কথা কৈ আনন্দ দিয়াত শ্রীশশীকান্ত বৰাই আগভাগ লৈছিল।

এবাৰ পানীমূৰত বনভোজ খাবলৈ গৈ মই এখন নাৱৰ যোগাৰ কৰি নৌকাবিহাৰ কৰিবলৈ ওলালো। সেই সময়তে স্বর্গীয় পুষ্পকান্ত বৰাই নাৱত উঠিম বুলি মোক খাটনি ধৰিলে। তেখেত নাৱৰ আগত আৰু মই নাৱৰ গুৰিত। দুয়োজনেই সন্মুখা-সন্মু বহিলো। নৈৰ মাজলৈ অলপ দূৰ যোৱাৰ পাছত বৰায়ো নাৱত চুটি বঠা পাত লৈ বঠা মাৰিবলৈ আৰম্ভ কৰিলে। নাওখন অ বা পাছলৈ নগৈ চক্রাকাৰে ঘূৰিবলৈ ধৰিলে। তেখেতে সাঁ নাজানে। মই বাৰেপতি তেখেতক অনুৰোধ কৰিলো, 'আপুনি মৰা বন্ধ কৰক নহ'লে দুর্ঘটনা হ'ব'। কিছুসময়ৰ পাছত তে বঠা কোবোৱা বন্ধ কৰিলে আৰু মই নাওখন নদীৰ পাৰত লগা সমর্থ হ'লো।

১৯৬২ চনত চীনৰ ভাৰত আক্রমণৰ পৰিপ্রেক্ষি বিদ্যালয় মহাবিদ্যালয়সমূহত এন.চি.চি. (ৰাষ্ট্রীয় সেৱা বাহি প্রশিক্ষণৰ সম্প্রসাৰণ ঘটে। অধ্যক্ষ মহোদয়ৰ নির্দেশত মই পা পাটিয়ালাত থকা পাটিয়ালা পেলেচ (Patiala Palace কম্পাউণ্ডত এন. চি. চি. ৰ তিনিমাহৰ প্রশিক্ষণ লৈছিলো। আগতে ড° নাৰায়ণ চন্দ্র বর্মনে এই প্রশিক্ষণ লৈ আহিছিল।

শিক্ষা বিষয়ত আগৰ পৰা নিয়োজিত অধ্যাপক স্ হৰেশ্বৰ গোস্বামী ডাঙৰীয়াই মোক শ্রেণীত পাঠদান কৰাৰ আদৰ-কায়দা শিকাই দিছিল। তেখেতে History of Ind Education পাঠদানৰ বিষয়ে মোক এখন তেখেতৰ প্র নোটবুক দিছিল য'ত পাঠ অনুক্রমে মূল Point সমূহ নোট আছিল। এটা বিভাগৰ জ্যেষ্ঠ প্রবক্তাজনে কনিষ্ঠজনক এনে দিহা-পৰামর্শ দি সহায় কৰাটো সঁচাকৈয়ে প্রশংসনীয় কথা।

নগাঁও কলেজৰ বয়সীয়াল অংশকালীন অধ্যাপকস বিদায়ৰ পাছত আৰু কলেজত পূর্ণকালীন শিক্ষকসকলৰ আগ আমাৰ মাজত দিনক দিনে মধুৰ সম্পর্ক গঢ় লৈ উঠে আৰু শি জিৰণি চ'ৰাত ভালকৈ আড্ডা জমে। এই প্রসংগত অধ্যাপক স্ তুষাৰ কান্তি চৌধুৰীলৈ মনত পৰে। তেখেতে তিনিটা বি এম.এ.ডিগ্রী লোৱাৰ উপৰিও ডক্টৰেট ডিগ্রী লাভ কৰিছি তেখেতৰ স্মৃতি আৰু বোধশক্তি অতি প্রখৰ আছিল। জিৰণি চ ৰাজনীতি বা সাময়িক সময়ৰ কোনো সমস্যাৰ ওপৰত আলো আৰম্ভ হ'লেই তেখেতে সেইবিলাকৰ ওপৰত তত্ত্ব গধুৰ ম আগবঢ়াই ছিল। তেখেতৰ পৰিচালনাত কলেজত Mo Parliament অনুষ্ঠিত হৈছিল।

আমাৰ শিক্ষক গোটৰ ঐক্যৰ নিদর্শন হয়তো বিৰল বিভিন্ন বিষয়ত বা কার্যত ব্যুৎপত্তি থকা ব্যক্তিও কেইবাজনো আ শ্রীযুত কেশৱানন্দ দেৱ গোস্বামীয়ে প্রথমতে গৱেষণাৰ কাম আ কৰিছিল। পাছলৈ শ্রীনৰেন কলিতাকে ধৰি কেইবাজনেও গৱে কৰি ডিগ্রী লৈছিল।

আমাৰ শিক্ষক গোটৰ যোগেদি কলেজত নাট্যাভিনয় হৈছিল। প্রথমতে ড° কেশৱানন্দ দেৱ গোস্বামীৰ পৰিচালনাত এ একাঙ্কিকা নাটৰ নাট্যাভিনয় কৰা হয়। পাছলৈ শ্রীদেৱ কু শইকীয়াৰ দ্বাৰা ৰচিত কেইবাখনো নাট মঞ্চস্থ কৰা হয় আৰু সকলো শিক্ষককে নাট্যাভিনয়ত অংশ গ্রহণ কৰিবলৈ সুবিধা প্র কৰা হয়। এই নাটসমূহৰ পৰিচালনাত বিশেষকৈ নাট্যকাৰৰ উপ

ড° মলয় কুমাৰ ৰয়ৰ নাম ল'ব লাগিব। এবাৰ নগাঁও ছোৱালী কলেজৰ অধ্যাপিকা ভানু পদ্মাৱতিয়ে অংশ গ্ৰহণ কৰিছিলেহি।

প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীদেৱৰ ইং ১৬-১০-১৯৬৪ তাৰিখে বিয়োগ হোৱাৰ পাছত স্বৰ্গীয় কন্দৰ্পদেৱ গোস্বামী ভাৱপ্ৰাপ্ত অধ্যক্ষ হয় আৰু সেই সময়তেই আমাৰ কলেজ Deficit কলেজ হিচাবে ইং ০১/০৪/১৯৬৪ তাৰিখৰ পৰা কাৰ্যকৰী হোৱাকৈ স্বীকৃতি লাভ কৰে। ০৬/০১/১৯৬৫ তাৰিখে মঃ আব্দুল হাই ছাৱে আমাৰ কলেজত অধ্যক্ষ পদত যোদ দিয়ে। তেখেত নিৰ্জু প্ৰকৃতিৰ এজন সহৃদয় লোক আছিল আৰু খেলা-ধূলাত যথেষ্ট ৰাপ থকা লোক আছিল। সেয়ে আমাৰ কলেজৰ যোগেদি দুবাৰকৈ আন্তঃকলেজ ক্ৰীড়া মহোৎসৱ অনুষ্ঠিত হৈছিল। অধ্যাপক শ্ৰীসহজানন্দ ওজা খেল বিষয়ত বিশেষ ব্যুৎপত্তি থকা লোক আছিল। তেখেতৰ পৰিচালনাত আমাৰ কলেজে কেইবাবাৰো আন্তঃকলেজ ফুটবল প্ৰতিযোগিতাৰ শ্ৰেষ্ঠ প্ৰতিযোগী দল হিচাপে খ্যাতি অৰ্জন কৰিব পাৰিছিল। পাছলৈ বৰ্তমানৰ অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদেও খেল বিষয়ত ছাত্ৰ-ছাত্ৰীক আগবঢ়াই নিছিল।

শিক্ষকৰ জিৰণি কোঠাত হাই ছাৰ অহাৰ পিছত ডবা খেলেও বিশেষ প্ৰাধান্য লাভ কৰিলে। পাছত ৰাতি ক্লাছৰ শেষৰ ফালে ছাৱে নিজে শিক্ষক জিৰণি কোঠালৈ আহি কোনোবা এজনক প্ৰতিদ্বন্দ্বী হিচাপে লৈ খেল আৰম্ভ কৰে আৰু বাকীসকলে ছুটীৰ ঘণ্টা পৰাৰ পাছতো আধা ঘণ্টা এক ঘণ্টা ৰৈ থাকি খেল উপভোগ কৰে।

উপৰোক্ত কথাখিনিৰে শিক্ষকসকলৰ সামূহিক জীৱনৰ এটা প্ৰতিচ্ছবি দাঙি ধৰা হ'ল। ছাত্ৰ-ছাত্ৰীসকলৰ বিদ্যায়তনিক দিশতো আমাৰ মহাবিদ্যালয় পাছ পৰি থকা বিধৰ নহয়। অনাৰ্চ (Major) বিষয়ত সুখ্যাতিৰে ডিগ্ৰী লোৱা যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰী ওলাইছে। বুৰঞ্জী, ভূগোল, অৰ্থনীতি বিষয় আদিত কেইবাজনো ছাত্ৰই প্ৰথম শ্ৰেণী লৈ কৃতকাৰ্য হৈছে। আৰবী বিষয়ত সন্মানসহ কেইবাবছৰো ১ম শ্ৰেণীৰ ডিগ্ৰী লৈ কলেজৰ সন্মান বঢ়াইছে। কলা বিভাগত বাংলা বিষয়ৰ বাহিৰে সকলো বিষয়ত Major পাঠ্যক্ৰম খোলা হৈছে। শেহতীয়াকৈ বিজ্ঞান বিষয়ত সন্মানৰ পাঠ্যক্ৰম খোলাত পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিদ্যা আৰু প্ৰাণী বিজ্ঞান বিভাগত প্ৰথম শ্ৰেণীৰ সন্মান লাভ কৰা দেখা পোৱা গৈছে। এবছৰ মোৰ নিজা বিষয় 'শিক্ষা'ত ১৪জন ছাত্ৰৰ আটাইকেইজনেই সন্মান সহকাৰে উত্তীৰ্ণ হৈছিল। পৰীক্ষাৰ ফলাফল ঘোষণাৰ দিনটো মোৰ জীৱনত এক স্মৰণীয় দিন হিচাপে মনত ৰৈ গৈছে।

হাই ছাৰ অহাৰ পাছত ভূগোল বিষয় আৰু অঙ্কৰ বিষয় মুকলি কৰা হ'ল। পাছলৈ ১৯৭৮ চনৰ পৰা বিজ্ঞান বিভাগৰ বিষয়সমূহ খোলা হয়। অতি কম পাৰিশ্ৰমিকেৰে শিক্ষকসকলে পাঠদান কৰিবলৈ লয়। পদাৰ্থ বিজ্ঞানত স্বৰ্গীয় আশ্ৰাফ আলী, ৰসায়ন বিভাগত আব্দুল হান্নান চৌধুৰীয়ে যোগদান কৰে। উদ্ভিদ বিজ্ঞানত শ্ৰীপ্ৰফুল্ল ডেকা আহি অলপ দিন থাকি গুচি যোৱাত শ্ৰীমতী অৰুণা দেৱীয়ে যোগ দিয়েহি। প্ৰাণী বিজ্ঞান বিভাগ ১৯৭৯ত খোলা হয় আৰু মঃ মোখতাৰ উদ্দিন আহমেদে যোগ দিয়েহি। পাছলৈ পৰিসংখ্যা বিভাগ অলপ দেৰিকৈ আৰম্ভ হয়। এই বিভাগৰ বাহিৰে বিজ্ঞান শাখাৰ সকলো বিষয়ত Major বিষয় খোলা হৈছে। ১৯৮৩ চনত এই বিভাগ Deficit system ৰ অন্তৰ্ভুক্ত হয়।

প্ৰতিষ্ঠিত অধ্যক্ষ শুকদেৱ গোস্বামীয়ে টুকুৰা-টুকুৰ মাটি কিনি লৈ কলেজ আৰম্ভ কৰিছিল যদিও তেখেতৰ দৃষ্টি আছিল হৰিজন কলনিৰ মাটিখিনি অধিগ্ৰহণ কৰাৰহে। পিছে সেই সময়ৰ নগাঁও পৌৰসভাৰ সভাপতি স্বৰ্গীয় গোলোক চন্দ্ৰ বৰুৱাই আমোলাপট্টিৰ তেওঁৰ ঘৰৰ সন্মুখৰ খালি মাটিখিনিত কলেজ হোৱাটো বিচাৰিছিল আৰু আমাৰ অধ্যক্ষই হয়ৰৰগাঁৱত কলেজ হোৱাটো বিচাৰিছিল। এই মতভেদৰ ফলস্বৰূপে পৌৰসভাৰ অধীনত থকা মাটিখিনিত পৌৰ সভাপতি বৰুৱা ডাঙৰীয়াই খৰখেদা কৰি হৰিজন কলনি নিৰ্মাণ কৰি ভৱিষ্যতে কলেজে সেই মাটি পোৱাৰ বাট নিৰ্মূল কৰি দিলে।

লক্ষ্মীনাথ বেজবৰুৱা ভৱন আৰু জনজাতীয় ছাত্ৰাবাসৰ মাজৰ ন কঠা মাটি (৯ কঠা) পৌৰসভাৰ অধীনতে ৰৈ গ'ল। হাই ছাৰৰ দিনৰ পৰা Revenue Minister সকলৰ লগত যোগাযোগ কৰিও ফল নধৰিলে। স্বৰ্গীয় বিমলা প্ৰসাদ চলিহা আৰু পাছত শ্ৰীভূমিধৰ বৰ্মন আদিকো এই বিষয়ে কলেজলৈ নিমন্ত্ৰণ কৰি আনিও প্ৰতিশ্ৰুতিহে পালে কাম হ'লে নহ'ল। পাছত আমি ভাৱপ্ৰাপ্ত অধ্যক্ষ হোৱাত শ্ৰীশিৱ ৰাজখোৱা (যিজন আগতে পৌৰসভাৰ মুখ্য কাৰ্যালয় সহায়ক আছিল, পাছলৈ ওকালতি কৰিছিল)ৰ লগত আলোচনা কৰি পৌৰসভাৰ পৰা কোনো অনুষ্ঠানলৈ মাটি হস্তান্তৰ কৰাৰ পদ্ধতিটো (মানে ৰাজ্যিক পৌৰসভালৈ স্থানীয় পৌৰ সভাৰ যোগেদি আবেদন কৰিহে হস্তান্তৰ কৰিব পৰা যায়) জানি লৈ আমি ড° নৰেন কলিতাক লগত লৈ পদ্ধতিগতভাৱে আগবঢ়াত উক্ত মাটিখিনি কলেজলৈ হস্তান্তৰিত হ'ল ইং ১৯৯৫ চনত।

কলেজ চৌহদৰ পকী বেৰা অধ্যক্ষ হাই ছাৰৰ দিনতে পূবফালে গেটৰ পৰা আৰম্ভ হ'ল। অধ্যক্ষ ড° বৰ্মনৰ দিনত Chemistry Department ৰ পূব দিশৰ বেৰাখন হৈছিল। আমাৰ দিনত এন.চি.চি. বিল্ডিঙৰ পূবৰ কিছু অংশৰ সৈতে হৰিজন কলনিৰ ফালে থকা বেৰা নিৰ্মাণ হৈছিল। জনজাতীয় ছাত্ৰাবাসৰ বেৰাখন তেওঁলোকৰ নিজা, অৱশ্যে চাইকেল ষ্টেণ্ড নিৰ্মাণৰ সময়ত ভাৱপ্ৰাপ্ত অধ্যক্ষ শ্ৰীওজাৰ দিনত বেৰাখন নতুনকৈ নিৰ্মাণ কৰা হয়। বৰ্তমান কালৰ মুখ্য প্ৰৱেশদ্বাৰ থকা দিশৰ বেৰাখন শ্ৰীবৰ্মন দেৱৰ দিনত নিৰ্মিত। কলেজৰ উত্তৰ দিশৰ বেৰাখন অধ্যক্ষ শ্ৰীজিতেন বৰাৰ দিনত আৰম্ভ হৈ অধ্যক্ষ শ্ৰীসহজানন্দ ওজাৰ দিনত সম্পূৰ্ণ হয়গৈ।

প্ৰকৃততে শিক্ষা অনুষ্ঠানৰ চৌহদ সুদৃশ্য ভাৱে সজাই ৰাখিলে ছাত্ৰ-ছাত্ৰীৰ বৌদ্ধিক, মানসিক আদি দিশৰ সঠিক বিকাশৰ সহায়ক হয়।

কলেজৰ গৃহ বুলি মাত্ৰ তিনিটা কোঠা থকা কথা আগতে উল্লেখ হৈছে। এতিয়া য'ত (পূব দিশৰ) নতুন হোষ্টেলটো নিৰ্মাণ হৈ আছে তাৰ লগৰ গৃহটি পাছলৈ সম্পূৰ্ণ পকাঘৰ হ'ল আৰু দক্ষিণ

দিশৰ গৃহটিও পকা হৈ উঠিল। বিশ্ববিদ্যালয় অনুদান আয়োগৰ সহায়ত লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ ওপৰ মহলা নির্মাণ হ'ল ইং ১৯৬৮ চনত বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা এটা ছাত্রাবাস নির্মাণৰ বাবে আকৌ এটা অনুদান পোৱা হৈছিল। কিন্তু প্রথম ঢাপৰ নির্মাণ কার্যৰ সঠিক ৰিপৰ্ট দাখিল কৰিব নোৱাৰাত প্রায় ১৩ বছৰ কাল অনুদান পোৱাৰ পৰা কলেজখন বঞ্চিত হ'বলগীয়াত পৰিল। আমাৰ দিনত সেই সময়ৰ কার্যালয়ৰ কোঠাৰ সম্প্রসাৰণ কৰি এটা বাৰাণ্ডা কোঠা আৰু পৰীক্ষাৰ পৰিচালনাৰ বাবে এটা আছুতীয়া কোঠা নির্মাণ কৰা হৈছিল। লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ ২য় মহলাৰ কাম আমাৰ দিনত আৰম্ভ হৈ অধ্যক্ষ শ্রীজিতেন বৰাৰ দিনত সম্পূর্ণ হয়। আমি কলেজৰ ভাৰপ্রাপ্ত অধ্যক্ষ থকাৰ সময়ত মিহিৰাম শইকীয়া নামৰ এজন কনিষ্ঠ অভিযন্তাৰ হতুৱাই উক্ত ছাত্রাবাসৰ ৰুম, দর্জা, খিৰিকি আদিৰ সমস্ত জোখ লৈ সেই ঘৰ বনোৱাৰ কিমান খৰচ পৰে তাৰ এটা Estimate যুগুত কৰি নগাঁও গড়কাপ্তানি বিভাগৰ Executive Engineer ৰ চহী লৈ Chartered Accountant এজনৰ দ্বাৰা Certified কৰাই U.G.C. লৈ ঘৰটো তৈয়াৰীৰ খৰচ Approve কৰি নতুন অনুদান পোৱাৰ বাবে দর্খাস্ত যুগুত কৰিলো আৰু অধ্যাপক সহজানন্দ ওজাক U.G.C. ৰ অফিচলৈ গৈ সেইখিনি Submit কৰাত সুবিধা কৰি দিবলৈ সেই সময়ৰ সাংসদ স্বর্গীয় মুহিৰাম শইকীয়াক লগ ধৰা হ'ল। তেখেতে কিয় জানো কথাটোত সন্মতি নিদিলে বুজি পোৱা নগ'ল। অৱশ্যে মোৰ পাছৰ অধ্যক্ষ শ্রীজিতেন বৰাদেৱে সাংসদ ডাঙৰীয়াক কিবাকৈ সৈমান কৰি আকৌ ওজাদেৱক U.G.C. অফিচলৈ পঠিওৱাত, পুনৰ আমাৰ কলেজে অনুদান লাভ কৰিবলৈ সমর্থ হ'ল। তাৰ পিছৰ পৰাই কলেজৰ ঘৰ-দুৱাৰ নির্মাণৰ কাম বহুদি আগবাঢ়ি গৈছে। অধ্যক্ষ জিতেন বৰাৰ দিনত Science Roo বুলি দুটা কোঠা নির্মাণ হয়। শ্রীওজাদেৱৰ দিনত লাইব্রে দুমহলীয়াকৈ আৰু চাইকেল ষ্টেণ্ড আদিৰ নির্মাণ হয়। শ্রীনগে চন্দ্র নাথৰ দিনত Auditorium টো নির্মাণ হয়। বর্তমানৰ অধ্যক্ষ দিনত ইটোৰ পাছত সিটোকৈ কেইবাবাৰো এই অনুদানৰ টকা ল কৰি নিম্নলিখিত গৃহসমূহ নির্মাণ কৰিছে—

১। প্রশাসনীয় ভৱন আৰু ওপৰৰ মহলাৰ পাঠদ কোঠাসমূহ।

২। উদ্ভিদ বিজ্ঞান বিভাগৰ লেবৰেটৰী আৰু ওপৰৰ মহল পাঠদান কোঠাসমূহ।

৩। কলা শাখাৰ বিভাগীয় কোঠাসমূহ।

৪। পুথিভঁৰালৰ অধ্যয়ন কক্ষ।

৫। ছাত্রী নিবাস ১ আৰু ২ নম্বৰ।

আগৰ ছাত্রাবাসৰ গৃহটি সম্পূর্ণ কৈ ভাঙি পিছৰ দিশত এ গৃহ নির্মাণ কৰা হৈছে। সন্মুখৰ ফালে Orchid House স হৈছে। বর্তমানৰ অধ্যক্ষই কেইবাটাও গৃহ সজাৰ অনুদান লাভ কৰ পাৰিছে আৰু কলেজৰ সৌষ্ঠৱ বহু গুণে বাঢ়ি আহিছে। তেওঁ এজ কার্যদক্ষ আৰু গতিশীল লোক। কলেজত বর্তমান কালৰ সামঞ্জ ৰাখি নতুন কাৰিকৰী দিশৰ কেইটামান বিষয় পাঠ্যক্রমত অন্তর্ভু কৰিবৰ কাৰণে আমাৰ ফালৰ পৰা আশা কৰা হ'ল।❑

(বিঃদ্রঃ অংশকালীন অধ্যাপকসকলৰ নামসমূহ শ্রীপ্রভ শর্মা বৰুৱাৰ পৰা সংগ্রহ কৰা হৈছে।)

ওঁ সহনাৱৱতু।
সননৌ ভুনক্তু।
সহবীর্য্যং কৰৱাৱহৈ।
তেজস্বিনাৱধীতমস্তু।
মা ৱিদ্বিষাৱহৈ।
ওঁ শান্তিঃ শান্তিঃ শান্তিঃ।।

—কঠোপনিষৎ

এৰি অহা দিনবোৰ

শশী বৰা

আধুনিক অসম নির্মাতা অসমী আইৰ সুযোগ্য সন্তান আনন্দৰাম ঢেকিয়াল ফুকন দেৱৰ নামত প্রতিষ্ঠিত মহাবিদ্যালয়খনিয়ে চাওঁতে চাওঁতে সোণালী জয়ন্তীত ভৰি দিলেহি। তাহানিতে যেতিয়া এই মহাবিদ্যালয়ত যোগদান কৰিবলৈ আহোঁ, তেতিয়া এই অনুষ্ঠানটি আছিল সদ্য অঙ্কুৰিত এটি পুলি মাথোন। এই পুলিটোৱেই লহ-পহকৈ বাঢ়ি আহি পত্রে-পুষ্পে জাতিষ্কাৰ হৈ আজি এক প্রকাণ্ড মহীৰুহত পৰিণত হ'লহি। আজিৰ মহাবিদ্যালয়ৰ এই অৱস্থাই সকলোৰে বাবে অতিশয় আনন্দ আৰু গৌৰৱ কঢ়িয়াই আনিছে।

আজিৰ অৱস্থাত উপনীত হোৱা এই মহা বিদ্যালয়খনিৰ জন্ম লগ্নৰ ইতিহাস কিন্তু এক ব্যতিক্রমী ইতিহাস। যি সময়ত এই মহাবিদ্যালয়খন প্রতিষ্ঠা হৈছিল, সেই সময়ত নগাঁও জিলাত এখনেই মাত্র মহাবিদ্যালয় আছিল 'নগাঁও মহাবিদ্যালয়'। নগাঁও মহাবিদ্যালয়ত দিনৰ শাখাহে থকাৰ বাবে বিভিন্ন অফিচ-স্কুল আদিত কাম কৰি থকা ল'ৰা বিলাকৰ কাৰণে উচ্চ শিক্ষা গ্রহণ কৰাৰ কোনো সুবিধা নাছিল। সেই সময়ত বহুতো ল'ৰাই মেট্রিক পৰীক্ষা পাচ কৰিয়েই অর্থাভাৱত উচ্চ শিক্ষা লাভ কৰিব নোৱাৰি চাকৰিত যোগ দিব লগা হৈছিল।

এনেদৰে চাকৰি-বাকৰিত সোমাই থকা ডেকা ল'ৰাসকলেই তেওঁলোকৰ উচ্চ শিক্ষাৰ স্পৃহা পূৰণ কৰিবৰ বাবে নগাঁৱত এখন ৰাতিৰ মহাবিদ্যালয় প্রতিষ্ঠা কৰাৰ পৰিকল্পনা কৰে। সেই সময়ত অসমৰ এজন সুযোগ্য সন্তান প্রয়াত শুকদেৱ গোস্বামী ছাৰ বহুত বছৰ বিলাতত বাস কৰি নিজ দেশলৈ উভতি আহিছিল। তেখেতৰো নিজৰ ঠাইখিনিৰ বাবে কিবা এটা ভাল কাম কৰাৰ প্রৱল হাবিয়াস আছিল। গতিকে প্রয়াত ছাৰক লৈ বিভিন্ন চৰকাৰী কার্যালয় আৰু বিদ্যালয় আদিত কর্মৰত ল'ৰাবিলাকে চহৰৰ আৰু কিছু বিদ্যানুৰাগী বিশিষ্ট নাগৰিকক লৈ এখন ৰাতিৰ মহাবিদ্যালয় প্রতিষ্ঠা কৰাৰ আৰু এই মহাবিদ্যালয়খন অসমৰ সু-সন্তান প্রাতঃস্মৰণীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত প্রতিষ্ঠা কৰাৰ সিদ্ধান্ত গ্রহণ কৰি কামত আগবাঢ়ে।

বর্তমান যি ঠাইত মহাবিদ্যালয়খন আছে সেই ঠাইখিনি তেতিয়া এক অনুন্নত পিচপৰা অঞ্চল আছিল। প্রয়াত গোস্বামী ছাৰৰ লক্ষ্য আছিল এই মহাবিদ্যালয়খন প্রতিষ্ঠাৰ জৰিয়তে ঠাইখিনিৰ লগতে মানুহখিনিৰো সর্বাঙ্গীণ উন্নতি সাধন কৰা। সি যিয়েই নহওঁক, এই উৎসাহী ডেকা ল'ৰাসকলেই হাতত দা-কুঠাৰ লৈ অশেষ পৰিশ্রম কৰি ঠাইখিনি পৰিস্কাৰ- পৰিচ্ছন্ন কৰি গৃহ নির্ম্মাণৰ বাবে সাজু কৰি উলিয়াইছিল। এইদৰে গৃহ নির্মাণ হোৱাৰ পাচত মহাবিদ্যালয়ৰ কাম-কাজ আৰম্ভ হয়। অধ্যক্ষৰ দায়িত্ব প্রয়াত শুকদেৱ গোস্বামী ছাৰে গ্রহণ কৰে আৰু ইয়াত পাঠদান কৰিবলৈ সেই সময়ৰ নগাঁও মহাবিদ্যালয়ৰ মহানুভৰ শিক্ষাগুৰুসকল আগবাঢ়ি আহে। ইয়াৰ উপৰিও ৰাতিৰ মহাবিদ্যালয়ৰ কার্যালয়ত কাম কৰিবলৈ আগবাঢ়ি আহে সেই সময়ৰ নগাঁও মহাবিদ্যালয়ৰ অতি অমায়িক সুদক্ষ কর্মচাৰী প্রয়াত মহেশ ভট্ট। এনেদৰে এই ৰাতিৰ মহাবিদ্যালয়খনিৰ পাঠদান আৰু অন্য কাম-কাজৰ শুভ উদ্বোধনী হয়। প্রথম অৱস্থাত ৰাতি পোহৰৰ বাবে মেঠেল লাইট ব্যৱহাৰ হয় যদিও পাচত বিজুলীবাতিৰো ব্যৱস্থা হয়গৈ।

এইখিনিতে মোৰ প্রথম দিনা মহাবিদ্যালয়খনিলৈ অহাৰ কথা মনত পৰিছে। দর্খাস্ত এখন দিবলৈ আহি মহাবিদ্যালয় চৌহদত প্রথম সোমায়েই পোৱা দুকুঠলীয়া ঘৰটোৰ প্রথম কোঠাত কার্যালয় আৰু তাতে সেই সময়ৰ কার্যালয় সহকাৰী শ্রীৰোহিত মহন্তক লগ পালোঁ। শ্রীমহন্তই মোক দর্খাস্তখন অধ্যক্ষৰ

কলংপাৰৰ বাসগৃহতেই দিবলৈ দিলে। সেইমতেই মই গৈ গোস্বামী ছাৰক লগ ধৰি দৰ্খাস্তখন দিলো। ছাৱে দৰ্খাস্তখন লৈ মোক ইটো-সিটো প্রশ্ন সুধি ক'লে— বোপাই, মই তোমাৰ দৰে ডেকা ল'ৰাই বিচাৰিছোঁ। (তেখেতে কথাই কথাই 'বোপাই' বুলি সম্বোধন কৰাটো এটা অভ্যাস আছিল।) তুমি আহিবা। এই বুলি ছাৰৰ পৰিবাৰ (এগৰাকী ইংৰাজ মহিলা) আৰু ছাৰৰ ঘৰতে থকা এগৰাকী ইংৰাজ ডেকাৰ লগত চিনা-পৰিচয় কৰাই দি মোক বিদায় দিলে। ছাৰৰ ব্যৱহাৰত সেইদিনা মই অভিভূত হৈ পৰিছিলোঁ। পৰম সন্তুষ্টিৰে উভতি আহি মই কিছুদিনৰ পাছত কামত যোগদান কৰো।

প্রথম দিনা মহাবিদ্যালয়ত যোগদান কৰি পাঠদান কৰিবলৈ যোৱাৰ অভিজ্ঞতা মোৰ কাৰণে এটি বিৰল অভিজ্ঞতা। ৰাতিৰ কলেজ আৰম্ভ হয় ৩.৩০ বজাৰ পৰা আৰু শেষ হয় ৰাতি ৯.৪০ বজাত। প্রথম দিনা ৭.৩০ মান বজাত স্নাতক শেষ বৰ্ষৰ শ্রেণীত পাঠদান কৰিবলৈ সোমাই দেখো সন্মুখত যি সকল ছাত্র বহি আছে সেইসকলৰ কোনোবা মোৰ দাদাৰ বয়সৰ, কোনোবা কোনোবা মোৰ বয়সৰ আৰু কেইবাজনো প্রায় আদহীয়া বয়সৰ ছাত্র। আনকি মোক হাইস্কুলত অঙ্ক শিকোৱা শিক্ষকো বহি আছে ছাত্র হৈ। ৰেজিষ্টাৰ কৰি পাঠদান কৰিবলৈ থিয় হৈয়ে মই হতভম্ব। কিন্তু ছাত্রসকলৰ ব্যৱহাৰে মোক সহজেই পাঠদান কৰিবলৈ প্রস্তুত কৰি তুলিলে। এইসকল ছাত্রই দিনটোত নানান ঠাইত চাকৰি কৰি ৰাতি চাইকেল চলাই ভাগৰে-জোগৰে আহি শ্রেণীত সোমায়হি। তেওঁলোক উচ্চ শিক্ষাৰ হেঁপাহত পঢ়িবলৈ অহা ছাত্র। গতিকে এই ছাত্রসকল অতি মনোযোগী আৰু সকলো কথাতে অতি বিনয়ী আৰু গহীন-গম্ভীৰ আছিল। তেতিয়া আমাক প্রায়ে ধেমালি কৰি কয়— তহঁত এডিপি কলেজ মানে আদহীয়া ডেকাৰ পাল মৰা কলেজৰ অধ্যাপক। ইয়াৰ অর্থটো পাচতহে বুজিব পাৰিছিলো।

তেতিয়া মহাবিদ্যালয়ৰ দুই কুঠলীয়া ঘৰটোৰ প্রথম কোঠাটো আছিল কার্যালয় আৰু দ্বিতীয় কোঠাটো আছিল অধ্যক্ষৰ কার্যালয় আৰু শিক্ষকসকলৰ জিৰণি কোঠা। সেই কোঠাটোতে বহি অধ্যক্ষ গোস্বামী ছাৰে দেশ বিদেশৰ নানান কথাৰে আমাক সম্মোহিত কৰি ৰাখিছিল।

এই কার্যালয়ৰ সন্মুখতে টুল এখনত নির্বিকাৰ হৈ বহি থকা কর্তব্যনিষ্ঠ চকীদাৰ প্রয়াত সীতাৰামো কলেজৰে এটা অঙ্গ হৈ পৰিছিল। সেইদৰে মালী লক্ষণহতোঁ আছিল অতিশয় কর্তব্যনিষ্ঠ ৪র্থ শ্রেণীৰ কর্মচাৰী।

লাহে লাহে আমাৰ মহাবিদ্যালয়লৈ দেশৰ বিভিন্ন স্থানৰ পৰা শিক্ষকসকল কামত যোগদান কৰিবলৈ আহিবলৈ লয়। সেই সকল শিক্ষকৰ গোটেইখিনিয়েই আছিল অতি বন্ধুভাৱাপন্ন আৰু উদাৰ মনৰ। ইয়াৰ উপৰি প্রায়খিনি শিক্ষকেই আছিল বিভিন্ন বিষয়ত ৰাপ থকা মেধাবী লোক। প্রয়াত গোস্বামী ছাৰৰ মৃত্যুৰ পাচত প্রয়াত আব্দুল হাইছাৰ অধ্যক্ষ হৈ আহে। ছাৰ মোৰ নগাঁও কলেজৰ শিক্ষাগুৰু আছিল। হাইছাৰৰ দৰে মৰমীয়াল, অমায়িক আৰু আন্তৰিকতাপূর্ণ ব্যক্তি মই জীৱনত দ্বিতীয় এজন লগ পোৱা নাই। ছাৰ নিজে খেলা-ধূলাত অতিশয় ৰাপ থকা ব্যক্তি আছিল। ছ উপৰিও সেই সময়ৰ অধ্যাপক সহজানন্দ ওজা, এ. বি. এম. চি আদিৰ দৰে খেলা-ধূলাত পাৰ্গত বন্ধু সকলক লগ পাইছিলো। ই উপৰিও লগ পাইছিলো নাটক, কলা-সংস্কৃতি, সাহিত্যৰ ক্ষে অধ্যাপক ৰবীন্দ্র চন্দ্র বৰা, দেবেন্দ্র নাথ শইকীয়া (দেৰ কু শইকীয়া), ড° মলয় কুমাৰ বয়, প্রয়াত শৰদ মাধৱ কুম্ৰে আ ৰাজনীতিৰ ক্ষেত্রত অধ্যাপক ৰানেশ্বৰ শইকীয়াৰ দৰে প্রতি শিক্ষক, ড° তুষাৰকান্তি চৌধুৰীৰ দৰে বিদ্বান আৰু বহু প্রতিভাসম্পন্ন ব্যক্তি আৰু শঙ্কৰী কলা-কৃষ্টিৰ গৱেষক পণ্ডিত নৱেন কলিতা আদিক। ইয়াৰ উপৰিও এই মহাবিদ্যালয়তে অধ্যা কৰি থাকিয়েই কেইবাজনো মেধাবী শিক্ষকে বিভিন্ন ক্ষেত্রত নি সু-প্রতিষ্ঠিত কৰিবলৈ সক্ষম হৈছিল। সেই সকলৰ ভিতৰত ভাৰ প্রশাসনীয় সেৱাৰ বিষয়া শ্রীচিত্ত সামাদ্দাৰ, আই.এ.এচ.; শ্রীমৃ কুমাৰ বৰুৱা, অসম চৰকাৰৰ জ্যেষ্ঠ প্রশাসনীয় বিষয়া, ভাৰ ৰেল সেৱা বিভাগৰ উচ্চ পদস্থ বিষয়া শ্রীজ্যোতিদেৱ গোস্ব শঙ্কৰী সাহিত্যত কলা-কৃষ্টি সঙ্গীতৰ গৱেষক পণ্ডিত, শ্রী শঙ্কৰদেৱ বঁটা বিজয়ী অধ্যাপক ড° কেশৱানন্দ দেৱ গোস্ব আদিয়েই প্রধান।

১৯৬৪ চনত আমাৰ মহাবিদ্যালয়খন ঘাটি মঞ্জুৰি অনু আঁচনিৰ অধীনলৈ আহে ৰাতিৰ কলেজ হিচাপেই। চৰকাৰৰ ঘ পৰাও বিশেষ উদ্‌গনি লাভ কৰে। মোৰ মনত পৰে তেতি শিক্ষামন্ত্রী প্রয়াত দেৱকান্ত বৰুৱা নিজে কলেজ পৰিদর্শন কৰি আহি আমাৰ শিক্ষকসকলৰ লগতো ব্যক্তিগত ভাৱে চিনা-পৰি হৈছিল। সেইদৰে প্রয়াত মুকুট শর্মা ডাঙৰীয়ায়ো নিজে লক্ষ্মী বেজবৰুৱা ভৱনৰ নির্মাণৰ দায়িত্ব লোৱাৰ উপৰিও শিক্ষা হিচাপেও মহাবিদ্যালয়খনলৈ যথেষ্ট অৱিহণা যোগাইছিল।

মই কলেজত যোগদান কৰাৰ কেইবছৰমানৰ পাছ এডিপি কলেজ শিক্ষক পৰিষদ আৰু অসম কলেজ শিক্ষক স এডিপি কলেজ গোটৰ সম্পাদকৰ দায়িত্ব ল'ব লগা হৈছিল। দায়িত্ব মই প্রায় একেলেঠাৰীয়ে ২৪/২৫ বছৰ কাল বহন ক লগা হৈছিল। এই সময়খিনি বহুতো ঘটনা আৰু আন্দোলনৰে স সময় আছিল আৰু সম্পাদক হিচাপে মই সকলোতে জড়িত থা লগা হৈছিল।

আমাৰ মহাবিদ্যালয়ৰ শিক্ষক কর্মচাৰীসকল সক ক্ষেত্রতে অতি উৎসাহী আছিল। প্রতি বছৰে সকলো মিলি বনভে খাবলৈ যোৱাটো এটা নিয়মতেই পৰিণত হৈছিল। মোৰ সম্পাদক কার্যকালত এনে এটা বছৰ অতিবাহিত হোৱা নাছিল যিটো বছ আমি বনভোজ খাবলৈ যোৱা নাছিলো। আমাৰ বনভোজ অ ভোজ-ভাততে সীমাবদ্ধ নাছিল, ইয়াৰ আলম লৈ আমি বিভি গুৰুত্বপূর্ণ স্থানসমূহ পৰিদর্শন কৰিছিলো। অসমৰ বাহিৰে পশ্চিমবঙ্গৰ কোচবিহাৰ হৈ জলদাপাৰা সংৰক্ষিত বনাঞ্চল প আমি বনভোজৰ নামত পৰিদর্শন কৰিছিলো। কলেজৰ ভোজ-ভা বনভোজ আদিত শিক্ষক কর্মচাৰীসকলৰ পৰিয়ালবর্গকো মা

মাজে নিমন্ত্রণ কৰা হৈছিল। ইয়াৰ উদ্দেশ্য আছিল আমাৰ পৰিয়ালবৰ্গৰ মাজতো চিনা-পৰিচয়ৰ এটা আত্মীয়তা গঢ়ি উঠক।

উত্তৰ প্ৰদেশৰ লক্ষ্ণৌ চহৰৰ পৰা অহা অধ্যাপক আয়ুব হাচমিৰ মৰম আৰু আন্তৰিকতাৰ কথাও মনলৈ আহে। তেখেতে প্ৰত্যেক গৰমৰ বন্ধত লক্ষ্ণৌৰ ঘৰলৈ গৈ বন্ধ খোলাৰ পাচত ঘূৰি আহোতে অতি কষ্ট কৰি লক্ষ্ণৌৰ অতি সুমিষ্ট এপাচি আম লগত লৈ আহিছিল আৰু বন্ধ খোলাৰ দিনা ৰাতিয়েই 'আমৰ পার্টি' বুলি এটা পার্টি যোগাৰ কৰি সকলোকে পৰম তৃপ্তিৰে আম খুৱাইছিল।

মহাবিদ্যালয়ত বছেৰেকীয়া তিথি পূজা, নবী উৎসৱ আদিও ধুমধামেৰে পতা হৈছিল। পুৰণিচাম ছাত্ৰই গুৰুজনাৰ তিথিত নাম-কীৰ্ত্তনৰ উপৰিও ভাওনাও পাতিছিল।

মাজে মাজে শিক্ষক ছাত্ৰই মিলি নাটক আদিও মঞ্চস্থ কৰিছিল। এই বিলাকত আগভাগ লৈছিল অধ্যাপক দেবেন্দ্ৰ নাথ শইকীয়া, (দেৱ কুমাৰ শইকীয়া) আৰু ড° মলয় কুমাৰ ৰয়ে। এইবিলাক নাটকত সকলো শিক্ষকে অংশগ্ৰহণ কৰাটো বাধ্যতামূলক আছিল। মোৰ মনত পৰা দুখন নাটক 'চোৰ' আৰু 'শ্মশান বন্ধু ষ্টুডিঅ'ত অধ্যক্ষ হাইছাৰৰ পৰা আৰম্ভ কৰি অধ্যাপক ড° নাৰায়ণ বৰ্মণ, অধ্যাপক কন্দৰ্প গোস্বামী, ৰবীন শৰ্মা, চামচুদ্দিন আৰু ধৰ্মেশ্বৰ বৰাইও অংশ গ্ৰহণ কৰিছিল। নাটকত নগাঁও ছোৱালী কলেজৰ অধ্যাপিকা ভানু পদ্মাৱতি আৰু দিপালী বেনাৰ্জীয়েও অংশ লোৱা কথা মনত আছে। বাকীসকলৰ লগতে মই নিজেও পৰিচালকৰ কঠোৰ নিৰ্দেশত মূল চৰিত্ৰত অভিনয় কৰিবলৈকো বাধ্য হ'ব লগা হৈছিলো। এইখিনিতে এটা আমোদজনক কথা কোৱাৰ লোভ সামৰিব নোৱাৰিলো। নাটকত হয়তো চৰিত্ৰ কম কিন্তু সকলোকে এটা ভাও দিবই লাগিব। এনে ক্ষেত্ৰত নাট্যকাৰ দেবেন্দ্ৰ নাথ শইকীয়া আৰু ড° মলয় ৰয়ে প্ৰত্যেকজন অধ্যাপকৰ কাৰণে অধ্যাপকজনৰ চলন-ফুৰণ আৰু স্বভাৱ-চৰিত্ৰৰ লগত সঙ্গতি ৰাখি একোটা চৰিত্ৰৰ সৃষ্টি কৰে আৰু এই বিলাক চৰিত্ৰ সংযোজন কৰি মঞ্চস্থ কৰা নাটকখন বেচ উপভোগ্য হোৱাৰ উপৰিও নাটকখনৰ সৌষ্ঠৱো বৃদ্ধি হয়।

নাটক মঞ্চস্থ কৰাৰ উপৰিও ড° তুষাৰ কান্তি চৌধুৰীৰ তত্বাৱধানত আৰু পৰিচালনাত আমাৰ কলেজৰ শিক্ষক সকলে জিলা পুথিভঁৰালত দুবাৰকৈ 'মক্ পার্লিয়ামেন্ট' (Mock Parlaiament) অনুষ্ঠিত কৰিছিল। ইয়াত সেই সময়ৰ নগাঁৱৰ কেইবাগৰাকী উৎসাহী অধিবক্তাৱেইও অংশ গ্ৰহণ কৰিছিল। এই 'মক্ পার্লিয়ামেন্ট'ত সাংসদসকলে কেনেদৰে প্ৰশ্ন কৰে, বিভাগীয় মন্ত্ৰীসকলে কেনেদৰে উত্তৰ দিয়ে, স্পীকাৰে সংসদত কেনে ভূমিকা পালন কৰে আদি কথাবোৰ ড° চৌধুৰীয়ে নিজে লিখি আখৰা কৰাই উপস্থাপন কৰাইছিল। এই 'মক্ পার্লিয়ামেন্টে' সেই সময়ত চহৰৰ বৌদ্ধিক মহলত এক আলোড়নৰ সৃষ্টি কৰিবলৈ সক্ষম হৈছিল।

খেলা-ধূলাৰ ক্ষেত্ৰতো আমাৰ মহাবিদ্যালয়খনে আন এক সুকীয়া পৰিচয় দাঙি ধৰিবলৈ সক্ষম হৈছিল। অধ্যক্ষ আব্দুল হাই ছাৰ আৰু অধ্যাপক সহজানন্দ ওজাৰ প্ৰচেষ্টাত আমাৰ মহাবিদ্যালয়ৰ তত্বাৱধানত এবাৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনৰ আন্তঃ মহাবিদ্যালয় খেল-ধেমালি উৎসৱ (Inter College Sports Festival) অনুষ্ঠিত হৈছিল। গোটেই অসমৰ উপৰিও মণিপুৰৰ পৰাও যথেষ্ট সংখ্যক খেলু�ৱৈয়ে ইয়াত যোগদান কৰিবলৈ আহিছিল। এই সমাৱেহ সফলতাৰে সম্পন্ন কৰিবৰ বাবে এক বিপুল আয়োজন কৰিব লগা হৈছিল। ভাগে ভাগে সকলোৱে মন প্ৰাণ ঢালি কামত লাগিব লগা হৈছিল। খেল-ধেমালি পৰিচালনাৰ ক্ষেত্ৰত অধ্যক্ষ হাইছাৰ, অধ্যাপক সহজানন্দ ওজা অধ্যাপক এ. বি. এম. চিদ্দিক থকাৰ উপৰিও খেলুৱৈসকলক ৰখা মেলাৰ দায়িত্বত আছিল অধ্যাপক নৱেন শইকীয়া, ধীৰেন বৰদলৈ, কৃষ্ণ ফুকন, হীৰেন্দ্ৰ নাথ শইকীয়া আদি। মই খাদ্য বিভাগৰ আহ্বায়ক আছিলো। মোৰ সহযোগী বন্ধুসকল আছিল অধ্যাপক জীতেন বৰা, সুৰেন চন্দ্ৰ বাৰৈ, দেবেন শইকীয়া (ভূগোল) পুষ্প বৰা আদি। ইয়াৰ উপৰিও আমাক সকলো দিশতে সহায় কৰিছিল সেই সময়ৰ নগাঁও স্পর্টচ্ ক্লাৱৰ সদস্য মনোমোহন দাস, নগাঁও মহাবিদ্যালয়ৰ চামাদ্দাৰ ছাৰ আৰু তগৰ বৰা আদিয়ে। নগাঁও চৰকাৰী বালক উচ্চ মাধ্যমিক বিদ্যালয়ত খাদ্যৰ শিবিৰ প্ৰতিষ্ঠা কৰি আমি সকলোৱে দিন-ৰাতি একাকাৰ কৰি খাটিছিলো। আৰু সকলোৰে আপ্ৰাণ চেষ্টাত এই মহাসমাৱেহ কৃতকাৰ্যতাৰে সম্পন্ন হৈছিল।

ইয়াৰ কিছুদিন পাচত নগাঁও মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা অসম কলেজ শিক্ষক সন্থাৰ বাৰ্ষিক অধিবেশনতো আমাৰ কলেজৰ সকলোৱে সহযোগিতা আগবঢ়াইছিলো।

মই আগতেই কৈ আহিছোঁ মই শিক্ষক গোটৰ সম্পাদক ৰূপে থকা দীঘলীয়া সময়খিনি বিভিন্ন ঘাত-প্ৰতিঘাত, আন্দোলন আৰু ঘটনা প্ৰৱাহৰ সময়। এই সকলোবিলাকত মই প্ৰত্যক্ষভাৱে জড়িত থাকিব লগা হৈছিল। সদৌ অসম ছাত্ৰ সন্থাৰ আহ্বানত আৰম্ভ হোৱা বিদেশী বহিষ্কাৰ আন্দোলনতো আমি সক্ৰিয় অংশ ল'ব লগা হৈছিল। সেই সময়ত অসমৰ কৰ্মচাৰী পৰিষদেও এই আন্দোলনত সক্ৰিয়ভাৱে অংশ লোৱাত আমিও আন্দোলনৰ অংশীদাৰ হৈ পৰিলো। শিক্ষক গোটৰ সম্পাদক হিচাপে গোটেই বিলাকৰ লগত যোগাযোগ ৰক্ষা কৰাৰ উপৰিও আন্দোলনৰ গোটেইবিলাক কার্যসূচীত সহকৰ্মী বন্ধুসকলক লৈ যোগদান কৰিব লগা হৈছিল। এতিয়াও মনত পৰে কৰ্মচাৰী পৰিষদৰ আহ্বানত অনুষ্ঠিত হোৱা বিভিন্ন কার্যসূচী গ্ৰহণৰ সভাবোৰত আনকি গোপন ঠাইত ৰাতিও মিলিত হ'ব লগা হৈছিল।

এই দীৰ্ঘদিনীয়া আন্দোলনৰ পৰিণামত অসমত আঞ্চলিক দল অসম গণ পৰিষদ দলৰ গঠন হয় আৰু পাচৰ পর্যায়ত এই আঞ্চলিক দলৰে চৰকাৰ প্ৰতিষ্ঠা হয়। ইতিমধ্যে অসমত সন্ত্ৰাসবাদী কার্যকলাপ বৃদ্ধি পাবলৈ ধৰে আৰু কেউফালে আতঙ্কময় পৰিৱেশ বিয়পি পৰে। ফলত আমাৰ মহাবিদ্যালয়ৰ ৰাতিৰ পাঠদান কার্য বন্ধ হৈ যায়। ইয়াৰ পৰিণতিত ৰাতিৰ পাঠৰ শাখাটো দিনৰ ভাগত পাঠদানৰ সৈতে একেলগে চলোৱাৰ ব্যৱস্থা কৰা হয়। আৰু লাহে লাহে দিনৰ মহাবিদ্যালয়লৈ ৰূপান্তৰিত হয়।

যদিও অসমত উচ্চ শিক্ষাৰ ক্ষেত্ৰত কলেজ শিক্ষক সকলেই গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব লগা হৈছিল, শিক্ষকসকল কিন্তু সকলো ক্ষেত্ৰতে চৰকাৰৰ দ্বাৰা অৱহেলিত হৈ ৰ'ব লগা হৈছিল। অন্যান্য চৰকাৰী কৰ্মচাৰীসকলে পোৱাৰ দৰে কলেজ শিক্ষক কৰ্মচাৰীসকলে কোনো ধৰণৰ চিকিৎসা ভাট্টা, ঘৰভাড়া ভাট্টা, গ্ৰেটুইটি আৰু পেঞ্চন আদি নাপাইছিল। এই লৈ অসম কলেজ শিক্ষক সন্থাই দীৰ্ঘদিন ধৰি নানা ধৰণৰ প্ৰতিবাদী আন্দোলন আদি কৰিব লগা হৈছিল। এই আন্দোলনৰ ফলত অসম চৰকাৰে কলেজ শিক্ষক-কৰ্মচাৰীসকলক চিকিৎসা ভাট্টা, গৃহভাৰা ভাট্টা আৰু গ্ৰেটুইটি দিবলৈ মান্তি হ'ল যদিও পেঞ্চন বহু দূৰৈত ৰৈ গ'ল। গতিকে শিক্ষকসকলে পুনৰ অসম কলেজ শিক্ষক সন্থাৰ আহ্বানত নানান ধৰণৰ প্ৰতিবাদী আন্দোলন গঢ়ি তুলিব লগা হ'ল। মুখ্যমন্ত্ৰী প্ৰয়াত হিতেশ্বৰ শইকীয়াদেৱে শিক্ষক কৰ্মচাৰীসকলৰ চাকৰি প্ৰাদেশীকৰণ কৰি পেঞ্চন দিয়াৰ প্ৰস্তাৱ দাঙি ধৰে। শিক্ষকসকল এই প্ৰস্তাৱত মান্তি নোহোৱাত বিষয়টোৰ তাতে সমাপ্তি ঘটে। পুনৰ আন্দোলন আৰু চৰকাৰৰ লগত অনেক আলাপ-আলোচনাৰ অন্তত অ.গ.প. চৰকাৰৰ দিনত ১৯৯৫ চনৰ ১ জানুৱাৰিৰ পৰা শিক্ষক কৰ্মচাৰীসকলক পেঞ্চন দিয়াৰ ব্যৱস্থা কৰি এখন বিল প্ৰস্তুত কৰে। এই বিলখন যথেষ্ট আসোঁৱাহপূৰ্ণ হোৱাত ইয়ো গ্ৰহণযোগ্য নহ'ল।

ইয়াৰ পাছত অসমৰ মুখ্যমন্ত্ৰী তৰুণ গগৈ দেৱে বিষয়টো গুৰুত্ব সহকাৰে গ্ৰহণ কৰে আৰু পুনৰ শিক্ষক-কৰ্মচাৰীসকলৰ চাকৰি প্ৰাদেশীকৰণ কৰি পেঞ্চন দিয়াৰ চৰ্ত দাঙি ধৰে। এইবাৰ কলেজ শিক্ষকসকলে বিনা প্ৰতিবাদে এই চৰ্ত মানি লয়। আৰু সেই মৰ্মে অসম চৰকাৰে কলেজসমূহ ঘাটি মঞ্জুৰিপ্ৰাপ্ত হোৱাৰ দিনৰ পৰাই পেঞ্চন পোৱাৰ যোগ্যতা অৰ্জন কৰা বুলি ধৰি লৈ ২০০৫ চনৰ·১ ডিচেম্বৰৰ পৰা শিক্ষক-কৰ্মচাৰীসকলে পেঞ্চন পোৱাৰ ব্যৱস্থা কৰি আইন প্ৰস্তুত কৰি কাৰ্যত পৰিণত কৰে। ইয়াৰ লগে লগে শিক্ষক-কৰ্মচাৰীসকলৰ নিজৰ ন্যায্যপ্ৰাপ্য আদায়ৰ দাবীত কৰা এক দীৰ্ঘদিনীয়া সংগ্ৰামৰ পৰিসমাপ্তি ঘটে।

গতিকে, আজিৰ কলেজ শিক্ষক-কৰ্মচাৰীসকলৰ যি সা-সুবিধা আৰু অৱসৰ গ্ৰহণৰ পিচৰ অৰ্থনৈতিক নিৰাপত্তা, সেয়া অতীতৰ এচাম শিক্ষকৰ নিৰৱচ্ছিন্ন সংগ্ৰাম আৰু নিঃস্বাৰ্থ আত্মত্যাগৰ ফলশ্ৰুতি মাথোন বুলি আমি স্বীকাৰ কৰিব লাগিব।

এইবিলাক সমূহীয়া কথাৰ উপৰিও তেতিয়াৰ নিচেই চালুকীয়া অৱস্থাত থকা আমাৰ মহাবিদ্যালয়খনৰো বিভিন্ন সা-সুবিধা আদায়ৰ বাবে সঘনে মুখ্যমন্ত্ৰী, শিক্ষামন্ত্ৰী, দিছপুৰ সচিবালয়, স্থানীয় বিধায়ক আৰু শিক্ষা অধিকৰ্তাৰ কাৰ্যালয়লৈ সঁজাতীদল যাব লগা হৈছিল। এই সঁজাতী দলবিলাকত সদায় সহযোগী আছিল সহজানন্দ ওজা, জীতেন বৰা, দেবেন শইকীয়া (ভূগোল) নৰেন শইকীয়া, ধীৰেন বৰদলৈ, সুৰেন চন্দ্ৰ বাৰৈ, ভৱ শৰ্মা আৰু পদ্ম শৰ্মা আদি অধ্যাপক সকল।

সেই সময়ত আমাৰ মহাবিদ্যালয়ত অধ্যাপিকাৰ সংখ্যা নিচেই সীমিত আছিল। সেই সকলৰ ভিতৰত অধ্যাপিকা পাৰবীন আখতাৰ, অধ্যাপিকা বাইনা খানম মজুমদাৰ (পিছত তেওঁ দুয়োগৰাকীৰ প্ৰথম গৰাকী কটন মহাবিদ্যালয়ৰ আৰু দ্বিতীয় গ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা হৈ যায়গৈ), অধ্যাপিকা মে শইকীয়া, অধ্যাপিকা অশোকা দেৱ, অধ্যাপিকা নীৰদা শইকীয়া প্ৰমুখ্যে অধ্যাপিকা সকলেও মহাবিদ্যালয়ৰ বি গঠনমূলক কামত আত্মনিয়োগ কৰিছিল।

ইয়াৰ উপৰিও মহাবিদ্যালয়খনত শিক্ষক, কৰ্মচাৰীসক বহুত অসুবিধা থকাত সেইবোৰ আঁতৰাবৰ বাবে আমি শি সকলেই প্ৰচেষ্টা হাতত ল'ব লগা হৈছিল। উদাহৰণ স্বৰ শিক্ষকসকলৰ জিৰণি কোঠাৰ বৰ্তমানেও থকা চাৰিখন সুন্দৰ আ চকী, অন্যান্য আচ-বাব পত্ৰ, পৰ্দা আদিৰ ব্যৱস্থা কৰাৰ উপ জিৰণি কোঠাৰ সংলগ্ন প্ৰস্ৰাৱাগাৰ, শৌচাগাৰ, পানী-যোগান ব্য আদিৰো নিৰ্মাণ কাৰ্য আৰু সুচল ব্যৱহাৰৰ ব্যৱস্থা মহাবিদ্যাল বিভিন্ন পুঁজিৰপৰা সংগ্ৰহ কৰা ধনেৰে শিক্ষক পৰিষদে অৰ্পণ দায়িত্ব বহন কৰি সহযোগী অধ্যাপকদ্বয় সহজানন্দ ওজা জীতেন বৰাক লগত লৈ আমিয়ে সম্পূৰ্ণ কৰিব লগা হৈছিল।

ইমানৰ পিচতো আমি এটা কথা সদায় অতি দুখেৰে উপল কৰিছিলো যে আমাৰ মহাবিদ্যালয়খনে যেন সম্পূৰ্ণতা লাভ কৰি সমৰ্থ হোৱা নাছিল। ইয়াৰ প্ৰধান কাৰণ আছিল মহাবিদ্যালয়ত বিজ্ঞ শিক্ষাৰ ব্যৱস্থা নথকাটো। যেতিয়া ১৯৭৮-৭৯ বৰ্ষত মহাবিদ্যালয়ত বিজ্ঞান শিক্ষাৰ শাখা আৰম্ভ হয় আৰু ১৯৮৩ চ এই শাখাটো ঘাটি মঞ্জুৰি আঁচনিৰ অধীনলৈ আহে তেতিয়াৰ পৰা মহাবিদ্যালয়খনে সম্পূৰ্ণতা লাভ কৰা বুলি আমি সকলোৱে গ সন্তুষ্টি লাভ কৰিলোহক। বৰ্তমান কলা, বিজ্ঞান আৰু বৃত্তিমু পাঠ্যক্ৰমৰ কেইটামান বিষয় সংযোজনেৰে সমৃদ্ধ এ মহাবিদ্যালয়খন নগাঁও তথা ৰাজ্যৰ ভিতৰতে এখন আগশাৰী মহাবিদ্যালয় ৰূপে গঢ় লৈ উঠিছে।

এসময়ত কৰ্মসূত্ৰে বিভিন্ন স্থানৰ পৰা আহি একেলগ হো আৰু মহাবিদ্যালয়খনৰ হিতেই নিজৰ হিত বুলি ভাবা এচাম সুহৃ সতীৰ্থ বন্ধু ইয়াতেই চেনেহৰ এনাজৰীৰে পৰস্পৰ বান্ধ খ পৰিছিল। কৰ্ম্মব্যস্ত জীৱনৰ অন্তত অৱসৰ গ্ৰহণ কৰি সেই সক বহুজন ইতিমধ্যে ইহসংসাৰৰ পৰা আঁতৰি গ'লগৈ। বাকী সকল ভালেমান সতীৰ্থ বন্ধু শেষ জীৱনৰ নিশ্চিত অবলম্বন আৰু নিৰাপ বিচাৰি নিচেই আপোন আৰু ওচৰজনৰ কাষলৈ গ'লগৈ।

আজিৰ এই সোণালী জয়ন্তী সমাৰোহৰ মাহেন্দ্ৰ-ক্ষণ যিসকল সতীৰ্থ বন্ধুক চিৰকালৰ বাবে হেৰুৱালোঁ সেইসকলৰ পু স্মৃতিত একাঁজলি অশ্ৰু যাঁচিলোঁ আৰু লগতে বৰ্তমানৰ অধ্য প্ৰমুখ্যে সমূহ ন-পুৰণি শিক্ষক, কৰ্মচাৰী, ছাত্ৰ-ছাত্ৰীলৈ মোৰ হিয়াভ মৰম আৰু শুভাশিষ জ্ঞাপন কৰিলো।

ঐতিহ্যমণ্ডিত আমাৰ মহাবিদ্যালয়খনিয়ে নিজা খ্যাতি অ গৰিমাৰ চিৰন্তন উজ্জ্বলতাৰে দূৰ-দিগন্তৰো পৰিধি ভাঙি উদ্ভাসি হৈ উঠক, এয়ে ভগৱানৰ ওচৰত প্ৰাৰ্থনা। ❑

খেলা-ধূলা, মই আৰু আনন্দৰাম ঢেকিয়াল ফুকন কলেজ

সহজানন্দ ওজা

একোটা অনুষ্ঠানৰ মূল লক্ষ্য হ'ব লাগিব সেই অনুষ্ঠানটোৰ লগত জড়িত সকলোকে সকলো দিশতে অগ্রসৰ কৰি লৈ যোৱা। শিক্ষানুষ্ঠানসমূহো তাৰ ব্যতিক্রম নহয়। আনন্দৰাম ঢেকিয়াল ফুকন কলেজো তেনে উদ্দেশ্যৰেই ১৯৫৯ চনত স্থাপিত হৈছিল।

সেই সময়ত সমগ্র নগাঁও জিলাত মাথোন এখনেই স্নাতক পর্যায়ৰ শিক্ষা দান কৰা কলেজ আছিল— নগাঁও কলেজ আৰু তেতিয়াৰ নগাঁও জিলাত বর্তমানৰ মৰিগাঁও, কার্বিআংলং (মিকিৰ পাহাৰ) আৰু উত্তৰ কাছাৰ আদিও অন্তর্ভুক্ত হৈ আছিল। সেই সময়ৰ নগাঁৱৰ কিছু সংখ্যক শিক্ষাব্রতী আৰু সমাজৰ অগ্রণী ব্যক্তিয়ে জিলাখনত আন এখন কলেজৰ আৱশ্যকতা অনুভৱ কৰে। বিশেষকৈ হাইস্কুল শিক্ষান্ত পৰীক্ষাত উত্তীর্ণ হৈ বহু সংখ্যক লোক জীৱিকা অর্জনৰ উদ্দেশ্যে শিক্ষা শেষ কৰি চাকৰি কৰি থাকিলেও উচ্চ শিক্ষাৰ বাবে আগ্রহী তেনে লোকসকলৰ সুবিধাৰ বাবে উদ্যোক্তাসকলে এইখন এখন নৈশ কলেজ হিচাপে স্থাপন কৰে। আৰম্ভণিতে কলেজৰ ক্লাচসমূহ ৰাতিৰ ভাগত হোৱাৰ কাৰণে মাথোন ছাত্রসকলেহে নামভর্ত্তি কৰাৰ ব্যৱস্থা আছিল। অৱশ্যে পিছলৈ ক্লাচসমূহ দিবা শাখাতো আৰম্ভ কৰা হয়। মই যোগদান কৰাৰ কেইবছৰমান পিছলৈ কলেজখনত ছাত্রীৰ বাবেও নামভর্ত্তিৰ ব্যৱস্থা কৰা হয়। উল্লেখ্য, আনন্দৰাম ঢেকিয়াল ফুকন (এডিপি) কলেজে আৰম্ভণিৰে পৰাই শিক্ষাক্ষেত্রখনৰ লগতে ক্রীড়া, সাহিত্য-সংস্কৃতি আদি বিভিন্ন দিশত কলেজখনৰ ছাত্র-ছাত্রীসকলৰ প্রতিভা বিকাশৰ বাবে সুবিধা আগবঢ়াইছিল, যদিও কলেজখনৰ ছাত্র-ছাত্রীসকলৰ গৰিষ্ঠ সংখ্যকৰেই বয়স যথেষ্ট আছিল।

মই এইখন কলেজত ১৯৬৫ চনৰ ১৪ জুলাই তাৰিখে প্রবক্তা হিচাপে যোগদান কৰো। যোগদান কৰাৰ মূল কাৰণ আছিল কলেজৰ অধ্যক্ষ আব্দুল হাই ছাৰৰ প্রতি থকা মোৰ অগাধ শ্রদ্ধা আৰু আস্থা। আন এক কাৰণ আছিল মোৰ খেলৰ প্রতি থকা প্রচণ্ড প্রীতি। মই সৰুৰে পৰা খেলা-ধূলাৰ প্রতি আকৃষ্ট আছিলোঁ আৰু নিজেও ছাত্রাৱস্থাত বিদ্যালয় আৰু কলেজ দলৰ ক্রিকেট, বেডমিন্টন আদি খেলৰ নিয়মীয়া খেলুৱৈ আছিলো আৰু এই দুয়োটা খেলতে জিলা দলকো প্রতিনিধিত্ব কৰিছিলো। আনহাতে সেই সময়ত মই অসম স্কুল দলকো সর্বভাৰতীয় স্তৰত প্রতিনিধিত্ব কৰিছিলোঁ। গুৱাহাটী বিশ্ববিদ্যালয়ৰ হৈ সর্বভাৰতীয় বিশ্ববিদ্যালয় ক্রিকেট প্রতিযোগিতাত আৰু অসম দলৰ হৈ ৰঞ্জী ট্রফী খেলত অংশ গ্রহণ কৰিছিলো। মই নগাঁও চৰকাৰী বালক বিদ্যালয় আৰু নগাঁও কলেজৰ ছাত্র আছিলো। নগাঁও কলেজৰ ১৯৫৯ চনত তৃতীয় বার্ষিক শ্রেণীৰ ছাত্র হৈ থাকোতে কলেজৰ ক্রীড়া বিভাগৰ সম্পাদক হিচাপে মোক বাছনি কৰা হৈছিল। হাই ছাৰ সেই সময়ত নগাঁও কলেজৰ ক্রীড়া বিভাগৰ তত্ত্বাবধায়কৰ দায়িত্বত আছিল। আনহাতে মই নগাঁও কলেজৰ ক্রিকেট দলটোৰ অধিনায়ক আছিলো। সেয়ে মই হাই ছাৰৰ যথেষ্ট সান্নিধ্যলৈ আহিবলৈ সুবিধা পাইছিলো। ছাৰে মোক খেলা-ধূলাৰ ক্ষেত্রত যথেষ্ট উৎসাহ দিছিল। মুঠতে সেই সময়তে হাই ছাৰৰ ব্যক্তিত্বই মোক মুগ্ধ কৰিছিল। হাই ছাৰে নগাঁও কলেজত অধ্যাপনা কৰি থকা অৱস্থাতে নৱ প্রতিষ্ঠিত এডিপি কলেজতো অংশকালীন প্রবক্তা হিচাপে কাম কৰিছিল। ১৯৬৫ চনত তেখেতে এডিপি কলেজত অধ্যক্ষ হিচাপে যোগদান কৰে।

মই ১৯৬৪ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ পৰীক্ষাত উত্তীর্ণ হলোঁ। তাৰ পিছত কেইবাখনো কলেজত আবেদন কৰিছিলো প্রবক্তা পদৰ বাবে। তাৰ ভিতৰত স্থানীয় দুখন কলেজো আছিল। দুয়োখনতে মই প্রথম মনোনয়ন পাইছিলো। হাই ছাৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ অধ্যক্ষ হোৱাৰ কাৰণে মই এডিপি কলেজত যোগদান কৰো। কাৰণ, মই নিশ্চিত আছিলো যে মোৰ বিভাগ অর্থাৎ ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক পুষ্পকান্ত বৰা আৰু কলেজৰ অধ্যক্ষ আব্দুল হাই ছাৰ— এই দুয়োগৰাকীৰ পৰাই মই মোৰ চাকৰি কালত খেলা-ধূলাৰ জগতখনৰ লগত সম্পৃক্ত হৈ থাকিবৰ বাবে যথেষ্ট উদগনি আৰু সুবিধা পাম। মোৰ সেই সিদ্ধান্ত যে কিমান সঠিক আৰু নির্ভুল আছিল তাক মোৰ পিছৰ কালছোৱাত মই মর্মে মর্মে উপলব্ধি কৰিছিলো। মই এডিপি কলেজত যোগদান কৰাৰ কাৰণে হয়তো মোৰ পিছৰ চাকৰি জীৱনটোত খেলা-ধূলাৰ লগত সংগঠক হিচাপে একনিষ্ঠভাৱে জড়িত হৈ থাকিব পাৰিলো। যাৰ বাবে মই মাথোন জিলা বা ৰাজ্যিক পর্যায়তে নহয়, ৰাষ্ট্রীয় পর্যায়ৰ এজন সফল ক্রীড়া সংগঠক হ'বলৈ সক্ষম হ'লো। আনহাতে মোৰ এই ধৰণৰ কথাত অসম চৰকাৰৰ শিক্ষা বিভাগ আৰু এডিপি কলেজৰ পৰিচালনা সমিতিৰ পৰা যথেষ্ট উদগনি পাইছিলো। কাৰণ, অসম চৰকাৰৰ শিক্ষা বিভাগে মই ১৯৭৯ চনত অসম ক্রিকেট সস্থাৰ সম্পাদক নির্বাচিত হোৱাৰ পিছত বিশেষ ছুটী মঞ্জুৰ কৰিছিল আৰু আমাৰ কলেজৰ পৰিচালনা সমিতিয়েও মই অসম ক্রিকেট সস্থাৰ সম্পাদক হিচাপে নির্বাচিত হোৱাত (১৯৭৯ চন) অভিনন্দন জনাই প্রস্তাৱ গ্রহণ কৰাৰ লগতে সংস্থাৰ কাম-কাজ চলাবৰ বাবে বিশেষ ছুটী মঞ্জুৰ কৰি প্রস্তাৱ গ্রহণ কৰিছিল। মোৰ দৃঢ় বিশ্বাস যে হাই ছাৰ আৰু পুষ্পকান্ত বৰাৰ দৰে দুগৰাকী অতিশয় ক্রীড়ানুৰাগী ব্যক্তি কলেজখনৰ দুটা গুৰুত্বপূর্ণ পদত থকাৰ বাবেহে এইটো হয়তো সম্ভৱ হৈছিল।

মই কলেজত যোগদান কৰাৰ সময়ত কলেজখনৰ ক্রীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপক আছিল পুষ্পকান্ত বৰা (ইৰাণদা)। তেখেত মোৰ বিভাগ অর্থাৎ ৰাজনীতি বিজ্ঞান বিভাগৰো মুৰব্বী অধ্যাপক আছিল। মই যোগাদন কৰাৰ প্রায় লগে লগেই তেখেতে অধ্যক্ষ হাই ছাৰক কৈ মোক ক্রীড়া বিভাগৰ তত্ত্বাৱধায়ক অধ্যাপকৰ দায়িত্বভাৰ গতাই দিয়ে। সেই বছৰতে নগাঁৱত পোন প্রথমবাৰৰ বাবে আমাৰ কলেজৰ ব্যৱস্থাপনাত আৰু নগাঁও ক্রীড়া সংস্থাৰ সহায় আৰু সহযোগত গুৱাহাটী বিশ্ববিদ্যালয় আন্তঃকলেজ ফুটবল প্রতিযোগিতাৰ আয়োজন কৰা হয়। সেই সময়ত গুৱাহাটী বিশ্বাবিদ্যালয়ৰ পৰিসীমা মণিপুৰ, নাগালেণ্ড, মিজোৰাম, মেঘালয়ৰ উপৰিও বর্তমানৰ ডিব্রুগড় বিশ্ববিদ্যালয় আৰু অসম বিশ্ববিদ্যালয়, শিলচৰৰ পৰিসীমাকে ধৰি এক বৃহৎ অঞ্চল সামৰি আছিল। স্বাভাৱিকতে সেইবাৰ বহু কলেজে উক্ত প্রতিযোগিতাত যোগদান কৰিছিল। আনহাতে সেই সময়ত ফুটবল খেল অত্যন্ত জনপ্রিয় আছিল। প্রায় প্রত্যেকখন কলেজৰে একোটা ফুটবল দল আছিল। আমাৰ কলেজৰ দৰে আর্থিক সমস্যাত এখন চালুকীয়া কলেজে সেই প্রতিযোগিতাখন অতি নিয়ৰ আয়োজন কৰাৰ কাৰণে গুৱাহাটী বিশ্ববিদ্যালয় ক্রীড়া পৰি ভূয়সী প্রশংসা কৰিছিল। সেইবাৰ কিন্তু আমাৰ কলেজৰ ফু দলটোৱে ভাল খেল প্রদর্শন কৰিব নোৱাৰিলে। তাৰ কাৰণ আ আমাৰ কলেজে কেৱল আমাৰ কলেজৰ ছাত্রকহে কলেজ অংশ গ্রহণ কৰিব দিছিল। আনহাতে বহুকেইখন কলেজে ব খেলুৱৈকো তেওঁলোকৰ কলেজৰ ছাত্র হিচাপে দেখুৱাই অংশ গ্রহণ কৰোৱাইছিল। ফলত সেই দলবোৰে কিছু ভাল প্রদর্শন কৰিবলৈ সক্ষম হৈছিল।

উল্লেখ্য, আমাৰ কলেজৰ তত্ত্বাৱধানত ১৯৬৯ ১৯৭৫ চনত নগাঁৱত দুবাৰকৈ গুৱাহাটী বিশ্ববিদ্যা আন্তঃকলেজ ক্রীড়া প্রতিযোগিতাও অনুষ্ঠিত কৰা হৈছিল। দুখন প্রতিযোগিতা আয়োজন কৰাৰ বাবে যি দুখন সাংগঠ সমিতি গঠন কৰা হৈছিল, সেই দুয়োখন সমিতিৰে মই সম্পৃ আছিলোঁ আৰু অতি সফলতাৰে দুয়োবাৰ প্রতিযোগিতা আয়ো কৰা হৈছিল। দুয়োবাৰেই প্রতিযোগিতা আয়োজনৰ বাবে যি খ হৈছিল, সেই সকলো খৰচ গুৱাহাটী বিশ্ববিদ্যালয় ক্রীড়া পৰি দিয়া যৎসামান্য ধন, আমাৰ কলেজৰ পৰা দিয়া সামান্য অনু খেলুৱৈ আৰু অংশ গ্রহণকাৰী কলেজসমূহৰপৰা লাভ ক যোগদানৰ ধনৰ পৰাই জোৰা মৰা হৈছিল। আন কাৰো পৰ কোনো সূত্রৰ পৰা কোনো ধন সংগ্রহ কৰা হোৱা নাছিল অ প্রতিযোগিতা শেষ হোৱাৰ এমাহৰ ভিতৰত সাংগঠনিক সমি সভাত খা-খৰচৰ অনুমোদন গ্রহণ কৰি বিশ্ববিদ্যালয় ক্রী পৰিষদৰ ওচৰত সকলো নথিপত্র জমা দিয়া হৈছিল।

১৯৭৫ চনত অনুষ্ঠিত ক্রীড়া প্রতিযোগিতাখনত আ কলেজৰ দলটো চেম্পিয়ন হ'বলৈ সক্ষম হৈছিল। সেই সময় মণিপুৰ, মেঘালয় আদি অঞ্চলৰ কলেজসমূহৰ অংশ গ্রহণে তীব্র প্রতিদ্বন্দ্বিতামূলক সেই প্রতিযোগিতাত আমি এই সম্ম অর্জন কৰিবলৈ এই কাৰণেই সক্ষম হৈছিলো যে আমাৰ কলে অধ্যক্ষ হাই ছাৰ নিজে এজন ভাল ফুটবল খেলুৱৈ আছিল অ খেলা-ধূলাৰ প্রতি প্রচণ্ড আগ্রহ প্রদর্শন কৰিছিল। সেইবাবে অধ্ হাই ছাৰে কলেজৰ এটা ভাল ফুটবল আৰু ক্রীড়া (এথেলেটিক্চ) গঠন কৰিবলৈ মোক পৰামর্শ আৰু উদ্ দিছিল। তাৰ পৰিপ্রেক্ষিতত মই অসমৰ বাহিৰৰো ভাল এথলি আমাৰ কলেজত নাম ভর্তি কৰাৰ ব্যৱস্থা কৰিছিলোঁ আৰু ত বাবে তেওঁলোকৰ অর্হতাও আছিল। এই ক্ষেত্রত হাই ছা সকলো প্রকাৰে সহায় কৰিছিল। এইদৰে আমি আমাৰ কলে এটা ভাল ফুটবল দলো গঠন কৰিছিলোঁ। ফলত আমি গুৱাহা বিশ্ববিদ্যালয়ৰ শ্রেষ্ঠ ফুটবল দল হ'বলৈ সক্ষম হৈছিলোঁ মণিপুৰৰ দি.এম. কলেজক হৰুৱাই। ১৯৭৫ চনৰ বছৰটো আমাৰ কলেজ এই প্রতিযোগিতাত প্রথমবাৰৰ বাবে চূড়ান্ত বিজ হৈছিল। সেইবাৰ দলটোৰ দায়িত্ব লৈ গৈছিল সেই সময়ত আম

কলেজৰ বুৰঞ্জী বিভাগৰ প্ৰবক্তা হিচাপে কামকৰা আৰু পিছলৈ অসম চৰকাৰৰ এজন শীৰ্ষ পৰ্যায়ৰ প্ৰশাসনিক বিষয়া হোৱা শ্ৰীমৃণাল কুমাৰ বৰুৱাই। ইয়াৰ পিছতো আমাৰ কলেজে গুৱাহাটী বিশ্ববিদ্যালয়ৰ ফুটবল, ক্ৰিকেট আদি প্ৰতিযোগিতাত ভালখেল প্ৰদৰ্শন কৰি চূড়ান্ত বিজয়ী বা ৰাণাৰ্চ আপ হ'বলৈ সক্ষম হৈছে। একেদৰে সেই সময়ত অনুষ্ঠিত কলেজ সপ্তাহৰ খেলা-ধূলা প্ৰতিযোগিতাত যথেষ্ট সংখ্যক ছাত্ৰ-ছাত্ৰীয়ে অংশ গ্ৰহণ কৰিছিল। অধ্যাপক-অধ্যাপিকাসকলৰ মাজতো বিভিন্ন খেলা-ধূলাৰ প্ৰতিযোগিতা অনুষ্ঠিত হৈছিল। এতিয়াও অৱশ্যে সেই ধাৰা অব্যাহত আছে।

কিন্তু এডিপি কলেজৰ খেলা-ধূলাৰ ক্ষেত্ৰত সকলোতকৈ উল্লেখযোগ্য কথাটো আছিল কলেজখনত সেই সময়ত বিৰাজমান আভ্যন্তৰীণ খেলা-ধূলাৰ পৰিৱেশটো। কলেজখনত আৰম্ভণিৰে পৰা ১৯৭৭ চনমানলৈকে মাথোন কলা শাখাটোহে আছিল। এই শাখাটোত থকা বিষয়কেইটাৰ প্ৰায় সকলো অধ্যাপক-অধ্যাপিকাৰ মাজত এক মধুৰ সম্পৰ্ক আছিল— সকলো এটা পৰিয়ালৰ সদস্যৰ দৰে আছিল আৰু পৰিয়ালটোৰ মুৰব্বী আছিল কলেজৰ অধ্যক্ষ আব্দুল হাই ছাৰ। এই প্ৰবন্ধটো লিখি থাকোতে মোৰ চকুৰ আগত ভাহি উঠিছে— সেই সময়ৰ সন্ধিয়াবোৰত আমাৰ কলেজৰ অধ্যাপক-অধ্যাপিকাৰ জিৰণি কোঠাটো, বিশেষকৈ লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ প্ৰথম মহলাত থাকোতে তাত বিদ্যমান খেলা-ধূলাৰ পৰিৱেশটোলৈ বা তাৰ সামগ্ৰিক পৰিৱেশটোলৈ। মই যেন দেখিবলৈ পাইছোঁ হাই ছাৰ আৰু অধ্যাপক মলয় বয়ে দবা, অধ্যাপক কুস্ৰেজী (শৰৎ মাধৱ কুস্ৰে) আৰু অধ্যাপক আয়ুব হাচমী চাহাবে চাইনিজ চেকাচ্, অধ্যাপক পুষ্পকান্ত বৰা আৰু অধ্যাপক এ.বি.এম. ছিদ্দিক বা আবু নচৰ ওৱাহিদে টেবুল টেনিচ খেলি থকা বা পুষ্পকান্ত বৰা আৰু ৰোহিত মহন্তই (কলেজৰ সেই সময়ৰ উচ্চবৰ্গৰ সহকাৰী) কেৱম খেলি থকা অথবা অধ্যাপক তুষাৰ কান্তি চৌধুৰী, অধ্যাপক বাণেশ্বৰ শইকীয়া, অধ্যাপক ধীৰেন্দ্ৰ কুমাৰ বৰদলৈ, অধ্যাপক শশীকান্ত বৰা আদিয়ে কমন ৰুমটোৰ টেবুলৰ একাষে বহি দেশৰ বিভিন্ন সমস্যা সম্পৰ্কে সেইদিনাৰ বাতৰি কাকতত প্ৰকাশ পোৱা বাতৰি সম্পৰ্কে সৰস আলোচনা কৰা।

তেতিয়া কলেজখনত থকা সেই ধৰণৰ পৰিৱেশ পিছলৈ মই চাকৰি কৰি থকা সময়ৰ পিছৰছোৱাৰ পৰাই প্ৰায় নোহোৱা হ'ল বুলি ক'ব পাৰি। বিশেষকৈ বিদেশী বহিষ্কাৰ আন্দোলনৰ সময়ৰ পৰাই কলেজখনৰ এই পৰিৱেশৰ যথেষ্ট অৱনতি ঘটে বুলি ক'লে নিশ্চয় অত্যুক্তি কৰা নহ'ব। আজিকালি অধ্যাপক-অধ্যাপিকাসকলৰ দা-দৰমহা আগৰদৰে হৈ থকা নাই। সকলো ক্ষেত্ৰতে তেওঁলোকৰ সা-সুবিধা বহু বৃদ্ধি পাইছে। একেই কথা আনন্দৰাম ঢেকিয়াল ফুকন কলেজতো হৈছে। এতিয়াও আগৰ দৰেই কলেজ সপ্তাহত খেলা-ধূলা হয়, এতিয়াও তাত অধ্যাপক-অধ্যাপিকাৰ জিৰণি কোঠা আছে। আগৰ সেই পৰিৱেশ যেন হেৰাই গৈছে, মোৰ এনে এটা অনুভৱ হয়। সেই অনুভৱ মোৰ চাকৰি কালৰ শেষৰ ফালে হৈছিল। মোক লগ পালে বৰ্তমানৰ দুই-এগৰাকী অধ্যাপকে আগৰ পৰিৱেশৰ কথা সোধে। তেওঁলোকে তাহানিৰ প্ৰাণৱন্ত সময়ছোৱাত কলেজখনিত কাম কৰাৰ সুবিধা নোপোৱাৰ বাবে আক্ষেপ প্ৰকাশ কৰে। এটা কথা ঠিক যে সেই সময়ত কলেজসমূহত বিৰাজমান পৰিৱেশবোৰৰ বৰ্তমানে পৰিৱৰ্তন হৈছে। সকলোতে পৰিৱৰ্তন আহিছে আৰু ই তেনেই স্বাবাৱিক। সেই পৰিৱৰ্তনৰ মাজেৰেই আমাৰ কলেজখন বিভিন্ন দিশত অগ্ৰসৰ হৈ আছে আৰু হৈ থাকিব লাগিব। পৰিৱৰ্তনৰ সেই গতি ইতিবাচক হৈ উঠক। এই শুভ কামনাৰে সামৰিছোঁ। ❑

'The battle of Waterloo was won on the playing fields of Eton'

– Duke of Wellington

ইতিহাসে গৰকা এডিপি কলেজ

উপেন্দ্র নাথ বৰা

ঐ দেৰি কৰিলি কিয়? 'হা বাবু, পানী খুব জোৰচে গিৰ পৰা। আভি থোৰা কাম হোৱা, তব্‌ভি ভিজ ভিজ্ কৰ লায়া, হমি না চোচা থা ইয়া আপতো কপড়াকি লিয়ে ভেজি থী।' বহুত আৰেৰ হুৱা? 'ঠিক আছে বিক্সাখন সেই ফালে ৰাখ আৰু হামাৰা সাথ আওঁ।' যেনে মালিক, তেনে চালক। লগতে আহিল ঘৰৰ বিক্সাৱালা বিশ্বেশ্বৰ মহতু।

হেৰৌ বিদ্যা, গোপাল কি কৰিছ? থানকেইটা তিতিছে। কাতিৰাম-গোবিনহঁতক লৈ গেটৰ কাপোৰখিনি লগা। গজাল এইয়া। তক্তা কেইছটামান লাগিব? মই ইয়াৰ সৈতে বঙালী স্কুলৰ পৰা লৈ আহোগৈ।

এদমকৈ জাপি থোৱা বঙালী হাইস্কুলৰ ব্যৱহৃত তক্তাৰ এচটা টান মাৰোঁতেই বিশ্বেশ্বৰে চিঞৰি উঠিল 'দেখ দেখ বাবু, এ ক্যা হোৱা। আপতো ওপৰমে যানেকা কাম ঠিক নহী কিয়া। কামিজভি টুটি খুনভি নিকলা ইয়েতো নেহী হোনা চাহীয়ে।

'ঠিক আছে ইলাজ হোগা পিছে, লে তুম দো আওৰ। মই ভী দুখু লে লিয়া।'

কাঠ আহিল, গেট আৰম্ভ হ'ল। বৰষুণ বুলি ৰ'লে নহ'ব, সকলো অনা হ'ল। হেৰৌ বিদ্যা, আমাৰ সেই দস্তালি মৰা মিঃ অনেশ্বৰ-আনন্দ ক'লৈ গ'ল? সিহঁতকো মাত, সকলোবোৰ লেঠা শেষ কৰ। নেৰাখিবি।

সৌৱা গোস্বামীদেৱ (শ্রীযুক্ত কুশদেৱ গোস্বামী, এডভোকেট) আহিলেই, জজ চাহাবো (শ্রীযুক্ত বিশ্বদেৱ শর্মা) আহেহে লাগে।

ঠিক এনেদৰে আৰম্ভ হ'ল পৰৱর্তীকালৰ এখন ঐতিহ্য মণ্ডিত কলেজৰ প্রথম সূচনাৰে পবিত্র দিৱসটোৰ এটা অনাড়ম্বৰ প্রস্তুতি— য'ত আমি বা অন্যান্য সচেতন নাগৰিক কিয় আনকি সুদূৰৰ পৰা অহা বিক্সাৱালাকেইটা ঠিক একে ধৰণৰে সচেতন বা কম পৰিমাণে হ'লেও আন্তৰিকতাৰে দায়বদ্ধ।

আৰম্ভণিৰ সকলো যোগাৰ হ'ল। ইং সাত ছেপ্টেম্বৰ (২১ ভাদ) বগা থান কাপোৰৰ গেট, বহুলোকৰ প্রৱেশ ঘটিল।

শুভ্র-জ্যোৎস্না পুলকিত যামিনীম্ হোৱাৰ দৰে পিঠিৰ ওপৰেদি গজাল সোমাই ফলা শুভ্র চোলাৰ ৰক্তৰ জ্যোৎস্না প্রতিফলন হ'ল যদিও তালৈ পাহৰিলোঁ। যামিনীৰ দৰেই পুলকিত হ'লোঁ। অভ্যাগতসকলৰ অভ্যর্থনাৰ যা-যোগাৰ কৰাত ব্যস্ত হ'লোঁ। সোমবাৰ। পাঁচ বাজি গ'ল। বতৰে বৰষুণ দিয়াই নহয় গাজনি মাৰিছে। এন্ধাৰো সোনকালে আগুৱাইছে, ওচৰতে থকা শ্রীহৰি কলিতা দোকানীয়ে তেওঁৰ দোকানৰ মেথে লাইটটো দিয়াত এন্ধাৰ আঁতৰিল। শ্রীপদ্ম বৰায়ো কেইডালমান মম আনি জ্বলাই দিলে। বিভিন্ন কামত বন্ধুসব লাগি গ'ল। সভাৰ কাম সুকলমেই পাৰ হ'ল।

স্কুলীয়া জীৱনৰ দেওনা পাৰ হোৱাৰ পিছৰ পৰাই কলেজ শব্দই মোৰ দৰে বহুতকেই আশান্বিত কৰিছিল। আমিও সেই সাঁচি থোৱা ঈর্ষাৰ হাৱণ পূৰাবলৈ আজি ইং ৭/৯/৫৯ তাৰিখে নগাঁও জিলাৰ চেচন জজ মহোদয়ৰ সভাপতিত্বত হোৱা উদ্বোধনী দিৱসত একত্রিত আৰু প্রতিজ্ঞাৱদ্ধ হ'লোঁ। কলেজ হ'বই আমি পঢ়িমেই আৰু গঢ়িমেই।

নগাঁও ডচন হাইস্কুল আছিল বর্তমান নগাঁও কলেজৰো জন্মস্থান। তাহানি নগাঁও কলেজক 'মেটোৰপট্টি কলেজ' বুলিহে নগাঁৱত এখন কলেজ থকাৰ কথা সদৰি হৈছিল। এই কলেজত নৈশ ভাগত কলা শাখা নাছিল; পাছলৈ যদিও বাণিজ্য শাখা প্ৰৱৰ্তন হ'ল। ৰাতিৰ ভাগত ক'লা বিভাগৰ শিক্ষা চহৰৰ একমাত্ৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজে পাতনি মেলে এইখন স্কুলতে। যদিও প্ৰথমছোৱাত এই কলেজক নগাঁও নৈশ কলেজ বুলি কোৱা হৈছিল, ১৯৫৯ চনত অসম সাহিত্য সভাৰ অধিবেশন নগাঁৱত অনুষ্ঠিত হোৱাৰ কিছুদিন আগতেই এই নৈশ কলেজৰ নামকৰণ 'আনন্দৰাম ঢেকিয়াল ফুকন' কলেজ হ'বৰ কাৰণে স্থিৰ কৰা হয় আৰু সাহিত্য সভাতেই উক্ত নামকৰণৰ সার্থকতা লাভ কৰে। চমুকৈ নাম হ'ল এডিপি (A.D.P.)। এই প্ৰসঙ্গত বহুলোকে A আদহীয়া D ডেকাই P পঢ়া কলেজ বুলি বিদ্ৰূপ মন্তব্য কৰিছিল। এনে মন্তব্যই আমাক আদহীয়া ভাবৰ পৰা ল'ৰালি ভাবলৈহে আনিছিল। আমাৰ উদ্যম, পঢ়াৰ ধাউতি আৰু কলেজৰ সর্বাঙ্গীণ উন্নতিয়েই আছিল আমাৰ প্ৰতিজনৰ মানসিক একাগ্ৰতা।

আউনিআটি, বহা, মাজত নগাঁও। জীয়েকে দিব মেট্ৰিক, পিতাকৰ বিকৃতি A.D.P. 'দাদা, আজি কিছু দেৰি হ'ল।' উত্তৰ 'চাইকেলৰ পাম কমাত বেছি স্পিদ দিব পৰা নাই এতিয়া চৈধ্য মাইল আহিলোঁ, আকৌ দহ মাইল যাবই লাগিব। কলেজ ছুটীৰ পাছত দোকান পাওঁনে নাপাওঁ' যন্ত্ৰৰ দৰে পৰিচালিত সেইজন সাংসাৰিকৰ কলেজৰ ধাউতি। যন্ত্ৰৰ দৰে পৰিচালিত দাদাৰ কলেজ পাছ কৰাৰ পৰিণাম ঘৰত খকা-খুন্দা। বাপেকে মিঠাই খুৱাবনে এতিয়া জীয়েকে মিঠাই খুৱাব? সমাধান ক'ত? সমাধানৰ মাধ্যম দাদাৰ সেই ৰেলি চাইকেলখন। শ্ৰীহৰকান্ত গায়ন বয়সীয়া ছাত্ৰৰ মাজত একেবাৰে আগশাৰীৰ। তেখেতৰ দৈনন্দিন আঠচল্লিশ মাইল বাটত চকৰি ঘূৰোৱা আৰু কলেজত শিক্ষাৰে জিৰণি লোৱাৰ কার্যই বাকী সকলোকে যথেষ্ট প্ৰেৰণা দিছিল।

আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ প্ৰথম তদর্থ (Ad-hoc) সমিতিৰ সভাপতি লোকসেৱক স্বর্গীয় হলধৰ ভূঞাদেৱ আছিল। সেই সময়ত বাবত নেথাকিলেও প্ৰাক্তন এম.এল.এ. চামচুল হুদাই মোৰ আৰু বন্ধুসকলৰ কলেজ গঢ়া ক্ষেত্ৰত সহায় আৰু অৰিহণা যোগাইছিল। যুটীয়া সম্পাদক শ্ৰীকুশদেৱ গোস্বামী আৰু শ্ৰীএম. আতাউৰ ৰহমান (উভয়েই এডভোকেট) উভয়েই কলেজখনৰ আৰম্ভণিত সর্বতোভাৱে সহযোগ কৰিছিল।

টকলা বাকৰিত ঘাঁহ গজোৱাৰ প্ৰচেষ্টাৰে আমাৰ ছাত্ৰ সকলৰ তৰফৰ পৰাই কলেজৰ হিচাপ-পত্ৰ, নাম-ভর্তিকৰণ আদি কামবোৰ চলাবৰ কাৰণে একো একো জনক পাল পাতি কেৰাণীগিৰি কৰিবলৈ দিয়া হৈছিল, তৎ অধিক পিয়নগিৰিও আমাৰ মাজতেই আছিল।

নগাঁও কলেজৰ আঠ ন জন মান অধ্যাপকে যৎসামান্য জলপানিৰে শিক্ষাৰ পৰিৱেশ এনেদৰে গঢ়িলে যে সেই কথা মই আজিও অনুভৱ কৰোঁ। তেখেত সকলৰ শিক্ষাদানৰ বিনিময়তেই কলেজখনিৰো টকলা বাকৰিত ঘাঁহ গজা জীপ সঞ্চাৰ হ'ল।

০ ০ ০

দিন পাৰ হ'ল হয়, আকৌ লেঠা... ... ...

'কলেজ বুলিলেই কলেজ এখন হয়? তোমালোকে কি ভাবিছা? বুইচা বোপা, নাছোৰগতি হ'ব লাগিব তেতিয়াহে।' কথাষাৰ কৈ অধ্যক্ষ মহোদয়ে মোলৈ বৰ সকৰুণভাৱে চালে। মই পলমকৈ সুধিলো, কি হ'ল ছাৰ, কিবা ঘটনা হ'লনেকি?

'বাজপেয়ী প্ৰফেচৰৰ ঘৈণীয়েকৰ অসুখ! হয় টকা লাগে, নহয় বাজপেয়ী নিজে যাবগৈ লাগে। টেলিগ্ৰাম আহিছে কি কৰা?'

'ফাণ্ডত মুঠতে ১৪৭ টকাহে আছে, দিলে লেঠাই মৰিব।'

'নহয় ছাৰ, বাজপেয়ীয়ে Course শেষ কৰা নাই, পৰীক্ষাও ওচৰ চাপিছে; গলে সর্বনাশ।' 'অ' টকা T.M.O. কৰিব পাৰিলে মই পাছত যাবলৈ মনাব পাৰিম।'

হ'ব ছাৰ! অতি সংগোপনে ৰাতিয়েই নিজৰ ৰবীয়াকৈ সমাধা কৰিলোঁ। তিনিখিলা T.M.O. ৰ খৰচ সুকীয়া। আজিও সংগোপনেই ৰ'ল যদিও অধ্যক্ষদেৱে ফাণ্ডলৈ বাট চাইছিল।

যাহওক লেঠা মিট্‌মাট্ হল। Julius Caesar ড্ৰামাও অন্ত পৰিল। এইজনা অধ্যাপকে ঘৰুৱা বিপদৰ প্ৰতি আওকাণ কৰিও কলেজৰ প্ৰতি দর্শোৱা আর্হি স্মৰণীয়।

কাক ক'ম কোনে পতিয়াব? মোৰ গাত চেঙা তেল পৰাৰ দৰে প্ৰায়েই উফৰি ফুৰিব লগা হয়। সময় নাই, লাইটৰ মেণ্ঠেলহে চিগিল, তেলহে নাই, বতাহত তিৰ্পালখনহে এৰাই গ'ল, বান্ধিবলৈ ৰছী নাই— কিমান শুনিম। গেলাতে টেঙা দিয়া কেইজনমানো নথকা নহয় - ভেকাহি মাৰে। 'ইউনিয়ন চেক্ৰেটেৰী- পাচোন, মজাপালি পা।' পালোঁ অৱশ্যেই, জোলোকা জোলকে ভুগিলোও। সৰস্বতী পূজা কলেজ উদ্বোধনীৰ চাৰি মাহৰ পাছতেই। বন্ধুবর্গই চান্দা গোটাই দিলে। প্ৰতিমাখনলৈকো সেই ধনে নুজুৰিলে। খোৱাই খালে, আনন্দ কৰাই আনন্দ কৰিলে হয়—মোৰ ভাগত সেই জোলোকা কম নপৰিছিল। লক্ষ্মীপূজা কৰাহে ভাল আছিলনেকি? কাৰণ আজিৰ দিনত ভেকাহি মৰা শুনোঁ— ইউনিয়ন চেক্ৰেটেৰী বাঃ 'খা-যিমান পাৰ, সিমান খা'।

০ ০ ০

আনন্দৰাম ঢেকিয়াল ফুকন কলেজক কলেজ বুলি কোৱাতকৈ এখন আশ্ৰম বুলি কোৱাৰো থল আছিল। গুৰু আৰু শিষ্যৰ প্ৰীতিভাব এনে প্ৰকট আৰু অভিন্ন সি বর্ণনাতীত। পূজা-পার্বণ, তিথিসমূহ, ফাতেহা-ই-দোৱাজ-দাহম আৰু আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতি দিৱস আদি পালনৰ কোনো ব্যতিক্ৰম নহৈছিল। সাংস্কৃতিক দিশত আর্হিমূলকভাৱে ছাত্ৰ সমাজে ভাওনা কৰিও কলেজৰ মানদণ্ড আগু�ৱাবলৈ সক্ষম হৈছিল।

'দেশ তৰিলে তৰিবা, দেশ মৰিলে মৰিবা'

১৯৬০ চনৰ ১৬ জুন তাৰিখে অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত 'আনন্দৰাম ঢেকিয়াল ফুকন'ৰ স্মৃতি দিৱস পালন কৰা হয়। ২২ জুনৰ দিনা অধ্যক্ষ মহোদয়ে কলে, 'খবৰ কাগজ পঢ়িছানে?' 'হয় ছাৰ এই কেইদিন বিশেষভাৱে নাজানোঁ।' উত্তৰ দিলো। থোৰতে

তেখেতে ক'লে, 'চৰকাৰৰ মাহী আইৰ মৰম বিচাৰিলে পাবা।'

কথাষাৰ উপলব্ধি কৰিবলৈ মোৰ কিছু সময় লাগিল যদিও বেছি পলম নহ'ল। ইতিমধ্যে অসমত গঢ়ি উঠা ৰাজ্যিক ভাষা আন্দোলনে চূড়ান্ত অৱস্থালৈ আহিছে— অসমৰ প্ৰায়বোৰ কলেজে মাৰ বান্ধিছে— আমিনো কিয় হুহকিম? এনে ভাবৰেই সমূহ ছাত্ৰৰ অনুমতি আৰু সহানুভূতিৰে সচেতন হলোঁ। অসমৰ সেই সময়ৰ দহখন স্বীকৃতিপ্ৰাপ্ত কলেজৰ লগতে আনন্দৰাম ঢেকিয়াল ফুকন কলেজেও যোগদান কৰিবলৈ সক্ষম হ'ল। A.A.I.C.S.U. (All Assam Inter College Students Union) ৰ সম্পাদকৰ লগত আন দহজন সম্পাদকে প্ৰধানমন্ত্ৰী জৱাহৰলাল নেহৰুলৈ উক্ত আন্দোলনৰ ৰাবদ 'ভাষা জননী'ৰ স্বীকৃতি দিবলৈ দাবী জনালোঁ। প্ৰসঙ্গতে জনাই থওঁ যে সেই চনত ২৩ মে তাৰিখে অসমৰ ৰাজধানী চিলং নগৰত কিছুমান ভগনীয়া বঙালী লোকে "Assamese is a donkey language" বুলি দিয়া শ্লগানৰ আৰু তেনেকুৱা Play Card বাহিৰ কৰাৰ বিৰুদ্ধাচৰণ কৰা, প্ৰতিবাদ দিৱস পতা আৰু উচিত দণ্ডৰ বাবে প্ৰধানমন্ত্ৰীলৈ জনোৱা কাৰ্যত আমাৰ কলেজহে অগ্ৰজ হৈছিল, যদিওবা আন কলেজসমূহো একগোট হৈছিল। 'আনন্দৰাম ঢেকিয়াল ফুকন'ৰ স্মৃতি জীয়াই ৰখাৰ ইও এক পন্থা। কৰ্তব্যৰ জৰিয়তে কলেজলৈ অনা সুনামেহে আমাক পোহৰাই তুলিব। এই বিশ্বাসতেই কলেজক সাঙুৰি ল'লোঁ মহৎ উদ্দেশ্যৰে।

অসম মন্ত্ৰী সভাৰ মুখ্যমন্ত্ৰী স্বৰ্গীয় বিমলাপ্ৰসাদ চলিহা। শিক্ষামন্ত্ৰী শ্ৰীদেৱকান্ত বৰুৱাদেৱ। ১৯৬০ চনৰ ৪ জুলাইত ভাষা আন্দোলনৰ প্ৰথম চৰকাৰী বলি হ'ল— কটন কলেজ হোষ্টেলৰ ৰঞ্জিৎ বৰপূজাৰী, দুৰ্বৃত্তৰ হাতত শিলিগুৰিত সূর্য বৰা, নগাঁৱত নিশ্বাস পেলালে ডচন হাইস্কুলৰ ছাত্ৰ মফিজুদ্দিন আহমদে।

কোন শুই থাকিব পাৰে? জাগৰণ হ'ল ছাত্ৰৰ-ৰাইজৰ। বহু অঘটন ঘটিল। লগতে প্ৰকৃতিয়েও বিপদ মাতিলে কেউফালে। বানপানী। নিজৰ হুল নিজেই কাঢ়িব লাগিব। ক্ষতিগ্ৰস্ত ৰাইজৰ প্ৰতি সৰ্বতোভাৱে ছাত্ৰ সমাজেও খাটিলে। আমিও ছাত্ৰ আৰু সমাজৰে এজনহে।

পিছে বিপদে পাছ নেৰাৰ দৰে মই জিৰণি লৈ বাট চাই ডেৰ বছৰৰ পাছলৈ ৰওঁতেই সেই সময়তে বাৰে-বাংকৰা কথা কোৱা লোকবোৰ খেদা খাই আতঙ্কিত হৈ বেছিভাগেই নগাঁও পালেহি— না বুজো ভাষা, না বুজো ভাব— ওকোটা-ওকোটা গোন্ধ সিহঁতৰ শৰীৰৰ। যাহওক 'চীনা আক্ৰমণ'ৰ শৰণাগতাঃ যেতিয়া পালকস্য হি নিবৃতিঃ অতএব।

০ ০ ০

চৰকাৰৰ তৰফৰপৰা আহাৰ-পাতি ভগনীয়া লোকসকললৈ যোগান ধৰাহে হ'ল— সকলো ধৰণৰ শুশ্ৰূষা ছাত্ৰ সমাজেই কৰিলে। চহৰৰ মজিয়াত থকা আটাই কেউখন কলেজ-স্কুলৰ পৰা স্বেচ্ছাসেৱক-বাহিনী গঠন হ'ল। গঢ়ি উঠিল 'সদৌ অসম চীনা আক্ৰমণ প্ৰতিৰোধ' সমিতি। স্কুল-কলেজসমূহত শিবিৰ পাতি ফিতাহি মাৰি খাই পাছত গ'লগৈ। আমিও স্বস্তি অনুভৱ কৰি

১৯৬২ চন পাৰ হোৱাৰ লগে লগে কলেজৰ নৱাগতসৱ দায়িত্ব অৰ্পণ কৰাৰ সুযোগ পালো— কিন্তু এই সুযোগে নুশুজিলে। ছাত্ৰসমাজত ৰাজনীতিৰ বীজ, অৰিয়াঅৰি, ইখন কৰে আনখন কলেজক ভাল নোপোৱা আদি দেখি শুনি কেইবাজ শিক্ষাবিদ, অধ্যক্ষ মহোদয় আৰু সেই সময়ৰ দুই এজন মে ছাত্ৰৰ লগত আলচ কৰিলোঁ।

জিলাখনৰ বিভিন্ন স্কুলসমূহৰ প্ৰতিনিধি আমন্ত্ৰণ কৰা হ কলেজ চাৰিওখনৰ সৱহ সংখ্যক ছাত্ৰই যোগ দিলে। ১৯৬৩ ২৭ জানুৱাৰি তাৰিখে ছাত্ৰসকলৰ সাধাৰণ সভা বহিল। ৰচিত খচৰা সংবিধান গৃহীত হ'ল। বিলুপ্তিৰ গৰ্ভৰ পৰা মুক্ত হ'ল ন জিলাত নৱগঠিত 'নগাঁও জিলা ছাত্ৰ পৰিষদ' "Nowgong D trict Students' Union"। আটায়ে সংকল্প ল'লে ছাত্ৰসমা সুপথে পৰিচালিত কৰাৰ আৰু এখন জিলা ছাত্ৰ পৰিষদৰ অধিবে পতাৰ।

এই ক্ষেত্ৰত ঢেকিয়াল ফুকন কলেজৰ ভালেমান ছ ভিতৰত সৰ্বশ্ৰী ললিত হাজৰিকা, নেত্ৰ বৰা, হেম ৰাজখোৱা, ল শৰ্মা, হৰেণ দাধৰা, আনন্দ বৰা, পদ্ম বৰা, অনন্ত সভাপণ্ডিত, ৰ শৰ্মা, গোপী কাকতি, তক্ষেশ্বৰ বৰা, পুলিন বৰকটকী, নগেন কট কুমুদ দাস, ক্ষীৰ বৰা, অনেশ্বৰ শইকীয়া, হৰ গায়ন, শৰৎ বৰ আৰু ৰোহিনী বৰা; নগাঁও কলেজৰ সৰ্বশ্ৰী ভদ্ৰ বৰা, শ্ৰীমতী পঙ্ শইকীয়া, ইভা গোহাঁই, খুৰচিদ আৰা বেগম, ক্ষীৰ বৰা, ক্ষেম ৰ জ্ঞান বৰুৱা, অনিল গোস্বামী, দৰ্প গগৈ, স্বপন গুপ্ত, থাকুৰল মোডি, পলিটেকনিকৰ সৰ্বশ্ৰী সোভন চন্দ্ৰ দেৱনাথ, জীৱন শইকী ৰবীন গায়ন, বিষ্ণুপ্ৰসাদ চক্ৰৱৰ্তী আদিৰ উপৰিও লালচান্দ টে কলেজৰ শ্ৰীমতী হেমলতা দেৱী, প্ৰতিমা বৰা, উপমা বৰা, মৃণাল শইকীয়া, মৃদুলা শৰ্মা, নিলিমা দাস, মীনা শৰ্মা, মনু ৰজক অ নীতি ৰৱদলৈৰ একাণপতীয়া পৰিশ্ৰম আৰু ত্যাগ লেখ ল'বলগীয়া।

উঠি অহা ভাতৃবৎ নুমলীয়া— নগাঁও চৰকাৰী হাইস্কুল ছাত্ৰ সৰ্বশ্ৰী ৰবীনচন্দ্ৰ ডেকা, অতুল বৰা, শিৱ কলিতা, প্ৰদীপ চ অধিকাৰী, বিমল দাস আদি কেইবাজনো, হয়ৰৱগাঁও হাইস্কুল তেতিয়াৰ ছাত্ৰ পৱন বৰা, প্ৰভাত শইকীয়া, ৰবীন মুদৈ, কমল ৰ ডচন হাইস্কুলৰ সৰ্বশ্ৰী আনন্দমোহন বৰা, গুণেশ্বৰ বৰা, লক্ষ্মীপ্ৰস দত্ত, লয়ৰাম বৰাৰ উপৰিও দহ মাইল দুৱৰ জুৰীয়া হাইস্কুলৰ সৰ্ব দেৱকান্ত নাথ, পুষ্পকান্ত হাজৰিকা, লুটফুৰ ৰহমান, হেমকান্ত বৰু প্ৰণতি কটকী, তিলু বৰা, চম্পা ভূঞা আদিৰ অক্লান্ত শ্ৰমদানে সে সময়ৰ ছাত্ৰ সমাজৰ ঐক্যৰ দোল কটকটীয়া কৰি তুলিছিল।

কিবা এটা সোধপোচ কৰিম বুলি অধ্যক্ষ মহোদয়ৰ ঘৰলৈ গলোঁ। চাইকেলখন থৈ দুৱাৰমুখত থিয় হৈছোঁহে 'বপাই দুখ নিকা অপাৰ, গাটোও ভাল নহয়, এগোহালি গৰু, গাখীৰ খাওঁ, গুৱাল পানী' 'ভুঞ্জিবই লাগিব'— 'কোৱাচোন বাৰিষানো এইখন কি পাতি বিচাৰিছা?' মহোদয়ে সুধিলে। ময়ো থিতাতে ক'লো, 'মুখ্যমন্ত্ৰী

শিক্ষামন্ত্রী আৰু দুই এজনক অনাৰ কথা ভাবিছোঁ— পিছে আপোনাৰ সেই কথাটোৰ কিবা সম্ভেদ পা...' আধাখিনি কথা থাকোঁতেই হোঃ বুলি কৈ খণ্ডৰ ভমকত দপদপাই ভিতৰলৈ সোমাই গ'ল— ভিতৰত ঘটংকৈ শব্দ কৰিলে। ময়ো ভয় খালোঁ কিবা অঘটন ঘটিছে বুলি। থিয় দি থকা অৱস্থাতে মই নিজক সংযত কৰিবলৈ বেৰৰ ছবি কেইখনলৈ চকু বাখিলোঁ।

'হেৰা বোপাই— এইখন চোৱা' বুলি কৈ এটা খামুচিয়া বাহৰ প্ৰায় ১৬ ইঞ্চিমান দীঘল চুঙাৰ ভিতৰৰ পৰা খপ খুলি নিজৰ চার্টিফিকেটখন উলিয়াই দিলে। ময়ো ভয়ে ভয়ে চকু ফুৰালো, বিশেষকৈ কেউকাষে দিয়া ফুলাম বর্ডাৰ (Boarder) টোতহে চকু ফুৰালো। গৰজি উঠিল— 'মোৰ চার্টিফিকেট বিচাৰে? চার্টিফিকেট বিচাৰিবৰ সিহঁতৰ অধিকাৰ ক'ত?' বুইছা 'মন্ত্রীবোৰ এৰা, Vice-chancellor অক অনাৰ ব্যৱস্থা কৰা। নিজে যোৱা। "He is the fit person, man of Education"। হ'ব চাৰ! উভতি চাইকেলখনত জাপ দিলো। নিজকে পাতল যেন লাগিল। আশ্বস্ত হ'লো।

'কলেও আয়ে কিল খায় - নকলেও বোপায়ে চুৰাতে খায়।' সমস্যা আওপকীয়া। এহাতে উৎকট গৰম, আনহাতে বানপানীয়ে আজি বোলে বোকাখাত, কালি বোলে ধৰমতুলত ৰাস্তা চিঙো চিঙো। চিন্তা কৰি ঠিক কৰিলো যদি অহাৰ সিদ্ধান্ত হয় তেন্তে ৰাস্তা চিঙিলেও আনিমেই। এই বুলি আকৌ ভাবিলো 'নিজে যোৱা' কথাষাৰ। বন্ধু বোহিনী বৰা প্ৰমুখ্যে কেইবাজনৰে সৈতে জালুকবাৰী পালোগৈ। বাটে বাটে আমি আলচিলো— মন্ত্রীসকল অহাটো final. বাকী সকলো মিছা হ'ব যদিহে Vice-chancellor ক অহাটো কৰিব নোৱাৰো। পেটে পেটে ভগৱানৰ নামো নোলোৱাকৈ থকা নাছিলো 'যেন অহাটো হওক।'

উপাচার্যৰ বাসভৱনত আমি হাজিৰ। প্ৰহৰীৰ পৰা জানিব পাৰিলো উপাচার্য মহোদয় বাহিৰলৈ গৈছে, অলপ পাছত আহিব। আমি কেইজনে আলচ কৰিলো, 'এই সোণালী সুযোগ' বে'ল (Bell) টিপি দিলো। ওখ গৌৰ বর্ণৰ বিলাতী চেহেৰাৰ মানুহগৰাকীয়ে দু�ৱাৰখন খুলি আমাৰ ফালে চালে। আমি বুজি উঠিলো তেখেতেই উপাচার্যৰ সহধর্মিণী। প্ৰশ্ন কৰিলে, 'ক'ৰ পৰা আহিছে?' 'গুড্ মর্ণিং মেডাম, উই আৰ ফ্ৰম নগাঁও।' থেংকিউ, চিট ডাউন প্লিজ'। আমি গৰম অনুভৱ কৰা বুজি পাই মেডামে কলে, 'ইউ লাইক চর্বত?' 'ইয়েচ মেডাম।' নিজ হাতেৰেই চৰবত তৈয়াৰ কৰি আনি প্ৰতিজনকে একো একো গিলাচকৈ দিলে। ওচৰতে থকা চকী এখনত বহি কলে, 'হি উইল টার্ন আপ চুন, এনি থিং মে...।'

ঘপহকৈ মগজুত খেলালে আইক ধৰিলেহে বোপায়ে বল দিব। তুৰন্তে কৈ দিলো 'উই হ্যাভ্ কাম্ টু ইনভাইট ইউ।' 'হোৱাট ফৰ।' "হয় মেডাম, আমি ষ্টুডেন্ট এচ্চিয়েচনৰ 'কন্‌ফাৰেন্স' পাতিছো। আপুনি আৰু ভাইচ চেঞ্চেলৰ চাহাবক চীফ গেষ্ট কৰি বাখিছো। যাব লাগিব।" (আমি ইজনে সিজনে চকুৰে চকুৰে কথা পাতি বুজিলো যে এই সোণালী সুযোগতেই আমাৰ কাম হাছিল কৰিব লাগিব।) ইউ হেভ্ নট্ চিন্ নগাঁও চ'ফাৰ আই থিঙ্ক! 'ন', হাওমেনি ডিচটেন্স? উত্তৰ— চেভেন্টিফাইভ মাইলচ্। আপুনি আৰু চাহাব যাব লাগিব বুলি কোৱাত মূৰ দুপিয়ালে। ময়ো ইতস্ততঃ নকৰি ক'লো— ইফ্ ইউ ডু নট মাইণ্ড উই উইল্ এৰেঞ্জ ইউৰ গয়িং। তেখেতে সুধিলে 'এতিয়া ফ্লাড আছে, কমিউনিকেচন কাট অফ্ আছে; কাৰটো (car) কি ৰকম পাচ (pass) হ'ব।' আমিও কম নহয়। লগে লগেই ক'লো ৰাস্তা বন্ধ থাকিলেও নাও ঠিক বাখিছো। 'নাও'। হয় মেডাম, নাও মানে ব'ট (Boat) এৰেঞ্জ কৰিম। ইয়েছ ভেৰি প্লেজাৰ জার্ণি বুলি কৈ বৰ আনন্দিত হোৱা যেন লাগিছিল। ঘড়ীটো চাই তেখেতে ক'লে 'থাকিব'। দুৱাৰমুখলৈ উঠি গৈ আমাৰ পিনে ঘূৰি চাই জনালে 'হি ইজ কামিং'। উপাচার্য মহোদয়ে ভিতৰ সোমাই ওচৰৰে এখন চকীত বহিল। আমিও গুড মর্ণিং দিয়া কাম ইতিমধ্যে সমাপ্ত কৰি ল'লো।

উপাচার্য মহোদয়ে তেখেতৰ সহধর্মিণীৰ লগত নিজা ঠাঁচত কথা পাতিলে। লগে লগে ভিতৰলৈ ডঃ টেইলৰ (উপাচার্য) সোমাই হাতত ডায়েৰী এখন লৈ আহি সুধিলে ডেইট? ক'লো টু (two) দেইজ প্ৰগ্ৰেইম। আপুনি টুৰেন্টিফর্থত যাব লাগিব, লগতে মেডাম। তেখেতে ডায়েৰীত লিখি লৈ সুধিলে ইউ ন (know) ফ্লাড পজিচন, কোনো কথা নাই আমি ফ্লাডত গাড়ী নগ'লে ব'ট (boat) দি নিম। উত্তৰ দিলে— 'ফাইন যাব'। এই বুলি কোৱাৰ লগে লগে শ্ৰীমতী টেইলৰৰ মুখত মিচিকিয়া হাঁহি বিৰিঙিলে। (সম্ভৱতঃ আমি নাৱত তুলিম বুলি কোৱা আৰু তেনে যাত্রা আনন্দকৰ হ'ব বুলি উৎফুল্ল হৈছিল আৰু উপাচার্যই নির্বিবাদে তেখেতৰ লগত মত দিয়াৰ কাৰণ হ'ব পাৰে।)

আমিও পুনৰ 'ফিক্স ডেইট'ত এচকর্ট কৰিমহি বুলি কৈ গুডবাই জনালোঁ। আমি কেইজনে কিন্তু ইজনে সিজনক গুডবাই দিব নোৱাৰাত পৰিলো, কিয়নো কেইজনমানে জালুকবাৰী এৰি গুৱাহাটী পোৱাৰ লগে লগে খকৰ ভমকত পকেটবোৰক গুডবাই দি পেলালে। ময়ো এৰি অহা বিধৰ নহয়, কেইজনকে লৈ কৈছিলো গুৱাহাটী গুডবাই।

০ ০ ০

১৯৬৩ চন ইং ২৪ জুন মুকলি অধিবেশনত পৌৰোহিত্য কৰিলে শিক্ষামন্ত্রী শ্ৰীদেৱকান্ত বৰুৱাদেৱে। সাংস্কৃতিক সমাৰোহ উদ্বোধন কৰিলে বিত্তমন্ত্রী শ্ৰীকামাখ্যাপ্রসাদ ত্রিপাঠীদেৱে আৰু বিশিষ্ট অতিথিৰ আসনত উপাচার্য ডঃ জন হেৰল্ড টেইলৰ আৰু তেখেতৰ সহধর্মিণী মেঃ হেৰল্ড টেইলৰ। উভতি যাবৰ বিদায় সম্ভাষণত শ্ৰীমতী টেইলৰক নগাঁৱলৈ আনোতে নাৱত অহা আনন্দৰ কথা শলাগিলে। আমিও তেখেতৰ হাবিয়াস পূৰণ কৰিব পাৰি ধন্য হ'লো।

০ ০ ০

প্ৰাসঙ্গিক হিচাপে উনুকিয়াব খোজো যে আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ অধ্যক্ষ মহোদয়ে উক্ত অধিবেশনৰ কৃতকার্যতা আৰু নিয়ম শৃঙ্খলাত অপাৰ আনন্দ লাভ কৰে আৰু

থোৱতে কৈছিল, 'মোৰ বুকু ডাঠ। পাৰা যদি ইউনিভাৰচিটিৰ অহা বছৰৰ খেলাধূলা সকলোখিনি আমাৰ ইয়ালৈ দাঙি আনিব নোৱাৰিমনে?'

শুনিহে থলো-নিমাত মই। সুধিলে কলৈ যাবা। উত্তৰ দিলো— 'হাই ছাৰক' লগ পাবলৈ। 'আহো ছাৰ।'

আঁতিগুৰি নমৰাকৈয়ে আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ ছাত্র সমাজে দৃঢ়ভাৱে ক'বলৈ বুলি অকণমান আঁত উলিয়াই নিদিলে মোৰ লেখাত চেকা ৰোৱা যেন হ'ব।

ইতিহাসৰ গুৰু-শিষ্যৰ সমন্বয় থকা কালৰ পাছত শিক্ষাৰ ক্রমবিকাশ হয়। ক্রমবিকাশ অকল শিক্ষাৰ ক্ষেত্রতে আবদ্ধ নাথাকি কাৰিকৰী, মনোবিকাশ, সাংস্কৃতিক, প্রাণীবিদ্যা, ভূ-বিদ্যা আদিলৈ উন্নীত হোৱাৰ লগে লগে ছাত্র সমাজেও স্বকীয়ভাৱ বিকাশৰ থল বিচাৰিলে। পাশ্চাত্য শিক্ষাৰ আৰ্হি কিমান দূৰ ভাৰতৰ ছাত্র সমাজত লীন হ'ল সেই বিষয়ে বিভিন্ন শিক্ষাবিদৰ মত ভিন্ ভিন্। যিয়েই হওক ভাৰতবর্ষত বৃটিছৰ সাম্রাজ্যবাদী শাসনকালত ছাত্রসমাজৰ নিজা তেনে উল্লেখযোগ্য অনুষ্ঠান গঢ়ি নুঠিলেও স্বাধীনোত্তৰ কালতেই ভাৰতবর্ষৰ ভিন ভিন প্রদেশত ছাত্র-আন্দোলন শিক্ষাৰ ক্ষেত্রতহে গঢ়ি উঠিছিল।

১৯২০ চনত নাগপুৰত বহা নিখিল ভাৰত কংগ্রেছৰ অধিবেশনৰ লগতে পঞ্জাৱৰ জাতীয়তাবাদী নেতা 'লালা লাজপত ৰায়'ৰ সভাপতিত্বত প্রথমবাৰৰ কাৰণে 'সর্বভাৰতীয় ছাত্র সম্মিলন' বহে আৰু অসম ছাত্র সম্মিলনেও ইয়াত প্রতিনিধিত্ব কৰে।

১৯২১ চনত গান্ধীজীৰ নেতৃত্বত চলা অসহযোগ আন্দোলনত ছাত্রসকলেও সক্রিয় অংশ গ্রহণ কৰে। এয়েই ছাত্রসকলৰ ভাৰতবর্ষত ৰাজনৈতিক তথা দেশক গণতন্ত্রৰ ভেটিত প্রতিষ্ঠা কৰিবলৈ বুলি গ্রহণ কৰা প্রথম ৰাজনৈতিক আন্দোলন। সেই কালছোৱাতে অসমত ১৯২০ চনত গোলাঘাটত বহা পঞ্চম বার্ষিক 'ছাত্র সম্মিলন'ত অকল শিক্ষা-সাহিত্য চর্চা আদিত আবদ্ধ নাথাকি ৰাজনৈতিক বিষয়তো সহযোগ কৰাৰ সিদ্ধান্ত গ্রহণ কৰে। অসমৰ ছাত্রসমাজৰ ৰাজনৈতিক বিষয়ত সহযোগৰ এয়েই প্রথম পদক্ষেপ।

১৯৩৬ চনত যেতিয়া বৃটিছ চৰকাৰে অসমৰ স্কুল, অফিচ আদিত বঙলা ভাষা প্রচলন কৰিলে, তেতিয়া কলিকতাত পঢ়ি থকা অসমীয়া ছাত্রসকলেই সংগঠিতভাৱে ইয়াৰ প্রতিবাদ কৰে। আনন্দৰাম ঢেকিয়াল ফুকনৰ নেতৃত্বত হেমচন্দ্র বৰুৱা, গুণাভিৰাম বৰুৱা, প্রমুখ্যে চৰকাৰক অসমীয়া ভাষা যে এটা স্বকীয় ভাষা আৰু অসমীয়া জাতি এটা স্বকীয় জাতি বুলি নানা তথ্যপাতিৰে বুজাই দিলে। সহজে ফল নধৰিলে সময় লাগিল। সংগঠন প্রৱণতাক জীয়াই ৰাখিবলৈকে 'অসমীয়া ভাষা উন্নতি সাধিনী সভা' (Assamese Students' Literary Club) একতা ক্লাৰ আদি অনুষ্ঠান গঢ়ি তুলিলে। তাৰে পৰাই বিজ্ঞান সন্মতভাৱে সদৌ অসম ভিত্তিত একমাত্র ছাত্র অনুষ্ঠান 'অসম ছাত্র সম্মিলন'ৰ জন্ম। ইং ১৯১৬ চনৰ পঁচিশ ডিচেম্বৰ তাৰিখে গুৱাহাটী নগৰত 'অসম ছাত্র সম্মিলন'ৰ প্রথম অধিবেশন সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱা সভাপতিত্বত সমাধা হয়।

অসমৰ ছাত্র সমাজৰ কাৰণে এইটোৱেই স্মৰণীয় ঐতি দিন।

০ ০ ০

১৯৩০ চনৰ পৰা ১৯৩৬ চনলৈকে ভাৰতবর্ষত স আন্দোলন প্রকট হয়। অসমৰ ছাত্র সমাজেও সক্রিয় সহযো বহুতৰে শিক্ষা জীবনৰ সমাপ্তি ঘটে। বহুজন চিৰকাললৈ প লগতে নেতাসকলো কাৰাৰুদ্ধ হোৱাত উক্ত কাল উল্লেখযোগ্যভাৱে ছাত্র-সমাজৰ কোনো অভ্যুদয় হোৱা আনকি ১৯৪৪ চনলৈকে সভা সমিতিও অনুষ্ঠিত ক নহৈছিল।

উক্ত সময়ছোৱাৰ ভিতৰতে ১৯৪১ চনত পাটনাত কমিউনিষ্ট পার্টিৰ আলমত দুখন সমান্তৰালভাৱে অধিবেশন হয়; ইতিপূর্বে ১৯৪০ চনত বহা নাগপুৰ অধিবেশনত সর্ব ছাত্র ফেডাৰেশ্যনৰ অধিবেশনতেই কমিউনিষ্ট প জাতীয়তাবাদী ছাত্রদলৰ মাজত মতভেদে তীব্রভাৱে দেখা অৱশেষত বিভক্ত হয়। সেয়েহে উল্লেখ কৰা পাটনাৰ ১৯ অধিবেশনো সমান্তৰালভাৱে দুখন হৈ পৰে। বামপন্থী দল (ক পার্টিৰ আৰ্হিত) আৰু সোঁপন্থী জাতীয়তাবাদী দল। অসম গজিল বামপন্থী ছাত্র দলৰ।

০ ০ ০

১৯৪৪ চনৰ ২৭ নবেম্বৰ তাৰিখে গুৱা জাতীয়তাবাদী ছাত্রসকল সম্মিলিত হৈ নতুনকৈ 'অ ইউনিয়ন' গঠন কৰে আৰু নির্বিবাদে ৰাইজৰ বিপুল সম কৰে। এইখিনিয়েই বর্তমানৰ 'ছাত্র সস্থা'ৰ সর্বপ্রথম (অসমৰ) বুলিব পাৰি। ১৯৪৬ চনৰ ১ আৰু ২ জুনত সমাজবাদী নেত হেম বৰুৱাৰ সভাপতিত্বত দ্বিতীয় বার্ষিক অধিবেশনত 'নিখি ছাত্র কংগ্রেছ'ৰ পৰামর্শমতে 'অসম ছাত্র ইউনিয়ন' নাম কৰি 'অসম প্রাদেশিক ছাত্র কংগ্রেছ' ৰখা হয়।

০ ০ ০

ভাৰতবর্ষৰ স্বাধীনতা আন্দোলনত অসম প্রাদেশি কংগ্রেছৰ ভূমিকাৰ বুৰঞ্জী অনুকৰণীয়। স্বাধীনতাৰ পাছৰ পৰ কাৰণত তেনে উল্লেখিত সভা-সমিতি অসমৰ ছাত্রস প্রকটভাৱে হোৱাৰ থল নাছিল। সময়ে সময়ে হোৱা প্রাকৃতিক উন্মোচনৰ কথা বাদ দিব নোৱাৰি। ১৯৫৭ চনত ওৱ কেইজনমান উদ্যোগী ছাত্রই 'অসম প্রাদেশিক ছাত্র ক প্রতিনিধিত্বমূলক সভা আহ্বান কৰে আৰু নামকৰণৰো সা কৰাৰ বিষয়ে আলচে, যদিও কোনো ফল নধৰিলে। ইতিমধ্যে চনৰ চনৰ আগভাগত যোৰহাটত বহা প্রতিনিধিত্বমূলক কলেজ পর্যায়ৰ সংগঠনৰ ভেটি দৃঢ়কৰণ হৈ পৰে আ সংগঠনৰ নামকৰণ হয় "The All Assam Inter Co Students' Union"। এই সংগঠনটিয়ে সমূহ ছাত্রক

নোৱাৰিলে।

১৯৬০ চনৰ ভাষা আন্দোলন, প্রশাসনীয় উৎপীড়ন, লগতে শিক্ষাৰ প্রতি চৰকাৰৰ আওকণীয়া মনোভাৱ আদিৰ প্রতিবাদত ছাত্রসমাজৰ প্রতিনিধিত্বমূলক এখনি সভা গুৱাহাটীৰ জালুকবাৰীত আৰু এখন যোৰহাটৰ জে, বি, কলেজত অনুষ্ঠিত হয়।

ছাত্র সমাজত শিক্ষাৰ শুদ্ধ বাতাবৰণ গঢ়ি তোলা আৰু অসমীয়া ভাষাক বাজ্যিক ভাষাৰ স্বীকৃতি দিয়া আদি কেউদিশ সামৰি ছাত্র সমাজ ঐক্যবদ্ধ হ'ল। পূর্বৰ 'অসম প্রাদেশিক ছাত্র কংগ্রেছ' নামকৰণ সলনি কৰি 'সদৌ অসম ছাত্র পৰিষদ' কৰা হয় আৰু একে সময়তে বাওঁপন্থী ৰাজনৈতিক নেতা সকলৰ অনুগামী হৈ অহা ছাত্রসকলে 'অসম ছাত্র পৰিষদ'ৰ লগতে ফেৰ মাৰি 'অসম ছাত্র কর্ম পৰিষদ' গঠন কৰিছিল যদিও ৰাইজৰ সমর্থন লাভ কৰিব নোৱাৰি বিৰোধিতা নকৰাকৈ নাছিল।

আগতেই কৈ অহা হৈছে যে আন আন দেশৰ সমস্যাতকৈ অসমৰ সমস্যাও কম নহয়। চীনা আক্রমণে অসমত যি বিভীষিকাৰ সৃষ্টি কৰিলে— তাৰ ফলত অসমৰ ৰাইজ, ছাত্রসমাজ উদ্বিগ্ন নোহোৱাকৈ থকা নাই। নগাঁও জিলাত এনেবোৰ কাৰণতে গঢ়ি উঠিল 'চীনা আক্রমণ প্রতিৰোধ' সমিতি আৰু নগাঁৱৰ সংগঠনটিৰ ওপৰতে ভিত্তি কৰি সদৌ অসম চীনা আক্রমণ প্রতিৰোধ সমিতিলৈকে উন্নীতকৰণ হয়। পাছলৈ অৱশ্যে সংগঠনটিৰ তেনে কার্য নোহোৱাত লুপ্ত হ'ল যদিও একেখিনি ছাত্রই ভিন ভিন ৰূপত অৱতীর্ণ হ'ল।

০ ০ ০

১৯৬২ আৰু ১৯৬৩ চন দুটি নগঞা ছাত্র সমাজৰ আপুৰুগীয়া কাল। ১৯৬২ চনৰ চীনা আক্রমণৰ ভিত্তিত গঢ় লোৱা সংগঠনৰ পাছত পৰোক্ষভাৱে সদৌ অসমৰ ছাত্রসমাজক সজীৱ কৰিবলৈ জিলাখনিত গঢ়ি উঠে 'নগাঁও জিলা ছাত্র পৰিষদ' Nowgong District Students' Union"

ঢেকিয়াল ফুকন কলেজৰ সকলো উদ্যোগী ছাত্রৰ লগত ১) নগাঁও কলেজ (২) লালচান্দ টোডি কলেজ (বর্তমান ছোৱালী লেজ) আৰু (৩) নগাঁও পলিটেকনিক কলেজৰ ছাত্রসমাজে র্বতোভাৱে কৰা সহায়-সহযোগত এনেহেন গুৰুত্বপূর্ণ সংগঠন কলমে সূচাৰুৰূপে হৈ উঠিল। অসমৰ ছাত্র সমাজেও শুভেচ্ছাৰে ঠোৱা 'বাণী'য়েও নগঞা ছাত্রক প্রফুল্লিত কৰিলে। 'নগাঁও জিলা াত্র পৰিষদ'ৰ সংবিধানৰ আর্হিতেই অসমৰ ছাত্র সমাজৰ াংবিধানিক ভেটি প্রতিষ্ঠিত হ'ল। এই অধিবেশনেই অসমত জিলাৰ ত্তিত হোৱা প্রথম অধিবেশন।

আশাকৰো আনন্দৰাম ঢেকিয়াল ফুকন কলেজে তথা ছাত্র াজে সংগঠনটিৰ সজীৱতা গঢ়ি তুলিব।

কৈ অহা কথাটো পাহৰা নাছিলো। ছাৰে মানে শুকদেৱ াস্বামীয়ে হয়তো সুধিব পাৰে— উত্তৰ নিশ্চয় কিবা এটা দিব াগিব।

কলেজত কেইজনমান ছাত্র সর্বশ্রী চন্দ্র শইকীয়া, আনন্দ বৰা, কৃষ্ণ শর্মা, সদানন্দ শর্মা, নগাঁও কলেজৰ জ্ঞান বৰুৱা প্রমুখ্যে আৰু কেইজনমানৰ লগত 'খেলাধূলা'খন গুৱাহাটীৰ পৰা দাঙি অনাৰ কথা পাতিলো। তেওঁলোক আগ্রহী হ'ল। নগাঁৱৰ কলেজ কেইখনৰ অধ্যাপকসকলৰ মাজত সাধাৰণ সম্পাদকসকলে আলচ কৰি অনাটোকে থিৰাং কৰিলে। লালচান্দ টোডি কলেজৰ (এতিয়াৰ ছোৱালী কলেজ) অধ্যক্ষ মহোদয় শ্রীমহেশ্বচন্দ্র দেৱগোস্বামী, নগাঁও কলেজৰ শ্রীযজ্ঞেশ্বৰ শর্মা, নগাঁও পলিটেকনিক কলেজৰ শ্রী জি.এচ.চিল. আমাৰ কলেজৰ স্বর্গীয় শুকদেৱ গোস্বামী অধ্যক্ষ মহোদয়ৰ উপৰিও অধ্যাপকসকল আৰু নগাঁও ক্রীয়া সস্থাৰ শ্রীনুৰুল আমিন আৰু বিভিন্ন জনে অহোপুৰুষার্থক্রমে 'দাঙি' আনিলে '৯ম ইন্টাৰ কলেজ স্পর্টচ ফেষ্টিভেল'। ছাৰে বৰ আনন্দ পালে। দিনে পুৱা আৰু গধূলি সকলোৰে খোৱাত কিবা অসুবিধা হৈছেনেকি বুলি মোক সোধাৰ কথাও আজিও মনলৈ আহে।

বর্তমান কলেজতে তাহানিৰ আশাশুধীয়াভাৱে লাগি থকা এজন 'ত্রিমন্ত' কর্মীয়ে ৯ম আন্তঃকলেজ ক্রীড়া সমাৰোহত অক্লান্ত পৰিশ্রম কৰি আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ সুনাম, সুখ্যাতি বঢ়োৱাইছিল। আপোনালোকে তেখেতক 'ত্রিমন্ত' নুবুলি 'ত্রিমূর্তি' বুলিও ল'ব পাৰে। কিয়নো মূর্তি মানে প্রতিমা, প্রতিমাত আশাৰ প্রতিফলন হোৱাৰ দৰে 'মন্ত'ত একে ধৰণৰ শক্তিকাৰক মাধ্যম— ইয়াৰো প্রতিফলন নোহোৱা নহয়।

একেজন ব্যক্তিয়ে একেধাৰে তিনিটা বিষয়ৰ দায়িত্ব পালন কৰাটো এলা-পেচা কথা নহয়— ব্যৱস্থাপক কমিটিৰ চেক্রেটেৰী (Management Committee) (২) খেলাধূলা কমিটি (Sports Committee) ৰ চেক্রেটেৰী, তাৰ উপৰি এনেহেন বিপুল আয়োজনৰ (৩) বিত্তীয় কমিটি (Finance Committee) ৰ চেক্রেটেৰী একেলগে কেউটা কাম ভাগে ভাগে নিয়াৰিকৈ সমাধান কৰিলে-সেইজন-মইয়ে কৈছিলো 'হাই ছাৰৰ তালৈ যাওঁ', সেইজন। নগাঁৱলৈকে খেলাধূলাখন অনাত এই কলেজৰ লগত আনকেইখনৰ অধ্যাপকৰ লগতে অন্য তিনিও কলেজে ত্যাগ স্বীকাৰ নকৰাকৈ নাছিল। সকলোলৈকে মোৰ আন্তৰিকতা বিদ্যমান। আমাৰ অধ্যক্ষদেৱে সেই কেইদিন বেছিকৈ খোজ কাঢ়িব লগা হোৱাত কৈছিল "হেৰা বপাই— তোমালোকৰ ইয়াত (খেলাধূলাত) 'খোজকঢ়া প্রতিযোগিতা ইন্ট্রডিউচ কৰিব লাগে'। 'আই উড্ ষ্টুড্ ফাষ্ট' বুইচা।" কথাটো মিছাও নহয়— খোজকঢ়াত বৰ পাকৈত।

অধ্যক্ষ স্বর্গীয় শুকদেৱ গোস্বামীদেৱৰ বিষয়ে নিশ্চয় মোৰ বন্ধুসৱৰ কোনোজনে লিখিছে— তেখেতৰ তালৈ সঘনে অহা-যোৱা কৰাটোও মোৰ কর্তব্যৰ ভিতৰত এটা।

তেখেতৰ লগত ১৯৫৭ চনৰ পৰাই মোৰ বেছি ধৰণৰ ঘনিষ্ঠতা হৈছিল। প্রথম অৱস্থাত মই তেখেতৰ লগত এখন বহুমূখী সমবায় নগাঁৱত অনুষ্ঠিত কৰাৰ বিষয়েহে যোগাযোগ কৰিছিলো। পাছে সমবায় নহ'ল খেতি কিন্তু হ'ল। সেই খেতিৰেই ভঁৰাল 'আনন্দৰাম ঢেকিয়াল ফুকন' কলেজ।

ভাৰতবর্ষত গঢ়ি উঠা স্বাধীনতা আন্দোলনৰ ঢৌ লগুনতো

উথলি উঠিছিল। এনে আন্দোলনৰ সংগঠন গঢ়ি তুলিবলৈ সক্ষম হৈছিল স্বৰ্গীয় গোস্বামীদেৱ। লণ্ডনৰ 'হাইড' পাৰ্কত ভাৰতবৰ্ষৰ স্বাধীনতাৰ হকে দিয়া বক্তৃতাৰ ফলত বৃটিছ চৰকাৰৰ ওচৰত নজৰবন্দী হ'ব লগাত পৰে। নজৰবন্দী কালছোৱাত তেখেতে স্কটলেণ্ডলৈকো যাবলগা হৈছিল। তাত তেখেতে Co-operation Scheme ত কাম কৰি উপার্জন কৰিব লগা হোৱাৰ কথা মোক কৈছিল।

তেখেতে খণ্ডৰ ভমকত মোক দেখুওৱা চার্টিফিকেট ৰখা বাঁহৰ চুঙাটো স্কটলেণ্ডৰ। (দেখাত কিছু অপইতা বাঁহ যেন লাগে)। এনে সংৰক্ষণ সঁচাকৈয়ে বিৰল।

স্বৰ্গীয় গোস্বামীদেৱৰ পৰিয়াল বুলিবলৈ আছিল নিজস্বভাৱে কেৱল সহধৰ্মিনীহে। তেখেতৰ সহধৰ্মিনী 'শ্ৰীমতী চাৰা দেৱী'ও সংৰক্ষণ, বিচৰণ আদি ক্ষেত্ৰত স্বামীতকৈ কম নাছিল। তেখেতে মোক এদিন মাতি কলে, 'ইউ লাইক্ ওৱান কিড্'। মই তেখেতৰ ভাব-ভাষা আগৰপৰাই বুজো হেতুকে উত্তৰ দিলো 'চাৰটেইনলি।'

এটা সৰু পাচিত ঢাকি অর্থাৎ আঠুৰাৰ দৰে ঢাকি থোৱা পোৱালি কুকুৰ এটা আনি দি কুকুৰ পোৱালিটোৰ ডিঙিত আঁৰি থোৱা ডাঠ কাগজখন মোক দেখুৱাই কলে, 'দি বার্থ ডেইট, হিয়েৰ-লেট্ হিম মেইক্ এজ্ মেন্।' সেই কুকুৰটোৰ নাম দিয়া হ'ল 'টেনজিং'। মানুহৰ দৰেই বাদাম কুঁহিয়াৰ খাবলৈকো শিকিলে। সচৰাচৰ কুকুৰতকৈ অধিক কাল জীয়াই আছিল। মাহে মাহে তেখেতে (চাৰাদেৱীয়ে) তাৰ খবৰ (অসুখ-বিসুখৰ বিষয়ে বেছিকৈ) সুধিছিল। তেখেতৰ মেকুৰী পোৱালি, কুকুৰ পোৱালি পোহাত হেঁপাহ আছিল যদিও আনকেই বিলাই দিছিল। প্রতিটি প্রাণীৰ জন্মৰ সময়, তাৰিখ লিখি ৰখা স্বভাৱ আমাৰ কেইজনৰ আছে বাৰু? তেখেতে প্রেছৰ নিজা 'যশোদা' প্রেছৰ ছপা কামৰ উপৰিও প্রুফ চোৱাত সিদ্ধহস্ত আছিল। বিলাতী হৈয়ো অসমীয়া সাজ-পাৰ পৰিপাটিকৈ পিন্ধি গাড়ী চলোৱা (নিজা এম্বেচেদৰ)ৰ নিচিনা কাম কৰা আমাৰ স্ত্রী-সমাজত লেখত ল'বলগীয়া আৰ্হি।

জনামতে শ্ৰীমতী চাৰা দেৱীয়ে লণ্ডনতেই বর্তমান আছে, যিহেতু লণ্ডণত থকা কালত গোস্বামীদেৱে তাত ভূ-সম্পত্তিও ঘটিছিল। ক'লা চামৰাই বগা চামৰাৰ দেশত দপদপাবলৈ বুলি কম খেদ কৰা নাছিল। আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ প্রাণ প্রতিষ্ঠাতা স্বৰ্গীয় গোস্বামীদেৱৰ অদমনীয় জেদ ভাৱ শলাগিব লগীয়াই নহয় অনুকৰণীয়ও। কেইবাবাৰো সংসদী নির্বাচনৰ প্রার্থী হৈছিল। নির্বাচনী অভিযানৰ কথা সোধোঁতে এদিন মোক কৈছিল— 'ন', তোমোলোকে ইচ্ছা কৰিলে চাইকেলত লিখি ল'বা মোৰ নামদি 'যদি ৰাইজে উপযুক্ত ভাবিছে ভোটটো মোৰ বাকচত দিব, নাভাবিলে অথলে নিদিব'। কথা কেইষাৰৰ ব্যাখ্যা পটুৱৈ সমাজলৈ এৰিলো।

তেখেতৰ সকলো গুণতকৈ স্বজনপ্রীতি অনুকৰণীয়। কোনোদিনেই অধ্যাপক, ছাত্রক আনকি বাটৰুৱা লোককো নাম কাঢ়ি মতাৰ অভ্যাস নেদেখিলো। তেখেতৰ 'বপাই' শব্দ আজিও কাণত ভাহে।

০ ০ ০

তেখেত অসমবাসীৰ এজন শুদ্ধ অসমীয়া— তেওঁ বিলাতী ঢং দূৰতে বিদূৰ। খাচ ঘৰুৱা অসমীয়া শব্দৰ সম্বোধনৰ লালিত্য সঁচাকৈয়ে মহান আদর্শ।

ইংৰাজী ১৯৬৪ চনৰ বিজয়া দশমীৰ দিনা বাজহৰা সভা সমাপ্তিৰ লগে লগে আমাৰ পূজ্য স্বৰ্গীয় গোস্বামীদেৱৰো নশ্বৰ দেহ সমাধিস্থ হয়। প্রেৰণাৰ উৎস মাৰ গ'ল, সমবেত সকলোৰে দোঁৱালে— ময়ো।

০ ০ ০

ঢেকিয়াল ফুকন কলেজৰ স্মৃতিগ্রন্থৰ কাৰণে তেওঁ বিচাৰি ঘুৰি ফুৰা শ্রীমুকুল বৰা, কমল বৰদলৈ আদি দুই ছাত্র আৰু অধ্যাপক শ্রীদেৱ শইকীয়ালৈ মোৰ কৃতজ্ঞতা কিমানখিনি সোৱাদ দিব পাৰিছো তাক নিজেই নাজা তথাপিতো ৰূপালী জয়ন্তী উৎসৱ উপলক্ষে কলেজ আৰু পৰা নিজা আৰু সাধাৰণ সম্পাদক হিচাপেও হোৱা লগী ইতিহাসখিনি আগবঢ়ালো। লগতে ৰূপালী জয়ন্তীৰ ৰূপত ৰ আৰু ৰাইজে আস্বাদ পাওক বুলি স্বৰ্গীয় গোস্বামীদেৱৰ ভাষাত মৌলৈ লিখা চিঠিখনৰ হুবহু চানেকিটোকে আগবঢ়া যুগমীয়া হৈ ৰয়। (এই চিঠিখনি ১/২/৬০ তাৰিখে সৰস্বতী আহিব নোৱাৰি মৌলৈ দিছিল)।

১/২/৬০

শ্রীমান উপেন,

তোমালোকৰ নিমন্ত্রণৰ কাৰণে আমি দুয়ো ধন্যবাদ আশা কৰো সকলো কাম সুচাৰুৰূপে সমাধা হ'ব।

মোৰ শৰীৰ অসুখ লাগি থকাৰ কাৰণে আমি যাব লে মোৰ পেট্রমাক্স লেম্পটো পত্র-বাহকৰ হাতত এতিয়া পঠিয়

ইতি

শুভাকাঙ্ক্ষী -

শ্রীশুকদেৱ গোস্বামী

আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ আৰজনি সহযোগত থকা এই কলেজখনৰ প্রতি মোৰ নিজস্ব এটা এৰ আছে; এটা নিবিড় সম্পর্ক আছে। কলেজখনৰ সর্বাঙ্গীণ উ সদায়েই কামনা কৰোঁ। জয়তু আনন্দৰাম ঢেকিয়া কলেজ।

প্রবন্ধটো মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ পৰা পুনঃমুদ্রিত কৰা হৈছে। — সম্পাদক।

স্মৃতিৰ জলঙাৰে মই পঢ়া কলেজখন

পূৰ্ণকান্ত নাথ

যিটো বছৰত নগাঁৱৰ দ্বিতীয়খন কলেজ হিচাপে এডিপি কলেজ প্ৰতিষ্ঠা হৈছিল, সেই ১৯৫৯ চনত গুৱাহাটীৰ বিশ্ববিদ্যালয়ৰ পৰিচালনাত অনুষ্ঠিত হোৱা মেট্ৰিক পৰীক্ষাত উত্তীৰ্ণ হৈ মোৰ আন আন সহপাঠীৰ দৰে ইচ্ছা আৰু আগ্ৰহ থকা সত্ত্বেও উচ্চ শিক্ষাৰ বাবে কলেজত পঢ়াৰ সৌভাগ্য ঘটা নাছিল। মাত্ৰ এঘাৰটা নম্বৰৰ বাবে প্ৰথম বিভাগ নাপালেও দ্বিতীয় বিভাগত মেট্ৰিক পৰীক্ষা পাছ কৰি আৰ্থিক অনাটনৰ বাবেই কলেজত পঢ়াৰ সপোন সপোনতে ৰাখি গড়কাপ্টানী বিভাগত টাইপিষ্ট, ভেন্‌ছাৰ এম.ই. স্কুলত মাষ্টৰী, চাহ বাগিছাত কেৰাণী চাকৰি কৰিও মনত শান্তি নেপাই ১৯৬৬ চনত তেতিয়াৰ অবিভক্ত নগাঁও জিলাৰ চৰাইবাহী হাইস্কুলত হিন্দী শিক্ষকতা কৰি থাকোঁতে ১৯৬৭ চনত প্ৰাইভেট শিক্ষক প্ৰাৰ্থী হিচাপে নগাঁও এডিপি কলেজৰ পৰা প্ৰাক্ বিশ্ববিদ্যালয় চূড়ান্ত পৰীক্ষাত দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিলোঁ। সেইবছৰ কলেজখনৰ পৰা মোকে ধৰি চাৰিজন পৰীক্ষাৰ্থী দ্বিতীয় বিভাগত উত্তীৰ্ণ হৈছিল। তেতিয়া এডিপি কলেজৰ অধ্যক্ষ আছিল শ্ৰদ্ধেয় আব্দুল হাই ছাৰ। প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাৰ নম্বৰ তালিকা আৰু উত্তীৰ্ণৰ প্ৰমাণ-পত্ৰ আনিবলৈ বুলি কলেজলৈ যাওঁতে মই অধ্যক্ষ ছাৰক লগ ধৰিছিলোঁ। ছাৰে নম্বৰ তালিকখন চাই মোৰ মুখলৈ চাই সুধিলে— "হেৰা পূর্ণ, তুমি দুদিনমান নগাঁও কলেজতো পঢ়িছিলা নেকি?" উত্তৰত মই কলোঁ— "হয় ছাৰ, আপুনি তাত বুৰঞ্জী বিভাগৰ অধ্যাপক হৈ থকা অৱস্থাত মই আই. এ.ত দুদিনমান পঢ়িছিলোঁ। কিন্তু ঘৰুৱা আৰ্থিক দুৰৱস্থাৰ হেতু আৰু ঘৰৰ ডাঙৰ ল'ৰা হিচাপে পৰিয়ালটোৰ দায়িত্ব লৈ কলেজত পঢ়া বাদ দি সৰু-সু�ৰা চাকৰি কৰিবলৈ বাধ্য হওঁ। কলেজত পঢ়াৰ প্ৰৱল ইচ্ছা সামৰিব নোৱাৰি... প্ৰাইভেটকৈ আপোনাৰ কলেজৰ পৰা প্ৰি ইউনিভাৰচিটি পৰীক্ষা দিলোঁ ছাৰ।"

মোৰ কথা শুনি ছাৰে মোক ক'লে— "তুমি ডিগ্ৰীৰ প্ৰথম বৰ্ষত নাম লগাই লোৱা। নিয়মীয়া ছাত্ৰ হিচাপে পঢ়িলে তোমাৰ ৰিজাল্ট নিশ্চয় ভাল হ'ব বুলি মই আশা কৰোঁ।" তেতিয়া ছাৰৰ আগত মই মোৰ সমস্যাৰ কথা ক'লো, "ছাৰ নগাঁৱৰ পৰা ২৫ মাইল দূৰত চৰাইবাহী হাইস্কুলত মই সৰু মাষ্টৰী চাকৰি এটা কৰোঁ। চাকৰিটো বাদ দি কলেজলৈ নিয়মীয়াকৈ আহি পঢ়াটো মোৰ বাবে অসম্ভৱ। কাৰণ মোৰ দেউতা নাই। মোৰ মা, ভাইটি আৰু ভনীজনীৰ পোহপালৰ দায়িত্ব মোৰ কান্ধতেই। তদুপৰি যোৱা বছৰ মাৰ তাড়ণাত মই বিয়াও কৰালোঁ ছাৰ। গতিকে ....।" মোৰ কথা শুনি ছাৰে ক'লে — "তুমি নৈশ শাখাত নাম লগোৱা আৰু মেধা বৃত্তিৰ বাবে আৱেদন প্ৰ-পত্ৰখনো পূৰণ কৰি দিয়া।"

— ছাৰ চাকৰি কৰি আছো। মই জানো বৃত্তি পাম। মই ক'লো।

— কি ব্যৱস্থা কৰিব লাগে মই কৰিম নহয়। তুমি সেইবোৰ চিন্তা কৰিব নালাগে। প্ৰ-পত্ৰত চাকৰি কৰিছো বুলি নিলিখিবা।

— ছাৰৰ আদেশ আৰু উৎসাহক মই নেওচিব নোৱাৰিলোঁ। লগতে মোৰ পুৰণি বন্ধু দুজনমানেও উৎসাহ দিলে— "নাথ, আহক, আমিও নৈশ শাখাত নাম লগাবলৈ থিৰাং কৰিছোঁ। আপোনাৰ অলপ কষ্ট হ'ব, হওক। আপুনি আমাৰ আকৌ সঙ্গী হওক।

ঘৰলৈ আহি মা আৰু পত্নীৰ সৈতেও এই বিষয়ে আলোচনা কৰিলোঁ। পত্নীয়ে একে আষাৰে ক'লে, অধ্যক্ষ ছাৰৰ কথা ৰাখি আপুনি নাম লগাওক। আপুনি নিশ্চয় পাৰিব। কলেজত পঢ়াৰ সপোন নিশ্চয় ফলিয়াব।

সকলোৰে উৎসাহ পাই মই তিনিবছৰীয়া ডিগ্ৰী ক'ৰ্চৰ প্ৰথম বাৰ্ষিকত (নৈশ শাখাত) নাম ভৰ্ত্তি কৰিলোঁ আৰু ছাৰৰ পৰামৰ্শ মতে মেধা-বৃত্তিৰ বাবে আৱেদন প্ৰ-পত্ৰও পূৰণ কৰিলোঁ।

পত্নীৰ এটা ডাঙৰ অসুখৰ চিকিৎসাত ব্যস্ত থাকিব লগা হোৱাৰ কাৰণে প্ৰথম বাৰ্ষিকত মই কেইদিনমানহে ক্লাছ কৰিব পৰিলোঁ যদিও প্ৰথম বাৰ্ষিকৰ বাৰ্ষিক পৰীক্ষাত অৱতীৰ্ণ হ'লো। কলেজলৈ গৈ গ'ম পালোঁ— মই পৰীক্ষাত উত্তীৰ্ণ হৈছো আৰু মেধা বৃত্তিও লাভ কৰিছোঁ। মই অধ্যক্ষ ছাৰক দেখা কৰিলোঁ। ছাৰে মোক দেখি হাঁহি হাঁহি ক'লে— "পূর্ণ তুমি প্ৰথম বাৰ্ষিক পৰীক্ষাত কলেজৰ ভিতৰতে Highest Mark পাইছা। মই তোমাৰ ৰিজাল্টত সন্তুষ্ট। তুমি Merit Scholarshipও পাইছা। কিন্তু কথা এটা হ'ল নহয়।"

মই ছাৰৰ মুখলৈ চাই ৰ'লো। ছাৰে ক'লে "তুমি প্ৰথম বৰ্ষত ক্লাছ নকৰাৰ কাৰণে Non-collegiate হৈছা। গতিকে Scholarshipৰ ধন পোৱাত সমস্যা হৈছে।"

— ছাৰ, মই এতিয়া কি কৰা উচিত?

— তুমি কিয় ক্লাছ কৰিব নোৱাৰিলা, তাৰ কাৰণ দৰ্শাই মোলৈ এখন দৰ্খাস্ত লিখা।

মই ছাৰৰ কার্যালয়ৰ কোঠাৰ পৰা ওলাই আহি বাহিৰত এখন দৰ্খাস্ত লিখিলোহি। দৰ্খাস্তত মই সঁচা কথাকে লিখিলোঁ— পত্নীৰ অসুখৰ কাৰণে ক্লাছ কৰিব নোৱাৰা বুলি। দৰ্খাস্তখন লিখি ছাৰৰ হাতত দিলোগৈ। সেই সময়ত শ্ৰদ্ধেয় বানেশ্বৰ শইকীয়া ছাৰো ছাৰৰ কোঠাতে বহি কিবা আলোচনা কৰি আছিল। মোৰ দৰ্খাস্তখন পঢ়ি অধ্যক্ষ ছাৰে হাঁহি হাঁহি শইকীয়া ছাৰলৈ আগবঢ়াই দিলে। শইকীয়া ছাৰে দৰ্খাস্তখন পঢ়ি হাঁহি হাঁহি মোক সুধিলে— " তুমি বিয়া কৰালানে কি?"

— 'হয় ছাৰ' মই তললৈ মূৰ কৰি উত্তৰ দিলোঁ।

শইকীয়া ছাৰে হাঁহি হাঁহি অধ্যক্ষ ছাৰক ক'লে — "দিয়ক ছাৰ, এই সংসাৰী ছাত্ৰজনক বৃত্তিৰ টকা কেইটা দিয়ক। বৰ উপকাৰ কৰা হ'ব।"

অধ্যক্ষ ছাৰে মোৰ দৰ্খাস্তখনত কিবা Note এটা লিখি মোলৈ চাই ক'লে— "হ'ব বাৰু তুমি বৃত্তিৰ টকা কেইটা পাবা। কিন্তু এটা Condition তুমি Second yearত Regular Class কৰিব লাগিব আৰু Result ভাল কৰিব লাগিব।"

মই দুয়োজন ছাৰকে নমস্কাৰ জনাই ক'লোঁ— আশীৰ্বাদ কৰক ছাৰ, মই যেন আপোনালোকৰ উপদেশ মানি Regular হ'ব পাৰোঁ।

এই দীঘলীয়া কথাখিনিৰ অৱতাৰণা এই কাৰণেই কৰিব লগা হ'ল যে, আমি এডিপি কলেজত পঢ়ি থকা অৱস্থাত অধ্যক্ষ আৰু আন আন শিক্ষকসকলে ছাত্ৰ-ছাত্ৰীৰ জীবন গঢ়াত সহৃদয়তাৰে সহায় কৰিছিল তাৰে এক বাস্তৱ উদাহ ধৰাটো। সঁচাকৈয়ে মই লগপোৱা ছাৰসকল যে ছা প্ৰকৃতাৰ্থত friend, philosopher and guid সেই কথা পৰৱৰ্তী জীৱনত মৰ্মে মৰ্মে উপলব্ধি কৰি শিক্ষকতা কৰি ছাৰসকলৰ আদৰ্শ গ্ৰহণ কৰিবলৈ চেষ্টা ক সেই সময়ৰ মোৰ সহপাঠী বন্ধু-বান্ধৱীসকলেও ক ছাৰসকলৰ সেই মহান আদৰ্শৰ কথা আজিও শ্ৰদ্ধাৰে

অধ্যক্ষ হাই ছাৰৰ উৎসাহ প্ৰদায়ক পৰামৰ্শ ডিগ্ৰীৰ দ্বিতীয় বৰ্ষত মই নিয়মিতভাৱে ক্লাছ কৰাৰ সিদ্ধা আজিকালিৰ দৰে তেতিয়া ৪/৫ মিনিটৰ পিছে পিছে চলাৰ ব্যৱস্থা নাছিল। একোটা নিৰ্দিষ্ট সময়ত মানুহ কৰিবৰ কাৰণে কিছুমান পথত দুই এখন বাছ চলাচল মই শিক্ষকতা কৰা চৰাইবাহী হাইস্কুললৈ যাবৰ বাবে ন পুৱা বেলা প্ৰায় ৭ বজাত বাছ এখন গৈছিল চৰাইবাহী বৰঙাবাৰীলৈ। সেই বাছখন আবেলি ২ বাজত পুনৰ ঘূৰিছিল। বাছখন পুৱা নগাঁৱৰ পৰা আহি মোৰ ঘৰৰ প দূ�ৰৰ বেবেজীয়া পায়হি ৭-৩০ বজাত। মই ঘৰৰপৰা চলাই বেবেজীয়াত সেই বাছত উঠি পুৱা ৯-৩০ ব পাইছিলোগৈ। স্কুলত একেবাহে পাঁচটা ক্লাছ কৰি আ বজাত হাবিবৰঙাবাৰীৰ পৰা উভতি অহা বাছখনত উ বা কেতিয়াবা ৪-৩০ বজাত বেবেজীয়া পাইছিলোহি নৈশ শাখাৰ ক্লাছ আৰম্ভ হৈছিল সাধাৰণতে ৫ ব বেবেজীয়াত বাছৰ পৰা নামি কলেজৰ ক্লাছলৈ সমা চাইকেলখন লৈ ঘৰলৈ আহি ভাত কেইটামান খাই চ কলেজলৈ ৰাওনা হৈছিলোঁ। যিদিনা ৫ বজাতেই সেইদিনা ঘৰলৈ নগৈ বেবেজীয়াৰ পৰা ৫ মাইল বা কৰি কলেজ পাওঁগৈ। কলেজৰ পৰা উভতি ঘৰ পা ১০/১১ বাজে। পত্নীয়ে সজাই থোৱা ৰাতিৰ ভাত ভাগৰত শুই পৰোঁ। কাৰণ পিছদিনা স্কুললৈ যাবলৈ পু খাই-বৈ ওলাব লাগিবই।। গতিকে ঘৰত পঢ়িবলৈ স স্কুললৈ যাওঁতে মোনা এটাতে কিতাপ এখন লৈ য বহিবলৈ সুবিধা পালে কিতাপখন উলিয়াই প্ৰায় ১-৩০ পঢ়ো, আৰু বহিবলৈ সুবিধা নাপালে মোনাৰ কিতা ভিতৰতে থাকি যায়। স্কুলৰ পৰা উভতি আহোঁতেও পঢ়ো। সেই কাৰণেই মই কলেজৰ ক্লাছত বিশেষভাৱে দিছিলোঁ। কেতিয়াবা কিবা কাৰণত ক্লাছ নহ'লে মন পাইছিলোঁ। ময়েই নহয়, মোৰ সহপাঠী বন্ধুসকলেও মু কেতিয়াবা শিক্ষক থাকিও কিবা কাৰণত ক্লাছ নকৰিলে অহা পলম কৰিলে আমি দুজনমান শিক্ষকৰ সাধাৰণ ছাৰসকলক অনুৰোধ কৰিছিলোঁ ক্লাছ কৰিবৰ কাৰ আগ্ৰহ দেখি ছাৰসকলে ক্লাছ কৰি দিছিল। আমি এ কৰি ক্লাছ কৰাৰ কথা শুনি আজিৰ ছাত্ৰসকলে হয়তো

নকৰিব, কিন্তু কথাবোৰ সঁচা।

মই ইমান কষ্ট কৰি কলেজত ক্লাছ কৰাৰ গুৰিতে মোৰ মূনত দুটা কথাই ক্ৰিয়া কৰিছিল। প্ৰথমটো হৈছে— কলেজখনৰ অধ্যক্ষ ছাৰৰ মোৰ প্ৰতি দৰ্শোৱা পিতৃ সুলভ ব্যৱহাৰ আৰু আন আন শিক্ষকসকলৰ ছাত্ৰৰ প্ৰতি থকা দায়িত্ববোধ। এই দুটা দিশে কলেজখনৰ প্ৰতি মোক যথেষ্ট আকৰ্ষণ কৰিছিল। এই ক্ষেত্ৰত আন এটা ব্যক্তিগত ঘটনাইয়ো মোক বি. এ. পাছ কৰিবলৈ জেদী কৰি তুলিছিল। সেইটো হৈছে— অসমীয়া ভাষা-সাহিত্যৰ প্ৰতি থকা মোৰ গভীৰ প্ৰীতি। চৰাইবাহী হাইস্কুলত মই হিন্দী শিক্ষক ৰূপে কাম কৰি থকা অৱস্থাত অৰ্থাৎ ১৯৬৬ চনত তাৰ প্ৰধান শিক্ষক শ্ৰদ্ধেয় কিনাৰাম নাথদেৱে মোক নৱম শ্ৰেণীত অসমীয়া বিষয়টো পঢ়াবলৈ দিছিল। সাধাৰণ মেট্ৰিক-বিশাৰদ হিন্দী শিক্ষক এজনক নৱম শ্ৰেণীত অসমীয়া পঢ়াবলৈ দিয়া দেখি সেই স্কুলতে কৰ্মৰত মেট্ৰিক নৰ্মাল পাছ শিক্ষক দুজন ক্ষুণ্ণ হৈ পৰিছিল। এদিন মই নৱম শ্ৰেণীত অসমীয়া পাঠদান দি শিক্ষকৰ সাধাৰণ কোঠাত প্ৰৱেশ কৰাৰ লগে লগে উক্ত দুয়োজন শিক্ষকেই সমানে মোৰ প্ৰতি বাক্যবাণ নিক্ষেপ কৰিলে এনেদৰে— "নাথ, বাওনা হৈ চন্দ্ৰলৈ হাত নেমেলাই ভাল।" মই একোকে ক'ব নোৱাৰিলোঁ। নিজৰ ভাগ্যকে দুষিলোঁ। কোনোমতে চকুলো সামৰি তেওঁলোকৰ বাক্যবাণ হজম কৰিবলৈ চেষ্টা কৰিলোঁ। ঘৰলৈ আহি বিমর্ষ হৈ থকাৰ কাৰণে পত্নীয়ে কাৰণটো জানি মোক উৎসাহ দিলে— "আপুনি প্ৰাইভেট শিক্ষক প্ৰাৰ্থী হিচাপে আকৌ পৰীক্ষা দিয়ক। আপুনি পাৰিবই বুলি মই জানো। তেওঁলোকক কথাৰে নহয় কামেৰে আপোনাৰ পৰিচয় দিয়ক। পত্নীৰ অনুপ্ৰেৰণাতে মই এডিপি কলেজৰ জৰিয়তে প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষা দি এই কলেজৰ নৈশ শাখাৰ ছাত্ৰ হ'ব পৰিলোঁ। সেই কথাটোতে স্নাতক দ্বিতীয় বৰ্ষত নিয়মীয়া ছাত্ৰ হৈ ক্লাছ কৰাত মই জেদী হৈ পৰিলো। মোৰ লক্ষ্য মই বি. এ. পাছ কৰিবই লাগিব। সেই কাৰণে মই এনেদৰে কষ্ট কৰিছিলোঁ। এই কষ্ট কৰাত অধ্যক্ষ ছাৰ আৰু মোৰ শিক্ষাগুৰুসকলে প্ৰেৰণা যোগাই ছিল। তদুপৰি সহপাঠী কেইজনমান বন্ধুৰ মৰমৰ দাবীত ১৯৬৮ চনত কলেজ সপ্তাহৰ বিভিন্ন গীত-মাত প্ৰতিযোগিতাত অংশ গ্ৰহণ কৰি সৰ্বশ্ৰেষ্ঠ কণ্ঠ শিল্পী হিচাপে পুৰস্কৃত হোৱা, ১৯৬৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ত অনুষ্ঠিত আন্তঃকলেজ সঙ্গীত প্ৰতিযোগিতাত কলেজৰ হৈ যোগদান কৰি বৰগীতত তৃতীয় পুৰস্কাৰ পোৱা, ১৯৬৯-৭০ চনত ভাৰত-ছোভিয়েট মৈত্ৰী সংঘই সদৌ অসম ভিত্তিত আয়োজন কৰা ভাৰত-ছোভিয়েট মৈত্ৰী আৰু ভাৰতৰ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ শীৰ্ষক ৰচনা প্ৰতিযোগিতাত দ্বিতীয় পুৰস্কাৰ লাভ কৰি কলেজখনলৈ গৌৰৱ কঢ়িয়াই অনাৰ বাবে অধ্যক্ষ মহোদয়কে প্ৰমুখ্য কৰি শিক্ষাগুৰুসকলৰ পৰা পোৱা শুভকামনা আৰু ছাত্ৰ-ছাত্ৰীসকলৰ পৰা পোৱা আদৰ প্ৰীতিয়ে কলেজখনৰ প্ৰতি মোৰ আকৰ্ষণ বৃদ্ধি কৰিছিল আৰু সেই কাৰণেও মই কষ্ট কৰি হ'লেও নিয়মিতভাৱে ক্লাছ কৰিবলৈ উৎসাহিত হৈ পৰিছিলোঁ। কলেজখনৰ মুখপত্ৰ 'এডিপিয়ান'ত মোৰ "কবি, দাৰ্শনিক আৰু বিজ্ঞানীৰ দৃষ্টিভঙ্গী" আৰু "ভাৰত-ছোভিয়েট মৈত্ৰী আৰু ভাৰতৰ অৰ্থনীতিত ইয়াৰ প্ৰভাৱ" এই লেখা দুটা প্ৰকাশ পাইছিল। ভালেমান গীত আৰু দুখন একাংকিকা নাট লেখাৰো প্ৰেৰণা পাইছিলো কলেজত পঢ়ি থকা সেই সময়ছোৱাত। এনেদৰে তিনিটা বছৰ অতিক্ৰম কৰি ১৯৭০ চনত বি. এ. ডিগ্ৰী লাভ কৰিলোঁ।

এইখিনিতে এটা কথা উল্লেখ কৰাৰ লোভ সামৰিব নোৱৰিলোঁ। মোৰ লগতে বিভিন্ন কার্যালয়ত দিনত চাকৰি কৰি এডিপি কলেজৰ নৈশ শাখাত অধ্যয়ন কৰা কেইবাজনো সহপাঠী বন্ধুৰ আড্ডাথলী আছিল এখন চাহ-ভাতৰ হোটেল। হোটেলখনৰ গৰাকী আছিল এজন বিহাৰী লোক। এডিপি কলেজৰ তেতিয়া সন্মুখ আছিল কলঙৰ ফালে। সেই ফালে ভূঞাপট্টিৰ ফালৰ পৰা অহা পথটোৱে ৩৭ নং ৰাষ্ট্ৰীয় ঘাই পথৰ যি ঠাইত লগ লাগিছে সেই ঠাইৰে উত্তৰ ফালৰ চুকটোতে আছিল আমাৰ আড্ডাৰ হোটেলখন। কলেজলৈ যাওঁতে বিয়লি ঘৰত ভাত-খাই যাবলৈ সময় নহ'লে কলেজৰ অফ্ পিৰিয়ডত আমি ৪/৫ জনমান সহপাঠী বন্ধুৱে গৈ সেই হোটেলত ৰুটী-পৰঠা খাইছিলোঁ আৰু সদায় অফ্ পিৰিয়ডত তালৈ গৈ চাহ-তাহ খাইছিলোঁ। হোটেলৰ মলিকজনৰ লগত আমাৰ ভাল বন্ধুত্ব গঢ়ি উঠিছিল। আমাৰ আড্ডাৰ বিষয় আছিল হাস্য-ব্যঙ্গ, কলা-সংস্কৃতি, ভাষা-সাহিত্য, ৰাজনীতি, শিক্ষা, দর্শন, বিজ্ঞান আদি বিভিন্ন বিষয়ক। কেতিয়াবা কেতিয়াবা হোটেলৰ মালিকজনেও আমাৰ আড্ডাত অংশ গ্ৰহণ কৰিছিল। তেওঁৰ নামটো কি আছিল, পাহৰিলোঁ, কিন্তু আমি তেওঁক 'বৰা ভাই' বুলি সম্বোধন কৰিছিলোঁ। এতিয়া সেইখন হোটেল নাই। এই হোটেলৰ আড্ডাতে থিৰাং হৈছিল কলেজ সপ্তাহৰ একাংকিকা নাট প্ৰতিযোগিতাত আমাৰ দলটোৱে অংশ গ্ৰহণ কৰাৰ। নাটৰ দায়িত্ব দিছিল মোৰ ওপৰতে। মই একাংকিকা এখন লিখিলো নাম 'এমুঠি চাউল' প্ৰতিযোগিতাত আমাৰ 'এমুঠি চাউল'-এ প্ৰথম পুৰস্কাৰ পাইছিল। তাৰ কাৰণে হোটেলখনৰ মলিক 'বৰা ভায়'-এ আমাৰ দলটোক চাহ-মিঠাই খুৱাই আমাৰ আনন্দৰ ভাগ লৈছিল। তেতিয়া এডিপি কলেজত বিজ্ঞান শাখাটো খোলা হোৱা নাছিল। কলেজখনৰ ভৱন আছিল তিনিটা। বর্তমানৰ পূবা-পশ্চিমাকৈ থকা পুৰণি ঘৰটো, দুইতলাৰ বেজবৰুৱা ভৱনটো আৰু পুৰণা ঘৰটোৰ সন্মুখৰ ঘৰটো।

পূবা-পশ্চিমাকৈ থকা ভৱনটোৰ পূবৰ প্ৰথম কোঠাটোৱেই আছিল অধ্যক্ষৰ কোঠা। দ্বিতীয় কোঠাটোত আছিল কার্যালয় আৰু লাইব্ৰেৰী। শিক্ষকৰ জিৰণি কোঠা আছিল বেজবৰুৱা ভৱনৰ ওপৰ তলাত। তলৰ তলাটোতে ছাত্ৰ-ছাত্ৰীৰ উমৈহতীয়া বিষয় ইংৰাজী আৰু অসমীয়া বিষয় দুটাৰ ক্লাছ হৈছিল। বাকীবোৰ বিষয়ৰ ক্লাছ হৈছিল পুৰণা ভৱনটোৰ কোঠা কেইটাত। মোৰ বিষয় আছিল উমৈহতীয়া ইংৰাজী, অসমীয়াৰ লগতে শিক্ষা আৰু অসমীয়া দ্বিতীয় ভাষা। সেইদৰে মোৰ সহপাঠীসকলেও আগ্ৰহ অনুযায়ী

বিষয় বাছি লৈছিল। তেতিয়া আমি আমাৰ নির্দিষ্ট বিষয়সমূহ পঢ়োৱা শিক্ষাগুৰুসকলকেই যে শ্রদ্ধা-ভক্তি কৰিছিলোঁ এনে নহয়, অন্য বিষয়ৰ শিক্ষাগুৰুসকলকো সমানেই শ্রদ্ধা আৰু সমীহ কৰি চলিছিলোঁ। আমি কেইদিনমানৰ কাৰণে সঙ্গ পাইছিলোঁ ইংৰাজী বিষয়ৰ শিক্ষক লক্ষ্মী নাৰায়ণ বৰা আৰু যামিনী ফুকন ছাৰক। তেখেতসকলৰ ব্যক্তিত্ব আৰু ছাত্ৰৰ প্ৰতি থকা দায়িত্ববোধৰ কথা পাহৰিব পৰা বিধৰ নাছিল। সেইদৰে ইংৰাজী বিষয়ৰ শিক্ষক ৰবীন্দ্ৰ চন্দ্ৰ বৰা, ধীৰেন বৰদলৈ, অসমীয়া বিষয়ৰ শিক্ষক হীৰেন শইকীয়া, নৰেন কলিতা, দেৱ কুমাৰ শইকীয়া, শিক্ষা বিষয়ৰ শিক্ষক— নৰেন্দ্ৰ নাথ শইকীয়া, জীতেন বৰা, অৰ্থনীতিৰ শিক্ষক— বাণেশ্বৰ শইকীয়া, ৰাজনীতি বিজ্ঞানৰ শিক্ষক— পুষ্প বৰা, সহজানন্দ ওজা, প্ৰীতম সিং, ভূগোল বিষয়ৰ— দেবেন শইকীয়া, নগেন নাথ, উপাধ্যক্ষ— নাৰায়ণ বৰ্মন, সংস্কৃতৰ— শৰৎ মাধব কুম্ৰে, বাংলা বিষয়ৰ— মলয় ৰয় আদি ছাৰসকলৰ সহৃদয়তাৰে কলেজখনৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকৰ মাজত গঢ়ি উঠিছিল পাহৰিব নোৱাৰা এক মধুৰ সম্পৰ্ক। এই মধুৰ সম্পৰ্কৰ কথা সুঁৱৰি আজিও মনটো উৰা মাৰিব খোজে— তাহানিৰ সেই কলেজীয়া জীৱনলৈ। কার্যালয় সহকাৰীসকল— ৰোহিত মহন্ত, প্ৰবীণ হাজৰিকা, হেম বৰুৱা আৰু আবু ছুলেমানৰ সৈতে আমাৰ বন্ধুত্বসুলভ সম্পৰ্ক আছিল। একেদৰে চতুৰ্থ শ্ৰেণীৰ কর্মচাৰীসকলৰ লগতো আমাৰ ভাতৃসুলভ সম্পৰ্ক গঢ়ি উঠিছিল। সেই সম্পৰ্কৰ সাক্ষী হিচাপে আজিও কলেজ পুথিভঁৰালত কর্মৰত হৈ আছে— প্ৰণৱ মুদৈ। নৈশ শাখাত পঢ়াৰ কাৰণে পুথিভঁৰালৰ লগত আমাৰ তেনেকৈ সম্পৰ্ক গঢ়ি উঠা নাছিল যদিও মাজে মাজে দুই-এখন কিতাপ বিচাৰি পুথিভঁৰাললৈ গৈছিলোঁ।

আমাৰ সহপাঠী বন্ধু হিচাপে লগ পাইছিলোঁ দিবা শাখাৰ— যতীন্দ্ৰ কুমাৰ বৰগোহাঞি (বর্তমান এগৰাকী প্ৰতিষ্ঠিত চিন্তাশীল লেখক, বুদ্ধিজীৱী), ওৱাহিদুৰ ৰহমান (পেৰডি গায়ক), লক্ষীবল্লভ কন্দলী (বর্তমান শাস্ত্ৰীয় সঙ্গীতজ্ঞ), নৈশ শাখাৰ— তবলাবাদক সূর্য ভূঞা, অভিনেতা দুর্লভ হাজৰিকা, দেবেন শর্মা আৰু বহুতকে। আমাৰ সহপাঠী হিচাপে লগ পাইছি তিনিগৰাকী ছাত্ৰীক। তেঁলোকৰ ভিতৰত জেৰিণ হাজৰিকা আমাৰ, বিশেষকৈ মোৰ অতি মৰমৰ ভগ্নী। তেওঁ তেতিয়া ঘাই পথ প্ৰাধিকৰণৰ নগাঁও কার্যালয়ত কেৰাণি চাকৰি কৰি শাখাত আমাৰ লগত পঢ়িছিল। তেওঁৰ ঘৰটো কলেজৰ আছিল। মোতকৈ বয়সত সৰু আছিল বাবে তেওঁ মোক সম্বোধন কৰিছিল আৰু ময়ো নিজৰ ভনীৰ দৰে কৰিছিলোঁ। তেওঁৰ মাক, ভনীয়েক-ভায়েকহঁতৰ লগতো সম্পৰ্ক আছিল নিজৰ ঘৰৰ দৰে। বি.এ. পাছ কৰি তেওঁ বিভাগৰ কার্যালয় বিষয়া হয়গৈ।

এডিপি কলেজত পঢ়ি থকা সময়ছোৱাত অধ্যক্ষ যোগেদি কলেজলৈ আমন্ত্ৰণ কৰি অনা দুগৰাকী মহান দর্শন লাভ কৰিবলৈ আমাৰ সৌভাগ্য হৈছিল। প্ৰথমগৰাকী অসমৰ তদানীন্তন মুখ্যমন্ত্ৰী বিমলা প্ৰসাদ চলিহা। চনটো মনত যদিও তেখেতক আমি খোল-তাল বজাই আদৰি অনাৰ কথা মনত আছে। দ্বিতীয়গৰাকী হৈছে— সু-সাহিত্যিক তথা শিক্ষা গিৰিধৰ শর্মা। তেখেত আমাৰ কলেজলৈ ১৯৬৮ চনৰ সপ্তাহৰ বঁটা বিতৰণী সভাৰ মুখ্য অতিথি ৰূপে আহিছিল। স্নাতক প্ৰথম বার্ষিকত থকা সময়ত কলাগুৰু বিষ্ণুপ্ৰসাদ আমাৰ কলেজলৈ আহিছিল। পিছে মই প্ৰথম বার্ষিকত নিয়া নাছিলোঁ কাৰণে তেখেতক দেখাৰ সৌভাগ্য নহ'ল।

এই কথা অনস্বীকার্য যে, অধ্যক্ষ হাই ছাৰ এগৰাকী প্ৰকৃত শিক্ষক, দক্ষ প্ৰশাসক, ছাত্ৰ-ছাত্ৰীৰ অভিভাৱক আৰু এগৰাকী জনপ্ৰিয় সমাজকর্মী। এইগৰাকী শিক্ষকৰ ছাত্ৰ-ছায়াত তিনিটা বছৰ শিক্ষালাভ কৰি যি জ্ঞান কৰিলোঁ তাৰ তুলনা নাই। তেখেতৰ দক্ষ পৰিচালনাত কলেজত শিক্ষক-ছাত্ৰৰ মাজত যি মধুৰ সম্পৰ্ক গঢ়ি উঠি সেই সম্পৰ্ক আজি ঘৰে-দুৱাৰে উন্নত হৈ পৰা কলেজখনক হেৰাই গৈছে বুলি অনুভৱ হয়। সেই মধুৰ সম্পৰ্ক পুনৰ তোলাত শিক্ষক, ছাত্ৰ আটায়ে চেষ্টা কৰিবনে বাৰু?

মহাবিদ্যালয়ৰ স্মৃতি সুঁৱৰি

প্ৰভাত শৰ্মা বৰুৱা

১৯৫৯ চনৰ প্ৰথম ভাগলৈকে নগাঁও জিলাত চাকৰি কৰা ব্যক্তিয়ে কলা শাখাত উচ্চ শিক্ষা ল'ব নোৱাৰাৰ অন্যতম কাৰণ আছিল এখন নৈশ শাখাৰ শিক্ষানুষ্ঠানৰ অভাৱ। তেতিয়াৰ দিনত মেট্ৰিক বা ইণ্টাৰমেডিয়েট পাছ কৰিয়েই স্কুল বা কাৰ্যালয়ত চাকৰি এটাৰ যোগাৰ হৈ গৈছিল। এনেকুৱা স্নাতক উপাধি ল'ব নোৱাৰা ব্যক্তি জিলাখনত বহুত আছিল।

১৯৫৯ চনত আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবাৰ্ষিকীৰ সভাত জিলাখনৰ কেইজনমান উকীল, বুদ্ধিজীৱী, অধ্যাপক, সমাজকৰ্মীৰ লগতে কেইজনমান উদীয়মান যুৱকে জিলাখনত আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত এখন কলা শাখাৰ নৈশ মহাবিদ্যালয় স্থাপন কৰাৰ সিদ্ধান্ত লয় আৰু সেই মহাবিদ্যালয়ৰ অধ্যক্ষ মনোনীত কৰে শুকদেৱ গোস্বামীদেৱক। ১৯৫৯ চনৰ ৭ চেপ্তেম্বৰত প্ৰথম প্ৰতিষ্ঠা দিৱস পালন কৰা হয়।

শুকদেৱ গোস্বামীদেৱে ১৯২৪ চনত লণ্ডনলৈ গৈ উচ্চশিক্ষালৈ তাতে এগৰাকী মেম বিয়া কৰাই ১৯৪৯ চনত নগাঁৱলৈ ঘূৰি আহে। সেই সময়ত তেখেত দুয়োজনকে চাবলৈ মানুহৰ ভিৰ হৈছিল। তেখেতৰ পৰিবাৰৰ নাম আছিল মিছেচ ছাৰাহ। গোস্বামীদেৱে অধ্যক্ষৰ দায়িত্বলৈ গৃহ নিৰ্মাণৰ বাবে বৰ্তমান স্থান ডাকোৱাল গাঁৱৰ মাটি এডোখৰ (চৰকাৰী মাটি) ঠিক কৰে। প্ৰথমে অধ্যক্ষৰ কোঠাটো (পথালিকৈ থকা) আৰু পিছলৈ শ্ৰেণীকোঠা বিলাকৰ কাম আৰম্ভ হয়। ঘৰৰ খুঁটাবোৰ টান ইটা ভাঙি সৰু সৰু কৰি চিমেণ্টৰ লগতে মিহলি কৰি ঢালাই দিয়া হৈছিল। প্ৰথম দুবছৰমান শ্ৰেণীবিলাক ডচন উচ্চ মাধ্যমিক বিদ্যালয় আৰু চৰকাৰী বালক বিদ্যালয়ত হৈছিল।

১৯৬০ চনত এদিন মই পঢ়া নগাঁও কলেজৰ পৰা গৈ অধ্যক্ষ মহোদয়ক কিবা কথাত লগ ধৰিছিলোঁ। তেখেতে মোক পিছদিনা দেখা কৰিবলৈ ক'লে। ১ চেপ্তেম্বৰ ১৯৬০ চনত মই এ. ডি. পি. কলেজৰ চাকৰিয়াল হ'লোঁ। ২ চেপ্তেম্বৰৰ পুৱা ৭-৩০ মান বজাত অধ্যক্ষ মহোদয়ৰ 'VANGAURD' গাড়ীত উঠি ডাকোৱাল গাঁৱৰ মাজৰ এডোখৰ মাটি— সন্মুখত এটা কুঁৱা, কেইজোপামান নাৰিকল গছ— তাতে নামিলোগৈ।

মোৰ Bharat Scouts and Guides, Congress Sevadal, Gandhi Memorial Trust আৰু N.C.C. (B. Certificate passed) Training লৈ, মনত সমাজ সেৱা কৰাৰ অদম্য হেঁপাহ আছিল। গতিকে মই কলেজলৈ আহি কিমান বনুৱাই কাম কৰিছে চাই অধ্যক্ষ মহোদয়ক জনাই, নগাঁও কলেজত ক্লাছ কৰি দুপৰীয়া কংগ্ৰেছ অফিচত ভাত খাই পুনৰ আবেলি চাৰি বজাত অধ্যক্ষ মহোদয়ৰ ঘৰত থকা অফিচত কাম কৰিছিলোঁহি। তেতিয়া মহেশ চন্দ্ৰ ভট্টাচাৰ্য নামৰ এজন ব্যক্তি অংশকালীন একাউণ্টেণ্ট আছিল।

১৯৬১-৬২ চনত কলেজৰ অফিচটো বৰ্তমানৰ স্থায়ী গৃহলৈ স্থানান্তৰ কৰা হয়। তেতিয়াৰ সহকাৰী সাধাৰণ সম্পাদক শ্ৰীখৰ্গেশ্বৰ বৰাই এই ক্ষেত্ৰত যথেষ্ট সহায় কৰিছিল। তেখেত অধ্যক্ষ মহোদয়ৰ ঘৰতে আছিল।

লাহে লাহে ক্লাছবোৰ নতুনকৈ সাজি উলিওৱা ঘৰতেই হ'বলৈ ধৰিলে। বিদ্যুতৰ সুবিধা নথকাত 'মেন্থল লাইট'ৰ ব্যৱস্থা কৰা হৈছিল। এইবোৰ কাম কৰিবলৈ নির্দিষ্ট মানুহ নথকাৰ কাৰণে মই নিজেই লাইটবোৰ জ্বলাই শ্রেণীসমূহত দি দিছিলোঁ। পিছলৈ ডায়নেমোৰ ব্যৱস্থা কৰা হৈছিল। ছাদ্ ঢালাই নোহোৱাৰ কাৰণে ওপৰত তিৰপাল দিয়া হৈছিল— বৰষুণ পৰিলে পানীৰে তললৈ দোঁ খাই আহিলে মই দীঘল বাঁহেৰে দাঙি পানীবোৰ উলিয়াই দিছিলোঁ। এনেদৰে ঠাইখন সন্ধ্যাৰ ভাগত সজীৱ হৈ উঠিছিল। কেতিয়াবা বৰষুণ-ধুমুহা আহিব বুলি গম পালে সকলোকে সোনকালে ঘৰলৈ যাবলৈ কোৱা হৈছিল।

ছাত্রৰ অভাৱ নাছিল। কলিয়াবৰ অঞ্চলৰ পৰা আৰম্ভ কৰি ৰহালৈকে ছাত্রসকলে অশেষ কষ্ট কৰি শিক্ষা গ্রহণ কৰিছিল।

মহাবিদ্যালয়খনৰ উন্নতিৰ ক্ষেত্রত যত্নপৰ হোৱা ব্যক্তিসকলৰ ভিতৰত প্রয়াত মহেশচন্দ্র দেৱগোস্বামী, যোগেশচন্দ্র শর্মা, কুশদেৱ গোস্বামী, গিৰিকান্ত বৰুৱা, ৰূপৰাম সূত, নগাঁও মহাবিদ্যালয়ৰ অধ্যাপকসকল, তেতিয়াৰ সাধাৰণ সম্পাদকসকল আৰু নগাঁৱৰ বিভিন্ন ব্যক্তিসকলেই প্রধান।

প্রথম অৱস্থাত ইয়াৰ পৰা এজনে স্নাতক হৈ এম. এ. পাছ কৰি শিক্ষক, নগাঁও মহাবিদ্যালয়ত কোনো বিষয়ত মুৰব্বী অধ্যাপক হয় গৈ। U.D.A. গৈ Supply Superintendent আৰু এজন Sales Tax Superintendent হয়। তিনিবাৰকৈ M.P. হোৱা শ্রীযুত ৰাজেন গোঁহাই আমাৰ মহাবিদ্যালয়ৰে ছাত্র আছিল।

মৰহুম চামচুল হুদা ডাঙৰীয়াই কলেজৰ মাটি কিনা, চৰকাৰী মাটি কলেজৰ নামলৈ অনা আদি কামবোৰ কৰিছিল। পিছলৈ এই দায়িত্ব মোক দিয়া হয়। এনেদৰে কলেজৰ বিভিন্ন কামত জড়িত হৈ পৰিছিলোঁ। যেনে — নবাগত আদৰণী উৎসৱত খাদ্যবস্তু বিতৰণত চোৱা-চিতা কৰা, সৰস্বতী পূজাত আগদিনা বাতি থাকি পিছদিনা খিচিৰি বিলোৱা, মিটিঙৰ কাৰণে সভাঘৰ সজোৱা ইত্যাদি।

১৯৬৪ চনৰ বিজয়া দশমীৰ দিনা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীদেৱে হঠাতে ক'ৰ'নাৰি থ্রম্বচিচত আক্রান্ত হৈ মৃত্যু বৰণ কৰে।

১৯৬৫ চনৰ ফেব্রুৱাৰী মাহত নগাঁও মহাবিদ্যালয়ৰ বুৰঞ্জীৰ অধ্যাপক মহম্মদ আব্দুল হাই ছাৰে অধ্যক্ষ হিচাপে এই মহাবিদ্যালয়ত নিযুক্তি লাভ কৰে। মই স্নাতক হৈ বেলেগ চাকৰিলৈ যাবলৈ বিচাৰিছিলোঁ, কিন্তু তেখেতে যাবলৈ নিদি 'দেপুটেশ্বন'ত লাইব্রেৰি চাইন্স পঢ়িবলৈ পঠাম বুলি আশ্বাস দিলে। ১/৯/৭০ চনত মই মহাবিদ্যালয়খনৰ পূর্ণ পর্যায়ৰ গ্রন্থাগাৰিক হওঁ।

মহাবিদ্যালয়ৰ কাম-কাজ তেনেদৰেই চলি থাকিল ছাৰে যিটো কামকে কৰিবলৈ দিছিল তাকে কৰি দিছিলোঁ। এটা বিশেষ গুণ আছিল তেখেতে খং নকৰিছিল। পিকনিক গ'লে সকলোকে সমান ব্যৱহাৰ কৰিছিল। তেখেতৰ কার্যকা এডিপি কলেজৰ উদ্যোগত প্রথম আন্তঃ মহাবিদ্যালয় ক্রীড়া হৈছিল। তেখেতৰ দিনতে মহাবিদ্যালয়খনত বিজ্ঞান শাখাও হৈছিল।

পুৰণা চাম শিক্ষকসকলৰ ভিতৰৰ বহুতে চাকৰি এৰি গ'ল। তাৰ ভিতৰত আছিল— ভাৰত চন্দ্র মিশ্র ভাগ (ইংৰাজী), প্রয়াত হৰেশ্বৰ গোস্বামী (শিক্ষা)। গোস্বামীদেৱ অসাধাৰণ ব্যক্তিত্বৰ অধ্যাপক হোৱাৰ লগতে সু-অভিনে আছিল। তেখেতে 'An Introduction to Educat নামৰ এখন কিতাপো লিখিছিল। এই শিক্ষকসকলৰ ভিত শ্রীযুত নাৰায়ণ চন্দ্র বর্মনদেৱ বৈ যায়। তেখেত পিছলৈ হাই মৃত্যুৰ পিছত অধ্যক্ষ নিযুক্ত হয়। তেখেত মহাবিদ্যালয়ৰ এন.চি.চি. অফিছাৰ আছিল। তেখেতৰ প্রশাসনিক দ প্রশংসনীয় আছিল আৰু কোনো কথাতে বিচলিত নহৈছিল।

ছাত্রসকলৰ ভিতৰত শ্রীউপেন্দ্র নাথ বৰা, শ্রীললিত হাজৰিকা, প্রয়াত খগেন্দ্রনাথ ভূঞা বৰা, চন্দ্র কুমাৰ শইকী অনেশ্বৰ শইকীয়া (সকলো সাধাৰণ সম্পাদক), ৰমেশ চন্দ্র (বিধায়ক), লক্ষ্মীপ্রসাদ হাজৰিকা (মন্ত্রী), জ্যেষ্ঠ ছাত্র মহ আমিৰউদ্দিন (Dy Speaker M.L.C), হৰনাথ উল্লেখযোগ্য।

প্রথম অৱস্থাত ছাত্রসকল মোতকৈ যথেষ্ট ডাঙৰ আছি বছৰ বাগৰাৰ লগে লগে প্রায় সকলোবোৰ মোৰ বয়সৰ হ'ল পাছলৈ মোতকৈ সৰুহে যাবলৈ ধৰিলে; কিন্তু মই ছাত্রসক লগত সকলো উৎসৱতে সহযোগ কৰিছিলোঁ।

শুকদেৱ গোস্বামীদেৱৰ মৃত্যুৰ পাছত তেখেতৰ স্মৃতি পৰিয়ালৰ আর্থিক সাহায্যৰে এটি ভৱন নির্মাণৰ আয়োজন হৈছিল। কিন্তু তেখেতৰ পৰিবাৰ লণ্ডনলৈ উভতি যাব হোৱাত, উক্ত ভৱনৰ নির্মাণ কার্য হৈ নুঠিল। ২০০৪ চন গোস্বামীদেৱৰ পৰিবাৰৰ লণ্ডতে মৃত্যু হয়। উল্লেখনীয় মহাবিদ্যালয়খন ঠন ধৰি উঠা দেখি কিছু ব্যক্তিয়ে বর্তমানৰ ঠা পৰা আমোলাপট্টিৰ শ্মশানৰ সন্মুখৰ মুকলি ঠাইডোখৰলৈ নি বিচাৰিছিল। কিন্তু গোস্বামীদেৱ এই কথাত একমত নহ'ল।

২০০৪ চনৰ ৩১ জানুৱাৰি তাৰিখে ৪৩ বছৰ ৫ ম চাকৰি কৰি জ্যেষ্ঠ গ্রন্থাগাৰিক হিচাপে অৱসৰ লওঁ। বর্তম মহাবিদ্যালয়খনে সকলো দিশতে উন্নতি কৰিছে আৰু অ আগুৱাই যোৱাৰ আশাৰে মোৰ লেখাৰ সামৰণি মাৰিলোঁ। □

আমাৰ দিনৰ এডিপি কলেজ

ড° ৰাজেন শইকীয়া

এডিপি কলেজখনক জনাৰ আগতেই আমি জানিবলৈ পাইছিলোঁ কলেজখনৰ প্ৰতিষ্ঠাপক অধ্যক্ষজনক— হাইস্কুলৰ তলৰ শ্ৰেণীত থাকোঁতেই, বিলাতফেৰত শুকদেৱ গোস্বামী নামৰ সুদৰ্শন মানুহজনক। তেখেতে আমাৰ স্কুলৰ কোনো এখন সভাত ভাষণ দিছিল। অলপ দিনৰ পাছত দেখিলোঁ তেখেত নগাঁও লোকসভা সমষ্টিৰ স্বতন্ত্ৰ দলৰ প্ৰাৰ্থী হৈছে। ডাঙৰসকলে কোৱা-কুই কৰা শুনিছিলোঁ শুকদেৱ গোস্বামী বৰ সাহসী মানুহ। গৱৰ্ণমেণ্টলৈ ভয় নকৰে। গৱৰ্ণমেণ্টলৈ ভয় নকৰে— যি কোনো মানুহৰ বাবে এইটো সেই সময়ৰ এটা বীৰত্বব্যঞ্জক আৰু ৰাইজৰ শ্ৰদ্ধা উদ্ৰেককাৰী মহিমা। কলেজ পতাটো কোনো অলপ ধতুৰা মানুহৰ কাম নহয়। অসমৰ এজন প্ৰাতঃস্মৰণীয় পুৰুষ আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত কলেজ এখন প্ৰতিষ্ঠা কৰা কথাটোৱেই সেই সময়ৰ নগাঁৱৰ সামাজিক আৰু সাংস্কৃতিক নেতৃত্ব দিয়া লোকসকলৰ উচ্চ গুণগ্ৰাহিতা আৰু প্ৰেৰণাদায়ী চিন্তাৰ পৰিচয় দিয়ে। এই ছেগতে আমি সেইসকলক শ্ৰদ্ধাৰে স্মৰণ কৰিছোঁ।

ৰাতিৰ কলেজ, সেইটোৱেই আছিল এডিপি কলেজৰ বিষয়ে সকলোৱে জনা সাধাৰণ কথা। ১৯৬৬ চনত নগাঁও কলেজৰ পৰা তেতিয়াৰ দিনৰ এবছৰীয়া প্ৰাক্‌বিশ্ববিদ্যালয় পৰীক্ষা পাছ কৰি মহাসংকটত পৰিলোঁ। ভাবিছিলোঁ ইংৰাজী বিষয়ত অনাৰ্ছ লৈ বি-এ পঢ়িম। কিন্তু নগাঁও কলেজৰ ইংৰাজী বিষয়ৰ মুৰব্বী অধ্যাপক, মোৰ প্ৰিয় শিক্ষক সমৰেন্দ্ৰ নাৰায়ণ চক্ৰৱৰ্তীক লগ ধৰিলত ছাৰে ক'লে যে ইংৰাজী বিষয়ত অনাৰ্ছ খুলিবলৈ কলেজত শিক্ষকৰ অভাৱ। বুৰঞ্জী বিষয়তো তেতিয়ালৈকে অনাৰ্ছ পাঠ্যক্ৰম আৰম্ভ হোৱা নাছিল। শিক্ষক আছিল দুগৰাকী— ললিত শইকীয়া আৰু ভানু গোস্বামী। জিলাৰ বাহিৰলৈ গৈ কলেজ পঢ়া কথাটো আছিল কল্পনাৰ অতীত।

পাঠকে ভুল নুবুজিব, অনাৰ্ছ লৈ বি.এ. পঢ়াটো আছিল মোৰ একান্ত অস্থিৰ অনুৰাগ। হাইস্কুলৰ মাজভাগতে মোৰ গাত এবিধ ৰাজনৈতিক বায়ু এনেকৈ চৰিছিল যে সকলো আনুষ্ঠানিক পঢ়া-শুনা বাদ দি বহেমিয়ান সমাজসেৱক হোৱাৰ অনুশীলন প্ৰায় সম্পূৰ্ণ কৰিছিলোঁ। নদীৰ পানী সিঁচি নদী পাৰ হ'ম এনেকুৱাই আছিল মোৰ আত্মনাশী আৰু হঠকাৰী চিন্তা।

সি যি হওক কোনোবা শুভক্ষণত এদিন মই এডিপি কলেজলৈ বুলি বাট ল'লোঁ। অধ্যক্ষ আব্দুল হাই অফিচত বহি আছে। যদিও সেই বছৰৰ পৰা অৰ্থনীতি আৰু ৰাজনীতি বিজ্ঞান এই দুটা বিষয়তহে অনাৰ্ছ খোলা হৈছে বুলি জাননী দিয়া হৈছিল, তেখেতক লগ ধৰি মোৰ সমস্যাৰ কথা ক'লোঁ। তেখেতে ক'লে— তুমি এডমিশ্যন ল'লে মই হিষ্ট্ৰিত অনাৰ্ছ খুলিম। মই ক'লো ঠিক আছে, ইয়াতে পঢ়িম। ছাৰে ক'লে আজিয়েই এডমিশ্যন লোৱা। মোৰ হাতত আছিল এঘাৰ টকা, এডমিশ্যনৰ বাবে লাগে ছয়ছল্লিশ টকা। গতিকে ছাৰৰ পৰামৰ্শমতে দৰ্খাস্ত এখন দি দহটকাত মই লগে লগে এডমিশ্যন ল'লোঁ। মার্কশ্বিট, চার্টিফিকেটৰ নাম নাই। এডমিশ্যন ফৰ্মৰ নিৰ্দিষ্ট ঠাইত সেইখিনি কথা পূৰাই দিছিলোঁ। যিমানদূৰ মনত পৰে, দুয়ো পিঠিত ছপা কৰা এখিলা ফুলস্কেপ কাগজেই এডমিশ্যন ফৰ্ম। আবেদনকাৰীয়ে বিনা পইচাতে সেইখন পাইছিল। প্ৰসঙ্গক্ৰমে কৈ থওঁ যে ১৯৬৬ চনৰ পৰাহে এডিপি কলেজত দিবা শাখা আৰম্ভ কৰা

হৈছিল। সেইদিনা কলেজ অফিচত মাত্র এজন কেৰাণী আছিল— প্ৰভাত শৰ্মা বৰুৱা। তেখেতেই মোৰ পৰা দহটকা লৈ মোক নামভৰ্তিৰ ৰছিদখন দি ক'লে ক্লাছ আৰম্ভ হোৱাৰ আগে আগে মাৰ্কশ্বিট-চাৰ্টিফিকেটৰ এটেষ্টেড কপি আৰু তিনি মাহৰ ভিতৰত বাকীখিনি টকা আদায় দিব লাগিব। ওখ-পাখ ফিট-ফাট টাউনিয়া ডেকা প্ৰভাত শৰ্মা বৰুৱাৰে সৈতে তেতিয়াৰ পৰা মোৰ হৃদ্যতা। কেইবছৰমানৰ ভিতৰতে লাইব্ৰেৰি ছায়েন্সৰ ডিগ্ৰী লৈ তেখেত কলেজৰ লাইব্ৰেৰিয়ান হৈছিল। ভাৰপ্ৰাপ্ত লাইব্ৰেৰিয়ান হিচাপেও তেখেতে আমাৰ দৰে ছাত্ৰসকলক উদাৰভাৱে সহায় কৰিছিল।

তেতিয়াৰ দিনত এডমিশ্যনৰ ধৰাবন্ধা তাৰিখ নাছিল, অন্ততঃ এডিপি কলেজত। আবেদনকাৰীয়ে প্ৰ-পত্ৰ লৈ অধ্যক্ষক দেখা কৰে, অধ্যক্ষই তাত চহী কৰি নামভৰ্তিৰ হুকুম দিয়ে। প্ৰ-পত্ৰবোৰ চাইচিতি দিছিল ৰোহিত মহন্তই। তেখেতো দীৰ্ঘদিন ধৰি কলেজৰ বৰবাবু আছিল।

সৰুৰে পৰা আমাৰ জুৰিয়া অঞ্চলৰ এসময়ৰ পাব্লিক ফিগাৰ ওছমান আলি সদাগৰৰ পুত্ৰ নগাঁও কলেজৰ প্ৰফেছাৰ আব্দুল হাইৰ নাম শুনিছিলোঁ যদিও দেখাৰ সুযোগ পোৱা নাছিলোঁ। প্ৰথম সাক্ষাততে তেখেতৰ অনুগ্ৰহ পাই ধন্য হৈছিলোঁ। আন এটা কাৰণতো তেখেতৰ প্ৰতি মোৰ কৌতূহল আছিল। তেখেতৰ সমবয়সীয়াসকলৰ পৰা শুনিছিলোঁ আব্দুল হাই আৰু তেখেতৰ দুই ভ্ৰাতৃ এসময়ৰ নামী ফুটবল খেলুৰৈ। অলপতে আৰিষ্কাৰ কৰিলোঁ, হাই ছাৰৰে একালৰ সহকৰ্মী ললিত শইকীয়া ছাৰো এজন নিপুণ ফুটবলাৰ আছিল। সেইবিধ নিচাই মোকো পাইছিল। আচলতে সেই সময়ত অসমৰ গাঁও-ভূঁই, নগৰ-চহৰ সকলোতে ফুটবল আছিল আটাইতকৈ জনপ্ৰিয় খেল। সেইটো আছিল ফুটবলৰ স্বৰ্ণযুগ।

কোন অন্তৰ্যামীৰ নিৰ্দেশত সেইদিনা এডিপি কলেজলৈ গৈছিলোঁ নাজানো। এতিয়া উভতি চাই দেখিছোঁ— তেনেকুৱা বিশেষৰো বিশেষ দিন মানুহৰ জীৱনলৈ বৰ সঘনাই নাহে। অলপ দিনৰ ভিতৰতে বুৰঞ্জীৰ অনাৰ্হত ভৰ্তি হ'ল আলিটাঙনিৰ তালেব আলি আৰু ৰহাৰ জ্যোতিষ দাস। কিবা কাৰণত জ্যোতিষ বেছি দিন টিকিল। ১৯৬৬ চনতে কলেজত বুৰঞ্জীৰ শিক্ষক আছিল তিনিগৰাকী— কন্দৰ্পদেৱ গোস্বামী, ধৰ্মেশ্বৰ বৰা আৰু মহম্মদ ছামচুদ্দিন। হাই ছাৰেও প্ৰথমৰ পৰা ক্লাছ কৰিবলৈ লোৱাত শিক্ষক হ'লগৈ চাৰিজন। এইসকলৰ এজনো এতিয়া ইহ-সংসাৰত নাই।

অৰ্থনীতি বিষয়ত ছাত্ৰ আছিল চাৰিজন— বীৰেন ডেকা, কেহোৰাম শইকীয়া, ৰবি গোস্বামী আৰু টি. গিৰিৰাজাচাৰিয়া। অধ্যাপক আছিল তিনিগৰাকী— বাণেশ্বৰ শইকীয়া, চিত্তৰঞ্জন সামাদ্দাৰ আৰু কৃষ্ণকান্ত ফুকন। চিত্তৰঞ্জন সামাদ্দাৰে আই এ এছ পাই কলেজৰ চাকৰি এৰি গুচি গ'লত তেখেতৰ ঠাইত আহিল সুৰেন্দ্ৰনাথ বাৰৈ। তাৰ পাছত আহিল তুষাৰকান্তি চৌধুৰী। তেখেত পোনতে আছিল সামৰিক বিভাগৰ কমিছনড্ বিষয়া। তিনিটা বিষয়ত এম এ পাছ কৰি চৌধুৰী ছাৰে এলএল বি আৰু পিএইচ ডি ডিগ্ৰীও লৈছিল। পাছলৈ জলপাইগুড়ি টাউনৰ বিখ্যাত আনন্দ চন্দ্ৰ কলেজৰ অধ্যক্ষ হৈছিলগৈ। ৰাজনীতি বিজ্ঞানৰ অধ্যাপক ত তিনিগৰাকী— পুষ্পকান্ত বৰা, শশীকান্ত বৰা আৰু সহজন পাছলৈ আহে প্ৰীতম সিং। ছাত্ৰ আছিল চাৰিজন— অ ফাৰুকি, নৃপেন লস্কৰ, উমা বৰা আৰু অতুল বৰা। ইয়া দুজনে আমাৰ বছৰতে অনাৰ্চ লৈ পাছ কৰিছিল।

কলেজত ভৰ্তি হোৱাৰ ডেৰমাহমানৰ ভিতৰতে ছা সভাৰ নিৰ্বাচন। নিৰ্বাচনৰ আগৰে পৰা, সন্ধ্যাৰ পৰা ৰা কলেজখনত ঘূৰি-পকি বয়োজ্যেষ্ঠ ছাত্ৰসকলৰ লগত স গঢ়ি তুলিছিলোঁ। নৈশ শাখাৰ নিৰাপদ সংখ্যাগৰিষ্ঠতা সত্ত্বেও সম্পাদক পদৰ নিৰ্বাচনত নৈশ শাখাৰ প্ৰাৰ্থীজন পৰাজিত মোক জয়ী হোৱাত সহায় কৰিছিল আৰ চি পি আই কেইজনমান কমৰেড আৰু পাৰ্টিৰ যুৱক ফ্ৰণ্ট ন-জোৱান কৰ্মীসকলে। সেই সকলৰ মাত্ৰ এজন জ্ঞানদাভিৰাম শ এতিয়াও ৰাজনৈতিকভাৱে সক্ৰিয়, গুৱাহাটীৰ চি পি এম প্ৰায় লগে লগেই ৰাজ্যজুৰি আৰম্ভ হৈছিল ১৯৬৬ চন আন্দোলন। তাৰ উত্তাল আৱৰ্তত ছাত্ৰ নেতাৰূপে মোৰ অ ঘটিছিল।

সেই সময়তে ইউৰোপৰ ছাত্ৰ আন্দোলনে বি আকৰ্ষণ কৰিছিল। ১৯৬৭ চনত লণ্ডনত ছাত্ৰ আন্দোলন দিছিল পাকিস্তানৰ প্ৰবাসী ছাত্ৰ তাৰিক আলিয়ে। ফ্ৰান্স আৰু ছ'ৰবন বিশ্ববিদ্যালয়ত ডেনি ক'ন বেণ্ডিটৰ নেতৃত্ব হোৱা আন্দোলন গোটেই দেশলৈকে বিয়পি পৰিছিল মহাপ্ৰতাপী প্ৰেছিডেণ্ট চাৰ্লছ দি গলে ছাত্ৰসকলৰ লগত কৰিও ৰক্ষা পোৱা নাছিল। আনফালে ভিয়েটনামৰ মু সমৰ্থনত আমাৰ দেশতো আলোড়ন সৃষ্টিৰ প্ৰয়াস। আ থকাসকলে চাগৈ ভাবিছিল— ইহঁতৰ হোলোং গছত বাহ যৌৱনৰ ৰঙ আছিল ৰঙা। এতিয়া বুজিছোঁ জীৱনৰ সোৱাদ ৰামধেনুত।

কলেজ কৰ্তৃপক্ষ আৰু শাসক দলে আমাৰ আওকাণ কৰি চলিব নোৱৰা হ'ল। বহু চেষ্টা কৰিও মো আমাৰ সাধাৰণ সম্পাদকৰ প্ৰাৰ্থী যতীন্দ্ৰকুমাৰ বৰগোহাঞিক নোৱাবিলোঁ। পিছে বৰগোহাঞিয়ে বাহাদুৰি দেখুৱালে ১৯ কলেজৰ পৰা অৰ্থনীতিৰ অনাৰ্হত বিশ্ববিদ্যালয়ৰ একম শ্ৰেণীৰ স্থান অধিকাৰ কৰি। বৰগোহাঞিৰ ৰিজাল্টে কলে এটা facelift দিছিল।

এডিপি কলেজত 'আদহীয়া' সকলৰে প্ৰাধান্য কিছুদিনলৈ। আদহীয়া ডেকা পালমৰা কলেজ নামৰ অ লৈ আমি নিজেই নিজকে হাঁহিছিলোঁ। আমি কলেজত ভ দুই/তিনি বছৰ পাছলৈকে কলেজ বিল্ডিঙৰ সকলো অ বিজুলি পোহৰ আৰু বতাহৰ নিৰ্বিঘ্ন ব্যৱস্থা নাছিল। সাধাৰণ ক্লাছবোৰ পোহৰাই ৰাখিছিল পেট্ৰ'মাক্স নামৰ সেইকা পৰিচিত আৰু অপৰিহাৰ্য পোহৰ যোগনীয়া যন্ত্ৰটোৱে। তা থাকি পাঠদান আৰু পাঠগ্ৰহণ কৰাটো আদৰ্শনীয় প্ৰস্তাৱ ন

ক্লাছ চলিছিল তেনেকৈয়ে ৰাতি ৯-৪৫ বজালৈকে। ৰাতিৰ কলেজ শেষ হোৱাৰ পাছত প্ৰায়েই অধ্যক্ষ সমন্বিতে অধ্যাপকসকল ঘৰমূৰা হৈছিল পদব্ৰজে, সমভিব্যাহাৰে।

কলেজৰ ছাত্ৰ ইউনিয়নৰ বাবে সুকীয়া কোঠা, কলেজ কেন্টিন আদি স্মাৰ্ট দাবীবোৰ উত্থাপন কৰিবলৈ আমাৰ লাজ লাগিছিল। কলেজত শ্ৰেণীকোঠাৰে অকুলন। ছাত্ৰ ইউনিয়নৰ সভাবোৰ বাধ্যতামূলকভাৱে অনুষ্ঠিত হৈছিল ৰাতিৰ ভাগত। ক্লাছ শেষ হোৱাৰ সময়ত বা তাৰ অন্তত খালি থকা কোঠা এটা বিচাৰি অধ্যক্ষ আৰু সংশ্লিষ্ট অধ্যাপকসকলক তালৈ মাতি অনা হৈছিল। কিন্তু মিটিংবোৰ আছিল ছিৰিয়াচ। প্ৰথম ভাগতে বছৰটোৰ বাবে বিভিন্ন বিভাগৰ বাজেট উত্থাপন, আলোচনা-অনুমোদন আৰু সেইমতে কাৰ্যপালনৰ নিৰ্দেশ ঘোষিত হৈছিল। অধ্যাপকসকলে বাজেটৰ ভিতৰতে খৰচ সীমাৱদ্ধ ৰাখিছিল। তাহানি অসংখ্য দুখীয়া ছাত্ৰই আৰ্থিক সাহায্য বিচাৰি আবেদন কৰিছিল। আমি সুচিন্তিত আৰু ন্যায়সংগতভাৱে সিদ্ধান্ত লোৱাত আমাৰ সকলো কামৰ প্ৰতি ছাত্ৰসকলৰ আস্থা বাঢ়িছিল।

ওপৰত উল্লেখ কৰা 'আদহীয়া' ছাত্ৰসকলৰ সৰহভাগেই আছিল চাকৰিয়াল আৰু বিবাহিত। প্ৰাইমেৰি, এম ভি, এম ই আৰু হাইস্কুলৰ শিক্ষককে ধৰি ষ্টেছন মাষ্টৰ, বেংক, এল আই চি, ফুড কৰ্পৰেচন আৰু ৰাজ্য চৰকাৰৰ বিভিন্ন অফিচৰ কেৰাণী-কৰ্মচাৰী, পুলিচ-ডাৰোগা কোন নাছিল এডিপি কলেজৰ ছাত্ৰ?

চাকৰি, স্ত্ৰী-পুত্ৰ-কন্যা সংসাৰৰ দায়িত্ব, কলেজত পঢ়াৰ আনন্দ, নিজকে উন্নত কৰাৰ হাবিয়াস, সফলতাপ্ৰাপ্তিৰ নিশ্চিতি— সকলো মিলি জীৱন চেতনাৰ কি পুলকভৰা ৰসায়ন! কলেজ প্ৰাপ্তাহত তেওঁলোকেই নিজৰ ল'ৰা বয়সীয়াসকলৰ লগত গান গায়, অভিনয় কৰে, খেল পথাৰত— জুবিলী ফিল্ডত খেলত যোগ দিয়ে। সকলে ক'তো যোগ নিদিয়ে তেওঁলোকৰ বাবেও সেই দিনকেইটা জীৱনৰ চেঙেলীয়া হৈ ৰৈ-ৰমলি কৰি ফুৰাৰ অপূৰ্ব সুযোগ। এডিপি কলেজে কাক কি দিয়া নাছিল? কলেজখনক আমি কি দিলোঁ বুলি নিজকে প্ৰশ্ন কৰিলে সংকুচিত হওঁ।

তেতিয়াৰ অবিভক্ত নগাঁও জিলাৰ সকলো ঠাইৰ দুখীয়া আৰু সাধাৰণ মজলীয়া শ্ৰেণীৰ ঘৰৰ ল'ৰাহঁতে কম খৰচত পঢ়িব পাৰা প্ৰথম পছন্দৰ কলেজ— এডিপি কলেজ। এইখন কলেজ নাহোৱা হ'লে আমাৰ দৰে শ শ ছাত্ৰৰ বাবে উচ্চ শিক্ষাৰ দুৱাৰ অৰুদ্ধ হৈ থাকিলহেঁতেন।

এফালে ৰহা-চাপৰমুখ, আনফালে ৰূপহী-তৰাবাৰীৰ বহুতো ল'ৰাই চাপৰমুখ-শিলঘাট অথবা মৈৰাবাৰী-চাপৰমুখ ৰে'লেৰে আহি কলেজ কৰিছিলহি। আবেলি বিপৰীতমুখী ৰে'লত তেওঁলোক ঘুমুৰা হৈছিল। পুৱাৰ শিলঘাটমুখী ৰে'লখন ইঞ্জিনত পানী ল'বলৈ তিয়াৰ মধুপুৰ শ্মশানৰ পিছফালে গাতে লাগি থকা পানীখাইতীত কইমিনিটমান ৰৈছিলহি। তাতে ৰে'লৰ পৰা নামি কোবাকুবিকৈ ফৌজদাৰীপট্টি, পুলিচ ৰিজাৰ্ভৰ মাজেৰে গৈ কলংখন পাৰ হৈ কলেজলৈ যোৱা ল'ৰাহঁতৰ সদায় এটা সৰু-সুৰা শোভাযাত্ৰাই হৈছিল। যিসকলৰ তেনেকৈ ঘৰৰ পৰা দৈনিক অহা-যোৱাৰ সুবিধা নাছিল— যেনে কলিয়াবৰ, লাওখোৱাৰ পৰা মায়ং পৰ্যন্ত ব্ৰহ্মপুত্ৰৰ দক্ষিণৰ বিশাল এলেকা; মনহা-মৰিগাঁও-জালুগুটি-চৰাইবাহী-ধৰমতুল-চহৰী-আমচৈ-বসুন্ধৰী-কচুৰা-কামপুৰ-যমুনামুখ-ডবকা-কঠিয়াতলীৰ ছাত্ৰই টাউনৰ বিভিন্ন ঠাইত, বিশেষকৈ চীনাপট্টি, উত্তৰ হয়বৰগাঁও, দক্ষিণ হয়বৰগাঁৱৰ পথ-উপপথৰ বৰ্ডিং ঘৰত থাকি কলেজত পঢ়িছিল। কোনো কোনো গৃহস্থই তেনেকৈ মেছ কৰি থকা ল'ৰাৰ পৰা ঘৰ ভাড়া লোৱা নাছিল। ৰাইদঙীয়া-হাতীচোং-শালমৰা-শেতালি-বেবেজীয়া-দক্ষিণপাট-ধেমাজি-জলাহ-ননৈ পাথৰি-পোটনি-বঢ়মপুৰ-কৰৈয়নী-গটঙা-ডিফলু আদি অঞ্চলৰ ল'ৰাই দৈনিক চাইকেলেৰে আহি কলেজ কৰিছিলহি। আত্মীয়স্বজনৰ ঘৰত থাকি কলেজত পঢ়া ল'ৰাও আছিল। মই নিজেও ছোটহয়বৰগাঁৱত থকা মামাহঁতৰ ঘৰত থাকিয়েই পঢ়িছিলোঁ। আমাৰ সকলোৰে alma mater মানে পিয়াহ খুউৱা আই এডিপি কলেজ।

কলেজৰ প্ৰায় সকলো ছাত্ৰৰ বাবে অঘোষিত অনুমোদিত কলেজ কেণ্টিন আছিল পণ্ডিতজীৰ চাহ দোকানখন। ৰাষ্ট্ৰীয় ঘাইপথৰ পৰা লক্ষ্মীনাথ বেজবৰুৱা পথেদি বাওঁহাতে ঘুৰিয়েই সোঁহাতে প্ৰথমে পোৱা এছবেষ্টছৰ শ্বিটেৰে সজা অসম টাইপৰ ঘৰটোৱেই পণ্ডিতজীৰ দোকান। ত্ৰিশ পয়চাত দুখন পুৰী আৰু তাত্কা চবজি। দুখনতকৈ বেছি খোৱাৰ প্ৰয়োজন নহয়। তাত মিঠাই বুলিবলৈ আছিল খুৰমা, গজা, বালুচা আৰু পেৰা। তাৰ পৰা ওলায়েই তামোল-পাণ-চুৰটৰ দোকান। চুৰট খোৱাসকলৰ মাজত এটা কমৰেডেৰি আছিল। ক্লাছত বা কলেজৰ ভিতৰত তামোল-পাণৰ ব্যৱহাৰ একেবাৰে নাছিল। তামোল-পাণ নিতান্ত ঘৰুৱা বস্তু, গতিকে পয়চা খৰচ কৰি তামোল চোবোৱাৰ উৎসাহ নাছিল কাৰো। কলেজৰ ভিতৰত তামোল পকটিয়াই থকা কোনো ছাত্ৰৰ মুখ মোৰ মনলৈ নাহে।

আমাৰ কলেজ আছিল, কলেজৰ চৌহদ আছিল, কিন্তু সেই চৌহদ ৰক্ষা কৰিব পৰা উপযুক্ত পকীবেৰ নাছিল। তেতিয়া কলেজৰ মূল প্ৰৱেশ পথ আছিল পূবফালে, এতিয়া প্ৰৱেশ পথ হৈছে পশ্চিমফালে। আমি পঢ়া দিনত সেইফালে আছিল বৰক'লাৰ জাৰণি। কাষেদি ট্ৰাইবেল ছাত্ৰৰ হোষ্টেললৈ যোৱা এটা লুংলুঙীয়া বাট। কলেজৰ গাতে লাগি থকা হৰিজন বস্তুসকলৰ ক'লনিৰ পৰা সময়ে-অসময়ে শুনা গৈছিল ৰাগ মলহাৰ! পৰৱৰ্তীকালৰ পকীবেৰ নিৰ্মাণৰ হৰ্ষ-বিষাদৰ কাহিনীও যথাস্থানত শুনিবলৈ পাম চাগৈ।

আৱয়বিক দিশৰ বহু সীমাবদ্ধতা সত্ত্বেও কলেজখন উজ্জ্বল হৈ আছিল শিক্ষকসকলৰ গুণত। যোৱা পঞ্চাশ বছৰত বহু গুণান্বিত শিক্ষক-শিক্ষয়িত্ৰীৰ সমাৱেশ ঘটিছে এই কলেজত। আমাৰ দিনৰ সকলো শিক্ষকৰ বিষয়ে ক'বলৈ যোৱাটো অনধিকাৰ চৰ্চাৰ দৰে হ'ব। সেয়ে দুজনমানৰ কথাহে ক'ব খুজিছোঁ। বুৰঞ্জীৰ মুৰব্বী অধ্যাপক কন্দৰ্পদেৱ গোস্বামী আছিল লক্ষ্ণৌ বিশ্ববিদ্যালয়ৰ ছাত্ৰ। তেখেতৰ বিশেষ ক্ষেত্ৰ আছিল প্ৰাচীন ভাৰত। অধ্যক্ষ আব্দুল হাই আৰু ছামচুদ্দিন ছাৰ আছিল আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ ছাত্ৰ।

প্রথমজন আছিল প্রফেচৰ মহম্মদ হবিব আৰু দ্বিতীয়জন মহম্মদ হবিবৰ পুত্ৰ ইৰফান হবিবৰ ছাত্ৰ। ধৰ্মেশ্বৰ বৰাই শ্ৰদ্ধাৰে নাম লৈছিল বিভূতিভূষণ মিশ্ৰ আৰু এইচ ভি এছ মূৰ্ত্তিৰ। নিজা নিজা গুণত চাৰিওজনৰে ক্লাছ আমি উপভোগ কৰিছিলোঁ। নতুন নতুন কথা শিকিছিলোঁ। অনাৰ্হৰ ছাত্ৰ বুলি আমাৰ অকণমান অহংকাৰো আছিল হ'বলা। কিন্তু ১৯৬৭ চনত আমিয়েই গঠন কৰা, জিলাখনৰ আটাইতকৈ জনপ্ৰিয় ছাত্ৰ সংগঠন নগাঁও জিলা ছাত্ৰ পৰিষদৰ কামত কেতিয়াবা সপ্তাহটোৰ আটাইকেইটা দিন ব্যয় কৰাত পাঠৰ আঁত হেৰাইছিল। তালেৰ আলিয়ে ছিঙা সূতা লগ লগাই দিছিল। পঢ়া-শুনাত মোৰ তেনে পৰস্মৈপদী প্ৰয়াসেই সাৰ আছিল। দীন-দুনিয়াৰ মালিকৰ কি অপাৰ কৰুণা যে সেই চাঁহী বিদ্যাৰেই জগতত সংস্থান পালোঁ! আচলতে এটাৰ গুটি সিঁচি ফল পাইছিলোঁ আন এটাৰ। পৰ্বতত টো আৰু সাগৰত মৌ বিচৰাৰ বয়স মানুহৰ জীৱনলৈ এবাৰেই আহে।

এডিপি কলেজৰ পৰা স্নাতকৰ প্ৰথম দলটো ওলাইছিল ১৯৬২ চনত। সেই বৰ্ষৰে ছাত্ৰ নৱেন কলিতাক ৰহা উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ শিক্ষক আৰু প্ৰজা ছচিয়েলিষ্ট পাৰ্টিৰ একান্ত নিষ্ঠাবান কৰ্মী হিচাপে ১৯৬৭ চনৰ নিৰ্বাচন ক্ষেত্ৰত লগ পাইছিলোঁ। ১৯৬৮ চনৰ আগভাগতে এডিপি কলেজত যোগদান কৰিয়েই তেখেত গৱেষণাৰ কামত লাগিছিল। শংকৰী যুগৰ অসমীয়া সংস্কৃতিৰ শ্ৰেষ্ঠ সম্পদসমূহ প্ৰণালীৱদ্ধ গৱেষণাৰ দ্বাৰা তেখেতে পোহৰলৈ আনিছে। তেখেতক মই অসমৰ সাংস্কৃতিক ইতিহাসৰ শ্ৰেষ্ঠতম ভাষ্যকাৰ বুলি গণ্য কৰোঁ। আমি এবছৰমানৰ বাবে শিক্ষকৰূপে পোৱা ড° কেশৱানন্দ গোস্বামীৰ এতিয়া নামেই পৰিচয়। পঁইসত্তৰ বছৰ বয়সতো এখন কৰ্মশালাত তেখেতক মই খোলৰ ছেৱে ছেৱে নাচি অংকীয়া ভাওনাৰ ভাৱৰীয়া নাচৰ প্ৰশিক্ষণ দিয়া দেখিছোঁ। ২০০৪ চনত ছাৰে সাহিত্য অকাডেমিৰ 'ভাষা সন্মান' লাভ কৰিছিল। একেখন সভাতে ময়ো সাহিত্য অকাডেমিৰ অনুবাদ বঁটা লৈছিলোঁ। সেই উপলক্ষে পাছদিনা অনুষ্ঠিত সভাত সভাৰ প্ৰথম বক্তা হিচাপে, নিজৰ লগতে একেদিনাই নিজৰ এজন ছাত্ৰয়ো সাহিত্য অকাডেমিৰ বঁটা পোৱাত তেখেতে বিশেষ আনন্দ পোৱাৰ কথা কৈছিল। শ্ৰোতাৰ হাত চাপৰিৰ মাজতে সেই অনুষ্ঠানৰ সভাপতি সুনীল গঙ্গোপাধ্যায়ৰ অনুৰোধ মৰ্মে মঞ্চলৈ উঠি গৈ মই শ্ৰোতামণ্ডলীক প্ৰণাম জনাই অভিবাদন গ্ৰহণ কৰিছিলোঁ।

আমি এডিপি কলেজত থাকোঁতেই গৱেষণা আৰম্ভ কৰা সংস্কৃত বিভাগৰ অধ্যাপক থানেশ্বৰ শৰ্মা আৰু বাংলা বিভাগৰ অধ্যাপক অমলেন্দু ভট্টাচাৰ্যই নিজ নিজ ক্ষেত্ৰত প্ৰতিষ্ঠা লাভ কৰিছে। ড°শৰ্মা আৰু ড° ভট্টাচাৰ্যই এডিপি কলেজত থকা দিনবোৰ এতিয়াও প্ৰীতিৰে স্মৰণ কৰে।

আজিৰ পৰা ৪০/৪২ বছৰ আগতে স্বনামধন্য নুৰুল আমিনক যদি নগাঁৱৰ খেল জগতৰ ছাহানছাহ বুলি ধৰা হয় তেন্তে ছাহজাদা বুলিব লাগিব সহজানন্দ ওজাক। পাকৈত ক্ৰিকেট খেলুৱৈ, ক্ৰীড়া সংগঠক অধ্যাপক ওজাই পাছলৈ ক্ৰিকেটৰ ৰাষ্ট্ৰীয় পৰ্যায়ৰ দায়িত্বও সুখ্যাতিৰে পালন কৰিছিল। বহুদিন ধৰি তেখে আইৰ নগাঁৱৰ কৰেছপণ্ডেণ্ট আছিল। ৰাজহুৱা কা অভিজ্ঞতা, অৰ্থপূৰ্ণ সাম্মাতিক যোগাযোগ আৰু সংগঠন বাবে অৱসৱৰ পাছতো তেখেতৰ ৰাজহুৱা দায়িত্ব কমা নাই

ৰাণেশ্বৰ শইকীয়াৰ কথা নকও। মোৰ গৱেষ তেখেতৰ নামত উছগা কৰি তেখেতৰ প্ৰতি মোৰ ৰ অকিঞ্চিৎকৰ চিন এটা আৰি থৈছোঁ। তেখেতে আটাই ছাত্ৰসকলক কঠোৰভাবে নিয়ন্ত্ৰণ কৰিছিল আৰু ৰাজহুৱা পাই হিচাপ ৰখাৰ শিক্ষা দিছিল। ১৯৭৪ চনত তেখেত অ শিক্ষক সংস্থাৰ সাধাৰণ সম্পাদক নিৰ্বাচিত হৈছিল; তাৰ পাছত বটদ্ৰৱা সমষ্টিৰ পৰা বিপ্লৱী কমিউনিষ্ট পাৰ্টিৰ প্ৰা বিধায়ক নিৰ্বাচিত হৈছিল।

বাংলা বিভাগৰ অধ্যাপক ড° মলয় কুমাৰ ৰায় অ বিভাগৰ অধ্যাপক শৰৎ মাধৱ কুস্ৰেক সদায় দেখিছিলোঁ ৰ সাংস্কৃতিক সত্তাৰ প্ৰতিনিধিৰূপে। দুয়ো গৰাকী আছিল সু সুগায়ক।

এবছৰ-ডেৰবছৰ মানৰ বাবে ইংৰাজীৰ শিক্ষক পাইছিলোঁ বিহাৰৰ পৰা অহা লক্ষেশ্বৰী প্ৰসাদক। তেখেতে ভাড়া ঘৰলৈ মাতি নি চাহ-বিস্কুট খুৱাই মোক আই এ ইউনিয়ন পাব্লিক ছাৰ্ভিচ কমিছনৰ পৰীক্ষা দিবলৈ কুহি মই কৈছিলোঁ, ছাৰ, কমিউনিষ্ট মেনিফেষ্টো আমাৰ H গতিকে.... । মন আকাশৰ সেই ধ্ৰুৱতৰা এদিন খহি পৰিছি এতিয়া বৰ লাজ লাগে। ছাৰে আই এ এছ পাই কলেজ এ ১৯৮৩ চনৰ জুয়ে ধোৱা নিৰ্বাচনৰ সময়ত কেন্দ্ৰী পৰ্যবেক্ষক হৈ নিজৰ ইচ্ছাতে নগাঁৱলৈ আহি তেখে কলেজখন চাই গৈছিল। বোধহয় তেখেতৰ ঠাইতে আহি ফুকন; গুৱাহাটী উচ্চ ন্যায়ালয়ৰ বৰ্তমানৰ খ্যাতিমান উ লেখক ড° যামিনী ফুকন।

লখনউৰ পৰা আহি আৰবী বিভাগত অধ্যাপনা ৰ আয়ুব হাছমি আছিল ৰসিক মানুহ। দূৰৰ পৰাই সকলো গতি লৈছিল। চাকৰি কালত অধ্যাপক কুস্ৰেৰ লগত চাগৈ শ শ ঘণ্টা পাৰ কৰিছিল ডাবা খেলি।

ছাত্ৰ একতা সভাৰ বিভিন্ন কাৰ্যসূচীত ভাগ প্ৰকাৰে ছাত্ৰসকলক সহায় আৰু উৎসাহিত কৰা অধ্ হ'ল— নৱেন্দ্ৰনাথ শইকীয়া, জিতেন্দ্ৰনাথ বৰা, দেৱেন ড° নাৰায়ণ চন্দ্ৰ বৰ্মন, হীৰেন শইকীয়া, দেৱকুমাৰ ৰবীন্দ্ৰচন্দ্ৰ বৰা আৰু ধীৰেন বৰদলৈ। অধ্যাপক নৱেন কলেজৰ এন চি চিৰ মেজৰ পৰ্যায়ৰ বিষয়া আছিল। ৰবী সুপৰিচিত সাহিত্য সমালোচক, দেৱকুমাৰ শইকীয়া নাট্য এনে ভাব হয়, চন্দ্ৰ-সূৰ্যক সাক্ষী কৰি, কালৈকো ভ্ৰমে অধ্যাপক ৰবীন্দ্ৰনাথ শৰ্মা, ৰমণীমোহন দাস আৰু নগেন্দ্ৰ কেৱল ক্লাছ কৰি গৈছিল। কলেজৰ শিক্ষকসকলৰ মাজত অকৃত্ৰিম বন্ধু বাৎসল্য। দেখিবলৈ পাইছিলোঁ তেওঁলোক

উৎসৱ পিক্‌নিক, মাজে-মধ্যে থিয়েটাৰ, ভাওনা, মক পার্লামেণ্ট। ষ্টাফৰূমৰ হাঁহিৰ খলকনিয়ে মেহমন শ্রোতাৰ মুখতো হাঁহি বিৰিঙাইছিল। এইবোৰৰ Presiding deity আছিল অধ্যক্ষ আব্দুল হাই।

আমি কলেজত থাকোঁতেই অধ্যক্ষ হাইয়ে কলেজৰ আৱয়ৱিক উন্নতিৰ আঁচনি লয়। তেখেতৰ দিনতে বেজবৰুৱা ভৱনৰ দুমহলীয়া নির্মাণ সম্পূর্ণ হয়। ১৯৬৮ চনত, ভুলক্রমে চাৰি বছৰ পলমকৈ, সাহিত্য সভাৰ উদ্যোগত লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবার্ষিকী উপলক্ষে এটি অতি মনোজ্ঞ অনুষ্ঠান হৈছিল বেজবৰুৱা ভৱনত। সেই অনুষ্ঠানৰ প্রধান অতিথি বক্তা আছিল পশ্চিমবঙ্গৰ স্বনামধন্য বুদ্ধিজীৱী আৰু সাহিত্যিক অন্নদাশংকৰ ৰায়।

ফেডাৰেল ভিত্তিত উত্তৰ-পূৱ তথা অসমৰ পুনৰ গঠন প্রস্তাৱ বিৰোধী আন্দোলনৰ ধামখুমীয়াত আমাৰ কলেজলৈ আহিছিল তেতিয়াৰ অসমৰ মাননীয় মুখ্যমন্ত্রী বিমলাপ্রসাদ চলিহা ডাঙৰীয়া। ঠিক হ'ল তেখেতৰ সভাত ছাত্রসকলৰ পৰা মাত্র এজন ছাত্রই কথা ক'ব। কলেজ কর্তৃপক্ষই সেই কামৰ বাবে নির্বাচন কৰিলে মোক। সভাৰ আগদিনা অধ্যক্ষই মোক মাতি নি কোৱা কথাখিনিৰ মূলভাৱটো এনেকুৱা— সোণটো, বহু যত্নেৰে চীফ মিনিষ্টাৰক কলেজৰ স্বার্থত মাতি আনিছোঁ, তেখেতে যাতে মনত অকণো দুখ নাপায়। লগতে, মোৰ ভাষণটো অধ্যক্ষৰ নির্দেশক্রমে অধ্যাপক হীৰেণ শইকীয়াক দেখুৱাব লগা হ'ল। তেখেতে মূল কথাখিনি একেই ৰাখিলে যদিও তাত থকা এটা ইংৰাজী বাক্য, খুব সম্ভৱ এইটো ৰুছোৰ উক্তি— 'When order is injustice disorder is the beginning of justice' বাদ দিলে। মোৰ বৰ বেয়া লাগিছিল। যি হওক, পাছদিনা অনুষ্ঠিত হোৱা জনাকীর্ণ অথচ অতি গহীন সভাখনত মই দিয়া ভাষণটোৰ বাবে ছাত্র-শিক্ষক-অধ্যক্ষ সকলোৰে বাঃ বাঃ পাইছিলোঁ। বহুদিনৰ পাছত মই উপলব্ধি কৰিছিলোঁ— উক্তিটো এটা বাগাড়ম্বৰ মাত্র। তাৰে খন্তেকীয়া উত্তেজনা সৃষ্টি কৰিব পাৰি হয়তো। ই ঐতিহাসিকভাৱেও অশুদ্ধ। disorderএ ক'তো justice অনাৰ দৃষ্টান্ত নাই।

কলেজ কর্মচাৰীসকলৰ কথাও ক'ব লাগিব। ছাত্র ইউনিয়নৰ বাজেট অনুসৰি খৰচৰ বিষয়ে আগতে কোৱা হৈছে। সেই দায়িত্বৰ এটা অংশ পালন কৰিছিল নগাঁও কলেজৰ পৰা সদায় সন্ধ্যা আহি এডিপি কলেজত পার্টটাইম একাউণ্টেণ্ট হিচাপে কাম কৰা মহেশ ভট্টই। মোৰ ভালকৈ মনত আছে, তত্ত্বাৱধায়ক অধ্যাপকৰ চহী লৈ কোনো কামৰ বাবে তেখেতৰ ওচৰলৈ টকা বিচাৰি গ'লে ভট্টদাই সেই বিভাগৰ বাজেট প্রভিজন চাই কিমান টকা খৰচ হ'ল আৰু কিমান বাকী আছে সেইটো ৰঙা চিয়াহীৰে কাগজত লিখি দিছিল। কেতিয়াবা মিচিকিয়া হাঁহিৰে সতর্ক কৰি দিছিল। কলেজৰ বৰবাবু আছিল ৰফিউল হক চাহাব। বন বিভাগৰ অৱসৰপ্রাপ্ত আমোলা। ৰ মৰমিয়াল। সেই দিনত মাহে মাহে বা তিনিমাহৰ মূৰে মূৰে পোৱাসকলে স্কলাৰশ্বিপ্ পাইছিলোঁ। ৰাজধানী ছিলঙৰ পৰা অহা হুকুম। হুকুম পোৱাৰ লগে লগেই হক চাহাবে হৈ চৈ কৰি পাওঁতাসকলক খবৰ দিয়ে আৰু এদিন বা দুদিনৰ ভিতৰতে আমি টকা পাওঁ। হক চাহাবক কেনেকৈ পাহৰিম? (তেওঁৰে পুত্র শিল্পী আৰিফুল হক)।

কলেজখনৰ এটি অসামান্য চৰিত্র আছিল চতুর্থ শ্রেণীৰ কর্মচাৰী সীতাৰাম। ডেকাকালত বিহাৰত পালোৱানী কৰিছিল হ'বলা। তাৰ পৰা উফৰি আহি কিবা সূত্রে এডিপি কলেজৰ কর্মচাৰী হৈছিল। জবৰদস্ত চেহেৰা, এচৰুমান মূৰটোৰ আগফালৰ আধা চুলি সৰিছিল। হাতত সদায় একোছা চাবি। সীতাৰামে ধৰি লৈছিল তাৰ 'প্রনছিপাল'ৰ বিনা হুকুমত কলেজ চৌহদৰ গছপাত এখিলাও লৰিব নাপায়। সীতাৰামৰ কোনো কামত সময় আৰু নিয়মৰ এচুলিমান হেৰফেৰ নহৈছিল। কিয়, তাৰ এটা কাৰণ মই বিচাৰি পাইছোঁ— সীতাৰামে হাতত ঘড়ী পিন্ধি সময়ানুবর্তিতা আৰু নিয়মানুবর্তিতাৰ ৰচনা লিখি পৰীক্ষা পাছ কৰা নাছিল। পাছ কৰাসকলে সেইখিনি আনৰ পৰা বিচাৰে।

আভ্যন্তৰীণ বিষয়ত অন্ততঃ দুটা কথা ক'ব লাগিব। এটা হ'ল কলেজৰ চহকী পুথিভঁৰালটো। কেৱল লাইব্রেৰিৰ কিতাপৰ ওপৰতে নির্ভৰ কৰি কলেজীয়া শিক্ষা সাং কৰা ল'ৰাৰ সংখ্যা বৰ কম নাছিল। আনটো হ'ল পৰীক্ষা পৰিচালনা। পৰীক্ষা বিষয়ত অধ্যক্ষ হাই আৰু অধ্যাপকসকল আছিল দৃঢ়ভাৱে নীতিনিষ্ঠ। এডিপি কলেজ কেতিয়াও থিভছ' পেৰেডাইজ বা তস্কৰৰ নন্দনকানন নাছিল। অধ্যাপকসকলৰ ভিতৰত আবু নছৰ মহম্মদ ওৱাহিদ, দেৱকুমাৰ শইকীয়া, সুৰেন্দ্রনাথ বাৰৈ, আবু বক্কৰ মহম্মদ ছিদ্দিক, হীৰেন শইকীয়া, সহজানন্দ ওজা আৰু ড° তুষাৰকান্তি চৌধুৰীৰ চকুত ধূলি দিব পৰা পৰীক্ষার্থী নোলাইছিল। তস্কৰবান্ধৱ অধ্যাপক আছিল অকল্পনীয়।

আমাৰ দিনত ইংৰাজী মাধ্যম বুলি এটা সুকীয়া কথা নাছিল। উচ্চ শিক্ষাৰ মাধ্যম আছিল এটা— ইংৰাজী। ১৯৭২ চনৰ তথাকথিত মাধ্যম আন্দোলন আৰু তাৰ বিষময় পৰিণতিৰ কথা সকলো চিন্তাশীল লোকেই এতিয়া উপলব্ধি কৰিছে। অপৰিমেয় ক্ষতি হৈ গ'ল, বিশ্ববিদ্যালয়দুখনে এতিয়া সিদ্ধান্তৰ পুনর্বিচাৰ কৰিব লাগে। আমাৰ দিনত নাছিল বিজ্ঞান বা বাণিজ্য শাখা, ম'বাইল ফোন, ফটোষ্টেট, ছাত্র সভাৰ নির্বাচনৰ পাছত শপত গ্রহণ নামৰ অর্থহীন আড়ম্বৰ, ছহিদ-তর্পণ, বাইক-স্কুটাৰ, গুটখা, প্রেম আৰু প্রেমৰ কবিতা। কিন্তু আমাৰ মন কেতিয়াও কবিতাশূন্য হোৱা নাছিল। অ'ডেন বা ষ্টিফেন স্পেণ্ডাৰ আমাৰ বাবে সহজলভ্য নাছিল। কিয় নাজানো জীৱনানন্দ দাশে বহুবছৰ পূর্বে ৰচনা কৰা কবিতা এটা ১৯৬৭-৬৮ চনত পঢ়ি মুগ্ধ হৈছিলোঁ। কবিতাটোৰ প্রথম পংক্তি—

'অদ্ভুত আঁধাৰ এক এসেছে এ-পৃথিবীতে আজ,
যাৰা অন্ধ সবচেয়ে বেশি আজ চোখে দ্যাখে তাৰা;
যাদেৰ হৃদয়ে কোনো প্রেম নেই— প্রীতি নেই—
করুণাৰ আলোড়ন নেই
পৃথিবী অচল আজ তাদেৰ সুপৰামর্শ ছাড়া।'

তুলনীয় পৰিস্থিতিত আজিও মনৰ পৰা নিগৰি ওলাই আহে

শব্দবোৰ।

এই পর্যন্ত এই লেখাত ভুমুকি নমৰা ছাত্রীৰ কথা কওঁ। মই কলেজত ভর্তি হোৱা বছৰত ছাত্রী আছিল দুগৰাকী— মালবিকা বৰা আৰু জেৰিন হাজৰিকা। মালবিকাই গান গায়, জেৰিনে অভিনয় কৰে। তেওঁলোক আমাৰ আতোলতোল বান্ধৱী। পাছলৈ ওমপ্রকাশ জাজদিয়া ছোৱালী হাইস্কুলৰ প্রধান শিক্ষয়িত্রী হোৱা স্বর্গীয়া বিমলা বৰা বাইদেউ আছিল আমাৰ সমসাময়িক। সকলো নৈশ শাখাৰ ছাত্রী। দুবছৰমানৰ ভিতৰত ছাত্রীৰ সংখ্যা অলপ বাঢ়িছিল। ছাত্রীসকল শ্রেণীকোঠাৰ সন্মুখত ৰৈ থাকে, ভিতৰত প্রথম শাৰীৰ বেঞ্চখন খালী, অধ্যাপক ক্লাছত সোমোৱাৰ লগে লগে তেওঁলোক সোমায় আৰু অধ্যাপক ওলাই অহাৰ লগে লগে তেওঁলোকে আহে। কলেজৰ দিবা শাখাত তেওঁলোকৰ কেতিয়া আৰি সেই কথা আনেহে ক'ব পাৰিব। সেইদৰে কলেজত অ যুগ আৰম্ভ হৈছিল আমি কলেজ এৰাৰ পাছত।

কলেজৰ পৰা বিদায়ৰ সময় হ'ল। ১৯৬৯ চনৰ আ শেষৰ ফালে লাইব্রেৰিৰ পৰা পঢ়িবলৈ নিয়া বার্ট্রাণ্ড আত্মজীবনীখন ঘুৰাই দিয়াৰ লগে লগে কলেজৰ সৈতে আনুষ্ঠানিক সম্পর্কৰ ওৰ পৰিল। এডিপি কলেজৰ বয়স দহ বছৰ। ❑

Changes occur in every period of human history. By changing the modes of material production we unknowingly change society and thereby bring about a change in ourselves. But since the change in our inner world does not commensurate with that that takes place in the outer world, there arises a conflict between the two. Because of the sluggishness of our mental faculty, we become reluctant to welcome the impending new world and sometimes even stand in opposition to it. It is at such times that the great man appears, who shatters the intellectual lethargy of man, compels him to accept the ideas that suit his times and thus becomes the harbinger of a new age.

Dr. Sivanath Barman, An Unsung Colossus, 1999

আনন্দৰাম ঢেকিয়াল ফুকন কলেজ ঃ

মোৰ স্মৃতিৰ জোলোঙাত সঞ্চিত পাণ্ডুলিপিৰ এছোৱা

যতীন্দ্ৰ কুমাৰ বৰগোহাঞি

আনন্দৰাম ঢেকিয়াল ফুকন কলেজত কটোৱা জীৱনৰ তিনিটা বছৰ (১৯৬৮-৭১) মোৰ বিচাৰত জীৱনৰ আটাইতকৈ জটিল আৰু বৰ্ণমুখৰ বছৰবোৰৰ ভিতৰত অন্যতম। এই বছৰ কেইটা নিবনুৱা সমস্যা বিৰোধী আন্দোলন,সম্পদভিত্তিক শিল্পায়নৰ দাবীত হোৱা গণ-আন্দোলন, দ্বিতীয় তেলশোধনাগাৰ আন্দোলন, বাংলা দেশৰ মুক্তি আন্দোলন আৰু তাৰ ফলত হোৱা প্ৰব্ৰজন, খাদ্য আন্দোলন আদিৰ ফলত অশান্তি-জৰ্জৰ আছিল। বিজ্ঞান পঢ়িম বুলি কটন কলেজলৈ গৈ, প্ৰত্যাশিত ফল নোপোৱাত হতাশ মনেৰে কিছুদিন ঘূৰি ফুৰিছিলোঁ। নতুন কিবা এটা কৰাৰ, সাংঘাতিক কিবা এটা কৰি সমাজখনকে নতুনৰ বাট দেখুৱাই দিয়াৰ হেঁপাহ এটা আছিল মনৰ মাজত। মেডিকেলত নাইবা ইঞ্জিনিয়াৰিঙত হয়তো পঢ়িব পাৰিলোঁহেঁতেন। কিন্তু ঘৰৰ পৰাও কোনেও মন-কাণ কৰা নাছিল আৰু মোৰ সেইবোৰ বৃত্তিৰ প্ৰতি নিজৰ আগ্ৰহো কম আছিল। মোৰ ধাৰণা আছিল যে বাণিজ্য, কলা আৰু বিজ্ঞানৰ যি কোনো বিষয়কে প্ৰধান বিষয় হিচাপে লৈ পঢ়িব পাৰিম। কিছু টকা-পইচা গোটাই লৈ মই আৰু মোৰ ভাই এজনক লগত লৈ নগাঁও পালোহি। থাকিবলৈ ল'লো পুৰণি নগাঁও ষ্টেচনৰ ঠিক বিপৰীতে সুন্দৰ গছ-গছনিৰে ভৰা, তুলনামূলকভাৱে দুখীয়া পৰিয়াল এটাৰ 'পেয়িং গেষ্ট' হিচাপে। থকা-খোৱাৰ ব্যৱস্থা বিলাক আৰু ইয়াৰ লগত জড়িত তিতা-মিঠা কথা বিলাকৰ বৰ্ণনা সদ্যহতে সামৰি থ'লো। কিন্তু থোৰতে কৈ থওঁ যে আমাৰ গাঁও সম্বন্ধীয় পাৰুল বাইদেউৰ 'পেয়িং গেষ্ট' হৈ বেয়া লগা নাছিল। নিজৰ ঘৰখনৰ বাহিৰতো যে ইমান আদৰ-সাদৰ কৰিব পৰা মানুহ থাকিব পাৰে, সেই কথা আমি প্ৰথম গম পাইছিলোঁ। সুকীয়াভাৱে সেইবোৰ বৰ্ণাব লাগিব।

আন বহু ছাত্ৰ-ছাত্ৰীৰ দৰেই তেতিয়াও মোৰ দোধোৰ-মোধোৰ অৱস্থা। কলা পঢ়িম নে বিজ্ঞান পঢ়িম? প্ৰশ্নটোৰ সু-সমাধান মোৰ বাবে নাছিল। গতিকে এটা খেলি-মেলিপূৰ্ণ মন লৈ কেইদিন মান কটালোঁ। খেলি-মেলিবিলাক দূৰ হওঁতেই কেবাদিনো গ'ল। মোৰ সম্পৰ্কীয় ককাইদেউ এজনে বাৰে বাৰে কৈ পঠাইছিল যে এডিপি কলেজতে ভাল হ'ব। 'গাঁৱৰ পৰা যোৱা বেছিভাগ ল'ৰাই তাতে পঢ়ে। তাতে বাণেশ্বৰ শইকীয়া আছে। নিশ্চয় ভাল পৰামৰ্শ দিব।'

কিন্তু মোৰ লগৰ বহুতেই জৌ-জৌৱাই উঠিছিল। সেইখন কলেজত পঢ়েনে কোনোবাই। 'এডিপি মানে কি জানা? আদহীয়া ডেকাই পালমৰা কলেজ। ভালকৈ পঢ়া-শুনা কৰাৰ সুবিধা নথকা বোৰেহে তাত পঢ়ে।' মোৰ লগৰ বেছি ভাগেই নগাঁও কলেজত আছিল।

'এডিপি'ত আমাৰ সম্পৰ্কীয় আপাদেউ এগৰাকীৰ জ্যেষ্ঠ পুত্ৰ, মোৰ ককাইদেউ এজনে কাম কৰিছিল। ক'ত কাম কৰিছিল সেই কথা মা-দেউতা কোনেও ক'ব নোৱাৰিলে। গতিকে সহায় কৰিব পৰা এজন মানুহ থকা সত্ত্বেও তেওঁৰ বিষয়টোৰ বিষয়ে জ্ঞান নথকাত সেই দিশলৈ মুখ কৰা নহ'ল। পিছতহে তেওঁৰ বিষয়টো অৰ্থ বিজ্ঞান বুলি গম পাইছিলোঁ।

মনৰ অৱস্থাটো এডিপি কলেজমুখী নাছিল। তথাপি শেষত সেইখন কলেজতে পঢ়িবলগীয়া হৈছিল। প্ৰসঙ্গটো এই কাৰণেই টানি আনিছো যে মাত্ৰ এটা 'ফেকাল্টী' থকা, নগৰৰ বা জিলাৰ চোকা

ল'ৰা-ছোৱালীবিলাকে পঢ়িবলৈ নহা, বিশেষকৈ গাঁৱৰ 'ৰাজনীতি কৰা ল'ৰাবিলাকে' অধ্যয়ন কৰা বুলি বদনাম থকা কলেজখনত পঢ়িবলৈ যাব নালাগে বুলি ঘৰুতো বহুজনে কৈছিল। মই কিন্তু প্ৰথম এডিপি কলেজলৈ নহাৰ কৰণটো আছিল ষ্টেছনৰ পৰা দূৰত্ব। আমাৰ সিদ্ধান্ত আছিল কম খৰছত বেলত অহা-যোৱা কৰিম। গতিকে আনন্দৰাম ঢেকিয়াল ফুকন কলেজলৈ প্ৰথমে যোৱা নাছিলোঁ। কিন্তু পৰিস্থিতিয়ে শেষত সেইখন কলেজলৈকে টানি নিলে— আকস্মিক আৰু দুৰ্ঘটনাৰ দৰে আছিল যদিও এইটোৱেই যেন অৱধাৰিত আছিল।

এক অবিস্মৰণীয় শাস্তিৰ আশীৰ্বাদ

১৯৬৯ চনত মই আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ স্নাতক প্ৰথম বাৰ্ষিকৰ ছাত্ৰ হিচাপে নাম পঞ্জীয়ন কৰাইছিলোঁ। এইটোও আছিল প্ৰকৃততে এটা দুৰ্ঘটনাৰ দৰেহে। কাৰণ এই মহাবিদ্যালয়ত কলা শাখাত পঢ়িবৰ বাবে মই কটন মহাবিদ্যালয়ৰ পৰা প্ৰাক্ বিশ্ববিদ্যালয় পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছত নিজেই পোনে পোনে যোৱা নাছিলোঁ। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়লৈ যোৱাৰ আগতে মই গৈছিলোঁ নগাঁও মহাবিদ্যালয়লৈ। বাণিজ্য শাখাত একাউণ্টেন্সী প্ৰধান বিষয় হিচাপে লৈ পঢ়িবলৈ আৰম্ভ কৰিছিলোঁ। বিজ্ঞানৰ পিছত বাণিজ্য— ভাল লগা নাছিল আৰু মনো সুস্থিৰ হোৱা নাছিল। দোধোৰ-মোধোৰ অৱস্থাত কেইদিনমান যোৱাৰ পিছত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ কেইগৰাকীমান ছাত্ৰ-নেতাক লগ পালোঁ। ঘটনাক্ৰমে মই লগ পোৱা ছাত্ৰ নেতাকেইজনৰ প্ৰতিজনেই আছিল আদৰ্শবাদী। আপোচবিহীন পৰিৱৰ্তনৰ আকাঙ্ক্ষাই এই নতুন বন্ধু কেইজনৰ লগত নিবিড়তা বঢ়াই তুলিলে। মই বিচাৰি ফুৰা কিবা এটা যেন হাতৰ মুঠিতে পালোঁ। লগে লগে মই থিৰাং কৰিলোঁ যে মই কলা শাখাত এইখন মহাবিদ্যালয়তে পঢ়িম। অগ্ৰজ বন্ধু কেইগৰাকীয়েই মহাবিদ্যালয় সলনি কৰাত উদ্দীপকৰ দৰে কাম কৰিলে। মোৰ কলা শাখাৰ বিষয় জ্ঞানো নাছিল। অসমীয়া প্ৰধান বিষয় হিচাপে আৰু অৰ্থনীতি আৰু ৰাজনীতি সাধাৰণ বিষয় হিচাপে লৈ আৰম্ভ কৰিলোঁ নতুন এক যাত্ৰা। নতুন যাত্ৰা বুলি এই কাৰণেই কৈছোঁ যে ৰাজনীতি আৰু অৰ্থনীতি বিষয় দুটাৰ মই আগতে সমূলি পঢ়াই নাছিলোঁ। আনকি সংজ্ঞাটোও নাজানিছিলোঁ। অসমীয়া ভাষাত অৱশ্যে সীমিত হ'লেও দখল আছিল আৰু কবিতা, গল্প, প্ৰবন্ধ আদিও লিখিবলৈ আৰম্ভ কৰিছিলোঁ। কিন্তু দুৰ্যোগে ইয়াতো নেৰিলে। সাহিত্য তথা নন্দন-তত্ত্বৰ প্ৰতিটো কথা তন্ন তন্নকৈ জনাৰ আগ্ৰহে মোক শ্ৰেণীৰ ভিতৰতে দুই-এটা প্ৰয়োজনীয় কথা সুধিবলৈ উদ্‌গনি দিছিল। মোৰ ভালকৈ মনত আছে— মই এগৰাকী মাননীয় শিক্ষকক প্ৰশ্ন কৰিছিলোঁ— ৰহস্যবাদী ৰোমান্টিকতা আৰু ৰোমান্টিক ৰহস্যবাদ— এই দুয়োটাৰ মাজত পাৰ্থক্য কি? জনাৰ আগ্ৰহৰ বাহিৰে প্ৰশ্নটো সোধাত মোৰ কোনো উদ্দেশ্য নাছিল। যি নহওক মাননীয় শিক্ষকগৰাকীৰ কোনো অজ্ঞাত কাৰণত খং উঠিল। ক আৰ ট্ৰায়িং টু ডাইভাৰ্ট এটেন্‌ছন অব দি ষ্টুডেণ্টছ কথাটো অৱশে। মই বুজাই নাছিলোঁ। মোক শাস্তি দিব উপস্থিত থকা দিনৰ উপস্থিতিক বিয়োগ কৰি সেইদিনালৈ হোৱা শ্ৰেণীৰ সংখ্যাও আছিল দহ। শ পিছতহে মোৰ ধাৰণা হ'ল যে অসমীয়া প্ৰধান বি লোৱাৰ মুদা মৰিল। শিক্ষকসকলৰ লগত মোৰ সম্পৰ্কই আছিল যদিও আৰম্ভণিতে কেনা লগা বুলি অধ্যক্ষ আব্দুল হাই ছাৰৰ ওচৰ পালোঁগৈ। আৰে ট্ৰেন্সফাৰ চাৰ্টিফিকেটৰ বাবে— পুনৰ গুৱাহাটীতে কলেজত পঢ়িমগৈ। মনে মনে থিৰাং কৰিয়েই আ হাই ছাৰে কিন্তু অন্য পৰামৰ্শহে দিলে। প্ৰশ্ন সোধা উপস্থিতি কটাত প্ৰকৃততে অধ্যক্ষ ডাঙৰীয়াৰো খং উ মোক পৰামৰ্শ দিলে— 'ঠিক আছে, তুমি কলে নালাগে। অন্য বিষয় এটা প্ৰধান বিষয় হিচপে বিজ্ঞানকে প্ৰধান বিষয় হিচাপে লোৱাটো ঠি অৰ্থবিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক আছিল শ্ৰ শইকীয়া। 'অৰ্থ বিজ্ঞানকেই প্ৰধান বিষয় হিচাপে এটা লিখিত বাছনি পৰীক্ষাত বহিব লাগিব।'— পৰীক্ষাৰ বিষয় হিচাপে মোক 'নিবনুৱা সমস্যা'ৰ ৰচনা লিখিবলৈ দিলে। এশ নম্বৰৰ ৰচনা। অকল দিছিলোঁ। শতকৰা পয়ষষ্ঠি নম্বৰ পালোঁ। গতিকে আহি অৰ্থ বিজ্ঞানত সোমালোহি।

এতিয়া ভবো, মাননীয় শিক্ষকগৰাকীয়ে শাস্তিটো প্ৰকৃততে মোৰ বাবে এক সৌভাগ্যপূৰ্ণ আহিছিল। অৰ্থবিজ্ঞানত মই প্ৰথম শ্ৰেণীৰ প্ৰথম হ

জীৱনত মই প্ৰথমবাৰৰ বাবে কেনে এ অভিনন্দন আৰু আশীৰ্বাদ পাইছিলোঁ আজি বৰ্ণা অধ্যক্ষ হাই ডাঙৰীয়া, যাক সমীহ কৰি মই যথেষ্ট কথা পাতিছিলোঁ, সেই হাই ছাৰে সম্বৰ্দ্ধনা অনুষ্ঠানত ছাত্ৰ-ছাত্ৰীৰ আগতে আঁকোৱালি দাঙি ধৰিছিল। ম ফালৰ পৰা মোক দহ হেজাৰ টকা দিছিল উন্ন বিশ্ববিদ্যালয়ত পঢ়িব বাবে আৰু পুথিভঁৰালৰ পৰা সিমান পাঠ্যপুথি নিবৰ বাবে অনুমতি দিছিল। ভ পিছতো বহুত আভিনন্দন পাইছোঁ; কিন্তু এই অ অভিনন্দনৰ আন একোৰে তুলনা নহয়।

এটা সৰু ঘটনাই মোৰ জীৱনৰ গতি-পথ দিছিল। তিনিটা দশকৰ পিছত, বিংশ শতিকাৰ শে দুখনমান কাকতত কুৰি শতিকাৰ অসমৰ দহগৰাকী নাম ওলাই ছিল। তাত মোৰ নামো আছিল। অজানিতে ধন্যবাদ জনাইছিলোঁ সেইগৰাকী শিক্ষকক অবাঞ্ছিত গোৰটোৰে মোক গংগাত নিক্ষেপ কৰি

ছাত্র-ৰাজনীতি ঃ এটা ক্ষতিকাৰক দিশ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্রতিটো দিন তিটো ক্ষণ আছিল ভীষণ প্রত্যাহ্বান ভৰা। সেইবোৰ দিন আছিল ংগ্রাম-মুখৰ। নিবনুৱা সমস্যাবিৰোধী সংগ্রাম, বিশেষকৈ সম্পদ ভিত্তিক শিল্পায়নৰ দাবীত হোৱা সংগ্রামে এই দিনবোৰ উত্তপ্ত কৰি লিছিল। আটাইতকৈ বেছি উত্তপ্ততা আৰু উত্তেজনা সৃষ্টি ৰিছিল দ্বিতীয় তেল শোধনাগাৰৰ আন্দোলনে। আমাৰ যৌৱনৰ ঠি অহা দিনবোৰত অন্ততঃ তিনিটা বছৰ দ্বিতীয় তেল াধনাগাৰ আন্দোলনৰ ধুমুহাই উৰুৱাই নিছিল। মই এটা বৈপ্লৱিক ত্র সংগঠনৰ সৰু সুৰা নেতাই আছিলোঁ। গতিকে কান্ধত এটা ানা লৈ, কেইখন দৰ্কাৰী কিতাপৰ বোজা বান্ধি সমগ্র লাখনতে আৰু কেতিয়াবা জিলাখনৰ বাহিৰলৈ তেজপুৰ, ডিফু, ৰসাগৰ, মৰাণ আদিলৈও গৈছিলোঁ। জিলাখনত সেই সময়ত খনো প্রধান ঠাই কিবা প্রধান বিদ্যালয় নাছিল যিবোৰলৈ মই গঠনৰ নামত যোৱা নাছিলোঁ। প্রায় চাৰিটা দশকৰ পিছত উভতি লে আজি দেখা পাওঁ যে বেছি ভাগ কামেই বুজা-নুবুজাৰ ামোজাত থাকিয়েই কৰা হৈছিল। সেই সময়ত জগতখন সলনি ৰিব পৰা সাহস আমাৰ আছে বুলি ভাবিছিলোঁ। কিন্তু এতিয়া বি দুখ লাগে যে জগতখন, ভাৰত তথা অসমখনৰ বিষয়ে মাৰ ধাৰণাবোৰ তথা বিকল্প গঢ়ি তোলাৰ বাবে আমি কল্পনা া পদ্ধতিবোৰত নানানটা অসম্পূর্ণতা আৰু ভ্রান্তি আছিল। াপি আজি ক'ব পাৰোঁ যে জীৱনক ইয়াৰ প্রকৃত গভীৰতা আৰু াৰৰ জীৱন্ত সমুদ্র আৰু ধুমুহাৰ মাজত জ্বলি থকা জুই শিখাৰ াত জুখি চোৱাৰ যি সুযোগ সেই সময়ত পাইছিলোঁ, সিয়েই ছিল অন্তবিহীন পাৰমানৱিক ইন্ধনৰ দৰে। ৰাজনৈতিক, ানিক, অর্থনৈতিক ক্ষেত্রত এতিয়া নানানটা নতুন নতুন সমস্যাই ৃষ্টি দি ধৰিছে— তথাপি সেই দিনত পোৱা শক্তি, বুদ্ধি আৰু ংসে এতিয়াও আমাক মানুহৰ দৰে শিৰ তুলি থকাত সহায় ৰছে।

ছাত্র ৰাজনীতিত তেতিয়া আজিৰ দৰে ধনৰ প্রাধান্য আহি া নাছিল। তেতিয়াও সদৌ অসম ছাত্র সন্থা শক্তিশালী ৰূপত দাঙি উঠাই নাছিল। অধ্যয়ন-পিপাসু আৰু যোগ্যতাসম্পন্ন ইভাগ ছাত্রই স্বাভাৱিক কাৰণতে ঢাল খাইছিল যুগান্তকাৰী াজিক কামত নিজকে নিয়োজিত কৰিবৰ বাবে। কিন্তু তিয়াই আমি বুজিছিলোঁ যে মূলতঃ কেইটামান সামাজিক, য় আৰু ভাষিক তথা সাংস্কৃতিক কাৰণত অচিৰে ৰাজনৈতিক স্থিতি সলনি হ'ব। ধর্মীয় সংকীর্ণতাক ৰাজনৈতিক স্বার্থত হাৰ কৰাটো আছিল মূল বেমাৰ। ইয়াৰ বিপৰীতে ঞ্চলিকতাবাদী ৰাজনীতিয়ে খোপনি ল'বলগীয়া হৈছিল ভাষা- আৰু জনসমষ্টিৰ ভৱিষ্যতক লৈ সৃষ্টি হোৱা অনিশ্চয়তাৰ ীয়া আৰু ধুমুহাৰ মাজত। তেলশোধনাগাৰৰ দাবীত হোৱা ন্দালনে অসমৰ সকলোকে জোঁকৰি গৈছিল; কিন্তু মূৰকত পুতলা শোধনাগাৰকে লৈ আমি সন্তুষ্ট হ'বলগীয়া হৈছিল। 'তেজ দিম তেল নিদিওঁ' বুলি শ্লোগান দিয়া সাহসী যুৱকসকলৰ দুজনমানে আনকি 'আছাম উইল চিচিড্ ফ্রম ইণ্ডিয়া।'— বুলিও জোৰ দি ক'বলগীয়া হৈছিল। তেলৰ ৰাজনীতি যে আন্তঃৰাষ্ট্রীয় আৰু ৰাষ্ট্রীয় স্বার্থ জড়িত শক্তিবোৰে নিয়ন্ত্রণ কৰিছে, তাৰ পৰাই ডাঙৰ ডাঙৰ যুদ্ধৰ জন্ম হৈছে আৰু ভৱিষ্যতেও হ'ব সেই কথা তেতিয়া ভালদৰে বুজাই নাছিলোঁ। তথাপি আমি স্পষ্ট আছিলোঁ যে নিবনুৱা সমস্যাৰ সমাধান অসমৰ উদ্যোগিক উন্নয়ন, কৃষিৰ উন্নয়ন আৰু সম্প্রসাৰণ তথা নৈৰ জলশক্তিৰ সুব্যৱহাৰৰ ওপৰত নির্ভৰশীল। চাৰিটা দশকৰ পিচতো সমস্যা একেই আছে। তথাপি ৬৮-৭১ ৰ পিছত এই সম্পদভিত্তিক শিল্পায়ন আৰু বিকাশৰ সংগ্রামৰ পৰা অসমৰ বাঁওপন্থী আৰু সমাজতান্ত্রিকসকল আঁতৰি গ'ল— খালী স্থান পূৰণ কৰিলে আঞ্চলিকতাবাদীসকলে। অসমৰ ভাগ্যলিপিক তথাকথিত ইন্দিৰা-মুজিব চুক্তিৰ লগত বান্ধি দিয়া হ'ল। বাঁওপন্থী, সোঁপন্থী বহুতেই সেই সময়ত কথাবোৰ ভাবি নাচালে। ফলত সীমিত পৰিসৰত আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ ছাত্র-ৰাজনীতিত বহল অর্থত যি ধর্মীয় বিভাজনৰ সূচনা হ'ল, বহল পৰিসৰত সমগ্র জিলাখনত তথা অসমৰ আন ঠাইতো তাৰেই প্রকোপ দেখা গ'ল। মোৰ ধাৰণা এই সময়তে ৰাজনৈতিক অৱস্থাৰ দাস হিচাপে অহা সীমাহীন সংখ্যক বাংলাদেশী ভগনীয়াৰ সোঁতে অসমৰ কৌটিকলীয়া ধর্মীয় সম্প্রীতিৰ বান্ধোন কেৰোণীয়া কৰিলে আৰু ইয়াৰ প্রতিক্রিয়া স্বৰূপে গা-কৰি উঠা ধর্মীয় ৰাজনীতি আৰু আঞ্চলিকতাবাদী ৰাজনীতি— দুয়োটাই আজিলৈকে সমস্যাৰ সমাধান বিচাৰি হাবু-ডুবু খোৱাৰ অন্ত পৰা নাই। এই টো সন্দেহাতীতভাৱে সত্য যে আমি যিবোৰ ধর্মনিৰপেক্ষ, প্রকৃত গণতান্ত্রিক আৰু সমাজতান্ত্রিক আদর্শৰ বাবে সময়ে সময়ে ভীষণ যুঁজত অৱতীর্ণ হৈছোঁ, সেইবোৰৰ মুল্যায়নৰ মাপকাঠী আৰু ৰাজনৈতিক গুৰুত্ব ১৯৭১ ৰ পিছৰ কালছোৱাত গুৰুতৰভাৱে সলনি হৈছে। সলনি হৈছে ভালৰ বাবে নহয়, অধিক অস্থিৰতা আমদানিৰ বাবে।

ছাত্র আন্দোলনৰ লগত মোৰ সম্পর্ক ১৯৭৩ চনমানৰ পৰা সম্পূর্ণ শেষ। কিন্তু তাহানি জগন্নাথ বৰুৱা মহাবিদ্যালয়ৰ চৌদিশে থকা নামবিহীন অজস্র জুপুৰী, যিবোৰক আজি ছাত্রাবাস বুলি ক'বলৈ অসুবিধা হয়, সেই সময়ত আমি তাতেই বহি বহি যিবোৰ সপোনৰ বাস্তৱ ৰূপায়ণৰ বাবে কল্পনা কৰিছিলোঁ,— সেইবোৰে আজিও আমাক নতুনকৈ সকলো কথা জুখি চোৱাৰ সাহস দিয়ে।

আমাৰ সৰু-বৰ সহপাঠী, সহকর্মী আৰু অগ্রজ তথা অনুজসকলৰ মাজত সেই সময়ত যিসকল আছিল, তেওঁলোকৰ মাজত আছিল কিছু অগ্রজ জ্ঞানদাভিৰাম শইকীয়া, ৰাজেন শইকীয়া, বীৰেন ডেকা, প্রয়াত কেঁহোৰাম শইকীয়া, সমবয়সী আৰু অনুজ উপেন বৰুৱা, অনিল বৰুৱা, কৃষ্ণ লস্কৰ, ভাৰত তামুলীফুকন, শেৱালী তামুলী ফুকন, মনজিত সিং, তোষেশ্বৰ তামুলী ফুকন, মোলান লস্কৰ, গুণ চাংকাকতি, তৰেণ শইকীয়া,

দ্বিগেন বৰা, শ্বহিদুল ইছলাম, মুছলিমুদ্দিন কবীৰ, প্ৰয়াত ৰমণী ভঁৰালী, তৰেণ বৰদলৈ ইত্যাদি ইত্যাদি সহস্ৰজন। পিছত আঞ্চলিক ৰাজনীতি কৰা বহুতেই তেতিয়া আমাৰ কাম-কাজৰ সহযোগী আছিল।

আজি চাৰিটা দশকৰ পিছত মূল্যায়ন কৰিলে মোৰ চকুত পৰে যে তেতিয়া ধনৰ ৰাজনীতি দুৰ্বল হোৱা বাবে, আমাৰ নিজৰ মাজত আমাৰ সমান্তৰালভাৱে কাম কৰা অন্য সংগঠনবোৰৰ নেতা আৰু কৰ্মীসকল প্ৰায়ে নিকা, অধ্যয়নপিপাসু, মেধাবী আৰু শিক্ষকসকলৰ প্ৰতি শ্ৰদ্ধাশীল আছিল। আটাইতকৈ ডাঙৰ কথা অধ্যয়ন-পিপাসা আৰু সংস্কৃতি তথা সাহিত্যৰ প্ৰতি অনুৰাগ। ছাত্ৰ-ৰাজনীতিয়ে হঠাৎ সাম্প্ৰদায়িক ৰূপ লোৱাটোৱেই সম্ভৱতঃ আটাইতকৈ ক্ষতিকাৰক দিশ। আমাৰ দিনত যি সামান্যভাৱে শিপা মেলিছিলহে— আজি সি মহীৰুহত পৰিণত হৈছে। আমাৰ ধাৰণা— পুনৰ শান্ত, সুস্থিৰ, সহনশীল আৰু প্ৰকৃতাৰ্থত সম্প্ৰীতিভৰা অৱস্থালৈ পৰিস্থিতিটো ঘুৰাই আনিবৰ বাবে আজিৰ ছাত্ৰ-শিক্ষকসকলোৱে মিলি প্ৰয়াস কৰিব লাগিব। ভাল দিনবোৰ ঘুৰাই অনাৰ দায়িত্বও মূলতঃ যুৱকসকলৰে যাক সমাজৰ বেগৱতী নদীখনৰ অগ্ৰভাগ বুলিব পাৰি।

সেই সময়ৰ ছাত্ৰ-ৰাজনীতিৰ দীঘলীয়া অভিজ্ঞতাৰে মই ক'ব পাৰোঁ যে ছাত্ৰই হ'ল পৰিৱৰ্তনাকাংক্ষী আটাইতকৈ অস্থিৰ শ্ৰেণী। যিহেতু ইয়াৰ আৰ্থ-সামাজিক শ্ৰেণী-ভিত্তি অনিশ্চিত আৰু অস্থিৰ— গতিকে ই অকলেই ৰাজনৈতিক ক্ষমতা দখলৰ উদ্দেশ্যে কাম কৰিলে তাৰপৰা সমাজৰ লাভ যিমান হ'ব পাৰে, ক্ষতিও সিমানেই অপূৰণীয় হ'ব পাৰে।

ক্ষমতা-দখলৰ ৰাজনীতিৰ পৰা, বিশেষকৈ দলীয় কচৰতবোৰৰ পৰা আঁতৰত থাকি বৃহত্ত সমস্যাবোৰৰ ক্ষেত্ৰত অৱশ্যেই সামাজিক চেতনা আৰু সক্ৰিয়তা বৃদ্ধি আৰু পৰিৱৰ্তনকামী আকাংক্ষাক সংগঠিত আৰু পৈণত ৰূপ দিয়াত মহাবিদ্যালয় আৰু বিশ্ববিদ্যালয়ৰ ছাত্ৰসকলে কাম কৰা উচিত। অন্যথা সস্তীয়া ক্ষমতাৰ ৰাগীয়ে নানা ধৰণৰ সাম্প্ৰদায়িকতা আৰু দুষ্কৃতিক স্থায়িত্ব প্ৰদান কৰিব পাৰে— যিটো তথাকথিত ৰাজনৈতিক দলবোৰৰ নিয়ন্ত্ৰণৰ বাহিৰলৈ যোৱাৰ সম্ভাৱনাই বেছি। এবাৰ সাম্প্ৰদায়িকতাই খোপনি লোৱাৰ পিছত আদৰ্শ আৰু ৰাজনীতিৰ পিতা-মাতাসকলেই ছাত্ৰ-ৰাজনীতিক পুনৰ ভাল পথলৈ, ধৰ্মনিৰপেক্ষ-গণতান্ত্ৰিক পথলৈ ঘুৰাই আনিব নোৱাৰে। এতিয়া প্ৰায় তেনেকুৱা এটা বিপজ্জনক অৱস্থাই অকল নগাঁও জিলা নহয়, সমগ্ৰ অসম আৱৰি ধৰিছে। অতি দুখজনক পৰিণতিৰ দিশে আমি আগবাঢ়িছোঁ। মোৰ ধাৰণা আজিও 'এডিপিয়ান' সকলৰ সন্মুখত এই প্ৰত্যাহ্বানেই বাস্তৱ ছাত্ৰ ৰাজনীতিত প্ৰধান বিপদ ৰূপে আছে।

আমাৰ শিক্ষকসকল

আমাৰ দিনত তুলনামূলকভাৱে নতুন মহাবিদ্যালয়খনত বয়সীয়া মানুহ (আদহীয়া ডেকাই) পঢ়িবলৈ আহে বুলি এটা প্ৰাবচনিক নাম আছিল। কিন্তু এই নামটোৰেই বাস্তৱতা কৰি এখন সুন্দৰ মহাবিদ্যালয় গঢ়ি তুলিবৰ শিক্ষকসকলে আৰম্ভ কৰিছিল এক আপোচবিহীন সংকল্পদৃঢ় গুৰুকুলৰ ব্ৰত। এতিয়া অন্ততঃ চাৰিটা দশ বহু দূৰ আঁতৰি আহি মোৰ ধাৰণা হৈছে যে ১৯৬৯-৭১ অৰ্থবিজ্ঞানত আমাৰ মহাবিদ্যালয়ৰ শিক্ষকসকলৰ পৰা পাইছিলোঁ সেয়া সম্ভৱতঃ বিশ্ববিদ্যালয়তো পোৱা নাই গ্ৰন্থ পঢ়াত আৰু তত্ত্ববোৰ ভালদৰে বুজাত, বিশেষ চিত্ৰৰ বিশ্লেষণ পদ্ধতিক ভালদৰে আয়ত্ত কৰাত প্ৰধান অধ্যাপক বাণেশ্বৰ শইকীয়াই দিয়া গুৰুত্বৰ তা পিছতহে ভালদৰে উপলব্ধি কৰিছোঁ। আন এগৰাকী কি সামৰিক বাহিনীৰ (হুস্বম্যাদী সেৱাৰ) বিষয়া ড° চৌধুৰীৰ কথাও বিশেষভাৱে উল্লেখ কৰাৰ প্ৰয়োজ হৃদয়েৰে উপলব্ধি কৰোঁ। ড° চৌধুৰীয়ে মোক বাৰ পালেই কৈছিল— মাৰ্ক্সবাদী আদৰ্শৰ দল এটাৰ তু হৈছা, মোৰ ক'বলগীয়া নাই সেই বিষয়ত; কিন্তু মোৰ মাৰ্ক্সিয়ান অৰ্থনৈতিক তত্ত্ব ভালদৰে আয়ত্ব কৰা আ দিশত ইয়াৰ যিবোৰ তত্ত্বগত জটিলতা মূৰ দাঙি উঠি ব্যাখ্যা কৰাৰ চেষ্টা কৰা। তেওঁ তিনিটা সমস্যাৰ কৈছিল। প্ৰথমটো কমিউনিষ্ট দেশত সঠিক অৰ্থত কেলকুলেছন' নথকাটো। যাৰ ফলত বস্তুৰ আচ চৰকাৰ নিৰ্দ্ধাৰিত দৰৰ মাজত বিশাল ব্যৱধান দ্বিতীয়তে, কমিউনিষ্ট দেশত বিতৰণৰ সঠিক নীতি উ পৰা নাই। মানুহক প্ৰয়োজন অনুসৰি সকলো দি ব্যৱস্থাটো জীয়াই নাথাকে। সকলো বস্তু বিচৰা মতেই কামৰ পৰা কাকো অব্যাহতি দিয়াৰ উপায় নাথাকি কোনেও কাম নকৰা হ'ব। পিছত দেখা পাইছিলে সেইটোৱেই হৈছিল। তৃতীয়তে তেওঁ কৈছিল যে বাণিজ্যৰ ক্ষেত্ৰত কমিউনিষ্ট দেশবোৰৰ কোনো সা নাই আৰু সাৰ্বজনীন গ্ৰহণযোগ্য মুদ্ৰা নাই। গতিকে সংকটৰ কাৰণ হ'ব। বস্তু-বিনিময় প্ৰথাৰ উন্নত সংস্কৰ দেশীয় বাণিজ্যৰ পৰিশোধৰ সমস্যাবোৰ কিদৰে স চৌধুৰী ছাৰে প্ৰশ্ন কৰিছিল। কিন্তু কুৰি বছৰ পি ইকনমী' বিকাশৰ অনিবাৰ্যতা আৰু কমিউনিষ্ট দেশ স্বভাৱজ কাৰণবোৰ ফঁহিয়াই চাই মই বুজিব পাৰি চৌধুৰীয়ে মাৰ্ক্সিয়ান ইকনমিক্স ভালদৰে অধ্যয়ন মোক সেইবোৰৰ বিষয়ে আগতেই সঁকীয়াই দি আমাৰ কমিউনিষ্টসকলে মাৰ্ক্সিয়ান ইকনমিক্সৰ সমাধানৰ প্ৰয়াস কৰা নাই, তুমি আয়ত্ব কৰিবলৈ চেষ্টা পাৰিবা।'— ড° চৌধুৰীৰ মোৰ ওপৰত আস্থা আ আছিল বহুত। সেইবোৰ যে পূৰণ কৰিব পৰা নাই নক'লেও চলে। যি নহওক অস্কাৰ লাং, আৰ্নষ্ট জোৱান ৰবিনছন আদিৰ অনুপুংখ অধ্যয়নৰ প্ৰতি

তালাত তেওঁৰ অৱিহণাৰ কথা মই পাহৰিব নোৱাৰো। শিক্ষক হিচাপে সম্ভৱতঃ ৰাজনীতি বিজ্ঞানৰ পুষ্প বৰা, সহজানন্দ ওজা, শী বৰা, নিৰু হাজৰিকা আদিয়ে আমাৰ মনত গভীৰ ৰেখাপাত ৰিবলৈ সমর্থ হৈছিল। মই আজিও ভাবো যে ৰাজনীতি বিজ্ঞানৰ ই সুস্বাস্থ্যবান শিক্ষক কেইজনে শিক্ষক সম্পর্কে বা শিক্ষকৰ াস্থ্য সম্পর্কে মোৰ ধাৰণাকে সলনি কৰি দিছিল। তেওঁলোক কৱল হৃষ্ট-পুষ্ট ধুনীয়া স্বাস্থ্যৰ ব্যক্তিয়েই নাছিল, সুন্দৰ মনৰ াধিকাৰীও আছিল আৰু ৰাজনীতিৰ বিষয়বোৰ বুজাত, আশা ৰাতকৈও বহু বেছি সহায় আমি তেওঁলোকৰ পৰা পাইছিলোঁ। ংৰাজী বিভাগৰ শিক্ষকসকলৰ প্রসঙ্গও সদায় আহিবই। কবি াহিত্যিক ৰবীন্দ্র বৰা, ধীৰেন বৰদলৈ, কিছু দিনৰ বাবে পোৱা শ্বৰীপ্রসাদ নামৰ এগৰাকী বিচক্ষণ ব্যক্তি আৰু অধ্যয়ন-াপাসাৰে আমাৰ মনত এক নতুন অধ্যয়ন-স্পৃহা জগাই ালা— স্নাতক তৃতীয় বর্ষত মাত্র কিছুদিনৰ বাবে পোৱা যামিনী কনক আমি নিশ্চয় মনত ৰাখিবই লাগিব। প'ল বাৰাণ আৰু ল চুইজিৰ 'মনপলী কেপিটেল' আৰু ভি.এছ্. নাইপ'লৰ 'এন ৰিয়া অব ডার্কনেছ' আদি কিতাপ ১৯৭১ত যামিনী ফুকন ঙৱীয়াৰ তাতেই প্রথম দেখা পাইছিলোঁ। বিশ্বখ্যাত লেখকৰ াহতীয়া কিতাপবোৰ অধ্যয়ন কৰা লোকসকলক সতকাই লগ াৱা নাযায়। ব্যতিক্রমধর্মী আৰু আপোচবিহীন চৰিত্রৰ যামিনী কন ডাঙৰীয়া এতিয়া এগৰাকী নামী অধিবক্তা। মই নাজানো তিয়াও তেওঁৰ সেই গ্রন্থ প্রেমী হিচাপে অননুকৰণীয় ব্যক্তিত্ব ান দীঘলীয়া বেয়া সময় অতিক্রমিও জীয়াই আছেনে নাই; ন্তু মোৰ বাবে সেইটো আছিল তেওঁৰ প্রথম আৰু শেষ পৰিচয়। ত কম দিনৰ ভিতৰতে আপোচবিহীন আৰু গ্রন্থানুৰাগী মন এটা ই তোলাত তেওঁ যিকণ অৱিহণা আগবঢ়ালে সেই কথা মই তিয়াও পাহৰিব নোৱাৰোঁ।

সকলো শিক্ষাগুৰুৰ বিষয়ে স্মৃতিচাৰণ কৰা এই চমু খাত সম্ভৱ নহয় আৰু উদ্দেশ্যও সেইটো নহয়। তথাপি আৰু াৰাকী প্রভাৱশীল শিক্ষকৰ কথা উল্লেখ নকৰিলে আমাৰ কথা ধৰুৱা হৈ ৰ'ব। সেইগৰাকী হ'ল শ্রীযুত নৰেন কলিতা। সদায় া পঞ্জাবী আৰু চুৰিয়া পিন্ধা এইগৰাকী ব্যক্তিৰ হয়ৰগাঁৱৰ স্থানৰ নিচেই কাষৰতে কিছুদিন আমি 'মেচ' কৰি আছিলোঁ। আৰু মোৰ ভাইটো। তাৰো আছিল অর্থনীতি প্রধান বিষয়। অসমীয়া প্রধান বিষয় এৰি মাজ বাটতে অর্থনীতি পঢ়িছিলো ও অসমীয়া বিভাগৰ লগত গভীৰ নিবিড়তা থাকি গৈছিল। মকি যিগৰাকী শিক্ষকৰ লগত সামান্য ভুল বুজাবুজি হোৱাত াৰ দহটা উপস্থিতি কটা গৈছিল— তেৰোঁ সেইবোৰ কথা ছলৈ মনত ৰখা নাছিল। মোৰ জীৱনৰ গতিপথ সৰু কথাটোৰে ানি কৰি দিলেও, সেই কথালৈ মোৰ কোনো মনঃপীড়া আজি ই। তেওঁৰ লগত এতিয়াও মোৰ ভাল সম্পর্কই আছে. নাট্যকাৰ ইগৰাকী শিক্ষকৰ লগত চিন্তাৰ বিনিময়ো পিছত হৈছে। ইগৰাকী শিক্ষকৰ উপৰি পূর্বে উল্লেখ কৰি অহা কলিতা ডাঙৰীয়াই অসমীয়া বিভাগটো আমাৰ বাবে বেছ আকর্ষণীয় কৰি তুলিছিল। কলিতা ডাঙৰীয়াই আম্বিকাগিৰিৰ 'অনুভূতি' বুজাইছিল। আলোচনা কালত অম্বিকাগিৰিৰ সংৰক্ষিণী আদর্শ আৰু মানৱায়তন সম্পর্কে যিবোৰ কথা কলিতা ডাঙৰীয়াই আমাক কৈছিল— সেইবোৰ চাৰিটা দশকৰ পিছতো মোৰ মনত উজ্জ্বল হৈ আছে। কলিতা ডাঙৰীয়াৰ আৰু এটা কথাই মোৰ মনত গভীৰভাৱে ৰেখাপাত কৰিছিল। কথাটো আছিল এটা গল্প বিষয়ক। কলেজৰ বার্ষিক প্রতিযোগিতা গল্প ৰচনাত মই প্রথম স্থান পাইছিলোঁ। 'পঁজাল' নামৰ গল্পটোৰ বিষয়ে কলিতা ডাঙৰীয়াই পিছত এদিন কৈছিল যে তাত অস্তিত্ববাদী চিন্তাৰ প্রভাৱ ফুটি উঠিছে। সেই সময়ত কথাটো মই নিজেই সিমান গভীৰভাৱে ভবা নাছিলোঁ। আজি বহু দিনৰ মূৰত সেই কথাটো মোৰ পুনৰ মনলৈ আহিছে। সেই তেতিয়াই মোৰ দৰে এজন নতুন ছাত্রৰ গল্পত থকা ভাবটো ফঁহিয়াই চাই এটা গভীৰ অর্থবহ মন্তব্য দিব পৰা ব্যক্তিত্ব সম্ভৱতঃ অতি নগণ্য সংখ্যক লোকৰহে থাকিব পাৰে। নিজৰ কর্ম আৰু চিন্তাৰ প্রতি সিমান গভীৰভাৱে একনিষ্ঠ, কথা আৰু কামৰ মাজত সম্পর্ক থকা শিক্ষাগুৰু জীৱনত কমেই লগ পোৱা যায়।

আনন্দৰাম ঢেকিয়াল ফুকন কলেজ বুলিলেই আজি সেই বগা পঞ্জাৰী বগা চুৰিয়া পিন্ধা, কথা আৰু কামৰ মাজত গভীৰ মিল থকা, নির্মল ভাবমূর্তি এটা মনলৈ আহে। মহাবিদ্যালয়খনৰ যেন সেইটো এটা আত্মিক পৰিচয়— যিটো মনৰ মাজত মই আজিও পুঁহি ৰাখিছোঁ। জ্যাঁ পল ছার্ত্রৰ অস্তিত্ববাদৰ পৰা অম্বিকাগিৰিৰ সংৰক্ষিণী আদর্শলৈ এক বিপুল সম্ভাৰ হাতৰ মুঠিত লৈ সেই ভাবমূর্তিৰ ব্যক্তিসকল, সেই শিক্ষকসকল ৰৈ আছে যেন আনন্দৰাম ঢেকিয়াল ফুকনৰ ৰৌদ্রোজ্জ্বল মূর্তিটোৰ তলত। দীক্ষিত ছাত্রৰ বাবে আশীর্বাদৰ ভংগীত যেন তেওঁলোক ৰৈ আছে। সেইদৰেই সেই ভাবমূর্তিটো থাকক চিৰদিন উজ্জ্বল হৈ। মই ভবো জাতিটো পুনৰ গঢ়ি তুলিবৰ বাবে তাৰ বাহিৰে এতিয়া অন্য একো নাই।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা বিশেষকৈ শিক্ষকসকলৰ পৰা যি আদর্শগত অনুপ্রেৰণা আৰু শিক্ষা মই পাইছিলোঁ, তাৰ সদ্ব্যৱহাৰ কৰিবৰ বাবে মই নিজে এজন শিক্ষক হিচাপে, সাহিত্যিক-সাংবাদিক হিচাপে অহৰহ চেষ্টা কৰোঁ। ছাত্র-ছাত্রীৰ প্রতি নিষ্ঠাৰে সকলো বাকি দিয়াৰ এক অদম্য হেঁপাহ, সৰলতা আৰু লোভ-মোহৰপৰা মুক্তি। শ্রদ্ধেয় বাণেশ্বৰ শইকীয়াৰ পৰা নৰেন কলিতালৈ— ভিন্ন আদর্শৰ, ভিন্ন দৃষ্টি-ভংগীৰ অজস্র শিক্ষকে নিঃস্বার্থ সেৱাৰ যি আদর্শৰে যি অনুপ্রেৰণা আমাক দিছিল, তাৰ প্রভাৱ শিক্ষক জীৱনত এশভাগেই পৰিছিল। আনকি যিটো সামান্য নেতিবাচক ঘটনাই মোৰ বিষয়-শিক্ষাৰ গতিপথ পর্যন্ত ঘূৰাই দিছিল সেই ঘটনাটোৱেও মোক দিছিল ইতিবাচক শিক্ষা। মোৰ শিক্ষক জীৱনত মূল গ্রন্থবোৰ পঢ়াৰ হেঁপাহ জন্মোৱাৰ অনুপ্রেৰণা আৰু কোনো (দর্মহাৰ বাহিৰে) ধনৰ লোভত ছাত্রক উপৰুৱা শিক্ষা প্রদান নকৰাৰ দৃঢ় চেতনাবোধ যিদৰে আমাৰ

আদৰণীয় শিক্ষকসকলৰ পৰাই আহিছিল, ছাত্ৰ-ছাত্ৰীসকল মাজত সংকটত ভোগাসকলক বৌদ্ধিক আৰু পৰা অৱস্থাত ধনেৰে সহায় কৰাৰ উদ্দীপনা আমাৰ বৰণীয় শিক্ষাগুৰুসকলৰ পৰাই পাইছিলোঁ। একেদৰে শ্ৰেণীত মুকলিভাৱে সকলো ছাত্ৰৰ পৰা ওজৰ-আপত্তি আৰু প্ৰশ্ন শুনাৰ আৰু সকলো উত্তৰ দিয়াৰ অনুপ্ৰেৰণাও আহিছিল আমাৰ শিক্ষাগুৰুসকলৰ পৰাই।

নতুন কলেজ এখনক জাকতজিলিকা কৰা যুঁজখনৰ দিনত আমি যে ছাত্ৰ হিচাপে প্ৰত্যক্ষ বা পৰোক্ষভাৱে হ'লেও কিবা ভূমিকা পালন কৰিছিলোঁ সেই কথা ভাবি আজি ভীষণ আপ্লুত হওঁ।

সাহিত্য-সংস্কৃতি চৰ্চা

মহাবিদ্যালয়ৰ দিনবোৰলৈ মনত পৰিলে আজি আটাইতকৈ ইতিবাচক যিটো দিশে মোক প্ৰকৃততে আহ্লাদিত কৰে, সেইটো হ'ল বৌদ্ধিক আৰু সাংস্কৃতিক দিশত আগবঢ়াৰ হেঁপাহ জগাই তোলাত মহাবিদ্যালয়খনৰ সীমাহীন অৱদান। সাহিত্য, সুকুমাৰ কলা, নাটক, বক্তৃতা সভা, তৰ্ক সভা— ইত্যাদি সকলো ক্ষেত্ৰত মই নিজে আগৰণুৱা আছিলোঁ। তৰ্ক সভাৰ পৰা চিত্ৰাংকণলৈ কোনো ক্ষেত্ৰতে অংশ গ্ৰহণ নকৰাকৈ মোৰ এটা দিনো পাৰ হোৱা নাছিল। এই যে প্ৰতিদ্বন্দ্বিতামূলক মনোভাৱটো ছাত্ৰ-ছাত্ৰীৰ মাজত জাগ্ৰত কৰাৰ সীমাহীন প্ৰয়াস, মই ভাবো সমূহীয়াভাৱে অধ্যক্ষ আৰু শিক্ষকসকলৰ কৃতিত্ব। মহাবিদ্যালয়ৰ আৰম্ভণি পৰ্বৰ অধ্যক্ষগৰাকীক আমি লগ পোৱা নাই। লগ পাইছো আব্দুল হাই ডাঙৰীয়াক অধ্যক্ষ হিচাপে। ছাত্ৰ-ছাত্ৰীসকলে সহজে লগ পাব পৰা এজন প্ৰকৃতাৰ্থত সহযোগিতামূলক আদৰ্শৰে কাম কৰা মানুহ। ছাত্ৰ-ছাত্ৰীৰ যিকোনো অভিযোগ শুনা আৰু তাৰ সমাধানৰ বাবে সুপৰামৰ্শ দিয়াত তেওঁৰ অৰিহণা নিশ্চয় স্মৰণীয়। ব্যক্তিগতভাৱে অৰ্থনীতিক প্ৰধান বিষয় হিচাপে ল'বলৈ তেওঁ যি পৰামৰ্শ দিছিল তাক মই পাহৰিব নোৱাৰোঁ।

শিক্ষক আৰু ছাত্ৰ-ছাত্ৰীসকলৰ মাজত ভালেসংখ্যক গায়ক, অভিনেতা, নাট্যকাৰ, কবি, গল্পকাৰ, সুবক্তা আৰু সংগঠক সেইসময়ত আছিল। সকলোৱে সন্মিলিতভাৱেহে একোটা প্ৰতিষ্ঠান প্ৰতিদ্বন্দ্বিতামুখৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বাবে উপযোগী কৰি তুলিব পাৰে। বিভিন্ন ক্ষেত্ৰত, আনকি সাহিত্য আৰু ৰাজনৈতিক জীৱন তথা শিক্ষা আৰু গৱেষণাৰ ক্ষেত্ৰতো প্ৰভূত সফলতা অৰ্জন কৰা কেবাগৰাকীও ব্যক্তি সেইসময়ৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ ছাত্ৰ আছিল।

মই এতিয়া ভাবো মহাবিদ্যালয়খনৰ প্ৰতি চ
বালিত চাগৈ স্মৃতিৰ এচিকটা হ'লেও প্ৰত্যক্ষ বা প
কণাটোমান হ'লেও জিলিকনি ওলাব। ক'ৰবাত বহি ক
ক'ৰবাত নাটকৰ বচন আওৰোৱা, ক'ৰবাত অগ্নিবৰ্ষী ব
ক'ৰবাত ছাত্ৰ-ছাত্ৰীৰ জুমৰ মাজত ঘণ্টাৰ পিছত
আলোচনা তৰ্ক-বিতৰ্ক কৰা, ক'ৰবাত চিত্ৰ আঁকা আৰু
কৰা নাছিলোঁ আমি!

আজিৰ পৰা দহ বছৰমান আগতে ক্ষেত্ৰী থানা
হলিৰাম বৰাক লগ পাইছিলোঁ অন্য কিবা এটা
থাকোতে শকত-আৰত, মুখত অনৰৰত সৰল হাঁহি
থকা সুঠাম মানুহ এজনে আহি মোক কৈছিল— '
আছেনে? মই হলি, হলিৰাম বৰা।' মই চিঞৰি উঠিছি
বহুত শকত হ'লা!' তেওঁ তাৰ পিছতে কৈছিল, '
আছেনে আপোনালোকৰ মেছত এনেয়ে থকা বি
চিত্ৰবোৰ আনি আমি যে এখন প্ৰদৰ্শনী পাতিছিলো
স্মৃতিৰ মণিকোঠাত উজলি উঠিছিল সেই দিনবোৰৰ
পোহৰ। হলিৰাম বৰা, ছাত্ৰ একতা সভাৰ কোনোবা
সত্তৰ সাংস্কৃতিক শাখাৰ সম্পাদক আছিল। মোৰ ভ
বৰগোহাঞিৰ লগৰ। তেওঁ এখন প্ৰদৰ্শনীৰ বাবে
চিত্ৰবোৰ নিছিল। চিত্ৰ শিল্পীৰ অভাৱ হোৱাত স
লৰালৰিকে আঁকা চিত্ৰকেই কোনেৰে নিজৰ নামত প্ৰদৰ্শ
দিছিল আৰু বঁটাও পাইছিল। হলিৰামৰ সম্পূৰ্ণ মনত আ
পাহৰি গৈছো কি কি চিত্ৰ আছিল। আনকি পাহৰি গৈছে
ঘূৰাই অনা হ'লনে নাই।

তেনেকুৱাই আছিল দিনবোৰ। ধুমুহা, গীত-
চিত্ৰ-কলা সকলো সামৰি আছিল আমাৰ জীৱন। এটা
ভালদৰে মনত আছে। মহাবিদ্যালয়ৰ সাহিত্য প্ৰতিযোগি
প্ৰতিযোগী হিচাপে প্ৰথম পুৰস্কাৰ হিচাপে লক্ষ্মীনাথ
ৰচনাৱলীৰ দুটা খণ্ড পাইছিলো। দুখজনক কথাটো হ'
পোৱাৰ পিছতে— মাত্ৰ এসপ্তাহমানৰ ভিতৰতে দুয়োটা
কৰি নিছিল কোনো অনুজ ছাত্ৰই। আজিও মনত পৰি
স্মৃতিৰ স্বাক্ষৰ এটা হেৰাই যোৱা বাবে। কেতিয়া
হলিৰামৰ দৰে হাঁহি এটা মাৰি সেইজন অনুজ ক'ৰবা
যোৱা হ'লে।

নোলায় সত্তৰ। সত্তৰ সেই বাবেই এই স্মৃতিও
অলপ সুকীয়া আনন্দৰ উৎস স্বৰূপ। কাৰণ কিতাপ
চিনাকী অনুজজনৰ মুখখন মোৰ আজিও মনত আছে।

এডিপি কলেজত দুটা বছৰ

ড° লীলাৱতী শইকীয়া বৰা

১৯৭২ চনৰ চেপ্তেম্বৰ মাহ। জুলাই মাহতে এম. এ. পৰীক্ষা শেষ কৰি গুৱাহাটীৰ পৰা গাঁৱলৈ আহি ঘৰতে আছোঁহি। ১৯৭১ চনত এম. এ. প্ৰিভিয়াছ পৰীক্ষা দি উঠিয়েই সহপাঠী দুই-একৰ লগতে ময়ো বাতৰি কাকতৰ বিজ্ঞাপন চাই দুখন কলেজলৈ প্ৰবক্তা পদৰ বাবে আবেদন-পত্ৰ পঠাইছিলোঁ। তাৰে এখন আছিল আনন্দৰাম ঢেকিয়াল ফুকন কলেজ। ছেপ্টেম্বৰ মাহৰে কোনোবা এদিন এই কলেজৰে তেতিয়াৰ অধ্যক্ষ শ্ৰদ্ধেয় আব্দুল হাই ছাৰক লগ কৰিলোঁগৈ। সেই সময়ৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক পৰম পূজনীয় শিক্ষাগুৰু মহেশ্বৰ নেওগ ছাৰে দিয়া পাঠ্যক্ৰম সমাপ্তিৰ প্ৰমাণ-পত্ৰখন হাই ছাৰক দি কৈছিলোঁ, "ছাৰ, প্ৰাৰম্ভিক বৰ্ষৰ নম্বৰ চাই এতিয়াই মোক কামটোত যোগ দিবলৈ দিবনেকি?" ইতিমধ্যে গম পাইছিলোঁ, আমাৰ লগৰ এজনে তেনেকৈ এখন কলেজত কাম কৰি আছে। চুটি-চাপৰ আৰু বেছ শকত-আবত হাই ছাৰৰ আছিল এক সুন্দৰ ব্যক্তিত্ব। দেখাত বেছ গহীন-গম্ভীৰ ছাৰে সামান্য মিচিকিয়াই হাঁহি ক'লে, 'ৰ'বা, এতিয়াই তোমাক দিওঁ বুলি কেনেকৈ দিওঁ? প্ৰথমে ৰিজাল্টটো ওলাবলৈ দিয়া।" এম. এ. প্ৰাৰম্ভিক পৰীক্ষাত ময়ে সৰ্বোচ্চ নম্বৰ পাইছিলোঁ। তথাপি ছাৰে মোক কামটো দিবলৈ থেৰো-গেৰো কৰাত কিছু হতাশ হ'লোঁ। বৰ আৰ্থিক অনাটনৰ মাজেৰে এম. এ. পঢ়ি আহিছোঁ। এতিয়া কাম এটা নহ'লেই নহয়। নিৰুপায়। বাট চালোঁ ৰিজাল্টলৈ। ১৯৭২ চনৰ ২৬ অক্টোবৰত ৰিজাল্ট দিলে। মই প্ৰথম শ্ৰেণীৰ প্ৰথম স্থানত আছোঁ। গাঁৱত তেতিয়া বাতৰি কাকত কোনেও নলৈছিল। পুৰণিগুদাম হায়াৰ চেকেণ্ডাৰীৰ শিক্ষক প্ৰয়াত মোহন দাস তাৰৈ বিয়লি দুইমান বজাত চাইকেল মাৰি উধাতু খাই ওলাইছিলহি আৰু চোতালতে কিবা কামত লাগি থকা মোক পাই কৈছিল, "মিঠাই আন, তই ফাৰ্ষ্ট হৈছ।" ওলোটাই মই প্ৰশ্ন কৰিছিলোঁ "শপত নে?" তাৰৈয়ে ধমকি দি কৈছিল, "ইমান ভাল খবৰ আনিলোঁ, তই মোক শপতহে খুৱাৰ? যা এতিয়া, চাহ একাপ কৰ।" ৪ মান বজাত ৰিজাল্ট ওলোৱা বাতৰি কাকতখন লৈ নগাঁও টাউনৰ পৰা ল'ৰা এজন আহিল। পঠাইছে নগাঁও ৰুবী প্ৰেছৰ মালিক ক্ষীৰদা বৰুৱাই। বাতৰি কাকতখনৰ ওপৰতে 'Congratulations' বুলি লিখি পঠাইছে। এম. এ. দি আহিয়েই সেই প্ৰেছতে কিছু দিন মই প্ৰুফ চাবলৈ শিকিছিলোঁ। মোৰ খুৰা প্ৰয়াত অতুল শইকীয়া আছিল সেই প্ৰেছৰে মেনেজাৰ। ৰিজাল্টৰ পিছ দিনাই হাই ছাৰক লগ কৰিলোগৈ। ছাৰে ১ নবেম্বৰৰ পৰা কামত যোগ দিবলৈ ক'লে। সেই তেতিয়াৰে পৰা ১৯৭৪ চনৰ নৱেম্বৰলৈ— এই পূৰা দুটা বছৰ মই এডিপি কলেজত কটালোঁ। সেই দুটা বছৰৰ কৰুণ-মধুৰ স্মৃতিয়ে মোক আজিও উন্মনা কৰে।

কলেজত যোগদান কৰিয়েই মোৰ প্ৰথম সমস্যা হ'ল থকাৰ। নগাঁও গাৰ্লছ কলেজত পঢ়োতে শিলঘাট-নগাঁও ৰেলখনতে অহা-যোৱা কৰিছিলোঁ। পুৱা ৭ বজাতে ঘৰৰ পৰা ওলাই নিশা ৮ মান বজাত ঘৰ সোমাইছিলোহি। কলেজ হাফ হ'লে ষ্টেশ্যনৰ পাৰ্কতে বহি থাকিব লাগিছিল সন্ধিয়াৰ ৰেল অহালৈ। এতিয়াতো এনেকৈ ক্লাছ ল'ব নোৱাৰি। হঠাতে মই পঢ়া কলেজখনৰ ছাত্ৰীনিবাসত এগৰাকী অধীক্ষিকাৰ প্ৰয়োজন হ'ল। ছাত্ৰীনিবাসটো আছিল এসময়ত গাৰ্লছ কলেজ আৰম্ভ কৰা লাল চান্দ টোডি দুমহলীয়া বিল্ডিঙটো। আমি পঢ়ি থাকোতে তলত ক্লাছবোৰ হৈছিল আৰু ওপৰত অধ্যক্ষৰ কোঠাৰ লগতে

কেইটামান শ্রেণীকোঠাও আছিল। গার্লছ কলেজ বর্তমানৰ স্থানলৈ যোৱাৰ পিছত সেই বিল্ডিঙটো ছাত্রীনিবাস কৰা হৈছিল। অধীক্ষিকা আছিল বাংলা বিভাগৰ অধ্যাপিকা আৰু আমাৰ পৰম শ্রদ্ধেয়া শিক্ষাগুৰু ইন্দিৰা ভট্টাচার্য বাইদেউ। অসমীয়া অনার্ছৰ লগত তেতিয়া এশ নম্বৰৰ কাৰণে বাংলা বিষয়টোও পঢ়িব লাগিছিল। বিশেষ কাৰণত ইন্দিৰা বাইদেৱে ছাত্রীনিবাসৰ দায়িত্ব এৰি দিয়াত সেই কলেজৰ প্রতিষ্ঠাপক অধ্যক্ষ আৰু মেট্রিক পাছ কৰাৰ পিছত আমাক চিঠি দি সেই কলেজত পঢ়িবলৈ মাতি অনা পৰম শ্রদ্ধেয় শিক্ষাবিদ সাহিত্যিক মহেশ চন্দ্র দেৱগোস্বামী ছাৱে আমাক মতাই নি ক'লে, "লীলাৱতী, তুমি আমাৰ কলেজ হোষ্টেলৰে ৱার্ডেন হোৱা। আমাৰো ৱার্ডেনৰ অভাৱ দূৰ হ'ব আৰু তোমাৰো সুবিধা হ'ব।" এইখিনিতে কৈ থ'ব খোজো যে গার্লছ কলেজৰ পৰা অসমীয়া অনার্ছত বিশ্ববিদ্যালয়ৰ ভিতৰত সর্বোচ্চ নম্বৰ পাই সোণৰ পদক পোৱা ময়ে প্রথমগৰাকী ছাত্রী। কলেজৰ শেষৰ বছৰটো বিনা পইচাত সেইটো হোষ্টেলতে থাকিবলৈ সুযোগ দি ছাৱে মোক সেই সন্মান পোৱাত কিমান যে সহায় কৰিছিল, সেয়া মই ভাষাৰে বুজাব নোৱাৰোঁ। যি কি নহওক, এডিপি কলেজত কাম কৰাৰ কাৰণে নগাঁও টাউনত থকাৰ ব্যৱস্থা এটা হ'ল।

মই কামত যোগ দিয়াৰ সময়ত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক আছিল ড° নাৰায়ণ চন্দ্র বর্মন ছাৰ। বিভাগৰ আন কেইগৰাকী শিক্ষক আছিল পণ্ডিত সমালোচক ড° নৰেন কলিতা, হীৰেন শইকীয়া আৰু নাট্যকাৰ দেৱ কুমাৰ শইকীয়া। মোৰ সহপাঠী বন্ধৱী থুনুক বিয়া কৰোৱা হিচাপে ড° নৰেন কলিতাৰ লগত মোৰ চিনাকি বহু দিন আগৰপৰাই। বিভাগীয় প্রধান বর্মন ছাৱে পুৰণি কলা ভৱনৰ ওপৰ মহলাত থকা শিক্ষকৰ আহল-বহল কমন ৰুমটোলৈ লৈ গৈ মোক আটাইৰে লগত চিনাকি কৰি দিলে। তাতেই লগ পলোঁ আৰবী বিভাগৰ ৰাইনা খানম মজুমদাৰ আৰু শিক্ষা বিভাগৰ পাৰবীন আখটাৰ বাইদেউক। ৰাইনাবা এতিয়া গুৱাহাটী বিশ্বাবিদ্যালয়ৰে আৰবী বিভাগৰ জ্যেষ্ঠা অধ্যাপিকা। লগ পালো সংস্কৃতৰ কুস্রেজীক, অর্থনীতিৰ বানেশ্বৰ শইকীয়া, ৰাজনীতি বিজ্ঞানৰ সহজানন্দ ওজা, ইংৰাজী বিভাগৰ ঘন কলিতা, ভূগোলৰ কুশ শইকীয়া প্রমুখ্যে ভালেকেইগৰাকী মৰমীয়াল সহকর্মীক। আমাৰ মাজত ইমান বেছি আত্মীয়তা গঢ় লৈ উঠিছিল যে সেই দুটা বছৰ এনে লাগিছিল যেন আমি সকলো একেটা পৰিয়ালৰে। ৰাইনাবা আৰু পাৰবীনবা শেহলৈ মোৰ নিজৰ বইদেউৰ দৰে হৈ পৰিছিল। মই আছিলোঁ বৰ অসুখীয়া। মাহটোত দুবাৰমান ডাক্তৰ আনিব লগিছিল। সেই সময়ত ৰাইনাবাহঁতে মোৰ যি পৰিচর্যা কৰিছিল, ভাবিলে এতিয়াও অভিভূত হৈ যাওঁ। ৰাইনাবাৰ লগত সেই আত্মীয়তা এতিয়াও অটুট আছে।

কেইবাটাও কথাৰ কাৰণে এডিপি কলেজৰ স্মৃতি মোৰ মনত এতিয়াও সেউজীয়া হৈ আছে। প্রথম হৈছে, এডিপি কলেজেই মোৰ জীৱনৰ প্রথম কর্মক্ষেত্র। দ্বিতীয়তে, সম্ভৱতঃ ১৯৭৪ চনত হোৱা এই কলেজৰে কলেজ সপ্তাহ। অনুষ্ঠানত ছাত্র-ছাত্রীৰ লগতে নাট্যকাৰ দেৱ কুমাৰ শই কলিতা, সহজানন্দ ওজা প্রমুখ্যে কেইগৰাকীমান সহক তৰণি নাথাকে। সেইবাৰ আমাৰ মহিলা শিক্ষয়িত্রী কে গাও যেন সাতখন-আঠখন। কিবা সূত্রে নগাঁৱৰ এসময় গীতিকাৰ 'গুম গুম গাম গাম', 'এই যে কৃষ্ণলীলা পাৰ', 'মেঘ মেঘ লাগে কইনা' আদি জনপ্রিয় গীতৰ লে ৰবাৰ লগত মোৰ চিনাকি হৈছিল। সিদ্ধান্ত হ'ল মই য পৰা নতুন গীত এটা লেখাই আনি সুৰ দিয়াই কলেজ শেষৰ ফাংশ্যনত গোৱাব লাগিব। মোৰ অনুৰোধ এৰাব তেওঁ গীত এটি লেখি দিলে এডিপি কলেজক লৈ। প্রথম কলিটো হৈছে—

অ' মোৰ চেনেহী অ' মোৰ ৰূপহী
ৰূপৰে গছাটি ঐ
কলং কপিলি লুইতৰে বালি
পোহৰালি তই বুকুতে চাকিটি লৈ
ৰূপৰে গছাটি ঐ .....

গীতটোত সুৰ দি ছাত্র-ছাত্রীক গাবলৈ শিকাইছি সূর্য দাসে। গীতটোৰ প্রস্তুতিত ৰাইনাবা-পাৰবীনবাও লাগিছিল। বিহার্চেলত আমিও গীতটো গাইছিলোঁ। সুন্দৰকৈ পৰিৱেশন কৰোৱাৰ চিন্তাতে মোৰ টোপনি নহা শেষত গীতটোৰ কথা, সুৰ আৰু পৰিৱেশন বৰ সুন্দৰ হৈ শলাগিলে সকলোৱে।

আনটো স্মৰণীয় কথা হৈছে ১৯৭৩ চনৰ অক্টোব দিনমানৰ কাৰণে ওলোৱা কলেজৰ শিক্ষামূলক ভ্র অক্টোবৰৰ পঁচিশ তাৰিখে ২০ জনমান ছাত্র-ছাত্রীক লৈ দিল্লী আৰু কাশ্মীৰলৈ যোৱাটো ঠিক হ'ল। ছাত্রৰ তত্ত্বাৱধা ওলাল সহজানন্দ ওজা ছাৰৰ লগতে সুৰেন চন্দ্র বাৰৈ ছাৰ কেইগৰাকীৰ কাৰণে ওলাল ৰাইনা আৰু পাৰবীনবা। তেও মোকো লগ ধৰিলে। আমাৰ সকলোৰে গার্জেন স্বৰূপ স ওজা ছাৰক ক'লোগৈ "ছাৰ, আপুনিতো জানেই মোৰ চি এজ্মা। দৰব-পাতি ইন্জেকশ্যন চব লৈছোঁ। হঠাৎ এজ্ম ডাক্তৰ পোৱা যাবনে?" ছাৱে বৰ উৎসাহেৰে ক'লে, "চিন্ত মই আছোঁ নহয়। তুমি নির্ভয়ে যাব পাৰিবা।" আগতে কে সপোনতো নভবা মোৰ ইচ্ছা এটা যেন পূর্ণ হ'ল। আ উৎফুল্লিত হৈ পৰিলোঁ। শিক্ষক ছাত্র-ছাত্রী মিলি পঁচিশজনী এটা ওলালোঁ লক্ষ্ণৌ, দিল্লী আৰু কাশ্মীৰ অভিমুখে। লক্ষ্ণৌত নামিলোঁ। লক্ষ্ণৌৰ বিখ্যাত ভুল ভুলীয়া আৰু তাৰ পাজৰে থকা প্রাচীন কীর্তি চিহ্ন চাই পিছদিনা বিশ্ববিদ্যালয়লৈ গ'লোঁ। সেইদিনাই আমাৰ দুজন ছাত্র হোৱাত লক্ষ্ণৌৰ চৰকাৰী হাস্পতালত ৰাখিব লগা হ'ল। তিন দিনৰ ঠাইত আমি এসপ্তাহমান লক্ষ্ণৌত থাকিব লগা তাৰ মাজতে এদিন তাজমহল চালোগৈ। অসম পাৰ

পাছত মোৰ যে এজ্‌মা আছিল, পাহৰিয়েই গ'লোঁ। নিৰ্বিঘ্নে দিল্লী পালোহি। তাতহে এদিন হোটেললৈ ডাক্তৰ অনাই ডোৰিফিলিন ইন্‌জেকশ্যন ল'ব লগা হ'ল। দিল্লীত বহুত কিবা কিবি চালোঁ— লালকিল্লা, যন্তৰ-মন্তৰ, জুমা মছজিদ, মোগল গার্ডেন আদি। মোগল গার্ডেনতে প্ৰথম দেখা পাইছিলোঁ ক'লা গোলাপ। দেখিছিলোঁ তাতে চিনেমাৰ শ্যুটিঙো প্ৰথমবাৰৰ কাৰণে। এদিন ওলালোঁ দিল্লী বিশ্ববিদ্যালয় চাবলৈ। আচৰিত! বিশ্ববিদ্যালয়খনৰ বিভিন্ন বিভাগবোৰ অ'ত-ত'ত সিঁচৰতি হৈ আছে। আমাৰ বিশ্ববিদ্যালয়ৰ দৰে একেটা কমপ্লেক্সতে নহয়। হঠাতে আমাৰ দলৰে কামপুৰৰ ফালৰ এজন ছাত্ৰৰ হার্টৰ অসুখ হোৱাত, ছাত্ৰজনক তৎকালীনভাৱে চিকিৎসাধীন কৰাই ঘৰলৈকে লৈ যাবলগীয়া হোৱাত ওজা ছাৰ দিল্লীৰ পৰাই অসমলৈ উভতি যাবলগীয়া হ'ল। ছাৰ যোৱাত বৰ বেয়া লাগিল। তাৰ পিছদিনাই আমি কাশ্মীৰলৈ ওলালোঁ। জম্মুত দুপৰীয়া বাৰ বজাত আটায়ে বাছত উঠিলোঁ আৰু ভগৱানক চিন্তি ভূস্বৰ্গ কাশ্মীৰলৈ বুলি ৰাওনা হ'লোঁ। ক্ৰমে ক্ৰমে অকাই-পকাই ওপৰলৈ উঠি গৈ থকা সেই ভয়ঙ্কৰ বাহ-যাত্ৰাৰ কথা ভাবিলে আজিও বুকু কঁপি যায়। ২০০৫ চনৰ আগষ্টত দহ হেজাৰ ফুট ওখত থকা ভূটানৰ হা উপত্যকালৈ যাওঁতে মোৰ মনলৈ আহিছিল সেই কাশ্মীৰ যাত্ৰাৰ ছবি। কাশ্মীৰ হা উপত্যকাতকৈও বহু ওখত। কিছু দূৰ যোৱাৰ পিছত বাছখনত কেৱল ওকালিৰ শব্দ। ভয়তে মই মোৰ মনলৈ অহা আটাইবোৰ দেৱতাৰ নাম লৈছিলোঁ। নিশা বাৰ বজাত কাশ্মীৰ পালোঁগৈ। বাছ ষ্টণ্ডত বৈ আছিল বিভিন্ন হাউছ বোটৰ মানুহ। তেওঁলোকেই আমাক ডানলেকত থকা হাউছ বোটলৈ লৈ গ'ল। পানীৰ ওপৰত উপঙি থকা কাঠেৰে নিৰ্মিত কি অপূৰ্ব কাৰুকাৰ্যখচিত ঘৰ! দুৱাৰ মুখৰপৰা ভিতৰলৈকে ৰঙা কার্পেট পৰা। কাশ্মীৰত পাঁচ দিনমান আছিলোঁ। সেই পাঁছদিনত বহু কিবা কিবি চালোঁ। সুসজ্জিত চিকাৰাত উঠি আখৰোট খাই খাই ডানলেকত ফুৰিলোঁ। লেকৰ পাতে লাগি থকা আপেল বাগানৰ ৰঙচুৱা আপেলবোৰ চুই চালোঁ। মুৰু-আলেকজেণ্ডাৰৰ যুদ্ধ হোৱা ঠাই ঝিলাম নৈৰ পাৰত থকা পাৰম কাপোৰৰ বজাৰত সোমাই জেকেট আদি কিনিলোঁ। দুকাষে থকা দিগন্ত বিয়পা জাফ্ৰান ফুলৰ সুৰভিৰ মাজে-মাজে গৈ পাহেলগাম পালোঁ, তাতে ঘোঁৰাত উঠি আমি কেইজনমান দহ-পোন্ধৰ মাইল ওখত থকা শুভ্ৰ হিমালয় পর্বতৰ গাতে লাগি থকা পাহাৰত টিঙত উঠিলোঁ— মন যেন ভৰি পৰিল। সেইবোৰ ছবি মনৰ মাজত আজিও সজীৱ হৈ আছে। প্ৰথমবাৰৰ কাৰণে কাশ্মীৰত খোৱা ভেৰা ছাগলীৰ মঙহৰ জোলৰ অকটা গোন্ধটোও মই পাহৰিব পৰা নাই। কাশ্মীৰতে যাত্ৰা সামৰি আমি ঘৰলৈ উভতিলোঁ। এই শিক্ষামূলক ভ্ৰমণে ছাত্ৰ-ছাত্ৰীৰ লগতে আমাৰ শিক্ষক-শিক্ষয়িত্ৰী কেইগৰাকীৰ মনতো এক গভীৰ আত্মীয়তাবোধ জগাই তুলিছিল। আমি যেন একেখন ঘৰৰে আপোন ভাই-ককাই আৰু বাই-ভনী।

আৰু এটা কথাই এডিপি কলেজৰ স্মৃতি মোৰ মনত যুগমীয়া কৰি ৰাখিছে। তেতিয়া এডিপি কলেজত নৈশ শাখা আছিল। আবেলি চাৰি বজাৰ পৰা ক্লাছ হয়। সেই শাখাতে ক্লাছ কৰিবলৈ গৈ প্ৰথম দিনাই মোৰ শিক্ষাগুৰু তথা মই পঢ়া হালোৱাগাঁও ছোৱালী হাইস্কুলৰ প্ৰধান শিক্ষক পৰম শ্ৰদ্ধেয় আব্দুল গফুৰ খানক ছাত্ৰ হিচাপে পালোঁ। ছাত্ৰৰ উপস্থিতি লওঁতে ছাৰৰ নামটো দেখি চক্ খাই উঠিলোঁ। মূৰ তুলি চাই দেখোঁ, ছাৰে দুই হাত কপালত থৈ বহি আছে। মুহূর্তৰ বাবে মই যেন শিলপৰা কপৌ হ'লোঁ। নিজৰ পূজনীয় শিক্ষাগুৰুৰ শিক্ষাগুৰু! বিস্ময় আৰু আনন্দত অভিভূত হৈ পৰা মোৰ জীৱনৰ সেয়া আছিল অনন্য অভিজ্ঞতা।

মোৰ চাকৰি জীৱনৰ প্ৰথম কর্মক্ষেত্ৰ আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ মধুৰ স্মৃতিয়ে মোক আজিও উন্মনা কৰে। মোৰ স্মৃতিৰ পটত আজিও ভাহি উঠে কলা ভৱনৰ প্ৰথম মহলাত থকা আহল-বহল শিক্ষক জিৰণি কোঠাটো। সেই কোঠাটোৱে যেন আমাক চেনেহৰ এনাজৰীৰে বান্ধি ৰাখিছিল। অফিচৰ কর্মচাৰী সকলো আমাৰ আটাইৰে বৰ আপোন হৈ পৰিছিল। বিশেষকৈ অধ্যক্ষ আব্দুল হাই ছাৰৰ অমায়িক ব্যৱহাৰ মোৰ মনত সদায় সজীৱ হৈ থাকিব। এডিপি কলেজৰ দুটা বছৰে যেন মোক জীৱন গঢ়াৰ মন্ত্ৰ দিলে। দিলে শিক্ষক হোৱাৰ আনন্দ। আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ সর্বাঙ্গীণ উন্নতি আৰু সমৃদ্ধি কামনা কৰিলোঁ। ❑

স্মৃতিৰ সঁফুৰা

এম. হবিব উল্লাহ

সোণালী জয়ন্তীৰ স্মৃতিগ্ৰন্থৰ কামত লাগি আছোঁ। কিবা এটা লেখাৰ বাবে সম্পাদ
তাগিদাৰ সন্মুখীন হওঁ নিতৌ কমেও তিনিবাৰকৈ। দুয়ো লগা-লগি হওঁতে প্ৰথমবাৰ, পদাৰ্থ বি
কাৰ্যালয়ত সম্পাদনা কামত লাগি থকাৰ অৱসৰত দ্বিতীয়বাৰ আৰু 'ক্ৰান্তিকাল' ছপাশালৰ
এৰি হওঁতে তৃতীয়বাৰ। লিখোনো কি! নিজে শিকোৱা বিষয়ৰ ওপৰত নতুন লেখা যুগুতো
মুঠেই নাই। হাতত মজুত থকা পূৰ্বৰ লেখাৰ মাজৰ পৰা কিবা এটা লেখা ঘঁহি-মাজি নিমজ ক
মন যোৱা নাই। শেষত সোঁৱৰণিৰ সঁফুৰাকে মেলি লোৱাটোকে সমুচিত ভাবিলো। কাৰণ, জ
সাধাৰণভাৱে মূৰ গুজিব পৰাকৈ অকণমান ঠাই উলিওৱাত এডিপি কলেজখনেইতো এই অভা
পিটি তুলিছে।

....হওঁতে নিজে লেখৰ-জোখৰ একোৱে নহওঁ। তথাপি এডিপি কলেজৰ প্ৰাক্তন ছাত্ৰ ব
পৰিচয় দিয়াৰ আমেজেই আমাৰ বাবে সুকীয়া। সেইবাবেইতো মন-মণিকূটৰ বন্ধ দুৱাৰখন
সোঁৱৰণিয়ে অগা-ডেৱা লগাইছে— কিবা যেন এক বুজাব নোৱাৰা ভাল লগাই আমনি কৰিছে
১৯৭০ চন...। সুদীৰ্ঘ দুকুৰি বছৰ আগৰ এবছৰীয়া প্ৰাক-বিশ্ববিদ্যালয় শ্ৰেণীৰ ছাত্ৰ ৰূপত নিজ
কৰিছোঁ। লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ ১২নং শ্ৰেণীকোঠাৰ ভিতৰত সোমায়েই সমুখৰ বেঞ্চত
হবিবুৰ (দোস্ত), আবুল, হবিবুৰ (মিতা), ইছমাইল আৰু কেশৱৰ* স'তে শাৰী পুৰাই বহি
শিক্ষা বিভাগৰ অধ্যাপক ডিম্বেশ্বৰ হাজৰীকা ছাৰ শ্ৰেণীকোঠালৈ সোমাই আহিছে। "বিকাশ
অধ্যায়ৰ কৈশোৰ ভাগৰ পাঠদান শেষ কৰি পিছৰ ভাগৰ বিষয়ে পৰৱৰ্তী ক্লাচত আলোচনা কৰ
কৈ ছাৰ ওলাই গৈছে। স্মৰ্তব্য, সেই সময়ছোৱাত কলেজবোৰ কৈশোৰ কালে পূৰ্ণতা প্ৰা
আগুৱাইছিল ....। হয়তো এটা পিৰিয়ডৰ বিৰতিৰ পিছত সিটো ক্লাচ আৰম্ভ হৈছে। অসমীয়াৰ ন
কলিতা ছাৰ, বুৰঞ্জীৰ ছামচুদ্দিন ছাৰ, ইংৰাজীৰ ধীৰেন্দ্ৰ কুমাৰ বৰদলৈ ছাৰ, ৰাজনীতি বিজ্ঞান
সিঙ ছাৰ আৰু শেষত আৰবীৰ আবু নচৰ ওৱাহিদ ছাৰৰ ক্লাচৰ অন্তত দিনটোৰ বাবে নিজাববী
পালোঁ বুলি 'মেছ'লৈ উভতি গৈছোঁ।

স্বাভাৱিক গতিত দিন-মাহ শেষ হৈ বছৰ বাগৰিছে। টাৰ্মিনেল/ পিৰিয়ডিকেল পৰীক্ষা
ফাইনেল পৰীক্ষা অনুষ্ঠিত হৈছে। এসময়ত পৰীক্ষাৰ ফলাফলো ঘোষিত হৈছে। পৰৱৰ্তী শিক্ষ
তিনি বছৰীয়া স্নাতক পাঠ্যক্ৰমৰ অধ্যয়ন আৰম্ভ কৰিছোঁ। পাৰ হৈ যোৱা শিক্ষা বছৰতে অনার্চৰ
আৰম্ভ হোৱা আৰবীকে মূল বিষয় হিচাপে ল'ব লাগিব— হবিবুৰ, হবিব, আবুল প্ৰমুখ্যে কেইজন
বিভাগীয় মুৰব্বী ওৱাহিদ ছাৰৰ একপ্ৰকাৰৰ নিৰ্দেশনা। আমিও তথাস্তু বুলিলোঁ। বিষয়-বাছনি সঠিক
বুলিয়েই মই ভাবো। কাৰণ, দিল্লীৰ জামিয়া মিল্লিয়া ইছলামীয়াৰ পৰা ওৱাহিদ ছাৰে লাভ কৰা জাতীয়
আৰু শিক্ষানুৰাগ, নাদ্ওৱাতুল্ উলামা, লক্ষ্ণৌৰ পৰা হাছমী ছাৰে লৈ অহা আভিজাত্য আৰু গ
আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ৰাইনা বাইদেউয়ে লাভ কৰা প্ৰগতিশীল দৃষ্টিভঙ্গী আৰু ম
সমাহাৰে আৰবী বিভাগটোক ইতিমধ্যে এক সুকীয়া গৰিমা প্ৰদান কৰিছিল। আনহাতে মই সাধাৰণ গ

হিচাপে লোৱা বুৰঞ্জী বিষয়টোৰ প্ৰতি ছাত্ৰ-ছাত্ৰী আকৰ্ষিত হোৱাৰ কেন্দ্ৰবিন্দু হৈ পৰিছিল তেতিয়াৰ নবীন অধ্যাপক মৃণাল কুমাৰ বৰুৱা ছাৰ। অংক অথবা বিজ্ঞান বিষয়ৰ দৰে প্ৰায়োগিক পদ্ধতিত চক-ডাষ্টাৰ লৈ বোৰ্ড'ত বুৰঞ্জীৰ পাঠদান কৰা বৰুৱা ছাৰ শ্ৰেণীকোঠাত কোনো দিনেই চকীত বহি থকাৰ কথা মোৰ মনত নপৰে। এনে কৃতী শিক্ষাগুৰুৰ আশিষধন্য হৈ নিজকে ভাগ্যৱান গণ্য কৰিছোঁ।

অধ্যক্ষ হাই ছাৰৰ অঘোষিত নিৰ্দেশত কলেজৰ শিক্ষক-ছাত্ৰ সকলো যেন একাণপতীয়াকৈ লাগি গৈছে— চূড়ান্ত পৰীক্ষাৰ উন্নত ফলাফলৰ লগতে ক্ৰীড়া, কলা সংস্কৃতি, নাটক, তৰ্ক প্ৰতিযোগিতা আদি সকলোতে কলেজখনিৰ মান আগুৱাই নিয়া কামত। প্ৰতিটো শ্ৰেণী কোঠাতে পূৰ্ণোদ্যমে পাঠদান চলি থকাৰ দৃশ্য প্ৰত্যক্ষ কৰি হাই ছাৰৰ হিয়া-মন যেন আনন্দে নধৰা হৈছে। সেয়ে গুৰু গম্ভীৰ খোজেৰে বান্দা অতিক্ৰম কৰি যোৱা হাই ছাৰৰ প্ৰতি যেন শ্ৰেণীকোঠাৰ পৰাই শিক্ষক-ছাত্ৰ উভয়ে ভক্তিভৰে কৃতজ্ঞতা নিবেদিছে। সেই বছৰতে যতীন্দ্ৰ কুমাৰ বৰগোহাঞিয়ে অৰ্থনীতি বিষয়ৰ অনাৰ্চত বিশ্ববিদ্যালয়ৰ ভিতৰত ১ম শ্ৰেণীৰ ১ম স্থান অধিকাৰ কৰি কলেজৰ নাম উজ্বলাই তোলে। তেতিয়াৰ পৰাই উন্নত ফলাফলৰ ধাৰাবাহিকতা আমাৰ কলেজত অব্যাহত আছে।

হাই ছাৰে কলেজৰ প্ৰতিষ্ঠা দিৱস আৰু নবাগত আদৰণি সভাৰ কিছুদিন আগতে ছাত্ৰ-ছাত্ৰীক লৈ এখনি ব্যতিক্ৰমধৰ্মী সাধাৰণ সভা অনুষ্ঠিত কৰাৰ পৰম্পৰা আছিল। উক্ত সভাতে ছাত্ৰ-ছাত্ৰীৰ অভাৱ-অভিযোগ উনুকিয়াবলৈ ছাৰে ছাত্ৰ-ছাত্ৰীলৈ আহ্বান জনায়। জ্যেষ্ঠ ছাত্ৰসকলে অভাৱ-অভিযোগ উত্থাপনৰ সুযোগতে কৰ্তৃপক্ষৰ দোষ-ত্ৰুটি উল্লেখ কৰি অধ্যক্ষ ছাৰক সমালোচনাৰে ঢকা-সৰকা কৰে। কিন্তু নিজৰ বক্তব্যত ছাৰে সকলো অভিযোগৰে সদুত্তৰ দি, উক্ত সভাৰ জৰিয়তে ছাত্ৰ সমাজক নেতৃত্ব প্ৰদানৰ আগতীয়া পাঠদান কৰা হৈছে বুলি কৈ হাঁহিমুখে সভাৰ পৰিসমাপ্তি ঘোষণা কৰিছিল।

অধ্যক্ষ হাই ছাৰে তেখেতৰ সতীৰ্থ অধ্যাপক মণ্ডলীৰ কৃতিত্বক লৈ সততে গৌৰৱবোধ কৰিছিল। এই প্ৰসংগতে অৰ্থনীতি বিভাগৰ কৃতী অধ্যাপক শ্ৰদ্ধেয় তুষাৰকান্তি চৌধুৰী (ত্ৰিপ'ল এম. এ; এল.এল.বি.) ছাৰে সন্মানজনক ডক্টৰেট উপাধি প্ৰাপ্তিত অনুষ্ঠিত সম্বৰ্ধনা সভাৰ কথা মোৰ মনলৈ আহিছে। লক্ষ্মীনাথ বেজবৰুৱা ভৱনৰ প্ৰথম মহলাস্থিত তেতিয়াৰ অধ্যাপকৰ জিৰণি চ'ৰাত (বৰ্তমানৰ জীৱবিদ্যা বিভাগ) শিক্ষক-ছাত্ৰৰ সভাত চৌধুৰী ছাৰক সম্বৰ্ধনা জনোৱা কাৰ্যসূচীৰ অন্তত, নিজৰ ভাষণত হাই ছাৰে মন পৰশি যোৱাকৈ কোৱা বক্তব্যৰ ভাৱাৰ্থ এনেধৰণৰ ঃ মই আপোনালোক সকলোটিকে অতি গৌৰৱেৰে জনাইছোঁ যে আমাৰ শিক্ষকসকলৰ কৃতিত্বৰ বাবে মই নিজকে পৰম সৌভাগ্যৱান ৰূপে গণ্য কৰিছোঁ। আমাৰ উপাধ্যক্ষ নাৰায়ণ চন্দ্ৰ বৰ্মন আৰু অধ্যাপক ৰবেন্দ্ৰ চন্দ্ৰ কলিতাই দুটা গুৰুত্বপূৰ্ণ বিষয়ত গৱেষণা কাৰ্য চলাই আছে। মই নিশ্চিত যে কিছুদিন পাছতেই তেখেত দুজনাৰ সাফল্যৰ বাবে আনন্দ উপভোগ কৰিবলৈ আমি পুনৰবাৰ একত্ৰিত হ'ম....। হাই ছাৰৰ সেই চিত্তাকৰ্ষক বক্তব্যই উপস্থিত শিক্ষক-ছাত্ৰক শ্ৰদ্ধাপ্লুত কৰাৰ দৃশ্য মোৰ মনত এতিয়াও সজীৱ হৈয়ে আছে। যথা সময়ত বৰ্মন ছাৰ আৰু কলিতা ছাৰে ডক্টৰেট উপাধি লাভ কৰি কলেজৰ সামগ্ৰিক মান বৃদ্ধি কৰে।

উল্লেখ্য, ১৯৭০ চনৰ মাজভাগলৈকে আমাৰ কলেজত অধ্যাপক মণ্ডলীৰ পৰিসীমা অকল ছাৰসকলৰ মাজতে সীমাবদ্ধ থকা দেখা গৈছিল। কিন্তু অশোকা দেৱ বাইদেউয়ে এম.এছ.চি. পৰীক্ষাত অংক বিষয়ত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ভিতৰত ১ম শ্ৰেণীৰ ১ম স্থান লাভ কৰি ইং ২০/৭/১৯৭০ তাৰিখে আমাৰ কলেজৰ অংক বিভাগত যোগদান কৰি কলেজখনত অধ্যাপিকাৰ নিযুক্তিৰ সূচনা ঘটায় বুলি আমি জানিব পাৰিছিলোঁ। অশোকা বাইদেউৰ যোগদানৰ পৰৱৰ্তী পৰ্যায়ত আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা এম.এ.-ত ১ম শ্ৰেণীৰ ১ম স্থান প্ৰাপক ৰাইনা খানম মজুমদাৰ আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা এম.এ.ত. ১ম শ্ৰেণীৰ ১ম স্থান প্ৰাপক লীলাৱতী শইকীয়া বাইদেউদ্বয়ে ক্ৰমে কলেজৰ আৰবী আৰু অসমীয়া বিভাগৰ অধ্যাপিকাৰ পদত নিযুক্তি লাভ কৰে। আমি পঢ়া সময়তে পাৰবীন আখতাৰ বাইদেউয়ে শিক্ষা বিভাগত নিযুক্তি লাভ কৰি অধ্যাপিকাৰ সংখ্যা চাৰিলৈ বৃদ্ধি কৰাটো উল্লেখনীয় বিষয়ৰূপে বিবেচিত হৈছিল।

এই খিনিতে মোৰ ব্যক্তিগত দুৰ্যোগ আৰু সেই পৰিপ্ৰেক্ষিতত অধ্যক্ষ হাই ছাৰৰ পথ-নিৰ্দেশনাৰ কথা উনুকিয়াই নথ'লে মোৰ এই লেখা আধৰুৱা হৈ ৰ'ব বুলি গণ্য কৰিছোঁ। ১৯৭৩ চনত স্নাতক প্ৰথম খণ্ডৰ পৰীক্ষাৰ ডেৰ মাহমান আগতে বৰ আইৰ দ্বাৰা আক্ৰান্ত হোৱাত সেইবাৰ মই পৰীক্ষাত নবহাৰ সিদ্ধান্ত লৈছিলোঁ যদিও, হাই ছাৰৰ দিহানুসৰি ঘৰলৈ গৈ, সময়োপযোগী চিকিৎসা গ্ৰহণৰ অন্তত, পৰীক্ষাৰ এসপ্তাহমান আগতে 'মেছ'লৈ উভতি আহি দুৰ্বল দেহাৰে পৰীক্ষাত অৱতীৰ্ণ হওঁ। আশা কৰা মতে ফলাফল নহ'ল যদিও আৰবী বিভাগ তথা কলেজৰ ভিতৰতে দ্বিতীয় সৰ্বোচ্চ নম্বৰ পাইছিলো। পিছৰ বছৰ অৰ্থাৎ ১৯৭৪ চনত স্নাতক দ্বিতীয় খণ্ডৰ পৰীক্ষাত প্ৰথম শ্ৰেণীৰ জোখতকৈ অধিক নম্বৰ লাভ কৰিছিলোঁ। কিন্তু দুয়োটা খণ্ডৰ নম্বৰ একত্ৰে লৈ চূড়ান্ত ফলাফলত দ্বিতীয় শ্ৰেণীৰ প্ৰথম স্থানতে সন্তুষ্ট থাকিবলগীয়া হ'লো। অৱশ্যে, অধ্যক্ষ হাই ছাৰে মোৰ নম্বৰ তালিকাখন চাই সেই পৰিচিত হাঁহিৰে সন্তুষ্টি প্ৰকাশ কৰি মোক শুভাশিষ জনাইছিল। যিকি নহওঁক, মই সৰ্বান্তঃকৰণে উপলব্ধি কৰো যে ছাৰৰ দিহানুসৰি আগৰ বছৰ অসুখীয়া গাৰে পৰীক্ষা নিদিয়াহেঁতেন, ১৯৭৫ চনৰ পৰীক্ষা বৰ্জন আন্দোলনৰ পৰিপ্ৰেক্ষিতত মোৰ হয়তো কোনো কালেই স্নাতক পৰীক্ষা পাছ কৰা নহ'লহেঁতেন। সেয়ে এনেবোৰ বহু কাৰণতে মোৰ দৰে হেজাৰোধিক ছাত্ৰ-ছাত্ৰী হাই ছাৰৰ মহানুভৱতাৰ প্ৰতি চিৰকৃতজ্ঞ হৈ থাকিমহঁক।

....বহু কথা ক'বলৈ থাকিল আৰু অধিক দীঘলীয়া হোৱাৰ

ভয়ত স্মৃতিৰ সঁফুৰাও জপাবৰ হ'ল। এম.এ. পৰীক্ষা দি উঠিয়েই দক্ষিণ কামৰূপৰ নগৰবেৰাস্থিত বিমলা প্ৰসাদ চলিহা কলেজত যোগদান কৰি, তাৰ আৰবী বিভাগৰ প্ৰতিষ্ঠাপক মুৰব্বী অধ্যাপক হিচাপে বিভাগটোৰ পূৰ্ণাঙ্গ ৰূপ দি; একেৰাহে প্ৰায় ১৫ বছৰৰো অধিক কাল সেৱা আগবঢ়োৱাৰ অন্ততঃ শ্ৰদ্ধেয় আয়ুব হাছমী ছাৰৰ অৱসৰৰ পিছত খালী হোৱা পদত আৰু নিজে পঢ়া এই কলেজখনিতে ইং ১৭-১১-১৯৯২ৰ পৰা কৰ্মৰত হৈ আছোঁ। এইদৰে মই পঢ়া সময়ছোৱাৰ শিক্ষকসকলৰ মাজৰ অধ্যক্ষ ড° নাৰায়ণ চন্দ্ৰ বৰ্মনৰ পৰা অধ্যাপিকা অশোকা দেৱ বাইদেউলৈকে প্ৰায় ছাব্বিছগৰাকী শিক্ষাগুৰুৰ অনুজ সহকৰ্মী হোৱাৰ লগতে তেখেতসকলৰ মৰম-মিহলি সান্নিধ্য আৰু দিহা-পৰামৰ্শ লাভ কৰি ধন্য হ'লো। কিন্তু ১৩/৮/২০০৯ তাৰিখে অশোকা বাইদেউৱে কৰ্ম জীৱনৰ পৰা অৱসৰ গ্ৰহণ কৰি মোৰ শিক্ষাগুৰুসকলৰ অন্তিমগৰাকী প্ৰতিনিধি ৰূপে কলেজখনৰ পৰা বিদায় লোৱাত শিক্ষাগুৰুৰ সান্নিধ্যৰ আমেজৰ পৰা মই বঞ্চিত হ'লো।

সোণালী জয়ন্তী আৰু আমাৰ অনুভৱ ঃ ড° ছৰিফ উদ্দিন আহমেদে ইং ১/১২/২০০৪ তাৰিখে অধ্যক্ষৰূপে যোগদান কৰাৰ সমসাময়িক সময়ত প্ৰকাশ পোৱা ৪২ তম সংখ্যা 'আনন্দলেখা'ৰ সম্পাদনা সমিতিৰ হৈ জনোৱা শুভেচ্ছাৰ পূৰ্ণপাঠ সঙ্গত কাৰণত এইখিনিতে আকৌ এবাৰ দোহাৰিব খুজিছোঁ ঃ ...'অধ্যক্ষ ড° আহমেদ দেৱলৈ আমি অভিনন্দন জনাইছোঁ আৰু আশা ৰাখিছোঁ যে কৰ্মোদ্যমী আৰু অত্যুৎসাহী আহমেদ দেৱে কলেজখনিৰ গৌৰৱোজ্জ্বল ঐতিহ্য অক্ষুন্ন ৰাখি ইয়াৰ গতিশীলতাক পূৰ্ণতা প্ৰদান কৰি অসমৰ প্ৰথম শাৰীৰ কলেজলৈ উন্নীত কৰাত সফল কাম হ'ব।'

ড° আহমেদৰ অধ্যক্ষতাৰ বিগত প্ৰায় পাঁচ ব কাৰ্যকালত কলেজৰ বিদ্যায়তনিক আৰু আৱয়বিক পৰিলক্ষিত হোৱা অভূতপূৰ্ব অগ্ৰগতিত সংশ্লিষ্ট সকলোৰে আমিও সন্তুষ্টি প্ৰকাশ কৰিছোঁ। সেয়ে এই ছেগতে জয়ন্তীৰ সফল পৰিসমাপ্তিৰ ক্ষণত অধ্যক্ষ প্ৰমুখ্যে কলেজ কৰ্মকৰ্তালৈ পুনৰবাৰ অভিনন্দন আৰু কৃতজ্ঞতা জনাইছোঁ।

পৰিশেষত কলেজখনিৰ সৈতে জন্মলগ্নৰে পৰা জীৱিত অথবা প্ৰয়াত সকলৰ সদৌটিলৈ ভক্তি ভৰা শ্ৰদ্ধ নিবেদি আমাৰ লেখা সামৰিছোঁ। ❑

পুনশ্চঃ *

হবিবুৰ ৰহমান ঃ এডিপি কলেজৰ আৰবী বিভাগৰ বৰ্তমানৰ অধ্যাপক।

আবুল হুছেইন ঃ আৰবী অনার্চ পাঠ্যক্ৰমৰ স্নাতক। বৰ্তমান এম. ই. মাদ্ৰাছাৰ প্ৰধান শিক্ষকৰূপে কৰ্মৰত।

হবিবুৰ ৰহমান ঃ বটদ্ৰৱা শ্ৰীশ্ৰী শঙ্কৰদেৱ উচ্চতৰ মা বিদ্যালয়ৰ অৰ্থনীতিৰ বিষয় শিক্ষকৰূপে কৰ্মৰত।

ইছমাইল হুছেইন ঃ ড° বি কে বি কলেজ, পুৰণিগুদামৰ বিভাগৰ জ্যেষ্ঠ অধ্যাপকৰূপে কৰ্মৰত অৱস্থাত টাটা চুমু দু অকাল মৃত্যু ঘটে।

কেশৱ বৰা ঃ শিক্ষক প্ৰশিক্ষণ কলেজৰ প্ৰবক্তাৰূপে ক অৱস্থাত স্কুটাৰ দুৰ্ঘটনাত অকাল মৃত্যু ঘটে।

—লে

"Where is the wisdom we have lost in knowledge?
Where is the knowledge we have lost in information?"

T. S. Elliot

ভাবৰ অকৃত্রিম ধাৰা

ৰোহিত চন্দ্ৰ মহন্ত

গাঁৱত বাস কৰিলে গঞা, নগৰ-চহৰত বাস কৰিলে নগৰীয়া-চহৰীয়া আৰু অসমত বাস কলিলে অসমীয়া; তেনেদৰেই মানুহৰ প্ৰাৰম্ভিক পৰিচয় হয়। পিছত সময়ানুপাতেহে জাতি-বৰ্ণ-গোষ্ঠী, ধৰ্মাদিৰ বিচাৰ-বিবেচনা আহি পৰে। ই হ'ল সমাজ ৰক্ষণৰ ৰীতি-নীতি। কিন্তু বিদ্যালয়সমূহ ইয়াৰ বিপৰীত। কিয়নো বিদ্যালয়সমূহত জাতি-ধৰ্ম নিৰ্বিশেষে সকলোৰে সমান অধিকাৰ। একেখন ঘৰৰে এটা পৰিয়াল— বিদ্যা-আহৰণৰ পুণ্য ক্ষেত্ৰ এই বিদ্যালয়।

শিক্ষাগ্ৰহণৰ কালত পবিত্ৰতা, নৈতিকতা, নিয়মানুৱৰ্তিতা, সহিষ্ণুতা, একাগ্ৰতা, ভাতৃত্ববোধ আদি গুণসমূহ সজাগ কৰি ল'ব লাগিব। এটা মৌ বাহ মৌ ৰসেৰে পৰিপূৰ্ণ হৈ পীপাষু লোকৰে আশা-আকাঙক্ষা পূৰ কৰে। মৌ-গুটিৰূপৰ ছাত্ৰ-ছাত্ৰীসকলে বিদ্যাজ্ঞানেৰে সমৃদ্ধহৈ মৌচাক গঢ়ে। তাৰ ৰসৰ আস্বাদনে জগতক আহ্লাদিত কৰে। মহাবিদ্যালয় শিক্ষাৰ ভঁৰাল। তাত আহৰণীয় জ্ঞান-বিদ্যা, চোৰ-ডকাইতে ঢুকিয়ে নাপায়, ককাই-ভাইৰ ভাগ নাই। তাক আহৰণ কৰি দেশে-বিদেশে তৰা হৈ জিলিকি ৰ'ব পাৰে শিক্ষাৰ্থীসকল।

বিদ্যালয়ৰ লগত 'মহান' শব্দ যোগ হৈ মহাবিদ্যালয় নাম ল'লে। এই 'মহান'ক মহান কৰি ৰাখিবলৈ হ'লে সেই ঘৰখনৰ সকলোৰে শুভ দূৰদৃষ্টি-মনোবল অক্ষুণ্ণ হৈ থাকিব লাগিব। মহাবিদ্যালয়সমূহ জীৱন গঢ়াৰ মূল ভেটি। সেই ভেটিত জীৱন নাটৰ পাতনি মেলি স্থিৰ লক্ষ্যৰ পিনে অগ্ৰসৰ হ'ব পাৰিলেই প্ৰকৃত নাগৰিক হৈ উঠিব পাৰি। মহাবিদ্যালয়ত অকল কিতাপ-পুথিৰ বিদ্যাই নহয়, শাৰীৰিক উৎকৰ্ষ সাধন মানসিক বিকাশ, সামাজিক চৈতন্য, বৈজ্ঞানিক দৃষ্টি, কাৰিকৰী চতুৰতা, দেশ-প্ৰেম, জাগতিক পৰিৱেশাদিৰ জ্ঞান আহৰণৰ মাজেৰে আগবাঢ়ি যোৱাটো মুখ্য কৰি ল'ব লাগে। 'ৰণত বীৰেন্দ্ৰৰ দৰে হোৱা আগুৱান'— কাৰো লগত যুঁজ কৰিবলৈ যাব নালাগে! জ্ঞান আহৰণেহে যুঁজ কৰিব লাগে।

খেলা-ধূলা জগতত সম-সাময়িক খোজ মিলাবলৈকো সাম্প্ৰতিক জগতৰ মহাবিদ্যালয়সমূহ মহাগুণী হৈ উঠিছে। এনে পবিত্ৰ অনুষ্ঠানৰ জৰিয়তে বাৰ্ষিক ক্ৰীড়া মহোৎসৱৰ প্ৰতিভাই জীৱন পথৰ আন এটা ৰমক-জমকীয়া পথ আনি দিছে।

এখন মহাবিদ্যালয়ৰ নৈতিক পৰিৱেশ বিকাশ, গুণ প্ৰকাশ, আভা বিতৰণৰ বাবে ছাত্ৰ-ছাত্ৰীসকলৰ একনিষ্ঠ ধ্যান-ধাৰণা, ভাতৃত্ববোধ, নম্ৰতা আৰু চেনেহৰ আঁজলি অতীৱ প্ৰয়োজন। অকল যে ছাত্ৰ-ছাত্ৰীৰহে এনে গুণ হ'ব লাগিব বুলিলে নহ'ব। সেইখন ঘৰৰ দুৱাৰ ৰক্ষীৰ পৰা সকলোজনেই এই ভাৰ-ধাৰা ৰক্ষা কৰি চলিলেই মহাবিদ্যালয়ৰ নিকা ৰীতি অক্ষুণ্ণ হৈ ৰ'ব।

মহাবিদ্যালয়খনৰ আভ্যন্তৰীণ ভাগত বহুতো লোক কৰ্মব্ৰতী হৈ থাকে। এইসকলে আন্তৰিক সেৱাৰ যোগেদি শিক্ষাদানৰ পৰিৱেশ নিখুঁত কৈ ৰাখে। ছাত্ৰ-ছাত্ৰী, অধ্যক্ষ-উপাধ্যক্ষ-অধ্যাপক-অধ্যাপিকা, বিভাগীয় মুৰব্বীসকলৰ উপৰিও গ্ৰন্থাগাৰকৰ্মী, কাৰ্যালয়ৰ কৰ্মীসকল, বিভিন্ন বিভাগৰ প্ৰয়োগশালাৰ কৰ্মীসকল, তাৰোপৰি বিশেষ বিশেষ দিশৰ সহায়কাৰীসকল— এই সকলোকে লৈহে

এখন পূর্ণ-পর্যায়ৰ মহাবিদ্যালয়ৰ জীৱন-যাত্রা সুগম হয়।

অধ্যাপক-অধ্যাপিকাসকলে অকৃত্রিমভাৱে শিক্ষাদান কৰে। সেইসকল গুৰু, পিতৃ-মাতৃ স্বৰূপ। শিক্ষাব্রতীসকলে গ্রহণ কৰে— সেইসকল শিষ্য; পুত্র-কন্যাৰ ৰূপৰ। গুৰুসকলৰ প্রতি শ্রদ্ধা, ভক্তি ৰক্ষা কৰি চলা পুত্র-কন্যাসমূহৰ শুদ্ধ আচৰণ, জ্ঞান হ'লেই জ্ঞানৰ অমিয়া ৰস সকলোৱে পায়েই থাকিব। এনে ৰীতিৰ কেতিয়াবা বিজুতি আহি পৰিলে শিক্ষালাভৰ অর্থ নেথাকিব।

এখন মহাবিদ্যালয়ৰ অধ্যক্ষজনৰ কামৰ অন্ত নাথাকে। কার্যদক্ষতা, ধৈর্য, সহিষ্ণুতা সহৃদয়তাৰ গুণেৰে পৰিৱেশ ৰক্ষণৰ অপৰিসীম শকতিৰ মাজেৰে আগুৱাব লগা হয়। সততে অধ্যক্ষজনক মহাবিদ্যালয় পৰিয়ালৰ সদস্যসমূহৰ সহযোগিতাৰ দৰকাৰ হয়। তাৰোপৰি মহাবিদ্যালয়ৰ ভিতৰচ'ৰাত আৰু কিছু কর্মচাৰী থাকে— যি সকলক বাহিৰৰ পৰা কোনেও নেদেখে-নেলেখে। এইসকল মহাবিদ্যালয়ৰহে নীৰৱ কর্মচাৰী। কাৰো হিচাপত নপৰে। কিন্তু কোনোৱাজনৰ এদিন কামত গাফিলতি হ'লেই দৈনন্দিন শিক্ষা দানত বিজুতি ঘটে। সেয়ে এওঁলোক নিষ্ঠাবান আৰু কর্মতৎপৰ হোৱা দৰকাৰ। এইসকলৰ মাজতো কামৰ ভাগ আছে। এজন মুখ্য সহকাৰী, হিচাপৰক্ষক, ৰোকপালৰ উপৰিও ভিন ভিন কামৰ বাবে সহকাৰীসকল থাকে। নিজৰ কর্তব্যৰ উপৰিও কেতিয়াবা সকলো কেইজন মিলি জটিলকাম সমাধা কৰিব লগা হয়। তেহে পৰিৱেশ ৰ'ব। এইসকলক সহায় কৰিবলৈ আৰু কিছু সহায়কাৰী থাকে। বিজ্ঞানৰ প্রয়োগশালা বিলাকৰ কাম নিয়াৰিকৈ চলাবলৈকো সহায়কাৰী থাকে। তাৰোপৰি কার্যালয়ৰ ভিন ভিন দিশৰ বাবে ভিন ভিন সহায়কাৰী থাকে। কার্যালয়ৰ কর্মচাৰীসকলে নিষ্ঠাৰে দৈনন্দিত কাম সমাধা কৰিব লাগে।

এইখিনিতে এটা আপুৰুগীয়া কথা ক'বলৈ মন কৰি সুদীর্ঘকাল এই মহাবিদ্যালয়ৰে কার্যালয়ৰ কর্মী হৈ আ তেতিয়া এই মহাবিদ্যালয় চৰকাৰী অনুদানভুক্ত নহয়। ই ৪-১৯৬৪ চনৰ পৰাহে চৰকাৰী অনুদানভুক্ত হৈছে। সময়ত মুখ্য সহকাৰী হিচাপে প্রয়াত ৰফিকুল হক, শ্রী শর্মা বৰুৱা, প্রয়াত বিনোদ গোস্বামী আৰু এই লেখাৰ সহকাৰী কর্মী। কর্মচাৰী সকলৰ (সদৌ অসমৰ) গ কোনে? 'সদৌ অসম কলেজ কর্মচাৰী সস্থা' ই গা-কৰি প্রয়াত মহেশ চন্দ্র ভট্টাচার্য আছিল আমাৰ মহাবিদ্য আংশিক হিচাপৰক্ষক। তেখেতৰ অনুপ্রেৰণাতেই সস্থাত দিয়া হ'ল। সস্থাৰ নেতা নাছিলো-সহযোগীহে। বহু আন্দোলন পাৰ হ'ল। সভা-সমিতিৰ উপৰিও সহকর্মীস কৈছিলো বীৰ দর্পে— 'চৰকাৰী কর্মচাৰীৰ দৰে আমিও সু সুবিধা লাভ কৰিমেই।' পিচে গছৰ আগত থকা নাৰিক পানীটোপা খাই উত্তপ্ত প্রাণ শান্ত কৰাৰ মানসেৰে ক্ষণ গ বছৰ চেৰেকৰ পিচত যেনিবা 'মাহী আইৰ চেনেহ' এই সৰ আহিল। ক্রমে মুখ্য সহকাৰী পদৰ পৰা অৱসৰ বিনে মিলিল।

নগঞাবাসী মহান লোকসকলৰ মহান শকতিৰ ৰ স্থাপিত হোৱা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় জ্যোতি জিলিকি ৰওক।

কিম্ অধিকমিতি। ❑

'মানুহ হৈছে সপোন দিঠকলৈ পৰিণত কৰা শিল্পী। পৃথিৱীখন শিল্পীৰ ঘৰ। শিল্পীৰ কাৰখানা আৰু শিল্পীৰ সাংস্কৃতিক সম্প্রদৰ প্রদর্শনী। ইয়াকে শিল্পীয়ে— আজি নিখিল পৃথিৱীৰ শিল্পীয়ে— মানুহক উপলব্ধি কৰাব লাগিব।'

জ্যোতিপ্রসাদ আগৰৱালা

সোঁৱৰণিৰ এচেৰেঙা

সোণালী বৰা হাজৰিকা

১৯৮২ চনৰ আগষ্ট মাহৰ এক ফৰকাল ৰাতিপুৱা। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ প্ৰয়াত আব্দুল হাই ছাৰৰ খ্ৰীষ্টান পট্টিৰ ঘৰলৈ মই আৰু মোৰ বাইদেউ গ'লো। ছাৰক দেখিলো পাছ চোতালত বহি ৰেডিঅ'ৰ বাতৰি শুনি আছে। আমিও তাতে বহি ছাৰক আমাৰ আগমনৰ কাৰণ জনালোঁ। ইতিমধ্যে পুৱাৰ আঞ্চলিক বাতৰিত গুৱাহাটী বিশ্ববিদ্যালয়ৰ এম. এছ. ছি. পৰীক্ষাৰ ফলাফল ঘোষণাৰ খবৰ প্ৰকাশ পাইছে। ছাৰে সেয়ে পোনচাটেই ফোন যোগে মোৰ ৰিজাল্ট ল'লে আৰু উৎফুল্লিত হৈ মই প্ৰথম শ্ৰেণী লৈ উত্তীৰ্ণ হোৱাৰ খবৰ মোক দিলে। মই বিস্ময়ত অভিভূত হৈ পৰিলোঁ, কাৰণ ৰিজাল্ট সম্বন্ধে মোৰ পূৰ্বাণুমান স্পষ্ট নাছিল। ছাৰে লগে লগে মোক আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰসায়ন বিজ্ঞান বিভাগৰ পূৰ্ববে পৰা খালী হৈ থকা পদত যোগ দিবলৈ ক'লে আৰু পাছদিনা কলেজৰ অফিচৰ পৰা নিযুক্তি পত্ৰ ল'বলৈ ক'লে। মই তেতিয়া ভাৰতীয় জীৱন বীমা নিগমৰ কৰ্মচাৰী হিচাপে গুৱাহাটী পানবজাৰ শাখাত কাম কৰি আছিলোঁ। কিন্তু ছাৰৰ পৰামৰ্শ (এক প্ৰকাৰ নিৰ্দেশনা) অনুসৰি মই সিদ্ধান্ত কৰিলো আৰু যথাসম্ভৱ কম সময়ৰ ভিতৰতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ৰসায়ন বিজ্ঞান বিভাগৰ প্ৰবক্তাৰূপে যোগদান কৰিলোঁ। কলেজত প্ৰথম শিক্ষাদানৰ অভিজ্ঞতা ৰোমাঞ্চকৰ। ৰসায়ন বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক আব্দুল হান্নান চৌধুৰীয়ে মোক চিধাই লৈ গৈ স্নাতক দ্বিতীয় বৰ্ষৰ ক্লাচ ল'বলৈ দিলে। সেই সময়ত স্নাতক বৰ্ষৰ ক্লাচত ল'ৰাৰ সংখ্যা ছোৱালীতকৈ বেছি আছিল। কলংপাৰৰ আইন মহাবিদ্যালয়ত থিঅ'ৰি ক্লাচ লৈ, দৌৰা-দৌৰি কৰি আহি কলেজত ব্যৱহাৰিক শ্ৰেণী (Practical) ল'ব লাগে। বৰষুণ দিলে সমস্যাই হয়, কাৰণ আইন মহাবিদ্যালয়ৰ সন্মুখৰ ৰাস্তাটো তেতিয়াও কেঁচা হৈ আছিল। সময়ৰ তাড়ণা, ইফালে পিচল বাট, কোনোমতে ছাত্ৰ-ছাত্ৰীৰ আগত লাজ-লঘু নোহোৱাকৈ দিনবোৰ পাৰ হৈছিল। তাতে যেনিবা ৰসায়ন বিজ্ঞান বিভাগৰ বিয়েৰাৰ হেকিমৰ গৰম চাহ কাপে মনলৈ বেছ সতেজতা আনিছিল। এইদৰে পাৰ হৈছিল দিনবোৰ বৰ আনন্দেৰে। লগ পাইছিলো বিভিন্ন বিভাগৰ শিক্ষকসকলক, বিজ্ঞান আৰু কলাৰ যেন সমাহাৰ মনৰ মণিকোঠাত। সোঁৱৰণিয়ে আজিও মন পুলকিত কৰে। সতীৰ্থ হিচাপে একে বিভাগৰ সাথী চৌধুৰী বাইদেউ আৰু অমৰেন্দ্ৰ শৰ্মা দেৱক পাইছিলো। সাথী বাইদেউক পাই মই ধন্য হৈছিলো, কিয়নো আলাপ-আলোচনা দিহা-পৰামৰ্শ আদিত বাইদেউ মোৰ বাবে কেৱল আদৰ্শ অগ্ৰজাই নহয়, মোৰ অভিভাৱিকাও। সকলো ক্ষেত্ৰতে আৰু সকলো সময়তে বাইদেউৰ মৰমসনা সঁহাৰি সদায় মনত থাকিব।

মনত পৰে, এবাৰ চাকৰিৰ প্ৰথম বছৰতে কলেজৰ পৰীক্ষাৰ সময়ত ছাত্ৰৰ উচ্ছৃংখলতাক লৈ উদ্ভৱ হোৱা পৰিস্থিতি সন্দৰ্ভত অধ্যক্ষ ছাৰৰ লগত আলোচনা কৰোঁতে মোৰ কাষত দেখোঁ কেৱল সাথী বাইদেউহে আছিল।

সতীৰ্থ হিচাপে লগ পাইছিলো মোৰ পুৰণি বন্ধু উদ্ভিদবিজ্ঞান বিভাগৰ বিপুল বৰা, ভবানী বাইদেউ, অৰুণা বাইদেউ, পদাৰ্থ বিজ্ঞান বিভাগৰ ভবানীপুৰীয়া কৈলাস চন্দ্ৰ দাস, দেৱজিৎ শৰ্মা, জীৱবিজ্ঞান বিভাগৰ মোৰ এসময়ৰ ৰুম্‌মেট মীনা চৌধুৰী, মামনি ফুকন আদিক। বৰঘাটৰ ঘৰৰ পদূলিৰে অহাযোৱা কৰা শ্ৰীভৱ

শর্মা ছাৰ, ইংৰাজীৰ পদ্ম শর্মা মোৰ আগৰেই চিনাকি। কলা শাখাৰ আন শিক্ষকসকল ড° নৰেন কলিতা ছাৰ, হীৰেন শইকীয়া, পুষ্প বৰা, গীতিমল্লিকা বাইদেউ, মেনকা বাইদেউ, অশোকা বাইদেউ আদি সকলোকে কমন ৰুমত লগ পাওঁ। সঁচাকৈয়ে খুব ভাল লাগিছিল সেই পৰিৱেশ। কিন্তু পৰৱর্তী কর্মস্থলীত তাৰ ব্যৱস্থা নথকাৰ বাবে সেই পৰিৱেশৰ অভাৱ অনুভৱ কৰোঁ।

মোৰ বাবে ৰসায়নৰ ৰস আৰু সংস্কৃত কাব্যৰ ৰসৰ সম্পর্ক পূর্বৰেই। সেয়ে মহাবিদ্যালয়ৰ প্রতিষ্ঠা দিৱসত সংস্কৃত শ্লোকৰ আবৃত্তি কৰিলোঁ শ্রদ্ধেয় শাৰৎ মাধৱ কুম্ভে আৰু ভৱ শর্মা ছাৰৰ লগত। এই সম্বন্ধই আগবাঢ়ি গ'ল শ্রীমদ্ভগৱদ্গীতাৰ আলাপলৈ। মোৰ মধুৰ সোঁৱৰণ সেই দিনবোৰ— য'ত আমি তিনিওগৰাকী বিজ্ঞান-শিক্ষক, ৰসায়ন বিজ্ঞানৰ মই, পদার্থ বিজ্ঞানৰ কৈলাস চন্দ্র দাস আৰু গণিত বিভাগৰ শ্রীমতী মীনাক্ষী দেৱী একেলগে কলেজৰ ক্লাচৰ শেষত শ্রদ্ধেয় কুম্ভে ছাৰৰ ঘৰত 'গীতা' অধ্যয়ন কৰিছিলোঁ। মৰমীয়াল কুম্ভে ছাৰৰ বাইদেউৰ হাতৰ তৈয়াৰী মিঠাই, চানা আদিৰ আপ্যায়নে তাতে সোণত সুৱগা চৰাইছিল। এয়া আছিল জীৱনৰ অমিয়া সন্ধান। যি আজিও হৃদয় তৃপ্ত কৰি ৰাখিছে গীতাৰ অমিয়া বাণীৰে। সংস্কৃত শিক্ষাৰ প্রতি এটা বিশেষ টান থকাৰ বাবেই মাজে মাজে শ্রদ্ধেয় ভৱ শর্মা ছাৰৰ ঘৰলৈও গৈছিলো। কথাৰ মাজত সংস্কৃত শ্লোক চেষ্টয়া ভাৰনেন চ। নেত্রবক্ত্রেঃ....। ছাৰৰ ৰসাল ব্যাখ্যা, কোৱাৰ ভাৱ-ভঙ্গী বেছ আমোদজনক আছিল। সময় কেনেকৈ পাৰ হৈছিল, গমেই পোৱা নাছিলো।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত মই থকা সময়ছোৱাৰ প্রথমার্দ্ধত চূড়ান্ত ব্যৱহাৰিক পৰীক্ষাৰ সময়ত পৰিৱেশ অলপ বেলেগ আছিল। পৰীক্ষাত বিভাগৰ দায়িত্ব এজনৰ হ'লেও আটাই কেইজন মিলি কামবোৰ কৰিছিল। সেয়ে একে উৎসাহজনক আৰু আনন্দদায়ক পৰিৱেশত কাম কৰাৰ অভিজ্ঞতা হৈছিল। কেৱল আমাৰ ৰসায়ন বিজ্ঞান বিভাগতে নহয়, আন বিভাগতো অনুৰূপ ব্যৱস্থা দেখি মই বৰ আপ্লুত হৈছিলো।

শ্রদ্ধেয় কুম্ভে ছাৰৰ ঘৰত হোৱা বৈঠকৰ আধ্যাত্মিক আলোচনাবোৰ অত্যন্ত গভীৰ আৰু প্রাণস্পর্শী আছিল।

এদিন আমি শ্রীমদ্ভগৱদ্গীতাৰ দশম অধ্যায়ৰ বিভূ আলোচনা আৰম্ভ কৰিছোঁ। এটা শ্লোকত 'হন্ত' এটা শ কৌতূহলবশতঃ আমি ছাৰক শব্দটোৰ অর্থ সুধিলোঁ। ছা জ্ঞানৰ উমান আমি তেতিয়াহে পালো যেতিয়া শব্দৰ অ হ'ল এটি সুন্দৰ অর্থপূর্ণ শ্লোকত। শ্লোকটো উল্লেখ কৰ সামৰিব নোৱাৰিলোঁ।

ৰাত্রির্গমিষ্যতি ভবিষ্যতি সুপ্রভাতম্
ভাস্বান উদেশ্যতি হসিষ্যতি পঙ্কজশ্রীঃ
ইত্থং বিচিন্তয়ন্ কোষ্ঠগতে দ্বিৰেফে
হা হন্ত হন্ত নলিনীং গজ উজ্জহাৰ।

অর্থঃ নিশাৰ অন্তত সুপ্রভাত হ'ব, সূর্য উদয় হ'ব আৰু পদুম ফুল পাহ ফুলি উঠিব অর্থাৎ ফুলপাহ মেল খাব। জাপ খাই থকা পদুমৰ কোষত বহি এনেকৈ ভাবি থাকোতেই হায়! ভোমোৱাসহ পদুম ফুলপাহ হাতী এটাই উভালি পেলালে। 'কাল' অর্থাৎ সময়ৰ পৰিণাম এইটো এটা উপযুক্ত উদাহৰণ।

ছাৰৰ মুখৰ পৰা শুনা আন এটি অনুপম কৌতুক উল্লেখ কৰি মোৰ লেখা সামৰিম। এজন বিদেশী পর্যটক আহি জগন্নাথৰ কাঠৰ মূর্তি প্রত্যক্ষ কৰি সন্দেহবশতঃ সু তোমালোকৰ ঈশ্বৰ এনেকুৱাইনে শুকান কাঠৰ? লগে লগে পণ্ডিতৰ উত্তৰ ঃ আমাৰ ঈশ্বৰৰ কথানো কি ক'ম....

একাভার্যা প্রকৃতিৰচলা চঞ্চলা চ দ্বিতীয়া
পুত্র চৈকো ভূবনবিজয়ী মন্মথো দুর্ণিৰাৰঃ
শেষঃ শয্যা শয়নমুদধি বাহনঃ পন্নগাৰি
স্মাৰং স্মাৰং স্বগৃহ চৰিতম্ দাৰোভূতোমুৰাৰি।

অর্থৰ সন্ধান পাঠক সকললৈ ৰাখি মোৰ সৌ এচেৰেঙা সামাৰিলোঁ। ❑

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ দিনবিলাক

ত্যপ্রসাদ শর্মা

তাহানিৰ 'নীলাচল'ত আম্রপালি ছদ্মনাম দি কোনোবা এজনে জালুকবাৰীৰ বিষয়ে এখন উপন্যাস লিখিছিল। নবীন বৰুৱাই 'কটন কলেজ' নামেৰে এখন স্মৃতি বিজড়িত উপন্যাস লিখিছিল। তাহানিৰ যুৱমানসত এই দুখন উপন্যাসৰ এক এৰাব নোৱাৰা সাঁচ বহিছিল। নাট্যকাৰ অতুল চন্দ্র হাজৰিকাৰ 'স্মৃতিৰ সঁফুৰা কটন কলেজ' কিন্তু যুৱমানসক সামৰিব পৰা বিধৰ নহ'লেও এক অনন্য সাধাৰণ যে আছিল তাক নুই কৰিব নোৱাৰি। সোণালী জয়ন্তীৰ এই শুভক্ষণত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ক স্মৃতিয়ে ধৰি ৰখা খিনিক জীপাল কৰাৰ এক হাবিয়াস মনলৈ আহিছে।

১৯৭০ চনৰ জুন মাহৰ কোনোবা এটা দুপৰীয়া আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ বাৰাণ্ডাত থিয় হৈছিলোঁ কলেজীয়া শিক্ষা ল'বৰ বাবে নামভর্তি কৰিবলৈ। নগাঁও কলেজত নামভর্তি কৰিবলৈ সাধাৰণতে তেতিয়াৰ ল'ৰা-ছোৱালীৰ মাজত প্রচণ্ড হাবিয়াস থকা দেখা গৈছিল যদিও আমাৰ মনত তেনে ধৰণৰ মানসিকতা তেতিয়া নাছিল। নিজৰ ঘৰৰ পৰা বহুদূৰ হোৱা সত্ত্বেও কিয় যে মই এই কলেজখন বাছি লৈছিলোঁ, সেই লৈ ঘৰত কিছু প্রশ্নৰ সন্মুখীন হ'বলগা হৈছিল। এডিপি কলেজৰ সেই সোণোৱালী দিনবোৰ য'ত শিক্ষা প্রদান প্রক্রিয়া এক সহৃদয়তাৰ মাজেৰে হৈছিল সেইটো যেন আনত নাছিল, এনে লাগে। শিক্ষকসকলৰ তেতিয়া থকা আন্তৰিকতা আজিৰ দিনত অপ্রাসঙ্গিক হৈ পৰিছে। এতিয়াও মহাবিদ্যালয়খনে সেই গৰিমা বর্তাই থকা বাবে আজিও সগৌৰৱেৰে কৈ ভাল লাগে যে মই সেই মহাবিদ্যালয়ৰ ছাত্র আছিলো। আমি পঢ়াকালৰ শিক্ষকসকল এতিয়া নাই আৰু তেতিয়াৰ শিক্ষক-ছাত্রৰ এনাজৰীডাল সময়ৰ লগে লগে সীমিত হৈ পৰিছে।

আমি পঢ়া সময়ত আমাৰ লগত ছোৱালী মাত্র চাৰিজনী আছিল। গোটেই মহাবিদ্যালয়খনত খুব বেছি দহজনীমান ছোৱালীহে আছিল। কলাবিভাগৰ বেছি ভাগতেই অনার্চ পাঠ্যক্রম আছিল। আমি সংস্কৃত অনার্চৰ প্রথম বেচ্ছৰ ছাত্র আছিলোঁ। সৰু সৰু কোঠাবিলাকত সংস্কৃত আৰু আৰবী অনার্চৰ ক্লাচ হৈছিল। সেই সময়ত দিনে প্রায় ৫/৬টা মানকৈ অনার্চৰ ক্লাচ হৈছিল। আমাৰ পৰমবন্ধু আৰবী অনার্চৰ ছাত্র এম, হবিব উল্লাহ আৰু হবিবুৰ ৰহমান এতিয়া এই মহাবিদ্যালয়ৰে ক্রমে জ্যেষ্ঠ অধ্যাপক আৰু বিভাগীয় মুৰব্বী হিচাপে কর্মৰত হৈ আছে। খুব সাধাৰণ সাজ-সজ্জাৰে আমি সজ্জিত আছিলো, Simple living, high thinking আছিল তেতিয়াৰ ছাত্র-ছাত্রীৰ এক Motto। অনার্চৰ শ্রেণীত পোৱা বন্ধুবিলাক পুনৰবাৰ বিশ্ববিদ্যালয়ত সহপাঠী হৈ ভাল লাগিছিল। মহাবিদ্যালয়ত তেতিয়া থকা Poor Fundয়ে আমাৰ নিচিনা বহুতকে সহায় কৰিছিল। পুথিভঁৰালী প্রভাত শর্মা বৰুৱাই সহায় নকৰা হ'লে, মোৰ সংস্কৃত বিষয়ৰ অনার্চ কার্যকৰী হৈ নুঠিলহেঁতেন। তেখেতে আমাৰ তাগিদামতে বেনাৰছৰ মতিলাল বেনাৰছী দাসৰ দোকানৰ পৰা পার্চেল যোগে কিতাপ আনি ব্যক্তিগতভাৱেও সহায় কৰিছিল। এতিয়াও বাটে-পথে পালে সুখ-দুখৰ কথা পাতে। স্মৃতিৰ মণিকোঠাত বিৰাজ কৰা কেইজনমান শিক্ষকৰ ভিতৰত প্রয়াত শাৰৎ মাধৱ কুম্রে ছাৰৰ কথা ক'বই লাগিব। নিষ্ণাত পণ্ডিত ছাৰৰ একাগ্রতাৰ বাবেই মই সংস্কৃত বিষয়ত কিছু জ্ঞান লাভ কৰিবলৈ সক্ষম হৈছিলোঁ। বহু ভাষা ক'ব আৰু লিখিব পৰা ছাৰে মধ্যপ্রদেশৰ পৰা আহি অসমৰ মাটিতে দেহা বিলীন

কৰি গ'ল। শিক্ষা আহৰণৰ সামগ্ৰিক দিশটো চালি-জাৰি চালে মোৰ ব্যক্তিত্ব বিকাশত ছাৱৰেই আধিপত্য অংশাধিক। প্ৰাতঃস্মৰণীয় এই ব্যক্তি তথা অনুষ্ঠান বিশেষৰ মৃত্যুৱে আমাক বৰ দুঃখ দিলে।

মহাবিদ্যালয়ত নিয়মীয়াকৈ উদ্‌যাপন হোৱা প্ৰতিষ্ঠা দিৱস আৰু নৱাগত আদৰণি সভাত শুনা ভাষণ বিলাকৰ ভিতৰত মৈহেংদান মহেন্দ্রনাথ ডেকাফুকনৰ উদাত্ত ভাষণ আজিও মোৰ কাণত বাজি আছে। দেৱকুমাৰ শইকীয়া ছাৰ ৰচিত নাটক 'শ্মশান বন্ধু ষ্টুডিঅ'ত মহাবিদ্যালয়ৰ প্ৰায় সকলো কেইজন শিক্ষকেই অভিনয় কৰিছিল। তেতিয়াৰ অধ্যক্ষ 'আব্দুল হাই' ছাৰৰ অভিনয় আছিল এক উল্লেখনীয় দিশ। নাটক উপস্থাপন আৰু ৰচনাশৈলীৰ ওপৰত দেৱকুমাৰ শইকীয়া ছাৰে আমাক যথেষ্ট দিহা-পৰামৰ্শ দিছিল। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা মহাবিদ্যালয় সপ্তাহত নাটক কৰি পুৰস্কাৰ লাভ কৰিছিলোঁ। আমাৰ সহপাঠী অনুদেৰীয়ে শ্ৰেষ্ঠা অভিনেত্রীৰ সন্মান লাভ কৰিছিল। আমি পঢ়াদিনত পোৱা মেধাৱী ছাত্রৰ ভিতৰত অন্যতম আছিল আমাৰ অগ্রজ বৰ্তমান প্ৰথিতযশা সাংবাদিক তথা বিশিষ্ট বুদ্ধিজীৱী অধ্যাপক যতীন্দ্র কুমাৰ বৰগোহাঞি। অৰ্থনীতি বিষয়ত সন্মান পাঠ্যক্রমত প্রথম শ্রেণীৰ প্রথম হৈ পাছ কৰা বাবে মহাবিদ্যালয়ত সেইদিনা আনন্দৰ সীমা নোহোৱা হৈছিল। মহাবিদ্যালয় এদিনৰ বাবে বন্ধ দিয়া হৈছিল। ছাত্র একতা সভাৰ তেতিয়াৰ সাধাৰণ সম্পাদক আবু শ্বৰীফৰ তৰ্কসভাৰ অংশগ্রহণত মেধাশক্তি পৰিস্ফুট হৈছিল। তেওঁ এতিয়া এজন প্রতিষ্ঠিত আইনজীৱী। মহাবিদ্যালয়ত তেতিয়া পতা এটা অনুষ্ঠানে আমাক বৰকৈ আকর্ষণ কৰিছিল। সেইটো আছিল Mock Parliament.

বৰ্তমান প্রতিষ্ঠিত চিত্রশিল্পী ননী বৰপূজাৰীও আমাৰ কলেজৰ একালৰ সহপাঠী আছিল। বৰ অমায়িক স্বভাৱৰ তেওঁৰ সান্নিধ্যই আমাক আজিও আপ্লুত কৰে। মহাবিদ্যালয়ত আমাক পঢ়োৱা ছাৰ ঘন কলিতা আৰু মৃণাল কুমাৰ বৰ বিষয়া হৈ গৈছিল। কলিতা ছাৰ আজি আৰু ইহ সহজানন্দ ওজা আৰু প্রীতম সিং ছাৰে পঢ়োৱা বাজ ক্লাচবিলাক ঘৰত নপঢ়িলেও হোৱা বিধৰ আছিল। অ প্রশাসনিক কঠোৰতা স্নেহমিশ্রিত আছিল। ড° নাৰা হীৰেন শইকীয়া, ড° নৰেন কলিতা, জিতেন বৰা, শইকীয়া, ৰবীন্দ্র চন্দ্র বৰা, ভবকান্ত শর্মা, ড° থানেশ্বৰ শ হাজৰিকা, আৰু পাৰবিন আখতাৰ বাইদেউৰ ওচৰত হৈ থাকিম। তেওঁলোকৰ শিক্ষাদান প্রক্রিয়া আমাৰ পাঠে

শেষত মাত্র কেইটামান কথাৰে আমাৰ চুটি সামৰণি কৰিব খুজিছোঁ। নগাঁৰত এসময়ত ডেপুটি অসমীয়া সাহিত্যলৈ যথোপযুক্ত বৰঙণি আগৰ প্রাতঃস্মৰণীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ মহাবিদ্যালয়খনৰ নামকৰণ হোৱাত নগাঁওবাসী উৎফু আমি মহাবিদ্যালয় প্রতিষ্ঠা দিৱসবোৰত তেখেতক একালত ধন্য মানিছিলোঁ। নগাঁওবাসীয়ে আনন্দৰাম ফুকনৰ নামেৰে হয়বৰগাঁৱত এখন কলেজ পালে ওপৰত এখন দলং পালে। কিন্তু ঊনবিংশ শতিকাৰ অস সাহিত্যৰ অন্যতম পুৰোধা গুণাভিৰাম বৰুৱা, যি গৰা জিলা প্রশাসনৰ দায়িত্বত অধিককাল কার্যনির্বাহ ক অসমীয়া ভাষা-সাহিত্যৰ উদ্ধাৰৰ ক্ষেত্রত সমানে কাম সেইগৰাকী স্বনামধন্য লোকৰ স্মৃতিৰক্ষার্থে আজিলৈ জিলাত বিশেষ কোনো কাম হোৱা আমৰ দৃষ্টিগোচৰ মহাবিদ্যালয়ৰ স্মৰণিকাত লিখিবলৈ দিয়াৰ সুযোগতে এ অৱতাৰণা কৰিলো। ❑

"মই মাটিৰ গড় বান্ধিম খহিব,
কাঠৰ গড় বান্ধিম পচিব,
মই কথাৰ গড় বান্ধি দিছো,
প্রাণ-পৰিভুগী হ'ব।"

—দেওধাই অসম বুৰঞ্জী

এডিপি কলেজ আৰু হাই ছাৰ

মঃ মজিবুৰ ৰহমান

কেইজনমান কর্ম-উদ্যোগী, শিক্ষাবিদ আৰু স্বনামধন্য অধ্যক্ষ শুকদেৱ গোস্বামীদেৱৰ অশেষ চেষ্টাৰ ফলত ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰ তাৰিখে এডিপি কলেজ প্রতিষ্ঠিত হয়। সেয়েহে ৭ ছেপ্টেম্বৰৰ দিনটো আৰু শুকদেৱ গোস্বামী ছাৰৰ নামটো আমাৰ মনত স্মৰণীয় হৈ থাকিব। অধ্যক্ষ গোস্বামীদেৱৰ পিছত অসমৰ আগশাৰীৰ শিক্ষাবিদ শ্রদ্ধেয় আব্দুল হাই ছাৰে অধ্যক্ষৰূপে কার্যভাৰ গ্রহণ কৰে। তেখেতে অধ্যক্ষ হৈয়েই কলেজৰ সর্বাংগীণ উন্নতিৰ হকে কাম কৰিবলৈ প্রতিশ্রুতিবদ্ধ হয়, আৰু তেখেতৰ এই সপোন অতি সোনকালে বাস্তৱত পৰিণত হয়। তেখেতৰ দিনত শিক্ষাৰ আন্তঃগাঁথনি আৰু পৰীক্ষাৰ ফলাফল উন্নতমানৰ আছিল।

ছাৰৰ কলা-কৌশল আৰু স্মৃতি— হাই ছাৰ অধ্যক্ষ হৈ অহা সময়ত এডিপি কলেজত কেৱল কলা শাখাহে আছিল। কলা শাখাৰ লগত সংগতি ৰাখি বিজ্ঞান শাখা খুলিবৰ বাবে ছাৰে মন মেলিলে। বহুতো বাধা-বিঘিনি নেওচি ১৯৭৮ চনত বিজ্ঞান শাখাৰ প্রৱর্তন কৰিলে, আৰু ছাৰৰ আপ্রাণ চেষ্টাৰ ফলত ১৯৮৩ চনত বিজ্ঞান শাখাও ঘাটি মঞ্জুৰি পদ্ধিতিৰ অন্তর্ভুক্ত হয়। অসমৰ আগশাৰীৰ শিক্ষাবিদ এডিপি কলেজৰ প্রাক্তন অধ্যক্ষ হাই ছাৰলৈ শ্রদ্ধা নিবেদিবলৈ আমাৰ উপযুক্ত ভাষা নাই। মন কৰিবলগীয়া কথা যে কিছুমান মানুহে ব্যক্তি বিশেষক ভক্তি বা সন্মান কৰে ভয়তে বা স্বার্থ সিদ্ধিৰ অর্থে। এই ভক্তি বা সন্মান ক্ষণস্থায়ী। কিন্তু হাই ছাৰক সকলোৱে শ্রদ্ধা কৰিছিল অন্তৰৰ পৰা। সেয়ে ই চিৰস্থায়ী।

হাই ছাৰৰ আচাৰ-ব্যৱহাৰ— হাই ছাৰৰ আচাৰ-ব্যৱহাৰ আছিল দেৱতুল্য। তেখেতে মানুহক মানুহ হিচাপে জ্ঞান কৰি উচ্চ পর্যায়ৰ অফিছাৰৰ পৰা চকীদাৰ-পিয়নলৈকে সকলোকে সমান চকুৰে চাইছিল। তেখেতৰ কার্যকালত শিক্ষক-শিক্ষয়িত্রীৰ পৰা চকিদাৰ-পিয়নলৈকে কাকো টান কথা বা কটুবাক্য ব্যৱহাৰ কৰা দেখা নাছিলো। এইবোৰ কাৰণতেই ছাৰৰ প্রতি সকলোৰে ভক্তি অটুট আছিল। ছাৰৰ প্রতি সকলোৰে শ্রদ্ধা, ভয় আৰু ভক্তি থকাৰ বাবেই ৰাতিপুৱা ৮-৩০ বজাৰ পৰা ৰাতি ৯-৩০ বজালৈকে কোনোধৰণৰ অপ্রীতিকৰ ঘটনা নোহোৱাকৈ পাঠদান কার্য সুচাৰুৰূপে পৰিচালিত হৈছিল।

হাই ছাৰৰ লাখটকীয়া হাঁহি— হাই ছাৰৰ ওচৰত কোনোবাই কিবা বিপদত পৰি যাওঁক, নাইবা গোচৰ লৈ যাওঁক, নহ'লে দুখ-বেদনা লৈ যাওঁক, ছাৰে এনেকুৱা এটা হাঁহি দিয়ে, যি হাঁহিত দুখ-বেদনা, আপদ-বিপদ সকলো নাইকীয়া হৈ যায়। সকলোবোৰ দুখ ছাৰৰ গাত জাপি লৈ হাঁহিমুখে সেইজনক পঠিয়াই দিয়ে। এনে এজন দেৱতুল্য ব্যক্তিৰ উদাহৰণ অতি বিৰল।

এদিনৰ এটি ঘটনা চমুকৈ বর্ণনা কৰিলো— দুজন ল'ৰাই দৌৰি আহি কন্দনামুৱা হৈ হাই ছাৰক ক'লে, ছাৰ আমি আহি থাকোতে ৰাস্তাত আমাৰ মাজৰ পৰা তৰুণ চন্দ্র শইকীয়াক পুলিচে ধৰি লৈ গ'ল। ছাৰে সিহঁতৰ কথা শুনি এনেকুৱা এটা হাঁহি মাৰিলে যে গোটেই ৰূমটো ৰণ্‌জনাই গ'ল আৰু ক'লে তোমালোক ইয়াতে অলপ সময় ৰৈ থাকা। তাৰ পিছত ছাৰে ৰিচিভাৰটো দাঙি লৈ ফোনতে কিবা ভোৰভোৱালে। প্রায় ২০ মিনিটমান পাছতে তৰুণ চন্দ্র শইকীয়া ছাৰৰ চেম্বাৰত আহি উপস্থিত হ'ল, আৰু সকলোৱে হাঁহি হাঁহি ছাৰৰ ৰূমৰ পৰা বিদায় ল'লে। যি হাঁহিত সকলোৰে মনত চিন্তামুক্ত ভাৰ ফুটি উঠে। তৰুণ চন্দ্র শইকীয়া আছিল সেইসময়ৰ ছাত্র একতা সভাৰ সাধাৰণ সম্পাদক। এইবোৰ কাৰণতেই ছাৰৰ এই অর্থপূর্ণ হাঁহিক লাখটকীয়া হাঁহি বুলি নামকৰণ কৰিলো। এই হাঁহি পুনৰ ঘূৰি আহিবনে? বর্তমান আমাৰ মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহ চলি আছে। এই শুভক্ষণত দু-আষাৰ লিখি প্রয়াত হাই ছাৰৰ স্মৃতিত শ্রদ্ধা তর্পণ কৰিলোঁ। ❑

ৰূপালী জয়ন্তী উৎসৱত মহাবিদ্যালয়ৰ অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদকৰ প্ৰতিবেদন

মাননীয় সভাপতি মহোদয়, নিমন্ত্রিত বিশিষ্ট অতিথিবৰ্গ, সমবেত সুধী সমাজ, মোৰ অধ্যাপক আৰু অধ্যাপিকাবৃন্দ আৰু মৰমৰ ছাত্র-ছাত্রীসকল! আমাৰ অতি মৰমৰ আনন্দৰাম ফুকন মহাবিদ্যালয়ৰ আজি ৰূপালী জয়ন্তী উৎসৱ আৰু এই বছৰৰ নৱাগত আদৰণি উৎসৱ আপোনালোকক দুআষাৰ ক'বলৈ পাই পৰম আনন্দিত হৈছোঁ। এই বছৰৰ সাত ছেপ্টেম্বৰ তাৰিখে আমাৰ এই মহাবিদ্যালয়খনিয়ে পঁচিশ বছৰত প্রৱেশ কৰিছে। মহাবিদ্যালয়ৰ পঁচিশ বছৰীয়া ৰূপালী জয়ন্তী উৎসৱটি যিমান আড়ম্বৰপূর্ণ কৰি উদ্‌যাপন কৰিব লাগিছিল, সময়ৰ প্রতিকূল গতি সেইদৰে পাতিব পৰা নগ'ল। এই উৎসৱটি যথাযথভাৱেহে আমি পালন কৰিছোহঁক।

আমাৰ মহাবিদ্যালয়খনি আৰম্ভ কৰাৰ আগবে পৰাই নগাঁও চহৰত এখনি নৈশ মহাবিদ্যালয়ৰ আৱশ্যকতা নগঞা বাইজে অনুভৱ কৰি আহিছিল। ১৯৫৯ চনৰ ফেব্রুৱাৰী মাহত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ সপ্তবিংশতিতম অধিবেশনত অসমৰ সিংহ পুৰুষ স্বর্গীয় আনন্দৰাম ঢেকিয়াল ফুকনৰ মৃত্যু শতবার্ষিকী উৎসৱো পালন কৰা হয়। সাহিত্য সভাৰ কর্মকর্তাসকলে নগাঁও চহৰতে শেষ ত্যাগ কৰা এই মহান পুৰুষজনৰ স্মৃতি যুগমীয়া কৰিবৰ কাৰণে নগঞা বাইজলৈ গোহাৰি জনাই নতুন উদ্যমৰ পৰিপ্রেক্ষিততে নগাঁৱৰ এদল গণ্যমান্য লোকে 'আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়' নামেৰে এখনি নৈশ মহাবিদ্যলয় পাতিবলৈ উঠি-পৰি লাগে।

এই উদ্দেশ্যৰেই লোকসেৱক স্বর্গীয় হলধৰ ভূঞাৰ সভাপতিত্বত বহা এখনি মুকলি 'আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় পৰিচালনা সমিতি' এখন গঠন কৰা হয়। এই সমিতিখনৰ হলধৰ ভূঞা— সভাপতি, শ্রীনুৰুল ইছলাম আৰু স্বর্গীয় শুকদেৱ গোস্বামী— উপ-সভাপতি, অ ললিত শইকীয়া— সম্পাদক, শ্রীযোগেশ চন্দ্র শর্মাক— ধন ভঁৰালী হিচাপে লৈ বাইশজন অন্য স গঠিত কৰি দিয়া হ'ল। ইয়াৰ পাছত আতাউৰ ৰহমান আৰু শ্রীকুশদেৱ গোস্বামীক— যুটীয়া স হিচাপে লৈ সমিতিখন পুনৰ গঠন কৰা হয়।

এই পৰিচালনা সমিতিখনৰ ঐকান্তিক চেষ্টা, নগাঁও মহাবিদ্যালয়ৰ কেইজনমান অধ্যাপকৰ আৰু সদিচ্ছা, প্রথম দল ছাত্রৰ আশাশুধীয়া যত্নত ১৯৫৯ চনৰ সাত ছেপ্টেম্বৰ তাৰিখে নগাঁৱৰ তৎ অতিৰিক্ত চেচন জজ শ্রীবি. শর্মাদেৱে এই মহাবিদ্যালয়খনৰ শুভ উদ্বোধন কৰে। তাৰ পিছদিনাখনৰ স্থানীয় ডচন উচ্চতৰ বহুমুখী বিদ্যালয়ত পাঠদান আৰম্ভ হয়। পৰিচালনা সমিতিৰ আহ্বানক্রমেই স উপ-সভাপতি স্বর্গীয় শুকদেৱ গোস্বামীয়ে অধ্যক্ষৰ গুৰুভাৰ লৈ ছাত্র ভর্ত্তিকৰণ আদি যাৱতীয় ম বহন কৰি অবৈতনিকভাৱেই কাম চলাই যায়। ১৯৬৪ চনৰ ১৬ অক্টোবৰৰ দিনা আকস্মিকভাৱে ইহ সম্বৰণ কৰা পর্যন্ত তেখেত এই পদত অধিষ্ঠিত আছিল। স্বর্গীয় গোস্বামীদেৱৰ ত্যাগ আৰু সু পৰিচালনাত মহাবিদ্যালয়খনিয়ে প্রথম স্তৱত বহুত ঘাত-প্রতিঘাত অতিক্রম কৰিবলৈ সমর্থ হৈ আজিৰ এই শুভ দিনত আমি তেখেতক গভীৰ শ্রদ্ধাৰে স্মৰণ কৰিছোঁ আৰু তেখেতৰ স্মৃতিৰ প্রতি স সন্মান প্রদর্শন কৰিছোঁ। ভগৱানে যেন তেখেতৰ আত্মাক চিৰ শান্তিত ৰাখে— তাৰ বাবে প্রার্থনা জনাই

১৯৫৯ চনত আই, এ ১ম বার্ষিক শ্রেণীত ছাত্রৰ সংখ্যা আছিল ২৪২ জন। নগাঁও মহাবিদ্যালয়ৰ ১১ গৰাকী অধ্যাপকে (সকলোৱেই Part timer) হিচাপে পাঠদান কৰিছিল। সেই সময়ত দুজন কার্যালয় সহকাৰী আৰু এজন চতুর্থ শ্রেণীৰ কর্মচাৰী আছিল।

নগাঁও আইন মহাবিদ্যালয়ৰ প্রাক্তন অধ্যক্ষ শ্রীনুৰুল আমিন আৰু শ্রীনুৰুল ইছলাম ভাতৃদ্বয়ে দিয়া ঘৰ এটিত মহাবিদ্যালয়ৰ কার্যালয় চলোৱা হৈছিল। এই অনুষ্ঠানটিৰ জন্মলগ্নৰ অসহায় অৱস্থাত তেখেতসকলৰ এই অৱদানৰ কথা আমি কৃতজ্ঞতাৰে সোঁৱৰণ কৰিছোঁ। ১৯৫৯, ১৯৬০ আৰু ১৯৬১ চনৰ কালছোৱাত প্রথমে ডচন উচ্চতৰ বহুমুখী বিদ্যালয়ত, তাৰ পাছত নগাঁও মহাবিদ্যালয় আৰু নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ত ছাত্রসকলক পাঠদানৰ দিহা কৰা হৈছিল। এই তিনিওটি অনুষ্ঠানৰ সেই সময়ৰ কর্তৃপক্ষলৈ আমাৰ কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ। নগাঁও মহাবিদ্যালয়ৰ কর্তৃপক্ষই সেই মহাবিদ্যালয়ৰ এঘাৰগৰাকী অধ্যাপকক মাহিলি পঞ্চাশ টকীয়া সামান্য পাৰিশ্রমিক এটি লৈয়েই আমাৰ এই মহাবিদ্যালয়ৰ জন্ম দিয়াৰ অনুমোদন দিয়াৰ কাৰণেও আজি শ্রদ্ধাৰে শলাগ লৈছোঁ। ইতিমধ্যে প্রতিষ্ঠাপক অধ্যক্ষ স্বর্গীয় শুকদেৱ গোস্বামীদেৱে মহাবিদ্যালয়ৰ কার্যালয়টি তেখেতৰ নিজা বাস-ভৱনলৈ স্থানান্তৰিত কৰে।

১৯৬০ চনত ৬৬ জন ছাত্রৰে তৃতীয় বার্ষিক শ্রেণী আৰম্ভ কৰা হয়। গুৱাহাটী বিশ্ববিদ্যালয়ে ১৯৬১-৬২ চনত আই. এ আৰু ১৯৬২-৬৩ চনত বি.এ মহলাক স্বীকৃতি দিয়ে।

এই সময়ছোৱাৰ ভিতৰত বর্তমান মহাবিদ্যালয়ৰ এই ঠাই ডোখৰতে প্রথমে এডোখৰ মাটি কিনি উত্তৰ আৰু দক্ষিণ ফালৰ পকী ঘৰ দুটাৰ কাম আৰম্ভ কৰা হয়। লগতে বর্তমানৰ অধ্যক্ষ আৰু উপাধ্যক্ষৰ কার্যালয়টিও সজোৱা হয়। গৃহ নির্মাণৰ এই কাম চলি থাকোঁতেই ১৯৬১ চনৰ সোতৰ ছেপ্টেম্বৰ তাৰিখৰ পৰাই অস্থায়ী টিনৰ চালিৰ তলত মহাবিদ্যালয়ৰ পাঠদান আৰম্ভ কৰা হয়। ইতিমধ্যে বিভিন্ন বিষয়ত পাঠদানৰ কাৰণে পূর্ণাঙ্গ পর্যায়ৰ অধ্যাপক নিযুক্তিও দিয়া হৈছে।

১৯৫৯ চনত মহাবিদ্যালয়খনি আৰম্ভ কৰোঁতে ইংৰাজী, অসমীয়া, বাংলা, অসমীয়া ঐচ্ছিক, বুৰঞ্জী, অর্থনীতি, সংস্কৃত, আৰৱী, শিক্ষা এইকেইটা বিষয়ৰহে পাঠদানৰ দিহা কৰা হৈছিল। মহাবিদ্যালয়খন আৰম্ভণিৰ সময়ত ২৫০০ টকাকৈ দান দিয়াৰ কাৰণে শ্রীতৰুণ চন্দ্র বৰদলৈ আৰু শ্রী ইউচুফ আলি আৰু ১০০০ টকা দান দিয়াৰ কাৰণে প্রাক্তন স্কুল উপ-পৰিদর্শক শ্রীগোপাল চন্দ্র দাসলৈ মই আজি পুনৰ অভিনন্দন জনাইছোঁ।

১৯৬৩ চনৰ জুলাই মাহৰ পৰা আমাৰ মহাবিদ্যালয়ে ৰাজ্যিক চৰকাৰৰ পৰা ১৫০০ টকীয়া এটি তদর্থ মঞ্জুৰী পায়। ১৯৬৪ চনৰ পহিলা এপ্রিলৰ পৰা এই মহাবিদ্যালয়খন ৰাজ্য চৰকাৰে ঘাটি মঞ্জুৰী অৱস্থালৈ উন্নীত কৰে। এই সময়ছোৱাৰ পাছৰে পৰাই আমাৰ মহাবিদ্যালয়খনিয়ে পুথিভঁৰাল, ছাত্র-ছাত্রী জিৰণি কোঠা, ৰাষ্ট্রীয় শিক্ষার্থী বাহিনী, ছাত্র-ছাত্রী সাহায্য পুঁজি, খেলা-ধূলা আদি বিভিন্ন শিতানত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্যিক চৰকাৰৰ পৰা সাময়িক সাহায্য পাবলৈ সমর্থ হৈছে। ১৯৬৫ চনতে মহাবিদ্যালয় কর্তৃপক্ষই ২,৫০,০০০ টকাৰ পৰিকল্পনাৰে এটি দুমহলীয়া ঘৰ সজোৱাৰ কাম হাতত লয় আৰু বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগ আৰু ৰাজ্যিক চৰকাৰৰ অনুদানৰ লগত সংগতি ৰক্ষা কৰি ২,৬১,০০০ টকাৰ খৰচৰে ১৯৬৮ চনত এই ঘৰটি সম্পূর্ণ কৰা হয়। ১৯৬৮ চনত সাহিত্যৰথী লক্ষ্মীনাথ বেজবৰুৱাৰ জন্ম শতবার্ষিকী উৎসৱত এই ভৱনটি 'লক্ষ্মীনাথ বেজবৰুৱা ভৱন' নামেৰে অসমৰ সেই সময়ৰ মুখ্যমন্ত্রী স্বর্গীয় বিমলা প্রসাদ চলিহাদেৱৰ দ্বাৰা মুকলি কৰোৱা হয়।

১৯৭০-৭১ চনৰ পৰাই ছাত্র-ছাত্রীসকলৰ সমূহীয়া অকুণ্ঠ সাহায্য আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ ৭০,০০০ টকাৰ সহায়ত, ১৯৭৬-৭৭ চনত 'নন্ ৰেচিডেন্ট্ ষ্টুডেন্ট চেন্টাৰ' ভৱনটি সম্পূর্ণ হৈ উঠে। পাঁচ বছৰৰ আগতেই ছাত্রাবাসৰ দুইমহলীয়া ঘৰ এটাৰ পৰিকল্পনা হাতত লৈ কাম আৰম্ভ কৰা হৈছিল যদিও এৰিব নোৱাৰা নানা অসুবিধাত পৰি এই ছাত্রাৱাসটিৰ এটা অংশতহে ছাত্র থকাৰ ব্যৱস্থা কৰিব পৰা হৈছে। আমি আশা ৰাখিছোঁ, অদূৰ ভৱিষ্যততেই এই কাম সম্পূর্ণ হৈ উঠিব।

মহাবিদ্যালয়খনি এই ঠাইত আৰম্ভ কৰাৰে পৰাই আহল-বহল মাটিৰ অভাৱে এটি প্রধান অন্তৰায় হৈ পৰিছে। পূর্বৰ মাটিখিনিৰ আশে পাশে সময়ে সময়ে অধিক চৰা দামত কম কমকৈ একোডোখৰ মাটি কিনি থাকিবলগীয়া হৈছে। এইদৰে কিনি থকাৰ কাৰণেই বর্তমান মহাবিদ্যালয় চৌহদত মুঠ ৯ বিঘা ১ কঠা মাটি হৈছেগৈ। তাৰ কাৰণে যথেষ্ট পৰিমাণৰ ধনো খৰচ কৰিবলগীয়া হৈছে যদিও এইখিনিয়েই এখন মহাবিদ্যালয়ৰ বাবে যথেষ্ট মাটি নহয়।

বর্তমান মহাবিদ্যালয়ৰ গ্রন্থাগাৰত ১৭,০০০ৰ অধিক কিতাপ আছে। প্রায় দুকুৰিখনমান সাময়িকী আলোচনী আৰু বাতৰি কাকত লোৱা হয়।

১৯৬৫ চনৰ পৰাই আমাৰ মহাবিদ্যালয়ত সন্মানৰ পাঠ্যক্রম আৰম্ভ কৰা হয়। প্রথমতে অর্থনীতি, ৰাজনীতি বিজ্ঞান আৰু বুৰঞ্জী বিষয়তহে খোলা হৈছিল যদিও কেইবছৰমানৰ ভিতৰতে অসমীয়া, শিক্ষা, সংস্কৃত, আৰবী, ভূগোল আৰু গণিত এই ৯ টা বিষয়ত সন্মানৰ পাঠ্যক্রম খোলা হয়। এই বিষয়কেইটাত উল্লেখযোগ্য সুখ্যাতিৰে আমাৰ ছাত্র-ছাত্রীয়ে উত্তীর্ণ হৈছে। অর্থনীতি, বুৰঞ্জী, সংস্কৃত, আৰবী আৰু ভূগোল বিষয়ত বিশ্ববিদ্যালয়ৰ ভিতৰত প্রথম শ্রেণীৰ প্রথম স্থান অধিকাৰ কৰিও আমাৰ গৌৰৱ আনিছে। প্রাক্ বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ পৰীক্ষাত সাধাৰণভাৱে উত্তীর্ণ হোৱাৰ হাৰ বিশ্ববিদ্যালয়ৰ উত্তীর্ণৰ হাৰতকৈ সদায়েই ওপৰত থাকে কাৰণে আমি গৌৰৱ অনুভৱ কৰোঁ।

নগাঁও জিলাত বিজ্ঞান শাখা থকা দ্বিতীয় এখন

মহাবিদ্যালয় আমাৰ এই অনুষ্ঠানটিতেই আৰম্ভ কৰিবলৈ নেৱানেপেৰা চেষ্টা চলাই অহা হৈছিল যদিও সি কাৰ্যত পৰিণত হোৱা নাছিল। অৱশেষত ১৯৭৮ চনৰ শিক্ষা বছৰত আমাৰ এই মহাবিদ্যালয়ত কেৱল স্নাতক মহলাতহে বিজ্ঞান শাখা খুলিবলৈ চৰকাৰে অনুমতি দিলে। সেই অনুসাৰে সেই বছৰ স্নাতক মহলাৰ বিজ্ঞান শাখা খোলা হ'ল। অৱশ্যে ১৯৭৯ চনত পুনৰ প্ৰাক্ বিশ্ববিদ্যালয় স্তৰতো খোলাৰ অনুমতি পাবলৈ আমি সমৰ্থ হ'লো। আগৰ গণিত আৰু ভূগোলৰ লগত নতুনকৈ ৰসায়ন, পদাৰ্থ বিজ্ঞান, উদ্ভিদ বিজ্ঞান খোলা হ'ল। সেইদৰেই প্ৰাক্ বিশ্ববিদ্যালয় স্তৰতো গণিত, ভূগোল, ৰসায়ন, পদাৰ্থ বিজ্ঞান আৰু প্ৰাণী বিজ্ঞানৰ বিষয় খোলা হ'ল। দিবা আৰু নৈশ— এই দুয়োটা বিভাগতে পাঠদান দিয়াৰ ব্যৱস্থা হ'ল। কিন্তু আৰম্ভণিৰ দিনৰে পৰাই নানা অনুনয় বিনয় কৰিয়ো ৰাজ্যিক চৰকাৰৰ দ্বাৰা এই বিজ্ঞান শাখাটো ঘাটি মঞ্জুৰী অৱস্থালৈ অনাব পৰা নাই। এই আহুকলীয়া পৰিস্থিতিৰ কাৰণে নিযুক্তি দিয়া অধ্যাপক/অধ্যাপিকাসকলক স্বাভাৱিক প্ৰাপ্য দৰমহা দিব পৰা নাই; বিজ্ঞান শাখাৰ পাঠদানৰ কাৰণে আৱশ্যকীয় ঘৰ সজাব পৰা নাই। আমাৰ ওচৰতে থকা নগাঁও আইন মহাবিদ্যালয়ৰ কৰ্তৃপক্ষই সেই মহাবিদ্যালয়ত দিনৰ বিজ্ঞান শাখাৰ পাঠদানৰ ঠাই দিয়াতহে আমি অসুবিধাৰ মাজেৰেই চলিবলৈ সমৰ্থ হৈছোঁ। আজিৰ এই শুভ মুহূৰ্তত, নগাঁও আইন মহাবিদ্যালয়ৰ গুণগ্ৰাহী কৰ্তৃপক্ষক মই আন্তৰিক কৃতজ্ঞতা জনাইছোঁ। যোৱা তিনি চাৰিটা বছৰত আমাৰ বিজ্ঞান শাখাৰ ছাত্ৰ-ছাত্ৰীয়ে বিশ্ববিদ্যালয়ৰ পৰীক্ষাত সুখ্যাতিৰে কৃতকাৰ্য হৈছে। এই বছৰৰ স্নাতক পৰীক্ষাত ভূগোলৰ সন্মানৰ পাঠ্যক্ৰমত এজনে ১ম শ্ৰেণীৰ চতুৰ্থ স্থান, এজনে গণিতত ২য় শ্ৰেণীৰ ১ম স্থান আৰু আন এগৰাকী ছাত্ৰীয়ে ডিষ্টিংচন সহ উত্তীৰ্ণ হোৱা ছাত্ৰ-ছাত্ৰীৰ তালিকত ১ম স্থান অধিকাৰ কৰি আমাৰ গৌৰৱ বঢ়াইছে।

খেলাধূলা, তৰ্ক প্ৰতিযোগিতা, সংগীত প্ৰতিযোগিতা আদি বিষয়তো আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে বিগত বছৰকেইটাত যথেষ্ট সুনাম অৰ্জন কৰি আহিছে। মহাবিদ্যালয়ৰ নিজাববীয়াকৈ এখন মুকলি খেল-পথাৰ নথকাৰ কাৰণে আমি সদায় এটি এৰিব নোৱাৰা আহুকালৰ সন্মুখীন হৈ আহিছো। তথাপি উদ্দীপনাৰ অভাৱ ঘটিছে বুলি ক'ব নোৱাৰো। গুৱাহাটী বিশ্ববিদ্যালয়ৰ স্পৰ্টচ বোৰ্ডৰ অনুৰোধক্ৰমে ১৯৬৫ চনত আমাৰ মহাবিদ্যালয়ে আন্তঃ মহাবিদ্যালয় ফুটবল প্ৰতিযোগিতা পৰিচালনা কৰে। ১৯৬৯ চনত গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া মহোৎসৱ আৰু ১৯৭২ চনত আন্তঃ কলেজ হকী প্ৰতিযোগিতা দক্ষতাৰে পৰিচালনা কৰে। ১৯৭৫ চনতো আমাৰ মহাবিদ্যালয়ে পুনৰ গুৱাহাটী বিশ্ববিদ্যালয়ৰ ক্ৰীড়া মহোৎসৱ সুচাৰুৰূপে পৰিচালনা কৰে আৰু এই সমাৰোহত আমাৰ মহাবিদ্যালয়ৰ দলটি শ্ৰেষ্ঠ দল ৰূপে পৰিগণিত হয়। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীয়ে ৰাজ্যিক স্পৰ্টচ বোৰ্ডৰ পৰা ৰাষ্ট্ৰীয় বৃত্তি পাবলৈকো সমৰ্থ হৈছে।

১৯৬৩ চনৰ পৰাই আমাৰ মহাবিদ্যালয়ত [illegible] বাহিনীৰ প্ৰশিক্ষণৰ সুবিধা দি অহা হৈছে। [illegible] উপাধ্যক্ষ শ্ৰীনাৰায়ণচন্দ্ৰ বৰ্মন আৰু তাৰ পাছত শি[illegible] মুৰব্বী অধ্যাপক শ্ৰীনৰেন্দ্ৰ নাথ শইকীয়াই প্ৰশিক্ষ[illegible] ৰাষ্ট্ৰীয় শিক্ষাৰ্থী বাহিনীৰ ভাৰপ্ৰাপ্ত শিক্ষক হিচাপে[illegible] আহিছে। ১৯৭৯ চনত উপাধ্যক্ষ শ্ৰীবৰ্মনে এই বি[illegible] অৱসৰ লোৱাত ভূগোল বিভাগৰ অধ্যাপক শ্ৰীখগে[illegible] প্ৰশিক্ষণ লৈ আহিছে। আমাৰ মহাবিদ্যালয়ত যিসকল[illegible] লৈছিল— তাৰ ভিতৰত বহুতেই ভাৰতীয় সেনা[illegible] আৰক্ষী বিভাগত আৰু অন্যান্য বৃত্তিত সোমাই পৰি[illegible] শৰ্মা নামৰ এজন ছাত্ৰই বৰ্তমান সেনাবাহিনীত মেজৰ [illegible] কৰি আছে। এই বাহিনীৰ বছেৰেকীয়া শিবিৰ বিলাক[illegible] ছাত্ৰই প্ৰতিযোগিতাসমূহত কৃতিত্ব দেখুৱাই আহিছে। [illegible] শিবিৰ বিলাকতো পাৰদৰ্শিতা অৰ্জন কৰিছে। ১৯৮১ চ[illegible] ট্ৰুপিং ক'ৰ্চত আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ শ্ৰীপাৰ্থপ্ৰতি[illegible] বিশেষ সুনাম অৰ্জন কৰে। ১৯৮২ চনৰ পৰ্বত আৰোহ[illegible] অংশ গ্ৰহণ কৰি প্ৰদীপ শইকীয়াই সৰ্বভাৰতীয় [illegible] কৰিছে। বৰ্তমান আমাৰ মহাবিদ্যালয়ত এটা ট্ৰুপে প্ৰশি[illegible]

১৯৭০ চনৰ পৰাই আমাৰ মহাবিদ্যালয়[illegible] সমাজ-সেৱা আঁচনিৰ অন্তৰ্ভুক্ত কৰা হয়। অসমৰ কেইখ[illegible] বছা মহাবিদ্যালয়ত এই আঁচনি প্ৰৱৰ্তন কৰা হৈছে। এ[illegible] অনুসৰি ৰাষ্ট্ৰীয় অনুদান লৈ বিভিন্ন পিছপৰা অঞ্চলত শি[illegible] ছাত্ৰ-ছাত্ৰীসকলে জনকল্যাণ কাৰ্যসমূহ সম্পাদন কৰে। [illegible] কুমাৰ ৰয়ৰ তত্ত্বাৱধানত এই বাহিনীটোৱে উল্লেখযোগ্য [illegible] কাম চলাই আহিছে। ১৯৭৩ চনত ডিফুত 'দুৰ্ভিক্ষৰ বিৰু[illegible] আঁচনিত বিশদিনীয়া শিবিৰ; ১৯৭৫ চনত ধিং অঞ্চল[illegible] গাঁৱত বিশদিনীয়া শিবিৰ, ১৯৭৬ চনত মৰিগাঁৱৰ আঠ[illegible] দহদিনীয়া শিবিৰ; ১৯৭৭ চনত নগাঁও পৌৰ সভা [illegible] দহদিনীয়া শিবিৰ; ১৯৭৮ চনত ৰহা দীঘলীআটি অঞ্চল[illegible] গাঁৱত দহদিনীয়া শিবিৰ; ১৯৮১ চনত পুৰণিগুদামত [illegible] শিবিৰ; ১৯৮২ চনত চহৰীয়া জনজাতীয় অঞ্চলত [illegible] শিবিৰ অনুষ্ঠিত হৈ যায়। এই বিভিন্ন শিবিৰসমূহত অসম[illegible] জনস্বাস্থ্য বিভাগ, বন বিভাগ, কৃষি আৰু মীন বিভাগ [illegible] সংযোগ আৰু প্ৰচাৰ বিভাগৰ সহায় সহযোগিতা সদায় [illegible] হৈছে। ইয়াৰ উপৰিও প্ৰতি বছৰত একাধিক সাধাৰণ শি[illegible] সমাজসেৱা আগবঢ়োৱা হয়। এই আঁচনিৰ জৰিয়তেই ১[illegible] পৰা 'প্ৰাপ্ত বয়স্কৰ সাক্ষৰতা অভিযান'ৰ কামো হাতত [illegible] নগাঁও জিলাৰ মুঠ ১১ টা কেন্দ্ৰত এই আঁচনিৰ যোগে[illegible] দান কৰি মুঠ ৩৩০ জন শিক্ষাৰ্থীক শিক্ষিত পৰ্যায়লৈ তু[illegible] পত্ৰ দিয়া হৈছে।

বৰ্তমান আমাৰ মহাবিদ্যালয়ত ছাত্ৰ-ছাত্ৰী[illegible] আপেক্ষিকভাৱে বৃদ্ধি হৈছে। ১৯৮৩ চনত মুঠ ২৪০৫ [illegible] ছাত্ৰী আছিল। তাৰে কলা বিভাগত—

প্রাক্-বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত

দিনত	৩২৬	জন
ৰাতি	৮৫	জন
মুঠ	**৪১১**	**জন**

প্রাক্-বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকত

দিনত	৩১৩	জন
ৰাতি	৮০	জন
মুঠ	**৩৯৩**	**জন**

স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত

দিনত	২৮০	জন
ৰাতি	১৮৯	জন
মুঠ	**৪৬৯**	**জন**

স্নাতক শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকত

দিনত	২৩৩	জন
ৰাতি	৬৫	জন
মুঠ	**২৯৮**	**জন**

কলা বিভাগৰ শ্ৰেণীসমূহত মুঠ ১৫৭১ জন ছাত্ৰ-ছাত্ৰী ছে।

বিজ্ঞান বিভাগত —

প্রাক্-বিশ্ববিদ্যালয়ৰ প্ৰথম বাৰ্ষিকত

দিনত	১৩২	জন
ৰাতি	১১৮	জন
মুঠ	**২৫০**	**জন**

প্রাক্-বিশ্ববিদ্যালয়ৰ দ্বিতীয় বাৰ্ষিকত

দিনত	১৫০	জন
ৰাতি	৬১	জন
মুঠ	**২১১**	**জন**

স্নাতক শ্ৰেণীৰ প্ৰথম বাৰ্ষিকত

দিনত	১১৬	জন
ৰাতি	১০৫	জন
মুঠ	**২২১**	**জন**

স্নাতক শ্ৰেণীৰ দ্বিতীয় বাৰ্ষিকত

দিনত	৮১	জন
ৰাতি	৭১	জন
মুঠ	**১৫২**	**জন**

বিজ্ঞান বিভাগৰ শ্ৰেণীসমূহত মুঠ ৮৩৪ জন ছাত্ৰ-ছাত্ৰী াছে। এই দুয়োটা বিভাগতে নাম ভৰ্তিকৰণৰ কাৰণে আৱেদন ৰা ভালেমান ছাত্ৰ-ছাত্ৰীক আমি সুবিধা দিবলৈ অপাৰগ হোৱা ণৰণে আমি দুখিত।

বৰ্তমান আমাৰ মহাবিদ্যালয়ৰ কলা বিভাগত মুঠ পান্ধৰটা বিষয়ত পাঠদান কৰা হয়। তাৰে ৯টা বিষয়ত সন্মানৰ াঠ্যক্ৰম আছে। সেইদৰে বিজ্ঞান বিভাগতো মুঠ ১০টা বিষয়ত াঠদান কৰা হয়। তাৰে দুটা বিষয়ত সন্মানৰ পাঠ্যক্ৰম আছে। অধ্যক্ষকে ধৰি এতিয়া আমাৰ মহাবিদ্যালয়ত মুঠ ৬১ গৰাকী অধ্যাপক/অধ্যাপিকা আছে। তাৰ ভিতৰত ৪৫ জনৰহে চৰকাৰী অর্থ-অনুমোদন পোৱা হয়। ১৫ জনৰ দৰমহা মহাবিদ্যালয়ৰ নিজা পুঁজিৰ পৰাই বহন কৰিব লাগে। আন এগৰাকী অংশকালীন অধ্যাপিকাৰ দৰমহাও নিজা পুঁজিৰ পৰাই দিব লগা হয়। এইদৰে মহাবিদ্যালয়ৰ আর্থিক দিশটোৱে আমাক স্বাভাৱিক অগ্ৰগতিত বাধা দি আহিছে।

আজি এই খিনিতে মই স্বীকাৰ কৰোঁ যে আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকলক উচ্চ শিক্ষানুষ্ঠানৰ অত্যাৱশ্যকীয় সা-সুবিধাখিনিৰ যোগান আমি ধৰিব পৰা নাই। যি সামান্যভাৱে আগবঢ়োৱা হৈছে, আঢ়ৈ হাজাৰ ছাত্ৰ-ছাত্ৰীৰ অনুষ্ঠান এটাত সি নিচেই সামান্য। মই আশা ৰাখিছোঁ যে আমাৰ ছাত্ৰ-ছাত্ৰীসকলে ধৈর্য আৰু উদ্যম নেহেৰুৱাই আমাৰ অৱস্থাৰ লগত সহযোগিতাৰে আগবাঢ়িলে আমি আগু�ৱাই যাব পাৰিম। আমাৰ শিক্ষকসকলকো দিবলগীয়া সা-সুবিধাখিনি আমি দিব পৰা নাই। তেখেতসকলেও অৱস্থাৰ গুৰুত্ব বুজি অভাৱ-অনাটনলৈ আওকাণ কৰি, ছাত্ৰ-ছাত্ৰীক পাঠদানৰ মূল বিষয়টোৰ প্ৰতি সদা সতর্ক হৈ থকাৰ কাৰণে মই আন্তৰিকতাৰে তেখেতসকলৰ শলাগ লৈছোঁ।

আজিৰ এই ৰূপালী জয়ন্তী উৎসৱৰ দিনত, আমাৰ এই মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰাই জড়িত হৈ থকা পৰলোকগত ব্যক্তিসকলক পৰম শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। তেখেতসকলৰ আদর্শ আৰু আশিসবাণী আমাৰ জীৱনৰ চিৰকালেই পথ প্ৰদর্শক হৈ ৰ'ব। ব্যক্তিগতভাৱে কৃতজ্ঞতা জনাবলৈ অপাৰগ হৈ, আজি এই শুভক্ষণতে আমাৰ মহাবিদ্যালয়ৰ লগত প্ৰত্যক্ষ বা পৰোক্ষভাৱে জড়িত সকলো শুভাকাঙ্ক্ষীলৈ মোৰ আন্তৰিক অভিনন্দন জনাইছোঁ। এই সুদীর্ঘ পঁচিশ বছৰ কালছোৱাত এই মহাবিদ্যালয়ত শিক্ষা গ্ৰহণ কৰি যোৱা সকলো প্ৰাক্তন ছাত্ৰ-ছাত্ৰীলৈ মই হিয়াভৰা ওলগনি জনাইছোঁ। সেই সকল ব্যক্তিলৈ মোৰ এটি সবিনয় অনুৰোধ যে তেখেতসকলে এই মহাবিদ্যালয়খনিলৈ সদায় চেনেহৰ দৃষ্টিৰে চায় আৰু দিহা-পৰামর্শৰ সহযোগিতাৰে আমাৰ অগ্ৰগতিত সহায় কৰে।

আমাৰ মহাবিদ্যালয়ৰ পৰা অৱসৰ লোৱা বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক স্বর্গীয় কন্দর্পদেৱ গোস্বামী আৰু আৰবী বিভাগৰ মুৰব্বী অধ্যাপক স্বর্গীয় আবু নছৰ ৰাহেদলৈ আজিৰ এই ৰূপালী জয়ন্তী উৎসৱত আমি শ্ৰদ্ধাৰে সুঁৱৰিছোঁ।

নৱাগত আদৰণী উৎসৱটিও একেলগে উদ্‌যাপিত হৈছে যেতিয়া এই বছৰত প্রাক্-বিশ্ববিদ্যালয় আৰু স্নাতক মহলাৰ প্ৰথম বাৰ্ষিকৰ ছাত্ৰ-ছাত্ৰীসকললৈ মই আন্তৰিকতাৰে আদৰণি জনাইছোঁ। তেখেতসকলে উচ্চ শিক্ষাৰ এটি উজ্জ্বল আশা লৈ ইয়ালৈ আহিছে আৰু সেই উদ্দেশ্য পৰিপূৰণৰ কাৰণে মই কামনা কৰিছোঁ। আমাৰ মহাবিদ্যালয়ৰ পূর্বৰ সন্মানৰ আৰু অধিক শ্ৰীবৃদ্ধি আনিব বুলি আমি আশান্বিত হৈছোঁ। সমাজ জীৱনৰ প্ৰতিযোগিতাত নিজকে প্ৰতিষ্ঠিত কৰিবলৈ সকলো ছাত্ৰ-ছাত্ৰীকে

আহ্বান জনাইছোঁ। মহাভাৰতত কৰ্ণই কোৱাৰ দৰেই 'দৈবায়ত্তং কুলে ম্কুলে জন্ম মদায়ত্তং তু পৌৰুষম্' অৰ্থাৎ দৈব শক্তিৰ অধীনৰ আমি যি কোনো জাতি বা ধৰ্মতেই জন্ম গ্ৰহণ নকৰো লাগিলে, মানৱীয় পুৰুষালি আমি নিজেহে আয়ত্ব কৰিব পাৰিম। জাতি, ধৰ্ম, ধনী-দুখীয়াৰ প্ৰভেদ পৰিহাৰ কৰিবলৈ শিকি প্ৰেম আৰু একতাৰ শক্তিৰে সকলো ছাত্ৰ-ছাত্ৰীয়ে উন্নতিৰ পথত অগ্ৰসৰ হ'ব বুলি বাঞ্ছা কৰিছোঁ।

ঊনবিংশ শতিকাৰ প্ৰথমাৰ্দ্ধৰ সৰ্বশ্ৰেষ্ঠ অসমীয়া পুৰুষসিংহ স্বনামধন্য আনন্দৰাম ঢেকিয়াল ফুকনৰ নামত আৰু আদৰ্শত আমাৰ এই মহাবিদ্যালয়খনি উৎসৰ্গা কৰা হৈছে। মহাবিদ্যালয়খনিৰ নামটিৰ লগতে সমগ্ৰ অসমীয়াৰ এটি আবেগিক সহানুভূতিৰ সংযোগ আছে। পুৰণি অসমৰ এটি সম্ভ্ৰান্ত পৰিয়ালত জন্ম গ্ৰহণ কৰি উপযুক্ত শিক্ষা অৰ্হতাৰে মিছনেৰীসকলৰ সহযোগিতাত ঊনবিংশ শতিকাৰ আগভাগত অসমৰ ঐতিহ্যপূৰ্ণ ভাষা-সংস্কৃতিৰ ওপৰত বঙালীসকলৰ অবাঞ্ছনীয় আধিপত্য উফৰাবলৈ চেষ্টা কৰোতা তেৱেঁই আছিল প্ৰথম আৰু শ্ৰেষ্ঠ অসমীয়া লোক। তেওঁৰ অদমনীয় সাহস, শ্ৰেষ্ঠ ব্যক্তিত্ব, গভীৰ পাণ্ডিত্য, কৰ্মময় জীৱন, জাতীয়তাবোধ, অসমীয়াভাষা-সাহিত্যৰ গভীৰ অনুৰাগে তেওঁক এজন অগ্ৰণী ভাৰতীয় তথা সৰ্বশ্ৰেষ্ঠ অসমীয়া হিচাপে গঢ়ি তুলিছিল। তেওঁৰ একেবাৰে চমু জীৱনৰ কার্যকালে আজিৰ অসমীয়াক সঞ্জীৱিত কৰি ৰাখিছে মহান পুৰুষৰ আদৰ্শ যাতে প্ৰত্যেক ছাত্ৰ-ছাত্ৰীয়ে হ সৎ আদৰ্শ আৰু মহৎ কৰ্মেৰে গৌৰৱ অৰ্জন কৰিব পা কাৰণে সদায় জাগ্ৰত থকা উচিত। এই মহাবিদ্যালয়ৰ গৌৰৱপূৰ্ণ ঐতিহ্য যাতে ভবিষ্যতৰ ছাত্ৰ-ছাত্ৰীৰ তথা আদৰ্শৰ, প্ৰেৰণাৰ উৎস হয়, তাৰ কাৰণে যত্নবান হ'ব ৰাখিলোঁ।

সদৌ শেষত, আপোনালোকক আদৰ-অভ্য নানা ত্ৰুটি-বিচ্যুতিৰ কাৰণে ক্ষমা প্ৰাৰ্থনা বিচাৰিছোঁ। ঢেকিয়াল ফুকনৰ আদৰ্শ আৰু সপোনৰ বাস্তৱ ৰূপ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ গৌৰৱোজ্জ্ব কামনা কৰি মোৰ প্ৰতিবেদন সামৰিলোঁ। নমস্কাৰ।

ইতি —

ৰাইজৰ আশীৰ্বাদ প্ৰাৰ্থী

মোঃ আব্দুল হাই

অধ্যক্ষ আৰু মহাবিদ্যালয় পৰিচালনা সমিতিৰ সম্পাদক। ❑

লেখাটো মহাবিদ্যালয়ৰ ৰূপালী জয়ন্তী উৎসৱৰ পৰা পুনর্মুদ্রণ কৰা হৈছে।— সম্পাদক

"মাতৃদেৱো ভৱ।
পিতৃদেৱো ভৱ।
আচার্যদেৱো ভৱ।
অতিথিদেৱো ভৱ।
য়ান্যনৱদ্যানি কর্মাণি তানি সেৱিতব্যানি,
নো ইতৰানি।"

—তৈত্তিৰীয়োপনিষৎ

ক্‌লেজৰ স্বৰ্ণ জয়ন্তীত 'নাক'ৰ কথা মনত পৰে

গেন চন্দ্ৰ নাথ

এডিপি কলেজ ১৯৫৯ চনৰ ৭ ছেপ্টেম্বৰত প্ৰতিষ্ঠা হয়। বৰ্তমান কলেজৰ সোণালী জয়ন্তী সমাৰোহ চলি আছে। মই এই কলেজত ১৯৬৭ চনত শিক্ষকতা আৰম্ভ কৰি ২০০৫ চনত অৱসৰ গ্ৰহণ কৰিছোঁ। ছয়ত্ৰিশ বছৰৰ অধিক কাল এই অনুষ্ঠান লগত জড়িত হৈ আছিলোঁ। এই সুদীৰ্ঘ কালছোৱাত কলেজৰ বহুত স্মৃতি মনত পুঞ্জীভূত হৈ আছে। ভাৰপ্ৰাপ্ত অধ্যক্ষ হৈ থকা দুই বছৰৰ ভিতৰত 'নাক' (NAAC) Peer Team আমাৰ কলেজলৈ অহাৰ স্মৃতি সেউজীয়া হৈ আছে। তাৰে কিছু উল্লেখ কৰিছোঁ।

'নাক' (NAAC) অৰ্থাৎ National Assessment and Accreditation Council (ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ) UGC ৰ এটা স্বতন্ত্ৰ অনুষ্ঠান। ইয়াৰ মুখ্য কাৰ্যালয় বাঙ্গালোৰত অৱস্থিত। এই সংস্থাটো ১৯৯৪ চনত আৰম্ভ হয়।

'নাক'ৰ Peer Team য়ে ভাৰতৰ উচ্চ শিক্ষাৰ অনুষ্ঠানসমূহ পৰিদৰ্শন কৰি প্ৰত্যায়ন আৰু মূল্যায়নৰ জৰিয়তে গ্ৰেড প্ৰদান কৰে। ইয়াৰ দ্বাৰা UGC কৰ্তৃপক্ষৰ Affitiated কলেজসমূহলৈ অনুদান দিয়াৰ সুবিধা হয়।

'নাক'ৰ উদ্দেশ্য হ'ল উচ্চ শিক্ষাৰ মান উন্নত কৰা। বিশেষকৈ ছাত্ৰ-ছাত্ৰী, শিক্ষক-শিক্ষয়িত্ৰী, কলেজ কৰ্মচাৰী, কলেজ কৰ্তৃপক্ষ, ধন যোগান ধৰা সংস্থা, অভিভাৱক, সমাজখন আৰু অন্যান্য হিতাকাঙ্ক্ষীসকলক উপকৃত কৰা। উচ্চ শিক্ষাৰ মান উন্নত হোৱা মানে ৰাজ্যখন বা দেশৰ উন্নতি হোৱা।

২০০৩-২০০৪ বছৰ দুটা এডিপি কলেজৰ বুৰঞ্জীৰ এটা সোণালী অধ্যায়। এই সময়ছোৱাত NAACক আমাৰ কলেজলৈ আমন্ত্ৰণ কৰা হয়। সেই সুযোগতে কলেজৰ বাহ্যিক আৰু আভ্যন্তৰীণ বহুতো দিশৰ উন্নতি সাধন কৰা হয়। বিশেষ নিৰ্বাচিত প্ৰৱক্তাৰ জৰিয়তে Self Study Report প্ৰস্তুত কৰি Reportৰ সুবৃহৎ পাঁচটা Volume NAAC ৰ মুখ্য কাৰ্যালয়ত জমা দিয়া হয়। Self Study Report পৰীক্ষাৰ পিচত ২০০৪ ৰ ছেপ্টম্বৰ মাহৰ শেষৰ ফালে Peer Team অৰ্থাৎ তিনিজন Expert আমাৰ কলেজ পৰিদৰ্শন কৰিবলৈ আহে আৰু দুদিন ধৰি দিনে-নিশাই কলেজ পৰিদৰ্শন কৰি বাঙ্গালোৰত ইয়াৰ Report দাখিল কৰে। নৱেম্বৰ মাহত NAACৰ ফালৰ পৰা আমাৰ কলেজক 'B' গ্ৰেড (অৰ্থাৎ ৭৫%) প্ৰদান কৰে।

'নাক'ৰ Peer Teamৰ লগত মুখামুখি হ'বলৈ অধ্যক্ষ প্ৰমুখ্যে শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী, কাৰ্যালয়ৰ সমূহ কৰ্মচাৰী, প্ৰাক্তন ছাত্ৰ-ছাত্ৰী, ওচৰ-চুবুৰীয়া ৰাইজ, কলেজ পৰিচালনা সমিতিৰ সদস্যসকলে দিনে-নিশাই কষ্ট কৰিব লগা হৈছিল।

Peer Teamৰ বিচাৰত কোনো কোনো ক্ষেত্ৰত কিছু ঘাটি থকাৰ বাবে আমাৰ কলেজ A গ্ৰেড প্ৰাপ্ত নহ'ল। কিন্তু বৰ্তমানৰ অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদৰ তত্বাৱধানত কলেজখন দ্ৰুত গতিত আগবাঢ়িছে। স্বৰ্ণজয়ন্তীৰ এই সময়ছোৱাত কলেজখন চাৰি বছৰৰ আগৰ কলেজতকৈ বহুত উন্নত।

NAAC য়ে পৰিদৰ্শন কৰিবলৈ অহাৰ আগতে আমি কেনেকৈ সাজু হৈছিলো সেই বিষয়ে কিছু

কথা উল্লেখ কৰো। NAAC য়ে পৰিদৰ্শন কৰিবলগীয়া কামসমূহ পৰিচালনা কৰিবলৈ এখন Core Committee গঠন কৰা হৈছিল আৰু কলেজ পৰিচালনা সমিতিয়ে ইয়াত অনুমোদন জনাইছিল। Core Committeeৰ তলত বহুতো Sub-Committee গঠন কৰা হৈছিল। কলেজৰ সকলো শিক্ষক-শিক্ষয়িত্রী, কৰ্মচাৰী, ছাত্ৰ-ছাত্রী প্রতিনিধিক ইয়াত সামৰি লোৱা হৈছিল। এই সমিতি সমূহে কলেজৰ শৈক্ষিক-আৱয়বিক পৰিৱেশ উন্নত কৰিবলৈ দিনে-নিশাই কাম কৰিছিল। কলেজত Alumni Association গঠন কৰা হৈছিল। বিশিষ্ট প্রাক্তন ছাত্ৰ-ছাত্রীসকলে ইয়াত যোগদান কৰিছিল। তেওঁলোকৰ উদ্যোগত কলেজৰ মুখ্য প্রৱেশ-দ্বাৰ (দাতা— আনোৱাৰ হুচেইন, বিধায়ক পিতৃ প্রয়াত আবুল কাছেমৰ সোঁৱৰণত) নির্মাণ কৰা হয়। এই সময়তে কলেজ Building ৰ মেৰামতি, বংদিয়া, কলেজ কম্পাউণ্ডত মাটি ভৰোৱা, বাগিছা নির্মাণ, কেন্টিনৰ উন্নতিকৰণ, কলেজৰ Master Plan অংকন, বিজ্ঞানাগাৰ সমূহৰ উন্নতি সাধন আদি কলেজৰ আবয়ৱিক উন্নতিৰ কাম কৰিবলগীয়া হয়। তাৰোপৰি শিক্ষক-ছাত্রৰ বাবে বহুতো চেমিনাৰ, সভা আয়োজন কৰিব লগা হয়। কলেজৰ খেলা-ধূলাৰ উন্নতিৰ বাবে খেলাৰ আহিলা আৰু খেল-পথাৰৰ উন্নতি সধা হয়। এই সময়তে কলেজ চৌহদত বেডমিন্টন, ভ'লি আৰু এখন উন্নতমানৰ বাস্কেটবল ক'ৰ্ট নির্মাণ কৰা হয়। কলেজত Computer শিক্ষাৰ পাতনি মেলা হয়, C-DAC-ৰ সহযোগত। কলেজত মেডিকেল আৰু অ'মেন চেলৰ সূচনা কৰা হয়। ছাত্ৰ-ছাত্রীৰ খোৱা পানীৰ সুবিধাৰ বাবে ব্যৱস্থা কৰা হয়। শিক্ষকৰ জিৰণি কোঠাত সুকীয়া বিভাগীয় পুথিভঁৰালৰ আহিলাপাতি যোগান ধৰা হয়। এই কামবোৰ সমিতিৰ সদস্যসকলে সুচাৰুৰূপে চলায়।

Core Committeeৰ আটাইতকৈ গুৰু NAAC ৰ বাবে Self study Report NAACৰ Manual ৰ নির্দেশনা মতে ৰি ordinator-এ অধ্যক্ষৰ হৈ Self study Re তলৰ বিষয়সমূহৰ ওপৰত প্রস্তুত কৰে।

1. Curricular Aspects
2. Teaching - learning and ev
3. Research, Consultancy and
4. Infrastructure and learning
5. Student support and progr
6. Organisation and Manage
7. Healthy Practices

S.S.R. প্রস্তুত কৰা কার্য অতি কষ্টসাধ্য। এ কাম কলেজৰ সকলোৰে সহযোগত সম্পূর্ণ কৰে ইয়া অধ্যাপক শ্রীপদ্মকান্ত শর্মা, পদার্থ বিভাগৰ অধ্যা শ্রীকৈলাস চন্দ্র দাস আৰু শ্রীদেৱজিৎ শর্মাই। তেখেত বাবে ধন্যবাদৰ পাত্র।

কলেজ পৰিচালনা সমিতিৰ সক্রিয় সহযো 'নাক'ৰ দৰে মর্যাদাসম্পন্ন সংস্থাক আমাৰ কলেজলৈ অনা সম্ভৱ নহয়। সভাপতি প্রমুখ্যে কলেজ পৰিচা সদস্য সকললৈ আমাৰ কৃতজ্ঞতা থাকিল।

সুদৃশ্য চৌহদৰে এডিপি কলেজ বর্তমান অ প্রথম শ্রেণীৰ কলেজ। এই কলেজৰ উজ্জ্বল ভৱি কৰো। ❑

স্বাধ্যায়প্রৱচনাভ্যাং ন প্রমদিতৱ্যম্।

—তৈত্তিৰীয়োপনিষৎ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনী (N.C.C.)

খগেন্দ্ৰ মহেলা

১৯৪৮ চনত সংসদৰ বিশেষ অধিবেশনৰ সিদ্ধান্ত অনুসৰি দেশৰ যুৱ শক্তিক সু-সংগঠিত কৰাৰ উদ্দেশ্যে ভাৰতবৰ্ষত ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনীৰ সূচনা কৰা হয় যদিও ১৯৬২চনৰ চীনা আক্ৰমণৰ পিছতহে সমগ্ৰ ভাৰতবৰ্ষ তথা অসমৰ বিভিন্ন শিক্ষানুষ্ঠানত ব্যাপক হাৰত ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনীক সহ-পাঠ্যক্ৰম হিচাপে অন্তৰ্ভুক্ত কৰাৰ অভিযান আৰম্ভ হয়।

ঘোষিত লক্ষ্য আৰু উদ্দেশ্যৰ সফল ৰূপায়ণৰ বাবে আমাৰ মহাবিদ্যালয়ৰ তদানীন্তন উপাধ্যক্ষ (পাছলৈ অধ্যক্ষ) ড° নাৰায়ণ চন্দ্ৰ বৰ্মনক Pre-Commission Training সম্পন্ন কৰাই তেখেতৰ তত্ত্বাৱধানত ১৯৬৩ চনত ২০০ জন ছাত্ৰ কেডেটক লৈ ৮ম অসম ৰাষ্ট্ৰীয় শিক্ষার্থী বাহিনীৰ অধীনত মহাবিদ্যালয়ত এটা Company খোলা হয়। ক্ৰমাগতভাৱে কেডেটৰ সংখ্যা বৃদ্ধিত আৰু এজন বিষয়াৰ প্ৰয়োজন হোৱাত শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক নৰেন্দ্ৰ নাথ শইকীয়াকো Pre-Commission Training সম্পন্ন কৰাই মহাবিদ্যালয়ৰ অংশকালীন NCC বিষয়া হিচাপে নিয়োজিত কৰা হয়। ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক ৰবীন্দ্ৰ চন্দ্ৰ বৰায়ো অন্তৰ্তীকালীন NCC বিষয়া হিচাপে কার্যভাৰ চলায়। উপৰোক্ত কৰ্মকর্তাসকলে NCC বিষয়া হিচাপে অৱসৰ গ্ৰহণ কৰাৰ পিছত ভূগোল বিভাগৰ বর্তমানৰ মুৰব্বী অধ্যাপক খগেন্দ্ৰ মহেলাই Pre-Commission Training সম্পন্ন কৰি ১৯৮১ চনৰ পৰা মহাবিদ্যালয়ৰ NCC বিষয়া হিচাপে কৃতকার্যতাৰে কার্যভাৰ চলাই আহিছে।

মহাবিদ্যালয়ৰ NCC কেডেটসকলৰ বিভিন্ন দিশৰ সফলতা উল্লেখনীয়। উল্লেখ্য, NCC বিষয়া ড° নাৰায়ণ চন্দ্ৰ বৰ্মনৰ কার্যকালতেই মহাবিদ্যালয়ৰ NCC কেডেট কৃষ্ণ শর্মাই দার্জিলিঙস্থিত Jawaharlal Nehru Mountaineering Instituteৰ তত্ত্বাৱধানত অনুষ্ঠিত 42-Basic Mountaineering Instituteত অংশগ্ৰহণ কৰি, Field Director এভাৰেষ্ট বিজয়ী টেনজিং নর্কেৰ অধীনত চিকিমৰ টেৰিকিয়াং নামৰ Base Campত পাহাৰ, বৰফ বগোৱা অভিযানত বিশেষ কৃতকার্যতা লাভ কৰিবলৈ সক্ষম হয়। কেডেট শর্মাই পৰৱর্তীকালত সামৰিক বাহিনীত Commissioned বিষয়া হিচাপে যোগদান কৰি Major পদলৈকে পদোন্নতি লাভ কৰি অৱসৰ গ্ৰহণ কৰে। মহাবিদ্যালয়ৰ Cadet সকলৰ ভিতৰত NCC-'C' চার্টিফিকেট পাছ কৰি সামৰিক বিষয়া, অর্ধ সামৰিক বিষয়া, আৰক্ষী বিষয়া আৰু অন্যান্য বিভাগত নিয়োজিত হোৱাৰ উদাহৰণ অলেখ।

বর্তমান মহাবিদ্যালয়ত NCC কেডেটৰ সংখ্যা ১০০জন। বিগত তিনি বছৰৰ পৰা ৩৩% ছোৱালী কেডেট ভর্তি কৰোৱাৰ প্ৰক্ৰিয়া চলি আছে। ছাত্ৰ কেডেটৰ দৰে ছাত্ৰী কেডেটৰ পাৰদর্শিতাও কেনো গুণে কম নহয়। সময়ে সময়ে অনুষ্ঠিত হৈ থকা Annual Training Camp, Basic Leadership Camp, Social service Camp, Republic Day Camp আদি বিভিন্ন কেম্পত আমাৰ মহাবিদ্যালয়ৰ কেডেটসকলে পাৰদর্শিতা অর্জন কৰি আহিছে। ❑

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ঃ ৰাষ্ট্ৰীয় সেৱা যোজনা গোট

দেৱপ্ৰসাদ হাজৰিকা

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ১৯৭০ চনতে ৰাষ্ট্ৰীয় সেৱা যোজনা (N Service Scheme– N.S.S.)ৰ এটি গোট (unit) প্ৰৱৰ্তন কৰা হয়। এই যোজনা অনুসৰি, ৰাষ্ট্ৰীয় দ্বাৰা একোজন অধ্যাপক (যোজনা-বিষয়া)ৰ তত্ত্বাৱধানত ছাত্ৰ-ছাত্ৰীসকলে বিভিন্ন জনকল্যাণমূ সম্পাদন কৰে।

আমাৰ মহাবিদ্যালয়ৰ ৰাষ্ট্ৰীয় সেৱা যোজনা গোটৰ প্ৰথমজন যোজনা-বিষয়া আছিল ড° মলয় ৰয় আৰু দ্বিতীয়জন অধ্যাপক শ্ৰীকুশ ৰাম শইকীয়া। ১৯৯৪ চনৰ শেষৰ ফালৰ পৰা অধ্যক্ষ ড° নাৰায়ণ চন্দ্ৰ বৰ্মনৰ নিযুক্তি-মৰ্মে মই যোজনা-বিষয়া হিচাপে কাৰ্য-নিৰ্বাহ কৰি আহিছোঁ। যোজনা-বিষয়াক বিশেষভাৱে প্ৰশিক্ষণ দিয়া হয়। মই খড়গপুৰ আই. আই. টি., নৱেন্দ্ৰপুৰৰ ৰামকৃষ্ণ আৰু অসম কৃষি বিশ্ববিদ্যালয়ত বিশেষ প্ৰশিক্ষণ গ্ৰহণ কৰিছো।

আমাৰ মহাবিদ্যালয়ত এখন পাঁচজনীয়া সমিতিৰ পৰামৰ্শমতে ৰাষ্ট্ৰীয় সেৱা যোজনা কাৰ্যক্ৰম ৰূপায়ণ কৰা হয়। এই সমিতিত অধ্যক্ষ, উপাধ্যক্ষ, যোজনা-বিষয়া, এজন জ্যেষ্ঠ অধ্যাপক কাৰ্যালয়ৰ মুখ্য সহায়ক থাকে। প্ৰতি বছৰে মহাবিদ্যালয়ৰ ইচ্ছুক ছাত্ৰ-ছাত্ৰীৰে সেৱক-সেৱিকা মনোনীত কৰা হয়। দুজন শ্ৰেষ্ঠ সেৱক-সেৱিকাক কলেজ-সপ্তাহ-সমাৰোহত মানপত্ৰ আৰু পুৰস্কাৰ দিয়া হয়।

আমাৰ পূৰ্ববৰ্তী যোজনা-বিষয়া দুগৰাকীৰ কাৰ্যকালত মহাবিদ্যালয় গোটে অবিভক্ত নগাঁও বিভিন্ন স্থানত শিবিৰ পাতি পিছপৰা অঞ্চলৰ ৰাইজলৈ সেৱা আগবঢ়াই গৈছে। আমাৰ দিনতো সেৱা যোজনা গোটে বিভিন্ন কাৰ্যসূচী ৰূপায়ণেৰে সুনাম আৰ্জিবলৈ সক্ষম হৈছো। চাপৰৰ মহাবিদ্যালয়, গুৱাহাটীৰ কে. আৰ্. বি. গাৰ্লছ মহাবিদ্যালয় আৰু মৰিগাঁও মহাবিদ্যালয়ে পতা শিবিৰত অংশ লৈ আমাৰ মহাবিদ্যালয় গোটে সুনাম আৰ্জিছে। নগাঁও জিলাৰ 'জলময়' গাঁৱত প্ৰাথ শিক্ষাৰ শিবিৰ পাতি বিশেষ সমাদৰ পোৱা হয়।

প্ৰতিবছৰে মহাবিদ্যালয়তো দুই-তিনিটা শিবিৰ পাতি চৌহদ আৰু শ্ৰেণীকোঠাসমূহ চাফ হয়। বৃক্ষৰোপণ কৰা হয়। মাজে-সময়ে সেৱক-সেৱিকাসকলে ৰক্তদান কৰিয়ো বহু ৰোগীৰ উপকাৰ অধ্যক্ষ নৱেন্দ্ৰ নাথ শইকীয়াৰ দিনত এইডছ্ প্ৰতিৰোধৰ বিষয়ে এটি শিবিৰ পতা হৈছিল। বৰ্তমানৰ ড° ছৰিফ উদ্দিন আহমেদ তাত ওতপ্ৰোতভাৱে জড়িত আছিল।

জয়তু ৰাষ্ট্ৰীয় সেৱা যোজনা।
জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় গোট। ❑

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ঃ গান্ধী-অধ্যয়ন কেন্দ্ৰ

গীতাদেৱী ভট্টাচার্য

অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদৰ প্ৰচেষ্টাৰ ফলত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত বিশ্ববিদ্যালয় মঞ্জুৰী আয়োগৰ পৃষ্ঠপোষকতাত 'গান্ধী-অধ্যয়ন কেন্দ্ৰ' (Gandhian Study Centre) স্থাপন কৰা হয়। পৰিচালনা সমিতিৰ সদস্য প্ৰয়াত শ্বাহ আলম ডাঙৰীয়াই ০৪/০২/২০০৮ তাৰিখে কেন্দ্ৰটো মুকলি কৰে। গান্ধীজীৰ ৰচনা-সমগ্ৰ আৰু গান্ধী সম্পৰ্কীয় বিভিন্ন গ্ৰন্থ ইতিমধ্যে কেন্দ্ৰটোৱে লাভ কৰিছে।

গান্ধী অধ্যয়ন কেন্দ্ৰৰ উদ্যোগত মহাবিদ্যালয়ৰ ভিতৰে-বাহিৰে বিভিন্ন কার্যসূচী ৰূপায়ণ কৰা হয়। প্ৰথম কার্যসূচী দক্ষিণ হয়ৱৰগাঁৱৰ 'সেউজ বিবাহ-ভৱন'ত ৰূপায়ণ কৰা হয়— মহাবিদ্যালয়ৰ মহিলা সমতা ছ'ছাইটিৰ সহযোগত (২৫/৩/২০০৮)। তাত গান্ধীজীৰ শিক্ষা, গান্ধীজী আৰু নাৰী সম্পৰ্কে আলোচনা কৰা হয়। সভাপতিত্ব কৰে অধ্যাপিকা গীতিমল্লিকা শইকীয়াই। আলোচক হিচাপে ভাগ লয়— অধ্যাপিকা ৰত্নমালা ৰাজখোৱা, গীতাদেৱী ভট্টাচার্য আৰু সবিতা দেৱীয়ে। সভাৰ শেষত 'লগে ৰহো মুন্নাভাই' চিনেমাখন প্ৰদর্শন কৰা হয়। লগতে লঘু আহাৰ বিতৰণ কৰা হয়।

দ্বিতীয়টো কার্যসূচী নগাঁও ৰাজ্যিক নাৰী গৃহত ৰূপায়ণ কৰা হয় (২৯/৩/২০০৮)। "গান্ধীজীৰ নীতিশিক্ষা আৰু যুৱ প্ৰজন্মৰ বাবে ইয়াৰ প্ৰাসঙ্গিকতা" বিষয়ক আলোচনাত সভাপতিত্ব কৰে নাৰী-গৃহৰ অধীক্ষিকাই। আলোচনাত ভাগ লয় অধ্যাপিকা গীতিমল্লিকা শইকীয়া, অধ্যাপক কৈলাস চন্দ্ৰ দাস আৰু অধ্যাপিকা অর্পণা তামুলীয়ে। সভাৰ শেষত 'লগে ৰহো মুন্নাভাই' চিনেমাখন দেখুওৱা হয়। লগতে গুৰু আহাৰেৰে সকলোকে আপ্যায়ন কৰা হয়।

তৃতীয়টো কার্যসূচী নগাঁও কেন্দ্ৰীয় জিলা কাৰাগাৰত ৰূপায়ণ কৰা হয় (৩০/৩/২০০৮)। 'গান্ধীজী আৰু অহিংসা' বিষয়ক আলোচনা সভাত সভাপতিত্ব কৰে কাৰাগাৰৰ অধীক্ষক মহোদয়ে। আলোচনাত ভাগ লয়— অধ্যাপক ড° আবু হানিফা, অধ্যাপিকা ৰত্নমালা ৰাজখোৱা আৰু গীতাদেৱী ভট্টাচার্যই। কাৰাগাৰৰ কয়দীসকলেও এই সভাত পূর্ণভাৱে সহযোগ কৰে। সভাৰ শেষত 'লগে ৰহো মুন্নাভাই' চিনেমাখন দেখুওৱা হয় আৰু লঘু আহাৰ বিতৰণ কৰা হয়।

চতুর্থ কার্যসূচী ৰূপায়ণ কৰা হয় আমাৰ মহাবিদ্যালয়ত (৬/৪/২০০৮)। 'গান্ধী আৰু আন্তর্জাতিক শান্তি' বিষয়ক মূল বক্তৃতা প্ৰদান কৰে বিশিষ্ট অৱসৰপ্ৰাপ্ত দর্শনৰ অধ্যাপক তথা লেখক ড° গিৰীশ বৰুৱাই। নগাঁৱৰ ভালেসংখ্যক অধ্যাপক আৰু বিষয়-শিক্ষকে এই সভাত অংশগ্ৰহণ কৰে। সভাৰ শেষত আপ্যায়নৰ ব্যৱস্থা কৰা হয়।

পঞ্চম কার্যসূচী হিচাপে মহাবিদ্যালয়ত "Gandhian social criticism, Transteeship, Non-violence and Democracy" শীর্ষক এখন আলোচনা চক্ৰ অনুষ্ঠিত কৰা হয় (২১/৬/২০০৮)। তাত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধ্যাপিকা ড° মনীষা শর্মা, অধ্যাপক ড° শিৱনাথ শর্মা আৰু ড° সৌৰভপ্ৰাণ গোস্বামীয়ে সমল ব্যক্তি হিচাপে অংশগ্ৰহণ কৰে। বিভিন্ন মহাবিদ্যালয়ৰ পৰা অহা শিক্ষক-শিক্ষয়িত্ৰীসকলে চক্ৰখনত অংশগ্ৰহণ কৰে।

ষষ্ঠ কার্যসূচী হিচাপে মহাবিদ্যালয়ত ৬/৮/২০০৮ তাৰিখৰপৰা এটি তিনিমহীয়া 'চার্টিফিকেট ক'ৰ্ছ' সম্পাদন কৰা হয়। তাত গান্ধী সম্পর্কিত বিভিন্ন বিষয়ে পাঠদান কৰা হয়। ২০ গৰাকী ছাত্ৰ-ছাত্ৰীয়ে প্ৰশিক্ষণ লয়। তেওঁলোকক মাহে ৫০.০০ টকাকৈ জলপানি দিয়া হয়। উক্ত ক'ৰ্ছত পাঠদান কৰে ড° ৰাজেন শইকীয়া, অধ্যাপক গৌতম গোস্বামী (নগাঁও ছোৱালী কলেজ), নৰ নাথ (নগাঁও কলেজ), ৰূপশ্ৰী দেৱী (খাগৰিজান কলেজ) আৰু আমাৰ কলেজৰ অধ্যাপক সোণাৰাম নাথ, ড° মিনামুদ্দিন আহমেদ, সদানন্দ পায়েং আৰু অধ্যাপিকা আল্পনা বৰুৱা, বত্নমালা ৰাজখোৱা, অৰ্পণা তামুলী, সবিতা দেৱী, পীযূষ দেৱনাথ, প্ৰা অৰ্চনা দাস আৰু মীনাক্ষী গোস্বামী (অংশকালীন শি

গান্ধী অধ্যয়ন কেন্দ্ৰৰ কাম-কাজ চল বিশেষভাৱে অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ অ শ্ৰীপদ্মকান্ত শৰ্মাই সহায় কৰে। বিভিন্ন কার্যসূচীত অ সমল ব্যক্তিসকলৰ উপৰি অধ্যাপিকা অৰ্পণা বৈৰা হৃষীকেশ ভূঞা, কার্যালয় সহায়ক দেৱাশীষ ভাগৱ মুদৈ আদিয়ে বিশেষভাৱে সহায় কৰে। সকলো কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।

গান্ধীবাদ বোলা কোনো প্ৰথা নাই আৰু মই মোৰ পাছত মোৰ নামত কোনো এটা বিশেষ সম্প্ৰদায় এৰি থৈ যাবলৈ নিবিচাৰোঁ। কিবা নতুন নীতি নাইবা নতুন মতবাদ মই উলিয়াছোঁ বুলি দাবী নকৰোঁ। জীৱৰ চিৰন্তন সত্য তাহানিৰে পৰা চলি আহিছে, সেইবিলাককেই মোৰ নিজৰ মতে আমাৰ দৈনদিন জীৱনৰ সমস্যাবিলাকত প্ৰয়োগ কৰিবলৈ যত্ন কৰিছোঁ মাথোন। .... মই যিবোৰ মত লৈছোঁ, যিবোৰ সিদ্ধান্তত উপনীত হৈছোঁ, সেইবোৰেই শেষ কথা বুলি মই নকও। কাইলৈ সেইবিলাকৰ পৰিৱৰ্তন হ'ব পাৰে। পৃথিৱীক শিক্ষা দিবলৈ মোৰ নতুন কথা নাই। সত্য আৰু অহিংসা পৃথিৱীৰ দৰেই পুৰণি। মই কেৱল এটা কাম কৰিছোঁ— সত্য আৰু অহিংসাৰ ব্যাপকভাৱে প্ৰয়োগ কৰিবলৈ যত্ন কৰিছোঁ।

গান্ধী কথামৃত

MANDARAM DHEKIAL PHOOKAN COLLEGE LIBRARY
Acc. No. 15969
Date.. 16/9/09

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষসকল

কৈলাস চন্দ্ৰ দাস



প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামী

নগাঁৱৰ ৰাইডঙীয়াৰ এটি আঢ্যৱন্ত সম্ভ্ৰান্ত পৰিয়ালত ১৯০৫ চনৰ ১৪ এপ্ৰিলত শুকদেৱ গোস্বামীৰ জন্ম হয়। পিতৃ প্ৰয়াত গোপীনাথ গোস্বামী আৰু মাতৃ প্ৰয়াত যশোদা গোস্বামী। কটন কলেজৰ পৰা বি.এ. পাছ কৰাৰ পাছত, ১৯২৩ চনত দেউতাকে শুকদেৱ গোস্বামীক বিলাতলৈ পঠিয়ায় বাৰ-এট্-ল পাঠ্যক্ৰম পঢ়িবলৈ। গোস্বামীদেৱে এই পাঠ্যক্ৰম সম্পূৰ্ণ নকৰি, এডিনবাৰ্গ বিশ্ববিদ্যালয়ৰ পৰা অৰ্থনীতিত এম.এ. উপাধি লাভ কৰে। ১৯৩০ চনত তেখেতে ছাৰা নামৰ এগৰাকী ইউৰোপীয় মহিলাক বিয়া কৰায়। ২৫ বছৰ কাল বিলাতত কটাই শুকদেৱ গোস্বামী ১৯৪৮ চনত পত্নীসহ অসমলৈ ঘূৰি আহে। তেখেতে নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ৰ কাষতে পিতৃদত্ত ভূমিখণ্ডত ঘৰ-দুৱাৰ সাজি জীৱনৰ বাকী কালছোৱা তাতেই কটায়।

ওখ-পাখ শকত-আৱত তেজগো�ৰা চেহেৰাৰ শুকদেৱ গোস্বামী পোছাকে-পৰিচ্ছদে, মাতে-কথাই চিন্তনে-মননে এক অনন্য ব্যক্তিত্বৰ অধিকাৰী আছিল। তেখেত আছিল নিৰ্ভীক আৰু স্পষ্টবাদী, কৰ্মী আৰু কৰ্ম সংস্কৃতিৰ হোতা, স্বদেশ-প্ৰেমী, স্বাধীনতা-যুঁজাৰু আৰু মানৱিক প্ৰমূল্যৰ ধাৰক আৰু বাহক।

শুকদেৱ গোস্বামীৰ জীৱনৰ মহত্তম স্বপ্ন আৰু দিঠক হ'ল আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়। তেখেতৰ আদৰ্শ পুৰুষ আছিল আধুনিক অসমৰ অন্যতম প্ৰধান নিৰ্মাতা আনন্দৰাম ঢেকিয়াল ফুকন। ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত নগাঁৱত অনুষ্ঠিত অসম সাহিত্য সভাৰ বাৰ্ষিক অধিৱেশনত নগাঁওবাসীলৈ আগবঢ়োৱা এটি আহ্বানৰ প্ৰতি সঁহাৰি জনাই, সেই সময়ৰ শিক্ষা-সচেতন নগণ্য ৰাইজে আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতিত সেই বছৰৰ ৭ ছেপ্তেম্বৰ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্ম ঘোষণা কৰে। প্ৰতিষ্ঠাপক অধ্যক্ষৰ দায়িত্ব ন্যস্ত কৰা হয় শুকদেৱ গোস্বামীৰ ওপৰত। প্ৰথম তিনিটা বছৰ শিক্ষাৰ্থীসকলৰ পাঠদানৰ ব্যৱস্থা কৰা হৈছিল ক্ৰমে ডচন উচ্চতৰ মাধ্যমিক আৰু বহুমুখী বিদ্যালয়, নগাঁও মহাবিদ্যালয় আৰু নগাঁও চৰকাৰী উচ্চতৰ বালক বিদ্যালয়ত। কিন্তু শুকদেৱ গোস্বামীৰ অপৰিসীম ত্যাগ, অদম্য উৎসাহ আৰু অপৰাজেয় পৌৰুষৰ বলতে মহাবিদ্যালয়ৰ শ্ৰেণীসমূহ ১৯৬১ চনত বৰ্তমানৰ চৌহদলৈ স্থানান্তৰ কৰা হয়। মহাবিদ্যালয়খনে দোপত-দোপে আগবাঢ়ি ১/৪/১৯৬৪ তাৰিখৰ পৰা ৰাজ্য চৰকাৰৰ ঘাটি মঞ্জুৰি ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'বলৈ সক্ষম হয়।

প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীয়ে আনন্দৰাম ঢেকিয়াল ফুকনৰ মতাদৰ্শৰ প্ৰতিমূৰ্তিৰূপে মহাবিদ্যালয়খন গঢ়িব খুজিছিল। কিন্তু সেই মহৎ কৰ্ম সম্পূৰ্ণ নৌ-হওঁতেই তেখেতক অকাল মৃত্যুৱে (১৬/১০/১৯৬৪) কাঢ়ি লৈ গ'ল।




অধ্যক্ষ কন্দর্পদেৱ

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ
প্ৰয়াণৰ পাছত বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক কন্দৰ্পদেৱ গোস্বামীয়ে কিছুদিনৰ বাবে
অধ্যক্ষৰ দায়িত্ব বহন কৰে (১৭/১০/১৯৬৪—৫/১/১৯৬৫)।

নগাঁৱৰ বাইডঙীয়াৰ এক সম্ভ্ৰান্ত পৰিয়ালত কন্দৰ্পদেৱ গোস্বামীৰ জন্ম
১/১/১৯১৬ তাৰিখে। পিতৃ প্ৰয়াত বুদ্ধেশ্বৰ গোস্বামী আৰু মাতৃ প্ৰয়াত সাৱিত্ৰী
কন্দৰ্পদেৱ গোস্বামীয়ে ১৯৩৪ চনতে মেট্ৰিকুলেশ্যান পৰীক্ষা পাছ কৰি বহুবছৰ
কামতে ব্যস্ত আছিল। পিছত কলেজীয়া শিক্ষা সম্পূৰ্ণ কৰি ১৯৫১ চনত লক্ষ্ণৌ বিশ্ব
পৰা বুৰঞ্জী বিষয়ত এম. এ. পাছ কৰে। ১৯৫৯ চনত আনন্দৰাম ঢেকিয়াল ফুকন মহ
প্ৰতিষ্ঠা হোৱাত, গোস্বামীদেৱক বুৰঞ্জী বিভাগৰ মুৰব্বী হিচাপে নিযুক্তি দিয়া হয়।
১/১/১৯৭৬ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

কন্দৰ্পদেৱ গোস্বামীয়ে লক্ষ্ণৌ বিশ্ববিদ্যালয়ত পঢ়ি থাকোঁতে বুৰঞ্জী বিভাগ
আন্তৰ্জাতিক খ্যাতিসম্পন্ন বুৰঞ্জীবিদ ড° ৰাধাকুমুদ মুখাৰ্জীৰ সান্নিধ্যলৈ আহিছি
সান্নিধ্যৰ ছাপ তেখেতৰ জীৱন-চৰ্যা আৰু অধ্যাপনাত প্ৰকাশ পাইছিল। তেখেতে
আৰু ইংৰাজীত দিয়া শ্ৰুতিমধুৰ আৰু উচ্চমানৰ ভাষণে শ্ৰোতাক মুগ্ধ কৰিছিল।
জীৱন নিৰ্বাহ আৰু উচ্চ ভাবনা আছিল গোস্বামীদেৱৰ জীৱনাদৰ্শ। এইজনা মহান
২৯/৯/১৯৭৯ তাৰিখে প্ৰয়াণ ঘটে।



অধ্যক্ষ আব্দুল হাই

ভাৰপ্ৰাপ্ত অধ্যক্ষ কন্দৰ্পদেৱ গোস্বামীৰ কাৰ্যকালৰ পাছত, নগাঁও মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী তথা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অংশকালীন অধ্যাপক আব্দুল হাই চাহাবে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে (৬/১/১৯৬৫—৬/৫/১৯৮৫)।

নগাঁও জিলাৰ আলিটাঙনি গাঁৱত ১/১/১৯২৬ তাৰিখে আব্দুল হাইৰ জন্ম হয়। পিতৃ প্ৰয়াত ওচমান আলি সদাগৰ। মাতৃ প্ৰয়াত কদৰজান বিবি।

আব্দুল হাই-এ আলিটাঙনি ওচমানীয়া হাইস্কুলৰ পৰা ১৯৪২ চনত প্ৰৱেশিকা, ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৪ চনত আই-এ, কলিকতাৰ ৰিপন কলেজৰপৰা ১৯৪৬ চনত বি.এ. আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৮ চনত এম.এ. (বুৰঞ্জী বিষয়ত) আৰু এল.এল.বি. পৰীক্ষা পাছ কৰে।

আব্দুল হাইদেৱে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা অংশকালীন অধ্যাপক হিচাপে সেৱা আগবঢ়াই আহিছিল। পিছত মহাবিদ্যালয়খনৰ অধ্যক্ষৰ দায়িত্ব লৈ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীৰ অসম্পূৰ্ণ সপোনক সম্পূৰ্ণ কৰিবলৈ অহোপুৰুষাৰ্থ কৰে। তেখেত কেৱল দক্ষ অধ্যাপক-অধ্যক্ষয়ে নাছিল, নগাঁৱৰ বিভিন্ন শিক্ষানুষ্ঠানৰ জন্ম আৰু বিকাশৰ ক্ষেত্ৰত যথেষ্ট অৰিহণা যোগাইছিল। ক্ৰীড়াক্ষেত্ৰতো তেখেতৰ অৱদান লেখত ল'বলগীয়া আছিল।

আব্দুল হাইদেৱৰ অধ্যক্ষতাৰ প্ৰায় কুৰি বছৰীয়া কালছোৱাত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ বহু মাত্ৰিক বিকাশ ঘটে। মহাবিদ্যালয় চৌহদৰ মাটি কালি ৯ বিঘা ১ কঠালৈ বৃদ্ধি কৰা হয়। ১৯৬৮ চনত দুমহলীয়া লক্ষ্মীনাথ বেজবৰুৱা ভৱন নিৰ্মাণ কৰি উলিওৱা হয়। ছাত্ৰ-ছাত্ৰীৰ বৰঙণি আৰু বিশ্ববিদ্যালয় অনুদান আয়োগৰ ধনেৰে ১৯৭৬-৭৭ বৰ্ষত Non-resident Students' Centre ভৱনটি সজা হয়। পৰিকল্পিত দুমহলীয়া ছাত্ৰাৱাসৰ ভূমি-মহলাৰ একাংশহে ছাত্ৰ থকাৰ বাবে প্ৰস্তুত কৰা হয়।

কলা শাখাৰ বিভিন্ন বিষয়ত ১৯৬৫ চনৰ পৰাই অনার্চ খোলা হয় আৰু বিভিন্ন বিষয়ত প্ৰথম শ্ৰেণীৰ প্ৰথম হোৱা শিক্ষাৰ্থীসকলে মহাবিদ্যালয়লৈ গৌৰৱ কঢ়িয়াই আনে। কিন্তু আব্দুল হাইদেৱৰ অন্যতম মহৎ অথচ দুঃসাহসিক কৃতি আছিল মহাবিদ্যালয়ত ১৯৭৮ চনত বিজ্ঞান শাখাৰ স্নাতক মহলা আৰু ১৯৭৯ চনত বিজ্ঞান শাখাৰ প্ৰাক্-বিশ্ববিদ্যালয় শ্ৰেণী খোলা। তেখেতৰ সবল নেতৃত্বত বিজ্ঞান শাখাই ১/৯/১৯৮৩ তাৰিখে অসম চৰকাৰৰ ঘাটি-মঞ্জুৰি ব্যৱস্থাৰ অন্তৰ্ভুক্ত হ'বলৈ সক্ষম হয়। ক্ৰীড়াৰ ক্ষেত্ৰতো মহাবিদ্যালয়খনে যথেষ্ট সুনাম আৰ্জে। তেখেতৰ দিনতে ৰাষ্ট্ৰীয় সেৱা যোজনা (N.S.S.)ৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় গোট গঠিত হয়।

অৱসৰ প্ৰাপ্তিলৈ আৰু কেইমাহমান থাকোঁতে অধ্যক্ষ আব্দুল হাইদেৱ নৰিয়াত পৰে আৰু ২/৬/১৯৮৫ তাৰিখে তেখেতৰ প্ৰয়াণ ঘটে।



অধ্যক্ষ ড° নাৰায়ণ চন্দ্ৰ বৰ্মন

অধ্যক্ষ আব্দুল হাইদেৱৰ কাৰ্যকালৰ পাছত অসমীয়া বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মনে অধ্যক্ষ হিচাপে কাৰ্য-নিৰ্বাহ কৰে (৭/৫/১৯৮৫—৩১/৮/১৯৯৪)।

নলবাৰী জিলাৰ বেলশৰত ৩১/৮/১৯৩৪ তাৰিখে শ্ৰীনাৰায়ণ চন্দ্ৰ বৰ্মনৰ জন্ম হয়। পিতৃ প্ৰয়াত মুকুন্দ চৰণ বৰ্মন আৰু মাতৃ প্ৰয়াত মালতী বৰ্মন।

নাৰায়ণ চন্দ্ৰ বৰ্মনে বেলশৰ হাইস্কুলৰ পৰা ১৯৫১ চনত মেট্ৰিকুলেশ্যান, নলবাৰী কলেজৰ পৰা ১৯৫৫ চনত বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৯ চনত অসমীয়া বিষয়ত এম.এ. পাছ কৰে। তেখেতে ড° সত্যেন্দ্ৰ নাথ শৰ্মাৰ অধীনত 'The Manasa Cult and Literature of Assam' বিষয়ে গৱেষণা কৰি ডক্টৰেট উপাধি লাভ কৰে।

নাৰায়ণ চন্দ্ৰ বৰ্মনদেৱে অসমীয়া বিভাগৰ প্ৰথম গৰাকী অধ্যাপক হিচাপে ১/৯/১৯৬০ তাৰিখে আনন্দৰাম ঢেকিয়াল মহাবিদ্যালয়ত যোগদান কৰে। অধ্যাপনা আৰু উপাধ্যক্ষৰ দায়িত্ব বহন কৰাৰ উপৰিও তেখেতে মহাবিদ্যালয়ৰ N.C.C.ৰ Senior Commissioned Officer হিচাপে কাৰ্যনিৰ্বাহ কৰি Major Rank পৰ্যন্ত সেৱা আগবঢ়ায়। তেখেতে নগাঁও জিলাৰ 8th Assam BN NCC আৰু 72 Girls' Division NCCৰ Commanding Officer হিচাপে কাৰ্যনিৰ্বাহ কৰে। বৰ্মনদেৱে দাৰ্জিলিঙৰ জৱাহৰলাল নেহৰু পৰ্বতাৰোহণ প্ৰতিষ্ঠানত 42 Basic Mountaineering Courseত অংশগ্ৰহণ কৰিছিল।

ড° নাৰায়ণ চন্দ্ৰ বৰ্মনৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ চৌহদৰ সীমা-নিৰ্ধাৰণ আৰু দেৱাল নিৰ্মাণৰ কাম আৰম্ভ কৰা হয়। অসম চৰকাৰৰ ৰাজ্যিক লটাৰী পুঁজিৰ পৰা পোৱা ১ লাখ টকাৰে বেজবৰুৱা ভৱনৰ দ্বিতীয় মহলাৰ কাম কৰা হয়। নগাঁও আইন মহাবিদ্যালয়ত চলি থকা বিজ্ঞান শাখাৰ শ্ৰেণীসমূহ মহাবিদ্যালয়ৰ নিজা চৌহদলৈ স্থানান্তৰ কৰা হয়। অধ্যাপকৰ জিৰণি কোঠা উন্নত কৰা হয়। দৰাচলতে পূৰ্বৱৰ্তী (১৯৮২-৮৩) এক বিশেষ কাৰণত বিশ্ববিদ্যালয় অনুদান আয়োগে আৰ্থিক অনুদান আগ নবঢ়োৱাত ড° বৰ্মনৰ কাৰ্যকালত মহাবিদ্যালয়ৰ আৱয়বিক ক্ষেত্ৰত বিশেষ অগ্ৰগতি নহ'ল।

ড° নাৰায়ণ চন্দ্ৰ বৰ্মনে অধ্যক্ষ হিচাপে ৩১/৮/১৯৯৪ তাৰিখে অৱসৰ গ্ৰহণ কৰে।



অধ্যক্ষ নৱেন্দ্র নাথ শইকীয়া

অধ্যক্ষ ড° নাৰায়ণ চন্দ্র বর্মনৰ অৱসৰ গ্রহণৰ পাছত শিক্ষা বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ (২/৮/১৯৯৩—৩১/৮/১৯৯৪) শ্রীনৱেন্দ্র নাথ শইকীয়াই ভাৰপ্রাপ্ত অধ্যক্ষ হিচাপে (১/৯/১৯৯৪—৩১/১২/১৯৯৬) কার্য নির্বাহ কৰে।


গোলাঘাট জিলাৰ মলাই কুমাৰ গাঁৱত (ডাক-বৰুৱা-বামুণ গাঁও) ৩১/১০/১৯৩৬ তাৰিখে নৱেন্দ্র নাথ শইকীয়াৰ জন্ম হয়। তেখেতৰ পিতৃ প্রয়াত পোৱাল চন্দ্র শইকীয়া আৰু মাতৃ প্রয়াত আইকণ শইকীয়া।

নৱেন্দ্র নাথ শইকীয়াদেৱে দেৱগাঁও হাইস্কুলৰ পৰা ১৯৫৫ চনত মেট্রিকুলেশ্যন, গোলাঘাটৰ ডি.আৰ. মহাবিদ্যালয়ৰ পৰা ১৯৫৭চনত আই.এ.; কটন কলেজৰ পৰা ১৯৫৯ চনত বি.এ. (শিক্ষা বিষয়ত অনার্চসহ) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬২ চনত শিক্ষা বিষয়ত এম.এ. পৰীক্ষাত সুকলমে উত্তীর্ণ হয়।

শইকীয়াদেৱে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ৬/৮/১৯৬২ তাৰিখে শিক্ষা বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। অধ্যাপনা আৰু প্রশাসনৰ উপৰি তেখেতে মহাবিদ্যালয়ৰ ৰাষ্ট্রীয় শিক্ষার্থী বাহিনী (N.C.C.)ৰ প্রশিক্ষণপ্রাপ্ত বিষয়া হিচাপে সেৱা আগবঢ়ায়। (১৯৬৩-১৯৮১)। তেখেতৰ অধ্যক্ষতাৰ প্রায় দুবছৰীয়া কার্যকালত মহাবিদ্যালয়খনে আৱয়বিক ক্ষেত্রত ভালেখিনি অগ্রগতি লাভ কৰে।

মহাবিদ্যালয়ৰ লক্ষ্মীনাথ বেজবৰুৱা ভৱন আৰু জনজাতীয় জিৰণি চ'ৰাৰ মাজৰ ৯কঠা মাটি নগাঁও পৌৰসভাৰ কর্তৃত্বত আছিল। দীর্ঘকালীন প্রচেষ্টাৰ ফলস্বৰূপে মাটিখিনি মহাবিদ্যালয়ৰ নামলৈ হস্তান্তৰিত হয়। মহাবিদ্যালয়ৰ দক্ষিণ ফালৰ ২৮০ ফুট দেৱাল নির্মাণ কৰা হয়।

নৱেন্দ্র নাথ শইকীয়াদেৱে ভাৰপ্রাপ্ত অধ্যক্ষ হিচাপে ৩১/১২/১৯৯৬ তাৰিখে অৱসৰ গ্রহণ কৰে।



অধ্যক্ষ জিতেন্দ্র নাথ বৰা

ভাৰপ্ৰাপ্ত অধ্যক্ষ নৰেন্দ্ৰ নাথ শইকীয়াই অবসৰ গ্ৰহণ কৰাৰ পাছত, শিক্ষা-বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীজিতেন্দ্ৰ নাথ বৰাই প্ৰথমছোৱাত ভাৰপ্ৰাপ্ত অধ্যক্ষ (১/১/১৯৯৭—২৪/৭/১৯৯৮) আৰু দ্বিতীয় ছোৱাত অধ্যক্ষ (২৫/৭/১৯৯৮—৩১/১০/১৯৯৮) হিচাপে কাৰ্যনিৰ্বাহ কৰে।

নগাঁৱৰ চাপৰমুখত ১/১১/১৯৩৪ তাৰিখে জিতেন্দ্ৰ নাথ বৰাৰ জন্ম হয়। পিতৃ প্ৰয়াত তাৰানাথ বৰা আৰু মাতৃ প্ৰয়াত শশীপ্ৰভা বৰা।

জিতেন্দ্ৰ নাথ বৰাই ৰহা হাইস্কুলৰ পৰা ১৯৫৪ চনত মেট্ৰিকুলেশ্যান, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ পৰা বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৪ চনত শিক্ষা বিষয়ত এম.এ. পাছ কৰে।

জিতেন্দ্ৰ নাথ বৰাদেৱে ১৪/৪/১৯৬৪ তাৰিখে শিক্ষা বিভাগৰ অধ্যাপক হিচাপে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰে। তেখেতৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ ভালেখিনি আৱয়বিক উন্নতি ঘটে। বিশেষকৈ বিশ্ববিদ্যালয় অনুদান আয়োগৰ পৰা আৰ্থিক অনুদান লাভ কৰা বাটটো পুনৰ মুকলি হয়। মহাবিদ্যালয়ৰ উত্তৰ ফালৰ প্ৰায় ৩০০ ফুট দেৱাল নিৰ্মাণ কৰা হয়।

জিতেন্দ্ৰ নাথ বৰাদেৱে ৩১/১০/১৯৯৮তাৰিখে অধ্যক্ষ হিচাপে অৱসৰ গ্ৰহণ কৰে।



অধ্যক্ষ ৰবীন্দ্ৰ চন্দ্ৰ বৰা

অধ্যক্ষ জিতেন্দ্ৰ নাথ বৰাই অৱসৰ গ্ৰহণ কৰাৰ পাছত, ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীৰবীন্দ্ৰ চন্দ্ৰ বৰাই ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্য নিৰ্বাহ কৰে (১/১১/১৯৯৮—৩১/৩/১৯৯৯)।

নগাঁও চহৰৰ ফৌজদাৰীপট্টিত ১/৪/১৯৩৯ তাৰিখে ৰবীন্দ্ৰ চন্দ্ৰ বৰাৰ জন্ম হয়। পিতৃ প্ৰয়াত মহীচন্দ্ৰ বৰা আৰু মাতৃ প্ৰয়াত জ্ঞানবালা বৰা।

ৰবীন্দ্ৰ চন্দ্ৰ বৰাই নগাঁও চৰকাৰী বালক বিদ্যালয়ৰ পৰা ১৯৫৫ চনত মেট্ৰিকুলেশ্যন, নগাঁও কলেজৰ পৰা ১৯৫৭ চনত আই.এ. আৰু বেনাৰস হিন্দু বিশ্ববিদ্যালয়ৰ পৰা ১৯৫৯চনত বি.এ., ১৯৬১ চনত এম.,এ. (ইংৰাজী বিষয়ত) আৰু ১৯৬৩ চনত আইনৰ পৰীক্ষা পাছ কৰে।

ৰবীন্দ্ৰ চন্দ্ৰ বৰাদেৱে নগাঁও মহাবিদ্যালয়ত তিনিবছৰমান ইংৰাজী বিষয়ৰ অধ্যাপক হিচাপে কাম কৰাৰ পাছত, ১৬/১২/১৯৬৫ তাৰিখে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ইংৰাজী বিভাগৰ অধ্যাপক হিচাপে যোগদান কৰে। ৰবীন্দ্ৰ চন্দ্ৰ বৰাদেৱে বহুবছৰ ধৰি ইংৰাজী বিভাগৰ মুৰব্বী অধ্যাপকৰ দায়িত্ব সুকলমে পালন কৰাৰ উপৰি অসমীয়া আৰু ইংৰাজী সাহিত্যৰ জগতখনৰ লগত ওতপ্ৰোতভাৱে জড়িত হৈ থাকে। অসমৰ বিভিন্ন কাকত-আলোচনীত তেখেতৰ প্ৰবন্ধ-পাতি প্ৰকাশ পাই আহিছে। অৱসৰ গ্ৰহণৰ পাছতো তেখেত সাহিত্য-চৰ্চা অব্যাহত আছে। তেখেতৰ প্ৰকাশিত গ্ৰন্থবোৰ হ'ল—

১। সাহিত্য-সমীক্ষা— প্ৰবন্ধ সঙ্কলন।
২। মহীচন্দ্ৰ বৰা ঃ ব্যক্তি আৰু প্ৰতিভা— জীৱনী গ্ৰন্থ, সম্পাদিত।
৩। শুভ-যাত্ৰা/ Bon Boyage— দ্বিভাষিক কবিতা-সঙ্কলন
৪। Selected Reviews

বৰাদেৱৰ 'সাহিত্য অৱলোকন' নামৰ প্ৰবন্ধ-সঙ্কলন এখন অলপতে প্ৰকাশ পাব।

ৰবীন্দ্ৰ চন্দ্ৰ বৰাই অধ্যক্ষতাৰ পাঁচ-মহীয়া চুটি কালছোৱাত মহাবিদ্যালয়ৰ বিদ্যায়তনিক প্ৰশাসনিক দিশত বাদে, আৱয়বিক দিশৰ বিকাশ ঘটাবলৈ অৱসৰ নেপালে। তেখেতে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ৩১/৩/১৯৯৯ তাৰিখে অৱসৰ গ্ৰহণ কৰে।



অধ্যক্ষ ড° ৰামচন্দ্ৰ ডেকা

ভাৰপ্ৰাপ্ত অধ্যক্ষ ৰবীন্দ্ৰ চন্দ্ৰ ৰবাৰ অৱসৰ গ্ৰহণৰ পাছত, গুৱাহাটীৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ৰ গণিত বিভাগৰ মুৰব্বী অধ্যাপক শ্ৰী ৰামচন্দ্ৰ ডেকাই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে কার্য-নির্বাহ কৰেহি (১/৪/১৯৯৯—৩০/১১/২০০০)।

নগাঁও জিলাৰ কলিয়াবৰৰ দাড়িগজী নামৰ ঠাইত ১৯৪৬ চনত ৰামচন্দ্ৰ ডেকাৰ জন্ম হয়। পিছত নগাঁৱৰ দক্ষিণপাটত ডাঙৰ-দীঘল হয়। পিতৃ প্ৰয়াত মণিৰাম ডেকা আৰু মাতৃ প্ৰয়াত নুমলী (কাকতি) ডেকা।

ৰামচন্দ্ৰ ডেকাই দক্ষিণপাট হাইস্কুলৰপৰা ১৯৬২ চনত মেট্ৰিকুশ্যেচন, নগাঁও কলেজৰ পৰা ১৯৬৬ চনত বি.এচ.চি, গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৮ চনত গণিত বিষয়ত এম.এছ.চি পাছ কৰে। ১৯৮৪-৮৫ বর্ষত তেখেতে এম.ফিল. আৰু ২০০৭ চনত ভাৰতীয় গণিত চর্চাৰ ইতিহাস বিষয়ত ডক্টৰেট উপাধি লাভ কৰে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰাই।

ৰামচন্দ্ৰ ডেকাই অধ্যাপনাৰ উপৰি গণিত-বিষয়ক বিভিন্ন গ্ৰন্থ স্কুল-কলেজৰ শিক্ষার্থীৰ বাবে লেখি উলিয়াইছে। গৱেষণা ভিত্তিক গ্ৰন্থও ৰচনা কৰিছে। বিভিন্ন গ্ৰন্থৰ অনুবাদো প্ৰকাশ কৰিছে। বর্তমানে সাপ্তাহিক অসমীয়া কাকত 'আলোক'ৰ সম্পাদনা-প্ৰকাশনৰ দায়িত্বত আছে। ৰামচন্দ্ৰ ডেকাদেৱৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ পুঁজিত ভালেখিনি ধন বিভিন্ন উৎসৰ পৰা গোট খাইছিল যদিও, আৱয়বিক বিকাশত হাত দিবলৈ তেখেতে সময় নেপালে।

অধ্যক্ষ ৰামচন্দ্ৰ ডেকাদেৱে ৩০/১১/২০০০ তাৰিখে অধ্যক্ষ পদ ইস্তফা দি পুনৰ প্ৰাগ্‌জ্যোতিষ মহাবিদ্যালয়ত যোগদান কৰেগৈ।



অধ্যক্ষ সহজানন্দ ওজা

অধ্যক্ষ ৰামচন্দ্ৰ ডেকাই অধ্যক্ষ পদ ইস্তফা দি যোৱাৰ পাছত, ৰাজনীতি বিজ্ঞান বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ শ্ৰীসহজানন্দ ওজাই ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে (১/১২/২০০০—৩০/১১/২০০২)

নগাঁও চহৰত ১/১২/১৯৪২ তাৰিখে সহজানন্দ ওজাৰ জন্ম হয়। পিতৃ প্ৰয়াত পৰমানন্দ ওজা আৰু মাতৃ প্ৰয়াত অম্বিকা ওজা।

সহজানন্দ ওজাই নগাঁও চৰকাৰী উচ্চতৰ মাধ্যমিক বালক বিদ্যালয়ৰ পৰা ১৯৫৭চনত মেট্ৰিকুলেশ্যন, নগাঁও কলেজৰ পৰা ১৯৬১ চনত বি.এ. আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৪ চনত ৰাজনীতি বিজ্ঞান বিষয়ত এম.এ পাছ কৰে।

সহজানন্দ ওজাদেৱে ১৪/৭/১৯৬৫ তাৰিখে ৰাজনীতি বিজ্ঞান বিভাগৰ অধ্যাপকৰূপে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰে। তেখেতৰ অধ্যক্ষতাৰ কালছোৱাত মহাবিদ্যালয়ৰ বহুখিনি আৱয়বিক উন্নতি ঘটে।

১) মহাবিদ্যালয়ৰ উত্তৰ ফালৰ সীমা নিৰ্ধাৰণ কৰি দেৱাল দিয়া হয়। হৰিজন কলনিৰ ফালৰ দেৱাল নিৰ্মাণ কৰি চাইকেল ষ্টেণ্ড সজা হয়, জনজাতি জিৰণি চ'ৰাৰ ফালৰ দেৱাল ওখ কৰি লগত চাইকেল ষ্টেণ্ড সজা হয়।

২) মহাবিদ্যালয়ৰ গ্ৰন্থাগাৰৰ ভূমি-মহলা নিৰ্মাণ কৰা হয়।

৩) মহাবিদ্যালয়ৰ প্ৰৱেশ-পথ পূৱ ফালৰ পৰা পশ্চিমফাললৈ স্থানান্তৰ কৰাৰ সিদ্ধান্ত লোৱা হয়।

দেশ আৰু সমাজৰ বিভিন্ন ক্ষেত্ৰলৈ ওজাদেৱে অৰিহণা যোগাইছে। মহাবিদ্যালয়ৰ ক্ৰীড়াৰ ক্ষেত্ৰতো তেখেতৰ অৱদান প্ৰচুৰ।* অসম ক্ৰিকেট সংস্থাৰ সম্পাদক হিচাপে ১৯৭৯ চনৰ পৰা ১৯৮৬ চনলৈকে দায়িত্বত থাকোতে ভাৰতীয় ক্ৰিকেট নিয়ন্ত্ৰণ পৰিষদৰ বিভিন্ন উপ-সমিতিৰ সদস্য হিচাপে তেখেতে কাৰ্য-নিৰ্বাহ কৰে। ১৯৮২ চনত সুনীল গাভাস্কাৰৰ নেতৃত্বত পাকিস্তানলৈ যোৱা ভাৰতীয় ক্ৰিকেট দলৰ সহকাৰী মেনেজাৰ আৰু ১৯৮৭ চনত ভাৰতত অনুষ্ঠিত Reliance World Cupৰ সাংগঠনিক কমিটিৰ সদস্যৰূপে তেখেতে সেৱা আগবঢ়ায়। ওজাদেৱে শ্ৰেষ্ঠ ক্ৰীড়া সংগঠক হিচাপে ফখৰুদ্দিন আলি আহমেদ বঁটা (১৯৮৮) আৰু দশম বাৰ্ষিক অভিৰুচি ক্ৰীড়া দিৱসত মানপত্ৰ লাভ কৰে (৩/৯/১৯৯৩)। অসম চৰকাৰৰ ক্ৰীড়া পেন্সনো তেখেতে লাভ কৰিছে।

সাংবাদিক হিচাপে সহজানন্দ ওজাই বিভিন্ন কাকতৰ সংবাদদাতা, নগাঁও জিলা সাংবাদিক সংস্থাৰ সভাপতি, সদৌ অসম মফস্বলীয় সাংবাদিক সংস্থাৰ সভাপতি হিচাপে সেৱা আগবঢ়াইছে। নতুন দৈনিক কাকতৰ পৰা শ্ৰেষ্ঠ সাংবাদিক বঁটা লাভ কৰিছে। নগাঁৱৰ পৰা প্ৰকাশিত 'আমাৰ নগাঁৱ'ৰ প্ৰতিষ্ঠাপক সম্পাদক হিচাপে প্ৰথম বছৰ কাৰ্য-নিৰ্বাহ কৰে।

ওজাদেৱে ভাৰপ্ৰাপ্ত অধ্যক্ষ হিচাপে ৩০/১১/২০০২ তাৰিখে অৱসৰ গ্ৰহণ কৰে।

---

* এই সম্পৰ্কে ওজাদেৱৰ এটি প্ৰবন্ধ প্ৰস্তুত স্মৃতিগ্ৰন্থত প্ৰকাশ পাইছে।



অধ্যক্ষ নগেন্দ্র চন্দ্র নাথ

ভাৱপ্ৰাপ্ত অধ্যক্ষ সহজানন্দ ওজাই অৱসৱ গ্ৰহণ কৰাৰ পাছত, ভূগোল বিভাগৰ মুৰব্বী অধ্যাপক তথা উপাধ্যক্ষ (১/৫/২০০১—৩০/১১/২০০২) শ্ৰীনগেন্দ্ৰ চন্দ্ৰ নাথে ভাৱপ্ৰাপ্ত অধ্যক্ষ হিচাপে কাৰ্যনিৰ্বাহ কৰে (১/১২/২০০২—৩০/১১/২০০৪)।

নলবাৰী জিলাৰ ককয়াত ২১/২/১৯৪৫ তাৰিখে নগেন্দ্ৰ চন্দ্ৰ নাথৰ জন্ম হয়। পিতৃ প্ৰয়াত ভাঠিৰাম নাথ আৰু মাতৃ প্ৰয়াত ৰামেশ্বৰী দেৱী।

নগেন্দ্ৰ চন্দ্ৰ নাথে ককয়া উচ্চ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৬০ চনত মেট্ৰিকুলেশ্যন, কটন কলেজৰ পৰা ১৯৬২ চনত আই. এছ-চি আৰু ১৯৬৪ চনত বি.এছ-চি (ভূগোল বিষয়ত সম্মানসহ) আৰু গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ১৯৬৬ চনত ভূগোল বিষয়ত এম. এছ.চি. পাছ কৰে।

নগেন্দ্ৰ চন্দ্ৰ নাথদেৱে ৭/৮/১৯৬৭ তাৰিখে ভূগোল বিভাগৰ অধ্যাপকৰূপে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত যোগদান কৰে। তেখেতৰ অধ্যক্ষতাৰ কালছোৱাত ৰাষ্ট্ৰীয় মূল্যায়ন আৰু প্ৰত্যায়ন পৰিষদ (NAAC)ৰ পৰা পঠোৱা Peer Team-এ ২০০৪ চনৰ ২৬আৰু ২৭অক্টোবৰত আমাৰ মহাবিদ্যালয় পৰিদৰ্শন কৰে।* সেয়ে মহাবিদ্যালয়ৰ আৱয়বিক, বিদ্যায়তনিক, সমাজ-সম্পকীয় দিশকে ধৰি বিভিন্ন দিশত ফলপ্ৰসূ কাৰ্যব্যৱস্থা গ্ৰহণ কৰা হয়। প্ৰেক্ষাগৃহ তথা চেমিনাৰ হলৰ নিৰ্মাণৰ শুভাৰম্ভ কৰা হয়। প্ৰাক্তন ছাত্ৰ সংস্থাৰ (Alumni Association) উদ্যোগত মহাবিদ্যালয়ৰ মুখ্য প্ৰৱেশদ্বাৰত তোৰণ নিৰ্মাণ কৰা হয়। বুনিয়াদ আঁচনিৰ ১০লাখ টকাৰ অনুদান লাভ কৰি প্ৰশাসনিক ভৱনৰ নিৰ্মাণ আৰম্ভ কৰা হয়। মহাবিদ্যালয়ৰ উন্নয়ন পুঁজিৰ ১লাখ টকাৰে নিৰ্মিত 'বাস্কেট বল ফিল্ড' মুকলি কৰা হয়। পুথিভঁৰালত ফটোষ্টেট মেচিনৰ আৰু ছাত্ৰ-ছাত্ৰীৰ বৰঙণিৰ ধনেৰে খোৱা-পানীৰ ব্যৱস্থা কৰা হয়। গ্ৰন্থসমূহ কম্পিউটাৰযোগে তালিকাভুক্ত কৰা হয়। চি-ডেক কম্পিউটাৰ পাঠ্যক্ৰম মুকলি কৰা হয়।

নগেন্দ্ৰ চন্দ্ৰ নাথদেৱে ২১/২/২০০৫ তাৰিখে বিভাগীয় মুৰব্বী হিচাপে অৱসৱ গ্ৰহণ কৰে।

* NAAC সম্পৰ্কে নাথদেৱৰ এটি প্ৰবন্ধ প্ৰস্তুত স্মৃতিগ্ৰন্থত প্ৰকাশ পাইছে।



অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ

ভাৰপ্ৰাপ্ত অধ্যক্ষ নগেন্দ্ৰ চন্দ্ৰ নাথৰ কাৰ্যকালৰ পাছত মহাবিদ্যালয়ৰ উদ্ভিদ বিজ্ঞান বিভাগৰ অধ্যাপক ড° ছৰিফ উদ্দিন আহমেদে ১/১২/২০০৪তাৰিখে অধ্যক্ষ হিচাপে কাৰ্যভাৰ গ্ৰহণ কৰে।

মৰিগাঁও (অবিভক্ত নগাঁও) জিলাৰ চৰাইবাহী মৌজাৰ অন্তৰ্গত পটুৱাকটা গাঁৱত ২৮/৮/১৯৫৭ চনত ছৰিফ উদ্দিন আহমেদৰ জন্ম হয়। পিতৃ আলহাজ শ্বেখ জেহিৰ উদ্দিন আহমেদ আৰু মাতৃ প্ৰয়াত বগী বেগম।

ছৰিফ উদ্দিন আহমেদে কটন কলেজিয়েট উচ্চতৰ মাধ্যমিক বিদ্যালয়ৰ পৰা ১৯৭৩ চনত হাইস্কুল শিক্ষান্ত পৰীক্ষা, কটন কলেজৰ পৰা ১৯৭৬ চনত প্ৰাক বিশ্ববিদ্যালয় (বিজ্ঞান), বজালী কলেজৰ পৰা ১৯৭৮ চনত বি.এছ-চি (অনাৰ্চসহ) আৰু আলিগড় মুছলিম বিশ্ববিদ্যালয়ৰ পৰা ১৯৮০চনত উদ্ভিদ বিজ্ঞান বিষয়ত এম.এছ-চি পাছ কৰে।

তেখেতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ পৰা ২০০১ চনত জৈৱ প্ৰযুক্তি বিজ্ঞান বিষয়ত ডক্টৰেট উপাধি লাভ কৰে।

ড° আহমেদ অধ্যাপনাৰ উপৰি মহাবিদ্যালয়ৰ ক্ৰীড়া ক্ষেত্ৰৰ লগত জড়িত হৈ আছিল। লগতে বিজ্ঞানৰ প্ৰচাৰ-প্ৰসাৰৰ ক্ষেত্ৰতো তেখেতে অৰিহণা যোগাইছিল। তেখেতৰ অধ্যক্ষতাৰ বিগত কালছোৱাত মহাবিদ্যালয়ৰ আৱয়বিক ক্ষেত্ৰত এক অভূতপূৰ্ব অগ্ৰগতি ঘটিছে। তদুপৰি বিদ্যায়তনিক ক্ষেত্ৰতো একাধিক বৃত্তিমূলক বিষয় প্ৰৱৰ্তন কৰা হৈছে।

মহাবিদ্যালয়ৰ আৱয়বিক ক্ষেত্ৰত উল্লেখযোগ্য হ'ল— প্ৰশাসনিক ভৱনৰ ওপৰতলা, পুথিভঁৰালৰ প্ৰথম মহলা (অধ্যয়ন কক্ষ), সভাকক্ষ, দুটা ছাত্ৰী-নিবাস, উদ্ভিদ বিজ্ঞান বিভাগ আৰু তাৰ ওপৰতলা, অৰ্কিড-হাউছ, ছাত্ৰসকলৰ প্ৰস্ৰাৱাগাৰ আদি নিৰ্মাণ, ছাত্ৰ-ছাত্ৰীসকলৰ বিশুদ্ধ খোৱাপানীৰ বাবে একুৱাগার্ডৰ ব্যৱস্থা আৰু বিশেষভাৱে 'সোণালী জয়ন্তী ভৱন' নিৰ্মাণ।

বিদ্যায়তনিক ক্ষেত্ৰত উল্লেখযোগ্য হ'ল— বি.চি.এ. আৰু পি.জি.ডি.চি.এ. পাঠ্যক্ৰম, বিশ্ববিদ্যালয় অনুদান আয়োগৰ বিভিন্ন চাৰ্টিফিকেট পাঠ্যক্ৰম, অনুসূচিত জাতি-জনজাতি আৰু সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ বাবে নিৰাময় পাঠ্যক্ৰম, সংখ্যালঘু ছাত্ৰ-ছাত্ৰীৰ নিযুক্তি-সহায়ক পাঠ্যক্ৰম, গান্ধীজীৰ মতাদৰ্শ আৰু মানৱাধিকাৰ সম্পৰ্কে বুনিয়াদী পাঠ্যক্ৰম আদিৰ প্ৰৱৰ্তন। মহাবিদ্যালয়ৰ গান্ধী অধ্যয়ন কেন্দ্ৰ এক মূল্যৱান সম্পদ।

এইবোৰৰ উপৰি মহাবিদ্যালয়ৰ অগ্ৰগতিৰ বাবে বহু কৰ্ম-আঁচনি কৰ্তৃপক্ষৰ হাতত আছে।

ড° সর্বেপল্লী ৰাধাকৃষ্ণণৰ দর্শন

মর্পণা তামুলী

ড° সর্বেপল্লী ৰাধাকৃষ্ণণ এজন বিশ্ববিশ্রুত দার্শনিক। ৰাধাকৃষ্ণণৰ দর্শন সমন্বয়ৰ দর্শন। প্রাচ্য আৰু পাশ্চাত্য চিন্তাৰ সমন্বয় ঘটাই এটি বিশ্বদর্শন গঢ়ি তোলাৰ ক্ষেত্রত তেখেতৰ অৱদান অনন্য। প্রাচীন আৰু অর্বাচীন, জ্ঞান আৰু বিজ্ঞানৰ মাজত সংযোগ-সেঁতু নির্মাণৰ প্রচেষ্টাত ব্রতী হোৱা তেওঁ এজন আধুনিক কালৰ ৰাজর্ষি। তেওঁ আছিল একেধাৰে এজন বিশাল জ্ঞানপুষ্ঠ আধ্যাত্মিক তথা ভাববাদী দার্শনিক, সুদক্ষ ৰাজনীতিবিদ আৰু প্রখ্যাত শিক্ষাবিদ। এনে বহুমুখী প্রতিভাশালী ব্যক্তি এজন ভাৰতবর্ষত জন্ম গ্রহণ কৰি সুদীর্ঘকাল ভাৰতীয় ধর্ম, দর্শন আৰু ৰাজনীতিৰ ক্ষেত্রলৈ বিপুল সেৱা আগবঢ়োৱাৰ লগতে ভাৰতবাসীক এক মহান জাতি হিচাপে বিশ্বত প্রতিষ্ঠা কৰি গ'ল।

ৰাধাকৃষ্ণণৰ দার্শনিক মতাবাদসমূহ অদ্বৈত-বেদান্ত দর্শনৰদ্বাৰা অধিকভাৱে প্রভাৱিত। পৰম্পৰাগত হিন্দুধর্ম— ঐতিহ্যৰ বাতাবৰণ আৰু খৃষ্টান মিছনেৰীৰ দ্বাৰা পৰিচালিত শিক্ষানুষ্ঠানত শিক্ষা-দীক্ষাপ্রাপ্ত ৰাধাকৃষ্ণণ ভগবদ্গীতা, ব্রহ্মসূত্র আৰু নিউ টেষ্টামেন্টৰ দ্বাৰা বিশেষভাৱে অনুপ্রাণিত হৈছিল জীৱনৰ আদি ভাগতেই। ছাত্রাৱস্থাত তেওঁৰ প্রিয় পশ্চিমীয়া দার্শনিকসকলৰ ভিতৰত আছিল প্লেটো, প্লাটিনাচ, কান্ট, ব্রেডলী আৰু বার্গচ'। হেগেল আৰু হোৱাইটহেডেও তেওঁৰ চিন্তাধাৰাত প্রভাৱ পেলাইছিল। সেইখিনি সময়তে ৰামকৃষ্ণ পৰমহংস আৰু স্বামী বিবেকানন্দৰ আধ্যাত্মিক ব্যক্তিত্বৰ প্রতিও তেওঁ আকৃষ্ট হৈছিল। তেওঁ শৈশৱৰ শিক্ষা আৰু অভিজ্ঞতাৰ পৰা পাইছিল প্রাচ্যৰ জ্ঞান আৰু নিজ পাণ্ডিত্যৰ বলত পাইছিল পাশ্চাত্যৰ জ্ঞান। ভাৰতীয় দর্শন আছিল ব্যৱহাৰিক (Practical) আৰু পাশ্চাত্য দর্শন আছিল তত্ত্বমূলক (Theoritical)। পাশ্চাত্য দার্শনিকৰ মতে জগত আৰু জীৱনৰ যথার্থ জ্ঞানেই হৈছে দর্শন। সেইবাবে পাশ্চাত্য দর্শন আছিল বুদ্ধিজীৱী আৰু দার্শনিক পণ্ডিতৰ মাজত সীমাৱদ্ধ বিষয়। আনহাতে ভাৰতীয় দর্শনৰ এক ব্যাপক ব্যৱহাৰিক দৃষ্টিভঙ্গী আছে। কিয়নো ধর্মীয় আৰু তাত্ত্বিক তথা আধ্যাত্মিক জ্ঞানসমূহে ভাৰতীয় জনসাধাৰণৰ দৈনন্দিন জীৱন পদ্ধতি আলোকিত কৰিব পাৰিছে। সেয়েহে ভাৰতীয় দর্শন ব্যৱহাৰিক। প্রাচ্যৰ পৰম্পৰাগত জ্ঞান আৰু পাশ্চাত্যৰ নতুন জ্ঞান আৰু শক্তি এই দুই বিপৰীতমূখী দর্শনৰ মাজত সাঁকো নির্মাণেৰে সমন্বয় কৰি তেখেতে সঁচাকৈয়ে বিৰল প্রতিভাৰ পৰিচয় দিছিল।

ৰাধাকৃষ্ণণৰ মতে দর্শন মানৱ জীৱনৰ এটা অবিচ্ছেদ্য অংগ। ইয়াক মানৱ জীৱনৰ পৰা বাদ দিব নোৱাৰি। প্রকৃততে ভাৰতীয় দর্শন আৰু ধর্মৰ মাজত এটা ওতপ্রোত সম্বন্ধ আছে, কিয়নো ধর্মৰ উদ্দেশ্য একেটাই। তেখেতৰ মতে ধর্ম মানে হিন্দু নাইবা বৌদ্ধ নাইবা ইছলাম নাইবা খৃষ্টান ধর্ম নহয়। ৰবীন্দ্র নাথৰ দৰে তেখেতৰো গোড়া ধর্মৰ ওপৰত আস্থা নাই। তেখেতৰ মতে 'ধর্ম হৈছে অন্তৰাত্মাৰ জীৱন', ধর্ম হৈছে 'সত্য সম্বন্ধে পৰিজ্ঞান বা অন্তর্দৃষ্টি।' ৰাধাকৃষ্ণণৰ মতে, অন্তর্প্রজ্ঞাৰ দ্বাৰা আমি যথার্থ জ্ঞান লাভ কৰিব পাৰো। অন্তর্প্রজ্ঞা আৰু বৌদ্ধিক জ্ঞানৰ মাজত প্রকৃততে কোনো বিৰোধিতা নাই। অন্তর্প্রজ্ঞা বা অন্তর্জ্ঞান হৈছে বুদ্ধিৰে এক উচ্চতম স্তৰ। মোক্ষ লাভ মানৱ জীৱনৰ চৰম লক্ষ্য যদিও ৰাধাকৃষ্ণণে ব্যক্তিগত মোক্ষ লাভত গুৰুত্ব আৰোপ কৰা নাই। তেওঁৰ মতে সর্বমুক্তিয়েহে জীৱনৰ চৰম লক্ষ্য। তেওঁ কৈছে "The ultimate human destiny is not individual redemption but

universal redemption - Sarvamukti."

ৰাধাকৃষ্ণণৰ দৰ্শন প্ৰকৃততে মানুহৰ দৰ্শন। তেওঁৰ দৰ্শনিক জীৱনৰ দৰ্শন বুলি অভিহিত কৰিব পাৰি। ব্যক্তিগতভাবে ৰাধাকৃষ্ণণক প্ৰবলভাবে আকৰ্ষণ কৰিছিল জাগতিক জীৱনে, মানুহে। তেওঁৰ জীৱনৰ আদৰ্শ হৈছে— নীতিধৰ্মক সৰোগত কৰি জীৱন পৰিচালিত কৰা। নৈতিক জীৱন-যাপনত তেওঁ গুৰুত্ব দিছে। সত্যাশ্ৰয়ী, প্ৰেমপূৰ্ণ জীৱন— এয়ে আদৰ্শ জীৱন। তেওঁৰ মতে সকলো ধৰ্ম আৰু সংস্কৃতিৰ সাৰভূত আধ্যাত্মিক তত্ত্ব বা সত্য একেটাই। প্ৰাচীন ভাৰতীয় ঋষি-মুনি আৰু চক্ৰেটিছ, প্লেটো আদি দাৰ্শনিকসকলৰ দৰেই ৰাধাকৃষ্ণণে বিশ্বাস কৰে যে মানৰ জীৱনৰ চৰম লক্ষ্য হ'ল আত্মজ্ঞান লাভ কৰা। মানুহক বা জীৱনক যুক্তি-শাস্ত্ৰ, জীৱ-বিদ্যা বা সমাজ সূত্ৰৰ সাহায্যত সামগ্ৰিক বা সম্পূৰ্ণৰূপে পৰিমাপ কৰিব নোৱাৰি। পৰমসত্তা বোলা এটা বস্তু আছে যি বৈজ্ঞানিক সত্যৰ উৰ্দ্ধত। মানুহৰ এটা আধ্যাত্মিক সত্তা আছে। মানুহৰ প্ৰকৃত পৰিচয় পাব লাগিলে এই আধ্যাত্ম দৃষ্টি লাগিবই। সেয়েহে তেওঁ গুৰুত্ব দিছে আধ্যাত্মিকতাৰ ওপৰত। ঈশ্বৰলাভ মুক্তিপ্ৰাপ্তিৰ কথা বাদেই, জৈৱিক জীৱন সুন্দৰ আৰু মহৎ কৰাৰ বাবেও, সামাজিক মংগল সাধনৰ বাবেও আধ্যাত্মিকতাৰ আশ্ৰয় অপৰিহাৰ্য। আধ্যাত্মিকতা-নৈতিকতা অংগাংগীভাৱে জড়িত। এই ক্ষেত্ৰত তেওঁ আঙুলিয়াই দিছে অতি প্ৰাচীনকালৰ পৰাই ঐতিহ্য বহণ কৰি অহা প্ৰাচ্য দৰ্শনলৈ বিশেষকৈ ভাৰতীয় দৰ্শনলৈ, কিয়নো এই বিষয়ত ভাৰত পৃথিৱীৰ পথ-প্ৰদৰ্শক। ভাৰতীয় সাধক-জ্ঞানীসকলে উন্মুক্ত কৰি ৰখা আধ্যাত্ম ভাণ্ডাৰ কেৱল ভাৰতবৰ্ষৰ পুনৰজীৱনৰ বাবেই সহায়ক নহয়, বিশ্বমানৱৰ কল্যাণৰ বাবেও ই আৱশ্যক।

ৰাধাকৃষ্ণণৰ মতে জগতৰ মূল সত্যই হৈছে আধ্যাত্মিক (spiritual)। ই সকলোতে ব্যাপ্ত আছে। কিন্তু বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাৰ অগ্ৰগতি আৰু বস্তুগত মনোবৃত্তিৰ বাবেই মানুহৰ আধ্যাত্মিক সত্তা অৱস্থাত আছে। মানুহে নিজেই নিজৰ এই আধ্যাত্মিক চৰিত্ৰৰ পৰিচয় পোৱা নাই। সেয়ে ৰাধাকৃষ্ণণৰ মতে এক আধ্যাত্মিক জাগৰণৰ অবিহনে মানৱ জীৱন বিশৃংখল, দুখময় আৰু নিৰৰ্থক হৈ পৰিব। সত্য, শিৱ আৰু সুন্দৰৰ সাধনাই জীৱন। নিজৰ কৰ্ম আৰু প্ৰচেষ্টাৰ জৰিয়তে মানুহে পূৰ্ণতা লাভ কৰি জীৱনৰ চৰম লক্ষ্যত উপনীত হ'ব পাৰে। পূৰ্ণতাপ্ৰাপ্তিৰ বাবে এক দাৰ্শনিক জ্ঞান সমৃদ্ধ ধৰ্মীয় জীৱন-যাপন অতি আৱশ্যক। দৰ্শনৰ জ্ঞানৰ জৰিয়তে মানৱ জীৱন এনেদৰে পৰিচালিত কৰিব লাগে যাতে পাৰ্থিৱ জীৱন সুখ আৰু সন্তোষেৰে ভৰি পৰে। অৰ্থাৎ দৰ্শনিক আঁকোৱালি ল'ব পাৰিলেই নৈৰাশ্যকৰ সমস্যা সমাধান হ'ব আৰু শান্তি আহিব।

ড° সৰ্বেপল্লী ৰাধাকৃষ্ণণে ভাৰতীয় বেদান্ত দৰ্শনৰ লগত পাশ্চাত্যৰ বাস্তৱবাদী দৰ্শনৰ এক সুমন্বয় প্ৰতিষ্ঠা কৰিবলৈ চেষ্টা কৰিছিল। তেওঁৰ পাশ্চাত্য দৰ্শনৰ ওপৰত গভীৰ জ্ঞান আছিল। ভাৰতৰ বৈদিক, ধৰ্ম, দৰ্শন আৰু সংস্কৃতিৰ প্ৰতিও তেওঁৰ গভীৰ শ্ৰদ্ধা আছিল। তেওঁ কৈছিল যে— প্ৰাচীন বৈদিক ঋ দিনৰে পৰা নৈয়ায়িক দাৰ্শনিকসকলৰ দিনলৈকে উচ্চ পৰ্যায়ৰ জ্ঞানতত্ত্ব আৰু দৰ্শন প্ৰতিষ্ঠিত হৈছিল, তাৰ সমপৰ্যায়ৰ দৰ্শন সমগ্ৰ বিশ্বতে বিৰল।

ৰাধাকৃষ্ণণৰ মতে এই বিশ্বজগতৰ পৰম পৰম ব্ৰহ্ম। পৰম ব্ৰহ্মৰ স্বৰূপ ৰাধাকৃষ্ণণে শংকৰ বেদান্ত দৰ্শন অনুসৰিয়ে ব্যাখ্যা কৰিছে। শংকৰ বিশ্বজগতত ব্ৰহ্মাহে পৰম সত্য। ই অনাদি, অনন্ত, নি আৰু পৰম চৈতন্য স্বৰূপ। জগত আৰু ঈশ্বৰ মায়া আৰু ঈশ্বৰৰ ব্যৱহাৰিক সত্যতা আছে কিন্তু ইয়া সত্যতা নাই। অজ্ঞানতা থাকে মানে জগতৰ অবিদ্যা আঁতৰ হ'লেই জগত আৰু ঈশ্বৰৰ অ তেতিয়া ব্ৰহ্মাহে একমাত্ৰ সত্য বুলি অনুভূত হয়। পাৰমাৰ্থিক আৰু ব্যৱহাৰিক সত্যতা বুলি দুটা ধাৰণা কৰা নাই। শংকৰাচাৰ্যৰ দৰে ৰাধাকৃষ্ণণে ঈশ্বৰক অ সৃষ্টি বুলি ক'ব খোজা নাই। তেওঁৰ মতে জগত উভয়ৰে যথাৰ্থতা আছে। এই ক্ষেত্ৰত ৰাধাকৃষ্ণণৰ দাৰ্শনিক হোৱাইটহেডৰ লগত মিল আছে। মানৱী লক্ষ্য কৰিলে ঈশ্বৰেই পৰমসত্তা বা পৰম সত্য দৃষ্টিভংগীৰ পৰা তেঁৱেই পৰমেশ্বৰ ভগৱান। তেওঁ সৃ প্ৰেম আৰু কৰুণাৰ আধাৰ। জগত আৰু জীৱৰ অ কৰাৰ নিমিত্তে পাশ্চাত্য দাৰ্শনিক ডেকার্টৰ (Desc ৰাধাকৃষ্ণণে কৈছে যে আমি এটা কাৰণৰ অস্তিত্ব স্বী লাগিব। এই আদি কাৰণ স্বতন্ত্ৰ আৰু সৃজনীমূলক হ এই আদি কাৰণেই পৰমেশ্বৰ। ৰাধাকৃষ্ণণে ইয়া Idealist view of life" গ্ৰন্থত লিখিছে — "W supreme the absolute when we view from the cosmos, God in relation cosmos. The absolute is the pre- nature of God and God is the Absolu the cosmic point of view."

ৰাধাকৃষ্ণণে মানৱাত্মাৰ স্বৰূপ, ভাৰতীয় দৰ্শ সম্পৰ্কে থকা ধাৰণাৰ লগত পাশ্চাত্য দৰ্শনৰ ব্যক্তিসত্ত ধাৰণাক সংযুক্ত কৰি ব্যাখ্যা কৰিছে। এই ক্ষেত্ৰত তেওঁ ধাৰণা গ্ৰহণ কৰিছে। তেওঁৰ মতে সকলো মানুহৰে বা দিশ আছে এটা হ'ল আধ্যাত্মিক দিশ (Spiritual আৰু আনটো হ'ল জৈৱিক দিশ (material aspe মানুহৰ জৈৱিক দিশক অৱমূল্যায়ন কৰা নাই। তে জৈৱিক দিশটোৱে পাৰ্থিব আশা-আকাংক্ষাৰে ভৰা বাস্তৱিক, দৈহিক, মানসিক চৰিত্ৰক গঢ় দিয়ে। এই পৰস্পৰ— বিপৰীত নহয়। উভয়ে পৰস্পৰ— পৰি মানুহৰ জৈৱিক জীৱন আধ্যাত্মিক জীৱনৰেই এক মাথোঁ। তেওঁ ভাগৱত গীতাত লিখিছে — "The

of spirit is not cut off from the realm of life. The two orders of reality transcendent and empirical are closely related." অর্থাৎ আধ্যাত্মিক জগতখন, বাস্তৱ জীৱনৰ পৰা পৃথক নহয়। অতীন্দ্রিয় আৰু জাগতিক পৰমসত্তাৰ এই দুই ধাৰা পৰস্পৰ নিবিড়ভাৱে জড়িত হৈ থাকে।

মুঠতে ৰাধাকৃষ্ণণৰ দর্শনে জীৱনৰ পৰিপূর্ণতা, সমাজৰ অখণ্ডতা, ধর্মৰ ঐক্য-সংহতি, সামাজিক-ৰাজনৈতিক জীৱনৰ উদাৰ সাম্যদৃষ্টি আদি সকলোৰে ওপৰত গুৰুত্ব দিছে। জর্জ পি, ফাংগাৰৰ উক্তি উদ্ধৃত কৰি ক'বলৈ হ'লে— "... দর্শনৰ ইতিহাসত এনেকুৱা এজন বিশ্ববিখ্যাত ব্যক্তি পৃথিৱীত কোনো ওলোৱা নাই। বাৰাণসী আৰু অক্সফোর্ড— প্রাচ্য আৰু পাশ্চাত্যৰ এই দুই বিশ্ববিদ্যালয়ত অভিনৱ নিযুক্তিৰ ফলত তেওঁ শিপিনীৰ লাকোৰ দৰে পূৱৰ পৰা পশ্চিমলৈ অহা-যোৱা কৰিছে,— তেওঁৰ হাতত সম্প্রীতিৰ সূতা, সেই সূতাৰে তেওঁ সভ্যতাৰ কাপোৰ বৈছে।" (ৰাধাকৃষ্ণণ্ ৱর্ল্ড) ❑

সহায়ক গ্রন্থপঞ্জী ঃ

১) Contemporary Indian Philosophy : B.K. Lal.

২) Contemporary Indian Philosophy : T. M. P. Mahadevan and G. V. Saroja.

৩) **জীৱনৰ আদর্শবাদ ঃ** অনুবাদ, অধ্যাপক মহেশ চন্দ্র দেৱগোস্বামী।

৪) **সমসাময়িক ভাৰতীয় দর্শন ঃ** শ্রীমদন চন্দ্র কলিতা।

৫) **সমসাময়িক ভাৰতীয় দর্শন ঃ** ড° জ্যোৎস্না ভট্টাচার্য।

৬) **ড° সর্বেপল্লী ৰাধাকৃষ্ণন ঃ** অক্ষয় কুমাৰ মিশ্র

৭) S. Radhakrishnan : Prema Nandakumar.

শ্ৰীনিবাস ৰামানুজন ঃ জীৱন আৰু কৰ্ম

ড° গায়ত্ৰী দাস

কুৰি শতিকাৰ ভাৰতীয় গণিতৰ ইতিহাসৰ পাত লুটিয়াই চালে আমি এজন মহান গ
ল'বই লাগিব— যাৰ অসাধাৰণ প্ৰতিভাই গণিতজ্ঞসকলক চমকিত কৰি তুলিছিল, যাৰ
ওপৰত এতিয়াও গৱেষণা অব্যাহত আছে, তেৱেঁই হ'ল— শ্ৰীনিবাস ৰামানুজন। এই প্ৰবন্ধ
তেওঁৰ অতি চমুজীৱনৰ পৰিচয় আৰু বিশাল সৃষ্টিৰ কিছু আভাস পাঠকক দিবলৈ প্ৰয়াস ক

শ্ৰীনিবাস ৰামানুজনৰ জন্ম হৈছিল— ১৮৮৭ চনৰ ২২ ডিচেম্বৰত, তামিলনাড়ুৰ এ
দেউতাক কে. শ্ৰীনিবাস আয়েঙ্গাৰ এখন দোকানৰ হিচাপকৰ্তা হিচাপে কাম কৰিছিল
কমলাঠাম্মল ধৰ্মপ্ৰাণা মহিলা আছিল। ৫ বছৰ বয়সত কুম্ভকণম্ (Kumbakonam)ৰ এখ
বিদ্যালয়ত তেওঁৰ পঢ়াশলীয়া জীৱন আৰম্ভ হয়। ১৮৯৭ চনত তেওঁ জিলাৰ ভিতৰত প্ৰথ
লাভ কৰে। তাৰ পিছত ১৯০৩ চনত মাদ্ৰাজ বিশ্ববিদ্যালয়ৰ পৰা মেট্ৰিক পাছ কৰি কুম্ভকণ
Arts College ত ভৰ্ত্তি হয়। ইয়াত তেওঁ গণিতৰ লগতে আন বিষয় যেনে— ইংৰাজী, স
ৰোমান, গ্ৰীক বুৰঞ্জী, সংস্কৃত আদি পঢ়িব লাগিছিল। কিন্তু ৰামানুজনে গণিতৰ বাহিৰে বাকী
কোনোপধ্যেই মন বহুৱাব পৰা নাছিল। ফলত আন বিষয়বোৰত কৃতকাৰ্যতা অৰ্জন কৰিব নোৱা
হেৰুৱাব লগা হৈছিল। ১৯০৬ চনত কুম্ভকণমৰ পৰা মাদ্ৰাজলৈ গৈ Pachaiyappa's C
F. A. (First Examination in Arts) শ্ৰেণীত ভৰ্ত্তি হয়। তিনিমাহৰ পিছত তেওঁ ন
বাবে ঘৰলৈ গুচি আহিবলগীয়া হয়। ১৯০৭ চনত প্ৰাইভেট পৰীক্ষাৰ্থী হিচাপে পৰীক্ষা দিয়ে হ
হ'ব নোৱাৰিলে। ইয়াতেই তেওঁৰ আনুষ্ঠানিক শিক্ষাৰ অন্ত পৰে। তথাপি ৰামানুজনৰ গণিতপ্ৰী
গুণে হ্ৰাস নহ'ল। গণিতৰ প্ৰতি বিৰাগ জন্মাবলৈ দেউতাকে ১৯০৯ চনৰ ১৪ জুলাইত ২২ ব
১১ বছৰীয়া জানকী দেৱীৰ লগত বিয়া পাতি দিয়ে। অধ্যাপক ৰামস্বামী আয়াৰে ১৯১০ চনত
মাদ্ৰাজৰ একাউন্টেন্ট জেনেৰেলৰ অফিচত এটা সহায়কৰ চাকৰি যোগাৰ কৰি দিয়ে। ইয়াৰ পি
চনত তেওঁ মাদ্ৰাজৰ প'ৰ্টট্ৰাষ্টত (port trust) মাহে ২৫ টকীয়া এটা চাকৰি পায়।

ৰামানুজন ভাৰতীয় গণিতজ্ঞ হ'লেও তেওঁৰ খ্যাতি অকল ভাৰততে সীমাবদ্ধ নাছিল, ত
প্ৰেক্ষাপটতো তেওঁৰ খ্যাতিয়ে স্থান দখল কৰিবলৈ সক্ষম হৈছিল। ১৯১৩ চনত তেওঁ ব্ৰিটি
অধ্যাপক গড্‌ফ্ৰে হেৰল্ড হাৰ্ডিৰ (G. H. Hardy) সান্নিধ্যলৈ আহে আৰু তেওঁৰ আমন্ত্ৰণ ক্ৰ
চনৰ মাৰ্চ মাহত ৰামানুজনে মাদ্ৰাজৰ পৰা কেম্‌ব্ৰিজলৈ যাত্ৰা কৰে। কেম্‌ব্ৰিজত থকা সম
ৰামানুজনে ২৭ খন অতি উচ্চমানৰ গৱেষণা-পত্ৰ প্ৰকাশ কৰি উলিয়াইছিল। তাৰে ৭ খন অধ্যা
লগত যুটীয়াভাৱে প্ৰস্তুত কৰি উলিয়াইছিল। পাঠকৰ সুবিধাৰ বাবে তেওঁৰ গৱেষণা-পত্ৰৰ কিছুম
শেষত উল্লেখ কৰা হৈছে। ৰামানুজনে বিশেষকৈ (১) অখণ্ড সংখ্যাৰ সাধাৰণ ধৰ্ম (২) পূৰ্ণ সংখ্য
সংখ্যালৈ বিভক্তকৰণৰ নিয়ম (৩) অখণ্ড সংখ্যাক দুটা বা অধিক বৰ্গ, ঘন বা তাতোকৈ
যোগফল হিচাপে প্ৰকাশ কৰাৰ নিয়ম আদিৰ সম্পৰ্কে গৱেষণা কৰিছিল। ইয়াৰ উপৰিও তেওঁৰ
(Elliptical) আৰু মাপাংক (Modular) ফলনৰ বিষয়ে কৰা কামেই আটাইতকৈ বিখ্যাত
ক্ষেত্ৰলৈ উচ্চমানৰ অৰিহণা যোগোৱা বাবে ১৯১৮ চনত ৰামানুজনক "Fellow of the

Society" আৰু "Fellow of the Trinity College" উপাধিৰে সন্মানিত কৰা হয়। কিন্তু ইংলণ্ডত প্ৰায় পাঁচ বছৰ থকাৰ পিছত তেওঁ যক্ষ্মাৰোগত আক্ৰান্ত হয় আৰু ভগ্নস্বাস্থ্য লৈ ১৯১৯ চনত স্বদেশলৈ উভতি আহে। কালৰ কুটিল গতিয়ে ১৯২০ চনৰ ২৬ এপ্ৰিল তাৰিখে ৰামানুজনৰ জীৱন নিষ্ঠুৰভাৱে কাঢ়ি নিয়ে চিৰদিনৰ বাবে। ফলত সমগ্ৰ বিশ্বৰে পূৰাব নোৱাৰা ক্ষতি হ'ল।

অতি অসাধাৰণ প্ৰতিভা দেখুওৱা এইজন মহান ব্যক্তিয়ে স্কুলৰ শিক্ষা গ্ৰহণ কৰি থকা সময়ৰ পৰাই আৱিষ্কাৰ কৰা সূত্ৰ-উপপাদ্যবোৰ টোকাবহীত লিখি ৰাখিছিল। তেওঁৰ তিনিখন টোকাবহীৰ কথা সৰ্বজন-বিদিত। ইংলণ্ডলৈ যোৱাৰ সময়ত তেওঁ এই টোকাবহী তিনিখন লগত লৈ গৈছিল। ইয়াৰ উপৰিও তেওঁৰ চতুৰ্থ টোকাবহী এখন হেৰোৱা বুলি অনুমান কৰা হৈছিল। তেওঁৰ মৃত্যুৰ ৫৬ বছৰ পিছত অৰ্থাৎ ১৯৭৬ চনত আমেৰিকাৰ পেন্‌চিলভেনিয়া বিশ্ববিদ্যালয়ৰ অধ্যাপক জৰ্জ এন্দ্ৰিউজ (Geoege Andrews)ৰ প্ৰচেষ্টাত কেম্‌ব্ৰিজ বিশ্ববিদ্যালয়ৰ পুথিভঁড়ালৰ পৰা এই টোকাবহীখন উদ্ধাৰ কৰা হয়। এই টোকাবহীখন 'হেৰোৱা' টোকাবহী (Lost Note Book) বুলি জনাজাত হয়। এই চাৰিখন টোকাবহীত সৰ্বমুঠ ৪০০০ টা উপপাদ্য সন্নিৱিষ্ট হৈ আছে। এতিয়া প্ৰতিখন টোকাবহীৰ বিষয়ে অলপ আলোচনা কৰা যাওঁক।

প্ৰথম টোকাবহী ঃ এই টোকাবহীখনৰ মুঠ ১৬ টা অধ্যায়ে ১৩৪ পৃষ্ঠা দখল কৰিছে আৰু বাকী ৮৮ পৃষ্ঠাত কোনো অধ্যায়ৰ ভাগ নাই, মাত্ৰ বিভিন্ন সূত্ৰৰহে উল্লেখ আছে। মুঠ ২১২ পৃষ্ঠাৰ এই টোকাবহীখন এক বিশেষ ধৰণৰ সেউজীয়া চিয়াঁহীৰে লিখা হৈছিল। প্ৰায়বোৰ সূত্ৰ/উপপাদ্যবেই সত্যাপন বা প্ৰমাণ দিয়া হোৱা নাই।

দ্বিতীয় টোকাবহী ঃ ৩৫২ পৃষ্ঠাজোৰা এই টোকাবহীখনৰ ২১ টা অধ্যায় ২৫২ পৃষ্ঠাত সন্নিৱিষ্ট হৈ আছে। শেষৰ ১০০ পৃষ্ঠাত কিছুমান সানমিহলি সূত্ৰ পোৱা যায়। এই টোকাবহীৰ বহুতো অধ্যায়ৰ বিষয়বস্তু প্ৰথমখনৰ লগত একে, মাত্ৰ ইয়াত কিছুমানৰ সংক্ষিপ্ত প্ৰমাণ দিয়া আছে। এই টোকাবহীত ৰামানুজনে জ্যামিতি-সম্পৰ্কীয় বহুতো উপপাদ্য লিখি থৈছিল। তাৰে এটা উপপাদ্যত তেওঁ এনে এটা বৰ্গ উলিয়াবলৈ চেষ্টা কৰিছিল, যাৰ কালি এটা বৃত্তৰ কালিৰ লগত একে। পিছলৈ তেওঁ ১৯১৩ চনত ইয়াৰ ওপৰত 'squaring the circle' বুলি এখন গৱেষণা পত্ৰ ভাৰতীয় গাণিতিক সংস্থাৰ জাৰ্ণেলত প্ৰকাশ কৰি উলিয়ায়। ইয়াৰ উপৰিও এই টোকাবহীত মাপাংক সমীকৰণ (modular equation), হাইপাৰ জিওমেট্ৰিক শ্ৰেণী (hyper Geometric series, X আৰু XI নং অধ্যায়), ডায়'ফেণ্টাইন সমীকৰণ (XVIII নং অধ্যায়) আদিৰ ওপৰত কৰা কামৰ উল্লেখ আছে। ৰামানুজনৰ ডায়'ফেণ্টাইন সমীকৰণ ঃ

$X^3+Y^3=U^2$ আৰু $X^3+Y^3+Z^3=U^3$ [অ'য়লা(Euler)ৰ সমীকৰণ]

ইয়াৰ সমাধান (পৰিমেয় সংখ্যাত) তলত দিয়া ধৰণৰ ঃ

$X = m^7 - 3m^4 (1+p) + m (2+6p+3p^2)$

$Y = 2m^6 - 3m^3 (1+2p) + 1 + 3p + 3p^2$

$Z = m^6 - 1 - 3p - 3p^2$

$U = m^7 - 3m^4p + m(3p^2 - 1)$

য'ত m আৰু p যাদৃচ্ছিক ধ্ৰুবক (arbitrary constant)

তৃতীয় টোকাবহী ঃ এই টোকাবহীত ৰামানুজনৰ সংখ্যাতত্ত্ব সম্বন্ধীয় ভালেমান মূল্যবান আৱিষ্কাৰৰ উল্লেখ আছে। মাত্ৰ ৩৩ পৃষ্ঠাৰ এই টোকাবহীখন কোনো অধ্যায়তে ভাগ কৰা নাছিল। কেৱল মাত্ৰ 2, 3, 5 আৰু 7 মৌলিক উৎপাদক হিচাপে থকা 12,005 টা স্বাভাৱিক সংখ্যাৰ উল্লেখ আছে।

চতুৰ্থ টোকাবহী ঃ আগতে কোৱা হৈছে যে এই টোকাবহীখন 'হেৰোৱা' টোকাবহী (Lost Note Book) বুলি জনাজাত। আনকেইখন টোকাবহীৰ তুলনাত এই টোকাবহীখন যথেষ্ট অপৰিপাটী আৰু সানমিহলি বিষয়বস্তুৰে ভৰপূৰ। ১৪০ পৃষ্ঠাজোৰা এই টোকাবহীখনত প্ৰায় ৬০০ টা উপপাদ্য (Theorems) সন্নিৱিষ্ট হৈ আছে। ইয়াৰ বেছিভাগ উপপাদ্য "ম'ক থিতা ফলন" (Mock Theta Function)ৰ ওপৰত কৰা। জীৱনৰ শেষছোৱাত অৰ্থাৎ তেওঁ কেম্‌ব্ৰিজৰ পৰা ভাৰতলৈ ঘূৰি আহি যেতিয়া টান নৰিয়াত পৰি আছিল তেতিয়াই এই টোকাবহীখন প্ৰস্তুত কৰা বুলি ধাৰণা কৰা হৈছে। এই 'হেৰোৱা' টোকাবহীখন ৰামানুজনৰ জন্ম শতবাৰ্ষিকীত ১৯৮৭ চনত 'নৰোচা পাব্‌লিছিং হাউছে' (Narosa Publishing House) পুনৰ্মুদ্ৰণ কৰি উলিয়ায়। এই চতুৰ্থ টোকাবহীত থকা বিভিন গাণিতিক সূত্ৰ/ উপপাদ্যসমূহৰ শতাংশ হিচাপত কৰা কাম এনে ধৰণৰ—

৬০ শতাংশ ঃ q - series and related topics including Mock theta function.

৩০ শতাংশ ঃ Modular equation and relations, singular moduli.

১০ শতাংশ ঃ Integrals, Dirichlet series, congruences, asymptoties, misc.

ৰামানুজনে থিতা ফলনমানে তলত দিয়া ধৰণৰ শ্ৰেণীৰ যোগ, পূৰণ আৰু হৰণ বুলি বুজাইছিল —

$$\sum_{n=-\infty}^{\infty} (-1)^{\varepsilon n} q^{an^2+bn}$$ য'ত $\varepsilon = 0$ বা 1

উদাহৰণ স্বৰূপে —

$$\sum_{n=-\infty}^{\infty} (-1)^n q^{6n^2+4n} = 1 - q^2 - q^{10} + q^{16} + q^{32} + \ldots\ldots$$

আৰু

$$\sum_{n=-\infty}^{\infty} q^{6n^2+4n} = 1 + q^2 + q^{10} + q^{16} + q^{32} + \ldots\ldots$$

দুটা থিতা ফলন (Theta function)।

অধ্যাপক জি, এইচ্, হার্ডি (G. H. Hardy) আৰু অধ্যাপক জি, এন্, ৱাট্চন (G. H. Watson) এ ৰাম টোকাৰহী চাৰিখন প্ৰকাশ কৰি উলিয়াবলৈ মাদ্ৰাজ বিশ্ববিদ্যালয়ক অনুৰোধ জনাইছিল। কিন্তু তাত থকা 4000 টা উপ কৰি উলিওৱাটোও ইমান সহজসাধ্য কাম নহয়। ইয়াৰে কিছুমান উপপাদ্য অধ্যাপক জি. এন্ ৱাট্চন (G. N. Watso এম্ উইলচন্ (B. M. Wilson) এ প্ৰমাণ কৰিবলৈ হাতত লৈছিল যদিও সম্ভৱ হৈ নুঠিল। কাৰণ, ১৯৩৫ চনত মাত্ৰ ৩৮ ৰ উইলচন্ৰ মৃত্যু হৈছিল। অধ্যাপক ৱাট্চনে কিছু গৱেষণাপত্ৰ প্ৰকাশ কৰি উলিয়ায় যদিও পিছলৈ এই কাম ব্ৰুচ্. চি. বাৰ্ণি C. Berndt)এ হাতত লৈ বহুতো গৱেষণাপত্ৰ প্ৰকাশ কৰে আৰু ৰামানুজনৰ টোকাৰহীকেইখনৰ তথ্যবোৰ ৫টা বেলেগ ভাগ কৰে। এই ভাগসমূহৰ পৰা টোকাৰহীকেইখনত থকা অধিক তথ্যৰ উমান পোৱা যায়। এই ভাগসমূহ তলত দিয়া ধৰ

প্ৰথম ভাগ

Ch.	Subjcet	No. of Results
1.	Magic Squares	43
2.	Sums related to the Harmonic series or the inverse Tangent function.	68
3.	Combinatorial Analysis and series Inversions.	86
4.	Iterates of the Exponential Function and an Ingenius formal technique.	50
5.	Eulerian Polynomials and numbers, Bernoulli numbers and the Riemann Zeta function.	94
6.	Ramanujan's Theory of Divergent Series.	61
7.	Sums of powers, Bernoulli numbers and the Γ functions.	110
8.	Analogues of the Gamma Function.	108
9.	Infinite series Identities, Transformations, and Evaluations Ramanujan's quarterly Reports	139

দ্বিতীয় ভাগ

Ch.	Subjcet	No. of Results
10.	Hypergeometric Series I.	116
11.	Hypergeometric Series II.	103
12.	Continued Fractions.	113
13.	Integrals and Asymptotic Expansions.	92
14.	Infinite Series.	87
15.	Asymptotic Expansions Modular Forms.	94

তৃতীয় ভাগ

Ch.	Subjcet	No. of Results
16.	q-Series and Theta functions.	134

17.	Fundamental properties of Elliptic functions.	162
18.	The Jacobian Elliptic Functions.	135
19.	Modular equations of degree 3, 5 and 7 and associated theta function identities.	185
20.	Modular equations of Higher and composite degrees.	173
21.	Eisenstein Series.	45

র্থ ভাগ

Ch.	Subjcet	No. of Results
22.	Elementary results.	47
23.	Number Theory.	108
24.	Theory of prime numbers.	24
25.	Theta functions and Modular equations.	86
26.	Inversion Formulas for Lemniscate & other functions.	10
27.	Q- Series.	9
28.	Integrals.	63
29.	Special functions.	39
30.	Partial Fraction Expansions.	15
31.	Elementary and miscellaneous analysis	36
	16 chapters of first Note Book	54

ঞ্চম ভাগ

Ch.	Subjcet	No. of Results
32.	Continued fractions.	73
33.	Ramanujan's theories of Elliptic functions to Alternative Bases	62
34.	Class Invariants and singular moduli	196
35.	Value of theta functions.	24
36.	Modular equations and theta function Identities in Note Book I	87
37.	Infinite series.	53
38.	Approximations and Asymptotic Expansions.	46
39.	Miscellaneous Results in the first Note Book.	24

গতিকে দেখা গ'ল যে ৰামানুজনে গণিতৰ বিভিন্ন শাখাত বৈপ্লৱিক কাম কৰিছে আৰু প্ৰত্যেক ক্ষেত্ৰতেই তেওঁৰ কৃতিত্বৰ স্বাক্ষৰ লিকি আছে। তেওঁ অকল ভাৰতৰে নহয়, সমগ্ৰ বিশ্বৰে এক উজ্জ্বল জ্যোতিষ্ক। বহুতৰে প্ৰতিভা থাকিলেও উপযুক্ত সময় আৰু সুবিধাৰ ভাৰত বিকশিত হ'বলৈ নাপায়। ৰামানুজনৰ জীৱনলৈয়ো হয়তো তেনে এজন গণিতজ্ঞ অধ্যাপক জি. এইচ্ হার্ডি (G. H. Hardy) ী হ'লে তেওঁক আজি বিশ্বই ইমান মহান গণিতজ্ঞ বুলি জানিব নোৱাৰিলেহেঁতেন। ❑

ংগ পুথি ঃ

১) Srinivasa Ramanujan : *A Mathematical Genius by K. Srinivasa Rao.*

২) প্ৰসিদ্ধ ভাৰতীয় বিজ্ঞানী ঃ *ড° ৰমেশ চন্দ্ৰ গোস্বামী।*

আনন্দৰাম ঢেকিয়াল ফুকনৰ ব্যক্তিত্ব আৰু অসমীয়া ভাষা উদ্ধাৰৰ প্ৰথম আন্দোলন

হীৰেন্দ্ৰ নাথ শইকীয়া

ঊনবিংশ শতিকাৰ প্ৰথমার্দ্ধ অসমীয়া ভাষাৰ এক সন্ধিক্ষণৰ যুগ। এই শতিকাৰ আৰম্ভণি ভাষা-সাহিত্যই সান্ধ্য পোহৰত থমকি ৰৈ গ'ল আৰু পুৰণি পথৰ পঁজালে পঁজালে হাতত লৈ (বৰ্তমান) যুগৰ 'নৱজোৱান' এদল আগবাঢ়ি আহিল। ছশ বছৰীয়া আহোম শাসনৰ অন্ত হৈ ইংৰাজসকলে থিতাপি লওঁ-নলওঁতেই ১৮২৯ খ্ৰীষ্টাব্দৰ ২৪ ছেপ্টেম্বৰত গুৱাহাটীত আনন্দৰাম ফুকনৰ জন্ম হয়।

আনন্দৰামৰ পিতৃ হলিৰাম ঢেকিয়াল ফুকন এজন ইংৰাজ আমোলৰ পাতনিত নামজলা পৰ্যায়ৰ ৰাজ বিষয়া। তেওঁৰ স্বাধীন-চেতা মনোভাৱ আৰু সুদক্ষ কৰ্ম পৰিচালনাৰ কাৰণে সমাদৰ কৰিছিল। পৈত্ৰিক উত্তৰাধিকাৰী সূত্ৰে পোৱা 'দু�ৰৰীয়া বৰুৱা' পদৰ পৰা অতি কম বয়সতে তেওঁ গুৱাহাটীৰ এচিষ্টেণ্ট মেজিষ্ট্ৰেট পদত নিযুক্ত হয়। মাত্ৰ ৩৫ বছৰ বয়সতেই তেওঁৰ মৃত্যু হয়। ভাষাত বিদ্যাৰম্ভ কৰি বঙলা ভাষাতো সুপণ্ডিত হোৱাৰ উপৰিও, ইংৰাজী ভাষাতো ঘৰুৱা কথা কৰি প্ৰতিপত্তি লাভ কৰিছিল। পিতৃৰ মৃত্যুৰ সময়ত আনন্দৰামৰ বয়স মাত্ৰ তিনি বছৰ।

পাঁচ বছৰ বয়সত আনন্দৰামৰ শিক্ষা আৰম্ভ হয়। প্ৰথমে এজন অধ্যাপকৰ ঘৰত সাধু পঢ়ে। সেই সময়ত উচ্চ বংশীয় ল'ৰাই সংস্কৃত টোলতেই বিদ্যাৰম্ভ কৰে। নিচেই সৰুতে পিতৃ হোৱাত, খুৰাক যজ্ঞৰাম খাৰঘৰীয়া ফুকনৰ অকালতে মৃত্যু হোৱাত, প্ৰকৃতাৰ্থত পৰিয়ালটোৰ মুৰব্বী নাইকীয়া হ'ল। সেই সময়ত গুৱাহাটীত থকা মেথী আৰু জেন্‌কিন্স চাহাবে আনন্দৰাম আৰু দূর্গাৰামৰ পঢ়া-শুনাৰ তদাৰক কৰে। ১৮৩৫ খ্ৰীঃত গুৱাহাটীত 'ইংলিচ চেমিনাৰী' নামে এটি মাধ্যমৰ প্ৰথম স্কুল স্থাপন কৰা হয়। ১৮৩৭ খ্ৰীঃত মেথী আৰু জেন্‌কিন্স চাহাবে আনন্দৰাম আৰু তাত নাম লগাই দিয়ে। আনন্দৰাম সৰুৱে পৰা বৰ চোকা আৰু অধ্যৱসায়ী আছিল কাৰণে দুজনৰ চেষ্টা আৰু উদগনিত ১৮৪১ খ্ৰীঃত আনন্দৰামৰ ১১ বছৰ বয়সত উচ্চ শিক্ষাৰ কাৰণে পঠোৱা হ'ল। এই দুজন উৎসাহী চাহাবৰ যোগেদিয়েই আনন্দৰাম আৰু দূর্গাৰামে কলিকতাৰ হিন্দু জুনিয়ৰ ডিভিজনৰ ৩য় শ্ৰেণীত নাম লগালে। কলিকতাত ভৰি দিয়েই আনন্দৰামে এখন নতুন নতুন সূর্যৰ পোহৰ দেখা পালে। কিশোৰ আনন্দৰামে জীৱনৰ প্ৰতিটো মুহূৰ্তকে জ্ঞান সাগৰৰ মুকুতা বুটলাত লাগিল। দুর্বিপাকত ১৮৪২ চনত কলিকতাতেই দূর্গাৰামৰ আকস্মিক মৃত্যু হ'ল। মুৰত লিখিব পৰা কেইজনমান অসমীয়াৰ মাজত তেওঁ বৰ অকলশৰীয়া অনুভৱ কৰিলে। ১৮৪৩ চনত আনন্দৰামে কলেজৰ চিনিয়ৰ শ্ৰেণীলৈ প্ৰমোচন পায়। ইতিমধ্যে তেওঁৰ গুৱাহাটীৰ ঘৰত ভালেমান অশান্তিয়ে দেখা দিয়াত তেওঁৰ মাকে আনন্দৰামক কলিকতাৰ পৰা আনি দিবলৈ মেথী আৰু জেন্‌কিন্স চাহাবক বৰকৈ খাটনি ধৰিলে। শেহান্তত আনন্দৰামে মাত্ৰ চাৰি বছৰ কালৰ শিক্ষা জীৱন সামৰি চনৰ জানুৱাৰি মাহত গুৱাহাটীলৈ উভতি আহিবলগীয়া হ'ল। সেই শিক্ষানুষ্ঠানৰ পৰা কলেজ ডিগ্ৰী দিবলৈ নাপলে।

কলিকতাৰ চমু জীৱনে আনন্দৰামক নতুন জীৱন দিলে। পশ্চিমীয়া সভ্যতাৰ ন-পোহৰে

মাজ-জীৱন, জাতীয়-জীৱন গভীৰ অধ্যয়ন, জাতীয় তনাবোধেৰে আত্মমুক্তিৰ ফলত, শিল্প-বাণিজ্যৰ যোগেদি জাতীয় ীৱনৰ অৰ্থে সামাজিক বুনিয়াদ গঢ়াৰ উদ্দীপনা পালে। কৰ্মমুখী াৰু কৰ্মবিমুখীৰ ক্ৰমে স্বৰ্গসুখ আৰু নৰক-যাতনা দেখিলে; জীয়াই াকিলেই জাতি নহয়। উন্নত মানদণ্ডেৰে ৰাজহাড় পোনাই অনাৰ গত পৰিচয় দিব পাৰিলেহে জাতি।

গুৱাহাটীলৈ আহি আনন্দৰামে জ্ঞান আহৰণৰ পাথেয় ভাষা ধ্যয়নত একাগ্ৰতাৰে লাগিল। মেথী চাহাবৰ ওচৰত, ৰেভাৰেণ্ড ণ্ড চাহাবৰ ওচৰত ইংৰাজী ভাষাৰ অধ্যয়নত গভীৰভাৱে ব্ৰতী ল। ড° জনচনৰ অভিধান, মুৰেৰ Encyclopaedia আৰু লেমান ইংৰাজী গ্ৰন্থৰ তেওঁ খৰছি মাৰি অধ্যয়ন কৰিছিল। সংস্কৃত ষাৰ প্ৰাথমিক জ্ঞান তেওঁ পাইছিলেই। স্থানীয় মুন্সী পণ্ডিতৰ ওচৰত ওঁ ফাৰ্চী আৰু উৰ্দু ভাষাও ভালকৈ শিকিছিল। ভৱিষ্যতে এজন ায়িক দণ্ডাধীশ নাইবা উচ্চ প্ৰশাসক হোৱাৰ মানসেৰে সুদক্ষ ৰোমিন চন্দ্ৰসেন ভৰালী কাকতিৰ ওচৰত আইন আৰু শাসনৰ ষয়ে প্ৰশিক্ষণ লৈছিল। বঙলা ভাষাতো তেওঁৰ সম্পূৰ্ণ দখল ছিল। এটা কথা উল্লেখনীয় যে আনন্দৰামে কলিকতাৰ পৰা হোতে অন্যান্য ভালেমান আচবাব পত্ৰৰ লগতে চাৰিটা আলমাৰী দখুৱাই ভালেমান মূল্যৱান কিতাপ লৈ আহিছিল।

১৮৪৭ চনৰ নবেম্বৰ মাহত আনন্দৰাম ঢেকিয়াল ফুকনে ৰোৱীত মুন্সিফ হিচাপে প্ৰথম চাকৰিত সোমায়। ১৮৪৯ চনত ওঁ বিজনী জমিদাৰৰ দেৱান হিচাপে প্ৰমোচন পায়। সেই সময়তে ওঁ 'ফুকন দেৱানৰ কায়দা বন্দী' নামে এখন ৰাজহ, শান্তিৰক্ষা, ণৰ বিষয়াসকলৰ কৰ্ম বিধান সম্পৰ্কে এখন কিতাপ লিখে। 'সদৰ ৱানী নিষ্পত্তি' নামে এখন বিচাৰ সিদ্ধান্তমূলক বঙলা ভাষাত খা কিতাপো লিখি তেওঁ প্ৰচাৰ কৰিছিল। বঙলা ভাষাত এনে ণৰ কিতাপ এইখনেই প্ৰথম। বঙলা ভাষাৰ ওপৰত থকা তেওঁৰ লৰ কথা নিজে এইদৰে উল্লেখ কৰিছে— "We have aquired me acquaintance with both the written and spoken nguage of Bengal during a long sojourn in that untry." এনেদৰে পহিলা অৱস্থাৰ পৰাই আনন্দৰামে পৈত্ৰিক ত্তৰাধিকাৰী হিচাপে অধ্যয়নপূষ্ট জ্ঞান-গভীৰ লিখনি চলাবলৈ ৰ্থবান হৈছিল।

১৮৩৬ খ্ৰীঃত আমেৰিকান ৰেপ্তিষ্ট মিচনেৰীসকলৰ ামলৈ শুভাগমন হয়। ড° নাথান ব্ৰাউনে সপৰিয়ালে আহি য়াত তিনি বছৰ কাল কটায়। খামটি বিদ্ৰোহত থাকিব নোৱাৰি ৰ পৰা জয়পুৰলৈ আহে। জয়পুৰৰ অস্বাস্থ্যকৰ পৰিৱেশত থাকিব ৰাৰি (নিজৰ গাভৰু জীয়েকৰ মৃত্যু হোৱাত) ১৮৪৩ খ্ৰীঃত সাগৰলৈ আহে। ৰেভাৰেণ্ড কট্টাৰ, হোইটিং বাৰ্কাৰ, মাইলচ, ন আদি মিছনেৰীসকলৰ অশেষ চেষ্টাত উজনি অসমত খ্ৰীষ্ট ৰ্ম প্ৰচাৰৰ যো-জা চলিল। এই মিছনেৰীসকলেই অসমলৈ ছপাযন্ত্ৰ লে। তেওঁলোকে অসমীয়া থলুৱা ভাষা শিকিলে। অসমৰ পুৰণি পুথি-পাঁজি (বিশেষকৈ বুৰঞ্জী) সংগ্ৰহ কৰি অসমীয়া ভাষাৰ লিখন পদ্ধতি ঠাৱৰালে। মানুহৰ কথিত ভাষাৰ ধ্বনিৰ ওপৰত বুনিয়াদ গঢ়ি অসমীয়া বৰ্ণমালাৰ সৰল সংকোচনৰ ব্যৱস্থা কৰিলে। ভাষাৰ মান্যৰূপ দিবৰ কাৰণে ব্যাকৰণ পুথি, শব্দকোষ বা অভিধান লিখিবলৈ ল'লে। তেওঁলোকে ছপাশাল পাতি সৰু সৰু উপদেশমূলক, ধৰ্মমূলক, সাধুকথা, ঠাইৰ বিৱৰণ আদি লিখি ছপা কৰি কেতিয়াবা বিনামূলীয়াকৈ, কেতিয়াবা সামান্য মূল্যেৰে মানুহৰ মাজত বিলালে। অসমৰ জাতীয় জীৱনলৈ এক নতুন অৱদান আগবঢ়ালে। বাৰ্তালোচনী— ১৮৪৬ চনত নাথান ব্ৰাউনৰ সম্পাদনাৰে শিৱসাগৰত পতা American Beptist Mission Press– ৰ পৰা ১ম অসমীয়া বাৰ্তালোচনী 'অৰুণোদই' প্ৰকাশিত হ'ল। মাহেকীয়া এই আলোচনীত বাৰ্তা বা সংবাদৰ উপৰিও বিভিন্ন ৰুচি আৰু তথ্যৰ বিৱৰণ দাঙি ধৰা হ'ল। উদ্দেশ্য অসমৰ আকাশৰ কলীয়া ডাৱৰৰ অন্ধকাৰ আঁতৰাই নতুন প্ৰভাতৰ উদিত সূৰ্যই জীৱনৰ উত্তাপ আৰু জ্ঞানৰ পোহৰ বিলাওক।

১৮৩৫ চনতেই যদিও ভাৰতৰ ইংৰাজ শাসকবৰ্গই আঞ্চলিক থলুৱা ভাষাৰে পঢ়াশালিত শিক্ষা ব্যৱস্থা আৰু আদালতত প্ৰয়োগ কৰাৰ আইন কৰিছিল; তথাপি অসমৰ ক্ষেত্ৰত ব্যতিক্ৰম হ'ল। স্বাৰ্থান্বেষীৰ বিৰূপ প্ৰভাৱৰ ফলত অসমৰ আদালতসমূহত আৰু পঢ়াশালিত অসমীয়া আঁতৰাই বঙলা ভাষা চলোৱাৰ নিয়ম কৰিলে। ১৮৩৬ চনত এই ব্যৱস্থা বলবৎ কৰা হ'ল। বৃটিছসকলৰ এই কামৰ প্ৰতিবাদ কৰিবলৈ কোনো অসমীয়া লোক আগবাঢ়ি নাহিল। অসমীয়া ভাষাৰ বিপৰীতে বঙলা প্ৰচাৰৰ সিদ্ধান্ত একেবাৰেই ক্ষেত্ৰ ভিত্তিক নাছিল। গতিকে বঙলা ভাষাৰেই অসমীয়াই শিক্ষা লোৱা, আদালতত কাম-কাজ চলোৱাত বিভ্ৰাট দেখা দিলে। শিক্ষক আৰু ছাত্ৰৰ মাজত ভাষাৰ সম্পৰ্কহীনতাই জ্ঞান আহৰণ কৰা দূৰৰ কথা, ভাষা বুজাই মস্কিল হৈ পৰিল। এই ভ্ৰান্তিকৰ অৱস্থাৰ প্ৰথম প্ৰতিবাদ জনালে আমেৰিকান ৰেপ্তিষ্ট মিচনেৰীসকলে। তেওঁলোকে ক্ষেত্ৰভিত্তিক ভাষাজ্ঞানৰ শক্তিৰে অসমীয়া ভাষাৰ অস্তিত্ব ৰক্ষা কৰিবলৈ হাতে-কামে উঠি-পৰি লাগিল। সমান্তৰালভাৱে অসমীয়া ভাষাৰ পঢ়াশালি পাতিলে। ছপাশাল পাতি অসমীয়া ভাষাৰে কিতাপ পত্ৰ লিখিলে। স্কুলীয়া পাঠ্য পুথি প্ৰণয়ন কৰি, ছপাই সেই বোৰৰ দ্বাৰাই নতুন জ্ঞানৰ দুৱাৰ মুকলি কৰিলে। যিটো কাম বঙলা ভাষাৰ দ্বাৰা সম্ভৱ নহ'ল আৰু কোনো কালে নহ'বও। ইংৰাজসকলৰ কোঢ়ামুঠীয়া ভাষা-নীতিৰ দ্বাৰাই অসমীয়াৰ জাতীয় জীৱনলৈ আনিলে এক প্ৰত্যাহ্বান। এই প্ৰত্যাহ্বানৰ প্ৰথমজন অসমীয়া সিংহ পৰুষ হ'ল আনন্দৰাম ঢেকিয়াল ফুকন। অসমীয়া ভাষা সংৰক্ষণ বিপ্লৱত ফুকনৰ ব্যক্তিগত ভূমিকা এক লক্ষণীয় বিষয়। মিছনেৰীসকলৰ দ্বাৰা প্ৰচাৰিত 'অৰুণোদয়' কাকতত ফুকন ডাঙৰীয়া নিয়মীয়া লিখক হ'ল। ১৮৪৭ চনৰ অৰুণোদয়ৰ ২য় বছৰৰ ৪র্থ সংখ্যাত তেওঁৰ প্ৰথম প্ৰবন্ধ প্ৰকাশ হ'ল 'ইংলণ্ডৰ বিৱৰণ'। ফুকনে এই প্ৰবন্ধত অসমীয়া জাতিৰ অৱক্ষয়ৰ কাৰণসমূহ ভালদৰে ফঁহিয়াই

চাইছে আৰু তাৰ সমাধানৰ উপায়ো দিছে। ১৮৪৯ চনত 'অসমীয়া ল'ৰাৰ মিত্ৰ' (The young friend of Assam) নামে ২য় আৰু ৩য় খণ্ডত বিভক্ত পুথি লিখি, গাঠিৰ ধন আৰু দান-বৰঙণিৰে কলিকতাৰ সমাচাৰ চন্দ্ৰিকা প্ৰেছৰ পৰা ছপা কৰি উলিয়ায়। বুৰঞ্জী, বিজ্ঞান, ভূগোল আদি বিষয়ৰ লগতে চৰিত্ৰ গঠন, কৰ্তব্যমুখী জীৱন, ত্যাগ, দয়া, ক্ষমা আদিৰ উপদেশমূলক প্ৰবন্ধৰে এই দুয়োটা কাণ্ডকে সজোৱা হৈছিল। প্ৰকৃততে স্কুলীয়া পাঠ্যপুথিৰ উদ্দেশ্য আগত ৰাখিহে এই পুথি লিখা হৈছিল। এই পুথিও ছোৱা-ছোৱাকৈ অৰুণোদইত প্ৰকাশ হৈছিল।

ফুকন ডাঙৰীয়াই তেওঁৰ লেখাত মিচনেৰীসকলে ব্যৱহাৰ কৰা অসমীয়া ভাষাকেই সাৰোগত কৰিছিল। কিন্তু তেওঁৰ থলুৱা ভাষাৰ আজন্ম সম্পৰ্ক থকাৰ কাৰণে, ভাষা অধিক শুৱলা হৈছিল। মানুহৰ অন্তৰ চুই যাব পৰাকৈ থলুৱা শব্দ ব্যৱহাৰ কৰিছিল। যেনে, 'কিন্তু যদি সিসু কালৰে পৰা বিদ্যা নিসিকা ডাঙ্গৰ হলেও সিকিবা, আৰু বিদ্যা সিকিবৰ কাল গ'ল নুবুলি পুৰুষাৰ্থহে কৰিবা; আদিতে বিদ্যা সিকিবলৈ টান দেখি ভাল নেপাব পাৰা, কিন্তু কিচুমান শ্ৰম কৰি বিদ্যাৰ অলপ সোৱাদ বুজিব পাৰিলে, পাচে তোমাৰ পৰ্হিবলৈ আপুনি অভিলাস হ'ব। অগিয়ানে এই শ্ৰমকে সহিব নোআৰি অৱশেষ মুৰ্খ হই।' ফুকন আছিল সংস্কৃত ভাষাত দখল থকা লোক। ঠায়ে ঠায়ে যুক্ত ব্যঞ্জনবৰ্ণ ব্যৱহাৰ কৰিলেও শ, ষ, স, ৰ ঠাইত 'স'; 'চ' আৰু 'ছ' ৰ ঠাইত 'চ'; জ, য, ৰ ঠাইত জ বেছিকৈ ব্যৱহাৰ কৰিছে। পৰাপক্ষত 'ঈ' পৰিহাৰ কৰিছে। ঋ, ঊ, ঢ়, ৱ এই কেইটা ধ্বনি-লিপিৰ ব্যৱহাৰ কৰা নাই।

অসমত জাপি দিয়া বঙলা ভাষাৰ পৰিৱৰ্তে পুনৰ অসমীয়া চলাবলৈ যি আন্দোলন গঢ়ি উঠিছিল, তাত ফুকন ডাঙৰীয়াই লোৱা ভূমিকাও এটা লক্ষণীয় বিষয়। ২৪ বছৰীয়া এজন চফল ডেকাৰ ধৈর্য আৰু সাহস মন কৰিবলগীয়া। এহাতে তেওঁ বৃটিছ চৰকাৰৰ এজন উচ্চপদস্থ বিষয়া, আনহাতে ভাষা জননীৰ হৃত সন্মান উদ্ধাৰ কৰিবলৈ ওলোৱা এজন প্ৰকৃত দেশ প্ৰেমিক। ইংৰাজৰ বিৰুদ্ধে মুকলি বিদ্ৰোহ কৰাৰ তেওঁ পক্ষপাতী নাছিল। কাৰণ ইতিমধ্যে তেনে মুকলি বিদ্ৰোহ কেইবাটাও সম্পূৰ্ণৰূপে বিফল হৈছে। সেই সময়ত ছেদেলি-ভেদেলি হোৱা অসমীয়া সমাজত বিদ্ৰোহৰ বাতাবৰণ সৃষ্টি কৰিবপৰা অৱস্থা নাই, উপযুক্ত নেতৃত্ব দিবপৰা লোকৰো অভাৱ। সেই কাৰণে ফুকনে ভাষা উদ্ধাৰৰ ক্ষেত্ৰত নৰম পন্থা অৱলম্বন কৰিছিল। এজন ৰাজবিষয়া হিচাপে ইংৰাজৰ লগত থাকিয়েই প্ৰকৃত যুক্তি আৰু ন্যায়ৰ দ্বাৰাই উদ্দেশ্য সাধনত তেওঁ ব্ৰতী হ'ল। আত্মবলৰ কাৰণেই এই কামত সফল হ'বই বুলি তেওঁৰ দৃঢ় বিশ্বাস আছিল। মাইলচ্ ব্ৰনচন আৰু নাথান ব্ৰাউন চাহাবৰ লগত সততে যোগাযোগ কৰিছিল। ইয়াৰ উপৰিও ভালেমান ইংৰাজ বিষয়াৰ পৰাও ফুকনে দিহা-পৰামৰ্শ পাইছিল। ভাষাটোক পুনৰ প্ৰতিষ্ঠা কৰাটো এজনৰ কাম হ'ব নোৱাৰে; সংগবদ্ধ দলীয় প্ৰচেষ্টাৰ ফলহে।

অসমৰ বৃটিশ প্ৰশাসনৰ ভালেমান খেলি-মেলি, আদালত আৰু পঢ়াশালিত ব্যৱহাৰ হোৱা ভাষা আদিৰ বি
ওজৰ-আপত্তি ইতিমধ্যে কলিকতাস্থ প্ৰশাসকৰ হ
এই সকলোবোৰৰ পৰ্যালোচনা কৰি এখন প্ৰতিবেদন
কলিকতাৰ সদৰ দেৱানী আদালতত বিচাৰক মিঃ এ
মিলচ্ক ১৮৫৩ চনৰ আগভাগত অসমলৈ পঠোৱ
চাহাবৰ ওচৰত দাখিল কৰা ফুকনদেৱৰ প্ৰতিবেদ
বেলেগ ভাগত বিভক্ত। (১) Report on the p
Assam এইখন তেওঁৰ নিজৰ নামত লিখি দাখি
আনখন হ'ল— (২) A few remarks on the
language and on vernacular education in
প্ৰতিবেদনৰ তলত "By a native" বুলি দিয়া হৈ

Report on the province of Assam
প্ৰতিবেদনত সেই সময়ত ইংৰাজ শাসনত অসমৰ অ
পৰা উদ্ভৱ হোৱা আসোঁৱাহবোৰ দেখুৱাই তাৰ প্ৰ
নিৰ্দেশিত হৈছে। আইনৰ লিখিত ব্যৱস্থাপনাৰ লগত
ভালেমান অসুবিধা থাকে। ফুকনদেৱে তেনেকুৱা খে
তন্নতন্নকৈ পৰ্যবেক্ষণ কৰিছিল আৰু প্ৰতিবেদনত সেই
কৰিছিল। অসমত ভালেমান থলুৱা বৈষম্য আছে। ে
এবুৰি সমস্যাৰ অন্ত পেলাই দেশত শান্তি-শৃঙ্খলা আনি
ইংৰাজৰ শলাগ লোৱা হৈছে। অসমৰ কৃষি ব্যৱস্থা
কাৰণে নৈত বান্ধ, নলাৰে পানী যোগান, উন্নত বীজ,
কৃষি সামগ্ৰীৰ বাণিজ্য ব্যৱস্থাৰ কথা উল্লেখ কৰি
পদ্ধতিৰে কাৰিকৰী শিক্ষা ব্যৱস্থাৰ কথাও জনোৱা
ৰাস্তা-ঘাট আদিৰ অৱস্থা অতি দুখ লগা। ইংৰাজ চৰ
অন্যান্য প্ৰদেশত ৰাস্তা-পদুলিৰ উন্নতিৰ যিদৰে ব্যৱস্থা
অসমতো ল'ব লাগে। অসমৰ ঐতিহ্য স্বৰূপ মঠ-
ক্ষেত্ৰতো সহানুভূতি দেখুৱাই সেইবোৰ আপদালেৰে
প্ৰয়োজন। বৰবিহ কানিয়ে অসমৰ যি সৰ্বনাশ কৰিছে
কৰিব লাগে। আফু খেতি বন্ধ কৰি কানিৰ ওপৰত অধি
পট্টাৰ যোগেদিহে সীমিত কানি যোগানৰ ব্যৱস্থা কৰি
জনায়। মানুহৰ মৃত্যুৰ হাৰ অসমত বৰ বেছি। কোনো
ৰূপ ধাৰণ কৰি অসমৰ গাঁও-ভূঁই জনশূন্য কৰি পেলা
কলিকতাৰ নিচিনাকৈ অসমৰ কোনো এখন চহৰ
মহাবিদ্যালয় স্থাপন কৰাটো একান্ত প্ৰয়োজন। অসমৰ ই
প্ৰৱৰ্তনৰ পাছত, পুলিচ বিভাগ, আদলতৰ বিভিন্ন বি
আৰু ওকালতি, দেৱানী, ফৌজদাৰী, ৰেজিষ্ট্ৰেচন ৰাজ
আদিত থকা আসোঁৱাহবোৰ তেওঁ প্ৰতিৱেদনত দাঙি
তাৰ প্ৰতিকাৰৰ ব্যৱস্থাও সজোৰে ইংগিত দিয়ে।

Report on the province of Assam
Education and School আৰু (b) Language of
শীৰ্ষক ভাগ দুটা আমাৰ কাৰণে বৰ মূল্যবান। দেশৰ উ
ভাষাৰ সম্পৰ্ক নিবিড়। অসমত পুৰণি শিক্ষা ব্যৱস্থা

সংস্কৃত ভাষাই মূল ঠাই পাইছিল। জ্ঞান আহৰণৰ ভাষা সংস্কৃত আৰু সেই জ্ঞান জন সমাজত বিলাই দিয়াৰ ভাষা শুধ অসমীয়া। অসমৰ শাসনভাৰ ইংৰাজে লোৱাৰ প্ৰথম দহোটা বছৰ যদিও অসমীয়াই আছিল তথাপি ১৮৩৬ চনৰ পৰা হঠাতে বঙলা হৈ যোৱাত অসমৰ শিক্ষা আৰু পঢ়াশালিবোৰ স্থবিৰ হৈ পৰিল। ফুকনৰ মতে আধুনিক বঙলা ভাষা ইংৰাজীৰ আপদালত চহকী হৈছে সঁচা, কিন্তু অসমীয়া ভাষাৰ উন্নতিৰ পথ পঢ়াশালিত প্ৰয়োগ কৰা বঙলা ভাষাই ৰুদ্ধ কৰি ৰাখিছে। এই ব্যৱস্থাই কেনেদৰে বাধাৰ সৃষ্টি কৰিছে তাৰ সমৰ্থনত ভালেমান তথ্যভিত্তিক উদাহৰণ দাঙি ধৰি অসমৰ পঢ়াশালিত অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তনৰ দাবী জনাইছে। লগতে উচ্চ শিক্ষাৰ কাৰণেও ইংৰাজী ভাষাৰ ওপৰতো গুৰুত্ব দিছে। ঠায়ে ঠায়ে উপযুক্ত কিতাপ-পত্ৰৰ দ্বাৰা সজ্জিত পুথিভঁৰাল আৰু গাঁও অঞ্চলত ভ্ৰাম্যমান পুথিভঁৰালৰ ব্যৱস্থা কৰিবলৈকো আবেদন জনাইছে।

আদালতৰ ভাষাৰ বিষয়ে ফুকনে এই প্ৰতিবেদনত উল্লেখ কৰিছে যে ১৮৩৭ চনৰ ভাৰত চৰকাৰৰ ২৯ নং আইনৰ দ্বাৰা জিলা আদালতসমূহত মাতৃভাষা (vernacular language) ব্যৱহাৰ কৰিব লাগে। কিন্তু অসমৰ আদালতত কিয় বঙলা ভাষা চলাই থকা হৈছে তাৰ কাৰণ জনা নাযায়। আদালতৰ বিচাৰকমণ্ডলী আৰু কৰ্মচাৰী সকলো বঙলা ভাষাত কোৱা আৰু লিখাত অভ্যস্ত নহয়। ইয়াৰ ফলত বৰ অসহনীয় বিভ্ৰাটৰ সৃষ্টি হৈছে। বঙলাৰ লগত সাদৃশ্য থকাটোৱেই দুয়োটা ভাষা একে নহয়। বঙলা ভাষাৰ লগত অসমীয়া ভাষাতকৈ উড়িয়া ভাষাৰ সাদৃশ্য বেছি। কিন্তু উড়িয়া প্ৰদেশৰ আদালতত উড়িয়া ভাষাহে ব্যৱহাৰ কৰা হয়। অসমৰ ক্ষেত্ৰত এই বৈষম্যৰ নীতি কোনো কাৰণতেই ন্যায় সংগত হ'ব নোৱাৰে।

ঢেকিয়াল ফুকনে চাকৰিৰ থল বৰপেটাৰ পৰা এক পষেকৰ ছুটী লৈ আহি গুৱাহাটীত মিলচ্ চাহাবক লগ ধৰি এই প্ৰতিবেদনখন দিয়েহি আৰু মুখেৰেও তেখেতৰ আগত সকলো কথা খুংখানুপুংখুকৈ ব্যাখ্যা কৰে। ঢেকিয়াল ফুকনৰ পাণ্ডিত্য, দক্ষতা আৰু সাহসৰ প্ৰতি মিলচ্ চাহাবে স্বাগত জনায়। আৰু আবেদন গ্ৰহণ কৰি তেওঁ দাখিল কৰিবলগীয়া প্ৰতিবেদনৰ লগত পৰিশিষ্ট হিচাপে গাঠি দিয়ে।

মধ্য ঊনবিংশ শতাব্দীত অসমত বঙলা ভাষা আঁতৰাই অসমীয়া ভাষা পুনৰ প্ৰৱৰ্তন কৰাৰ প্ৰৱল আন্দোলন গঢ়ি উঠিছিল। খ্ৰিষ্টান মিছনেৰীসকলে এই আন্দোলনৰ গুৰি ধৰিছিল। ফুকন ডাঙৰীয়াই অসমীয়াসকলৰ মাজৰ পৰা একমাত্ৰ সহযোগী হিচাপে মিছনেৰীসকলক বিভিন্ন তথ্য আৰু পাণ্ডিত্যপূৰ্ণ যুক্তিৰে প্ৰভূত সহায় আগবঢ়াইছিল। "A few remarks on Assamese language and vernacular Education in Assam" নামৰ এখন ইংৰাজীত লিখা সৰু কিতাপ ১৮৫৫ খ্ৰীঃত প্ৰকাশ কৰে। কিতাপ খনৰ লিখক "By a native" বুলি উল্লেখ কৰি ফুকনে নিজৰ নাম নিদিলে। অসমৰ এই প্ৰথম ভাষা আন্দোলনত এই কিতাপখনেই এপাট ব্ৰহ্মাস্ত্ৰৰ দৰে কাম কৰিছিল!

ঢেকিয়াল ফুকন এজন ভাষা বিজ্ঞানী নাছিল কিন্তু তেওঁৰ লেখাত এজন সুদক্ষ তুলনামূলক ভাষা বিজ্ঞানীৰ গুণসমূহ প্ৰকাশ পাইছে। লিখিত তথ্যভিত্তিক প্ৰমাণেৰে তেওঁ পুনৰ সাব্যস্ত কৰিবলগীয়া হৈছিল যে অসমীয়া আৰু বঙলা একেটা ভাষা নহয়, নাইবা অসমীয়া ভাষা বঙালী ভাষাৰ ঠাল নহয়। অতি প্ৰাচীন সাহিত্য কীৰ্তিৰে সমৃদ্ধ অসমীয়া ভাষা সুকীয়া। মূল সংস্কৃত ভাষাৰ পৰাই বিৱৰ্তনৰ মাজেদি অসমীয়া, বঙলা, হিন্দী, উড়িয়া আদি আঞ্চলিক ভাষাসমূহৰ শব্দ, শব্দ গঠনৰ প্ৰক্ৰিয়া, শব্দ সজোৱা বা বাক্য গঠনৰ প্ৰণালীৰ মিল থাকিব পাৰে।

কিন্তু এটা আনটোৰ ঠাল বা উপ-ভাষা নহয়। এই অমিলবোৰ দেখুৱাবলৈ ফুকনে অসমীয়া আৰু বঙলা ভাষাৰ; অসমীয়া বঙলা আৰু হিন্দী ভাষাৰ তুলনামূলক উদাহৰণ দাঙি ধৰিছে। অসমীয়া আৰু বঙালী ভাষাৰ শব্দগত পাৰ্থক্যৰ এখন দীঘলীয়া তালিকাও প্ৰস্তুত কৰিছে। বিভিন্ন বিষয়ৰ ইংৰাজী ভাষাৰ শুদ্ধ অসমীয়াৰ তৰ্জমাৰ কেইবাটাও পৰ্ব প্ৰয়োগ কৰিছে। অসমীয়া ভাষাৰ প্ৰাচীনত্ব প্ৰতিপন্ন কৰিবৰ কাৰণে প্ৰাক্ শংকৰী যুগৰ কাব্য সাহিত্যৰ পৰা অষ্টাদশ শতিকাৰ শেষলৈকে ৰচিত গ্ৰন্থৰ এখন দীঘলীয়া তালিকাও দিছে। অৱশ্যে হাতে লিখা অৱস্থাতে থকা অসমৰ বিভিন্ন ঠাইৰ পৰা কিতাপৰ পূৰ্ণ তালিকা যুগুত কৰাটো তেওঁৰ কাৰণে সম্ভৱ নাছিল। পুৰণি অসমীয়া সাহিত্যৰ বিচাৰত ভাগৱত, মহাভাৰত, ৰামায়ণ আদি গ্ৰন্থৰ পৰা কাহিনী লৈ অসমীয়া ভাষাত লিখা অংকীয়া নাটৰ কথা ফুকনে উল্লেখ কৰি ৪২ খন তেনে অংকীয়া নাটৰ নাম দাঙি ধৰিছে। অসমীয়া ভাষাত লিখা বুৰঞ্জীসমূহৰ কথা তেওঁৰ টোকাত বিস্তৃত ভাৱে দিছে। "In no department of literature do the Assamese appear to have been more successful than in history.... The chain of historical events, however, since last 600 years, has been carefully preserved and their authenticity can be relied upon. It would be difficult to name all the historical works, or as they are styled by the Assamese, 'Buranjis.' They are numerous and voluminous." অসমীয়া ভাষাত লিখা চিকিৎসা শাস্ত্ৰৰ কথাও তেওঁ উল্লেখ কৰিছে। সংস্কৃতৰ 'চিকিৎসার্ণৱ', 'সিদান' আদিও ঘৰুৱা অসমীয়া ভাষাত অনুদিত পুথিও ভালেমান আছে। বকুল কায়স্থই সংস্কৃত অংকশাস্ত্ৰ 'লীলাৱতী'ৰ সুন্দৰ অসমীয়া অনুবাদ কৰি থৈ গৈছে। যদুৰাম ডেকাবৰুৱাৰ অভিধান, আত্মাৰাম শৰ্মাৰ দ্বাৰা অনুবাদ কৰোৱাই সমগ্ৰ বাইবেল গ্ৰন্থৰ অসমীয়া ভাঙনি, ৰবিন্‌চন্ চাহাবৰ অসমীয়া ব্যাকৰণ, শ্ৰীমতী কট্টাৰৰ 'অসমীয়া খণ্ডবাক্য কোষ, শ্ৰীৰামপুৰৰ মিছনেৰী আৰু অসমৰ ৰেপ্তিষ্ট মিছনেৰীসকলে অসমীয়া ভাষাত লিখা ভালেমান স্কুলীয়া পাঠ্যপুথিৰ কথাও টোকাত উল্লেখ কৰিছে। অতি কম সময়ৰ ভিতৰতে এই আবেদন পত্ৰ প্ৰস্তুত কৰিবলগীয়া হোৱাৰ কাৰণে অসমীয়া ভাষাৰ

প্রাচীনত্ব আৰু স্বয়ং সম্পূর্ণ বিস্তৃতিৰ সবিশেষ দিব নোৱাৰাৰ কাৰণে ফুকনে আক্ষেপ কৰিছে। But list, above given, however small, wholly refutes, the notion that Assamese have no distinct literature of their own. বুলিও ডাঠি ক'ব পাৰিছে। এই টোকাত ফুকন ডাঙৰীয়াই উভয় মিছনেৰী দলকে ভূয়সী প্ৰশংসা কৰিছে। অসমৰ মাতৃভাষা উদ্ধাৰৰ কাৰণে তেওঁলোকে সাহসেৰে লোৱা ভূমিকাই অসমীয়া সকলকো উদগাইছে। পাণ্ডিত্যৰে ইংৰাজ ভাষাত সজোৱা ফুকনদেৱৰ এই পুথিখনি অসমীয়াৰ জাতীয় জীবনৰ এক অমূল্য সম্পদ। ইয়াক অসমীয়া ভাষাৰ 'মেগ্নাৰ্কাটা' বুলিও ক'ব পাৰি। এই কিতাপখন শিৱসাগৰৰ বেপ্তিষ্ট মিছনেৰী প্ৰেছত ছপা কৰি মিলচ্ চাহাবৰ হাতত দিয়া হৈছিল আৰু অসম আৰু বংগ দেশৰ বিশিষ্ট লোকক বিনামূল্যে দিয়া হৈছিল। মিলচ্ চাহাবে তেওঁৰ প্ৰতিবেদনত ইয়াৰ তাৎপৰ্য উল্লেখ কৰি পৰিশিষ্ট হিচাপে সংযোগ কৰি দিছিল।

অসমীয়া ভাষাত এখন পূৰ্ণাংগ অভিধানৰ অভাৱ অনুভৱ কৰি আনন্দৰাম ঢেকিয়াল ফুকনে 'অসমীয়া-ইংৰাজী' আৰু 'ইংৰাজী-অসমীয়া' নামে দুখন অভিধান ৰচনাৰ কাম হাতত লৈ আগবাঢ়িছিল। নগাঁৱৰ সেই সময়ৰ উপায়ুক্ত বাট্‌লাৰ চাহাব আৰু নগাঁৱত থিতাপি লৈ থকা মিছনেৰী ড° মাইলচ্ ব্ৰনচন্ চাহাবে এই ক্ষেত্ৰত ফুকনক যথেষ্ট সহায় কৰিছিল। এইখন অভিধানৰ অংশ বিশেষ 'অৰুণোদই' কাকতত প্ৰকাশ কৰা হৈছিল— যাতে এই কামত বিজ্ঞ লোকসকলে ফুকনক পৰামৰ্শ দিব পাৰে। উচ্চ পদস্থ এজন ফুকনে অভিধান সংকলনৰ দৰে এটা মহৎ কৰিব পাৰিছিল।

সংখ্যাৰ হিচাপেৰে ফুকনৰ কিতাপ বা প্ৰ নহয়। কিন্তু যুগসন্ধিৰ পৰিপ্ৰেক্ষিতত এইখিনি সু দেৱানী নিষ্পত্তি' আৰু 'আইন ও ব্যৱস্থা সংগ্ৰহ' বঙলা ভাষাতেই লিখা। আনন্দৰাম ঢেকিয়াল ফুক কাৰণে চোকা কলমেৰে লিখিলেও বঙলা ভাষ প্ৰকাশ কৰা নাছিল। সকলো ভাষাৰ প্ৰতি শ্ৰদ্ধা আ উল্লেখযোগ্য বৈশিষ্ট্য।

অসমীয়া ভাষাৰ কুৰুক্ষেত্ৰত ধৰ্মযুদ্ধ অকালতে ফুকনৰ পৰলোক প্ৰাপ্তি হয়। তেওঁৰ ২৯ বছৰ ৯ মাহ ২৯ দিনহে। ভাষাটোক থিতাপি বৈজয়ন্তী পাতিবলৈ তেওঁ নাপালে। কেইখনমান পাব পাৰি যে সাহিত্যৰ উজ্জ্বল সম্ভাৱনা তেওঁৰ আছিল। ❑

প্ৰবন্ধটো 'আনন্দলেখা'ৰ ৩৫ তম সংখ্যা (১৯৯ পুনৰ্মুদ্ৰিত কৰা হৈছে। —সম্পাদক

"অসমীয়া ভাষাটো যে আন ভাষাৰ অপভ্ৰংশ, সি যে সুকীয়া ভাষা আৰু গোটেই অসমৰ নিজা ভাষা এইবোৰ কথা প্ৰমাণ কৰি থাকিবলৈ এতিয়াও আমি মাজে মাজে খনে খনে খুন্দাখুন্দে যুঁজ কৰিয়ে থাকিব লাগিব নেকি? ... মহাত্মা আনন্দৰাম ঢেকিয়াল ফুকন, অদ্বিতীয় পণ্ডিত হেমচন্দ্ৰ বৰুৱা, বুৰঞ্জীবিজ্ঞ উদাৰমনা ৰায় গুণাভিৰাম বৰুৱা বাহাদুৰ আদি মহানুভৱ অসমীয়াসকলে, ৰবিন্সন, ব্ৰাউন, গেইট, গ্ৰিয়েৰ্ছন আদি বিদেশী প্ৰগাঢ় পণ্ডিতসকলে অসমীয়া ভাষাৰ যিবোৰ সিদ্ধান্ত কৰি থৈ গৈছে, সেইবোৰে আমাৰ এন্ধাৰ বাটত আৰিয়াৰ পোহৰ দিব পৰা নাইনে যে আমি কণা-মুনা দেখি আকৌ লণ্ঠন বিচাৰিছোঁ"

—লক্ষ্মীনাথ বেজবৰুৱা

অধ্যক্ষ শুকদেৱ গোস্বামী ঃ এডিপি কলেজৰ প্ৰাণ-প্ৰতিষ্ঠাপক

ডঁ গকুল গোস্বামী

১৯২৩ চনৰ কথা। সেই সময়ৰ বিলাতত মাত্ৰ চাৰিজন অসমীয়া লোক আছিল— নৱেন্দ্ৰ নাথ কাকতি, ৰোহিনী কুমাৰ বৰুৱা, লক্ষ্মীকান্ত সন্দিকৈ আৰু কৃষ্ণকান্ত সন্দিকৈ। সেই চনতেই আৰু এজন অসমীয়া গৈ বিলাতত অসমীয়াৰ সংখ্যা পাঁচলৈ বৃদ্ধি কৰিলে। সেই গৰাকীয়েই হ'ল শিক্ষাপ্ৰেমী তথা শিক্ষানুষ্ঠান গঢ়োঁতা, সাহিত্যিক, সাংবাদিক তথা সাহিত্য-সেৱক, ৰাজনীতিক তথা সমাজহৈতিষী, উদ্যোগী তথা দূৰদৃষ্টিসম্পন্ন পুৰুষ, আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্ৰতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামী।

শুকদেৱ গোস্বামীৰ সামাজিক জীৱন আৰম্ভ হৈছিল অসম ছাত্ৰ সন্মিলনৰ মাধ্যমেৰেই। ১৯২০ চনত অসম ছাত্ৰ সন্মিলনৰ অধিৱেশন অনুষ্ঠিত হৈছিল গোলাঘাটত। তিতাবৰ মাইনৰ স্কুলৰ প্ৰতিনিধি যজ্ঞেশ্বৰ শৰ্মাই লগৰ আক-তাক সুধি জানিব পাৰিলে 'শকত-আৱত, বগা, হাঁহি মুখেৰে, গাত মুগাৰ পাঞ্জাৰী চোলা আৰু কঁকালত এখন পাটৰ চেলেঙেৰে টঙালি মৰা, সভাঘৰত উফৰি ফুৰা, কটন কলেজৰ পৰা অহা' ল'ৰাজনৰ নাম শুকদেৱ গোস্বামী। শুকদেৱে সভাৰ সকলোকে এটি অনুৰোধ জনাইছিল 'অসমীয়া ল'ৰাই আৰু অসমীয়া মানুহে মাহে এখনকৈ হ'লেও অসমীয়া কিতাপ কিনিব লাগে।' এই ছাত্ৰ নেতাজনেই ১৯২১ চনৰ আন্দোলনৰ সময়ত তেওঁৰ ওপৰত পৰনা পৰাত এবাৰ হাতীমুৰা পাহাৰৰ পৰা ব্ৰহ্মপুত্ৰৰ পাৰে পাৰে পলাই ঢিং পাইছিলগৈ।

গোলাঘাট অধিবেশনৰ তিনি বছৰৰ পিছত, ১৯২৩ চনত শুকদেৱ বিলাতলৈ ৰাওনা হ'ল— উদ্দেশ্য ব্যৰিষ্টাৰী পঢ়া। দুই বন্ধু, কামপুৰৰ কবিৰাজ নবীন চন্দ্ৰ চৌধুৰী আৰু যোৰহাটৰ উকিল উপেন্দ্ৰ নাথ বেজবৰুৱাই শুকদেৱক বোম্বাইত 'পানী জাহাজ'ত উঠাই দিলেগৈ। একুৰি চাৰিদিনৰ মূৰত লণ্ডণ পালেগৈ। বিলাতত শুকদেৱৰ জাতীয় চেতনা তথা ইংৰাজ শাসন বিৰোধী মনোভাৱৰ অলপো হ্ৰাস নহ'ল, বৰং বৃদ্ধিহে হ'ল। এডিনবৰা বিশ্ববিদ্যালয়ত ভৰ্ত্তি হৈয়ে গোস্বামীয়ে 'ইণ্ডিয়ান এছছিয়েশ্যন'ত যোগ দিলে। আৰু এম. এ. (অৰ্থনীতি) পৰীক্ষাত উত্তীৰ্ণ হোৱাৰ পিছতে ইণ্ডিয়ান এছছিয়েশ্যনৰ সম্পাদকৰ পদত নিযুক্ত হ'ল। মন কৰিবলগীয়া তেওঁ সমানে অসমীয়া আৰু ভাৰতীয় আছিল। ইণ্ডিয়ান এছছিয়েশ্যনৰ সদস্য হৈ গোস্বামীয়ে গম পালে কাৰ্যকৰী কমিটিত তেতিয়ালৈকে অসমৰ প্ৰতিনিধিত্ব কৰিছিল বঙ্গদেশৰ লোকেহে। গোস্বামীয়ে তাৰে প্ৰতিবাদ কৰি নিজে কাৰ্যকৰী কমিটিত অসমৰ প্ৰতিনিধিত্ব কৰিলে। বিভিন্ন ভাৰতীয় অধিকাৰৰ যুক্তিতে নানা প্ৰতিবাদী সভা আৰু আন্দোলনত গোস্বামীয়ে অংশ গ্ৰহণ কৰিছিল। সেয়ে গোস্বামীৰ পাছপ'টত এক বিশেষ চিন দিয়া হৈছিল আৰু বৃটিছ প্ৰশাসনে তেওঁৰ গতি-বিধিত চকু ৰাখিছিল। ১৯৪২ চনৰ 'ভাৰত ত্যাগ' আন্দোলনৰ পিছৰ পৰাই গোস্বামীয়ে নিয়মিতভাৱে লণ্ডণৰ 'হাইড্‌পার্ক'ত ভাৰতৰ বিষয়ে বক্তৃতা দিছিল।

১৯৪৮ চনত ভাৰতলৈ উভতি অহাৰ পিছত স্বৰাজোত্তৰ কংগ্ৰেছ নীতিৰ লগত গোস্বামীৰ মতানৈক্য সৃষ্টি হ'ল। ক্ৰমাৎ তেওঁ কংগ্ৰেছৰ পৰা আঁতৰি আহিল। আৰু শেষত দেশৰ অন্যান্য ঠাইৰ লগতে ১৯৫১ চনত নগাঁও জিলাতো 'প্ৰজাপাৰ্টী' গঠন হোৱাত গোস্বামী জিলা সভাৰ উপ সভাপতি নিৰ্বাচিত হয়। কিন্তু ১৯৫২, ১৯৫৭ আৰু ১৯৬২ চনৰ সংসদী নিৰ্বাচনত তেখেত স্বতন্ত্ৰ প্ৰাৰ্থী হিচাপেহে অৱতীৰ্ণ হৈছিল। নিৰ্বাচনত তেখেতে সম্পূৰ্ণ গণতান্ত্ৰিক প্ৰথা অৱলম্বন কৰিছিল। বিপক্ষৰ প্ৰাৰ্থীক কেতিয়াও তিৰস্কাৰ কৰা

নাছিল। সভা-সমিতি পাতি চিএৰ-বাখবো কৰা নাছিল। মাত্ৰ এখন কাগজত তেখেত নিৰ্বাচিত হ'লে কি কি কাম কৰিব তাৰহে তালিকা দিছিল। ঠায়ে ঠায়ে অৱশ্যে গুণমুগ্ধ ছাত্ৰসকলে নিজাববীয়াকৈ নিৰ্বাচনী সভা পাতিছিল।

বিলাতত শুকদেৱ গোস্বামী কেৱল বিশ্ববিদ্যালয় আৰু স্বাধীনতা সংগ্ৰামতে ব্যস্ত নাছিল। অৰ্থনীতিত স্নাতকোত্তৰ ডিগ্ৰী আহৰণ কৰি, তাৰ ব্যৱহাৰিক প্ৰয়োগতো তেখেতে মনোনিবেশ কৰিছিল। ইংৰাজসকলৰ আদৰ্শতে গোস্বামীয়েও বাট বুলিছিল— বুজি পাইছিল আৰ্থিক উন্নয়নৰ প্ৰথম আৰু প্ৰধান পদক্ষেপ হ'ল ব্যৱসায় তথা উদ্যোগ। বিলাততে প্ৰকাশ হোৱা তেখেতৰ De-velopment of India নামৰ পুথিত সন্নিবিষ্ট হোৱা বিষয়সমূহ হ'ল— শিক্ষা, কৃষি, বাণিজ্য, শিল্প, বেংক, বীমা, পশু-পালন, প্ৰতিৰক্ষা, বৈদেশিক সম্বন্ধ, প্ৰশাসন, ৰাষ্ট্ৰীয়কৰণ আদি জাতীয় সমস্যা। গোস্বামীয়ে বুজিছিল ক্ষুদ্ৰ উদ্যোগৰ আৱশ্যকতা। সেয়ে হয়তো বিলাতত থকা কালত তেখেত চাকৰিৰ প্ৰতি আকৃষ্ট নহৈ বিভিন্ন ব্যৱসায় আৰু ক্ষুদ্ৰ-লঘু উদ্যোগত মনোনিবেশ কৰিছিল। মন কৰিবলগীয়া যে গোস্বামীয়ে বিলাতত থকা কালৰ প্ৰথম চাৰি বছৰহে ঘৰৰ পৰা টকা পইছা নিব লগীয়া হৈছিল। বিলাতত তেখেতে উপাৰ্জনৰ বাট বিচাৰি ল'লে— ব্ৰেড-বিস্কুটৰ তৈয়াৰ তথা বিক্ৰী বিতৰণ আৰু তেল-চাবোন আদি দৈনিক ব্যৱহাৰ্য সামগ্ৰীৰ বিক্ৰী। তেখেতে বিলাতত আমাৰ বাঘ গৰু খেল (Hold that Tiger নামেৰে) প্ৰচলন কৰাৰ কথা অসমীয়া আলোচনী আৰাহনত প্ৰকাশ হৈছিল। গোস্বামীয়ে বিলাতী চাহাবসকলৰ লগত এক প্ৰতিযোগী মানসিকতাৰে ব্যৱসায় আৰম্ভ কৰিছিল। সেই বিষয়ত তেখেত কৃতকাৰ্যও হৈছিল। তেখেতে স্কট্‌লেণ্ডৰ Co-operative Scheme অৰ ঘৰ নিৰ্মাণ কাৰ্যতো অংশ লৈছিল। তেখেতে লণ্ডণ আৰু ব্ৰিষ্টল নগৰত ঘৰ-মাটি কিনিছিল— কেৱল নিজে থাকিবলৈ নহয়, ভাড়াত দিবলৈ।

দেশলৈ উভতি আহি, গোস্বামীয়ে নিজে ক্ষুদ্ৰ-লঘু উদ্যোগ আৰম্ভ কৰিছিল আৰু অসমৰ যুৱকসকলকো তাকে কৰিবলৈ উপদেশ দিছিল। নিজে বাঁহৰ বৰশি-ডাঁৰি ফ্ৰান্সলৈ ৰপ্তানি কৰিছিল আৰু ডেকাসকলক শুই-বহি থকাতকৈ কাঠৰ আচ-বাবৰ জোৰাত লগাবলৈ পকা জাতিবাঁহৰ শলা তৈয়াৰ কৰিবলৈ উপদেশ দিছিল।

গোস্বামী একেধাৰে সাহিত্যিক, সাংবাদিক আৰু সাহিত্যসেৱী আছিল। কটন কলেজত থকা কালছোৱাতে অসম সাহিত্য সভাৰ লগত সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল। তেতিয়াই ৰসৰাজ বেজবৰুৱাৰ লগতো পৰিচয় ঘটিছিল। কটনত থাকোতেই বাঙালী ভাষাও আয়ত্ব কৰি লৈছিল। অসমৰ পৰা গৈ লণ্ডণ পোৱাৰ দিনা সন্ধ্যা গোস্বামীক কৃষ্ণকান্ত সন্দিকৈদেৱে চীনা ৰেষ্টুৰাঁ এখনত খুৱাবলৈ নিছিল। সেই যাত্ৰাতে জুইশলা বাহ এটা কিনোতে ঘটা অভিজ্ঞতাৰ ভিত্তিতে গোস্বামীয়ে 'জীয়াচলাই' নাম দি এটা প্ৰবন্ধ লিখিছিল— বাঙালী ভাষাত। আৰু সেইটো প্ৰকাশ হৈছিল বাঙালী কাকত 'বসুমতী'ত।

বিলাতত থকা কালতে গোস্বামীদেৱে কেইবাখনো পুস্তিকা ইংৰাজী ভাষাত লিখিছিল। তাৰ ভিতৰত Indian D... cess and India আৰু Development of ... উল্লেখনীয়। ইয়াৰে প্ৰথমখন ১৯৩৮ চনত ... 'স্বাধীনতা'ৰ পিছত।

১৯৫৯ চনত গোস্বামীদেৱে দ্বিতীয় মহা... ইহুদীসকলৰ ওপৰত চলা অমানুষিক অত্যাচা... Belsoen Concentration Camp নামৰ ... কৰে; নাম দিয়ে 'বেলচেন'। সেই চনতেই বিলাতৰ ... ইউৰোপৰ বিভিন্ন দেশৰ ভ্ৰমণ কাহিনীৰে গোস্বামী... নামেৰে পুস্তিকা এখনো প্ৰকাশ কৰে। 'কোঁহ' তেখে... উল্লেখযোগ্য কিতাপ। ইয়াৰ বাহিৰেও ১৯৫২ ... গোস্বামীদেৱে এখন আত্মজীবনী জাতীয় গ্ৰন্থ ৰচনা ... কৰিছিল। লিখিবলৈ আৰম্ভ কৰি 'খাৰখোৱা গাঁ... আত্মজীবনীৰ আৱশ্যকতা/ অনাৱশ্যকতাৰ বিষয়ে ... লিপিবদ্ধ কৰি তাতে সামৰি থ'লে। আত্মজীবনী লি... এক বৰ্ণাঢ্য জীবনৰ বহু কথা আঙ্কাৰৰ বুকুত হেৰাই ...

শুকদেৱ গোস্বামী এগৰাকী সাংবাদিক হিচাপে... হৈ ৰ'ব। বিলাতৰ পৰা ঘূৰি অহাৰ দুবছৰৰ ভিতৰ... ১৯৫০ চনৰ ফেব্ৰুৱাৰীৰ পৰা 'গঠন' নামেৰে এখন ... কাকত আৰম্ভ কৰে। কাকতখনৰ তেখেত সম্পাদ... প্ৰকাশকো আছিল। কাকতখনৰ নিভীক সম্পাদকী... মহলক আলোড়িত কৰিছিল। কাকতখনৰ 'প্ৰুফ ৰিড... বিচাৰি অহা ললিত হাজৰিকাক (পিছত এডিপি ক... বছৰৰ ছাত্ৰ, দ্বিতীয় বছৰৰ ছাত্ৰ সভাৰ সম্পাদক ... কলিয়াবৰ কলেজৰ অধ্যাপক) গোস্বামীদেৱে পৰীক্ষা ... ৰচনা লিখিবলৈ দি। ৰচনাৰ বিষয় আছিল 'অসমীয়া জ... চিন্তা''। তাৰ পৰাই বুজিব পাৰি কাকতখনৰ চিন্তা-চৰ্চা ... কাকতখনৰ অন্য এক বৈশিষ্ট্য হ'ল— কাকতখনত ইং... ব্যৱহাৰ কৰা হোৱা নাছিল। উল্লেখনীয় যে ৰত্নকান্ত ৰৰ... 'গঠন'ৰ নিয়মীয়া লেখক আছিল আৰু ইয়াতে তে... কৃপাবৰ' ৰূপত অৱতীৰ্ণ হৈছিল। মন কৰিবলগীয়া ... শতাব্দীৰ মাজভাগত অসমীয়া কাকত চলোৱাটো সহজ ... আৰু আন বহুত কাকতৰ দৰে 'গঠনো' তিনিবছৰমান ... বন্ধ হ'ল।

সাহিত্যৰ ক্ষেত্ৰত গোস্বামীদেৱৰ বিশেষকৈ স্মৰ... সাহিত্য-সেৱক-প্ৰকাশক হিচাপেহে। গোস্বামীয়ে বিলাত... আহিয়েই ১৯৪৯ চনতে মাতৃৰ নামেৰে 'যশোদা প্ৰেছ' প্ৰ... তেখেতে প্ৰকাশ কৰা সম্ভৱত প্ৰথম পুথিখন হ'ল ... ৰৰকাকতীদেৱে ১৯১৯ চনত নগাঁও অসমীয়া ভাষা উন্ন... সভাত পঠিত আৰু সেই সভাৰে প্ৰথম বাৰ্ষিক উৎসৱত ... হোৱা 'কবি-ৰবাগী' আৰু 'কাব্যাস্বাদী'ৰ সন্নিবিষ্টৰে 'আলা... গদ্য-গ্ৰন্থাৱলীৰ প্ৰথম ভাগ। পুথিখন ৰৰকাকতীৰ অনুৰো... গোস্বামীয়ে নেৰা-নেপেৰাকৈ লাগি থকা কাৰণেহে প্ৰ... ৰৰকাকতীৰ লগত গোস্বামীৰ এই আন্তৰিকতা আজী...

ছিল। 'আলাপ'ৰ উপৰিও বৰকাকতীৰ 'বাণী', (নীতি কাব্য) ধ্বনি
নৰ কিতাপ) আৰু সাহিত্য (গদ্য প্ৰবন্ধ) গোস্বামীয়ে প্ৰকাশ
ৰিছিল। বেণুধৰ শৰ্মাৰ (বুৰঞ্জীৱিদ) পৰামৰ্শ মতে আনন্দৰাম
কিয়াল ফুকনৰ ইংৰাজীত লিখা অসমৰ শাসন সম্বন্ধীয় গ্ৰন্থ এখনো
কাশ কৰে বুলি, ফুকনৰ আন অপ্ৰকাশিত গ্ৰন্থৰ প্ৰকাশৰ কামো
ৰম্ভ কৰিছিল বুলি যজ্ঞেশ্বৰ শৰ্মাছাৰে এঠাইত লিখি থৈ গৈছে।
সূৰ্যকুমাৰ ভূঞাৰ 'ৰবীন্দ্ৰ নাথ ঠাকুৰ' নামৰ পুস্তিকা এখনো
াস্বামীয়ে প্ৰকাশ কৰিছিল। তেখেতৰ দ্বাৰা প্ৰকাশিত অন্যান্য পুথিৰ
তৰত আছিল— পুলি তামোল (সাধু কথা), কোঁহ (কবিতা),
ৰণাম (ঔপন্যাসিক প্ৰবন্ধ), চন্দ্ৰ নাথ (জীৱনী), নৈবেদ্য (ছাত্ৰ
ম্মিলনৰ বক্তৃতা), চোৰধৰা, পিপৰা গুছোৱা, মালিকা ইত্যাদি।
তি কম কম মূল্যৰ এই সৰু সৰু কিতাপবিলাকে দুখীয়া পাঠকক
হিত্যৰ সোৱাদ আৰু শিক্ষা দুয়োটাকে দিব পাৰিছিল। এনে
কাশনৰ পৰা গোস্বামীদেৱৰ একো আৰ্থিক লাভ হোৱা নাছিল,
ং নিজৰ সাঁচতীয়া ধন খৰচ হে হৈছিল। আৰু সেয়ে শুকদেৱ
াস্বামী প্ৰকৃত অৰ্থতে এগৰাকী সাহিত্যসেৱী।

১৯৪৮ চনত শুকদেৱ গোস্বামী সপত্নীক বিলাতৰ পৰা ঘূৰি
াহিল। ঘৰ ল'লেহি নগাঁৱৰ কলংপাৰতে। হঠাতে গোস্বামীৰ ঘৰৰ
াগৰ পথটোত স্কুল আৰু কলেজীয়া ছাত্ৰ-ছাত্ৰীৰ অহা-যোৱা
ংখ্যগুণে বৃদ্ধি হ'ল। উদ্দেশ্য হ'ল লুকাই চুৰকৈ হলেও 'মেম' শ্ৰীমতী
ৰা গোস্বামীক এবাৰ চাই যোৱা। লাহে লাহে সৰু-বৰ সকলোৰে
খমুখে কথা এটা প্ৰচাৰ হ'ল— গোস্বামীয়ে সভা-সমিতিত বক্তৃতা
ওঁতে যেনেকৈ এটাও ইংৰাজী শব্দ ব্যৱহাৰ নকৰে, তেকেৰে
মম' গৰাকীয়েও ইংৰাজী নজনা লোকৰ লগত কথা পাতোতে
টাই ইংৰাজী শব্দ উচ্চাৰণ নকৰিছিল। বিলাতত একুৰি পাঁচ বছৰ
াকিও 'বিলাতী' নোহোৱা লোকজন আৰু গোস্বামীৰ পাশত পৰি
সমীয়া হোৱা বিলাতী পৰিবাৰে ভাতৰ লগত কচু, ঢেঁকীয়া,
ডৰেলী লতা, নৰসিংহৰ পাত, মানিমুণি, মাটিকাঁদুৰি, ঔটেঙা, বিভিন্ন
কাৰৰ খাৰ আদিৰ অন্ততঃ এবিধ বা দুবিধ নাথাকিলে ভাতমুঠি
াই তৃপ্তি পোৱা নাছিল। গোস্বামীৰ সাধাৰণ পোছাক আছিল হাতখৰা
ালা, কোনোমতে আঠুপাৰ হোৱা চুৰীয়া এডোখৰ আৰু কান্ধত
মোছা এখন; শ্ৰীমতী গোস্বামীৰ আছিল মেখেলা-চাদৰ। অধ্যক্ষ
াস্বামীয়ে কলেজত অনুষ্ঠিত গুৰুদুজনাৰ তিথিত ছাত্ৰহঁতৰ লগতে
াল-খোল লৈ প্ৰসঙ্গত বহিছিল। সেয়ে হয়তো এগৰাকী প্ৰাক্তন
াত্ৰৰ বক্তব্য— ইহুদি কন্যা বিয়া কৰাই গোসাঁইৰতো জাত যোৱা
াই, তেখেতে মেমৰহে জাত মাৰিলে।

নগাঁৱত থিতাপি লোৱাৰ পিছত গোস্বামীদেৱ ক্ৰমাৎ স্থানীয়
াক্ষানুষ্ঠানসমূহৰ সমস্যাৰ প্ৰতিও আকৰ্ষিত হ'ল। তেখেত কিছুকাল
গাঁও কলেজৰ পৰিচালনা সমিতিত কোষাধ্যক্ষ ৰূপেও আছিল।
গাঁও কলেজৰ বৰ্ত্তমানৰ বিজ্ঞান ভৱন নিৰ্মাণৰ বেলিকা আন বহু
দস্যৰ মতৰ বিৰুদ্ধে তেখেতে এক প্ৰকাৰ জোৰ কৰিয়ে দুমহলীয়া
কীঘৰ আৰম্ভ কৰিছিল। শুকদেৱ গোস্বামীৰ সৰ্ববৃহৎ কীৰ্তিস্তম্ভ
'ল এডিপি কলেজ। যজ্ঞেশ্বৰ শৰ্মাছাৰে লিখি থৈ যোৱা কথা।
৯৫৭ চনমানৰ পৰাই গোস্বামীয়ে শৰ্মাছাৰক লগ পালেই নগাঁৱত
আনন্দৰাম ঢেকিয়াল ফুকনৰ স্মৃতিত কলেজ এখন পতাৰ কথা
কৈছিল। সেই সম্পৰ্কতে ১৯৫৯ চনৰ ফেব্ৰুৱাৰী মাহত নগাঁৱত
অনুষ্ঠিত অসম সাহিত্য সভাৰ অধিবেশনত গৃহীত হোৱা প্ৰস্তাৱ
এটাৰ গইনাতে আনন্দৰাম ঢেকিয়াল ফুকন কলেজ (এডিপি কলেজ)
স্থাপনৰ অৰ্থে এখন কমিটি গঠন কৰা হ'ল। সমিতিৰ সভাপতি
হ'ল হলধৰ ভূঞা, উপ-সভাপতিদ্বয় নুৰুল ইছলাম আৰু শুকদেৱ
গোস্বামী আৰু সম্পাদক হ'ল অধ্যাপক ললিত শইকীয়া। পিছত
অধিবক্তাদ্বয় আতাউৰ ৰহমান আৰু কুশদেৱ গোস্বামী যুটীয়া
সম্পাদক হয়। কিন্তু অধ্যক্ষ? প্ৰশ্নটোৰ মীমাংসা কৰিবৰ কাৰণে
অনুষ্ঠিত সভা এখনত সভাপতি হলধৰ ভূঞাই উপ-সভাপতি
গোস্বামীক সম্বোধি ক'লে— 'হেৰা শুকদেৱ, মোৰ ডিগ্ৰীটো থকা
হ'লে ময়ে অধ্যক্ষৰ কামখিনি কৰিলোহেঁতেন। তোমাৰ এম. এ.
ডিগ্ৰীটো আছে। তুমিয়েই অধ্যক্ষৰ দায়িত্ব লৈ ছাত্ৰ ভৰ্ত্তিৰ কাম
আৰম্ভ কৰা।'

শুকদেৱ গোস্বামী অধ্যক্ষ হ'ল। কেৱল অধ্যক্ষই নে? প্ৰাক্তন
ছাত্ৰৰ স্মৃতিত গোস্বামীদেৱ আছিল অধ্যক্ষ, কেৰাণী, চকিদাৰ, মিস্ত্ৰি,
যোগালি সকলো মিলি কলেজৰ পিতৃস্বৰূপ।

১৯৫৯ চনৰ ৭ চেপ্তেম্বৰ তাৰিখে ২৪২ জন ছাত্ৰৰ কাৰণে
আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ দুৱাৰ খুলি দিয়া হ'ল। নৈশ
কলেজখনৰ শ্ৰেণী আৰম্ভ হ'ল (তেতিয়াৰ) ডচন হাইস্কুলত। শ্ৰেণীত
এসময়ৰ গুৰু-শিষ্য একেলগে বহিলহি। ছাত্ৰৰ বয়স সাধাৰণতেই
অধ্যাপকৰ বয়সতকৈ উৰ্দ্ধত। নগাঁও কলেজৰ পৰা আহিল
এঘাৰগৰাকী অধ্যাপক। প্ৰথমতে অবৈতনিক, পিছত মাহে আঢ়ৈকুৰি
টকাকৈ বেতন। অধ্যক্ষ অবৈতনিক হৈয়ে ৰ'ল। (যজ্ঞেশ্বৰ শৰ্মাছাৰৰ
মতে চিন স্বৰূপে মাত্ৰ এটকাকৈ বেতন লৈছিল।) অধ্যক্ষৰ পৰিবাৰ
ছাৰা গোস্বামীয়েও অবৈতনিক ভাৱেই ইংৰাজী পঢ়াইছিল। পিছত
কলেজৰ শ্ৰেণী নগাঁও কলেজ আৰু চৰকাৰী হাইস্কুলতো হৈছিল।
কলেজ আৰম্ভ হোৱাৰ অলপ দিনৰ পিছতে কলেজ কাৰ্যলয় অধ্যক্ষৰ
নিজা বাসভৱনলৈ স্থানান্তৰিত হৈছিল। কাৰ্যালয়ৰ সময় আছিল
ৰাতিপুৱা সাত বজাৰ পৰা ৰাতি দহ বজালৈ।

পিছৰ বছৰ (১৯৬০) স্থায়ী ঘৰৰ কাৰণে গোস্বামীদেৱে ঠাই
এডোখৰ বিচাৰি উলিয়ালে। ঠাইডোখৰৰ ঠিকনা যজ্ঞেশ্বৰ শৰ্মাছাৰে
'ঢেকিয়াল ফুকন কলেজ' নামৰ কবিতাত দিলে— 'নগৰত সাত-
ঘোঁকোটত শুকদেউ গোসাঁয়ে এই কলেজখন পাতিলে।' ১ বিঘা
১ কঠা মাটি চাৰি হেজাৰ টকাত কিনি লোৱা হ'ল। অটব্য জাৰণিৰে
ভৰপূৰ ঠাইডোখৰ প্ৰতি দেওবাৰে ছাত্ৰসকলক লৈ অধ্যক্ষ
গোস্বামীয়ে চাফা কৰায়। ছাৰা গোস্বামীয়ে মাহ-বুটৰ ব্যৱস্থা কৰে।
এদিন গছ কাটি থাকোতেই উপায়ুক্তই লগত সশস্ত্ৰ পুলিচৰে আহি
ছাত্ৰসকলক গছ কাটিলে পৰিণতি ভয়াবহ হ'ব বুলি ভয় খুৱাই গছ
কটা বন্ধ কৰিলে। তেতেনে অধ্যক্ষ আহি পাই ছাত্ৰসকলক নিৰ্ভয়
দি পুনৰ কামত লগালে। উপায়ুক্তই আকৌ পৰিণতিৰ কথা সোঁৱৰাই
দিয়াত অধ্যক্ষই ৰুদ্ৰমূৰ্ত্তি ধৰি মাত লগালে 'আপুনি গুলি কৰি প্ৰথমে
মোক মাৰিহে ল'ৰাহঁতৰ গাত হাত দিব পাৰিব।' উপায়ুক্ত পুলিচ
বাহিনী লৈ আঁতৰি গ'ল। ছাত্ৰসকলে কেৱল গছেই কটা নাছিল,

ঘৰ সাজিবৰ কাৰণে ইটাও ভাঙিছিল; যোগালিৰ কাম কৰিছিল। সেয়া সম্ভৱ হৈছিল গোস্বামীদেৱে গঢ়ি তোলা পৰস্পৰ বিশ্বাস আৰু আস্থাৰ দ্বাৰা।

অধ্যক্ষ গোস্বামী আৰু ছাত্রসকলৰ মাজৰ সম্পৰ্ক আছিল অতি মধুৰ। অধ্যক্ষই ছাত্রক যেনেকৈ খং কৰিছিল, তেনেকৈ মৰমো কৰিছিল। আমোদৰ কথা, প্রতিজন ছাত্রই ভাবিছিল— ছাৰে তেওঁক আন বিলাকতকৈ বেছি ভাল পায়, বেছি মৰম কৰে। বহুতো ক্ষেত্রত, আর্থিকভাৱে বিপদত পৰা ছাত্রৰ মাচুল অধ্যক্ষয়েই দিছিল। কেতিয়াবা ছাত্রই দিয়া মাচুলৰ এভাগ ঘূৰাই দিছিল— ছাত্রৰ মাকৰ চিকিৎসাৰ কাৰণে। জাৰত কঁপি থকা ছাত্রজনক শ্রেণীৰ পৰা মাতি নি নিজে পিন্ধি থকা উণৰ চুয়েটাৰটো দিয়াৰো উদাহৰণ আছে। নিসন্তান গোস্বামী দম্পতীয়ে ছাত্রসকলকে পুত্রবৎ জ্ঞান কৰিছিল। অধ্যক্ষই ছাত্রক সম্বোধন কৰিছিল 'বোপাই' বুলি।

অধ্যক্ষ গোস্বামীয়ে ঘৰ-দুৱাৰ সজাৰ পৰা শ্রেণীত পাঠ-প্রদানলৈকে সকলো বিষয়তে স্বোপার্জিত নতুন নতুন কৌশল প্রয়োগ কৰিছিল। এটা উদাহৰণ। ইংৰাজী বিষয়ৰ শ্রেণীত ছাত্র সংখ্যা অধিক হোৱাত ছাত্রৰ 'হাজিৰা' লওঁতেই বহু সময় খৰচ হোৱাটো তেখেতে সহ্য কৰিব পৰা নাছিল। সেয়ে ছাত্রসকলক এটুকুৰা কাজগত নিজৰ ৰোল নং আৰু নাম লিখি মেজত ৰখা বাকচ এটাত ভৰাই থবলৈ দিয়া হ'ল। অফিচে ছাত্রৰ উপস্থিতি তাৰ পৰাই সংগ্রহ কৰিব। লগতে বয়সস্থ ছাত্রসকলক নৈতিকতাৰ কথা সোঁৱৰাই দিয়া হ'ল। আনহাতে ৰাতি বতাহ-বৰষুণ অহাৰ সম্ভাৱনা দেখিলে ছাত্রসকলে নিবিচৰাকৈয়ে কলেজ সোনকালে ছুটী দিছিল।

কলেজৰ গৃহ নির্মাণ আদিৰ কাৰণে দান-বৰঙণি বিচাৰি অধ্যক্ষ গোস্বামী কেতিয়াও কাৰোৰে ওচৰত নতশিৰ হোৱা নাছিল। আনহাতে নিজৰ ঘৰৰ মেকুৰি পোৱালীটো ছাত্র এজনক দহ পইচাত বিক্রী কৰি, সেই ধন কলেজৰ পুঁজিত জমা কৰিছিল। অধ্যক্ষ গোস্বামীয়ে কলেজৰ কাৰণে নিজৰ একলাখ টকা ব্যয় কৰি তেখেতৰ পিতৃৰ নামেৰে 'গোপীনাথ গোস্বামী ভৱন' সজাৰ কাম আৰম্ভ কৰিছিল। কিন্তু সেয়া সম্পূর্ণ কৰাৰ আগতেই আনন্দৰাম ঢেকিয়াল ফুকনৰ আদর্শৰে অনুপ্রাণিত, ফুকনদেৱৰ সপোনক বাস্তৱ ৰূপ দিয়াত আজীৱন ব্রতী শুকদেৱ গোস্বামী ১৯৬৪ চনৰ ১৬ অক্টোবৰত (বিজয়া দশমী তিথিত) হঠাতে হৃদৰোগত আক্রান্ত হৈ মৃত্যুৰ মুখত পৰে।

এটা কর্মময় জীৱনৰ সমাপ্তি ঘটিল, বহুতৰে প্রেৰণাৰ উৎস মাৰ গ'ল। গোস্বামীদেৱৰ গুণমুগ্ধসকলে তেখেতৰ প্রশস্তিৰে শ্রদ্ধাঞ্জলি যাঁচিলে। এগৰাকী প্রাক্তন ছাত্রই লিখা কথা 'গোস্বামী ছাৰৰ দৰে অতি মহৎ, অতি অমায়িক, অতি সৰল, অতি নির্ভীক, আতি কর্তব্যনিষ্ঠ আৰু অতি কথা আৰু কামৰ মানুহ মই কমেই পালো।' অধ্যক্ষ আব্দুল হাইৰ উক্তি— 'তেখেত নির্ভীক আছিল আৰু সঁচা কথা ক'বলৈ কাকো ভয় নকৰিছিল।' আন এগৰাকী প্রাক্তন ছাত্রৰ মন্তব্য 'ছাৰৰ অদমনীয় জিদ ভাৱ শলাগিবলগীয়াই নহয়, অনুকৰণীয়ও।'

উপসংহাৰ ঃ একুৰি পাঁচ বছৰ বিলাতত থাকিও বিলাতী নোহোৱা শুকদেৱ গোস্বামীৰ জন্ম হৈছিল নগাঁও কিঃ মিঃ দূৰত অৱস্থিত বাইদঙ্গীয়া গাঁৱৰ ভাগৱতী আঢ্যৱন্ত পৰিয়ালত, ১৯০৫ চনৰ ১৪ এপ্রিলত। গোস্বামী আৰু মাতৃ যশোদা দেৱী। অধ্যাপক 'হাতীমুৰা ভট্টাচার্যৰ পৰা অর্থৰ ভৰদ্বাজলৈ এ কিছু স্মৃতি' নামৰ পুস্তিকাখনত ভাগৱতী সত্রৰ দিছে। স্বর্গদেউ ৰাজেশ্বৰ সিংহই (ৰাজত্ব কাল নৱদ্বীপ নিবাসী ভট্টাচার্য এগৰাকীক কলিয়াবৰৰ দেৱালয়ৰ বৰঠাকুৰ নিযুক্ত কৰিছিল। বৰঠাকুৰক বুলিও জনা হৈছিল। হাতীমুৰা ভট্টাচার্যৰ অধস্তন নাৰায়ণ দেৱক কুৰুৱাবাহী সত্রৰ অধিকাৰে গোসাঁই সত্র প্রতিষ্ঠা কৰে। নাৰায়ণ দেৱৰ জ্যেষ্ঠ নাতি পুত্র শুকদেৱ। আনহাতে হিতেশ্বৰ বৰবৰুৱাই তেখে দিন'ত লিখিছে 'কুৰুৱাবাহী সত্রৰ অধিকাৰে গোসাঁই এজনক গোসাঁই পাতে।'

ইংৰাজ স্কুল পৰিদর্শকৰ ভুল আঙুলিয়াই পুৰস্কাৰ পোৱা তীক্ষ্ণ বুদ্ধিসম্পন্ন শুকদেৱে নগাঁও চৰ একাধিকবাৰ 'ডাবল' প্রমোচন পাই কটন কলেজৰ স্নাতক ডিগ্রী লয়। অধ্যক্ষ চুড়মার্চন চাহাবৰ দ্বাৰা ভূ শুকদেৱ এগৰাকী পটু টেনিচ খেলুৰে আছিল, কলেজ ক'র্ট তেওঁৰ দায়িত্বতে আছিল। তেওঁ কলেজ হোষ্টে আছিল।

শুকদেৱে ১৮ বছৰ বয়সতে বিলাতলৈ যাত্রা ক ব্যবিষ্টাৰী ডিগ্রী নেপালে (নল'লে) প্রকৃততে ৰাজনৈতিক এডিনবৰা বিশ্ববিদ্যালয়ত শুকদেৱ কেৱল ভাৰতীয় সম্পাদক নাছিল, তেওঁ Scottish Students U প্রতিনিধিত্ব কৰিছিল। তেওঁ League Against Im ৰ প্রতিষ্ঠাপক সদস্য আছিল। ভাৰতৰ স্বাধীনতাৰ প্রতি (Sarah) ১৯৩১ চনৰ ২৬ জানুৱাৰীত অনুষ্ঠিত 'স্বা এগৰাকী বন্ধুৰে শুকদেৱৰ লগত চিনাকি কৰি দিছিল

কৃতজ্ঞতা ঃ বর্তমান লেখাটো বিশেষকৈ এ প্রকাশ কৰা 'শুকদেৱ গোস্বামী' (১৯৮০) আৰু 'আনন্দ ফুকন কলেজ ৰূপালী জয়ন্তী স্মৃতি গ্রন্থ'ত (১৯৮৩) প্রবন্ধৰ আধাৰত প্রস্তুত কৰা হৈছে। গ্রন্থদুখনৰ সম্পাদক হীৰেন শইকীয়া আৰু মুকুল বৰাৰৈ আৰু প্রবন্ধক সকলৰৈ আমাৰ কৃতজ্ঞতা জনাইছোঁ। গ্রন্থ দুখন যোগা কাৰণে কৃতজ্ঞতা জনাইছোঁ অধ্যাপক কৈলাস চন্দ্র দ

১৯৬৩-৬৪ সংখ্যা এডিপি কলেজ আলো গোস্বামীৰ সম্পর্কে দুটা প্রবন্ধ প্রকাশ হৈছিল— ছা "Some Recollections of my Late Sukadev Goswami" আৰু অধ্যক্ষ যজ্ঞেশ্বৰ শ স্বর্গীয় শুকদেৱ গোস্বামীৰ সোঁৱৰণত'। আলোচনীখন যোগাৰ কৰি দিয়াৰ কাৰণে বিজিৎ বল্লভ বৰঠাকুৰ কুমাৰ গোস্বামীলৈ কৃতজ্ঞতা জনাইছো। ❑

স্মৃতিৰ এলবামত মৰহুম আব্দুল হাই ছাৰ

ামিনুল ইছলাম

অসমৰ শিক্ষা আৰু সমাজ জীৱনত প্ৰায় দুকুৰিৰো অধিক কাল জড়িত থাকি নিজকে সু-প্ৰতিষ্ঠিত কৰা অধ্যক্ষ আব্দুল হাই চাহাব সকলোৰে এটা পৰিচিত নাম। অবিভক্ত নগাঁও জিলাৰ সদৰৰ পৰা ১২ কিঃ মিঃ উত্তৰ-পশ্চিম অঞ্চলত অৱস্থিত আলিটাঙনী গাঁৱৰ এটি সম্ভ্ৰান্ত পৰিয়ালৰ স্বনামধন্য পুৰুষ, জনপ্ৰিয় ৰাজনীতিক তথা অসম বিধান পৰিষদৰ সদস্য (১৯৩৭-১৯৪৬লৈ) মৰহুম ওচমান আলী সদাগৰৰ ঔৰষত আৰু ধৰ্মপ্ৰাণা মৰহুমা কদৰজান বিবিৰ গৰ্ভত ১৯২৬ চনৰ জানুৱাৰী মাহৰ এক তাৰিখে হাই ছাৰৰ জন্ম হয়। স্মৰ্তব্য যে ওচমান আলি সদাগৰ চাহাবে ১৯০২ চনত মাতৃভাষা বাংলা ত্যাগ কৰি অসমীয়া মাধ্যমৰ স্কুল স্থাপন কৰে। ভাৰতৰ স্বাধীনতা সংগ্ৰামত নেতৃত্ব দিয়ে। এইদৰে অসমীয়া তথা ভাৰতীয় জাতীয় চৈতন্যৰ জাগৰণ আৰু ক্ৰিয়াশীলতাৰ ক্ষেত্ৰত সদাগৰ চাহাবে অৰিহণা যোগাই যায়।

সৰুৰে পৰা আব্দুল হাই ছাৰ পঢ়া-শুনাৰ প্ৰতি বৰ আগ্ৰহী আছিল। লগতে খেল-ধেমালিৰ প্ৰতিও তেওঁ সমানেই আকৃষ্ট হৈছিল। জন্মস্থান আলিটাঙনীতেই প্ৰাথমিক শিক্ষা সাং কৰি ১৯৪২ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনস্থ আলিটাঙনী ওচমানীয়া হাইস্কুলৰ পৰা প্ৰৱেশিকা পৰীক্ষাত উত্তীৰ্ণ হয়। পিছত তেখেতে ঢাকা বিশ্ববিদ্যালয়ৰ পৰা ১৯৪৪ চনত আই, এ, পাছ কৰে। সেই বছৰতে তেখেত কলিকতালৈ ঘূৰি আহে আৰু ১৯৪৬ চনত কলিকতা বিশ্ববিদ্যালয়ৰ অধীনস্থ 'ৰিপন কলেজ'ৰ পৰা বি,এ, পাছ কৰে। ১৯৪৮ চনত আলীগড় বিশ্ববিদ্যালয়ৰ পৰা যুগ্মভাৱে এম, এ, আৰু এল, এল, বি, ডিগ্ৰী লাভ কৰে।

উল্লেখযোগ্য যে হাই ছাৰে "আধুনিক পাশ্চাত্যৰ ইতিহাস"ক বিশেষ বিষয় হিচাপে লৈ শতকৰা ৫৮.২% নম্বৰ সহ বুৰঞ্জীত এম, এ আৰু এল, এল, বি, পৰীক্ষাত "Civil Procedure and Mohammedan Law"-ত ডিষ্টিংশ্বনসহ ১ম শ্ৰেণী লাভ কৰি উত্তীৰ্ণ হৈছিল।

আইন পৰীক্ষাত সুখ্যাতিৰে উত্তীৰ্ণ হ'লেও, আব্দুল হাই ছাৰে আইনৰ বৃত্তি গ্ৰহণ নকৰি অধ্যাপনা বৃত্তি গ্ৰহণ কৰিছিল। সম্ভৱতঃ সেই সময়ৰ শিক্ষা-দীক্ষাত পিছ পৰি থকা নিজৰ সমাজখনক আধুনিক শিক্ষাৰ পোহৰ বিলোৱাৰ উদ্দেশ্যে তেওঁ অধ্যাপনা বৃত্তিক অগ্ৰাধিকাৰ দিছিল আৰু ১৯৪৮ চনত নগাঁও মহাবিদ্যালয়ত বুৰঞ্জী বিষয়ৰ অধ্যাপক হিচাপে কৰ্মজীৱনৰ পাতনি মেলিছিল।

১৯৪৯ চনৰ জুলাই মাহত নগাঁও জিলাৰ 'কচুৰা' নিবাসী মৰহুম আলহাজ ছফদৰ হুছেইন চাহাবৰ দ্বিতীয়া কন্যা বেগম মজিদা খাতুনৰ সৈতে হাই ছাৰ বিবাহ-পাশত আৱদ্ধ হয়। পিছলৈ চাৰিগৰাকী পুত্ৰ সন্তান আৰু তিনিগৰাকী জীয়ৰীৰ পিতৃ হয়। উল্লেখযোগ্য যে হাই ছাৰে নিজৰ সন্তানকেইটিক উপযুক্ত শিক্ষাৰে সু-শিক্ষিত কৰি প্ৰত্যেককে কৰ্মোপযোগী হিচাপে গঢ় দি থৈ গৈছে। তেখেতৰ ৭জন সন্তানৰ ভিতৰত ৬জনেই শিক্ষকতা কাৰ্যত জড়িত। ছাৰৰ ২য়া কন্যা মিচ্ নফিছা চুলতানা বৰপেটা জিলাৰ মন্দিয়া আঞ্চলিক কলেজৰ বুৰঞ্জী বিভাগৰ মুৰব্বী।

নগাঁও মহাবিদ্যালয়ত হাই ছাৰে ১৯৪৮ চনৰ পৰা ১৯৬৫ চনলৈ বুৰঞ্জী বিষয়ৰ অধ্যাপক হিচাপে কাৰ্যনিৰ্বাহ কৰিছিল। অতি কম সময়ৰ ভিতৰতে বুৰঞ্জী বিষয়ৰ নিচিনা এটি কঠিন বিষয়ত ৰসৰ সঞ্চাৰ কৰি ছাত্ৰ-ছাত্ৰী সকলক বুৰঞ্জী অধ্যয়নৰ প্ৰতি আকৃষ্ট কৰাত তেখেতে অভূতপূৰ্ব কৃতকাৰ্যতা লাভ কৰিছিল। ছাৰৰ পাঠদান পদ্ধতি আছিল অতি সহজ-সৰল ভাষাত নিজৰ বক্তব্য প্ৰকাশ কৰি কম সময়ৰ ভিতৰত আলোচ্য

বিষয়ত সম্যক জ্ঞান প্রদান কৰা। হাই ছাৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ হৈ থকা সময়ত ১৯৭৭ চনত বুৰঞ্জী বিভাগৰ অধ্যাপক ছুটীত থকা বাবে তেখেতে পাঠ প্রদান কৰা এটা ক্লাছত মোৰ উপস্থিত থকাৰ সৌভাগ্য হৈছিল। হাই ছাৰ বুৰঞ্জীৰ শ্রেণী কোঠালিত প্রবেশ কৰাৰ লগে লগে অন্যান্য বিষয়ৰ ছাত্র-ছাত্রীও উক্ত কোঠাত সমবেত হৈছিল। ছাৰৰ সেই ক্লাছটো প্রায় দুঘণ্টা ধৰি চলিছিল। প্রথম অৱস্থাত আলোচ্য বিষয় আছিল ১৭৮৯ চনৰ ফৰাচী বিপ্লৱ। পাছত ক্রমান্বয়ে ফৰাচী বিপ্লৱৰ পৰা আৰম্ভ কৰি ১৯৪৫চনলৈ অর্থাৎ দ্বিতীয় বিশ্বযুদ্ধৰ সামৰণিলৈকে ইউৰোপ মহাদেশ তথা সমগ্র বিশ্বত সংগঠিত প্রধান প্রধান বিষয়সমূহ অনর্গলভাৱে ব্যক্ত কৰি গৈছিল আৰু তেখেতৰ বক্তৃতাত আমি এনেকৈ মন্ত্র-মুগ্ধ হৈ পৰিছিলোঁ যে দুঘণ্টা সময় কেনেকৈ পাৰ হ'ল আমি গমকে নাপালো।

নগাঁও চহৰত ১৯৫৯ চনত নতুনকৈ স্থাপিত হোৱা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা হাই ছাৰ ওতপ্রোতভাৱে জড়িত আছিল। প্রতিষ্ঠাপক ৭জন অধ্যাপকৰ ভিতৰত হাই ছাৰো (অংশ কালীন) এজন আছিল। তেখেতে মহাবিদ্যালয়খনৰ প্রশাসনিক দিশতো উল্লেখযোগ্য ৰৰঙণি আগবঢ়াইছিল। অসম সাহিত্য সভাৰ প্রাক্তন সভাপতি তথা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক অধ্যাপক (অংশকালীন) সকলৰ এজন শ্রদ্ধেয় মহিম ৰৰাদেৱে কৈছে যে আব্দুল হাই ছাৰ প্রতিষ্ঠাপক অধ্যাপকসকলৰ নেতা আছিল আৰু কলেজখনৰ বিভিন্ন দিশত তেওঁ বলিষ্ঠ নেতৃত্ব প্রদান কৰিছিল। সকলো সময়তে ছাত্র-ছাত্রী তথা অধ্যাপক-অধ্যাপিকাসকলক উৎসাহ-উদ্দীপনা যোগাইছিল।

প্রতিষ্ঠাপক অধ্যক্ষ শুকদেৱ গোস্বামীদেৱৰ অকাল বিয়োগত খালি হোৱা অধ্যক্ষ পদ প্রার্থী হিচাপে মহাবিদ্যালয় কর্তৃপক্ষলৈ কৰা আবেদন পত্রত হাই ছাৰে উল্লেখ কৰিছে যে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা অধ্যাপনাকে ধৰি অন্যান্যা উন্নয়নমূলক কামতো তেখেতে অংশগ্রহণ কৰিছিল। মহাবিদ্যালয়ৰ শুভাৰম্ভণিতে অন্যান্য অধ্যাপকসকলৰ লগত তেখেতেও এককালীন ৬০০.০০টকা ৰৰঙণি আগবঢ়াইছিল। মহাবিদ্যালয় পৰিচালনা সমিতিয়ে (তেতিয়াৰ কার্যকৰী সমিতি) প্রস্তাৱযোগে প্রতিষ্ঠাপক অধ্যক্ষক মহাবিদ্যালয়ৰ শৈক্ষিক আৰু প্রশাসনিক দিশত সহায় কৰাৰ বাবে তেখেতক নির্দেশ দিছিল। তেখেতৰ কর্তব্যপৰায়ণতা আৰু কার্য পৰিচালনাত সন্তুষ্ট হৈ ১৯৬২ চনৰ পৰা পৰিচালনা সমিতিয়ে হাই ছাৰে নিৰিচৰা সত্ত্বেও মাহিলি ৫০.০০টকাকৈ বিশেষ বানচ আগবঢ়াইছিল। অধ্যাপনা কৰাৰ উপৰিও হাই ছাৰে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় কেন্দ্রত অনুষ্ঠিত পৰীক্ষাসমূহত এ.ও.চি. (A.O.C.) হিচাপে কার্য পৰিচালনা কৰিছিল। এনেকৈ আৰম্ভণিৰে পৰা মহাবিদ্যালয়খনৰ সর্বাঙ্গীণ উন্নতিৰ হকে তেখেতে অধ্যক্ষ শুকদেৱ গোস্বামীলৈ সহায়ৰ হাত আগবঢ়াইছিল।

১৯৬৫ চনৰ ৫ জানুৱাৰি তাৰিখে হাই ছাৰ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যক্ষ পদত অধিষ্ঠিত ১৯৮৫ চনৰ ৬ মে' তাৰিখলৈকে উক্ত পদত কার্যৰত তেখেতে অতি দক্ষতাৰে অধ্যক্ষৰ কার্য পৰিচালনা মহাবিদ্যালয়ত তেখেতৰ উপস্থিতি নিয়মীয়া আছিল কাৰণতে নিজৰ কর্তব্য পালনত পিছহোঁহকা নাছিল। কাৰণে কেতিয়াবা কাৰোবাৰ অপ্রিয় হৈছিল যদিও তেখেতে ভ্রূক্ষেপ কৰা নাছিল। তেখেত নির্ভীক যিটো শুদ্ধ আৰু সত্য বুলি ভাবিছিল, সেই পথেৰে গৈছিল। নিজ আদর্শৰ প্রতি অবিচল থাকিলেও— সমদৃষ্টি ৰাখিছিল।

ব্যক্তি হিচাপে হাই ছাৰ মানুহজন আছিল সৰল। কিন্তু তেখেতৰ শান্ত আৰু সৌম্য ৰূপটোৰ আছিল এজন সুযোগ্য শিক্ষক আৰু সু-দক্ষ প্রশাসক প্রয়োজনীয় গুণবোৰ। তেখেত খঙাল নাছিল মহাবিদ্যালয়খনৰ ছাত্র-ছাত্রী, কর্মচাৰী আৰু অধ্যাপক সকলৰ পৰা সমীহ আদায় কৰিবলৈ সক্ষম হৈছিল নিয়মানুবর্তিতা আৰু সময় নিষ্ঠাৰ ওপৰত তেখেতে গুৰুত্ব দিছিল।

আব্দুল হাই ছাৰ অধ্যক্ষ পদত অধিষ্ঠিত হোৱা সময়ৰ ভিতৰতে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয় ক্ষিপ্রতাৰে সর্বদিশত উন্নতি লাভ কৰে আৰু অল্প আগশাৰীৰ মহাবিদ্যালয়লৈ ৰূপান্তৰিত হয়। মহাবিদ্যালয়ৰ বিজ্ঞান শাখা প্রতিষ্ঠা হাই ছাৰৰ চিৰযুগমীয়া কীর্তিসমূহৰ অন্যতম। তেখেতৰ অক্লান্ত পৰিশ্রম আৰু কর্তব্য নিষ্ঠাই আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ত ১৯৭৮ চনত বিজ্ঞান শাখা প্রৱর্তিত হৈছিল আৰু অতি কম সময়ৰ ভিতৰতে ১/৯/১৯৮৩ তাৰিখে বিজ্ঞান শাখাই ঘাটি মঞ্জুৰি পাইছিল।

নিজৰ সান্নিধ্যত অহা সকলোকে আকৃষ্ট কৰিব পৰা অসাধাৰণ গুণৰ অধিকাৰী আছিল হাই ছাৰ। তেখেতৰ সান্নিধ্য লাভ কৰা কোনো ব্যক্তিয়ে তেখেতক নোৱাৰে। ছাৰৰ জীৱনৰ আন এটা গুৰুত্বপূর্ণ দিশ মান্য ব্যক্তি আৰু চৰকাৰী বিষয়বৰীয়া সকলৰ লগত মধুৰ ৰক্ষা কৰা। নগাঁও তথা অসমৰ বিভিন্ন বিভাগৰ উচ্চপদস্থ লগত তেখেতে সততে মধুৰ সম্পর্ক বজাই ৰাখিছিল। সমসাময়িক অসম আৰু নগাঁও জিলাৰ বৌদ্ধিক মহলত বিশেষ স্থান দখল কৰিবলৈ সক্ষম হৈছিল। লগতে বিভাগৰ উচ্চ-পদস্থ বিষয়ববীয়াৰ পৰা সমীহো পাইছিল।

মহাবিদ্যালয়খন পৰিচালনাৰ ক্ষেত্রত তেখেতে সমান চকুৰে চাইছিল। অধ্যয়নৰত বহুত ছাত্র-ছাত্রীৰ নির্দ্ধাৰণত তেখেতে নির্ণায়ক ভূমিকা পালন কৰিছিল। তেখেতৰ পৰামর্শক্রমে 'বুৰঞ্জী' বিষয়টি সন্মানৰ বিষয় হিচাপে লৈ ১৯৭৬ চনত আনন্দৰাম ঢেকিয়াল মহাবিদ্যালয়ত স্নাতক মহলাত নামভর্তি কৰিছিল। বিষয়টোত আশানুৰূপ ফল লাভ কৰি মহাবিদ্যালয়

বিভাগৰ মুৰব্বী হিচাপে সেৱা আগবঢ়াবলৈ সক্ষম হৈছোঁ। মোৰ সৃষ্টিত এয়া হাই ছাৱৰেই অৱদান। মোৰ দৰে বহু সংখ্যক ছাত্র-ছাত্রীৰ জীৱনৰ গতি নির্ধাৰক আছিল হাই ছাৱ। আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ মোৰ দুজন সহপাঠী মোঃ ছিৰাজুল ইছলাম আৰু শ্রীপ্রদীপ দুৱৰা ক্রমে নগাঁও মহাবিদ্যালয় আৰু নগাঁও ছোৱালী মহাবিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ মুৰব্বী অধ্যাপক হিচাপে বর্তমানে কার্যনির্বাহ কৰি আছে।

কেৱল ছাত্র-ছাত্রীয়েই নহয়— হাই ছাৱৰ প্রেৰণাত অনুপ্রাণিত হৈ আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ অধ্যাপক/অধ্যাপিকাই— ৰাজ্যিক, ৰাষ্ট্রীয় আৰু আন্তঃৰাষ্ট্রীয় স্তৰত বিভিন্ন বিভাগত অংশগ্রহণ কৰি মহাবিদ্যালয়খনলৈ গৌৰৱ কঢ়িয়াই আনিছিল। উদাহৰণ স্বৰূপে, হাই ছাৱৰ অনুপ্রেৰণাতেই শ্রদ্ধেয় শিক্ষাগুৰু শ্রীসহজানন্দ ওজা দেৱে ভাৰতীয় ক্রিকেট দলৰ সহঃ মেনেজাৰ হিচাপে ১৯৮২-৮৩ চনত পাকিস্তানলৈ যাবলৈ সক্ষম হৈছিল।

হাই ছাৰ এজন সুদক্ষ ফুটবল খেলুৰৈ আৰু ক্রীড়া-সংগঠক আছিল। কলিকতাত পঢ়ি থকা সময়ত নগাঁও তথা অসমৰ বিখ্যাত ফুটবল খেলুৰৈ আৰু প্রখ্যাত ক্রীড়া সংগঠক মৰহম নুৰুল আমিন (দাদু) চাহাবৰ সান্নিধ্যত অহা আব্দুল হাই ছাৱে দাদু চাহাবৰ লগত কেৰেটো জীৱন নগাঁও জিলা তথা অসমৰ ক্রীড়া জগতলৈ বিশেষ অৰিহণা যোগায়। নগাঁও ক্রীড়া সংস্থাৰ লগত তেখেত আজীৱন জড়িত হৈ আছিল। তেখেতৰ সবল নেতৃত্বত ১৯৬৫ আৰু ১৯৭২ মত ক্রমে সদৌ অসম আন্তঃ কলেজ ফুটবল আৰু আন্তঃ কলেজ ক্রীড়া প্রতিযোগিতা নগাঁৱত অনুষ্ঠিত হৈছিল। ১৯৬৯ আৰু ১৯৭৫ মত গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ আন্তঃ কলেজ ক্রীড়া সমাৰোহ তেখেতৰ উদ্যোগতে নগাঁৱত অনুষ্ঠিত হৈছিল। তেখেতৰ প্রৰণাতে গুৱাহাটী বিশ্ববিদ্যালয়ৰ অধীনস্থ আন্তঃ কলেজ ক্রীড়া ক্ষেত্রত আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ে যথেষ্ট সুনাম অর্জন কৰিছিল। কিছু দিনৰ বাবে হাই ছাৱে অসম 'কেৰম সংস্থা'ৰ সভা-সভাপতি হিচাপে কার্যনির্বাহ কৰিছিল। ১৯৮০ চনত দিল্লীত অনুষ্ঠিত সর্ব ভাৰতীয় কেৰম প্রতিযোগিতাত তেখেতে অসম কেৰম দলৰ মেনেজাৰ হিচাপে দায়িত্ব পালন কৰিছিল। উল্লেখযোগ্য যে উক্ত প্রতিযোগিতাত অসমৰ প্রথম মহিলা কেৰম প্রতিযোগী হিচাপে হাই ছাৱৰ কনিষ্ঠা কন্যা আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ ছাত্রী মিচ্ তছলিমা চুলতানাই অংশগ্রহণ কৰিছিল। নগাঁও টেবুল টেনিছ সংস্থাৰ তেখেত উপ-সভাপতি আছিল।

নগাঁও জিলাৰ বিভিন্ন শিক্ষানুষ্ঠান আৰু সামাজিক অনুষ্ঠানৰ সাতে হাই ছাৰ ওৰেটো জীৱন ওতপ্রোতভাৱে জড়িত আছিল। তেখেত নগাঁৱৰ খাগৰিজান কলেজ আৰু হাতিপুখুৰী হাই মাদ্রাছাৰ প্রতিষ্ঠাপক সভাপতি আৰু নগাঁও আইন মহাবিদ্যালয়ৰ প্রতিষ্ঠাপক সম্পাদক আছিল। তাৰোপৰি তেখেত বিভিন্ন শিক্ষানুষ্ঠান যেনে ঃ নগাঁও বি.টি. কলেজ, কলিয়াবৰ কলেজ, নগাঁও ছোৱালী কলেজ, নগাঁপুৰ কলেজ আৰু বহু সংখ্যক এল, পি, এম, ই, আৰু হাইস্কুল প্রতিষ্ঠাৰ ক্ষেত্রত অগ্রণী ভূমিকা লৈছিল।

'ভাৰত সেৱক সমাজ' নগাঁও গোটৰ সভাপতি, গুৱাহাটী বিশ্ববিদ্যালয় কোর্টৰ সদস্য, কামপুৰ আৰু মৰিগাঁও কলেজৰ পৰিচালনা সমিতিৰ বিশ্ববিদ্যালয়ৰ মনোনীত সদস্য, অসম কলেজ অধ্যক্ষ সংস্থাৰ উপ-সভাপতি আদি পদতো হাই ছাৱে অতি নিষ্ঠা তথা দক্ষতাৰে সেৱা আগবঢ়াইছিল। ইং ১৯৬৩ চনত অসম চৰকাৰৰ দ্বাৰা গঠিত "Advisory Committee for Elementary Education, Nowgong"ৰ তেখেত সভাপতি আছিল।

হাই ছাৱে অসমৰ ভাষা আন্দোলনত সক্রিয় অংশগ্রহণ কৰিছিল আৰু অসমৰ বিভিন্ন সংখ্যালঘু অসমীয়া মুছলমান অধ্যুষিত অঞ্চল পৰিভ্রমণ কৰি মুছলমান সম্প্রদায়ক অসমীয়া ভাষাক মাতৃভাষা ৰূপে গ্রহণ কৰিবলৈ আহ্বান জনাইছিল।

আব্দুল হাই ছাৰ এজন অতিথি পৰায়ণ ব্যক্তি আছিল। তেখেতৰ নগাঁৱৰ খ্রীষ্টানপট্টিত অৱস্থিত ঘৰখন অতিথিশালালৈ ৰূপান্তৰিত হৈছিল। হাই ছাৱে স্ব-ইচ্ছাই আতিথ্য গ্রহণ কৰিও ভাল পাইছিল আৰু সঘনাই অধ্যাপক-অধ্যাপিকাসকলৰ ঘৰলৈ বিনাদ্বিধাই উপস্থিত হৈছিলগৈ। লগতে সামান্য কিবা অজুহাততে অধ্যাপক-অধ্যাপিকাসকলক নিমন্ত্রণ কৰি ভাল পাইছিল। মুঠতে অধ্যাপক-অধ্যাপিকাসকলৰ লগত তেখেতে সু-সম্পর্ক বজাই ৰাখিছিল।

হাই ছাৱে মাজে-সময়ে বিভিন্ন পত্রিকাত প্রবন্ধ আদি লিখি অসমীয়া ভাষা তথা জাতিৰ উন্নতিৰ হকে কাম কৰি গৈছে। আকাশবাণী গুৱাহাটী কেন্দ্রৰ কিছু অনুষ্ঠানতো হাই ছাৱে অংশগ্রহণ কৰিছিল। নগাঁও তথা অসমৰ বিভিন্ন শিক্ষানুষ্ঠানৰ বিভিন্ন ধর্মীয় সভা-সমিতি যেনে ঃ নবী উৎসৱ, শংকৰদেৱৰ তিথি আদিত হাই ছাৱে মুখ্য বক্তা তথা মুখ্য অতিথিৰ আসন অলংকৃত কৰিছিল। ১৯৮৫ চনৰ জুন মাহৰ ২ তাৰিখে মহান শিক্ষাবিদ, মানৱ দৰদী তথা সমাজ সেৱক আব্দুল হাই ছাৰ দু�ৰাৰোগ্য ৰোগত আক্রান্ত হৈ মৃত্যুবৰণ কৰে।

এইখিনিতে উল্লেখ কৰিব খুজিছো যে আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ জন্মলগ্নৰে পৰা জড়িত হৈ ওৰেটো জীৱন— মহাবিদ্যালয়খনলৈ প্রথমতে প্রতিষ্ঠাপক অধ্যাপক আৰু পিছলৈ অধ্যক্ষ হিচাপে সুদীর্ঘ কাল সেৱা আগবঢ়াই যোৱা আব্দুল হাই ছাৱৰ পৱিত্র স্মৃতি যাউতিযুগীয়াকৈ ৰক্ষার্থে মহাবিদ্যালয়ে যথোপযুক্ত ব্যৱস্থা কৰিলে বৰ প্রশংসনীয় কাম হ'ব।

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ সোণালী জয়ন্তী সমাৰোহৰ পৱিত্র অৱসৰত মৰহুম আব্দুল হাই ছাৱৰ স্মৃতিত শ্রদ্ধাঞ্জলি জনাই তেখেতৰ বিদেহী আত্মাৰ চিৰশান্তি কামনা কৰিলোঁ। ❑

প্রবন্ধটো যুগুত কৰোতে এ.বি. এম. ইক্রামুল মজিদৰ লেখা 'অধ্যক্ষ আব্দুল হাই ছাৱৰ সোঁৱৰণ'-ৰ লগতে হাই ছাৱৰ পৰিয়ালৰ পৰা লাভ কৰা তথ্য-সূত্রৰ বাবে তেখেত সকললৈ কৃতজ্ঞতা জনালোঁ— লেখক

কবি-নাট্যকাৰ বাৰ্টল্ড ব্ৰেশ্‌ট

° মলয় বয়

ইউৰোপৰ মাজ মজিয়াত অৱস্থিত জার্মানি এনে এখন দেশ, য'ত বুৰঞ্জীৰ পটভূমিটো বিচিত্র আৰু বিপৰীতমুখী আদর্শবাদৰ সংঘাতৰ জৰিয়তে। এই একেখন দেশত ৰাজতন্ত্র, সাম্যবাদ-সমাজবাদৰ চর্চা চলিছে দীর্ঘকাল, ভাৱবাদী দর্শনৰ বিপৰীতে দ্বান্দ্বিক বস্তুবাদৰ অভিনৱ সম্ভৱ হৈছে এইখন দেশতে।

আধুনিক যুগৰ এজন বিখ্যাত কবি, গীতিকাৰ তথা নাট্যকাৰ বার্টল্ড ব্ৰেশ্‌টৰ জন্ম জার্মানিৰেই অগ্‌ছবুর্গ চহৰত ১৯৯৮ চনৰ ১০ ফেব্রুৱাৰী তাৰিখত। আজি দহ বছৰ হ'ল, ন জন্মশতবর্ষ অতিক্রান্ত হৈ গৈছে। ইউৰোপৰ খবৰ পোৱা নাই, কিন্তু আমাৰ দেশৰ নাট্যকর্মীসকলৰ মন ১৯৯৮ চনৰ ১০ ফেব্রুৱাৰী দিনটোৰে বিশেষভাৱে স্পর্শ নকৰাকৈ থকা ন বিশ্বযুদ্ধৰ সামৰণি পৰাৰ পাছৰ দশকবিলাকত ব্ৰেশ্‌টৰ নাটসমূহৰ অভিনয় আৰু বিশ্লেষণ অ দেশবোৰতেই নহয়, ভাৰতবর্ষৰ বিভিন্ন ভাষাগোষ্ঠীৰ মাজতো লেখত ল'বলগীয়াকৈ বিয়নি ব্ৰেশ্‌টৰ প্রায় প্রতিখন নাটকৰেই অভিনয়যোগ্য ভাঙনি কৰা হৈছিল ভাৰতৰ একাধিক ভাষাত। বাটকটীয়া আছিল বঙ্গদেশৰ নান্দীকাৰ গোষ্ঠী আৰু ইয়াৰ কর্ণধাৰ অজিতেশ বন্দ্যোপাধ্যায়ে।

দ্বিতীয় বিশ্বযুদ্ধৰ কিছু বছৰ আগৰে পৰা জার্মানিত 'মার্ক্সীয় নন্দনতত্ত্ব' সম্পর্কে এটি বিতর্কৰ সূত্রপাত হৈছিল। মার্ক্সবাদী আলোচক আৰু বিখ্যাত সাহিত্যতাত্ত্বিক জর্জ লুকাছৰ সৈতে ব্ৰেশ্‌টৰ মতাদর্শগত বিতর্কৰ ওপৰত যুগুত কৰা ব্ৰেশ্‌টৰ প্রবন্ধ-সংকলনখনৰ নাম হৈছে 'Ma Literature and Art'। ব্ৰেশ্‌টক আমি মার্ক্সবাদী বুলিয়ে জানো, কিন্তু মার্ক্সবাদৰ তাত্ত্বিক সূত্রসমূ তেওঁৰ কোনো কঠোৰ আনুগত্য নাছিল; অবিৰাম দ্বান্দ্বিকতাযুক্ত বস্তুবাদৰ অনুশীলনৰ জৰিয়তে প তেওঁৰ নিজস্ব মানৱবাদী দৃষ্টিভঙ্গী।

জার্মানিত ইহুদি-বিদ্বেষৰ ঐতিহ্য প্রাচীন, কিন্তু প্রথম বিশ্বযুদ্ধৰ সময়ছোৱাত এই বিদ্বেষ বি গা কৰি উঠিছিল। ইহুদি-বিদ্বেষৰ মাজেদি বিকশিত হৈছিল জার্মান জাতিৰ উগ্র জাতীয়তা জাতীয়তাবাদেই আছিল জার্মানিৰ ভৱিষ্যৎ ফেচিবাদৰ অর্থাৎ নাজিবাদৰ লাইখুঁটা। ১৯১৪ চ বিশ্বযুদ্ধখন আৰম্ভ হোৱাৰ সময়ৰে পৰা ব্ৰেশ্‌টৰ জীৱনত আদর্শ অনুসন্ধানৰ পৰীক্ষা-নিৰীক্ষাৰে হ'ল। এই সময়ত তেওঁৰ বয়স আছিল ষোল্ল বছৰ মাথোন। এই কিশোৰ বয়সতে তেওঁৰ কবি শুভাৰম্ভ ঘটে। কিন্তু সেই কবিতাৰ বিষয়বস্তু আছিল যুদ্ধৰ বিৰুদ্ধে থিয় হোৱা এজন মানৱপ্রেমিক আন্তৰিক বিননিৰে পৰিপূর্ণ। এই কবিতাসমূহ প্রকৃতিভাবুকতা আৰু প্রেমৰ গুঞ্জনেৰে ৰিণৰিণাই উ Neucaste Nachrichten নামৰ আলোচনীত তেওঁৰ কেইবাটাও যুদ্ধবিৰোধী কবিতা প্রকাশিত এই কবিতাসমূহৰ মাজত উল্লেখনীয় আছিল এজন জার্মান সৈনিকৰ আত্মকথামূলক Der F নামৰ কবিতাটো। The Ensign নামৰ আন এটি কবিতাত এজন সৈনিকে তেওঁৰ মাকলৈ চিঠি যে যুদ্ধৰ প্রতি তেওঁ গভীৰ ঘৃণা অনুভৱ কৰিছে। চিঠিখন লিখাৰ তিনিদিন পাছত যুদ্ধক্ষেত্রতেই সৈ মৃত্যু হ'ল। সেই নেপলিয়ন বনাপার্টৰ সর্বাত্মক যুদ্ধৰ দিনৰে পৰা যুদ্ধৰ বাতাবৰণ জার্মানিৰ (লগতে ই

আন কেইখনমান দেশবো) ঘবে ঘবে সোমাই পবিছিল। বিপৰীত ফালে ইয়াৰ প্রতিক্রিয়াস্বৰূপে যুদ্ধবিবোধী মানৱতাবাদৰ ঢৌ গৰিওদিশে খলকনি তুলিছিল। ১৯১৭ চনত ৰাছিয়াত বলশ্বেভিক বিপ্লৱৰ ফলত শ্রমিকশ্রেণীয়ে ৰাষ্ট্রীয় ক্ষমতা দখল কৰে। জার্মানিৰ মিউনিখত ১৯১৯ চনত শ্রমিকশ্রেণীৰ হাতত ক্ষমতা হস্তান্তৰিত হয়। এই ঘটনাটো আছিল এটা আন্তর্জাতিক প্রতিক্রিয়া। এই প্রতিক্রিয়াৰ আৰু এটা দৃষ্টান্ত— ব্রেশ্‌টৰ জন্মস্থান অগ্‌ছবুর্গতো সেই বছৰে ২২ ফেব্রুৱাৰীৰ দিনা শ্রমিকশ্রেণীয়ে বিদ্রোহ ঘোষণা কৰে। এইবোৰ ঘটনা পৰম্পৰাৰ গতি এনে তীব্র আছিল যে ব্রেশ্‌টৰ জীৱনৰ ওপৰত ইয়াৰ গভীৰ প্রভাৱ লক্ষ্য কৰা যায়।

ব্রেশ্‌টে মিউনিখ বিশ্ববিদ্যালয়ত চিকিৎসাশাস্ত্র অধ্যয়নৰ বাবে নামভর্তি কৰিছিল, কিন্তু দ্রুত পৰিৱর্তনশীল বিশ্ব ৰাজনীতিৰ প্রেক্ষাপটত তেওঁ অধ্যয়নৰ বিষয় সলনি কৰি সাহিত্য বিভাগত নাম লগালে। সময়টো আছিল ১৯১৮ চন। ১৯১৯ চনত তেওঁ অগ্‌ছবুর্গ সৈনিক পৰিষদৰ সদস্যপদ গ্রহণ কৰিলে। এই সময়তে তেওঁৰ প্রথম নাটক Ball ৰচিত হ'ল আৰু বিভিন্ন চহৰৰ ৰঙ্গমঞ্চত অভিনীত হ'ল। এই সময়তে জার্মানিৰ বিখ্যাত উপন্যাসিক থমাছ মানৰ সৈতে তেওঁৰ পৰিচয় হয় আৰু থমাছ মানৰ পৰিচালিত ব্যঙ্গ পত্রিকা Simplicissimusত তেওঁ ব্যঙ্গ কবিতা আৰু নাট-সমালোচনা লিখিবলৈ আৰম্ভ কৰে।

১৯১৯-১৯২৫ এই সময়ৰ ভিতৰত ব্রেশ্‌টে গভীৰ অধ্যয়নত নিজক ব্যস্ত ৰখাৰ উপৰিও কবিতা, গীত আৰু নাট ৰচনা অব্যাহত ৰাখিছিল। মিউনিখৰ এটি নাট্যশালাৰ লগত যুক্ত হৈ তেওঁ নাটক মঞ্চস্থ কৰিবলৈ লৈছিল। তেওঁ লিও ফয়েচ্‌ট হবাগনাৰৰ সহযোগত ইংলণ্ডৰ ৰজা দ্বিতীয় এডৱার্ডৰ জীৱনৰ ভেটিত এখনি নাট ৰচনা কৰিলে আৰু ১৯২৫ চনত মিউনিখ চহৰত এই নাটকৰ প্রথম অভিনয় হ'ল। ইয়াৰ পিছতেই বিখ্যাত নাট্য-প্রযোজক মাইনহার্ট-এ তেখেতৰ জার্মান থিয়েটাৰলৈ ব্রেশ্‌টক আমন্ত্রণ জনালে। ব্রেশ্‌ট বার্লিনলৈ গ'ল। ৰাছিয়াৰ বিপ্লৱৰ পৰৱর্তী সময়ছোৱাত তেওঁ দ্বান্দ্বিক বস্তুবাদৰ (dialectic materialism) পুঙ্খানুপুঙ্খ অধ্যয়নত মগ্ন হৈ পৰিছিল।

১৯২৭ চনত প্রকাশিত হ'ল ব্রেশ্‌টৰ প্রথম কবিতাপুথি Hauspostile। সমালোচকসকলে এইখন কাব্যত জার্মানিৰ আপুৰুগীয়া লোকগাঁথা, ধর্মীয় প্রার্থনা সঙ্গীত আৰু পৰম্পৰাগত লোক-সংস্কৃতিৰ সমল বিচাৰি পাইছিল। সেই একেই বছৰতে তেওঁৰ কিং এডৱার্ড, প্রকৃত মানুহ (The perfect man), নাগৰিক অৰণ্য (urban forest) আদি কেইখনমান নাটকত ৰচিত আৰু অভিনীত হৈছিল।

ব্রেশ্‌ট এজন শক্তিশালী কবি আছিল। কবিতাৰ যোগেদিয়ে সাহিত্য জগতত তেওঁৰ প্রৱেশ ঘটিছিল আৰু এটা সময়ত তেওঁক জার্মান ভাষাৰ এজন শ্রেষ্ঠ কবি হিচাপে গণ্য কৰা হৈছিল। সাহিত্য সমালোচকসকলৰ মতে হাইনৰিখ হাইনেৰ পিছত তেঁৱেই জার্মান ভাষাৰ অগ্রগণ্য কবি আছিল। জার্মান কাব্য ভাষাৰ গাম্ভীর্য আৰু মান্য ভাষাৰ (standard colloquial) ৰীতিমুখ্যতাক (stylised form) নেওচি ব্রেশ্‌টে এই ভাষাত সঞ্চাৰ কৰিছিল সবলতা আৰু প্রাঞ্জলতা। কবিতাৰ গঠন শিল্পৰ ক্ষেত্রত থকা বিবিধ তাত্ত্বিক আৰু আঙ্গিকগত জটিলতাক উপেক্ষা কৰি তেওঁ মানুহৰ মুখৰ সহজ ভাষাকেই কবিতাৰ মৌলিক ভাষা মাধ্যমৰূপে গ্রহণ কৰিছিল। অনুবাদত মূল ভাষাৰ সোৱাদ পোৱাটো সম্ভৱ নহয়, তথাপি তলত দিয়া উদাহৰণটোৱে পাঠকক নিৰাশ নকৰে বুলি মই ভাবো—

যি চিন্তাহীন মানুহবোৰে কেতিয়াও কাকো
সন্দেহ কৰি পোৱা নাই
তেওঁলোক মুখামুখি হ'ল সেই চিন্তাশীলসকলৰ সৈতে
যিসকলে একো কাম নকৰে।
কিন্তু তেওঁলোকে সন্দেহ কৰে
কোনো সিদ্ধান্তত উপনীত হ'বলৈ নহয়,
বৰঞ্চ সিদ্ধান্তৰ দায়িত্বৰ পৰা মুক্ত হ'বলৈ।
তেওঁলোকে মূৰবিলাক কামত লগায়
অকল জোকাৰিবলৈ।

কবিতা আৰু গীত ৰচনাত আৱদ্ধ হৈ থকাটো ব্রেশ্‌টে অনুচিত বুলি ভাবিছিল, আৰু সেই কাৰণেই প্রথমৰ পৰাই তেওঁ নাট ৰচনাত ব্যস্ত আছিল। যুগৰ হতাশা এনে সর্বগ্রাসী আছিল যে অকল কবিতাৰ মাধ্যমেৰে সকলো অনুভূতি প্রকাশ কৰিব পৰাটো অসম্ভৱ হৈ পৰিছিল। তেওঁ লাহে লাহে আৰু বেছিকৈ নাটক ৰচনা আৰু প্রযোজনাৰ ফালে মনোযোগ দিলে। জার্মানিৰ এই সময়ৰ ৰাজনৈতিক আৰু সামাজিক বাতাবৰণ আছিল সুস্থ মানসিকতাৰ প্রতিকূল। এফালে উগ্র জাতীয়তাবাদী মানসিকতাৰ পৰা ওপজা বিদ্বেষ, আনফালে চৰকাৰী সন্ত্রাস, এই দুটা শক্তিশালী প্রতিষ্ঠানৰ হেঁচাত স্বাধীন আৰু যুক্তিবাদী মতামত প্রকাশ কৰাটো আছিল অতিকৈ টান। সেয়ে সমাজবাদী চিন্তাবিদসকলে নাটকৰ যোগেদি মতামত প্রচাৰ কৰাৰ উদ্যোগ লৈছিল। ৰাছিয়াৰ বিখ্যাত কবি মায়াকভ্স্কিৰ নেতৃত্বত Futurist আন্দোলনৰ প্রভাৱত জার্মানিতো Protet cult আন্দোলনৰ সূত্রপাত ঘটে। পিচকাটৰ আছিল জার্মানিৰ সেই সময়ৰ এজন বিখ্যাত নাট্যতাত্ত্বিক আৰু প্রযোজক। ব্রেশ্‌টে পিচকাটৰৰ লগত বার্লিনত নাট-প্রযোজনাত অংশগ্রহণ কৰিছিল।

১৯২৪ চনৰ পৰা ১৯৩৩ চনলৈকে ব্রেশ্‌টে বার্লিনত থাকি ক্রমান্বয়ে ৰাইনহার্ট আৰু পিচকাটৰৰ অধীনত নাট-প্রযোজনা আৰু পৰিচালনাৰ কাম চলাই গৈছিল। এই কালছোৱাতেই মার্ক্সবাদ সম্পর্কে অধ্যয়ন কৰি থকা অৱস্থাত তেওঁ মার্ক্সৰ Alienation theoryৰ দ্বাৰা অনুপ্রাণিত হৈছিল। এই theoryৰ ধাৰাবাহিক অনুশীলনৰ ফলত জন্ম হ'ল বিখ্যাত Epic theatreৰ। Epic theatre আৰু বার্টল্ড ব্রেশ্‌ট— এই দুটা নাম পৃথিৱীৰ নাট্য জগতত অবিচ্ছিন্ন হৈ আছে।

দৰাচলতে জার্মান দার্শনিক হেগেল আছিল Alienation তত্ত্বৰ জনক। ইয়াৰ মূল কথাটো হৈছে মানুহৰ ভাৱজগতত বিচ্ছিন্নতাৰ অস্তিত্ব। মার্ক্সে দেখুৱাইছিল— আধুনিক সমাজৰ

সামগ্রিক হতাশাৰ মূল কাৰণ হিচাপে পোনপটীয়াকৈ অৰ্থনৈতিক বৈষম্যকে দায়ী কৰিব লাগিব। ব্ৰেশ্‌টে এই সামাজিক তথা ঐতিহাসিক সত্যটোক 'ধ্ৰুব সত্য' (axiom) হিচাপে গ্ৰহণ কৰিছিল আৰু তেওঁৰ নাটকত মঞ্চমায়াৰ শিল্প-বাস্তৱতা আৰু কঠোৰ বাস্তৱতাৰ মাজত বিভাজন আনি দৰ্শকসকলক নাট্যিক আৱেগৰ দ্বাৰা উটি যোৱাত বাধা দিছিল। এই তত্ত্বক শিল্পৰূপ দিবলৈ গৈ মঞ্চসজ্জা, পোহৰ নিয়ন্ত্ৰণ আদি ক্ষেত্ৰতো বহুতো পৰিবৰ্তন আনিবলগীয়া হৈছিল। এই নতুন নাট্যৰীতি সমগ্ৰ বিশ্বৰ নাট্যক্ষেত্ৰত এটা বিপ্লৱৰ সৃষ্টি কৰিছিল। পিছৰ যুগত এই ৰীতিটোৱে de-dramatization নামত জনাজাত হৈছিল। ১৯৩০ চনত The Rise and Fall of the city of Mahogony নাটকত এই ৰীতিৰ প্ৰথম ব্যৱহাৰ কৰিছিল। ১৯৩১ চনত Unanimity on the lessons of Waden, Yes sir, no sir আদি নাটক মঞ্চস্থ হ'ল বার্লিনত। ইয়াৰ পিছত Yohanna is the battle field নামৰ নাটকখন ক্ৰমাৎ গা কৰি উঠা নাৎচি ফেচিবাদৰ বিৰুদ্ধে তীব্ৰ প্ৰতিবাদস্বৰূপে অভিনীত হ'ল।

১৯৩৩ চনৰ পৰাই জাৰ্মানিত হিটলাৰৰ দমনমূলক প্ৰশাসন বলবৎ হৈছিল। স্বাভাৱিক কাৰণতেই ব্ৰেশ্‌টৰ নাগৰিকত্ব বাজেয়াপ্ত কৰা হ'ল আৰু তেওঁক জাৰ্মানিৰ পৰা বহিষ্কাৰ কৰাৰ নিৰ্দেশ দিয়া হ'ল। ১৯৩৩ৰ পৰা ১৯৪৭ লৈকে তেওঁ দেশান্তৰী হৈ থাকিবলৈ বাধ্য হৈছিল। নিৰ্বাসিত হোৱাৰ পিছত তেওঁ ক্ৰমান্বয়ে ডেনমাৰ্ক, চুইডেন আৰু ফিনলেণ্ডত ১৯৪১ লৈকে বসবাস কৰে। ইয়াৰ পিছত তেওঁ গ'ল আমেৰিকাৰ কেলিফৰ্নিয়ালৈ। তেওঁ নিৰ্বাসিত জীৱনৰ কালছোৱাত উদ্যমহীন এলাহত সময় নষ্ট কৰা নাছিল, কাৰণ তেওঁৰ ব্যক্তিত্বৰ গঢ়টোৱেই আছিল বেলেগ ধৰণৰ। পৃথিৱীজোৰা দ্বিতীয় যুদ্ধৰ সেই অশান্ত দিনবিলাকতো তেওঁ এখনৰ পিছত এখন নাট ৰচনা আৰু পৰিচালনা কৰি, চিনেমা পৰিচালনা কৰি, ৰেডিঅ' নাটকত অংশ লৈ ফেচিবাদ আৰু যুদ্ধৰ বিৰুদ্ধে প্ৰচাৰ চলাইছিল। গোপন ৰেডিঅ' সম্প্ৰছাৰৰ জৰিয়তে তেওঁ Geistic নামৰ এক নতুন কাব্য আন্দোলনৰো জন্ম দিছিল। দেশান্তৰী হৈ থকাৰ সময়ত তেওঁ যিবিলাক নাটক লিখিছিল, তাৰ ভিতৰত উল্লেখযোগ্য কেইখনৰ নাম হ'ল— সঁচা কথা লিখাৰ পাঁচোটা প্ৰতিবন্ধক (Five obstacles of writing the truth) তিনি পইছাৰ নাট (Three penny opera) তৃতীয় ৰাইখৰ ভয় আৰু দুৰ্দশা (Agony and distress of the third Reich) শ্ৰীমতী কাৰাৰৰ ৰাইফেল (The Rifle of Senora carar) মাদাৰ কাৰেজ আৰু তেওঁৰ পুত্ৰকন্যা (Mother Courage and her children) আৰু লুকুল্লুছৰ জবানবন্দী (The deposition of Lukulluch), ১৯৩৪ চনত তেওঁ লেখিছিল ব্যঙ্গাত্মক নাটক Peaked heads and Round heads— ইয়াৰ বিষয়ো আছিল ফেচিবাদৰ বিৰুদ্ধে প্ৰতিবাদ। ১৯৩৫ চনত গৰ্কিৰ Mother উপন্যাসৰ আৰ্হিত Mother নাটক আৰু চিমোনে মেক (The story of Simone Macador) এই দুখন কৰিলে।

১৯৩৮ চনত অধ্যাপক হান আৰু তেওঁৰ দ্বাৰা সংঘটিত হোৱা পৰমাণু বিভাজনৰ সাফল্য-সংক্ৰা পোৱাৰ পাছতেই তেওঁ বিখ্যাত নাটক গেলিলিঅৰ life of Galileo) ৰচনা কৰে। এই নাটকত গেলিলি পৰা আনি আধুনিক যুগত স্থাপন কৰি তেওঁৰ জী তাৎপর্য আবিষ্কাৰ কৰিছিল নাট্যকাৰে। ইয়াৰ পিছ বেশ্যাৰ জীৱনৰ আলমত লিখা হ'ল আৰু এখন চেজুৱানৰ ভাল মহিলা (The good woman of নাটকখন 'ভালো মানুষ' নামেৰে কলকতাৰ ৰঙ্গম অভিনীত হৈছিল আৰু নান্দীকাৰ প্ৰযোজিত এই হিচাপে উপভোগ কৰাৰ সৌভাগ্য মোৰ হৈছিল। পৃথিৱীখন হিটলাৰী দুঃস্বপ্নৰপৰা মুক্ত হৈছিল যদি অশৰীৰী অস্তিত্বই যেন ত্ৰস্ত মানুহক খেদি ফুৰিছি হিটলাৰক নেপথ্যত ৰাখি লিখিলে The resistibl Arturo Uee (আৰ্তুৰ উইৰ ৰাধাপ্ৰাপ্ত উত্থান) আৰু যু ভূমিকা অৱলম্বনত Schwaik goes to War (শে যুদ্ধলৈ)। ফিনলেণ্ডৰ এজন কৃষকৰ সংগ্ৰামী জীৱন ১৯৪৮ চনত লেখিছিল Herr Puntila and his (পুনতিলা আৰু তেওঁৰ মানুহজন মাইতি) আৰু স্পেইচ পটভূমিত লিখা হয় The Caucasian Chalk circle এখন বিখ্যাত নাটক।

ব্ৰেশ্‌টৰ আন্তৰ্জাতিক স্বীকৃতি আহিছিল তেওঁ জীৱনকালৰ নাট প্ৰযোজনা আৰু ফেচিবাদ বিৰোধী যোগেদি। ১৯৪৫ চনত হিটলাৰৰ আত্মহত্যাৰ ৰাজনৈতিকভাৱে ফেচিবাদৰ পতন হৈছিল, কিন্তু যুদ্ধবিধ্ব দেশখনৰ সমাজব্যৱস্থা পুনৰ থিতাপি লওঁতে কিছু সময় হৈছিল। সেয়েহে ব্ৰেশ্‌টে জন্মভূমি জাৰ্মানিলৈ উভতি কিছু পলমকৈ, ১৯৪৯ চনত মিত্ৰশক্তিৰ হাতত বাৰ্লি চাৰি বছৰ পাছত। বার্লিনলৈ আহি ব্ৰেশ্‌টে Berliner E নামৰ এটা নাট্যগোষ্ঠী আৰু লগতে এখনি নাটমঞ্চ গ এই নাট্যগোষ্ঠীৰ জৰিয়তে ব্ৰেশ্‌টৰ নাট্যদৰ্শন তথা চিন্তাধাৰাৰ পূৰ্ণতম প্ৰকাশ ঘটে।

১৯৫৬ চনত ১৪ আগষ্টৰ দিনা ৫৮ বছৰ বয়সত ঘটনাবহুল জীৱনৰ অন্ত পৰিল। প্ৰায় চল্লিশ বছৰ জোৰা নাট্য আন্দোলন আৰু সফল প্ৰযোজনাৰ ক্ষেত্ৰত তেওঁ যুগমীয়া হৈ থাকিব। ❑

জ্যোতিপ্রসাদৰ নাটকত লোক-সংস্কৃতিৰ সমল

ড° ৰজিতা কলিতা

বিপ্লৱী মনীষাৰ প্ৰতীক ৰূপকোঁৱৰ জ্যোতিপ্রসাদ আগৰৱালা আছিল একেধাৰে নাট্যকাৰ, গল্পকাৰ, ঔপন্যাসিক, প্ৰৱন্ধকাৰ, গীতিকাৰ মানৱদৰদী কবি, শিশু-সাহিত্যিক, জীৱনীকাৰ, সুন্দৰৰ উপাশক আৰু মুক্তিযোদ্ধা। জ্যোতিপ্রসাদ আগৰৱালাৰ নাটকসমূহ লোক-সংস্কৃতিৰ দিশত ঋদ্ধ। জ্যোতিপ্রসাদ আগৰৱালাৰ সময়ৰ সমাজখনৰ বিভিন্ন দিশসমূহৰ পৰিস্ফুৰণ ঘটা দেখিবলৈ পাওঁ তেখেতৰ নাটকত। জ্যোতিপ্রসাদ আগৰৱালাৰ ৰচনাৱলীৰ পঞ্চম সংস্কৰণৰ পাতনিত সত্যেন্দ্রনাথ শর্মাই লিখিছে— অসমীয়া লোক সংগীতৰ লগত তেওঁৰ আছিল আজন্ম সম্পর্ক— কিছুমান গীতত তেওঁ নিভাঁজ অসমীয়া লোকসংগীতৰ সুৰকে আধুনিক বাদ্যযন্ত্রৰ যোগেদি ৰূপায়ণ কৰিছে। উদাহৰণ স্বৰূপে—

'গছে গছে পাতি দিলে ফুলৰে শৰাই'— এই গীতটিৰ সুৰ সম্পূর্ণভাৱেই দৰা নোৱাওঁতে, মূৰত চাউল দিওঁতে গোৱা বিয়ানাম, 'আগত দিয়া পাছত দিয়া পঞ্চো আয়তীয়ে ৰাম ৰাম, পঞ্চো আয়তীয়ে এইটোৰ অবিকল সুৰ। (পৃঃ ১৫)

Folk Culture পদটো সূচিত কৰিবলৈ সাধাৰণতে লোক-সংস্কৃতি পদটো ব্যৱহাৰ কৰা হয়। Folkৰ অর্থ লোক বা জন। Loreৰ বিদ্যা। Lore পদে সংস্কৃতিক সূচিত কৰে বুলি স্পষ্টভাৱে কোৱা হয়। লোক বা জনসাধাৰণৰ মাজত পৰম্পৰাগতভাৱে, অৱধাৰিতভাৱে চলি থকা ৰীতি-নীতি, আচাৰ-ব্যৱহাৰ, গীত-মাত, পিন্ধন-উৰণ, খাৱন-শোৱন, বিশ্বাস, চিত্র, ভাস্কর্য, কলা, নৃত্য আদিকে আমি একেষাৰতে লোক-সংস্কৃতি বুলি অভিহিত কৰিব পাৰো। R.M. Dorson এ Folklore and Folklifeত লোক-সংস্কৃতিক বিষয়বস্তু অনুসৰি চাৰিটা ভাগত ভাগ কৰিছে। ভাগকেইটা হ'ল—

ক) মৌখিক সাহিত্য, খ) সামাজিক লোকাচাৰ,
গ) ভৌতিক সংস্কৃতি, ঘ) পৰিৱেশ্য কলাৰীতি।

জ্যোতিপ্রসাদ আগৰৱালা ৰচিত নাটকসমূহ হ'ল—

ক) শোণিত কুঁৱৰী, প্রথম তাঙৰণ, ১৯২৫ খ) কাৰেঙৰ লিগিৰী, প্রথম তাঙৰণ, ১৯৩৭
গ) লভিতা, প্রথম তাঙৰণ, ১৯৪৮ ঘ) ৰূপালীম, প্রথম তাঙৰণ, ১৯৬০
ঙ) নিমাতী কইনা বা ৰূপকোঁৱৰ, প্রথম তাঙৰণ, ১৯৬৪ চ) সোণপখিলী। (অসম্পূর্ণ), প্রথম তাঙৰণ, ১৯৬৪ (অতুল চন্দ্র হাজৰিকাই সম্পূর্ণ কৰিছে)
ছ) খনিকৰ, (অসম্পূর্ণ) প্রথম 'প্রকাশ' হয় প্রকাশ আলোচনীত ১৯৭৭ জ) কনলকলতা (অসম্পূর্ণ)
ঝ) সুন্দৰ কোঁৱৰ (অসম্পূর্ণ)।

তেখেতৰ নাটকসমূহৰ বিষয়বস্তুৰ আলোচনালৈ নগৈ লোক-সংস্কৃতিৰ বিভাগসমূহ তেখেতৰ নাটকসমূহত কেনেদৰে প্রতিফলিত হৈছে তাৰেই আভাস দিবলৈ এই প্রবন্ধত প্রয়াস কৰা হৈছে।

ক) মৌখিক সাহিত্য ঃ মৌখিক সাহিত্যৰ ভিতৰত লোকগীত, সাধুকথা, গদ্যধর্মী কাহিনী, প্রবচন, সাঁথৰ, লোক-ভাষা, মন্ত্র-সাহিত্য ইত্যাদিক অন্তর্ভুক্ত কৰিব পাৰি। জ্যোতিপ্রসাদ আগৰৱালাৰ 'শোণিত কুঁৱৰী' নাটকত সখীয়েকসকলে গোৱা এই গীতটিত অসমীয়া বিয়াগীতৰ সুৰ বিদ্যমান—

গছে গছে পাতি দিলে ফুলৰে শৰাই (পৃঃ ৯)

'শোণিত কুঁৱৰী' নাটকৰ পত্ৰলেখাৰ মুখৰ গীতটিত অসমীয়া নিচুকণি গীতৰ সুৰ শুনিবলৈ পোৱা যায়—

আমাৰে সখিয়া আকুল বিয়াকুলে
সপোনৰ হাঁহিটি চাই,
সপোনত কোঁৱৰে আহুদি আনিলে
মতলীয়া সখী খাই। (পৃঃ ২০)

'শোণিত কুঁৱৰী' নাটকত সমাপ্তি অধ্যায়ত গছৰ ডালত বহি সখীয়তীয়ে গোৱা গীত শুনি চিত্ৰলেখাই গোৱা গীতটিত বিহুগীতৰ সুৰ বিদ্যমান—

চৰাই বনৰীয়া
মুকলিমুৰীয়া
গাৱ বনৰীয়া গীত,
মন উৰো উৰো
কৰে তোৰ লগতে
মোৰ উৰণীয়া চিত। (পৃঃ ৪৪)

াটকৰ পৰিসমাপ্তিত ঊষাৰ বিদায় বেলিকা গোৱা সখীবোৰে গোৱা ীতটি বিয়ানামৰ অন্তৰ্ভুক্ত—

বাৰীৰ পিছফালে তগৰ,
সখীৰ তাঁতৰ শালে তগৰ
বহি জোলাফুলে বাছেকি তগৰ
আজি সুদা হ'ব ঊষাৰে নগৰ। (পৃঃ ৪৬)

কাৰেঙৰ লিগিৰী' নাটকত আপোন পাহৰা হৈ শেৱালীয়ে টোপনি ওৱা গীত গাইছে—

সোণৰে পালেঙত অ' মনেতৰা
সোণৰে পালেঙত অ' মনেতৰা
ধুনীয়া কোঁৱৰৰ ঘুমটি নাহিলে
কপাহৰ তলিচা পৰা মনেতৰা
.....
টোপনি টোপনি অ' মনেতৰা
আহিৰ টোপনি অ' মনেতৰা (পৃঃ ৫৫)

কাৰেঙৰ লিগিৰী' নাটকত ৰুণুক, জুনুক আৰু ঠুনুকে শেৱালীৰ াগত গোৱা গীতটিত লোকগীতৰ সুৰ বিদ্যমান—

বনৰীয়া আমি বনৰ চৰাই
বনে বনে ফুৰো অনাই বনাই
অনাই বনাই আমি
অনাই বনাই আমি
অনাই বনাই অ' অনাই বনাই। (পৃঃ ৮০)

কাৰেঙৰ লিগিৰী' নাটকত ৰুণুক, জুনুক আৰু ঠুনুকে সুন্দৰৰ আগত গোৱা গীতটিত লোকগীতৰ সুৰ বিদ্যমান—

পৰ্বততে ফুলিলে ৰঙানোকৈ ফুলে কলি
ৰেণুৰে বোলালি তই কুমলীয়া হাত
অ' ভৈয়ামৰ সোণামুৰা কিনো কৰ গুণি গাঁথি
লেখি লেখি সেউজীয়া
'ৰূপালীম' নাটকত দ্বিতীয় অঙ্কত জুনাফাৰ চাংঘৰত কেইজনীয়ে গোৱা গীতটি ল'ৰা ধেমালি গীতৰ আছে—

জিলিকা পাখিৰে
অ' সোণ ম'ৰা চৰাই
ৰঙা সেউজীয়া তৰাফুটুকীয়া
তোৰ গোট গাঁৱতে
অ' সোণ ম'ৰা চৰাই

'সোণপখিলী' নামৰ শিশু নাটিকাখনিৰ তৃতীয় অঙ্কত গোৱা গীতটিত ল'ৰা-ধেমালি গীতৰ প্ৰতিধ্বনি

কেং কুৰু কেং কুৰু
ঘেং কুৰু কুৰু
বনে বনে মনে মনে
ফুৰোঁ ফুৰোঁ ফুৰোঁ
ডেং কটা ডিং কটা
শিং কটা টিং
কিটিটিং ঘিটিটিং
ডিডিং ডিডিং। (পৃঃ

'লভিতা' নাটকত দুৰৈৰ পৰা ভাহি অহা বনগীতৰ পোৱা যায়—

লুইতেদি যাৱ ক'ৰে নাৱৰীয়া
তই ক'ৰে নাৱৰীয়া
মানুহে মানুহৰ মৰম নুবুজে
তেজীমলাহে মই। (

'লভিতা'ৰ মুখতো আন এটি বনগীত শুনিবলৈ পোৱা
মোৰ বাৰীত ফুলিলে ইন্দ্রজিত মালতী
তোৰ বাৰীত পৰিলে ছাঁ
তোৰে মনৰ কথা উটুৱাই আনিলে
সন্ধিয়াৰ বাউলী বা। (পৃঃ ১৬১)

'কনকলতা' নাটকত পুতলাই হুঁচৰি নাম পৰিৱেশন কৰিছে
দেউতাৰ পদুলিত গোন্ধাইছে মাখুৰী
কেতেকী মলেমলাই
গোবিন্দাই ৰাম। (

'লতিভা' নাটকত সখীয়েক হীৰা আৰু সোণে গোৱা গীতটি বিয়াত গোৱা যোৱানাম বা খিচাগীতৰ লগত ৰিজাই

ক) বাইদেউ বাইদেউ
ৰজাৰ জী আইদেউ
দোলাখন আনি দে যাওঁ
বাইদেউৰ দৰাটো ফেৰেকাঠেঙীয়া
ধিনিক ধিন্দাও দাও (পৃঃ ১৬২)

খ) বাইটি বাইটি চেনেহৰ আইটি
বগৰী পাৰি দে খাওঁ

আমাৰে আইটিৰে চুলি ফপৰীয়া
গোন্ধ তেল ঘঁহি মেলাওঁ (পৃঃ ১৬২)

াৰেঙৰ লিগিৰী'ত ৰেৰতীয়ে ধেমেলীয়া গীত গাইছে—

কাঁহীত নাখাওঁ বাটিত নাখাওঁ
নাখাওঁ সঁফুৰাত গুৰা,
মনৰ জোখাই নাপাওঁ মানে
দেহাকো নকৰো চুৰা (পৃঃ ৫৪)

ৰতী আৰু শেৱালী লিগিৰীৰ কথা-বতৰা শুনি বপুৰাই গোৱা তটি ধেমালি গীতৰ লগত সাদৃশ্য আছে—

চেংকলি নিকলি
কাঁহী-বাটি নুধুলি
ঠেহপাতি নাখালি ভাত
সাতপুৰীয়া সেন্দূৰৰ
যোৰ ফোঁট মাৰিলি
গোন্ধতেল ঘঁহিলি গাত। (পৃঃ ৫৪)

াৰাই অনঙ্গ সম্পৰ্কে সুদৰ্শনৰ আগত গোৱা গীতটি ধেমালি গীতৰ াত সাদৃশ্য আছে—

ধুন মৰা ধুনীয়া
তুলি মাৰে খোপা
এই হেন পুৰুষৰ
কলতলত জোপা। (পৃঃ ৫৪)

মন্ত্র-সাহিত্যৰ ভিতৰত 'শোণিত কুঁৱৰী' নাটকত মোহিনী ন্ত্রৰে অনিৰুদ্ধক ভুলোৱাৰ কথা (পৃঃ ২৬-২৮) আৰু 'নিমাতী ইনা' নাটকত ওজা বেজে কাঠিত সীয়া ফুলবোৰ লৈ চকু মুদি মাতি জাৰিবলৈ ধৰে। (পৃঃ ১২৯) বেজে মতা মন্ত্রও দেখিবলৈ াৱা যায়।

জ্যোতিপ্রসাদ আগৰৱালাৰ নাটকসমূহত বিভিন্ন সময়ত ভিন্ন প্রৱচন, জতুৱা ঠাঁচৰ উল্লেখ দেখিবলৈ পোৱা যায়। উদাহৰণ াপে—

'শোণিত কুঁৱৰী' নাটকত কুঁজীয়ে নাপিতক কৈছিল—

শৃকালি হৈ হৈ সিংহৰ আঁসৈ পাৱ। (পৃঃ ৩৩)
মোৰ কপাল ফুলিছে

জীয়ে কৈছিল— ভৰিৰ তলুৱা চেলেকিবলৈ তত্ হেৰাব পাৰে। ঃ ৩২)

ৰিজাই কৈছিল— মোৰ বিশ্ববিজয়ী বাহিনীৰ আগত যদুকুলে তয়াও আঁঠু লোৱা নাই। (পৃঃ ৩৩)

'কাৰেঙৰ লিগিৰী' নাকটত ঃ কাঞ্চনমতীয়ে অনঙ্গক ছিল— আপুনি মুনিহ মানুহ হৈ যেতিয়া সমাজলৈ ভয় কৰিছে বোতা সমাজৰ আঁঠুৱা তলৰ মহ' হৈ ভয় কৰিলে আপুনি কিয় ডৰিত হয়? (পৃঃ ৫৯)

সুন্দৰে কাঞ্চনমতীক কৈছিল— 'সমাজে বলে নোৱৰা ীক পৰি নমস্কাৰ' কৰিব পাৰে। (পৃঃ ৬৩)

ৰাজমাওৰে সুন্দৰক কৈছিল— ৰাজবংশৰ মুখত 'আলাহ্মু সানিলি', নিজৰো মান-মর্যাদা সকলোৰে মূৰ খালি, বুঢ়াগোঁহাইৰ 'বুকুত শেল দিলি'। (পৃঃ ৭৭) ইয়াৰ উপৰিও নাটসমূহত ব্যৱহৃত প্রবচন সমূহ হ'ল—

ক'ত খাও ক'ত যাও
কাছ কণী বিচাৰি পর্বত বগাওঁ। (পৃঃ ৫৬)
চৰুক সুধি চাউল নবহায়। (পৃঃ ৫৮)
জন্ম-মৃত্যু বিবাহ বিধিৰ নিবন্ধন। (পৃঃ ৬০)
বিধাতাৰ শিলৰ ৰেখা। (পৃঃ ৬০)
যি লাই বাঢ়ে দুপাততে চিন। (পৃঃ ৬২)
সোটাৰ খং বাঢ়নীত জাৰে।। (পৃঃ ৬২)
কথা আখৈ ফুটাদি ফুটিছে। (পৃঃ ৬২)
পর্বতত কাছকণী সাগৰত জুই
তাক নিবিচাৰি থাকিবা শুই। (পৃঃ ৫৪)
দাপোণ চাই মূৰ মেলা। (পৃঃ ৭০)
মাখিটোক হাতীটো কৰা। (পৃঃ ৭২)
কপালখন কপাল নহয়
বিধাতাৰ চোতাল। (পৃঃ ৭৫)

'ৰূপালীম' নাটকত ঃ জুনাফাৰ চাংঘৰৰ আগচোতালত মণিমুগ্ধই জুনাফাক কৈছিল— তুমি আপোন ইচ্ছাৰেই এই ৰূপহীৰ কপাল মুকলি কৰি দিয়া। (পৃঃ ১০২)

প্রান্ত দেশৰ সীমাৰ ওচৰত অগাধ জাৰিণিত ৰজাৰ আগত তৃতীয় বিষয়াই কৈছিল— এতিয়া শেষত ৰজাৰ একমাত্র ভৰসাৰ স্থল 'কণাৰ লাখুটি' এই ৰিমু ডেকাকো বেঁকা কৰি বিহ খুৱায়। (পৃঃ ১১৫)

প্রান্ত দেশৰ সীমাৰ ওচৰত অগাধ জাৰণিত ৰজাই বিষয়াৰ আগত ৰিমু সম্পর্কে এইদৰে কয়— সি.... কোমল তলুৱা চেলেকিবলৈ পাই আমাৰ টেকেলি কাতি কৰি থৈ তিৰোতাৰ মৰমৰ বাতি জ্বলাব। (পৃঃ ১১৪)

স্ত্রী বুদ্ধি প্রলয়ঙ্কাৰী। (পৃঃ ১০৫)

'লভিতা' নাটকত ঃ তপত ভাতত ধোঁৱাই খায়। (পৃঃ ১৭৩)
খাই পাত ফলাৰ জাত। (পৃঃ ১৭৪)
ইহকাল-পৰকাল নষ্ট যাব। (পৃঃ ১৭৭)

'খনিকৰ' নাটকত ঃ হাঁহৰ ওপৰত শিয়াল ৰজা। (পৃঃ ১৯৬)
মানিলে ধান, নামানিলে পতান। (পৃঃ ২০৩)
বুজাক বুজাবা ঠাঁৰে চিয়াঁৰে
নুবুজাক বুজাবা ঢকা চাপৰে। (পৃঃ ২০৩)

অবুজনক বুজোৱা ঢেৰুৱা ঠাৰি সিজোৱা। (পৃঃ ২২৬)

মৌখিক সাহিত্যৰ সাধুকথাৰ ৰূপান্তৰ হ'ল জ্যোতিপ্রসাদ আগৰৱালাৰ 'নিমাতী কইনা' নাটিকাখনি। 'নিমাতী কইনা'ৰ পাতনিত জ্যোতিপ্রসাদ আগৰৱালাই লিখিছে— আমাৰ বুঢ়ী আইৰ সাধুৰ জোলোঙাৰ পৰা 'নিমাতী কইনা' নামৰ আমাৰ দেশত প্রচলিত সাধুৰ এই নাটক ৰূপত ৰূপান্তৰ। (পৃঃ ১২৫) 'নিমাতী কইনা' বেজবৰুৱাৰ এটি বেলাড জাতীয় কবিতা আছে। (পৃঃ ৯)

নাটসমূহত বিভিন্ন গালি-শপনিৰ উল্লেখ দেখিবলৈ পোৱা যায়। 'লভিতা' নাটকত মৌজাদাৰণীয়ে লভিতা আৰু কটীয়াক এইদৰে গালি পাৰিছে—

কটা বাঘে খোৱা, কটা চুৰা খোৱা (পৃঃ ১৭১)

থুপৰি, ভাকুৰী, কটা টোকোনাৰ জাত, কুকুৰৰ পোৱালি (পৃঃ ১৭২)

কটা বদমাছ, কটা দগাবাজ, কটা হেৰামজেদা, (পৃঃ ১৭২)

কুলক্ষণীয়া (পৃঃ ১৭৩)

কুকুৰণীহঁত

কটাৰ জী বেটী, (পৃঃ ১৭৪)

বাঢ়নীৰে কোবাই দিম (পৃঃ ১৭৪) ইত্যাদি গালি পাৰিছে।

'শোণিত কুঁৱৰী' নাটকত শালত দিয়াম (পৃঃ ৩২), কটা গোলাম (পৃঃ ৩২), মৰতী বুঢ়ী (পৃঃ ৩২) ইত্যাদি।

লোকভাষাৰ ভিতৰত হিয়ালি-জিয়ালি (পৃঃ ৭১), গা ওকহি (পৃঃ ৬৬), আওখালি, আলৈ-আথানি (পৃঃ ১৬৯), খনীয়া পৃঃ ১৩৭), গাৰুৰ তলিচা, মূৰে ভৰি কঢ়া, ফানুছ, আখল, গছা, হকেৰা, গবকা, ধুমখুলি বাই (পৃঃ ৬২) কাণ চুৰাই (পৃঃ ৩১), াৰে-চিয়াঁৰে (পৃঃ ৫৫) ইত্যাদি উল্লেখযোগ্য।

) সামাজিক লোকাচাৰ ঃ সামাজিক লোকাচাৰৰ ভিতৰত বিশ্বাস-র্ম, লোক-ঔষধ, উৎসৱ-অনুষ্ঠান আৰু লোক খেল-ধেমালিক ন্তর্ভুক্ত কৰা হৈছে।

'কাৰেঙৰ লিগিৰী' নাটকত শনি সোমালে (পৃঃ ৬০),

সোঁ চকু, সোঁ বাহু লৰিলে অমঙ্গল হোৱাৰ কথা (পৃঃ ৫)

বাঁকিনী-শাকিনী (পৃঃ ৬৫)

আহুদি কৰাৰ কথা উল্লেখ কৰিছে। (পৃঃ ৬২)

দেও-ভূতে লম্ভা, দঁত-বাঁক, যখ-যখিনী, নিশাৰ নিশাচৰ, লদেৱ, থলদেৱৰ কথা উল্লেখ আছে।

'শোণিত কুঁৱৰী' নাটকত লোক ঔষধৰ ভিতৰত সপোনত ঁৱৰে আহুদি কৰাৰ কথা উল্লেখ কৰিছে।

উৎসৱ-অনুষ্ঠানৰ ভিতৰত গন্ধৰ্ব প্ৰথামতে ঊষা-অনিৰুদ্ধৰ য়াৰ প্ৰসঙ্গ উল্লেখ কৰিছে।

) ভৌতিক সংস্কৃতি ঃ ভৌতিক সংস্কৃতিৰ ভিতৰত লোক-শিল্প, াক-কলা, স্থাপত্য, লোক-আভৰণ, লোক-বন্ধনক সাঙুৰিব পাৰি।

লোক-কলা হিচাপে 'কাৰেঙৰ লিগিৰী' নাটকত বুঢ়াগোহাঁইৰ ালৰ বিৱৰণ দিছে এনেদৰে— চালপীৰাৰ ওপৰত সোঁফালে লপ আঁতৰত এখন বৰপীৰা আৰু শকত শকত খুৰাবোৰত সোণ-পৰ ফুলকটা আৰু ওপৰত এখন ডাঠ দলিচা পৰা, তাতে এদম তে লিখা পুথি ....দুৱাৰৰ ওপৰৰ ভাগ কলডিলৰ গঢ়ৰ, ৰূপৰ াৰু ফুলকটা। (পৃঃ ৫১)

কোঠাটোৰ সোঁফালে এখন জাপদুৱাৰ, মাজৰ বেৰৰ াঁমাজেদি দীঘে-পথালিয়ে দুহাত জালিকটা, তাৰ ওপৰত হেঙুল-াইতাল বোলোৱা দাণ্ডি থোৱা জাপ। (পৃঃ ৫৭)

খোটালিৰ ওপৰত এখন বগা তৰাচুলিৰ আছে। খোটালিৰ বেৰবোৰ পৰ্বতীয়া ঢেঁকীয়াৰ কামীৰে বন্ধা। বেৰৰ মুঠাবোৰ হাইতালেৰে বিচিত্ৰ কৰা। (পৃঃ ৫৭)

'হাইতাল বোলোৱা নৈ ফুৰা নাৱঁত কাঞ্চনমতীৰ লগত বালি ভাত খাবলৈ যায়। (

'নিমাতী কইনা'ত ফুলাম ছৈৰ নাও আছে। (পৃঃ ১৩০)

লোক-শিল্প প্ৰসঙ্গত সোণপখিলী নাটকত টোকাৰীৰ কথা উল্লেখ পাওঁ। (পৃঃ ১৫৩)

'খনিকৰ' নাটকত শিলাকুটিৰ শিলৰ দেখিবলৈ পোৱা যায়।

লোক স্থাপত্যৰ নিদৰ্শন দেখিবলৈ পাওঁ ৰূকমী ৰজাৰ কাৰেঙৰ বৰ্ণনা দিছে এইদৰে—

ফুলনিৰ মাজে মাজে চীনদেশীয় ফানুচবোৰ জ্বলাই ওলোমাই থৈছে। মাজে মাজে বহা ...দুমহলীয়া কাৰেঙ— চীনদেশীয় স্থাপত্য আৰু সানমিহলিকৈ সজা। কাৰেঙটো কাঠেৰে সজা।

মণিমুক্তৰ কাৰেঙ ব্ৰহ্মদেশীয় কাৰুকাৰ্য কোঠা গোটেইতো সোণৰ পাতেৰে ছটা। সোণৰ কজলা নানান পাথৰ আৰু মণি-মুকুতাৰে বাখৰ (পৃঃ ১০৩)

লোক বন্ধন শিতানত ঃ গাখীৰ-গুৰ, (কাৰেঙৰ লিগিৰী), পিঠা (কনকলতা), পিঠা-পনা, কইনা)ৰ উল্লেখ আছে। পাৰ চৰাইৰ আঞ্জা আমৰলীয়া (লভিতা), ঢেঁকীয়া শাক, কচুশাক, ঔটেঙা, জালুকী উল্লেখ দেখা যায়।

লোক আভৰণ হিচাপে 'কাৰেঙৰ লিগিৰীত আঠুমুৰীয়া চুৰিয়া আৰু ক'লা হাত খৰা গা চোলা কেৰু, ডিঙিত সৰু মাদলী। (পৃঃ ৫৪)

'খনিকৰ' নাটকত ফুকননীয়ে পিন্ধিছে মেজাং মুগাৰ মেখেলা, পাটৰ বিহা, আশী সূতাৰ চাদৰ, হাত কাণত লংকেৰু (পৃঃ ১৯৬) ফুকনে পিন্ধিছে কেপ কোটৰ (পৃঃ ১৯৫-১৯৬)

'সোণপখিলী' নাটকত বাওনাই পিন্ধিছে আঠু মূৰত বৰ পাগুৰি, সোণ-ৰূপ হীৰাৰ গহনাৰ উল্লেখ ১৫৫)

'কনকলতা' নাটকত হুঁচৰি মৰা ল'ৰাটোৱে আঠু মুগাৰ ফটহী পিন্ধিছিল, কিছুমানে কঁকালত ভমকাফুলী টঙালি মাৰি ডিঙিত বনকৰা কাপোৰৰ খলি খুওৱা ....মিৰি ডেকাই ক'লা কাপোৰৰ ফটহী, আঠুমুৰীয়া চু মূৰত চেলেঙৰ পাগ মাৰিছিল। ....মিৰি গাভৰুৱেও বুকুচোলা, ডিঙিত গেজেৰা, মাদলি, বাঘৰ নখ, হাত

ত জাংফাইৰ কেৰু পিন্ধিছিল। (পৃঃ ২৩৩) কনকলতা আৰু
ৰু দুজনীয়ে পাটৰ বনকৰা বিহা-মেখেলা, ডিঙিত গলপতা
জৰ আৰু বুটীগৰাকীয়ে পাটৰ পাতলি নথকা মেখেলা আৰু
দিয়া বিহা, গাত খনীয়া আৰু জাপি লয়। (পৃঃ ২৩৪)

খনিকৰ নাটকত তিৰোতাৰ কাণৰ কৰিয়া, হাতৰ খাৰু, ডিঙিৰ
ৰ উল্লেখ আছে। (পৃঃ ২১৬)

পৰিৱেশ্য কলা ঃ লোক-গীত লোক-নৃত্য আৰু লোক-নাটকক
ৱেশ্যকলাৰ অন্তর্ভুক্ত কৰিব পাৰি। 'শোণিত কুঁৱৰী' নাটকৰ
তনিত জ্যোতিপ্রসাদ আগৰৱালাই এইদৰে কৈছে—

'মই অসমীয়া বিহুনাচ আৰু কামৰূপী নাচ অসমীয়া মঞ্চত
সৰলৈ প্রথম চেষ্টা কৰোঁ। চিত্রলেখাৰ পদুমকলি নাচটো অসমীয়াৰ
লাচ আৰু ভাওনা নাচৰ ভঙ্গীৰ সমাৱেশ কৰি দেখুওৱা হৈছিল।'
ৰ গীতটো আছিল এনে ধৰণৰ—

....
প্রাণৰ আবেগ ৰুধিব নোৱাৰ
পদুমী উর্দ্ধমুখ,
সেয়ে পদুমীৰ কত জনমৰ
কত কল্পনাৰ সুখ,
....
চিৰজনমৰ প্রিয় মোৰ তুমি
চিৰজনমৰ সঞ্চিত মধু,
অধৰৰ মোৰ
বাটি ভৰি সখা পিয়া।
বাটি ভৰি সখা পিয়া।

ণিত কুঁৱৰী' নাটকত চিত্রলেখাই বীণ বজাই গীতৰ লগে লগে
ত্য কৰে এইদৰে—

বোৱাঁ বোৱাঁ দক্ষিণ মলয়া তটিনী বোৱাঁ
সমীৰণে আহি পৰাণ জুৰালে আ-হা (পৃঃ ১৪)

ৰেঙৰ লিগিৰী'ত টোকাৰী বজাই সুদর্শনে গীত গায়—

মোৰে জীৱনৰ সখা কৃষ্ণ
বজাব কি সুৰে বেণু
....
সুৰেৰে জিঞ্জিৰি পিন্ধালি মোক
সুৰেৰে জিঞ্জিৰি। (পৃঃ ৭৩)

ভিতা' নাটকত টকা-পেঁপাৰ মাতৰ লগে লগে নৃত্য কৰে
ইদৰে—

লুইতেদি যাৱ ক'ৰে ৰূপৰ পানী
কি কথা বুকুতে লই
মনৰে কথা মোৰ মনত মৰহিলে
তেজীমলাহে মই। (পৃঃ ১৬১)

'ৰূপালীম' নাটকত সখীয়েকসকলে ৰূপালীমৰ মন ভাল লগাবলৈ
বীণ বজাই গীত জুৰিছে—

অ' সখী আজি যৌৱন বন জুৰি
বন-বসন্ত মুঞ্জৰি
পাতে বৰণৰে মেলা,
হাঁহা সখী মোৰ হাঁহা সখী মোৰ
হাঁহিৰে ফাকু খেলা। (পৃঃ ১০৭)

'ৰূপালীম' নাটকৰ পৰিসমাপ্তিত ভেৰি, পেঁপা, কালী, জয়ঢোল
বজাইছে। (পৃঃ ১২১)

'কনকলতা' নাটকত পুতলাই লগৰ সমনীয়াৰ লগত ঢোল বজাই
নৃত্য কৰে এইদৰে—

দেউতাৰ পদূলিত গোন্ধাইছে মাধুৰী
কেতেকী মলেমলাই ঐ
গোবিন্দাই ৰাম। (পৃঃ ২৩৩)

'কনকলতা' নাটকত কমবয়সীয়া ল'ৰা কেইটামানে টকা, পেঁপা,
ঢোল, তাল আৰু টোকাৰী, বীণলৈ হুঁচৰি গাই আছিল। কেইটামানৰ
হাতত কৰতাল আৰু কৰণি দেখিবলৈ পোৱা যায়। (পৃঃ ২৩৩)

জয়ঢোল, বৰকাঁহ। (পৃঃ ১১০)

এনেদৰে জ্যোতিপ্রসাদ আগৰৱালাৰ নাটকসমূহত অসমীয়া লোক-
সংস্কৃতিৰ প্রতিফলিত ৰূপৰ বিভিন্ন চিত্র দেখিবলৈ পোৱা যায়। ❑

মুখ্য সমল ঃ

১) জ্যোতিপ্রসাদ ৰচনাৱলী- প্রথম সংস্কৰণ, ১৯৮১ অসম প্রকাশন
পৰিষদ
২) জ্যোতিপ্রসাদ ৰচনাৱলী- পঞ্চম সংস্কৰণ, ২০০৩ অসম প্রকাশন
পৰিষদ

গৌণ সমল ঃ

১) অসমীয়া নাট্য সাহিত্য - ড° সত্যেন্দ্র নাথ শর্মা
২) আধুনিক নাট্য চিন্তা - সত্যপ্রসাদ বৰুৱা, প্রথম প্রকাশ, ১৯৯৪
৩) চিন্তাৰ আভাস - ড° প্রহ্লাদ কুমাৰ বৰুৱা, প্রথম প্রকাশ, ১৯৮৩
৪) জ্যোতিপ্রসাদৰ নাটক - প্রফুল্ল কুমাৰ বৰুৱা, তৃতীয় প্রকাশ,
১৯৯৯
৫) জ্যোতিপ্রসাদৰ কাব্য-নাটৰ সমীক্ষা - ড° স্বাধীনতা মহন্ত, প্রথম
প্রকাশ, ২০০৩
৬) জ্যোতি অন্বেষণ (সম্পাদনা)- ড° নমিতা ডেকা, ড° লীলাৱতী
শইকীয়া বৰা, প্রথম প্রকাশ, ১৯৯৪
৭) নাটক আৰু অভিনয় প্রসংগ - সত্যপ্রসাদ বৰুৱা,
৮) ভাৰতৰ সাংস্কৃতিক ঐতিহ্য আৰু অন্যান্য ৰচনা - নগেন শইকীয়া,
প্রথম সংস্কৰণ, ১৯৯৩

সংস্কৃত ভাষাৰ স্বৰূপ আৰু অৱস্থান ঃ এক আলোকপাত

গুণ শইকীয়া

বিশ্বৰ বৰেণ্য ভাষাবিজ্ঞানীসকলে অকপটে ঘোষণা কৰা ঐতিহাসিক সিদ্ধান্ত এটা হ
দৰে উৎকৃষ্ট সাহিত্যৰ দলিল থকা পৃথিৱীৰ প্ৰাচীনতম ভাষাটো হ'ল একমাত্ৰ সংস্কৃত
পাণিনিয়ে ভাষাটোৰ সন্দৰ্ভত কৰা সংস্কাৰ বা পৰিমাৰ্জনৰ দিশটোলৈ প্ৰধানভাৱে লক্ষ্য ক
ভাৰতীয় পণ্ডিতসকলে ইয়াক সংস্কৃত ভাষা বুলি ক'বলৈ লোৱাৰে পৰা ভাষাটো সংস্কৃত
হ'ল। ভাষা-তাত্ত্বিক অধ্যয়নৰ আন্তৰ্জাতিক স্বৰূপটো বৰ্তাই ৰখাৰ লগতে সংস্কৃত ভাষাটো
স্তৰ থকা বৈচিত্ৰ্যপূৰ্ণ বিকাশৰ সম্পূৰ্ণ ধাৰাটো সংকেতিত কৰাৰ স্বাৰ্থতে ভাষা-বিজ্ঞানীসকল
'ইন্দো-এৰিয়ান' সংজ্ঞাটো ব্যৱহাৰ কৰিছে। ভাষা বা ভাষা-বিজ্ঞানৰ ছাত্ৰ এজনৰ বাবে এইখি
অৱশ্যে, ভাষাভিন্ন অন্য বিষয়ৰ ছাত্ৰৰ বাবে এইখিনি হয়তো নতুন কথা হ'ব পাৰে।

ভাষা-সাহিত্যৰ বিশিষ্ট পণ্ডিতসকলৰ আন এটা স্পষ্ট মত এই যে সংস্কৃত-সাহিত্য প্ৰ
হোৱাৰ উপৰিও ই এক অত্যুৎকৃষ্ট সাহিত্য বিশেষো। মানৱ চিন্তাই ঢুকি পাব পৰা সকলো প্ৰ
আৰু তাত্ত্বিক জ্ঞান-বিজ্ঞানবো ই আঁকৰস্বৰূপ। কিন্তু, পৰম বিস্ময় আৰু উদ্বেগৰ কথা এ
ভাৰতৰ প্ৰগতি আৰু সমৃদ্ধি সাধনত নিৰ্ণায়ক ভূমিকা গ্ৰহণ কৰা বিজ্ঞচামৰ অধিকাংশই ভা
কালজয়ী দিশৰ প্ৰতি প্ৰায়েই অমনোযোগী। ভাষা স্বৰূপে, সাহিত্য স্বৰূপে আৰু বিভিন্ন
আঁকৰস্বৰূপে থকা ইয়াৰ মহত্ব আৰু গুৰুত্বখিনি সম্যক মানত অনুপলব্ধ হৈ ৰোৱাৰ ফ
ভাৰতত এই ভাষাটোৰ অধ্যয়ন অধ্যাপনাৰ ক্ষেত্ৰখন এফালে দুঃখলগা ধৰণে সংকুচিত হ
আনফালে কিছু অমূলক আৰু অবৈজ্ঞানিক ধাৰণাৰ জন্ম হৈ ভাষাটোক সাধাৰণভাৱে জনমা
কৰি তুলিছে। ভাৰতীয় সমাজখনৰ বাবে ই শুভলক্ষণ নহয়। ভাষাস্বৰূপে, সাহিত্যস্বৰূপে
আঁকৰস্বৰূপে সংস্কৃতৰ গুৰুত্বখিনি প্ৰধানকৈ ক'ত আছে, ভাষাটো অৱহেলিত আৰু অজনপ্ৰি
কাৰণবোৰ কি আৰু ভাষাটোৰ অধ্যয়নৰ ক্ষেত্ৰখন সংকুচিত কৰি পেলোৱাৰ ফলত ভাৰ
ক্ষতিৰ সন্মুখীন হ'ব লগা হৈছে— সেই কথাখিনি চমুকৈ আলোচনা কৰাই এই লেখাটিৰ উ

ক) গ্ৰীক, জাৰ্মান, লেটিন আদিৰ দৰে সংস্কৃতো 'ইন্দো-ইউৰোপীয়' ভাষাৰ পৰা উ
প্ৰধান ভাষা-ঠাল। ভাষা-তাত্ত্বিকসকলে পুনৰ্নিৰ্মাণ পদ্ধতিৰে ইন্দো-ইউৰোপীয় ভাষাৰ যিবোৰ
নিৰ্ধাৰণ কৰিছে সেইবোৰৰ সৱহখিনিয়েই কেতিয়াবা অবিকৃত ৰূপত আৰু কেতিয়াবা বা
সলনিৰে সংস্কৃত ভাষাত সংৰক্ষিত হৈছে। এই কাৰণে পৃথিৱীৰ প্ৰায়বোৰ প্ৰধান ভাষা-ঠা
কাৰণে সংস্কৃত ভাষাৰ জ্ঞান ফলপ্ৰসুভাৱে সহায়ক হ'ব পাৰে।

সংস্কৃতৰ যি ধ্বনিবিজ্ঞান বা উচ্চাৰণবিজ্ঞান (phonology) সি ধ্বনি আৰু বৰ্ণৰ সমা
অত্যন্ত সুষম আৰু বেছি বৈজ্ঞানিক। ভাষাটোৰ এই বৈশিষ্ট্যৰ কাৰণেই ইয়াৰ লিপিটো 'কম্পি
ব্যৱহাৰৰ কাৰণে আটাইতকৈ বেছি উপযোগী বুলি বৰ্তমান কালত বিবেচিত হৈছে।

ভাষাতাত্ত্বিকভাৱে সংস্কৃতক ভালকৈ জানিলে গ্ৰীক, জাৰ্মান আদি ভাষাবোৰৰ ভাষিক
কাৰ্য যেনেকৈ সহজসাধ্য হৈ পৰে, তেনেকৈ সংস্কৃতোদ্ভৱ নব্য ভাৰতীয় আৰ্যভাষাবোৰৰ

সহজসাধ্য হৈ পৰে।

খ) এখন সুস্থ আৰু গতিশীল সমাজৰ বাবে প্ৰয়োজন বুলি বিবেচিত হোৱা সকলো ধৰণৰ তাত্ত্বিক তথা ব্যৱহাৰিক জ্ঞান আৰু সাহিত্য-দৰ্শন-সংস্কৃতিৰ অমূল্য উপাদান এই ভাষাত লিখা গ্ৰন্থৰাজিত ঠাহ খাই আছে। ইয়াতে আছে স্বকীয় মৰ্যাদাত প্ৰতিষ্ঠিত বৈদিক মন্ত্ৰৰ দৰে উৎকৃষ্ট কবিতা, উপনিষদৰ দৰে জ্ঞানগৰ্ভী সাহিত্য, ব্ৰাহ্মণ গ্ৰন্থৰ দৰে উৎকৃষ্ট যজ্ঞসংবিধান তন্ত্ৰ, পুৰাণসমূহৰ দৰে লোক-শিক্ষাৰ অপূৰ্ব নিদান, ৰামায়ণ-মহাভাৰতৰ দৰে অত্যুত্তম কাব্য সাহিত্য তথা জ্ঞানকোষ, বেদান্ত আদিৰ দৰে উৎকৃষ্ট দৰ্শনতন্ত্ৰ, সূৰ্য সিদ্ধান্ত, আৰ্যভট্টীয় আদিৰ দৰে উত্তম জ্যোতিষশাস্ত্ৰ, লীলাৱতীৰ দৰে অনন্য অংকশাস্ত্ৰ, নাট্যশাস্ত্ৰ আদিৰ দৰে নন্দনতাত্ত্বিক অনুপম শাস্ত্ৰৰাজি, মনুস্মৃতি আদিৰ দৰে আচাৰশাস্ত্ৰ, চৰক-সুশ্ৰুত-সংহিতাৰ দৰে নিৰূপম চিকিৎসাশাস্ত্ৰ, বৃহৎ সংহিতাৰ দৰে শিল্পশাস্ত্ৰ তথা উদ্ভিদ বিজ্ঞানশাস্ত্ৰ, কামসূত্ৰৰ দৰে অনুপম কামশাস্ত্ৰ, কামন্দকীয়নীতিসাৰ আৰু কৌটিল্যৰ অৰ্থশাস্ত্ৰৰ দৰে প্ৰামাণিক নীতি, অৰ্থ আৰু ৰাজনীতিশাস্ত্ৰ আৰু যে কত কি! সেইবোৰ উল্লেখ কৰাৰ ইয়াত প্ৰয়োজনবোধ কৰা নাই। ওপৰত উল্লেখ কৰা নিদৰ্শনমূলক গ্ৰন্থখিনিয়েই সাহিত্যস্বৰূপে আৰু জ্ঞানৰ আঁকৰস্বৰূপে থকা সংস্কৃতৰ গুৰুত্বখিনি বোধহয় সফলস্বৰূপত আঙুলিয়াই দিব পাৰিছে। ইমানবোৰ কালজয়ী গুণ থকাৰ পাছতো সংস্কৃত ভাষা-সাহিত্যৰ অধ্যয়ন-অধ্যাপনাই ভাৰতবৰ্ষত পাবলগীয়া গুৰুত্বখিনি পোৱা নাই। সঁচা কথা ক'বলৈ গ'লে— ইয়াৰ অধ্যয়ন-অধ্যাপনা উপেক্ষিত হৈয়ে আছে। এনে হোৱাৰ গুৰিত অৱশ্যে বহুতো আৰ্থ-সামাজিক আৰু বাস্তৱিক কাৰণ জড়িত হৈ আছে। আমাৰ নিজৰ যুক্তি আৰু বিচাৰেৰে সেই কাৰণবোৰৰ কিছু চিহ্নিত কৰি পাঠকৰ বিবেচনাৰ্থে দাঙি ধৰিব বিচাৰিছোঁ।

১) ভাৰতীয় ঐতিহ্য-সংস্কৃতিৰ মূল সুঁতিটোক উপেক্ষা কৰি জ্ঞাতে বা অজ্ঞাতে পশ্চিমীয়া ভাৱাদৰ্শৰ চানেকিৰে ভাৰতৰ ৰাষ্ট্ৰীয় শিক্ষা-নীতি প্ৰস্তুত কৰিবলৈ যোৱাৰ পৰিণতিতে বোধহয় সংস্কৃত-শিক্ষা ভাৰততে উপেক্ষিত হৈ ৰ'বলৈ বাধ্য হ'ল। অসমৰ ক্ষেত্ৰত অৱস্থাটো আৰু অধিক জটিল আৰু অৱনমিত হোৱাৰ বাস্তৱ কাৰণ এটা হ'ল— ইয়াৰ বহুজনগোষ্ঠীকেন্দ্ৰিক অসমীয়া জাতিতত্ত্ব, যিটোৰ তাগিদাত 'ত্ৰিভাষা-সূত্ৰ'ৰ সৃষ্টি হ'ল আৰু সংস্কৃত-শিক্ষা নিদাৰুণভাৱে অৱহেলিত হ'ল।

২) উদ্যোগকেন্দ্ৰিক ৰাষ্ট্ৰীয় অৰ্থনীতিৰ বিধি-ব্যৱস্থাই নিতান্ত অকাৰিকৰী আৰু অবৃত্তিমূলক বিদ্যা বুলি বিবেচিত সংস্কৃত বিদ্যা-শিক্ষাৰ ক্ষেত্ৰখনত বাৰুকৈয়ে ঋণাত্মক প্ৰভাৱ পেলাইছে। সংস্কৃত ভাষা-সাহিত্যৰ উচ্চ ডিগ্ৰীধাৰী হৈয়ো এজনে সহজতে বৃত্তিগত সংস্থাপনত বিশেষ সুযোগ নোপোৱা কথাটোৱেও সমস্যাটোত মাত্ৰাধিকতাৰ সংযোজন ঘটাইছে।

৩) ৰজাঘৰৰ নিৰ্লিপ্ত অৱস্থান আৰু দুমুখীয়া কাৰ্য-প্ৰণালীও সমস্যাটো জটিলতৰ হোৱাৰ কাৰণে বহু পৰিমাণে দায়ী। কেৱল শ্লগানধৰ্মিতা আৰু নিয়মতান্ত্ৰিকতাক সমৰ্থন কৰা মানৰ সম্পদ উন্নয়ণ দপ্তৰৰ অধিকাংশ অদায়গ্ৰস্ত চৰকাৰী কাৰ্যকৰ্তাই বিদ্বানুষ্ঠানৰ পৰিসৰৰ বাহিৰৰ সমাজ জীৱনত সংস্কৃতক জনপ্ৰিয় কৰাৰ যি কিছু সুযোগ পায় সেইবোৰ বাস্তৱায়িত কৰাৰ নামত ভেকো-ভাওনাধৰ্মী পদক্ষেপ কিছু গ্ৰহণ কৰি সংস্কৃতৰ হিত সাধন কৰাতকৈ বেছিকৈ অহিতহে সাধন কৰি আহিছে।

৪) ভাষাটোৰ অধ্যয়নে ভাৰতীয় সমাজত গুৰুত্ব নোপোৱাৰ আন এটা কাৰণ হ'ব পাৰে হয়তো এই ভাষাটোক বুৰঞ্জী, ৰাজনীতি বিজ্ঞান আদিৰ দৰে সাধাৰণ এটা পঠনীয় বিষয়স্বৰূপে অথবা অসমীয়া, বঙালী আদিৰ দৰে সাধাৰণ এটা ভাষা বুলি বিবেচনা কৰিবলৈ ধৰা আমাৰ মাজত থকা প্ৰৱণতাটো।

ইয়াক ধৰ্মীয় ভাষাৰ স্বৰূপ এটা দিবলৈ যোৱাৰ বাবেও ভাষাটোৰ বিস্তৰ অধ্যয়নৰ বাটত হেঙাৰ নামিছে। ইয়াতকৈয়ো হতাশাজনক কথাটো হ'ল— আমাৰ দেশৰ এচাম অনুদাৰলোকে কেৱল ৰাজনৈতিক মুনাফা আদায়ৰ স্বাৰ্থত ইয়াত এক ধৰ্মীয় ৰহণ দিবলৈ অহৰহ প্ৰচেষ্টা কৰি আহিছে।

৫) সংস্কৃত ভাষাটো ব্যাকৰণসৰ্বস্ব, সেয়েহে ই অতি কঠিন আৰু ইয়াক আয়ত্ব কৰাটো বৰ কষ্টসাধ্য— এনেধৰণৰ অবৈজ্ঞানিক ধাৰণা এটা— জনসমাজত চলি থকাৰ কাৰণে ভাষাটোৰ পঠন-পাঠন আৰু চৰ্চা বহু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। অৱশ্যে এই কথা সঁচা যে পাণিনিয়ে ভাষাটোৰ ভাষাতাত্ত্বিক বৈশিষ্ট্যবোৰ মানুহৰ মুখত পৰি কেতিয়াবা হেৰাই যাব বুলি শংকা কৰি 'অষ্টাধ্যায়ী' ৰচনা কৰি ভাষাটোক অত্যন্ত পৰিমাৰ্জিত কৰা আৰু সংৰক্ষণ কৰাৰ স্বাৰ্থত ব্যাকৰণ সৰ্বস্ব কৰিলে। আৰু এইটোও হয় যে এইধৰণৰ ব্যাকৰণ সৰ্বস্বতাই ভাষাটোক 'ক্লাচিকেল' গণ্ডী এটা দিলে, যাৰ ভিতৰত সোমাই পৰি ভাষাটো লোক-ভাষাৰ স্থানৰ পৰা আঁতৰি আহি কালক্ৰমত গ্ৰীক, লেটিন আদি ভাষাৰ দৰে 'মৃতভাষা'ত পৰিণত হ'ল। এই যে 'মৃতভাষা' বুলি যিটো ভাষাতাত্ত্বিক পৰিভাষা সংস্কৃতৰ ক্ষেত্ৰত প্ৰয়োগ কৰা হ'ল সিয়েই সংস্কৃতৰ বাবে একপ্ৰকাৰ 'কাল' হোৱাৰ দৰে হ'ল। জনসমাজে পৰিভাষাটোৰ প্ৰকৃত তাৎপৰ্যটো উপলব্ধি কৰিব নোৱাৰাৰ কাৰণে সংস্কৃতৰ অধ্যয়ন বহু পৰিমাণে বিঘ্নিত হ'বলৈ ধৰিলে আৰু এতিয়াও হৈয়েই আছে।

আচলতে সংস্কৃতত থকাৰ দৰে প্ৰত্যেক ভাষাতেই কিছু কঠিন ভাষাতাত্ত্বিক বৈশিষ্ট্য বা ব্যাকৰণমূলক কাঠিন্য থাকেই। যদি শিকোঁতাৰ প্ৰকৃত ৰাপ থাকে, শিকোঁৱাজনে প্ৰণালীবদ্ধভাৱে আৰু আকৰ্ষণীয় ৰূপত পাঠদান কৰে, প্ৰয়োজনীয় সা-সুবিধা আৰু অনুকূল পৰিৱেশ আদি থাকে, তেন্তে কোনো ভাষাৰে শিক্ষণ ইমান কষ্টসাধ্য হ'ব নোৱাৰে। কিন্তু, বৰ্তমান ভাৰতৰ বাস্তৱিক প্ৰতিচ্ছবিটো তেনে নহয়। সংস্কৃতৰ প্ৰতি প্ৰকৃত ৰাপ থকা শিক্ষাৰ্থীৰ সংখ্যা তেনেই কম, উৎসৰ্গিত শিক্ষক-অধ্যাপকৰ সংখ্যাও বহু কম, প্ৰণালীবদ্ধ ৰূপত আকৰ্ষণীয় কৰি দায়ৱদ্ধতাৰে পাঠদান কৰা লোকৰ সংখ্যাও কম আৰু চৰকাৰী আৰু প্ৰাতিষ্ঠানিক সা-সুবিধাখিনিও আশা

কৰাতকৈ বহুগুণে কম।

তদুপৰি, ভাষাটোৰ অধ্যয়ন-অধ্যাপনা, প্ৰচাৰ-প্ৰসাৰ আৰু গৱেষণাৰ লগত জড়িত থকা পণ্ডিতসকলে অনেক সময়ত এই ভাষা-সাহিত্যবিধৰ সাহিত্যিক, জ্ঞান-বিজ্ঞানপৰক আৰু ভাষাতাত্ত্বিক বৈশিষ্ট্যবাজি সুচল বৈজ্ঞানিক ব্যাখ্যাৰে সময়মতে আৰু প্ৰয়োজন অনুপাতে জনগণৰ কাষলৈ চপাই নিব নোৱাৰাৰ কাৰণেও ভাষাটোৰ অধ্যয়ন-অধ্যাপনা আৰু প্ৰচাৰ-প্ৰসাৰ বহু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে। সংস্কৃতৰ জ্ঞান আৰু শিক্ষাক মূলধন কৰি জীৱিকা অৰ্জন কৰা অধিকাংশ লোকেই নিজৰ নিজৰ সতি-সন্ততিক সংস্কৃত শিক্ষাত অভিযোজনা নকৰা কথাটোৱেও সংস্কৃত শিক্ষাৰ প্ৰসাৰত বহুখিনি প্ৰতিকূলতাৰ সৃষ্টি কৰিছে। এনেধৰণে আলোচনা কৰি গৈ থাকিলে আৰু অনেক গুৰুত্বপূৰ্ণ কাৰণ বা কাৰকৰ সন্ধান হয়তো পোৱা যাব, যাৰ কাৰণে ভাৰতীয় সমাজত সংস্কৃত ভাষাটো উপেক্ষিত হৈ ৰ'বলৈ বাধ্য হৈছে। বেছি দীঘলীয়া হোৱাৰ আশঙ্কাত কাৰণ নিৰ্ণয় বা সন্ধানৰ আলচ ইমানতে সামৰা হ'ল।

ঘ) এতিয়া কথা হ'ল— সংস্কৃত এনেধৰণে ভাৰততে উপেক্ষিত হৈ থকাৰ কাৰণে ভাৰতীয় সমাজখন যে বহু পৰিমাণে ক্ষতিগ্ৰস্ত হৈছে, সি সঁচা কথা। সামগ্ৰিকভাবে জাতি, বিশেষকৈ আধুনিক প্ৰজন্ম আজি ছিন্নমূল আগবাঢ়ি গৈ আছে। এনেকৈ গৈ থাকিলে এদিন জাতি-সত্তাই নিজস্ব পৰিচয়েই হেৰুৱাই পেলাব।

সংস্কৃত উপেক্ষিত হৈ থকাৰ কাৰণে ভাৰতৰ তথা বিজ্ঞান গৱেষণাক্ষেত্ৰখনতো বিৰূপ প্ৰভাব বিজ্ঞানী সংস্কৃততে প্ৰণয়ন হোৱা প্ৰাচীন বিজ্ঞানধৰ্মী কৰিবৰ কাৰণে অপাৰগ হোৱাৰ কাৰণে মৌলিক কিছু পিছুৱাই থাকিব লগা হৈছে। ফলত বৈজ্ঞানিক স্তিমিত হৈ ৰৈছে।

ভাৰতীয় দৰ্শন, ভাষাতত্ত্ব আৰু আধুনিক ভাষাবোৰৰ অধ্যয়নো সংস্কৃতৰ জ্ঞানৰ অভাৱত বহু হৈছে। এনেকুৱা অৱস্থাত ভাৰতৰ প্ৰকৃত প্ৰগতি পৰিমাণে বাধাগ্ৰস্ত হোৱাই স্বাভাৱিক। সংশ্লিষ্ট সমস্যাটো সন্দৰ্ভত গভীৰভাবে চিন্তা কৰি সময় পদক্ষেপ ল'ব পাৰিলেহে সংস্কৃতো ৰ'ব আৰু তৰিব। কিমধিকমিতি।

अमृतं मधुरं सम्यक् संस्कृतं तातोप्यधिकम्।
देवभोग्यमिदं तस्माद् देवभाषेति कथ्यते।।
न जाने विद्यते किं तन्माधुर्य्यमत्र संस्कृते।
सर्वदैव समुन्मत्ता येन वैदिशिकाः वयम्।।
यावद् भावतवर्षं स्याद् यावाद् विन्ध्यहिमाचलौ।
यावद् गङ्गा च गोदा च तावदेव हि संस्कृतम्।।

—होৱেচ হেইমেন উইলচন

অসমীয়া সাহিত্যত সংস্কৃত উৎস

° থানেশ্বৰ শর্মা

১। ভাষানৈতিক ফালৰ পৰা বিবেচনা কৰিলে অসমীয়া ভাষাক সংস্কৃত বা প্ৰাচীন আৰ্য ভাষাৰ নাতিনীয়েক বুলি বুজিব পাৰি। সংস্কৃত বা ভাৰতীয় আৰ্য ভাষা ইণ্ডো-ইৰাণীয়ৰ মাজেৰে ইণ্ডো-ইউৰোপীয় ভাষা পৰিয়ালৰ এক শাখাৰূপে বিৱৰ্তিত হৈছে। প্ৰাচীন ভাৰতীয় আৰ্যভাষাকে সংস্কৃত, দেৱবাণী, গিৰ্বাণী আদি নানান নামেৰে জনা যায়। কালক্ৰমত সংস্কৃত ভাষা বিদ্বৎজন সমাজত শিষ্ট ভাষা ৰূপে ৰৈ গ'ল যদিও প্ৰাকৃত জনসমাজত ইয়াৰ বিৱৰ্তন হোৱা দেখা গ'ল। উত্তৰ ভাৰতহে নেলাগে দাক্ষিণাত্যক বাদ দি ভাৰতবৰ্ষৰ প্ৰায় সৰ্বত্ৰ সংস্কৃত ভাষাৰ বিকৃত ৰূপ একোটা নিম্ন বৰ্গৰ লোকৰ মুখৰ ভাষাৰূপে বৰ্তিত হ'ল। প্ৰকৃতি বা প্ৰাকৃতজনৰ (প্ৰজাসাধাৰণৰ) ভাষা বুলি সেই ভাষাবোৰক প্ৰাকৃত ভাষা বোলা হ'ল। মহাৰাষ্ট্ৰী, শৌৰসেনী, অৰ্ধমাগধী, পৈশাচী, পূৰ্বমাগধী (তথা পালি) নামেৰে প্ৰাকৃতবোৰবো কালক্ৰমত অপভ্ৰংশ ৰূপ একোটাৰ সৃষ্টি হ'ল আৰু খৃষ্টীয় দশম-পঞ্চদশ শতিকাৰ মাজভাগত সেই অপভ্ৰংশবোৰৰ পৰা অসমীয়াকে আদি কৰি আধুনিক ভাষাৰ ৰূপ ল'লে। এইবোৰকে আৰ্যভাষা বোলা হয়। সংস্কৃত (বৈদিকসহ) ভাষাক প্ৰাচীন ভাৰতীয় আৰ্য ভাষা (Old Indo-Aryan), প্ৰাকৃত অপভ্ৰংশক মধ্য ভাৰতীয় আৰ্যভাষা (Middle Indo-Aryan) আৰু উত্তৰ, পূৰ্বোত্তৰ, পশ্চিম-পশ্চিমোত্তৰ আৰু মধ্য ভাৰতীয় আধুনিক ভাষাবোৰক নব্য ভাৰতীয় আৰ্য (New Indo-Aryan Language) ভাষা বোলা হয়। শ্ৰীলংকাৰ সিংহলী আৰু নেপালৰ নেপালী ভাষাকো নব্য ভাৰতীয় আৰ্য ভাষা বোলা হয়। এইবোৰ ভাষা সুন্দৰ সাহিত্যৰাজিৰে সমৃদ্ধ।

২। আধুনিক (বা নব্য) ভাষাবোৰত দেখা পোৱা সাহিত্যৰাজিৰ উৎস ক'ত সেয়া বিচাৰ্য বিষয়। তাৰ মাজত অসমীয়া ভাষা-সাহিত্যত সংস্কৃত সাহিত্যৰাজি উৎসৰূপে কেনেকৈ পৰিগণিত হৈছে তাকে ইয়াত অতি সংক্ষিপ্তৰূপে বিচাৰ কৰা হ'ব।

৩। কোৱা বাহুল্য যে সংস্কৃত ভাষাৰ ৰূপ অনুসৰি অনাদিকালৰ পৰা সাহিত্যৰ উদ্‌গম আৰু বিকাশ হৈ আহিছে। বৈদিক সংস্কৃত সাহিত্যৰ প্ৰাচীনতম নিদৰ্শন ঋগ্বেদ। ইয়াৰ উত্তৰোত্তৰ কালত সাম, যজুস্ আৰু অথৰ্ববেদৰ উদ্‌গম ৰচনা হয়। তাৰ পৰৱৰ্তীকালত মন্ত্ৰবোৰৰ উপবৃংহন ৰূপে গদ্যময় ব্ৰাহ্মণ, আৰণ্যক আৰু উপনিষদৰ উদ্‌গম আৰু বিকাশ হয়। ভাষা-সাহিত্যৰ উদ্‌গম আৰু বিকাশৰ লগে লগে কৰ্মপ্ৰধান চিন্তাৰপৰা জ্ঞান প্ৰধান ভাবৰো উত্তৰণ ঘটে।

৪। বৈদিকোত্তৰ কালৰ ক্লাছিকেল সাহিত্যই বিস্তৃতি লাভ কৰিলে। আদিকাব্য ৰামায়ণ, মহাভাৰত আৰু অষ্টাদশ পুৰাণ তথা ন প্ৰকাৰ দৰ্শনৰ উত্তৰণেৰে সংস্কৃত সাহিত্যই যিদৰে বিস্তৃতি বা বিকাশ লাভ কৰিলে তাৰ দ্বিতীয় উদাহৰণ বিশ্বত দুৰ্লভ বুলি ক'ব পাৰি। ভাৱাদৰ্শৰ ফালৰ পৰা পুৰাণ-ইতিহাসৰ ভাৱধাৰাক ভক্তিপ্ৰধান সাহিত্য বুলিব পাৰি। ইয়াৰ লগে লগে ভাস্-কালিদাস-ভাৱভূতি প্ৰভৃতিৰ লৌকিক সাহিত্যৰাজি পৰৱৰ্তী সাহিত্যৰ উৎস বা কাৰক নুবুলি ক্ৰিয়া / কাৰ্যহে বুলিব পাৰি।

৫। সংস্কৃত সাহিত্যৰ মাজতে পূৰ্বাপৰ অনুসৰি পৰৱৰ্তী সাহিত্যৰ উৎসৰূপে পূৰ্বতে সম্ভূত সাহিত্যৰাজিক পোৱা যায়। ঋগ্বেদ, পৰৱৰ্তী তিনিবেদ, ব্ৰাহ্মণ গ্ৰন্থসমূহ— অন্ততঃ বৃহৎ গ্ৰন্থবোৰ পৰৱৰ্তী লৌকিক গ্ৰন্থবোৰৰ উৎসৰূপে প্ৰতিষ্ঠিত হয়। উদাহৰণ স্বৰূপে কালিদাসে ঋগবেদ (১০/৯৫) আৰু শতপথ

ব্রাহ্মণত (৫/১/১) বর্ণিত পুৰুৰৱা-উৰ্বশী আখ্যানক লৈ বিক্রমোর্বশীয়ম্ নাটক ৰচনা কৰে। একেদৰে ঐতৰেয় ব্রাহ্মণত (৩৩শ অধ্যায়) প্রাপ্ত হৰিশ্চন্দ্রৰ আখ্যান ৰামায়ণৰ উত্তৰাকাণ্ডত বহলাই কোৱা হৈছে। শতপথ ব্রাহ্মণত প্রাপ্ত মনু-মৎস্য কথাৰ উপবৃংহন মৎস্য পুৰাণত পোৱা যায়। একেদৰে ঋগ্বেদত প্রাপ্ত অগস্ত্য লোপামুদ্রাৰ সম্বাদ (১/১৭৯)ৰ বহল ব্যাখ্যা মহাভাৰতৰ বন পর্বত পোৱা যায়। সেইদৰে ঋগ্বেদৰ ৭ম মণ্ডলত (সূ- ৩৩) প্রাপ্ত বশিষ্ঠৰ জন্ম কথা বাল্মীকিয়ে উত্তৰাকাণ্ডত ৰামৰ মুখেৰে কোৱাইছে।

এইটো হৈছে এনে প্রণালী বা পদ্ধতি য'ত প্রাচীন সাহিত্যৰ অনুৰণন পৰৱর্তী সাহিত্যই বহন কৰে। ইয়াৰ মাজত ভাৰতীয় সাহিত্যৰ ধাৰাবাহিকতা অৱশ্যে দেখা যায়।

৬) ইয়াৰ পৰৱর্তী যুগত বাল্মীকিকৃত ৰামায়ণ, ব্যাসকৃত মহাভাৰত, অষ্টাদশ মহাপুৰাণ, গুণাঢ্যৰ বৃহৎ কথা আৰু আনকি জাতক আদিয়ে উৎসৰূপে পৰৱর্তী লৌকিক সাহিত্য-ৰাজিৰ কাৰক হৈ পৰে। গুণাঢ্যৰ বৃহৎ কথা পৈশাচী ভাষাত ৰচিত হৈছিল। দশম শতিকাৰ আগে-পিছে সোমদেৱে বৃহৎ কথাৰ ভেটিত সংস্কৃতত কথাসৰিৎসাগৰ, ক্ষেমেন্দ্রই বৃহৎ কথা মঞ্জুৰী আৰু বুদ্ধ স্বামীয়ে বৃহৎ কথা শ্লোক সংগ্রহ ৰচনা কৰে। আনহাতে বৌদ্ধ জাতক ত্রিপিটকৰ অন্তর্গত সূত্তপিটকৰ ভিতৰুৱা খুদ্দক নিকায়ৰ এক মহাগ্রন্থ। ইয়াৰ আকাৰ মহাভাৰতৰ সমান।

৭) অন্য নালাগে ভাসৰ নাটকবোৰৰ উৎস বিছাৰ কৰিলে দেখা যায়— অবিমাৰকৰ উৎস কুনাল জাতক, চাৰুদত্তৰ আধাৰ বৃহৎ-কথা, প্রতিজ্ঞা-যৌগন্ধৰায়ন আৰু স্বপ্নবাসৱদত্তাৰ আধাৰো বৃহৎ কথা, অভিষেক আৰু প্রতিমাৰ উৎস ৰামায়ণ, আৰু বাকী সাতখন একাঙ্কিকাৰ উৎস মহাভাৰত। সেইদৰে কালিদাসৰ অভিজ্ঞান শকুন্তলাৰ উৎস মহাভাৰতৰ শকুন্তলা উপাখ্যান (আদি পর্ব) আৰু জাতকৰ কাষ্ঠহাৰী জাতক। মালৱিকাগ্নিমিত্রমৰ উৎস বৃহৎ কথা। ভৱভূতিৰ মহাবীৰ চৰিত আৰু উত্তৰ ৰামচৰিতৰ উৎস ৰামায়ণ। কালিদাসৰ ৰঘুবংশম্‌ৰ আধাৰো ৰামকথা। একেদৰে ভট্টিকাব্যৰ (ৰাৱণবধ) উৎস ৰাম কথা। ভাৰবীৰ কিৰাতার্জুনীয়ম, মাঘৰ শিশুপাল বধ আৰু শ্রীহর্ষৰ নৈষধ চৰিতৰ উৎস মহাভাৰত। ভট্ট নাৰায়ণৰ বেণীসংহাৰৰো উৎস মহাভাৰত। উদয়নৰ কথা লৈয়ো শ্রীহর্ষবর্ধনে প্রিয়দর্শিকা আৰু ৰত্নাৱলী ৰচনা কৰে। তেওঁৰ নাগানন্দমৰ উৎস কথা সাৰৎসাগৰ (বৃহৎকথা)। মৃচ্ছকটিকৰ উৎসও বৃহৎ কথা। এইদৰে আমি দেখা পাওঁ যে ভাৰতীয় ভাষা-সাহিত্যৰ বিৱর্তন আৰু বিস্তৃতিয়ে ধাৰাবাহিকতাকে সমর্থন কৰে।

৮) প্রাচীন অসমীয়া সাহিত্যলৈ প্রাক্‌শঙ্কৰদেৱ যুগত যিসকলে সংস্কৃত সাহিত্যৰ ধাৰা অনুবাদ আৰু অন্যভাৱে অব্যাহত ৰাখিছে তাৰে প্রথমজন হেম সৰস্বতী। তেওঁৰ ৰচনা প্রহ্লাদ চৰিত আৰু হৰগৌৰী সম্বাদ। তেওঁৰ কাল খৃঃ ১৩শ-১৪শ শতিকা। ১৪শ শতিকাৰ অন্যতম কবিৰত্ন সৰস্বতীয়ে মহাভাৰতৰ দ্রোণ পর্বৰ কাহিনীৰ ওপৰত ৰচনা কৰে জয়দ্রথ বধ। সেই একে শতিকাতে হৰিবৰ বিপ্রই মহাভাৰতৰ (অশ্ব) আধাৰত বভ্রুবাহনৰ যুদ্ধ আৰু ৰাম কথাৰ আধাৰেও ৰচনা কৰে লৱ-কুশৰ যুদ্ধ। এ কবি মাধৱ কন্দলী। তেওঁ বাল্মিকী ৰামায়ণৰ সম্পূ কিন্তু কালৰ বিপর্যয়ত আদি আৰু উত্তৰকাণ্ড হেৰো মাধৱে আকৌ অনুবাদ কৰে। ১৫শ-১৬শ শতিকাত উষা পৰিণয় আৰু মাৰ্কণ্ডেয় চণ্ডী ৰচনা কৰে।

ইয়াৰ পাছতে দুর্গাৱৰে গীতি ৰামায়ণ ৰচনা কৰে। তেওঁৰ সমকালীন মনকৰ আৰু নাৰায়ণ কাব্য ৰচনা কৰে।

৯) তাৰ পাছত আহে শঙ্কৰী যুগ। এই যুগ মহাপুৰুষ শ্রীমন্ত শঙ্কৰদেৱ। তেওঁ ৰামায়ণী সাহিত্য পৌৰাণিক সাহিত্যৰ নিষ্ণাত পণ্ডিত আছিল। তেওঁ হ'ল— হৰিশ্চন্দ্র উপাখ্যান, কক্মিনী হৰণ, বলিছলন কুৰুক্ষেত্র আৰু অজামিল আখ্যান।

তেওঁৰ দ্বাৰা ৰচিত নাটবোৰ (উৎসবোৰ ৰহ হৈছে— পত্নীপ্রসাদ (ভাঃ ১০/২৩), কালিদমন (১৭), কেলিগোপাল (ভাঃ ১০/২৯-৩৩), কক্মি ১০/৫২-৫৪), পাৰিজাত হৰণ (ভাঃ ১০/৫৯; হ ৭৬) আৰু ৰামবিজয় (আদি ৰাঃ ১৯সর্গ)।

শঙ্কৰদেৱ-অনূদিত গ্রন্থবোৰ যথাক্রমে— ভ ১, ২, ১০, ১১ আৰু ১২শ স্কন্ধ। ৰামায়ণ উত্তৰ আখ্যান (মার্কণ্ডেয় পুৰাণ ৭-৮), বলিছলন (ভাঃ কক্মিনী হৰণ (হৰিবংশ); অমৃত মন্থন (ভাঃ ৮/৬- (ভাঃ ১০/৫২-৫৪) আৰু অজামিল উপাখ্যান (ভাঃ

১০) এই যুগৰ অন্যতম ভক্ত কবি মাধৱদেৱ শিষ্য। তেওঁ ৰামায়ণৰ আদিকাণ্ড অনুবাদ কৰে। তেওঁ যুধিষ্ঠিৰ কাব্য ৰচনা কৰে মহাভাৰতৰ সভাপর্বৰ আ 'নামঘোষা'ৰ ভালেখিনি ঘোষা বিভিন্ন পুৰাণৰ পৰা নি অনুবাদ। কৃষ্ণৰ বাল্য লীলাৰ আধাৰত ৰচিত একাধি অতি প্রসিদ্ধ— অর্জুনভঞ্জন, ছোৰধৰা, পিম্পৰা গু লুটিয়া— এই নাটকবোৰ ভাগৱতৰ ১০ম স্কন্ধত ব নাট্যৰূপ। এই নাটবোৰৰ ওপৰত কেৱেলাৰ ভক্ত ক বা লীলা শুকৰ (খৃঃ ১৪ শতিকা) 'কৃষ্ণ লীলামৃত' প্রভ অসমীয়া পণ্ডিতে স্বীকাৰ কৰিছে।

১১) এই যুগৰ অন্যতম কবি অনন্ত কন্দলী ষষ্ঠ স্কন্ধৰ বৃত্রাসুৰ বধ, ১০ম স্কন্ধৰ মধ্য আৰু শেষ কৰাৰ উপৰিও কুমৰ হৰণ, মহী ৰাৱণ বধ, ৰামায়ণৰ সীতাৰ পাতাল প্রৱেশ নাটক ৰচনা কৰে। ইয়াৰ উপৰি ৰাম কীর্তন, গুণমালা, ঘুনুচা-কীর্তন আদি গ্রন্থৰ ৰচয়িতা ব হয়।

ইয়াৰ পাছত সপ্তদশ শতিকাৰ প্রসিদ্ধ কবিৰূপে ৰামসৰস্বতীক। বিশেষভাৱে মহাভাৰতৰ অসমীয়া অনু তেওঁ প্রসিদ্ধ। তদুপৰি তেওঁক বঘাসুৰ বধ, কালকুজ বধ, খটাসুৰ বধ, অশ্বকর্ণ বধ, জঙঘাসুৰ বধ, কুলাচল

ভীম চৰিত আদিৰ ৰচয়িতা বুলি জনা যায়। ইয়াৰ ভিতৰত শেষোক্ত ভীম চৰিত বৰ জনপ্ৰিয় কাব্য।

১২) এই যুগৰে পাছৰ ফালে গোপাল মিশ্ৰই শ্ৰীমদ্ভগৱত গীতাৰ অনুবাদ কৰে। গোপাল চৰণ দ্বিজে ভাগৱতৰ ৩য়, ৭ম, ৮ম স্কন্ধৰ পদ্যানুবাদ কৰে। আন এজন কবি জয়ৰামে ভাগৱতৰ ৪র্থ স্কন্ধৰ পদ্যানুবাদ কৰে। কলাপ চন্দ্ৰ দ্বিজে ভাগৱতৰ ৪র্থ স্কন্ধৰ ২-১ অধ্যায়ৰ পদ্যানুবাদ কৰাৰ উপৰিও ত্ৰয়োদশ স্কন্ধৰ ২৪শ অধ্যায়ৰো অনুবাদ কৰে।

এই সময়ৰ (১৫৫৩-১৬১৬) ভিতৰতে অনিৰুদ্ধদেৱে ভাগৱতৰ ৪র্থ স্কন্ধৰ অনুবাদ কৰাৰ লগতে দক্ষযজ্ঞ, ধ্ৰুৱ, বেন, পৃথু আৰু পুৰঞ্জয়ৰ আখ্যানবোৰ অসমীয়াত ৰচনা কৰে। সপ্তদশ শতিকাত অনিৰুদ্ধ কায়স্থই ভাগৱতৰ ৫ম স্কন্ধৰ অনুবাদ কৰে। তদুপৰি বিষ্ণু ভাৰতীয়ে (১৭শ শঃ) ৪র্থ স্কন্ধৰ ৮-১২ অধ্যায়ৰ অনুবাদ কৰে। ৰত্নাকৰ মিশ্ৰয়ো গীতাকীৰ্তন গ্ৰন্থ ৰচনা কৰে। এই কালতে ভাগৱত মিশ্ৰই বিষ্ণু পুৰাণৰ কিয়দংশ, অনন্ত ঠাকুৰে ৰামায়ণৰ সাৰ আৰু ৰামকীৰ্তন, ৰঘুনাথ মহন্তই (১৮শ শঃ) কথা ৰামায়ণ, অদ্ভুত ৰামায়ণ আৰু শত্ৰুঞ্জয় নামে তিনিখন গ্ৰন্থ ৰচনা কৰে।

১৩) এই যুগৰে শেষৰ ফালে আৰু ভালেমান সাহিত্যকর্ম হোৱা হয় ৰাম কথাক কেন্দ্ৰ কৰি। লক্ষ্মণৰ শক্তিশেল, মন্দোদৰীৰ বিনি-হৰণ, সীতাৰ পাতাল-প্ৰৱেশ গ্ৰন্থ তিনিখন ক্ৰমশঃ সূৰ্যকান্ত বিপ্ৰ, অনঞ্জয় আৰু গঙ্গাগতি দাসে ৰচনা কৰে। বিপ্ৰই তুলসীদাসকৃত ৰামচৰিত মানসৰো অনুবাদ কৰে। ভট্টদেৱ মিশ্ৰই ৰামৰ অশ্বমেধ যজ্ঞ, ৰঘুনাথ দ্বিজে কিষ্কিন্ধা কাণ্ডৰ অনুবাদ, ৰুদ্ৰৰাম শর্মাই ৰাবণ্যকাণ্ড আৰু সাৰদানন্দই ৰামায়ণৰ উত্তৰাকাণ্ডৰ অনুবাদ কৰে।

১৪) এইটো যুগত কমকৈ হ'লেও মহাভাৰতৰ কেতবোৰ পৰ্ব অসমীয়া অনুবাদ কৰে জনদিয়েক পণ্ডিতে। ৰাম সৰস্বতীৰ হাতে গোপীনাথ পাঠকে মহাভাৰতৰ দ্ৰোণপর্ব, সভাপর্ব আৰু স্বর্গাৰোহণ পর্বৰ অনুবাদ কৰে। দামোদৰ দ্বিজই আদি আৰু শল্যপর্বৰ অনুবাদ কৰে। তদুপৰি বিদ্যাপঞ্চাননে ভীষ্মপর্বৰ, ৰামমিশ্ৰই ভীষ্মপর্ব আৰু শ্ৰীনাথ দ্বিজই আদি পর্বৰ দ্ৰৌপদী স্বয়ম্বৰ আৰু দ্ৰোণপর্বৰ অনুবাদ কৰে।

১৫) একে সময়তে আৰু এচাম পণ্ডিতে পুৰাণসমূহৰ আংশিক বা পূর্ণ অনুবাদ কৰে। কেশৰ কায়স্থই ভাগৱতৰ ৭ম আৰু ৯ম স্কন্ধৰ অনুবাদ কৰে। কালিদাসে বিষ্ণুপুৰাণৰ অন্তর্গত যমগীতাৰ অনুবাদ কৰে। পৰশুৰাম দ্বিজই বিষ্ণু পুৰাণৰ সম্পূর্ণ অনুবাদ কৰে।

কবি চক্ৰৱর্তীয়ে (ৰাম নাৰায়ণ) ব্ৰহ্মবৈৱর্ত পুৰাণৰ অনুবাদ ৰাৰ লগতে শংখচূড় বধ, গীত-গোবিন্দৰ ভাঙনি, শকুন্তলা আদি ৰচনা কৰে। বলৰাম দ্বিজ আৰু দুর্গেশ্বৰ দ্বিজইয়ো ব্ৰহ্মবৈৱর্ত পুৰাণৰ অনুবাদ কৰে। কবি বাচস্পতিয়ে বৃহন্নাৰদীয় পুৰাণৰ অনুবাদ কৰে। বিচন্দ্ৰ দ্বিজে আৰু পৰশুৰাম দ্বিজে ধর্মপুৰাণ অনুবাদ কৰে।

১৬) সপ্তদশ শতিকাত ৰামায়ণ, মহাভাৰত আৰু বৈষ্ণৱ পুৰাণবোৰৰ অনুবাদ আৰু উপযোগিতাকৰণৰ (adaptation) প্ৰক্ৰিয়া দেখা গৈছিল । অষ্টাদশ শতিকাৰ পৰা ঊনবিংশ শতিকাৰ অষ্টম দশকলৈ সেই উৎসাহ-উদ্দীপনা স্তব্ধ হৈ পৰে। বৃটিছে অসম অধিকাৰ কৰাৰ ৫০ বছৰ পর্যন্ত সাহিত্যকর্ম স্তিমিত হৈ থাকে। এয়া অন্ধকাৰ যুগ। ঊনবিংশ শতিকাৰ শেষৰ দুই দশকৰ পৰা অসমৰ পণ্ডিত বিদ্বানসকলে পুনশ্চ কলম হাতত তুলি লয়।

১৭) এই পৰিৱর্তিত যুগত ৰমাকান্ত চৌধুৰীৰ (১৮৪৬-১৮৮৯) অভিমন্যু বধ কাব্য, ভোলানাথ দাসৰ (১৮৫৮-১৯২৯) সীতা হৰণ কাব্য, লম্বোদৰ বৰাৰ (১৮৬০-১৮৯২) অভিজ্ঞান শকুন্তলম্ (অনুবাদ), লক্ষ্মীনাথ বেজবৰুৱাৰ (১৮৬৪-১৯৩৮) তত্ত্ব কথা আৰু শ্ৰীকৃষ্ণ কথা, পদ্মনাথ গোহাঞি বৰুৱাৰ (১৮৭১-১৯৪৬) শ্ৰীকৃষ্ণ (তৃতীয় খণ্ড), ৰজনীকান্ত বৰদলৈৰ (১৮৬৯-১৯৩৯) ৰাধা ৰুক্মিনীৰ ৰণ, দুর্গাপ্ৰসাদ মজিন্দাৰ বৰুৱাৰ (১৮৭৮-১৯২৮) বৃষকেতু, গুৰু দক্ষিণা (নাটক), বেণুধৰ ৰাজখোৱাৰ (১৮৭২-১৯৫৫) দুর্যোধনৰ উৰুভঙ্গ আৰু দক্ষযজ্ঞ, চন্দ্ৰধৰ বৰুৱাৰ (১৮৭৪-১৯৬১) মেঘনাদ বধ, তিলোত্তমা সম্ভৱ আৰু ৰাজর্ষি, দুর্গেশ্বৰ শর্মাৰ (১৮৮২-১৯৬১) পার্থ পৰাজয় আৰু বালীবধ, ইন্দ্ৰেশ্বৰ বৰঠাকুৰৰ (১৮৮৭-১৯৬০) শ্ৰীবৎসচিন্তা, নবীন চন্দ্ৰ বৰদলৈৰ (১৮৯৫-১৯৩৬) কৃষ্ণলীলা (নাটক), দণ্ডীৰাম কলিতাৰ (১৮৯০-১৯৫০) সংস্কৃত নাটকৰ সাধু, মিত্ৰদেৱ মহন্তৰ (১৮৯৪-১৯৮২) বৈদেহী বিয়োগ, বলিছলন, প্ৰচ্ছন্ন পাণ্ডৱ উল্লেখনীয় সাহিত্য কর্ম। মহন্তই শিশুৰ উপযোগীকৈ মৌ মহাভাৰতো ৰচনা কৰে। তদুপৰি কমলানন্দ ভট্টাচার্যৰ (১৮৯৪-১৯৫১) অৰসান, চিত্ৰাঙ্গদা, সাৱিত্ৰী (নাটক), নকুল চন্দ্ৰ ভূঞাৰ (১৮৯৫-১৯৬৮) স্বয়ম্বৰা (নল দময়ন্তী), চিন্তাহৰণ পাটগিৰিৰ (১৮৯২-১৯৭৮) সৰল ৰামায়ণ, শ্ৰীমদ্ভাগৱতৰ সম্পূর্ণ অনুবাদ, জ্যোতিপ্ৰসাদ আগৰৱালাৰ (১৯০৩-১৯৫১) শোণিত কুঁৱৰী, কমলেশ্বৰ চলিহাৰ (১৯০৪- ?) গীতাৰ পদ্যানুবাদ, বিনন্দ চন্দ্ৰ বৰুৱাৰ (১৯০৫-১৯৯৪) পার্থ সাৰথি, ৰামচন্দ্ৰ দাসৰ (১৯০৫-১৯৮৭) বভ্ৰুবাহন, অতুল চন্দ্ৰ হাজৰিকাৰ (১৯০৬-১৯৯৪) দাতা কর্ণ, নৰকাসুৰ, নন্দ দুলাল, কুৰুক্ষেত্ৰ, শ্ৰীৰাম চন্দ্ৰ, সীতা, দময়ন্তী, ৰুক্মিনীহৰণ, সতী, তপতী আৰু তপতী মৌলিক নাট্য সংস্কৃত পুৰাণ ইতিহাসৰ ওপৰত ৰচা। অভিজ্ঞান শকুন্তলাৰ অনুবাদো তেখেতে কৰিছে। তদুপৰি আনন্দ চন্দ্ৰ বৰুৱাৰ (১৯০৬-১৯৮২) নল দময়ন্তী আৰু কুমাৰ সম্ভৱৰ অনুবাদ, গনেশ গগৈৰ (১৯১০-১৯৩৮) শকুনিৰ প্ৰতিশোধ (নাটক), ৰাজবালা দাসৰ (১৮৯৩-১৯৫৫) ৰামায়ণ কথা আৰু মহাভাৰত কথা, পৌৰাণিক আদর্শ কাহিনী, নলদময়ন্তী আৰু সাৱিত্ৰী-সত্যৱান প্ৰভৃতি গ্ৰন্থই সংস্কৃত উৎসকেই উনুকিয়ায়।

১৮) ইমানেই নহয় ইয়াৰ পাছতো অনেক পণ্ডিত আৰু লেখকে সংস্কৃত সাহিত্যৰ আধাৰত ভালেমান গ্ৰন্থ প্ৰণয়ন কৰিছে। তাৰে দুই-চাৰিজন লেখকৰ নাম উল্লেখ কৰা হ'ল। যথা— ৰাধানাথ ফুকন, ভগৱান চন্দ্ৰ গোস্বামী, দেবেন্দ্ৰ নাথ ভট্টাচার্য, তীর্থনাথ শর্মা, মনোৰঞ্জন শাস্ত্ৰী, ৰজনীকান্তদেৱ শর্মা, হোমেশ্বৰ শর্মা, গৌৰীদত্ত শাস্ত্ৰী, হৰিশ্চন্দ্ৰ ভট্টাচার্য, বিশ্বনাৰায়ণ শাস্ত্ৰী, মুকুন্দ মাধৱ শর্মা,

কেশদা মহন্ত, প্রভাত চন্দ্র শর্মা, থানেশ্বৰ শর্মা, মালিনী গোস্বামী, ৰবীন্দ্র নাথ শর্মা। এই সকলো হয় সংস্কৃত সাহিত্যৰ বুকুৰ বিষয়-বস্তু লৈ গ্রন্থ ৰচনা কৰিছে, নহয়বা সংস্কৃত সাহিত্য পুথিৰ অনুবাদ কৰি খ্যাতি আর্জিছে। পিছে, আমাৰ অজ্ঞাতে অধিক গ্রন্থ বা গ্রন্থাকাৰ থাকিব পাৰে। গতিকে বঢ়া-টুটা দোষৰ বাবে পাঠকে আমাক ক্ষমা কৰে যেন।

১৯) ওপৰৰ আলোচনাত আমি ঘাইকৈ সংস্কৃত-বৈদিক আৰু লৌকিক সাহিত্যৰ উৎস গ্রহণ কৰি কোনে কেনেকৈ অসমীয়া ভাষা-সাহিত্যলৈ অৰিহণা যোগাইছে, তাৰ লেখ-জোখৰ পৰিমাণ মাত্র তুলি ধৰিছো। তাৰ বহুল আলোচনা কৰি মূল্যায়ন কৰা হোৱা নাই। তথাপি সামৰণি মৰাৰ আগতে মন্তব্য কৰিব খোজো যে—

(১) যিসকল পণ্ডিত-মনীষীয়ে ৰামায়ণ, মহাভাৰত আৰু পুৰাণ আদি অসমীয়া ভাষালৈ অনুবাদ কৰিছে, তেওঁলোক নিশ্চয় সংস্কৃত সাহিত্যৰ ওজা আছিল। তেওঁলোকে সংস্কৃতত গ্রন্থ ৰচনা নকৰি, সমাজৰ সকলো শ্রেণীৰ উপকাৰৰ বাবে সংস্কৃত গ্রন্থবোৰ অনুবাদ কৰিছিল।

(২) ৰামায়ণ, মহাভাৰত আৰু পুৰাণবোৰে দেশবাসীক নৈতিক শিক্ষা দিয়ে। সেইবোৰ এক কথাত ধর্মশাস্ত্র বা স্মৃতি। যাতে সমাজখন নীতিনিষ্ঠ হৈ চলি থাকিব পাৰে তাৰবাবে লেখকসকলে সংস্কৃত সাহিত্যৰ অনুবাদ বা উপযোগিতা থকা কাহিনী ৰচনা কৰিছিল।

(৩) ওপৰৰ তালিকাৰ পৰা বুজা যায় যে লেখক-অনুবাদকসকলৰ বেছি ভাগে ভক্তি-প্রধান ভাগৱত, হৰিবংশ, বৃহন্নাৰদীয় পুৰাণ আদিৰ অনুবাদ কৰি ভক্তিবাদ প্রতিষ্ঠাত সহায় কৰিছিল।

(৪) মধ্যযুগত অসমত যিটো হাৱত সংস্কৃত হৈছিল, তাৰ তুলনা আন কোনো অঞ্চলত পোৱা

(৫) শেষত এই কথা নকৈ নোৱাৰি যে ভা দৰে এতিয়াও সংস্কৃত ভাষা-সাহিত্যৰ চিৰ্চা সাহিত্যৰ অনুবাদ কার্য অপৰিহার্য। অলমতি বিস্তা

সহায়ক গ্রন্থ ঃ

Sanskrit in Assam Through Ages,
by Dr. Biswanarayana Sastri, De
অসমীয়া সাহিত্যৰ পূর্ণ ইতিহাস, ড° হৰিনাথ শর্মা
নলবাৰী, ২০০৫।
সংস্কৃত সাহিত্যৰ ইতিবৃত্ত, ড° থানেশ্বৰ শর্মা, ২য়
২০০৮।
'শঙ্কৰদেৱ বিৰচিত নাটসমূহৰ উৎস', ড° থানেশ্বৰ
৫ম বছৰ, ১২শ সংখ্যাত (চেপ্তেম্বৰ, ১৯৯৮)
ঋগ্বেদ ঃ সম্পাদনা, বিশ্ববন্ধু - হোছিয়াৰপুৰ, ১৯
মহাভাৰত ঃ সম্পা. দাণ্ডেকাৰ আদি, ১৯৫৭ চন
পুৰাণ বিমর্শ ঃ বলদেৱ উপাধ্যায়, বাৰাণসী, ১৯

ৰবীন্দ্র কাব্যৰ ঊষাপর্ব

ঃঃ অণিমা ভট্টাচার্য

পূব আকাশৰ সূর্যোদয়ৰ দৰেই কবিগুৰু ৰবীন্দ্রনাথ ঠাকুৰৰ আৱির্ভাৱ। অৱশ্যে পৰাধীনতাৰ মেঘে ঢকা আকাশৰহে। বঙ্গত পাশ্চাত্য শিক্ষা-দীক্ষাৰ ঘট পূর্ণ হোৱাত আৱির্ভূত হয় ৰঙ্গলাল, মধুসূদন, হেমচন্দ্র আৰু বঙ্কিমচন্দ্র। এই চতুৰঙ্গ সেনা যেন এই কলহৰেই জলসিঞ্চিত ফচল।

অবক্ষয়ৰ পিছতেই হয় উত্থান। এই উত্থান ঘটে পাশ্চাত্য সমুদ্রজলত অৱগাহন কৰি। মুদ্রণ যন্ত্রৰ প্রতিষ্ঠা, ফর্ট উইলিয়াম কলেজৰ প্রচেষ্টাত বাংলা গদ্যৰ পদ-সঞ্চৰণ, ৰামমোহনৰ সমাজ-সংস্কাৰমূলক গদ্য, হিন্দু কলেজৰ হিন্দু ছাত্রৰ ইংৰাজী শিক্ষা, সাময়িক পত্রৰ আৱির্ভাৱ, দেবেন্দ্র নাথ, অক্ষয় কুমাৰৰ জ্ঞান-বিজ্ঞান বিষয়ক 'তত্ত্ব বোধিনী' পত্রিকা প্রকাশ, বিদ্যাসাগৰৰ বাংলা গদ্যৰ মিশ্রিত ৰূপ, পাশ্চাত্য শিক্ষাৰ প্রভাৱত ৰঙ্গলাল মধুসূদনৰ আধুনিক ৰীতিৰ কাব্যচর্চা, কথা-সাহিত্যত বঙ্কিম চন্দ্রৰ আৱির্ভাৱ— এই নৱ শাখা-আয়োজনত যি নৱজাগৰণৰ সূত্রপাত হ'ল তাৰ কিৰণমালাতেই ৰবীন্দ্রনাথৰ শুভ অভ্যুদয়। তেওঁৰ আৱির্ভাৱত বাংলা সাহিত্য সহস্রধাৰাৰে প্রৱাহিত হ'ল। যি বঙ্কিমচন্দ্রই বাংলা সাহিত্যক দিলে ভাৰতজয়ী গৌৰৱ, ৰবীন্দ্রনাথে তাক দিলে বিশ্বজয়ী তিলক। আৰু ৰবীন্দ্র তিলক পায়েই বাংলা সাহিত্য হ'ল তিলোত্তমা।

ৰবীন্দ্রনাথৰ আৱির্ভাৱক কেইটিমান পর্বত ভাগ কৰিব পাৰি— সূর্যোদয়ৰ পর্ব বিভাগৰ দৰে— (১) ঊষাপর্ব (২) উদয়পর্ব (৩) মধ্যাহ্ন পর্ব (৪) গধূলীপর্ব আৰু (৫) অস্তপর্ব। আমাৰ আলোচনা হ'ব ঊষাপর্ব সম্পর্কে।

ৰবীন্দ্রনাথৰ কাব্যচর্চা ৭/৮ বছৰৰ পৰাই আৰম্ভ হয়। ১৪ অক্ষৰ মাত্রাত পয়াৰত পদ্মক লৈ যি পদ্য লিখিছিল, সেইটোৰেই আছিল তেওঁৰ প্রথম কবিতা। ইয়াতে তেওঁ অসচেতন ভাবেই 'দ্বিৰেফ' শব্দটি প্রয়োগ কৰিছিল। ইয়াৰ অর্থ মধুপানমত্ত ভোমোৰা।

নর্মাল স্কুলৰ শিক্ষক সাতকড়ি দত্তই কবিতাৰ পদ পূৰণ কৰিব দিছিল—

"ৰবিকৰে জ্বালাতন আছিল সবাই
বৰষা ভৰষা দিল আৰ ভয় নাই"।

ৰবীন্দ্রনাথে ইয়াৰ পদ পূৰণ কৰিছিল এনেদৰে—

"মীনগণ দীনহয়ে ছিল সৰোবৰে
এখন তাহাৰা সুখে জলে ক্রীড়া কৰে।"

'জীৱনস্মৃতি' গ্রন্থত এই দুটি শাৰীত দুটা শব্দ প্রয়োগ অন্যধৰণে দেখা যায়। সূর্যোদয়ৰ আগৰ ঊষাভাগৰ আৰু এটা পদ্যৰ নমুনা এনে ধৰণৰ—

'আমসত্ত্ব দুধে ফেলি, তাহাতে কদলী দলি,
সন্দেশ মাখিয়া দিয়া তাতে;
হাপুস্ হুপুস্ শব্দ, চাৰিদিক নিস্তব্ধ
পিঁপিড়া কাঁদিয়া যায় পাতে।'

খোৰা গোবিন্দ বাবুক গীতি-কবিতা লিখিও শুনাইছিল। সেই কবিতাটি হেৰাই গৈছে।

'জীৱনস্মৃতি' গ্ৰন্থত আছে—

'কবিত্বৰ অঙ্কুৰ এখনকাৰ কালে উৎসাহৰ
অনাবৃষ্টিতেও ছাত্ৰবৃত্তি-ক্লাসৰ অনেক
পূৰ্বেই মাথা তুলিয়া উঠে।'

এই মন্তব্যৰ পৰা পৰিষ্কাৰ কৈ বুজা যায় যে শৈশৱৰ পৰাই ৱৰীন্দ্ৰ নাথ কবিতা চৰ্চাত বহুদূৰ আগবাঢ়ি গৈছিল।

১৮৭২ চনত 'পৃথ্বিৰাজ পৰাজয়' বীৰ ৰসাত্মক গাথা কাব্য; ১৮৭৩ চনত 'ভাৰতভূমি' কবিতা; ১৮৭৪ চনত 'অভিলাষ'; ১৮৭৫ চনত 'হিন্দুমেলাৰ উপহাৰ'; ১৮৭৭ চনত হিন্দুমেলাত পঠিত আন এটি কবিতা— এইখিনিয়েই কবিৰ সূচনা পৰ্বৰ ৰচনা। মুঠৰ ওপৰত (১) বনফুল (২) ভানুসিংহ ঠাকুৰৰ পদাবলী (৩) কবিকাহিনী (৪) ৰুদ্ৰচণ্ড (৫) ভগ্নহৃদয় (৬) শৈশৱ সঙ্গীত এই ষষ্ঠোপ্ৰচাৰেই ৱৰীন্দ্ৰ কাব্যধাৰাৰ ঊষাপৰ্ব। 'বনফুল' আঠ সৰ্গে মিত্ৰাক্ষৰ পয়াৰৰ ৰচনা, 'কবি কাহিনী' চাৰিটা সৰ্গত অমিত্ৰাক্ষৰ পয়াৰ আৰু ত্ৰিপদীত ৰচিত। এই অমিত্ৰাক্ষৰ ত্ৰিপদী ইয়াৰ পূৰ্বে কোনেও ৰচনা কৰা নাছিল। এই দুই কাব্যত ৰোমান্টিক প্ৰেম যি ধৰণে প্ৰকাশ পাইছে, সি ভাৰৰ ফালৰ পৰা স্বতন্ত্ৰ্যময় হৈ উঠিছে। বাক্ প্ৰতিমাৰ যি ব্যাপ্তি ফুটি উঠিছে সেয়া সঁচাকৈয়ে কৈশোৰ-অতিক্ৰমী।

'কবি কাহিনী' চাৰি সৰ্গত সমাপ্ত হৈছে। প্ৰথম সৰ্গৰ এঠাইত বাক্ প্ৰতিমাৰ নিদৰ্শন—

'প্ৰফুল্ল ঊষাৰ ভূষা অৰুণ কিৰণে
বিমল সৰসী যবে হোত তাৰাময়ী,
ধৰিতে কিৰণগুলি হইত অধীৰ।'

'বনফুল' কাব্যোপন্যাস। এইখনেই ৱৰীন্দ্ৰনাথৰ প্ৰথম সম্পূৰ্ণ কাব্যগ্ৰন্থ। ১৮৮০ চনত এই গ্ৰন্থ প্ৰকাশিত হয়। তেতিয়া কবিৰ বয়স মাত্ৰ ওঠৰ। অৱশ্যে কাব্যখনৰ ৰচনাকাল ১৮৭৬ চন, যেতিয়া কবিৰ বয়স মাত্ৰ চৈধ্য বছৰ। আঠটা সৰ্গত এই কাব্য সমাপ্ত হৈছে। কাব্যখনৰ আৰম্ভণি এনেদৰে হৈছে—

'চাই না জ্ঞেয়ান, চাই না জানিতে
সংসাৰ, মানুষ কাহাৰে বলে।
বনেৰ কুসুম ফুটিতাম বনে
শুকায়ে যেতাম বনেৰ কোলে।'

তৃতীয় সৰ্গৰ এঠাইত আছে—

'জেনেছি ৰে হায় ভাল বাসিলে
কেমন আগুনে হৃদয় জ্বলে।'

চৈধ্য বছৰৰ কবিয়ে কেনেকৈ বুজিলে যে প্ৰেমৰ মাজত আছে অগনিৰ জ্বালা? যিসকল ভৱিষ্যতে ডাঙৰ মানুহ হ'ব তেওঁলোক সদায় সাধাৰণ লোকতকৈ বহু আগুৱাই থাকে।

'ভগ্নহৃদয়' নাট্যকাব্য ৩৪ টা সৰ্গত সমাপ্ত হৈছে। কবিয়ে লেখিছে— 'বিলাতে আৰ একটি কাব্যেৰ পত্তন হইয়াছিল। ... ভগ্ন হৃদয় যখন লিখতে আৰম্ভ কৰেছিলেম তখন আমাৰ বয়স আঠাৰো।' প্ৰণয়ীৰ নাম উচ্চাৰণত নায়িকাৰ মনৰ দ্বিধা আৰু সংকোচ এনেভাবে প্ৰকাশ পাইছে—

'ফুলেৰ মালায় কুসুম আখৰে
লিখি দিব সেই নাম
গলায় পৰিবি মাথায় পৰিবি
তাহাৰি বলয় কাঁকন কৰিবি,
হৃদয় উপৰে যতনে ধৰিবি
নামেৰ কুসুম দাম।'

৩৪ নং সৰ্গত নায়িকা ললিতাই নিজকে ক্ষুদ্ৰ জুঁই ফুলৰ তুলনা কৰি কৈছে—

'ক্ষুদ্ৰ জুঁই ছিল কিনা কেহই ত জানিত
মৰিলেও জানিবে না তায়।
... ...
সে অজস্ৰ হাসি-মাঝে সে হৰষৰাশি
ক্ষুদ্ৰ এই বিষাদেৰ হইবে সমাধি।'

বাংলা কাব্য সাহিত্যত বহুতো ডাঙৰ ডাঙৰ কবিতাৰ উল্লেখ আছে। কবিয়ে ইয়াত অখ্যাত ক্ষুদ্ৰ জুঁইফুলৰ এক মহান কাব্য সম্ভাবনাৰ স্বাক্ষৰ বহন কৰিলে।

'শৈশৱ সঙ্গীত', এখন বিশুদ্ধ কাব্যগ্ৰন্থ। ইয়াৰ ১২৮৫ ৰ পৰা ১২৮৭ শকাব্দৰ মাজত আৰু প্ৰকাশিত ১২৮৭ শকাব্দত। কবিৰ বয়স ১৭ ৰ পৰা ১৯ বছৰ। ইয়াৰ ভূমিকাত কৈছে— 'এই গ্ৰন্থত মোৰ তেৰৰ পৰা ওঠৰ বছৰ বয়সৰ ৰচনা প্ৰকাশ কৰিলো।'

তথাপি এই গ্ৰন্থৰ নাম 'শৈশৱ সঙ্গীত' কিয়? শৈশৱৰ আতিশয্য আৰু সাড়ম্বৰ কৃত্তিমতাৰ বাবে। উচ্ছ্বাস আৰু শৈশৱৰেই এক মানসিক অৱস্থা।

এই কাব্যৰ ২২ পৃষ্ঠাৰ দীৰ্ঘ কবিতাটিৰ নাম 'ফুলবালা'। ইয়াত আমি জ্যোৎস্নাৰ বিকল্প হিচাপে সম্পূৰ্ণ নতুন শব্দ পাও - 'চাঁদিমা' (চাঁদ + ইমা) অৰ্থাৎ চন্দ্ৰিমা।

'লীলা' কবিতাটিত নাৰী-পৰাধীনতাৰ কথা প্ৰথম উল্লেখ কৰিছে— 'কাৰাগাৰ মাঝে বসিয়া ৰমণী। ৰৰষিছে অপসৰাৰ উক্তিত— 'প্ৰেমসাধ বুঝি পূৰিলনা', 'লাজমাখা 'চাহি দেখে, দেখি দেখি সাধ যেন মিটেনা', 'প্ৰেম মৰীচিকা বালা' কবিতাত 'তবে মুখানি তুলিয়া চাও! / সুধীৰে মুখ চাওঁ! / নীৰবে একটি চুম্বন দাও' প্ৰভৃতি উক্তিত অপৰিণত প্ৰেমৰ এক বিষাদ-ঘন ৰূপেই ফুটি উঠিছে।

ইয়াত আমাৰ প্ৰাচীন ঐতিহ্যৰ 'হৰ হৃদে কালিকা' কবিতাই স্থান পাইছে। আৰু এই কালিকাকেই তেওঁ স্বকীয়ভাৱে কৈছে— 'জ্যোৰ্তিময়ী কামিনী'। কালিকাক লৈ এনেকুৱা দ্বিতীয় আৰু কোনো কবিয়ে আগতে লিখি যোৱা নাই।

'ভানুসিংহ ঠাকুৰৰ পদাবলী' গ্ৰন্থৰ কবিতা ১২৮৪ চনত প্ৰকাশ পালেও গ্ৰন্থাকাৰে মুদ্ৰিত হয় ১২৯১ শকাব্দত। কবিতাবিলাক কবিৰ ১৬ বছৰ বয়সৰ ৰচনা। ৱৰীন্দ্ৰ প্ৰতিভাৰ

ামি যি বুজো এই গ্ৰন্থই কিন্তু তাৰ ধাৰা-ক্ৰম বহন নকৰে। বিতাসমূহ বৈষ্ণৱ পদাৱলীৰ অনুকৰণ মাত্ৰ। সৰুকালতেই বৈষ্ণৱ দাৱলীৰ ব্ৰজবুলি ভাষাৰ ধ্বনি-মাধুৰ্যত মুগ্ধ হৈ পৰে কবি বীন্দ্ৰনাথ। তেৰ-চৈধ্য বছৰ বয়সৰ পৰাই কবিয়ে বৈষ্ণৱ পদাৱলী ঢ়ি গৈছিল। অস্পষ্ট, অস্ফুট হ'লেও বৈষ্ণৱ ধৰ্মতত্ত্বৰ মাজত তেওঁ ৱেশ কৰিছিল। এইটোও কবিৰ কাব্য ৰচনাৰ বিশেষ এটি দিশ। চতন্য-পৰৱৰ্তী যুগত বহুতো কবিয়ে ব্ৰজবুলি ভাষাত বৈষ্ণৱ কবিতা খিছে। কিন্তু ৰবীন্দ্ৰনাথেই প্ৰথমে এই যুগত পদকৰ্তাৰ অনুকৰণত বষ্ণৱ কবিতা' লিখিলে। ইয়াৰ অন্তৰ্গত 'মৰণ' আৰু 'কোতুঁহুঁ' বিত্বত অপূৰ্ব ভাৱ মাধুৰ্যত অবিস্মৰণীয়। ৰবীন্দ্ৰ-চেতনাত মৃত্যুক ল যি সকলে গবেষণা কৰিব, তেওঁলোকে কবিজনাৰ বিশ বছৰ য়সৰ এই ৰচনাটিক বাদ দিব নোৱাৰিব। প্ৰিয়ৰ বিৰহত মানুহৰ ীৱন যে দুৰ্বিসহ হৈ পৰে, ইয়াৰ উদাহৰণ বিশ্বৰ সকলো দেশৰ াহিত্যতে পোৱা যাব।

ৰবীন্দ্ৰ কাব্যৰ ঊষাপৰ্বৰ ৰচনাসমূহত কবিয়ে নিজে াকিঞ্চিৎকৰ আৰু অপাংক্তেয় বুলি বহুতো বিশেষণ 'প্ৰাগ তিহাসিক', 'গুপ্তযুগেৰ লিপি', 'কপিবুকেৰ কবিতা' আদি প্ৰভৃতি য়োগ কৰিছে। আমি অৱশ্যে এই মত মানি ল'ব নোৱাৰো।

ভাষা দুৰ্বল, ছন্দ শিথিল, হৃদয়ৰ আবেগ-উচ্ছ্বাস, থাকিলেও এই লেখাসমূহক নিতান্ত ধেমালি বুলিব নোৱাৰি। বয়সৰ তুলনাত কবি-প্ৰতিভাৰ অসামান্যত্বৰ পৰিচয় যথেষ্টই পোৱা যায় এই ৰচনাসমূহত। পৰৱৰ্তী জীৱনৰ বহু ভাব আৰু আদৰ্শৰ ছায়াপাত ঘটিছে এই ৰচনাসমূহত। ৰবীন্দ্ৰ প্ৰতিভা-বীজৰ অঙ্কুৰোদ্‌গম ঘটিছে ইয়াত। সেয়ে ঊষাপৰ্বৰ এই ৰচনাসমূহ কেতিয়াও মূল্যহীন নহয়। কিয়নো কাব্যৰ অস্ফুটতাক উলাই কৰিলে কাব্য সাহিত্যৰ এটা সত্যৰ অপলাপ কৰা হ'ব। ❑

সহায় সূত্ৰ ঃ

ৰবীন্দ্ৰ নাথ ঠাকুৰ ঃ জীৱনস্মৃতি
ঃ ৰবীন্দ্ৰ ৰচনাৱলী - অচলিত সংগ্ৰহ
চাৰু চন্দ্ৰ বন্দোপধ্যায় ঃ ৰবিৰশ্মি পূৰ্বভাগ
উপেন্দ্ৰ নাথ ভট্টাচাৰ্য ঃ ৰবীন্দ্ৰ-কাব্য-পৰিক্ৰমা
পৰেশ চন্দ্ৰ ভট্টাচাৰ্য ঃ সমগ্ৰ বাংলা সাহিত্যেৰ পৰিচয়
ডঃ জীৱন নাথ ঃ ৰবীন্দ্ৰ নাথ ১৯ বছৰেৰ কৃতি অকৃতি এবং কতিপয় বিভ্ৰান্তি (প্ৰবন্ধ)

"আমাৰতো মনে হয় আমাৰ কাব্য-সাধনাৰ এই একটি মাত্ৰ পালা, যে পালাৰ নাম দেওয়া যাইতে পাৰে সীমাৰ মধ্যেই অসীমেৰ সহিত মিলন-সাধনেৰ পালা।"

—ৰবীন্দ্ৰনাথ

আৰবী ভাষা-সাহিত্যৰ প্ৰচাৰ-প্ৰসাৰত ভাৰতীয় মুছলমানৰ ভূমিকা

ড° আব্দুল মজিদ নাদৰী

আৰব জগতৰ সৈতে ভাৰতবৰ্ষৰ ধৰ্মীয়, ৰাজনৈতিক আৰু সাংস্কৃতিক সম্পৰ্ক গ
পূৰ্বৰে পৰাই তেওঁলোকৰ মাজত বাণিজ্যিক দিশত সুমধুৰ সম্পৰ্ক গঢ়ি উঠিছিল। ইতিহ
কালৰে পৰা ভাৰতীয়সকল আৰব জগতৰ বাবে অচিনাকি হৈ থকা নাই আৰু অন্যান্য
প্ৰদানৰ লগে লগে ভাষা-সাহিত্যৰ আদান প্ৰদানো অব্যাহতভাবে চলি আছিল। ভাৰতীয়
বিদ্বৎ মণ্ডলীক আৰবসকলৰ সাহিত্যিক কলা-কৃষ্টিয়ে আকৰ্ষিত কৰিছিল। আনফালে
ওপৰতো ভাৰতৰ অদ্ভুত কলা-কৃষ্টিয়ে বাৰুকৈয়ে প্ৰভাৱ বিস্তাৰ কৰিবলৈ সক্ষম হয়; যাৰফলত
গদ্য আৰু পদ্য দুয়ো ক্ষেত্ৰতে নিজৰ গ্ৰন্থবোৰত ভাৰতীয় বিষয়বস্তুসমূহ প্ৰাধান্য দি নিজৰ
বিদ্যাৰ ভাণ্ডাৰ টনকিয়াল কৰি তোলে। ইছলাম ধৰ্মৰ আৱিৰ্ভাৱৰ বহু পূৰ্বতে ৰচনা কৰা
ইছলামী) যুগৰ কবিতাত ভাৰতীয় তৰোৱালৰ উল্লেখে তেওঁলোকৰ মাজত থকা মধুৰ সম্প

ভাৰতবৰ্ষত আৰবী ভাষা-সাহিত্যৰ উন্নতিৰ ক্ষেত্ৰত সৰ্বপ্ৰথমে সেইসকল লোকে
গ্ৰহণ কৰে, যিসকল প্ৰকৃততে আৰব লোক আছিল আৰু বিজয় অভিযানৰ সময়ত অহা
ভাৰতবৰ্ষত প্ৰৱেশ কৰি এই দেশতেই নিগাজীকৈ বসবাস কৰিবলৈ লয়। এই ক্ষেত্ৰত
ব্যক্তিৰ নাম উল্লেখযোগ্য সেইজন হৈছে "আবু হাফ্চ মোহাদ্দিছ বছৰি।" তেওঁ এজন
হজৰত মোহাম্মদ (চাঃ)ৰ পৰলোক গমনৰ পাছত তেখেতৰ জীৱিতকালৰ বিশ্বস্ত অনু
মোহাম্মদ (চাঃ)ৰ ধৰ্মমত গ্ৰহণকাৰীক তাবেয়ী অৰ্থাৎ একান্ত অনুগামী বোলা হয়। ৭৭৬
মৃত্যুবৰণ কৰে। এই কালছোৱাতেই বহুকেইজন ভাৰতীয় লোক আৰব দেশলৈ যায়। এই
নদীমে দুজন হিন্দু পণ্ডিতৰ নাম বিশেষভাৱে উল্লেখ কৰিছে যে তেওঁলোকে তাত বহুকেই
গ্ৰন্থক আৰবী ভাষালৈ অনুবাদ কৰাৰ ক্ষেত্ৰত উল্লেখনীয় ৰৰঙণি আগবঢ়াইছে। তদুপৰি আন
ভাৰতীয় বিশেষকৈ সিন্ধু উপত্যকাৰ লোকে আৰব দেশলৈ যাত্ৰা কৰে আৰু তাতেই নিগাজীকৈ
লয়। তেওঁলোকৰ ভিতৰত প্ৰসিদ্ধ কবি 'আবু আলা আফলাহ বিন য়াছাৰ সিন্ধি', খ্যাতনামা
'মুছা বিন মেহদী', প্ৰসিদ্ধ চিকিৎসক আৰু অনুবাদক 'ইবনে দহন হিন্দী' আদি উল্লেখযোগ্য
খলিফা হাৰুণ ৰশ্বিদৰ ৰাজত্বকালত ছালেহ বিন বাহলাহ হিন্দীৰ খ্যাতি চিকিৎসকৰূপে
জগতত বিয়পি পৰিছিল। আন এজন খ্যাতিসম্পন্ন চিকিৎসক মনকা হিন্দীয়ে তেওঁৰ ৰাজত্ব
ভাৰতৰ পৰা গৈ বাগদাদত থাকিবলৈ লয় আৰু দৰবাৰৰ সমাদৰ লাভ কৰিবলৈ সক্ষম হয়।

যিসকল লোকে ভাৰতত জন্ম গ্ৰহণ কৰিলে, ইয়াতেই ডাঙৰ-দীঘল হ'ল আৰু
সাহিত্যৰ সৈতে জড়িত হৈ খ্যাতি লাভ কৰিলে সেইসকলৰ সংখ্যা আৰু অধিক। সেইসকল
সৰ্বপ্ৰথমে উল্লেখনীয় ব্যক্তিজন হ'ল 'মছউদ বিন ছাদ ছলমান লাহোৰী'। তেওঁ যদিও ফাৰ্চী
খ্যাতিলাভ কৰে তদুপৰি আৰবী আৰু হিন্দী ভাষাতো কবিতা ৰচনা কৰি থৈ গৈছে আৰু
ভাষাতেই তেওঁৰ কবিতা সংকলন আছে। গোলাম আলী আজাদ বেলগ্ৰামীয়ে তেওঁৰ প্ৰ
'ছুবহাতুল মাৰজান ফী আছাৰি হিন্দুস্থান'ত তেওঁৰ কবিতাৰ কিছুমান উদাহৰণ দাঙি ধৰিছে,

ওঁৰ কবি দক্ষতাৰ পৰিচয় পোৱা যায়। আমিৰ খুচৰু এজন সিদ্ধ ফাৰ্চী কবি আছিল। তাৰোপৰি তেওঁ আৰবী ভাষাতো বিতা ৰচনা কৰিছিল তেওঁৰ দীৱান অৰ্থাৎ কবিতা সংকলনত কেইটা আৰবী কবিতা পোৱা যায়। তেওঁৰ প্ৰসিদ্ধ গ্ৰন্থ "এজাজে খ্ৰৱী"ত এটা এনেকুৱা কবিতা আছে যাৰ প্ৰথম শাৰী ফাৰ্চী ষাত আৰু দ্বিতীয় শাৰী আৰবী ভাষাত ৰচনা কৰিছে। ঠিক নেদৰে প্ৰসিদ্ধ চুফী আলিম "নাছিৰুদ্দিন চিৰাগ দেহলবী"ৰ ষ্য কাজী আব্দুল মোক্তাদিৰ এজন খ্যাতিসম্পন্ন আৰবী কবি ছিল। তেওঁৰ কবিতাবোৰে জনসাধাৰণৰ মাজত জনপ্ৰিয়তা লাভ ৰিবলৈ সক্ষম হৈছিল।

ভাৰতবৰ্ষৰ খ্যাতিসম্পন্ন আৰবী বিদ্বানসকলৰ ভিতৰত খৰীখ আহমদ থানেশ্বৰী'য়ো এজন আছিল। গোলাম আলি জাদ বেলগ্ৰামীয়ে 'ছুবহাতুল মাৰজান'ত উল্লেখ কৰিছে যে মীৰ তাইমুৰ তেওঁৰ প্ৰতি এনেদৰে আকৰ্ষিত হ'ল যে তেওঁক জ দেশ ইৰাণলৈ লৈ যাব খুজিলে। কিন্তু স্বেইখে সন্মতি প্ৰদান ৰিলে আৰু ভাৰতবৰ্ষত থাকিয়েই নিজৰ জ্ঞানৰ পোহৰ বিলাই কিল। নৱী (ছাঃ)ৰ প্ৰশংসাত তেওঁ এটি দীঘলীয়া কবিতা ৰচনা ৰিছে যাৰ প্ৰতিটো ফাকি 'দাল' আখৰত শেষ কৰিছে। যাৰ বাবে ই কবিতাটোক 'কছিদা দালিয়া' বোলা হয়।

শ্বাহ আহমদ শ্বৰীয়ী (মৃঃ ১৫২২ ইং) এজন বিখ্যাত ৰবী পণ্ডিত আছিল যিজনে নিজৰ আৰবী কবিতাৰ জৰিয়তে াতি লাভ কৰিবলৈ সক্ষম হৈছিল। ঠিক তেনেদৰে দশম তকাত দক্ষিণ ভাৰতৰ মালাবাৰ প্ৰান্তৰ মহম্মদ বিন আব্দুল জিজ এজন প্ৰসিদ্ধ আৰবী কবি আছিল। তেওঁ 'আল ফাতহুল বিন লিছ-চামীৰিল লাজি ইউহিবুল মুছলিমীন' অৰ্থাৎ 'ছমিৰীৰ শ্য বিজয় যিজনে মুছলমানসকলক অতি ভাল পায়' নামৰ ৫০ কিৰ এটি দীঘলীয়া কবিতা কালিকট প্ৰান্তৰ ছামিৰী নামৰ াজনৰ প্ৰশংসাত ৰচনা কৰিছে যিজন ৰজাই ভাস্কো ডি গামাৰ ৰ্তগীজ সৈন্যৰ বিৰুদ্ধে যুদ্ধ কৰি জয়লাভ কৰিছিল।

আন এজন উল্লেখযোগ্য আৰবী কবি আছিল আব্দুল লিল বেলগ্ৰামী (১৭১৫ খৃঃ)। তেওঁৰ বিষয়ে গোলাম আলি জাদে 'ছুবহাতুল মাৰজান'ত বিতংভাৱে উল্লেখ কৰিছে, লগতে ওঁৰ পাণ্ডিত্যক শলাগিছে। তেওঁ আৰবী, ফাৰ্চী, তুৰ্কী আৰু দী কবিতাৰ জৰিয়তে কোনো ব্যক্তিৰ জন্ম তিথি বৰ্ণনা কৰাত তি নিপুণ আছিল। তেওঁৰ কবিতাবোৰ অতুলনীয় উপমা আৰু িকৰ্ষণীয় শব্দাৱলীৰে পৰিপূৰ্ণ।

ঠিক তেনেদৰে জগৎ প্ৰসিদ্ধ মোহাদ্দিছ শ্বাহ অলিউল্লাহ ইছলৰী আৰবী ভাষাৰ এজন ডাঙৰ পণ্ডিত আছিল। তেওঁৰ ণ্ডিত্যক স্বয়ং আৰব জগতে স্বীকৃতি প্ৰদান কৰিছে। তেওঁ হাদিছ, ফিকাহ, দৰ্শন, লজিক, তছওউফ আদি বিষয়ৰ ডাঙৰ ডাঙৰ ণ্ডিত হোৱাৰ উপৰিও আৰবী ভাষাৰ এজন ডাঙৰ কবি আছিল। ৰবী ভাষাত তেওঁৰ এখন কবিতা সংকলন আছে। কিন্তু যি খন কিতাপে তেওঁক সমগ্ৰ আৰব আৰু ইছলামী জগতত জনাজাত কৰি তুলিলে সেই দুখন হ'ল 'হুজ্জাতুল্ লাহিল বালিগাহ' আৰু 'আল-ফউজুল কবীৰ ফী ওছুলিত তফছীৰ'। উত্তৰাধিকাৰীসূত্ৰে তেওঁৰ সুপুত্ৰ শ্বাহ আব্দুল আজিজেও আৰবী ভাষা-সাহিত্যত দক্ষতা লাভ কৰিছে। নৱী (ছাঃ)ৰ গুণ কীৰ্তনত তেওঁ কেইটিমান বিশেষ উল্লেখনীয় কবিতা ৰচনা কৰি থৈ গৈছে। শ্বেইখ বাকৰ বিন মোৰ্তাজা মাদ্ৰাজী আৰবী ভাষা-সাহিত্যৰ এজন অতি বিদ্বান লোক আছিল। 'অল আশ্বাৰাতুল কামিলাহ' (সম্পূৰ্ণ দহ) নামৰ মোআল্লাকাহৰ লেখিয়া সম্পূৰ্ণ ১০ টা কবিতা তাত লিপিবদ্ধ কৰিছে। তাৰোপৰি সুকীয়াকৈ তেওঁৰ এখন গজল সংকলনো আছে। মকামাতে হৰীৰীৰ পদ্ধতিত ৰচনা কৰা তেওঁৰ কিছুমান মকামাত (চুটি গল্প) আছে।

উল্লেখিত লোকসকলৰ উপৰিও আৰু অনেক লোক আছে যিসকলে ভাৰতবৰ্ষত আৰবী ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ ক্ষেত্ৰত নিজৰ বহুমূলীয়া অৱদান আগবঢ়াই থৈ গৈছে। তেওঁলোকৰ ভিতৰত আল্লামা ফজলে হক খাইৰাবাদী,আহমদ হাছান কন্নৌজী, ফাইজুল হাছন ছাহাৰানপুৰী, শ্বেইখ আব্দুল আবুল (আওৱল) জৌনপুৰী, শ্বেইখ মহম্মদ বিন আহমদ টোঁকী, নজীৰ আহমদ দেহলৰী, শ্বেইখ মহম্মদ বিন আহমদ ছুৰতী, ছৈয়দ ছিদ্দীক হাছন কনৌজী আদি অতি প্ৰসিদ্ধ। এওঁলোক সকলোৱে নিজৰ নিজৰ ক্ষেত্ৰত আৰবী ভাষা-সাহিত্যলৈ উল্লেখনীয় অৱদান আগবঢ়াই থৈ গৈছে যাক লৈ ভাৰতবৰ্ষই আজিও গৰ্ববোধ কৰে।

আৰবী ভাষা-সাহিত্যৰ প্ৰতি ভাৰতীয় মুছলমানসকলৰ অৱদান আধৰুৱা হৈ ৰ'ব যদিহে "আল্লামা গোলাম আলি আজাদ বেলগ্ৰামী"ৰ বিষয়ে উল্লেখ কৰা নহয়। ভাৰতবৰ্ষত জন্ম লাভ কৰা আৰবী কবিসকলৰ ভিতৰত তেৱেঁই আছিল অন্যতম, যাৰ বাবে তেওঁক 'হাচ্ছানুল হিন্দ' (ভাৰতবৰ্ষৰ হাচ্ছান) উপাধিৰে সন্মানিত কৰা হৈছে। তেওঁৰ বহুকেইখন কবিতা পুথি আছে যিবোৰৰ কিছুমান কবিতাক একত্ৰিত কৰি 'আছ-ছাবআতুছ ছাইয়াবাহ' (সাত নক্ষত্ৰ) নামেৰে ছপা কৰা হৈছে। আন এখন কবিতা পুথি, 'তছলিয়াতুল ফুৱাদ' (অন্তৰৰ শান্তি) নামেৰে ছপা কৰা হৈছে। কিন্তু যিখন কিতাপে তেওঁক ভাৰতবৰ্ষৰ উপৰিও ইউৰোপ আৰু আৰব জগতত জনাজাত কৰি তুলিলে, লগতে আৰব জগতে যিখন কিতাপৰ জৰিয়তে তেওঁক সাহিত্যিকৰ মৰ্যদা প্ৰদান কৰিলে সেইখন হ'ল 'ছুবহাতুল মাৰজান ফী আছাৰি হিদুস্তান"। এই কিতাপখন কোনো এটা বিষয়ক কেন্দ্ৰ কৰি লিখা হোৱা নাই বৰং চাবলৈ গ'লে এইখন প্ৰকৃততে এখন 'ইনচাইক্লোপেডিয়া'। কাৰণ ইয়াত ভাৰতীয় কবি, কবিতা, সমালোচনা, ইতিহাস, বলাগত অৰ্থাৎ আৰবী অলংকাৰ শাস্ত্ৰ আদি সকলোবোৰৰ ওপৰত আলোকপাত কৰা হৈছে। এই কিতাপখন পোন প্ৰথমবাৰৰ বাবে ১৮৮০ চনত মুম্বাইত প্ৰকাশ কৰা হয়। তাৰ পিছত বেইৰুত, কাইৰো আদিৰ পৰা বহুবাৰ প্ৰকাশিত হয়। তেওঁৰ এটি দীঘলীয়া কবিতা আছে য'ত ১০৫টা ফাকি আছে। এই কবিতাটিৰ বৈশিষ্ট্য এইখিনিতে যে প্ৰতি দুফাকি কবিতাত তেওঁ নাৰী দেহৰ এটা

অংগৰ প্ৰশংসা কৰিছে। নাৰী সৌন্দৰ্য বৰ্ণনাৰ এনে অতুলনীয় কবিতা সাহিত্যৰ ইতিহাসত অতি বিৰল। এই কবিতাত নাৰী সৌন্দৰ্যৰ প্ৰশংসাৰ বাবে সংস্কৃত আৰু হিন্দী ভাষাৰ অতুলনীয় উদাহৰণবোৰো তেওঁ সহায় লৈছে।

আৰবী ভাষাজ্ঞানৰ বাবেও ভাৰতীয় লেখকসকলে বিশেষভাৱে মনোযোগ দিছে। তেওঁলোকে নহু, চৰফ, বলাগত্, ইনস্বা আদি বিষয়ৰ ওপৰত বহুতো গ্ৰন্থ ৰচনা কৰিছে। তেওঁলোকে কেৱল নহু বিষয়ৰ ওপৰতেই ৬২ খনতকৈয়ো অধিক কিতাপ ৰচনা কৰিছে। তদুপৰি সেইবোৰৰ যিবোৰ ব্যাখ্যা আৰবী আৰু ফাৰ্চী ভাষাত লিখিছে সেইবোৰৰ সংখ্যা তাতোকৈ বহুত বেছি। চৰফ বিষয়তো তেওঁলোকে ৬৫ খনতকৈয়ো অধিক কিতাপ লিখিছে। লগতে আৰবী আৰু ফাৰ্চী ভাষাত ২১ খনতকৈয়ো অধিক ব্যাখ্যা ৰচনা কৰিছে। সেইবোৰৰ ভিতৰত 'অজীহুদ্দীন ওছমান বিন হাৰুণ'ৰ 'মীজানুছ ছৰ্ফ', শ্বেইখ হামজা বদাউনীৰ 'অল মুনশ্বায়িব', চিদ্দিক হাছন কন্নৌজীৰ 'আছ-ছাফিয়া' আদি অতি প্ৰসিদ্ধ। আৰবী অভিধানৰ ফালেও ভাৰতীয় বিদ্বানসকলে বিশেষভাৱে মনোযোগ দিছে। 'শ্বেইখ হাছন বিন হাইদৰ ছাগানী'য়ে সৰ্বপ্ৰথমে আৰবী অভিধান ৰচনা কৰে। এই বিষয়ত তেওঁ বহুকেইখন অভিধান ৰচনা কৰিছে যদিও 'মাজমাউল বাহৰাইন' (১২খণ্ড) অতি প্ৰসিদ্ধ। এনেদৰে আৰবী ভাষাৰ ২৮ খন অভিধান ভাৰতীয় আলিমসকলে প্ৰস্তুত কৰি উলিয়াইছে। তদুপৰি উৰ্দু আৰু ফাৰ্চী ভাষাত অন্যান্য বহুতো অভিধান আৰবী ভাষা সংক্ৰান্তত ৰচনা কৰা হৈছে। সেইবোৰৰ ভিতৰত 'মুস্তাহাল আদব ফী লোগালিত আৰব' (৪ খণ্ড) আৰু 'তাজুল ওৰোছ শ্বৰহুলকামুছ' (১০ খণ্ড) অতি প্ৰসিদ্ধ। এই দুয়োখন অভিধানৰ লেখক প্ৰসিদ্ধ ভাষাবিদ ছৈয়দ মোৰ্তাজা জবীদী বেলগ্ৰামী। দ্বিতীয়খন অভিধান কাইৰোৰ পৰা প্ৰকাশ পায় আৰু সমগ্ৰ আৰব আৰু ইছলামী জগতত খ্যাতি আৰু সমাদৰ লাভ কৰে। ঠিক তেনেদৰে 'মৌলানা আব্দুল হাফিজ বলিয়াবী'ৰ 'মিছবাহুল লুগাত' আৰু 'মৌলানা অহীদুজ জামান কীৰানৱী'ৰ "আনৱাৰুল লোগত" উভয়ে আজিৰ ছাত্ৰ সমাজত সমাদৰ লাভ কৰি আছে।

ভাৰতীয়সকলে বালাগত আৰু ইলমে কালাম আদি বিষয়ৰ ফালেও বলিষ্ঠ পদক্ষেপ লৈছে আৰু এই ক্ষেত্ৰটো তেওঁলোকে বহুমূলীয়া ৰচনাৱলী আগবঢ়াইছে। 'ছৈয়দ গোলাম আলি আজাদ বেলগ্ৰামী'ৰ ছুবহাতুল মাৰজান' 'শ্বেইখ আব্দুল আজিজ বিন আলিউল্লাহ দেহলবী'ৰ 'মীজানুল বলাগাহ' 'ছৈয়দ ছিদ্দিক হাছান কন্নৌজীৰ 'গুছনুল বয়ান' আৰু প্ৰসিদ্ধ ফাৰ্চী কবি আমীৰ খুছৰুৰ 'এজাজে খুছৰৱী' আদি এই বিষয়ত অতি প্ৰসিদ্ধ।

আৰবী গদ্য সাহিত্য (Prose Literature)ৰ ক্ষেত্ৰতো ভাৰতীয় লেখকসকলৰ অৱদান কোনোফালৰ পৰা কম নহয়। এই ক্ষেত্ৰত 'ছৈয়দ আবুবক্কৰ বিন মোহছিন ছুৰতী'ৰ 'অলমকামাতুল হিন্দীয়াহ' এখন অতি প্ৰসিদ্ধ গ্ৰন্থ! এই কিতাপখন তেওঁ হৰীৰী আৰু হমদানীৰ মকামাতৰ শৈলীত ৰচনা কৰিছে যদিও তেওঁলোকৰ দৰে কঠিন শব্দৰ প্ৰয়োগ কৰা নাই লিপিবদ্ধ কৰিছে।

উল্লেখিত ক্ষেত্ৰসমূহৰ উপৰিও ভাৰতী আৰৱ লেখকসকলৰ জটিল কিতাপসমূহৰ সমালোচনা আৰু টোকা লিখিছে। এই ক্ষেত্ৰত দীৱানুল মুতানাব্বি, দীৱানুল হামাছা, ছাবআমুল কছিদা বানাত ছুআদ, আৰু কছিদা বানাত ছুআদ বুৰদা আদিৰ ব্যাখ্যাবোৰ অতি প্ৰসিদ্ধ। যেনে আলিমসকলৰ অৱদান হাদীছ, তফছীৰ, ফেকাহ, ফৰায়েজ আৰু তছউওফ আদি বিষয়ত তেনেদৰে বুৰঞ্জী, ভূগোল, আত্ম কথা, ভ্ৰমণ ক্ষেত্ৰতো তেওঁলোকৰ অৱদান কোনোফালৰ পৰা ক্ষেত্ৰসমূহতো তেওঁলোকে উল্লেখনীয় ৰৱঙনি

ভাৰতবৰ্ষত মুছলমানসকলৰ আগমনৰ সাম্ৰাজ্যৰ পতনলৈকে ভাৰতীয় বিদ্বানসকলৰ পৰিচয় ইয়াত দাঙি ধৰা হ'ল। এই সুদীৰ্ঘ ৰাজত্বকালৰ আৰবী ভাষা-সাহিত্যৰ ইতিহাস এই দাঙি ধৰা অসম্ভৱ। কেৱল সম্ৰাট ঔৰঙ্গজেৱৰ 'ফতাৱা আলমগীৰী'ৰ দৰে যিবোৰ কিতাপ সেইবোৰৰ বাবে যথেষ্ট সময়ৰ প্ৰয়োজন। ইয়াত মুছলমানসকলৰ এই ক্ষেত্ৰত অৱদানৰ এটি চমু চেষ্ট কৰা হৈছে।

মোগল সাম্ৰাজ্যৰ পতনৰ পিছত ৯০ ৰাজত্বকালতো আৰবী ভাষা-সাহিত্যৰ এই ধাৰা আৰু ভাৰতীয় লেখকসকলে এই ভাষা অধিক তোলে। এই কালছোৱাতো ভাৰতীয় আলিমসকলে কৃষ্টি আৰু ভাষা-সাহিত্যৰ স্বৰূপ উজ্জ্বল কৰি ৰা প্ৰচেষ্টা অব্যাহত ৰাখে। যদিও ইংৰাজ শাসকসকলে পদে পদে বাধাৰ সৃষ্টি কৰিছিল, তদুপৰি তেওঁলে নহ'ল আৰু আৰবী ভাষা-সাহিত্য আৰু ইছলামীয় প্ৰচাৰ প্ৰসাৰত ব্ৰতী হৈ থাকিল। 'নৱাব ছিদ্দিক সেইসকল লোকৰ আগৰণুৱা আছিল। ভুপালৰ সত্ত্বেও এইজন আলিমে তফছীৰ, ফেকাহ, হাদিছ, ই সাহিত্যৰ বহুমূলীয়া গ্ৰন্থ কিছুমান ৰচনা কৰি থৈ গৈছে স্বনামধন্য আলিম যিজনে দাৰুল উলুম নাদৱাতুল বিশ্বপ্ৰসিদ্ধ শিক্ষানুষ্ঠানৰ উচ্চ প্ৰশাসনিক দায়িত্বত থকা সত্ত্বেও অকলে যিবোৰ কিতাপ লিখি থৈ আজি এটা একাডেমিয়েও সহজে সম্পন্ন কৰিব আছিল "নুজহাতুল খৱাতিৰ", 'অছ ছকাফাতুল ই হিন্দ' আৰু 'গুলে ৰাণা' লেখক, নাদৱাতুল উ কুলপতি আৰু ছৈয়দ আবুল হাছন আলি নাদৱীৰ আব্দুল হাই হাছনী। 'ছাপাকাতুল ইছলামীয়া ভাৰতবৰ্ষৰ ইছলামী ৰাজত্বকালৰ কলা-কৃষ্টি আৰু

পৰত আলোকপাত কৰিছে। "গুলে ৰাণা" উর্দ্দু সাহিত্যৰ বিষয়ে খা তেওঁৰ এখন শ্ৰেষ্ঠ গ্ৰন্থ। যিখন কিতাপে তেওঁক সমগ্ৰ আৰব াৰু ইছলামী জগতৰ সৈতে পৰিচয় কৰালে, লগতে ভাৰতবৰ্ষৰ তিহ্যমণ্ডিত ইছলামী ৰাজত্বকালৰ আলিমসকলৰ জীৱনী, তওঁলোকৰ কৰ্মক্ষেত্ৰ আৰু ৰচনাৱলী আদি সকলোবোৰ সাঙুৰি সবংশৰ ৰাজত্বকালৰেপৰা মোগল সাম্ৰাজ্যৰ পতনলৈকে ৮০০ ছৰীয়া কালৰ বিতং তথ্য ৮ খণ্ডত দাঙি ধৰিছে য'ত এই ালছোৱাৰ ৪৫০০ জন আলিমৰ জীৱনী লিপিবদ্ধ কৰিছে। সেই হমূলীয়া গ্ৰন্থখনেই হৈছে "নুজহাতুল খৱাতিৰ ওৱা ৰাহজাতুল ৰাজিৰ"; যিখন কিতাপৰ সহায় অবিহনে কোনো লেখকৰ বাবে সই সময়ৰ গৱেষণা সম্ভৱ নহয়। এই গ্ৰন্থখনৰ নৱম খণ্ডও তওঁৰ সুযোগ্য সন্তান ছৈয়দ অবুল হাছান আলি নাদৱীয়ে ংৰাজকালৰ আলিমসকলৰ জীৱনী সন্নিৱিষ্ট কৰি সম্পূৰ্ণ কৰিছে। ছমানীয়া বিশ্ববিদ্যালয়ে এই কিতাপখন সৰ্ব প্ৰথমে প্ৰকাশ ৰিছিল। শেহতীয়াকৈ Academy of Islamic Research nd Publication, Lucknow ৰ পৰা এই কিতাপখন াটকধুনীয়াকৈ প্ৰকাশ পাইছে।

বৃটিছ শাসন কালত ভাৰতৰ মুছলমানসকলৰ কৃষ্টি-সংস্কৃতি াৰু ধৰ্মাচাৰৰ ওপৰত বাধাৰ সৃষ্টি কৰা ইংৰাজসকলৰ নীতিৰ াৰুদ্ধে দাৰুল উলুম দেউবন্দ, জামিয়া মিল্লীয়া ইছলামীয়া, নতুন ল্লী; আলিগড় মুছলিম বিশ্ববিদ্যালয়, মজাহিৰুল উলুম, ছাহাৰান ৰ আৰু দাৰুল উলুম নাদৱাতুল উলেমা, লক্ষ্ণৌ আদিয়ে প্ৰৱল নজাগৰণৰ নেতৃত্ব দিছিল। শেহতীয়াকৈ নাদৱী আলিমসকলে িকলোক্ষেত্ৰতে নিজৰ দক্ষতাৰ পৰিচয় দিয়াৰ উপৰিও আৰবী াষা-সাহিত্যৰ প্ৰচাৰ আৰু প্ৰসাৰত গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ ৰিছে। ভাৰত আৰু পাকিস্তানৰ উপৰিও আৰব জগত, আফ্ৰিকা, ামেৰিকা, ইউৰোপ, ব্ৰিটেইন, আদি বিশ্বৰ সকলো প্ৰধান ঠাইতেই াংবাদিকতাৰ ক্ষেত্ৰতেই হওক, অনুবাদক হিচাপে হওক, ৰাষ্ট্ৰদূতৰ ৰ্যালয়তেই হওক বা বিশ্ববিদ্যালয়ৰ অধ্যাপক ৰূপেই হওক, িকলো ক্ষেত্ৰতে আজি নাদৱীসকলে নিজৰ প্ৰতিভাৰ পৰিচয় দাঙি ৰিছে। স্বৰাজোত্তৰ কালৰ ভাৰতবৰ্ষত প্ৰকাশিত হৈ থকা প্ৰায় ৫/৩০ খন আৰবী আলোচনীত নাদৱী আলিমসকল পৰোক্ষ বা ত্যক্ষভাৱে জড়িত হৈ আছে। সেয়েহে এই বিশ্ববিদ্যালয়ৰ এজন যোগ্য সন্তানৰ উল্লেখেৰে মই মোৰ ৰচনাৰ সামৰণি মাৰিম। তওঁ হৈছে নাদৱাতুল উলেমাৰ প্ৰাক্তন কুলপতি, All India Muslim Personal Law Board ৰ প্ৰাক্তন সভাপতি, ইছলামী চিন্তাবিদ, 'মৌলানা ছৈয়দ আবুল হাছান আলি হাছান াদৱী।' ১৯৯৯ চনৰ ৩১ ডিচেম্বৰৰ দিনা ইন্তেকাল হোৱাৰ আগমুহূৰ্তলৈকে তেওঁ কিতাপ আৰু কলম লৈয়ে ব্যস্ত হৈ থাকিল। বিংশ শতিকাৰ শেষৰ ৫০ বছৰত এই মহান লেখকজনে আৰবী ভাষা-সাহিত্যলৈ যি ৰৰঙণি আগবঢ়াই থৈ গৈছে তাক ভাৰতবৰ্ষই কেতিয়াও পাহৰিব নোৱাৰে। তেওঁ কেৱল আৰবী ভাষাতেই ১০০ খনতকৈ অধিক সৰু ডাঙৰ কিতাপ ৰচনা কৰি থৈ গৈছে। তদুপৰি যিবোৰ কিতাপ তেওঁ উর্দ্দু ভাষাত লিখিছে সেইবোৰ বিশ্বৰ আন আন ভাষালৈ অনুবাদ কৰা হৈছে।

তেওঁৰ আৰবী গ্ৰন্থবোৰৰ ভিতৰত নিম্নলিখিত কেইখনমান অতি প্ৰসিদ্ধ—

১) মাজা খাছিৰাল আলম বি-ইন্‌হিতাতিল মুছলিমীন (মানৱ জগতত মুছলমানসকলৰ উত্থান-পতনৰ প্ৰভাব)

২) ৰিজালুল ফিক্‌ৰি ওৱাদ দাৱাহ।

৩) আত-তৰিকু ইলাল মদীনাহ।

৪) অল মুছলিমুনা ফিল হিন্দ।

৫) ৰৱায়েউ ইকবাল।

৬) ইজা হাৱাত ৰীহুল ঈমান।

৭) নবিউৰ ৰহমত।

৮) অল আৰকানুল আৰবাআহ।

৯) অছ-ছিৰাউ বাইনাল ফিকৰাতিল ইছলামীয়া ওৱাল ফিকৰাতিল গাৰবিয়াহ।

এইবোৰৰ উপৰিও আৰবী ভাষাত ৰচনা কৰা তেওঁৰ সৰু ডাঙৰ অসংখ্য কিতাপ থকাৰ উপৰিও আৰব আৰু ভাৰতবৰ্ষৰ পৰা প্ৰকাশিত প্ৰায়বোৰ ডাঙৰ ডাঙৰ আলোচনীবোৰত তেওঁৰ প্ৰবন্ধবোৰ প্ৰকাশ পাই আহিছে।

তেওঁৰ উপৰিও আধুনিককালত ভাৰতবৰ্ষত অনেক খ্যাতি সম্পন্ন আৰবী লেখক আছে যিসকলৰ লেখায়ে আবল জগতত ভাৰতবৰ্ষৰ নাম উজ্জ্বল কৰি তুলিছে।

শেষত এইখিনিকেই ক'ব খুজিছো যে ভাৰতবৰ্ষত মুছলমানসকলৰ শাসনৰ পৰা আৰম্ভ কৰি আজিলৈকে আৰবী ভাষা-সাহিত্যৰ উন্নয়নৰ বাবে মুছলমানসকলে গুৰুত্বপূৰ্ণ অৱদান আগবঢ়াই গৈছে আৰু এতিয়াও সেই প্ৰচেষ্টা অব্যাহত আছে। কিন্তু এইটো সত্য যে যিবোৰ বিৱৰণ ওপৰত উল্লেখ কৰা হ'ল সেইবোৰ কেৱল নামমাত্ৰহে। কাৰণ ১০০০ বছৰৰ ভাষা-সাহিত্যৰ ইতিহাস ৪/৫ পৃষ্ঠাত লিখা অসম্ভৱ। এই ৰচনাৰ জৰিয়তে কেৱল এইটো আভাস দিবলৈ চেষ্টা কৰা হৈছে আৰবী ভাষা-সাহিত্যৰ ভাৰতীয় লেখকসকলে কোনো এটা ক্ষেত্ৰ বাদ দিয়া নাই। ৰৰং প্ৰতিটো ক্ষেত্ৰতে তেওঁলোকে নিজৰ দক্ষতা আৰু প্ৰতিভাৰ পৰিচয় দি থৈ গৈছে। ❑

দৰকান্ত বৰুৱাৰ কবিতাত কলং

° মহেশ্বৰ কলিতা

সাহিত্যত, বিশেষকৈ কবিতাত 'নদী' ব্যাপকভাবে প্রয়োগ হৈ আহিছে। মানৱ সভ্যতা প্রধানতঃ নদীৰ উপত্যকাত। সেইবাবেই নদীৰ লগত মানুহৰ সম্পর্ক নিবিড়, এবাৰ নোৱাৰা। নদীৰ গতি, বাৰিষা লাভ কৰা কোবাল সোঁত, খৰাং কালৰ শান্ত-সমাহিত ৰূপ আৰু সর্বোপৰি ইয়াৰ সাধাৰণ দৃষ্টিত ধৰা পৰা নিৰবধি ৰূপে যুগে যুগে ভাবুক প্রবৃত্তিৰ মানুহক আকর্ষিত কৰি আহিছে। ইয়াৰ মাজতে বিচাৰি পায় গতিময় জীৱনৰ অর্থ।

অসমীয়া সাহিত্যত ব্রহ্মপুত্রৰ পাছতে ব্যাপকভাবে উল্লেখিত নদী হ'ল কলং। ব্রহ্মপুত্রৰ অসমৰ মানুহৰ সভ্যতা গঢ়ি উঠিছে। গতিকে, ব্রহ্মপুত্রৰ লগত অসমৰ জন জীৱনৰ সম্পর্ক সম্পর্কৰ প্রতিফলন ঘটিছে আমাৰ লোক সাহিত্য, প্রাচীন সাহিত্য আৰু আধুনিক সাহিত্যত লেখক-কবিয়ে তেওঁলোকৰ সৃষ্টিৰ মাজত ব্রহ্মপুত্রক সজীৱ, সতেজ কৰি ৰাখিছে।

ভূগোলৰ ব্যাখ্যা-সূত্র মতে কলং 'নদী' নহয়, সুঁতিহে। ব্রহ্মপুত্রৰ এই সুঁতিটোৱে জীপাল কৰি ৰাখিছিল ইয়াৰ দুয়োপাৰৰ বিস্তীর্ণ অঞ্চল। সেই অঞ্চলতে অসমীয়া সাহিত্যৰ আগশাৰীৰ সাহিত্যিকে জন্ম লাভ কৰিছিল। কলঙত সাঁতুৰি-নাদুৰি, কলঙৰ পাৰৰ সেউজী খেলি শৈশৱ আৰু কৈশোৰ পাৰ কৰিছিল। কলঙে তেওঁলোকক জীৱনৰ ৰঙীন সপোনো পৰৱর্তী কালত সেই মধুৰ স্মৃতি-সপোন প্রকাশিত হৈছিল তেওঁলোকৰ সৃষ্টিত।

কবি দেৱকান্ত বৰুৱাই সার্থকভাবে প্রথমতে কলঙক সাহিত্যিক উপকৰণ হিচাপে ইংৰাজ কবি ৰবার্ট ব্রাউনিঙৰ দ্বাৰা প্রভাৱিত কবি বৰুৱাই কলং নদীক জীৱনৰ ছন্দৰ সমতালত কৰিছে। ব্রাউনিঙে আশাভংগ বা হতাশাৰ মাজতে আশাৰ সন্ধান কৰি আত্মসন্তুষ্টি লভাৰ প্রচেষ্টা কলংপৰীয়া কবি বৰুৱায়ো তেনে 'উপায়'ৰ কথা কেতিয়াবা ভাবিছিল—

তোমাৰ বিয়ালৈ আৰু কেইদিন বাকী? দহ দিন? মাথোঁ
দহদিন আছে?
এনে দহ নিশা, তুমি যাবা তোমাৰ বাটেদি, মই যাম
মোৰ বাটে বাটে।
(কলঙ্ পাৰত মাজনিশা)

কিন্তু কলংপাৰৰ পূর্ব-স্মৃতিয়ে কবিক বিচলিত কৰে। জীৱন যুঁজৰ হৰা-জিকাক সহজভাবে চেষ্টা কৰিও তেওঁ বিফল হয়। অৱশ্যে তেওঁ বহল মনাকাশৰ অধিকাৰী। এই 'বহল মন' আশাবাদীও কৰি তুলিছে। এই কথাই কবিক যতীন্দ্র নাথ দুৱৰা আৰু গণেশ চন্দ্র গগৈৰ ৰোমান্টিক ভাবনাৰ প্রভাৱৰ পৰা আঁতৰাই ৰাখিছে। কবি বৰুৱাই তেওঁৰ প্রিয় কলঙৰ পাৰতে সেই 'বহল' আৱিষ্কাৰ কৰিছে—

কলঙ-পাৰৰ এই দূৰৰিত আকাশৰ
বিচাৰো তুলনা,

সৰি পৰা শেৱালিৰ কোমল সুবাসে মোক
কৰেহি উন্মনা।
(কবিৰ কামনা)

কবিৰ মানত কলং এটি সাধাৰণ সুঁতি বা নদী নহয়, ই জীৱনক ক্তি-সাহস আৰু সান্ত্বনা দিব পৰা এটি গতিৰ সেউজীয়া প্ৰতীক। ংগঙে দিছে কবিক সপোন দেখাৰ যুক্তি, দিছে যৌৱনৰ জুই শিখাৰে ক্তৰতা নাশৰ শক্তি। কলঙৰ নিজান পাৰত বহি তেওঁ লক্ষ্য ৰিছে— সিপাৰত ফুলি থকা এজাৰে ৰূপৰ জুই বিয়পাইছে, াণাৰুয়ে ছটিয়াইছে যৌৱনৰ পৰাগ। কলঙৰ বুকুয়েদি উটি যোৱা ই মেটেকাই কবিক সোঁৱৰাই দিছে দুখৰ কাহিনী—

জি এই কলঙৰ নিজান পাৰত বহি কত কি যে দেখিছোঁ সপোন;
পাৰৰ এজাৰৰ ৰূপৰ অনল-শিখা, সোণাৰুৰ সোণালী যৌৱন
গিছে আপোন মোৰ উটি অহা মেটেকাৰ বনৰীয়া বিহফুল পাহি,
লোৱো সিপাৰৰ দুখৰ কাহিনী কিবা সিও মোক কয় হাঁহি হাঁহি।
(কলঙ্ পাৰত)

ব্যৰ্থ প্ৰেম-ভাবনাই কেতিয়াবা কবিক হতাশ কৰে যদিও ওঁ নিৰাশাত ডুব নাযায়। ব্যৰ্থতাক প্ৰেমৰ অংগ বুলি মানি উনিঙৰ দৰে তাৰ মাজতে সাৰ্থকতাৰো সন্ধান কৰে। প্ৰেমিক কবিৰ ৰণে কলং ৰূপী প্ৰকৃতিয়েই হ'ল দুখৰ লগৰীয়া। সেই বাবে কলঙৰ ৰত বহি তেওঁ অন্তৰৰ সমস্ত দুখ হুমুনিয়াহ প্ৰকাশ কৰি 'সময়-ীত'ক অৰ্থাৎ বাস্তৱক মানি সান্ত্বনা লভিছে। কাৰো প্ৰতি অভিযোগ-ভিমান তেওঁৰ নাই।

কোনেনো শুনিলে তাক? কবিতাৰ পূৰ্ণতাৰে নোৱাৰিলে
কবিৰ প্ৰকাশ
বুকুৰ বেদনা সি ময়ো যাম সময় সোঁতত উটি
আৰু কত যাব;
আহিব নতুন কবি কলঙ পাৰত বহি যৌৱনৰ
আৰতি শুনাব।

কবিৰ মনত সংশয়, সন্দেহ— নিষ্ঠুৰ সময়ৰ বিচাৰত কবিৰ ষ্টা-আদৰ্শ মূল্যহীন হৈ পৰিব। তৰুণ প্ৰজন্মই সমাজ নতুন ৰূপত ৈ দিবলৈ চেষ্টা কৰিব। তেওঁলোকৰ দৃষ্টিত কলঙেও হয়তো অন্য প লাভ কৰিব। হয়তো মানৱ সভ্যতাইও এনে ৰূপ পৰিগ্ৰহ কৰিব ত পুৰণিৰ বিশেষ মূল্য নাথাকিব। অতীত ঐতিহ্যৰ বাহক বুলি বিৰ কৃতিয়ে পাবলগা মৰ্যাদাও নাপাব। বিস্মৃতিয়ে সিবোৰ গ্ৰাস ৰিব।

আমাক পাহৰি যাব অনাগত ভৱিষ্যই, মানুহৰ
মিছা ইতিহাসে,
আমাক পাহৰি যাব প্ৰভাতৰ পুবেৰুণে, সন্ধিয়াৰ
সুন্দৰ আকাশে।
যদিও ই কলঙৰ নিভৃত পাৰত বহি, ইন্দ্ৰ ধনু
বিৰচি ছন্দৰ,
আমিও ৰঙাই গলোঁ পুৱাৰ অৰুণ-ৰাগ গধূলিৰ
হেঙুলী ডাৱৰ।
(—কলঙ্ পাৰত)

বকুল, কদম আদি গছেৰে পাৰ শুৱনি হৈ পৰা কলং নদী প্ৰেমিক কবিৰ প্ৰেম-মিলনৰ সাক্ষী। কবি ৰবাৰ্ট ব্ৰাউনিঙে 'The Last Ride Together' শীৰ্ষক কবিতাত প্ৰেয়সীৰ সৈতে বিচ্ছেদৰ আগে আগে শেষ বাৰৰ বাবে ঘোঁৰাত উঠাৰ প্ৰস্তাৱ আগবঢ়াইছে। কলংপৰীয়া কবিৰ প্ৰেমিকাৰ বিয়া ঠিক হৈছে— অন্য যুৱকৰ সৈতে। তেৱোঁ প্ৰেয়সীক নিমন্ত্ৰণ কৰিছে— মাজনিশা কলং পাৰলৈ। কবিৰ হেঁপাহ— তেওঁ শেষ বাৰৰ বাবে প্ৰেয়সীৰ সংগ-সুখ পাব। এই মিলনৰ সাক্ষী হৈ ৰ'ব কলং আৰু ইয়াৰ পাৰত থকা গছ-বিৰিখ, চৰাই-চিৰিকতি। আসন্ন প্ৰিয়া-বিচ্ছেদৰ যাতনা মুৰ পাতি লৈ প্ৰেমিক কবিয়ে কিদৰে সান্ত্বনা লভিছে চাওঁক—

কলঙৰ নিজান পাৰত তুমি আৰু মই আছোঁ, মাথোঁ
কদম জোপাই
সাক্ষী ক'ব তুমি আৰু মই আজি নিভৃতে মিলাৰ হেৰা,
সউ বকুলৰ
ডালত কুৰুলি মৰা নিয়ঁতী হালিয়ে জানিব মাথোন
তুমি আজি মোৰ।

কলংপৰীয়া কবিৰ প্ৰেম-ভাবনাৰ অংকুৰণ ঘটিছিল কলঙৰ পাৰত। তাতেই বিকশিতও হৈছিল। গতিকে কলঙৰ সান্নিধ্যই প্ৰেমিক কবিক সাহসী কৰি তুলিছিল।

তুমি-গোলাপৰ আজি লভিছোঁ পৰশ প্ৰিয়া! কাঁইটৰ
শংকা মোৰ নাই।

অৱশ্যে এই 'সাহস' সোঁতৰ বিপৰীতে যাব পৰা অথবা প্ৰতিকূল পৰিৱেশৰ বিৰুদ্ধে যুঁজ দিব পৰা সাহস নাছিল। সেইবাবে, কলঙক সাক্ষী কৰিয়ে প্ৰেয়সীৰ প্ৰতি বিদায়-বাক্য উচ্চাৰণ কৰিছে। কবিৰ মনত শংকা ওপজিছে— বিয়াৰ পাছত প্ৰেয়সীয়ে তেওঁক পাহৰি যাব। কলঙৰ পাৰত মিলন হোৱা কথাটিও পাহৰি যাব।

তুমি মোক পাহৰি পেলাবা, মোৰ দোষ, মোৰ গুণ, হায়
মোৰ ভাল পোৱা,
পাহৰিবা তুমি সখি! আজিৰ নিশাৰ স্মৃতি, পাহৰিবা
তুমি মোৰ হোৱা।

কবিয়ে আশা কৰিছে যে তেওঁৰ প্ৰেয়সীয়ে তেওঁৰ গিৰীয়েকৰ সৈতে এদিন কলঙৰ পাৰলৈ আহিব। নিশা বকুলৰ তলত বহিব। কবিৰ মনত প্ৰশ্ন উদয় হৈছে— তেতিয়া প্ৰেয়সীৰ মনত পূৰ্ব স্মৃতি জাগ্ৰত হ'বনে? কবিৰ প্ৰতি তেওঁৰ যি ভালপোৱা, সি সঁচাকৈ বিস্মৃতিৰ গৰ্ভত বিলীন হৈ যাবনে? অৱশ্যে বাস্তৱক মানি ল'বলৈ প্ৰস্তুত কবিৰ মন। কবি এই কথাটিৰ বাবে আনন্দিত যে প্ৰেয়সীৰ অন্তৰত তেৱেঁই প্ৰথমে প্ৰেম-ভাবনা জাগ্ৰত কৰিছে। কলঙৰ সান্নিধ্যই প্ৰেমিক কবিক নিষ্ঠুৰ বাস্তৱৰ মুখামুখি হ'বলৈ কেনেদৰে সাহসী কৰি তুলিছে চাওঁক—

হয়তো কোনোবা নিশা বহিবা ইয়াতে আহি, ওচৰত

ৰব প্ৰিয়জন;
বকুলৰ সুগন্ধিয়ে তেতিয়া তোমাৰ বাৰু কিবা কিবি
কৰিবনে মন?
হয়তো কবিৰ পাৰে, হয়তো নকৰে, মোৰ খেদ নাই
মোৰ অহংকাৰ
প্ৰথম জগালোঁ ময়ে তন্দ্ৰালসা গাভৰুক মনোৰমা!
হিয়াৰ তোমাৰ
(কলঙ্ পাৰত মাজ নিশা)

কবি দেৱকান্ত বৰুৱাই কলঙক এটি সজীৱ-সচেতন চৰিত্ৰ ৰূপতো তুলি ধৰিছে। কবিৰ প্ৰেম-গাঁথাৰ সাক্ষী কলং নীৰৱ নহয়।

কবিৰ প্ৰেয়সীৰ ৰূপ-মাধুৰী দেখি কলঙো অ
ধেমালিৰ তালে তালে কলঙৰ বুকুত নাচোন
আগ বাৰিষাৰ বা বিং বিং
বতাহৰ দৰে তোমাৰ হাঁহি
উলাহতে তাৰ নাচিছে
বিহ মেটেকাই

কবিৰ 'মৰুময় জীবন'ত প্ৰেয়সী আৰু
ইয়ে ৰোমাণ্টিক কবি দেৱকান্ত বৰুৱাৰ কাব্য-
কবিছে। ❑

পদ্মানদীৰ মাঝি ঃ প্ৰাসঙ্গিক পাঠ

অজিত কুমাৰ সিংহ

'পদ্মানদীৰ মাঝি' মানিক বন্দ্যোপাধ্যায়ৰ প্ৰথম উপন্যাস, যাৰ মাজত জনজীৱনৰ উপস্থিতি বিদ্যমান। বিশেষকৈ পূৰ্ব বাংলাৰ পদ্মানদীৰ পাৰত বসবাস কৰা কেতুপুৰ গাঁৱৰ মাছমৰীয়া সমাজক কেন্দ্ৰ কৰিয়েই উপন্যাসখনি ৰচিত হৈছে। এই মাছমৰীয়া সম্প্ৰদায়ৰ লোকসকল চিৰকালে দৰিদ্ৰতাগ্ৰস্ত। এওঁলোক ইমানেই দুখীয়া যে মাছ ধৰাৰ প্ৰধান সঁজুলি 'জাল' কিনিবলৈয়ো সমৰ্থ নহয়। মহাজন নতুবা অৱস্থা সম্পন্ন ব্যক্তিৰ পৰা চুক্তিৰ ভিত্তিত এওঁলোকে 'জাল' সংগ্ৰহ কৰে। কেতুপুৰত বাস কৰা সকলোৱেই মাছ নামাৰে; দুই-এজনে নাৱৰীয়া হিচাপেও জীৱিকা নিৰ্বাহ কৰে। পদ্মাত নৌকা পাৰাপাৰ কৰে। অভাৱ-অনাটন তেওঁলোক সকলোৰে নিত্য জীৱনসঙ্গী।

উপন্যাসখনিৰ কেন্দ্ৰীয় চৰিত্ৰ কুবেৰ। কুবেৰত বাদে হোসেন মিঞা, গণেশ, ৰাসু, সিধু, আলিমুদ্দিন, জহৰ, মালা, কপিলা, গোপী আৰু শ্যামা দাসৰ দৰে আৰু অনেক চৰিত্ৰ আছে। উল্লেখযোগ্য, হোসেন মিঞাৰ বাহিৰে অন্যান্য চৰিত্ৰবোৰ প্ৰায় একেটা অঞ্চলৰে বাসিন্দা। এইকাৰণেই বহু সমালোচকে আলোচ্য উপন্যাসখনক 'আঞ্চলিক উপন্যাস' বুলি স্বীকৃতি দিছে।

আঞ্চলিক উপন্যাস ঃ সাধাৰণতে আঞ্চলিক উপন্যাস বুলি ক'লে আমি বুজো কোনো অঞ্চল বিশেষৰ মানৱ জীৱনাশ্ৰয়ী এক বিশিষ্ট স্বাদৰ উপন্যাস। এনে উপন্যাসৰ প্ৰধান বৈশিষ্ট্যবোৰ হ'ল—

১। কোনো নিৰ্দিষ্ট ভৌগোলিক অঞ্চলৰ নিবিড় আৰু অখণ্ড পৰিচয় দান।

২। ভাষা, সংলাপ, স্থানীয় প্ৰৱাদ-প্ৰৱচন, আনকি উচ্চা�ৰণভঙ্গীতো যথাসম্ভৱ আঞ্চলিক বৈশিষ্ট্য ফুটাই তোলা। ইয়াৰ বাদেও, সেই অঞ্চলৰ সৰ্বাত্মক প্ৰভাৱত তাৰ মানৱ জীৱনেও বৈশিষ্ট্যপূৰ্ণ ৰূপ ধাৰণ কৰে। অৱশ্যে সাৰ্থক আঞ্চলিক উপন্যাসৰ লেখকসকলে আঞ্চলিক বৈশিষ্ট্যসমূহ ফুটাই তোলাৰ লগে লগে মানৱ মনৰ সাৰ্বজনীন আবেদনসমূহকো সন্নিৱিষ্ট কৰে।

মানিক বন্দ্যোপাধ্যায়ে 'পদ্মানদীৰ মাঝি' উপন্যাসত সমগ্ৰ পদ্মানদীৰ পাৰৰ মানুহৰ ছবি অঙ্কন কৰা নাই। কেৱলমাত্ৰ কেতুপুৰ গাঁৱৰ নিম্নবৰ্গৰ মাছমৰীয়া সম্প্ৰদায়ৰ সামগ্ৰিক ছবি এখনহে অঙ্কন কৰিছে। পদ্মা নদী আৰু পদ্মা নদীৰ বিভিন্ন খালবোৰেই এওঁলোকৰ জীৱিকাৰ প্ৰধান উৎস। এওঁলোকৰ জীৱিকা সম্পৰ্কে লেখকে কৈছে— "কেহ মাছ ধৰে, কেহ মাঝিগিৰি কৰে। ...এ গায়েৰ মানুষকে ও গাঁয়ে পৌঁছাইয়া দেয়।" কেৱল মাত্ৰ জীৱিকাৰ কথাই নহয়, এই অঞ্চলৰ উৎসৱ-পাৰ্বণ আৰু লোকশ্ৰুতিৰ যথোচিত উল্লেখ উপন্যাসখনিৰ মাজত বিদ্যমান। উদাহৰণস্বৰূপে ক'ব পাৰি,— ৰথ উপলক্ষে সোণাখালিত এখন মেলা বহে। মেলা বিশেষভাৱে এটি নিৰ্দিষ্ট অঞ্চলৰ নিৰ্বিশেষ সম্পদ। অন্যহাতেদি সোণাপুৰৰ পৰা মোহনপুৰলৈ দূৰত্ব দহ মাইল। আৰু সেইবাবে এই পথটোৰ নাম 'ছ-কোশেৰ পথ'। জনশ্ৰুতি আৰু কিংবদন্তীৰ আধাৰত 'অন্নবাবাৰ মাঠ' নামকৰণ কৰা হৈছে। এই 'মাঠ' সম্পৰ্কে ঔপন্যাসিকে আমাক জনাইছে যে ঠাইখনৰ 'অন্ন বাবাৰ মাঠ' নাম হোৱাৰ এক ইতিহাস আছে। এনে অলৌকিক মাহাত্ম্যপূৰ্ণ সন্যাসীৰ কাহিনীও স্থানীয় জন-জীৱনৰ লগত অঙ্গাঙ্গীভাৱে জড়িত হৈ আছে।

কেতুপুৰবাসী মাছমৰীয়াসকল যে অত্যন্ত দৰিদ্ৰতা-পীড়িত তাক ঔপন্যাসিকে এনেদৰে বৰ্ণনা

কৰিছে— "জেলে পাড়াৰ ঘৰে শিশুৰ ক্ৰন্দন কোনোদিন বন্ধ হয় না।....ঈশ্বৰ থাকেন ওই গ্ৰামে, ভদ্ৰপল্লীতে। এখানে তাঁহাকে খুঁজিয়া পাওয়া যাইবে না।" মাছমৰীয়া সমাজত ব্যক্তিগত ধৰ্মীয় আচৰণতকৈ দাৰিদ্ৰতাই এটা ডাঙৰ অধৰ্ম। এওঁলোক অশিক্ষিত হ'লেও এওঁলোকৰ মাজত সাম্প্ৰদায়িক সদ্ভাৱ আছিল।

উপন্যাসখনৰ দ্বিতীয় পৰিচ্ছেদত কেতুপুৰত বাদে 'চৰভাঙা', 'আমিন বাড়ি' আৰু 'আকুৰ-টুকুৰ' পৰ্যন্ত পৰিসৰৰ ব্যাপ্তি ঘটিছে। আনকি এই অঞ্চলবোৰক অতিক্ৰম কৰি উপন্যাসৰ পৰিসৰ 'ময়না দ্বীপ'ৰ ফালেও ধাবিত হৈছে। উপনিৱেশৰ প্ৰতিচ্ছবি এই ময়না দ্বীপ। এই ময়না দ্বীপেই মাছ-মৰীয়াসমাজৰ ভাগ্যনিয়ন্তা। আৰু ইয়াক কেন্দ্ৰ কৰিয়েই 'পদ্মানদীৰ মাঝি' উপন্যাসৰ পাঠ (text) ক্ষুদ্ৰ পৰিসৰ পৰিহাৰ কৰি বৃহৎ পৰিসৰৰ দিশে ধাবিত হয়। এই বাবেই উপন্যাসখনৰ স্বাদ সাৰ্বজনীন হৈ উঠিছে আৰু সাৰ্থক আঞ্চলিক উপন্যাসৰ পৰ্যায়ভুক্ত হৈছে।

ব্ৰাত্য সমাজৰ কথকতা ঃ 'পদ্মানদীৰ মাঝি' উপন্যাসত উপস্থিত আছে ব্ৰাত্য জনজীৱন। এই জনজীৱনৰ প্ৰধান তিনিটা চৰিত্ৰ হ'ল— কুবেৰ, মালা আৰু কপিলা। কুবেৰ উপন্যাসখনৰ নায়ক। কুবেৰৰ কথা-বতৰাৰ মাজত তাৰ নিজৰ পৰিচয় ফুটি উঠিছে— "গৰিবেৰ মধ্যে যে গৰিব, ছোটলোকৰে মধ্যে আৰও বেশি ছোটলোক। ....মুখ ফুটিয়া বলিবাৰ অধিকাৰ তাহাৰ নাই।"

সামাজিক, আৰ্থিক দিশৰপৰা মাছমৰীয়া সমাজ ব্ৰাত্য আৰু অপাংক্তেয়। কেৱল কুবেৰেই নহয়, গণেশ, ধনঞ্জয়, ৰাসু, যুগল আৰু পীতম সকলোৱেই পদ্মানদীৰ পাৰৰ মাছমৰীয়া গাঁৱৰ অসংস্কৃত আদিম অসহায় প্ৰাণী মাত্ৰ। এওঁলোকৰ মাজত সুস্থ সামাজিক মানুহ হিচাপে বাচি থকাৰ কোনো প্ৰয়াস দেখা নাযায়। তেনেদৰে ঔপনিৱেশিক গোষ্ঠী আৰু দেশীয় পুঁজিপতি শ্ৰেণীৰ সন্মিলিত স্থায়ী স্বাৰ্থৰ বিৰুদ্ধে সংগ্ৰাম কৰাৰ দৃপ্ত সাহসো এওঁলোকৰ নাই। কেৱলমাত্ৰ নিজৰ মাজতে পাৰস্পৰিক সংঘাতৰ ক্ষেত্ৰত বীৰত্ব বা সাহস প্ৰকাশ পায়। কিন্তু মাছমৰীয়া সমাজত অমাৰ্জিত, ৰুগ্ন পৰিৱেশৰ স্ৰষ্টা আৰু ৰক্ষকসকলৰ বিৰুদ্ধে এওঁলোকে মূৰ তুলি থিয় হ'ব নোৱাৰে।

ধৰ্ম-বৰ্ণ নিৰ্বিশেষে মাছমৰীয়াসকলৰ জীৱনযাত্ৰা একেধৰণৰ। কুবেৰ, গণেশ, আমিনুদ্দিন আৰু জহৰ দুটা সম্প্ৰদায়ৰ লোক হ'লেও, এওঁলোকৰ জীৱনচৰ্যাত কোনো পাৰ্থক্য নাই। ঔপন্যাসিকে নিজে কৈছে— "ধৰ্ম যতই পৃথক হোক দিন যাপনেৰ মধ্যে তাহাদেৰ বিশেষ কোনো পাৰ্থক্য নাই।" কুবেৰৰ স্ত্ৰী হ'ল মালা। তেওঁ পঙ্গু। পঙ্গু হ'লেও কুবেৰৰ সংসাৰত কোনো অশান্তি নাই। মালা পুৰুষতান্ত্ৰিক সমাজৰ প্ৰান্তৱৰ্ত্তী (marginalised) নাৰী। অন্যহাতে 'কপিলা' উপন্যাসখনৰ এটি আকৰ্ষণীয় চৰিত্ৰ। সম্পৰ্কৰ ফালৰ পৰা কপিলা কুবেৰৰ খুলশালীয়েক। কপিলাৰ যৌৱনে কুবেৰৰ মনত নতুন ভাবৰ সঞ্চাৰ কৰে। কপিলা সম্পৰ্কে তেওঁ কয়— "তৰ লাইগা দিবাৰাত্ৰ পৰানডা পোড়ায় কপিলা?" স্বামীৰ পৰা আঁতৰি থকা কপিলায়ো কুবেৰক লৈ নতুন সপোন দেখে।

দুয়োজনেই এদিন ময়নাদ্বীপলৈ গুচি যায়। ময়নাদ্বীপ অৰ্থ পলায়ন নহয়, নতুন জীবন আৰম্ভ কৰাহে।

উপন্যাসখনত সৰ্বহাৰাৰ জীবন কাহিনী তেওঁলোকৰ জীবন নিয়ন্ত্ৰণহীন। এই সমাজৰ বাহিৰে তিমানে মধ্যবিত্ত সমাজৰ বাস্তৱতাৰ পৰা পৃথক পৰা জানিব পাৰি— "ছেলেৰ বয়স আট-দশ বছৰ তাৰ সম্বন্ধে চিন্তা কৰা জেলে পাড়াৰ মেয়েছে মাছমৰীয়া সমাজৰ স্তৰে স্তৰে শোষণ কৰাৰ নীতি এওঁলোকৰ সমাজ-ৰীতিত মধ্যবিত্ত শ্ৰেণীৰ কোনো প্ৰচলন নাই। কুবেৰৰ মুখেৰে লেখকে আমাক "ঈশ্বৰ থাকেন ওই গ্ৰামে, ভদ্ৰপল্লীতে। এখানে পাওয়া যাইবে না।" ব্ৰাত্য সমাজত জীয়াই থকা ঈশ্বৰ। ইয়াত অন্য কোনো ঈশ্বৰ নাই।

মাছমৰীয়া সমাজৰ অন্যান্য নাৰীসকলৰ মাতৃস্নেহ স্বতন্ত্ৰ। এই স্বতন্ত্ৰ ভাবক পৰিষ্কাৰকৈ ঔপন্যাসিকে এই সমাজৰ অন্যান্য নাৰীৰ মাতৃ এনেভাবে দিছে— "ছেলে মৰিয়া গেলেও শোক শুধু সুৰ কৰিয়া মড়া-কান্না কাঁদে।" ইমান নিৰ্মম উপন্যাসৰ জগতত আৰু আছে নে নাই সন্দে বাহিৰেও উপন্যাসখনিত দৰিদ্ৰ ধীৱৰ সম্প্ৰদায় প্ৰণালী, পৰিৱেশ, শোষণ, নিষ্ফল সংগ্ৰামৰ অসহায় আছে।

হোসেন মিঞা চৰিত্ৰটি যিমান বাস্তৱ ৰূপকধৰ্মী— হোসেন মিঞা চৰিত্ৰটিৰ মাজেদি আদৰ্শ, স্বপ্ন, আকাঙ্ক্ষা আৰু প্ৰতীক ব্যৱহাৰ কৰিছে জটিল আৰু ৰহস্যময়। পাপ-পুণ্য, ভাল-বেয়া, চয়তানিত তেওঁ অদ্ভুতভাৱে জীৱন্ত। হোসেন মিঞা শোষণৰ প্ৰতিভূ। অথচ তেওঁ দৰিদ্ৰ মাছমৰীয়াসকলৰ বিচাৰে। এই দুতৰপীয়া সত্তাৰে হোসেন মিঞা তাৰ পৰিচয় লেখকে এনেভাৱে দিছে— "বড় হোসেনেৰ। লালচে বঙেৰ দাড়িৰ ফাঁকে সবসময়ই হাসে। ....ধনী-দৰিদ্ৰ, ভদ্ৰ অভদ্ৰেৰ পাৰ্থক্য সকলেৰ সঙ্গে তাহাৰ সমান মৃদু ও মিঠা কথা।" হৈ থাকে। স্বপ্নই তাক আমনি কৰে। কেৱল তাকে প্ৰান্তৱৰ্তী মাছমৰীয়াসকলকো আমনি কৰে— স্বপ্নৰ লগত নিয়তিৰ ৰহস্যময়তা হোসেনৰ চৰিত্ৰ মিহলি হৈ গৈছে। হোসেন মিঞাৰ মনত স্বপ্নৰ অথাৎ আছে। এই ৰূপকৰ ময়নাদ্বীপত সি মুক্তিৰ পথ অথচ এই ৰূপকৰ মাজত মুক্তি বীভৎস আৰু ইয়াতেই উপন্যাসখনৰ বাস্তৱতা।

হোসেন মিঞাই পকা চুলিত কলপ সানে, ৰঙ লগায়, কপাহত আতৰ সানি কাণত গুজি যেতিয়া কেতুপুৰলৈ আহিছিল তেতিয়া এখন

আহিছিল, মূৰত আছিল একোছা ৰুক্ষ চুলি আৰু ছাল খৰখৰীয়া। নিত্য-নতুন উপায়েৰে সি অর্থ উপাজন কৰে। এই অর্থ উপার্জনৰ ৰহস্যময়তা তাৰ চৰিত্ৰৰ সৈতে একে হৈ পৰিছে। সি নদীপৰীয়া লোকসকলৰ প্ৰভু হৈ থাকিব বিচাৰে। লেখকে উল্লেখ কৰিছে— "সকলে চাৰিদিকে ঘেৰিয়া বসিলে তাৰ মুখ আনন্দে উজ্জ্বল হইয়া উঠে।" কেতুপুৰৰ সকলোৱে জানে, হোসেন মিঞাই তাৰ গভীৰ আৰু দুর্জ্ঞেয় মতলব হাচিল কৰিবৰ বাবেই গৃহস্থীঘৰৰ ভিতৰত মাড্ডা দিয়েগৈ আৰু হাঁহি মুখে কথা কয়। তাৰ বিৰুদ্ধে কোনেও কথা কোৱাৰ সাহস নেপায়।

ৰূপকাশ্ৰয়ী হোসেন মিঞাই ব্যৱহাৰৰ অনুপযোগী এটি দীপত মানুহ বহুৱাই জমিদাৰী পত্তন কৰিব বিচাৰে। ইয়াৰ বাবে দীপৰীয়া অসহায় মানুহবিলাকক সকলোধৰণে সহায় কৰে। তাৰ বাই ময়নাদ্বীপৰ স্বপ্নক সার্থক কৰাৰ বাবে পৰিশ্ৰমো কৰে। টকা খৰচ কৰিবলৈয়ো সংকোচবোধ নকৰে। আমিনুদ্দিনে পৰিশোধ কৰিব নোৱাৰা ঋণ সি বেহাই দিয়ে। ৰসুলক জেলৰ পৰা উলিয়াই আনে ময়নাদ্বীপলৈ পঠিওৱাৰ উদ্দেশ্যেৰে। ময়নাদ্বীপৰ সপোনক বাস্তৱত পায়িত কৰিবৰ বাবে অসম্ভৱ কার্যকো সি সম্ভৱ কৰি তোলে। বেৰৰ এটি সংলাপত ইয়াৰ প্ৰমাণ আছে— "হোসেন মিঞা দ্বীপে মামাৰে নিবই কপিলা। একবাৰ জেল খাইটা পাৰ পামুলা। কিৰা বাৰ জেল খাটাইব।" হোসেন মিঞা শত্ৰুৰ প্ৰতি অতি ভয়ঙ্কৰ, র্মম আৰু শাস্তিদাতা অথচ যিসকলে তাৰ কথা শুনে, তেওঁলোকৰ বে ত্ৰাণকর্তা। সি দক্ষ নাবিক। মাছমৰাৰ পৰা আৰম্ভ কৰি আফিঙৰ ৰসায় পর্যন্ত সি কৰিছে। অর্থ উপার্জনৰ ক্ষেত্ৰত তাৰ যিদৰে তিবোধ লেশমাত্ৰও নাই, সেইদৰে সপোনৰ দ্বীপৰ মাজতো কোনো শুদ্ধতা নাই। দুখীয়া মাছমৰীয়া আৰু নাৱৰীয়াসকলে তাক ভয় ৰু ভক্তি দুয়োটাকে কৰে।

হোসেন মিঞা ব্ৰাত্য জীৱনৰ চৰিত্ৰ নহয়, মধ্যবিত্ত সমাজৰ তিনিধি। সি Implied readerৰ প্ৰতিনিধি হিচাপে উপন্যাসত পস্থিত। সি ময়নাদ্বীপত আন এক সমাজ ব্যৱস্থা গঢ়িব খোজে, ত হিন্দু-মুছলমানতকৈ মানৱতা শ্ৰেষ্ঠ। প্ৰত্যেক মানুহৰ মাজতে োসেন মিঞাৰ দৰে এটি ৰহস্যময় সত্তা আছে। আৰু এই ৰহস্যময় ত্তাই মানুহক আগু�ৰাই নিয়ে। তাৰ স্বপ্নৰ ময়নাদ্বীপ হ'ল এটা ভাৱনাৰ বিষয়। য'ত জীৱনক নতুনভাৱে গঢ়া যায়, সিয়ে ময়নাদ্বীপ। পিলা আৰু কুবেৰে হোসেন মিঞাৰ লগত সম্ভাৱনাৰ দিশতে াগুৰাই যায়। এই চৰিত্ৰটিৰ বাবেই উপন্যাসখন জটিল হৈ পৰিছে। কৃততে ৰূপকৰ মাজেদিয়ে বাস্তৱলৈ যাবলগীয়া হয়। যিয়েই ৰূপক য়েই বাস্তৱ, আকৌ যিয়ে বাস্তৱ সিয়ে ৰূপক। অর্থাৎ Presentation is reality.

হোসেন মিঞাৰ উদাৰতা, অসাম্প্ৰদায়িকতা, নিপীড়িত ণীৰ মানুহৰ প্ৰতি দৰদ আদি অপূর্বতাৰ নিদর্শন হ'ব পাৰে। সেই য়ৰ পূর্ববাংলাৰ গ্ৰামীণ সমাজৰ পৰিপ্ৰেক্ষিতত, এনেধৰণৰ চৰিত্ৰৰ ৰিভাৱ কেৱল কল্পনা নহয়, অলীকো। উপন্যাসখনৰ মাজত ৱতা আৰু অবাস্তৱতাৰ এক অদ্ভুত মিশ্ৰণ দেখা যায়। এইবাবেই হোসেন মিঞা চৰিত্ৰটি যিমানদূৰ বাস্তৱ তাতকৈ বেছি ৰূপকধর্মী যেন ধাৰণা হয়।

'পদ্মানদীৰ মাঝি' উপন্যাসৰ গৌণ চৰিত্ৰ ঃ এই উপন্যাসৰ কুবেৰ, মালা, কপিলা আৰু হোসেন মিঞাক বাদ দি অন্যান্য সকলোৱেই গৌণ চৰিত্ৰ। এই গৌণ চৰিত্ৰবোৰ হ'ল— গণেশ, ৰাসু, পীতম, ধনঞ্জয়, সিধু, যুগী, উলুপী ইত্যাদি। চৰিত্ৰবিলাক একধাৰে ব্যক্তিপৰিচয় আৰু শ্ৰেণীপৰিচয় বিশিষ্ট। আকৌ সিহঁত তেজ-মঙহৰ মানুহ, ঔপন্যাসিকৰ শৈল্প-নৈপুণ্যত উজ্বল। এই চৰিত্ৰসমূহৰ বিষয়ে সমালোচক ৰেখা চক্ৰৱর্তীয়ে কৈছে— "পদ্মানদীয় মাঝিৰ চৰিত্ৰগুলি একৰঙা নয়, ভাল মন্দে মিশ্ৰিত। তাৰা আদিম, কামনা-জর্জৰ; ক্ষুৎপীড়িত অথচ শ্ৰমদক্ষ।"

গৌণ চৰিত্ৰসমূহৰ মাজত গণেশ অন্যতম। যি কুবেৰৰ সহচৰ আৰু অন্তৰঙ্গ বন্ধু। জীৱনৰ সৰু-বৰ সকলো ক্ষেত্ৰতে যি কুবেৰৰ পৰামর্শ লয়। অন্যহাতে কুবেৰ আৰু গণেশে যিখন নাৱেৰে মাছ মাৰে সেই নাৱৰ মালিক ধনঞ্জয়। ধনঞ্জয়ে গণেশক নাৱৰ নাৱৰীয়া হ'বলৈ কয়। কিয়নো, কুবেৰক সি পছন্দ নকৰে। গণেশ নির্বোধ। সেয়ে ধনঞ্জয়ৰ অসৎ মনৰ কথা বুজিব নোৱাৰে। তথাপি হোসেন মিঞাৰ নাৱত কাম কৰাৰ পাছত সি বহুত চালাক-চতুৰ হৈ পৰে। তাৰ সাংসাৰিক বুদ্ধিৰ অভাৱ থাকিলেও পাৰিবাৰিক ক্ষেত্ৰত স্নেহ-মমতা আছে। হোসেন মিঞাৰ পৰা টকা পাই পত্নীক ৰূপৰ হাৰ দিয়াৰ কথা ভাবে। কুবেৰে কোনো কথাত খং কৰিলে, গণেশে সেই খং আঁতৰোৱাৰ বাবে অস্থিৰ হৈ উঠে। গণেশ সাধাৰণ গ্ৰাম্য দৰিদ্ৰ অশিক্ষিত মানুহৰ সার্থক প্ৰতিনিধি।

অন্য এটি উল্লেখযোগ্য গৌণ চৰিত্ৰ হ'ল ৰাসু। পদ্মানদীৰ বুকুত এখন নাৱত ৰাসুৰ লগত পাঠক সমাজৰ পৰিচয়। সি হোসেন মিঞাৰ ময়নাদ্বীপত থাকিবৰ বাবে গৈছিল। তাত স্ত্ৰী-পুত্ৰসকলক হেৰুৱাই শেষত পলাই আহে। ময়নাদ্বীপৰ পৰা অহাৰ পাছত কুবেৰৰ ছোৱালীয়ে 'গোপী'ক বিয়া কৰিব বিচাৰে। কিন্তু ঘটনাচক্ৰত গোপী খোৱা হৈ যোৱাৰ বাবে ৰাসুৱে এই বিয়াৰ মনোভাৱ সলায়। ইয়াৰ পাছত হোসেনৰ প্ৰচেষ্টাত বঙ্কুৰ লগত গোপীৰ বিয়া হয়। এই বিয়াত ৰাসুৱে অপমানিত বোধ কৰি কুবেৰক গালি-শপনি পাৰে। ৰাসু বিত্তহীন, দুর্বলচিত্ত, ভীৰু অথচ সন্দিগ্ধ সাধাৰণ মানুহৰ প্ৰতীক। সি প্ৰকৃত অর্থত সর্বহাৰা সমাজৰ প্ৰতিনিধি।

ধনঞ্জয় কেতুপুৰবাসী মাছমৰীয়া সমাজৰ মাজত কিছু ধনী লোক। সি গণেশ আৰু কুবেৰৰ লগত মাছ ধৰিছিল। মাছ ধৰাৰ জাল আৰু নাও তাৰ নিজস্ব সম্পত্তি। প্ৰতিনিশা যিমান মাছ ধৰা হয়, তাৰ আধাখিনি ধনঞ্জয়ৰ আৰু বাকীখিনি কুবেৰ আৰু গণেশৰ। এই দুজনৰ তুলনাত ধনঞ্জয় ধনী বাবেই অধিক প্ৰতিপত্তিশালীও। সি পৰিশ্ৰম নকৰে, কেৱলমাত্ৰ নাৱৰ গুৰি বঠা ধৰি বহি থাকে। সেয়ে সি পৰিশ্ৰমৰ মূল্যও বুজি নাপায়। দুখীয়া আৰু অসহায়জনক বঞ্চিত আৰু শোষণ কৰা যে ধনীৰ ধর্ম, ক্ষুদ্ৰ পৰিসৰৰ মাজেদি ধনঞ্জৰ মাজেদি সেয়া প্ৰতিফলিত হৈছে।

পীতম মাঝি ৰাসুৰ মোমায়েক। বৃদ্ধপ্ৰায় পঙ্গু এই মানুহটো

অত্যন্ত ধূর্ত। সি নিজৰ ধন-সম্পত্তি সযত্নে ৰক্ষা কৰে। ৰাসুক তেওঁ অত্যন্ত ভাল পায়। ৰাসুয়ে যেতিয়া উপায়বিহীন হৈ ময়নাদ্বীপলৈ গৈ সর্বস্বহাৰা হৈ উভতি আহে, তেতিয়া পীতম মাঝিয়ে দুখ প্রকাশ কৰে। কিন্তু পীতমে কোনো দিনে ৰাসুৰ প্রতি সহায়ৰ হাত আগবঢ়োৱা নাছিল। পীতমৰ ছোৱালী যুগীয়ে মাছমৰীয়া গাঁৱত এটি ঘৰ বান্ধি মহৰী শীতল ঘোষৰ লগত একেলগে থাকে। যুগীৰ এই অসামাজিক জীৱন-যাপনৰ বাবে পীতমে অনেকৰ পৰা ব্যঙ্গ-বিদ্রুপ শুনিব লগা হয়। এই কথাই তাক অস্বস্তিত পেলাইছে। এফালে কন্যাৰ প্রতি থকা স্নেহ আৰু অন্যহাতেদি লজ্জা— এই দুয়োটা অভিব্যক্তিয়েই তাৰ মাজেদি প্রকাশ হৈছে।

সিধু কুবেৰৰ প্রতিবেশী। সি আছিল অত্যন্ত স্বার্থপৰ আৰু ধূর্ত প্রকৃতিৰ মানুহ। ৰথৰ মেলাত গোটেইদিন ঘুৰা-ফুৰা কৰি তিনিটা দাগ লগা আম, এটা কঁঠাল, তিনি সেৰ চাউল, খাহীৰ এটি মূৰ এটা সংগ্রহ কৰিছিল। কিন্তু 'খাচিৰ মাথা'ৰে ব্যঞ্জন ৰান্ধিবৰ বাবে থাকিব লগা উপকৰণ তাৰদৰে দুখীয়াৰ ঘৰত নাথাকে। সেয়ে যি ছলনাৰ আশ্রয় লয়। কুবেৰক ব্যঞ্জন দিয়াৰ প্রতিশ্রুতি দি তেল-মছলা আদি নিয়েহি। অথচ কুবেৰৰ ছোৱালী গোপীয়ে ব্যঞ্জন আনিবলৈ গ'লে— সি মেকুৰিয়ে খাই পেলালে বুলি কয়। দুখীয়া মানুহৰ জীৱনত মিথ্যাছাৰ যে দৈনন্দিন জীৱনৰ অঙ্গ হয়, তাৰেই প্রতীকী প্রকাশ ঘটিছে এই চৰিত্রটিৰ জৰিয়তে।

গণেশৰ পত্নী উলুপী অত্যন্ত সাধাৰণ নাৰী জৰিয়তে গভীৰ মানবতাবোধ প্রকাশিত হৈছে। প্রচণ্ড ধুমুহা বতাহজাকে ঘৰ-বাৰি ভাঙি চুৰমাৰ কৰে নাৰীৰ দৰে তাই পদ্মাৰ পাৰত স্বামী অহালৈ অপেক্ষা ভাতৃ বোৱাৰী গোপীৰ ভৰি ভগাৰ বাবে তাইৰ প্রতি সহমর্মিতা দেখুৱায়। কিন্তু কুবেৰে যেতিয়া তাইক তেতিয়া উলুপীয়ে গোপীক লৈ ব্যঙ্গ কৰি কথা কয় দেখা যায় যে, আমিনুদ্দিনে ময়নাদ্বীপলৈ যোৱাৰ মাতৃহাৰা কন্যাই কান্দা দেখি উলুপীৰ মন কান্দে সেইসময়ত উলুপীৰ হাতত পানী-ভর্তি কলহ আছিল সংস্কাৰৰ উর্ধলৈ গৈ উলুপীয়ে সন্তানটিক সাৰটি ধৰে যে হৃদয়বৃত্তি ডাঙৰ, সেই কথা উলুপীৰ এই আচৰণ

এই চৰিত্রবিলাকৰ বাহিৰেও 'পদ্মানদীৰ মাঝি অন্যান্য অনেক গৌণ চৰিত্র আছে। এইবিলাক চৰিত্র বন্দোপাধ্যায়ে সার্থকভাবে উপন্যাসখনত অঙ্কন কৰিছে ব্যর্থও হৈছে। তৎসত্বেও এই কথা ক'ব পাৰি— ঔপন্যাসিক বন্দোপাধ্যায় বাংলা সাহিত্য ক্ষেত্রত বর্ণনা ৰীতি, চৰিত্র অঙ্কনৰ ক্ষেত্রত এক নতুন ধাৰাৰ প্রবর্তন কৰে।

লোকগীতৰ কাব্যিক সৌন্দৰ্য ঃ এটি বিশ্লেষণ

অজিত ভৰালী

গীত বুলি ক'লেই সুৰ আৰু তালৰ কথা আহি পৰে। কবিতা গীত নহয় আৰু গীতো কবিতা নহয়। গীত কিন্তু কবিতাধর্মী। কবিতাত গীতৰ গুণ-ৰূপ থাকক নেথাকক গীতত কিন্তু কবিতাৰ গুণ-ৰূপ থাকে। গতিকে গীতৰ কাব্যিক সৌন্দর্যৰ কথাও আছে।[১]

লোকগীত যিহেতু লোকমনৰ স্বতঃস্ফূর্ত প্রকাশ গতিকে কাব্যিক সৌন্দর্যৰ ওপৰত মুখ্যতঃ গুৰুত্ব নিদিলেও স্বভাৱসুলভভাৱে ইয়াৰ সৌন্দর্য প্রকাশিত হয়। কবিতাৰ কাব্যিক সৌন্দর্য নিৰূপণত যিবিলাক দিশৰ ওপৰত গুৰুত্ব দিয়া হয়, লোকগীতৰ কাব্যিক সৌন্দর্য নিৰূপণৰ ক্ষেত্রত সেই সকলোবিলাকৰ ওপৰত গুৰুত্ব দি আলোচনা কৰা সম্ভৱ নহয়। এই ক্ষেত্রত ধীৰেণ দাসে উল্লেখ কৰা কথাখিনি গুৰুত্বপূর্ণ— লোকগীত সুদক্ষ কবি-সাহিত্যিকৰ সূক্ষ্ম বিচাৰ-বুদ্ধিৰে কাব্য-কবিতাৰ সর্ব গুণান্বিত কৰি নাইবা কাব্য-কবিতাৰ তুলাচনীৰে উপযুক্তভাৱে জুখি-মাখি সৃষ্টি কৰা পূৰঠ আৰু পক্ক কাব্য-কবিতা নহয়। গতিকে সুদক্ষ কবিৰ কাব্য-কবিতাৰ নিচিনাকৈ চোকা সমালোচকৰ তীক্ষ্ম দৃষ্টি-ভঙ্গীৰে লোকগীতৰ কাব্যিক সৌন্দর্য বিচাৰ কৰা নেযাব।[২]

লোকগীতৰ কাব্যিক সৌন্দর্যৰ বিচাৰ কৰোঁতে আমি প্রধানকৈ ইয়াৰ বিষয়বস্তু, প্রকাশভঙ্গী আৰু ৰস-অলঙ্কাৰ-ছন্দৰ বিষয়ে আলোচনা কৰিব লাগিব।

লোকগীতৰ বিষয়-বস্তু

লোকগীতৰ বিষয়-বস্তু বিচিত্র। লোকগীতত বিভিন্ন ঋতুৰ বর্ণনা, প্রকৃতিৰ শোভা, নাৰী-পুৰুষৰ প্রেম-প্রীতি, জীৱ-জগতৰ বিচিত্র আখ্যান, প্রাকৃতিক শুভ-অশুভ শক্তিৰ স্তুতি, প্রকৃতি আৰু মানৱ জীৱনৰ মাজত ঘনিষ্ঠ সম্পর্ক, শিশু মনক তৃপ্তি দিব পৰা বিচিত্র কল্পলোকৰ সৃষ্টি দেখা যায়।

লোকগীতৰ বিষয়-বস্তুলৈ চালেও দেখা যায় দৈনন্দিন জীৱনৰ বিবিধ দিশ যেনে— সামাজিক উৎসৱ অনুষ্ঠান, ঋতু উৎসৱ, শ্রম, ভক্তি, খেল-ধেমালি আদিৰ লগত জড়িত নানা দিশ প্রকাশিত হৈছে। কৃষকসকলৰ দৈনন্দিন জীৱন-যাত্রা, ৰুচি-অভিৰুচি, আশা-আকাংক্ষা, প্রেম-বিৰহ, হা-হুতাহ, ৰীতি-নীতি ইত্যাদি বিভিন্ন দিশ লোকগীত বিলাকে সামৰি লৈছে। ব্যক্তি আৰু সমাজ-জীৱনত কি পালে-কি নাপালে তাৰ খতিয়ান, কেনেকৈ সংসাৰৰ জা-জঞ্জাল মাৰি চলিব লাগে, তাৰ বিষয়েও ইঙ্গিত আছে। লোকগীতৰ জৰিয়তে সহজ-সৰল লোকসকলৰ মনত থকা ধর্মীয় ভাৱনা, ভয়-শঙ্কা, উত্তেজনা, জীৱন-সংগ্রামো মূর্ত্ত হৈ উঠিছে। প্রেম, পৰকীয়া প্রেম আদিক মূল বিষয়বস্তু হিচাপে লৈয়ো একাধিক লোকগীত ৰচিত হৈছে। আহোম ৰাজত্ব কালৰ বিভিন্ন দিশৰ বর্ণনা, প্রকৃতিৰ চিত্রণ আদিও লোকগীতৰ বিষয়-বস্তুৰ অন্তর্গত। সামাজিক, অর্থনৈতিক, ৰাজনৈতিক ইত্যাদি দিশৰ বর্ণনা কৰিবলৈয়ো লোক-কবিসকলে পাহৰা নাই। প্রায়বিলাক লোকগীততে একাধিক দিশৰ আভাস পোৱা যায়। উদাহৰণ স্বৰূপে তলত উদ্ধৃত লখিমী সবাহৰ গীতটিত প্রকৃতিৰ বর্ণনা আৰু শস্যৰ দেৱী লখিমী আইৰ স্তুতিও প্রকাশিত হৈছে—

গছে সৰু সৰু পাতে ভিৰে খালে
মাণিকী মধুৰী লাগে।
লোকৰে দেশলৈ নেযাবা লক্ষ্মী আই

ভঁৰালটি ভৰিব লাগে।

লোক-কবিসকলে বিবিধ দিশৰ বর্ণনা দিবলৈ সৃষ্টি কৰা লোকগীতবিলাকৰ বিষয়-বস্তুৰ দিশতো কাব্যিক সৌন্দর্য প্রতিফলিত হৈছে। লোকগীতৰ নান্দনিক দিশটোৰ পৰিপুষ্টি সাধনত প্রকৃতিয়ে বিশেষ ভূমিকা গ্রহণ কৰিছে। মানুহ আৰু প্রকৃতিৰ নিবিড় সম্পর্ক প্রকাশ কৰিবলৈ গৈ কেতিয়াবা প্রকৃতিক পটভূমি ৰূপে, কেতিয়াবা মানৰ অন্তৰৰ ভাবানুভূতিৰ প্রকাশৰ মাধ্যম স্বৰূপে আৰু কেতিয়াবা মানৰ প্রাণৰ আত্মীয় ৰূপে চিত্রিত কৰিছে। উদাহৰণ স্বৰূপে "আহোঁ বড়ৰ তলে/ যাও বড়ৰ তলে/ বড়ৰে ঢপলা পাত/ বড়ৰে তলতে/জোকাই মোক নলবি/ ওলাব কেতেৰা মাত' গীত ফাকিত প্রকৃতিক পটভূমি ৰূপে লৈ মনৰ ভাব প্রকাশ কৰিছে। 'জোনে দি ওমলাম/ তোকে হেৰ' নাচনী/ তৰা দি ওমলাম তোক' এই গীত ফাকিত প্রকৃতিক মানৰ অন্তৰৰ ভাবানুভূতিৰ প্রকাশৰ মাধ্যম ৰূপে বর্ণনা কৰিছে। 'ৰৈ ৰৈ কান্দিলে/ চুঙাৰে বাদুলি/ ৰৈ ৰৈ কান্দিলে জিলী/ ৰৈ ৰৈ কান্দিলে/ আমাৰে মইনা/ টোপনি ধৰিছে বুলি' এই নিচুকনি গীতটিত প্রকৃতি (চুঙাৰ বাদুলি) মানৰ অন্তৰৰ ভাবানুভূতি প্রকাশৰ মাধ্যম ৰূপে চিত্রিত হৈছে। বাদুলিৰ কান্দোনৰ লগত মইনাৰ কান্দোনৰ সাদৃশ্যও মাতৃয়ে বিচাৰি পাইছে।

লোক-কবিসকলে প্রেমক বিষয়-বস্তু হিচাপে লৈ ৰচনা কৰা গীতসমূহত অনুৰাগ, সম্ভোগ, বিৰহ, ভেদ, প্রণয় আদি দিশ অভিনৱ ৰূপত প্রকাশিত হৈছে। লোক-কবিসকলে প্রেমৰ বিবিধ চিত্র অঙ্কন কৰিবলৈ যাওঁতে নান্দনিক সৌন্দর্যৰ প্রতিও সততে চকু দিয়া দেখা যায়। বিহুগীত, বনগীত আদি ইয়াৰ উজ্জ্বল উদাহৰণ। এইবোৰ গীতত অনুকূল প্রাকৃতিক পৰিৱেশৰ মাজত, চহা জীৱনৰ মুকলিমুৰীয়া পটভূমিত ডেকা-গাভৰুৰ অন্তৰত জাগি উঠা পাৰস্পৰিক অনুৰাগ আৰু মিলন-বাসনাৰ অকৃত্রিম প্রকাশ দেখা যায়। প্রেমৰ আনন্দ বা ইন্দ্রিয়াতীত সৌন্দর্যৰ আকুতি এনেবিলাক গীতৰ বিষয় নহয়, বৰং দেহা গৰকা প্রেমৰ যন্ত্রণাত ছাটিফুটি কৰা ডেকা-গাভৰুৰ অন্তৰৰ আকুতি আৰু কেতিয়াবা আর্থ-সামাজিক বাধাই সৃষ্টি কৰা হতাশা আৰু বিৰহ-বেথাই এনে গীতক মর্মস্পর্শী কৰি তোলে—

জপা গৰকিলে জপাৰে বৰ কাপোৰ
দেহা গৰকিলে প্রেমে
সেই প্রেমৰ জালে দেহা লালে-কালে
মাৰিও নিনিয়ে যমে।।

এই দেহা লাল-কাল কৰা আকুতিৰ লগতে মাজে মাজে বিহ্বলতী গাভৰুৰ মনত হতাশাৰ চেকাও পৰা দেখা যায়।[৩] অন্য এটি উদাহৰণত ইঙ্গিতাত্মক ৰূপত প্রেম আৰু সামাজিক বাধা-নিষেধৰ সম্পর্কে এনেদৰে আছে—

আঠিয়া কলৰে পাতে নাকাটিবা
চিটিকি পৰিব এঠা,
শতৰুক দেখুৱাই কেটেৰাই মাতিবা
ভিতৰি নেৰিবা বেথা।

এই গীতটিত আঠিয়া কলৰ পাত কটাৰ [illegible] এঠাৰ যি সম্পর্ক আছে সেই সম্পর্ক ডেকা-গাভৰুৰ লগত থকা সম্পর্ক আৰু সমাজলৈ কৰা ভয়ৰ [illegible] কৰা হৈছে। বিবাহৰ পূর্বে হোৱা মিলনৰ চেকা [illegible] কলঙ্ক) ভয়ৰ কথা ক'ব বিচাৰিছে চিটিকি পৰিব [illegible]

বিৰহৰ ভাব প্রকাশিত তলৰ গীত [illegible] পথাৰৰ ধান দাবলৈ নোপোৱা দুখৰ কথা কৈ [illegible] হাঁচটিত লৈ যোৱা বাঙলী মদাৰত বগোৱা পাণ [illegible] অর্থাৎ প্রেমিকক লগ নোপোৱা কথাটিহে ক'ব [illegible]

হাত মেলি মেলি দাবলৈ [illegible]
পথাৰৰ মাগুৰি ধান;
হাঁচটি ভৰাই দিবলৈ [illegible]
বাঙলী মদাৰৰ পাণ।

সৰু বিষয়-বস্তু একোটাকো ভাবোপযোগী [illegible] প্রয়োগে কিদৰে অর্থবহ কবি তুলিছে সেয়া এই [illegible] প্রতিফলিত হৈছে—

হাঁহে হৈ পৰিমগৈ তোমাৰে [illegible]
পাৰ হৈ পৰিমগৈ চালত।
ঘামে হৈ সোমামগৈ তোমাৰে [illegible]
মাখি হৈ চুমা দিম গালত।।

কবি কালিদাসৰ দৰে লোক কবিসকলেও [illegible] চেতন-অচেতনৰ ভেদ পাহৰি জড়-চেতনক একাকাৰ [illegible] যায়।

টোকাৰী গীত, দেহ-বিচাৰ গীত, দিহা নাম [illegible] দেহা তথা বিশ্বপ্রকৃতিৰ মাজেদি গুপুত আধ্যাত্মিক [illegible] হয়। এনে গীতত থকা প্রাকৃতিক দৃশ্য বা ঘটনাৰ [illegible] এক আধ্যাত্মিক তত্ত্বৰ ইঙ্গিত থাকে। ধর্মীয় তত্ত্বৰ [illegible] প্রকৃতিক দাঙি ধৰা দেখা যায়। উদাহৰণ স্বৰূপে—

আৰু এটা নদী আছে তলে বেন্ত বাই।
সেই নদীক চিনিলে গুৰুক চিনা যায়।।
আৰু এটা নদী আছে বয় তীক্ষ্ণ ধাৰে।
কাল-বিলাক দুই পক্ষী ইপাৰে সিপাৰে।।

ইয়াত উল্লেখ কৰা নদীখন সাধাৰণ নদী [illegible] আৰু কাল-বিকাল পক্ষীও জীৱাত্মা আৰু পৰমাত্মাৰে

লোকগীতৰ প্রকাশভঙ্গী

আক্ষৰিক অর্থত ই কোনো ভাব বা বিষয় [illegible] পোনপটীয়া বা আওপকীয়া প্রণালীক বুজায়। লঙ [illegible] প্রকাশভংগীক 'ভাবৰ পোছাক' (Expression is [illegible] of thought) বুলিছিল। অর্থাৎ ভাব নিজে [illegible] নহওক কিয়, তাক সুন্দৰকৈ নসজালে সি সর্বজন- [illegible] নোৱাৰে।

লোকগীতৰ প্রকাশভঙ্গীলৈ চালে দেখা যায় [illegible] কিছুমান সৰল আৰু পোনপটীয়া, কিছুমান আও [illegible] কিছুমান ব্যঙ্গাত্মক, কিছুমান হাস্যৰসাত্মক আৰু কিছু

লোকগীতৰ বিষয়-বস্তু অনুযায়ী প্ৰকাশভঙ্গী সুকীয়া হোৱাও দেখা যায়।

আইনাম, ভেকুলী বিয়াৰ নাম, লখিমী সবাহৰ নাম, ধাইনাম, বিয়ানাম, বিহুনাম আদিত প্ৰায়ে লোক-কবিসকলে সৰল বা পোনপটীয়া বক্তব্য বিষয় প্ৰকাশ কৰা দেখা যায়। উদাহৰণ স্বৰূপে—

আসনৰ আগতে গুৱা কাটি থৈছোঁ
ওলাওতে সোমাওতে খাবা;
আগত পাৰে ধুবা আসনত বহিবা
ছটিয়াই জুৰণি দিবা।

এই আইনাম ফাকিত নামতিয়ে বসন্ত ৰোগৰ অধিষ্ঠাত্ৰী দেৱী আইক সন্তুষ্ট কৰিবৰ কাৰণে কৰা সৰল কাকুতি-মিনতিৰ ছবি এখন পোনপটীয়াকৈ প্ৰকাশিত হৈছে।

ভেকুলী বিয়াৰ নামতো আয়তীসকলৰ সৰল মনৰ মুকলি প্ৰকাশ ঘটিছে। যেনে — 'খহুলি ভেকুলীৰ বিয়া এ/ ৰাইজে পানী তুলি দিয়া এ/ চুকৰে ভেকুলী মাটি-কলী ফাপৰি/ নেমাতি কেনেকৈ থাকোঁ।'

বিহুনামবোৰত প্ৰেমৰ যি ৰূপ আঁকা হৈছে, সি পোনপটীয়া, স্বাভাৱিক আৰু সহজ। উদাহৰণ স্বৰূপে—

ল'ৰৰ মনে গ'লে ৰেচমৰ কাপোৰ ঐ
হাতৰে নহলো কাজী।
যাবৰ মন গ'ল সোণামুৰা ডেকালৈ
কপালত নাহিলো সাধি।।

অন্যহাতেদি পৰকীয়া প্ৰেম আৰু মিলনৰ ইঙ্গিত থকা বিহুনামসমূহ প্ৰায়ে ইঙ্গিতাত্মক। উদাহৰণ স্বৰূপে— 'কুকুৰা কুকুৰা সজাতি কুকুৰা/ ভুকুৰাই মাৰিম তোক/ ৰাতি নৌ পুৰাওঁতে কিয় ডাকে দিলি/ চেনাই এৰি গ'লে মোক।' এই গীতটিত মিলনৰ উদগ্ৰ বাসনা সুন্দৰ ৰূপত প্ৰতিফলিত হৈছে।

শব্দৰ ব্যঞ্জনাধৰ্মী প্ৰয়োগে লোকগীতৰ প্ৰকাশভঙ্গী আকৰ্ষণীয় কৰি তোলে। লোক-কবিসকল আওপকীয়াকৈ মনৰ ভাব প্ৰকাশত সিদ্ধহস্ত। বহুক্ষেত্ৰত একোটা ব্যঞ্জনাধৰ্মী শব্দৰ জৰিয়তে একোটা সুন্দৰ চিত্ৰ দাঙি ধৰে। উদাহৰণ স্বৰূপে—

আগলি বাঁহৰে লাহৰী গগনা
বহি তাঁতৰ পাতত বাওঁ
আহে কি নাহে মোৰ ধন চেনাই ঐ
চিৰিপাটি মণ্ডলখন চাওঁ

ইয়াত বিহুতলীলৈ যোৱাৰ অনুষঙ্গ আছে। তাঁতৰ পাতত বহিও গাভৰুৱে চিৰিপাটি মণ্ডল চাইছে, চেনাই বিহুতলীললৈ যাহিবনে নাহে সেই বিষয়ে। এই ব্যঞ্জনাটোৰ নান্দনিকতা হ'ল কাব্যিক। ইয়াত ভাব আৰু চিত্ৰ এক হৈ আছে।

অন্য এটি বিহুনামত গাভৰু প্ৰেয়সীক বুজাবৰ বাবে 'যৌৱন ফুল' এই ব্যঞ্জনাটোৰ প্ৰয়োগ কৰিছে এনেদৰে—

সেউতী ফুলিলে মালতী ফুলিলে
ফুলিলে খৰিকাজাঁই
ধনৰে বাৰীতে যৌৱন ফুল ফুলিলে
আমনি নেলাগে চাই।

কেতিয়াবা লোক কবিৰ প্ৰকাশভঙ্গীৰ সৌন্দৰ্য চমকপ্ৰদ[৪]—

ই বোলে আইদেউ সি বোলে আইদেউ
আইদেউ কেনিবা গ'ল
আমাৰে আইদেউ চম্পা বৰণীয়া
ফুলতে মিহলি হ'ল।

লোকগীতৰ প্ৰকাশভঙ্গীৰ আন এক মন কৰিবলগীয়া বৈশিষ্ট্য প্ৰকাশভঙ্গীৰ তীৰ্যকতা। কেতিয়াবা পোনপটীয়া, কেতিয়াবা অধিক আওপকীয়া। কেতিয়াবা পোনপটীয়াকৈ আৰু বহু ক্ষেত্ৰতে আওপকীয়াকৈ মনৰ ভাব প্ৰকাশ কৰাটো লোক-কবিসকলৰ প্ৰায় গীততে দেখা যায়। লোক কাব্যত অৰ্থহীন তুলনামূলক পদ্ধতি প্ৰয়োগ কৰি প্ৰকাশভঙ্গীৰ তীব্ৰতা বৃদ্ধি কৰা হয়।[৫] উদাহৰণ স্বৰূপে—

ছাগে ছেলাবলৈ ডবুৱা কটাৰি
পহুৰ ছাল ছেলাবৰ মিট।
গাঁৱৰ বুঢ়া-মেথা দায় নধৰিবা
গাই যাওঁ বিহুৰে গীত।।

বিহুনাম-বনঘোষাত আওপকীয়াকৈ কোনো বিশেষ দিশৰ ইঙ্গিত দিয়াত লোক-কবিসকল সিদ্ধহস্ত। এটি বিহুনাম—

বাইক মাতিছিলো ভিনিহিয়ে বুলিলে
আজি খুলশালি থাক;
থাকিব নোৱাৰো চেনেহৰ ভিনিহি
থাকিলে লাগিব পাক।

এইয়া তেনেই সহজ-সৰল ঘৰুৱা শব্দ প্ৰয়োগ কৰা হৈছে যদিও শব্দ প্ৰয়োগৰ এক বিশেষভঙ্গীয়ে কবিতা ফাকিৰ মাজেদি এক ৰহস্যময় ভাব প্ৰকাশ কৰিছে।

বিয়ানামৰ বিভিন্ন উপলক্ষ্যত জোৰোণ নিওঁতে, পানী তোলোঁতে, দৰা-কন্যাক নোৱাওঁতে, দৰা-কইনাক সজাওঁতে, সুৱাগুৰি তোলোঁতে, সমাজৰ মাজত দৰা আহি পাওঁতে, যোৰানাম, সম্প্ৰদানৰ নাম আদিত নামতীসকলৰ কণ্ঠৰ পৰা নিগৰি নিগৰি ওলাই অহা নাম বিলাকৰ সুৰৰ ভিন্নতা আৰু প্ৰকাশভঙ্গী মন কৰিবলগীয়া। পৰিৱেশ অনুযায়ী সুৰ আৰু প্ৰকাশভঙ্গী বেলেগ বেলেগ—

ৰাম কৃষ্ণ ওলাই দে উৰুলি
ৰাম কৃষ্ণ বজাই দে মুৰুলি
হৰি মোৰ অ' পানী তুলিবলৈ যাওঁ। .....

হৰি হে / বেৰতে খিৰিকি/ হৰি হে/ শাহু আই তিলিকি
হৰি হে/ নাপাই জোঁৱাই ল'ৰাক ঢুকি ঐ ৰাম ৰাম.....

দ পথাৰৰে মাগুৰ মাছ এহালি
চোকা মৈদাৰে বাছোঁ

দৰাৰে দদায়েক কিমাননো ধনী
পাভ মাছ কচাদি কাচো।

আইনাম বিলাকৰ প্ৰকাশভঙ্গী সুকীয়া। ইয়াৰ ভাষা সৰল আৰু পোনপটীয়া যদিও ইয়াৰ প্ৰকাশভঙ্গীত আছে ভগৱতী আইৰ প্ৰতি নিবেদিত ভক্তসকলৰ আকুল মিনতি, য'ত লোক-কবিৰ কল্পনাই পাখি মেলি আইক স্বৰ্গৰ পৰা নমাই আনে—

স্বৰ্গৰ পৰা আই আহে
থুপিফুলৰ মালা
ভগৱতী চৰণ দুটি এ
ৰাতুলৰে ফুল
বিপদতে উদ্ধাৰ কৰা।.....

কাব্যৰ প্ৰকাশভঙ্গীত যি যি বিন্দুত গুৰুত্ব প্ৰদান কৰা হয়, লোকগীতৰ প্ৰকাশভঙ্গীৰ ক্ষেত্ৰতো সেই সেই বিন্দুত গুৰুত্ব প্ৰদান কৰা হয়। উদাহৰণ স্বৰূপে, হাস্যৰস সৃষ্টিৰ কাৰণে ভাষাৰ বিকৃতি, তথ্যৰ বিকৃতি ইত্যাদিক অৱলম্বন কৰা হয়। লোকগীততো লোক-কবিসকলে এনে উপায় অৱলম্বন কৰা দেখা যায়। যেনে—

লাও তলে চিকা যায়
মেকুৰীয়ে ধৰি খায়
ভেকুলীয়ে গীতাৰ বজাই / অ' গোবিন্দাই ৰাম (হুঁচৰিৰ পদ)

ভক্তিৰস প্ৰকাশৰ ক্ষেত্ৰত শব্দৰ গাম্ভীৰ্য, সুৰৰ শাস্ত্ৰানুগামিতা ইত্যাদিৰ ওপৰত গুৰুত্ব দিয়াৰ দৰে কৰুণ ৰসৰ কাৰণে বিচ্ছেদৰ অনুভূতি, পাই হেৰুৱাৰ বেদনা, ইপ্সিত বস্তুৰ অপ্ৰাপ্তি, প্ৰিয়জনৰ বিয়োগ ইত্যাদিক হেতু ৰূপে গ্ৰহণ কৰা হয়।

লোকগীতৰ প্ৰকাশভঙ্গীৰ এটি দিশ হ'ল পুনৰাবৃত্তি। লোকগীতত ক্ৰমবৰ্দ্ধমান পুনৰাবৃত্তি দেখা যায়। কেতিয়াবা প্ৰতিটো পৰৱৰ্তী পদত পূৰ্বপদৰ সামান্য সলনিৰে পুনৰাবৃত্তি ঘটা দেখা যায়। শিৰৰ জুনাত এনে পুনৰাবৃত্তি আছে। যেনে—

মাৰৰ ঘৰলৈ যাবি তই পাৰ্বতী
বাটত খাপে দিয়ে ধৰিম।
বাটত খাপে দিয়ে ধৰ তই পগলা
হাবিত লৰে মাৰি পৰিম।.....

দিহানাম, টোকাৰিনাম, বিহুনাম, মালিতা আদি একাধিক গায়কে লগ লাগি গোৱাৰ প্ৰমাণ পোৱা যায় গীতসমূহৰ ভিতৰত দোহাৰি গাবৰ কাৰণে সংযোগ কৰি দিয়া পদসমূহৰ জৰিয়তে। ৰাধিকা শান্তিৰ গীতত প্ৰয়োগ হোৱা দিহা আৰু পদৰ কিয়দংশ এনেধৰণৰ—

দিহা ঃ বৈকুণ্ঠৰ পৰা হৰি তুমি শ্ৰীহৰি
উদ্ধাৰিলা সতী নাৰী শঙ্কৰ ৰূপধৰি।।
পদ ঃ কৈৱৰ্তৰ ঘৰে জন্মি ৰাধিকা সুন্দৰী।
হীন কুলে ভক্তিভাৱে ধৰ্ম আছা ধৰি।।.....

দিহানামত ঘোষা অংশ দোহাৰি গাই আৰু পদ অংশবোৰ সংযোগ থাকে। বিহুনামতো দিহা অংশ দোহাৰি গোৱা দেখা যায়। উদাহৰণ স্বৰূপে—

দিহিং দিচাং দিখৌ নৈ হাতে হাতে পেঁপা লৈ
নাচনিকে আগত লৈ বিহু [illegible]
পদ ঃ নৈ পানী খাবলৈ - দিহিং [illegible]
এৰিলো নাচনী - দিহিং [illegible]
নৈ গৰা খহিবৰ পৰা ঐ - দিহিং [illegible]
হাতে হাতে পেঁপা লৈ নাচনিকে [illegible]
বিহু মাৰিবলৈ যাওঁ।

আইনাম, বিহুনাম আদিত একোটা [illegible] পুনৰ পুনৰ গোৱা দেখা যায়। এনে পুনৰুক্তিয়ে [illegible] স্নান নেপেলায়, ৰৰঞ্চ গীতটো ধ্বনি মাধুৰ্যপূৰ্ণ [illegible] স্বৰূপে—

মোৰ ধন পমিলা - ব্ৰহ্মপুত্ৰৰ [illegible]
মোৰ ধন পমিলা - তিঁয়হ [illegible]
মোৰ ধন পমিলা - কেতেকি [illegible]

লোকগীতসমূহত প্ৰথম দুশাৰীয়ে [illegible] অৰ্থবিহীন চৰি এটি দাঙি ধৰে, পিছৰ দুশাৰীয়ে [illegible] থাকে তাকে কয়। উদাহৰণ স্বৰূপে—

পৰ্বতে পৰ্বতে বগাৰ পাৰো [illegible]
লতা বগাবলৈ টান
যুৱীয়া হাতীকো বলাৰ পাৰো [illegible]
তোমাক বলাবলৈ টান।

এই গীত ফাকিৰ মূল বক্তব্য হ'ল— [illegible] গৰাকীক ভুলাবলৈ কৰা চেষ্টা। কিন্তু পৰ্বত লতা [illegible] টানি আনিহে মূল কথাটো ক'বলৈ প্ৰয়াস কৰিছে।

লোকগীতৰ ৰস

কাব্য-কবিতাৰ সাৰ্থকতা ৰস সৃষ্টিৰ ওপৰত [illegible] কাব্য-কবিতা আদি পঠন-পাঠনৰ ফলত পাঠক [illegible] আলৌকিক, চমৎকাৰাত্মক অনুভূতি উদয় হয়, [illegible] অধিকাংশ সংস্কৃত আলংকাৰিকে ইয়াকেই কাব্যৰ [illegible] অভিহিত কৰিছে।[৬] এই ৰস সৃষ্টি কৰি সৰ্বসাধাৰণক [illegible] কৰাত অসমীয়া চহা কবিসকলেও বিশেষ পাৰদর্শিতা [illegible] ৰসৰ আন এটি নাম আনন্দ। কবিৰ প্ৰতিভাই এই [illegible] কৰে; অৰ্থাৎ সমালোচকৰ ভাষাত ৰস সৃষ্টি [illegible] প্ৰকাৰৰ— শৃংগাৰ, হাস্য, কৰুণ, ৰৌদ্ৰ, বীৰ, বীভৎস আৰু অদ্ভুত— এই আঠোটা ৰস, সেইদৰে শান্ত ৰসকে পাঁচবিধ ভক্তিৰসৰ প্ৰথম বুলি কোৱা হয়।

লোকগীতসমূহত নৰ ৰসৰ প্ৰাচুৰ্য থাকিলেও শৃংগাৰ, কৰুণ, হাস্য আৰু শান্ত ভক্তি ৰসৰ প্ৰকাশ পোৱা যায়। বিহুনাম, বনঘোষা, অঘাইতং গীত আদিত বিয়ানামত কৰুণ ৰস, ভেকুলী বিয়াৰ নাম, যোৰা হাস্যৰস আৰু আইনাম, লখিমী আদৰা নাম, দিহানাম গীত, কেৱল ঘোষা আদিত শান্ত ভক্তি ৰসৰ প্ৰকাশ [illegible]

শৃংগাৰ ৰস ঃ শৃঙ্গ শব্দৰ অৰ্থ হ'ল কামনাৰ [illegible] শৃঙ্গ উদ্ভৱৰ কাৰণ স্বৰূপ উত্তম অৱলম্বণ-বিশিষ্ট [illegible]

স।[৯] বিহুনাম-বনঘোষা বা অঘাইতং গীত যিহেতু যৌৱনৰ গীত; তিকে তাত প্ৰচুৰ পৰিমাণে শৃংগাৰ ৰসৰ প্ৰকাশ ঘটাটোৱেই াভাৱিক। তলৰ গীত দুফাকিত শৃংগাৰ বা আদিৰসৰ উন্মুক্ত কাশ ঘটিছে—

কুকুৰা কুকুৰা অজাতি কুকুৰা
ভুকুৱাই মাৰিমে তোক;
ৰাতি নৌ পুৱাওঁতেই কিয় ডাকে দিলি
ধনে এৰি যায় মোক।

কৰুণ ৰস ঃ নবিধ ৰসৰ ভিতৰৰ প্ৰধান ৰসেই হ'ল কৰুণ ৰস। ইষ্ট নাশ আৰু অনিষ্ট প্ৰাপ্তিৰ ফলত কৰুণ ৰসৰ সৃষ্টি হয়। াক-কবিতাৰ মাজত কৰুণ ৰস বিভিন্ন উপলক্ষ্যত প্ৰকাশ হোৱা খা যায়। বিয়ানাম, বিবিধ মালিতাত এই ৰস মুখ্যভাৱে প্ৰকাশিত ছে। বিয়া নামত নামতীয়ে কন্যা তাক ককায়েকৰ সম্পৰ্ক আৰু ন্যা বিয়া দিয়াৰ পাছত ঘৰখনত হোৱা শূন্যতাবোধৰ চিত্ৰ বৰ ৰুণ ৰসৰে সংপৃক্ত কৰি দাঙি ধৰিছে।

আগেয়ে ককাইদেউ কই ফুৰিছিলা
আইদেউ কতবাৰ খায়,
এতিয়া ককাইদেউ চোৱা মনে কৰি
বৰ ঘৰ সুদা হৈ যায়।

গীত ফাকিত ভাবৰ আধিক্য, অথচ প্ৰকাশভঙ্গীৰ যম— এই দিশটোও প্ৰতিফলিত হৈছে। বিয়ানামৰ সুৰ অতি দনাদায়ক। আয়তীৰ কণ্ঠৰ পৰা নিগৰি ওলোৱা সুৰত সকলোৱে পানী টোকে। বিয়াঘৰত এটি কৰণ পৰিৱেশৰ সৃষ্টি হয়। শেষকৈ কইনা উলিয়াই দিয়া সময়ত গোৱা গীতবোৰ অতি াদাত্মক।

জয়মতীক দিয়া নিষ্ঠুৰ শাস্তিৰ বৰ্ণনা কৰি লিখা, মণিৰাম ৱানক ফাঁচি দিয়াৰ বৰ্ণনা থকা গীততো কৰুণ ৰসৰ সুন্দৰ কাশ ঘটিছে—

হাবিতে কান্দিলে হয়কলী চৰায়ে
চিটিকাৰ মুখলৈ চাই,
জেৰেঙা পথাৰত কান্দে জয়মতী
চাউডাঙৰ মুখলৈ চাই।[১০]

ৰৈনো ৰৈ কান্দিলে বৃন্দাৱলী গাভৰু
তামৰ ঘৰৰ মুখলৈ চাই,
তামৰ ঘৰ আছে স্বামী নাইকিয়া
কোনে নিলে মণিৰামক পাই।[১১]

হাস্যৰস ঃ হাস ভাবৰপৰা হাস্যৰসৰ উদ্ৰেক হয়। চেহেৰা, খা-বার্তা, অংগী-ভংগী, পোছাক-পৰিচ্ছদ আদি বিকৃতিৰ পৰা া কৌতুকৰ পৰা হাস্যৰসৰ উদ্ভৱ হয়।[১২] সৰল, বুদ্ধিনিষ্ঠ আৰু — এই তিনি ভঙ্গিমাৰে লোকগীতত হাস্য ৰস সৃষ্টি কৰা হয়। াকজীৱনে সকলোতে হাঁহিৰ সমল বিচাৰে। নির্দোষ হাঁহি-মালি, ৰং-ৰহইচক কেন্দ্ৰ কৰি সৃষ্টি হোৱা লোকগীতসমূহ এই ক্ষেত্ৰত বিশেষভাৱে উল্লেখযোগ্য। বিয়ানামৰযোৱানাম বিলাক হাস্যৰসেৰে ভৰপূৰ। যেনে— 'অ' পকা বিলাহী/ ছোৱালী লুভীয়া/ সন্ধ্যাতে পালাহি', 'বাৰীৰ ঢাপৰ শিলিখা/ দৰা তুমি টিলিকা/ আমাৰ বাইদেউ শকত-ওখ/ সমাজতে জিলিকা', 'অ' মন জালুক/ দৰা ঘৰৰ নামতী/ হাবিৰমাজৰ ভালুক।'

খেল-ধেমালিৰ গীতবোৰতো খেলাৰ বিভিন্ন ধৰণে হাস্যৰসৰ সৃষ্টি কৰে। জোকোৱা খেলৰ গীতত অথবা ভাকুট্‌কুট্ খেলৰ গীতত হাস্যৰস সৃষ্টি কৰিবলৈ বয়োজেষ্ঠসকলেও আগভাগ লয়। যেনে— 'পেহী ঔ পেহা / আমলখি কেঁহা / টেকেলিপেটা গোবিন্দাই / জাল বাওঁগৈ আহা', 'বৰা নেজডাল খঁৰা / চাৰিঅনা পইছা দিওঁ / দীঘল দি পৰা।'

হুঁচৰি নামতো হাস্যৰসৰ ছিটিকনি পৰিলক্ষিত হয়। গৃহস্থৰ চোতালত হুঁচৰি মাৰোতে 'বেয়া নাম ওলালে ক্ষেমিব ৰাইজসৰ' বুলি হুঁচৰি গাওঁতাই গালেও নির্মল হাস্যৰস সৃষ্টি কৰিবলৈ চেষ্ট কৰা দেখা যায়।

নকৈ জোনৰে পানী
এনেকুৱা নাচনী আমাক নালাগে
নিয়ক মৰা বাঘে টানি।[১৩]

অবাস্তৱ কথাৰ অৱতাৰণা কৰিও হুঁচৰিত হাস্যৰস সৃষ্টি কৰা হয়।

লাও তলে চিকা যাই
মেকুৰীয়ে ধৰি খাই
ভেকুলীয়ে গীটাৰ বজাই ঐ
গোবিন্দাই ৰাম।।

ব্যঙ্গ আৰু হাস্যৰ সমাৱেশ জুনাৰ অন্যতম বৈশিষ্ট্য। জুনা বিলাকত অতিৰঞ্জিত বর্ণনাৰ মাজেৰে হাস্যৰস সৃষ্টি কৰা হয় এনেদৰে—

আনিলেক পচলা কাটিলেক পাত
মজিয়াতে পেলাই লৈ দিলে থিয় ঘাপ।
পচলাৰ পানীয়ে মজিয়া বুৰিল
সৰু সৰু জীৱবোৰ চাঙত উঠিল।...

ছন্দৰ প্ৰয়োগ

লোকগীতৰ কাব্যিক সৌন্দর্যৰ প্ৰসঙ্গত আলোচনা কৰিব লগা এটা বিশেষ দিশ হ'ল ছন্দৰ প্ৰয়োগ। শব্দৰ বিন্যাস প্ৰকাৰৰ ফলত ওপজা সৌন্দর্যই ছন্দ।[১৪] কবিতাৰ ছন্দ হ'ল ধ্বনি বিন্যাসৰ সৌষম্য বা ধ্বনিবিলাকক নিয়মিত কৰণৰ যোগেদি আনি দিয়া ভাষাটোৰ শ্রুতিমধুৰ স্বাচ্ছন্দ্যময় গতিশীল অৱস্থা।[১৫]

ছন্দ, কবিতাৰ প্ৰধান অংগ। সাহিত্যৰ অন্যান্য বিভাগৰ পৰা কবিতাক আঁতৰাই ৰাখিছে ছন্দই। ই কবিতাৰ সৌন্দর্য বৃদ্ধিত সহায়তা কৰাৰ লগতে, পঢ়ুৱৈৰ মনতো সৃষ্টি কৰে এক অভিনৱ আনন্দানুভূতিৰ।[১৬] এই আনন্দ কবিতাৰ সুকীয়া সম্পদ। ছন্দক কবিতাৰ পৰা পৃথক কৰিলে, সি আনন্দ দান কৰিব পৰা শক্তি হেৰুৱাব।

ছন্দ মূলতঃ দুবিধ— মিত্রাক্ষৰ আৰু অমিত্রাক্ষৰ। মিত্রাক্ষৰ ছন্দ অন্ত্যমিল যুক্ত। প্রাচীন অসমীয়া পদ, দুলড়ী, ছবি, লেছাৰী আদি মিত্রাক্ষৰী ছন্দ। অমিত্রাক্ষৰ ছন্দত ভাবক যতিয়ে নিয়ন্ত্রণ নকৰে, যতিহে ভাবৰ দ্বাৰা নিয়ন্ত্রিত হয়। ইয়াত ভাবৰ প্রবাহত বিৰতিৰ সৃষ্টি কৰে ছেদে। গতিকে এই ছন্দত ছেদৰ ভূমিকা গুৰুত্বপূর্ণ।

বিহুনাম, বিয়ানাম, আইনাম আদিত দুলড়ী ছন্দৰ প্রয়োগেই সর্বাধিক। দুলড়ীত দুটা চৰণ থাকে আৰু প্রতিটো চৰণত তিনিটাকৈ পর্ব থাকে। প্রতিটো চৰণৰ মাত্রা সংখ্যা (৬+৬+৮)=২০ উদাহৰণ স্বৰূপে —

দিখৌ নৈ ইপাৰে দিখৌ নৈ সিপাৰে
কোনে দিয়ে যাব সাঁকো,
কোনে দিয়ে যাব বাঁচ দোৰপতি
কোনে দিয়ে যাব মাকো।

বিয়ানাম, আইনাম, লখিমী সবাহৰ নাম আদিত দুলড়ী ছন্দৰ প্রয়োগ মন কৰিবলগীয়া বিশেষত্ব।

চতাই পর্বতে নিয়ৰে ধবিছে
সীতা কোন দিশে আছে
জনকৰ ঘৰে মিথিলা নগৰে
সীতা ব্রত ধবি আছে। (বিয়ানাম)

দুলড়ীৰ লেখিয়া অথচ তাতকৈ কম আখৰ থকা অথবা চাৰিটা চৰণ থকা ছন্দক খোড়া দুলড়ী আৰু দুলড়ীতকৈ বেছি আখৰ আৰু চৰণ থকা ছন্দক লেঙা দুলড়ী বোলে। বিহুগীতত এই দুই প্রকাৰ ছন্দৰো প্রয়োগ পৰিদৃষ্ট হয়।[১৭] যেনে—

খোড়া দুলড়ী

নৈৰে শুৱনি গঙাচিলনী
পর্বতৰ শুৱনি মিৰি,
ডেকা শুৱনি ভৰিৰ কলাফুল
গাঁৱৰ শুৱনি তিৰী।

লেঙা দুলড়ী

স্বৰগত এক মন পাতালত এক মন
মর্তত এক মন কৰি,
তিনিক তিনি কৰি কি কৰ লাহৰী
আছোঁ তোৰ সন্তাপ মাৰি।

কেতিয়াবা আখৰৰসংখ্যা বেছি হ'লেও দুলড়ী ছন্দ হ'ব পাৰে, তেতিয়া ই মাত্রাৰ ওপৰত নির্ভৰ কৰে। উদাহৰণ স্বৰূপে—

ঢোলে বাই ঢুলীয়া খোলে বাই খুলীয়া
কাৰ ঘৰৰ নাচনী নাচে;
ওচৰ চাপি চাপি নাহিবা নাচনী
তোমাৰ গাত মোহিনী আছে।

পয়াৰ ঃ লোকগীতত ব্যৱহৃত হোৱা আন এবিধ ছন্দ পয়াৰ। পয়াৰ ছন্দত দুটাকৈ পর্ব থাকে। প্রতিটো চৰণৰ প্রথম পর্বত আঠোটাকৈ মাত্রা আৰু দ্বিতীয় পর্বত ছয়টাকৈ মাত্রা থাকে। একোটা চৰণত মুঠ চৈধ্যটাকৈ মাত্রা থাকে। প্রতি সমপর্ব দুটিৰ শেষৰ ধ্বনিৰ ছন্দ মিল থাকে। উদাহৰণ স্বৰূপে—

গন্ধে পুষ্পে ধূপে দীপে/ সজাই থৈছে
কৃতাঞ্জলি কৰি শ্রী/ কৃষ্ণ আছে বহি।।

ঝুনা বা একাৱলী ঃ ঝুনা বা একাৱলী ছন্দ
অক্ষৰ মানেৰে এটা চৰণত মুঠ এঘাৰটা অক্ষৰ
এটা পংক্তিত লিখা হয়। তেনেকুৱা দুটা চৰণ
হয়। তলৰ উদাহৰণটিত ৬.৫ অক্ষৰে দুটা চৰণ

দূৰতে দেখিবা তাঁতীয়ে হাঁসে
কৃষ্ণ কানাই কি লাগি আসে।।

স্বৰবৃত্ত ছন্দ ঃ স্বৰবৃত্ত ছন্দৰ প্রতি পর্বত
ধ্বনি থাকে। এই চাৰিটা স্বৰেই ইয়াৰ পর্ব
অর্থাৎ, পর্বৰ স্বৰ গণনা কৰি এই ছন্দত
নিৰূপণ কৰা হয় কাৰণেই ইয়াৰ নাম
লোকগীতসমূহত স্বৰবৃত্ত ছন্দৰ প্রয়োগ
বৰুৱাদেৱে[২০] গৌণ মাত্রিক ৰূপ, ধ্বনিৰ আয়তন
সংস্থাপনৰ ৰীতিৰ দিশত কৰা আলোচনাত
ছন্দ নিৰূপণ কৰি দেখুৱাইছে। তাৰে দুটিমান

১। নাম ০ ধৰা ০ / নাম
কচুপাতৰ / থোলা
বুঢ়া গোসাঁই / নামি আহে
কেকোৰ / দোলা (ধাইনাম)

২। জোনবাই এ / তৰা এটি দিয়া
পাত ০ নাই ০ / চোত ০ নাই
দিম (নিচুকণি গীত)

৩। উকলি মুকুলি / দুকুলি
আদৌ দৌ / সোণৰ
খেতি বাতি / শাক
কি কি চৰাই / কি কি
সোণৰ চৰাইৰ / কথা

অলংকাৰৰ প্রয়োগ ঃ কাব্যত অলংকাৰৰ প্রাচীন আলংকাৰীকসকলে স্বীকাৰ কৰি গৈছে। 'কা
যাৰ দ্বাৰা অলম্ বা ভূষিত কৰা হয় সিয়ে অলংকাৰ
অলংকাৰ শব্দই সৌন্দর্য বুজায়।'[১৯] কাব্যত
প্রয়োজনীয়তা কিবুলি যদি প্রশ্ন কৰা হয়, তেন্তে উ
'অলংকাৰৰ প্রয়োজনীয়তা তিনিটা। প্রথম প্র
বাক্যক প্রভাৱশালী কৰা, দ্বিতীয় প্রয়োজন—
স্পষ্টীকৰণ আৰু তৃতীয় অথচ মুখ্য প্রয়োজ
সম্পাদন।[২০] আলংকাৰীকসকলে অলংকাৰক প্রধান
ভাগ কৰিছে— শব্দালংকাৰ আৰু অর্থালংকাৰ। শ
ওপৰত আৰু অর্থালংকাৰ অর্থৰ ওপৰত নির্ভৰশী
আকৌ ছয় প্রকাৰৰ— অনুপ্রাস, যমক, পুনৰুক্ত
বক্রোক্তি আৰু চিত্র।[২১]

লোকগীতত অনুপ্রাস আৰু যমক শব্দালং

বছিকৈ ব্যৱহাৰ কৰা হয়। অনুপ্রাসত শুনিবলৈ শুৱলা হোৱাকৈ দৃশ ব্যঞ্জনবৰ্ণৰ ওচৰা-ওচৰিভাৰে বিন্যাস কৰা হয়। অনুপ্রাস লংকাৰ হোৱাৰ নিবন্ধন চাৰিটা— প্ৰথমতে, সি শুৱলা হ'ব াগিব; দ্বিতীয়তে, সদৃশ বৰ্ণৰ আবৃত্তি হ'ব লাগিব; তৃতীয়তে, ঞ্জনবৰ্ণবহে আবৃত্তি হ'ব লাগিব, স্বৰবৰ্ণৰ নহয়; আৰু প্ৰতিটো ৰ্ণৰ ওচৰা-ওচৰিকৈ বিন্যাস হ'ব লাগিব। অনুপ্রাসৰ এটি উদাহৰণ নেধৰণৰ—

লাই হালে জালে আবেলি বতাহে
লফা হালে জালে পাতে;
আমাৰে মইনাই হালিছে জালিছে
কলি আবেলিৰে ভাতে।
(নিচুকণি গীত)

ইয়াত 'ল' ব্যঞ্জন ধ্বনি বাৰে বাৰে উচ্চাৰিত হৈ অনুপ্রাস লংকাৰৰ সৃষ্টি কৰিছে।

অনুপ্রাস অলংকাৰৰ প্ৰধান ভাগ হ'ল পাঁচটা— বৃত্ত্যনুপ্রাস, ছেকানুপ্রাস, অন্ত্যনুপ্রাস, লাটানুপ্রাস আৰু শ্ৰুত্যনুপ্রাস।[২২]

বৃত্ত্যনুপ্রাসত এটা বা একাধিক বৰ্ণৰ এবাৰ বা বাৰম্বাৰ নৰাবৃত্তি হয়।[২৩] লোকগীতত এনে অংলকাৰৰ প্ৰয়োগ আছে। দাহৰণ স্বৰূপে—

ধনে ধনে কৰি ধনকে ঘটিলো
পৰম যতন কৰি
ধন গ'ল উছালি ধন গ'ল পিছলি
লগত গ'ল দুছলি খৰি।

ছেকানুপ্রাস ঃ ছেকানুপ্রাসত দুটা বা দুটাতকৈ অধিক ঞ্জনবৰ্ণযুক্ত বা বিযুক্তভাৰে ক্ৰম অনুসাৰে দুবাৰ মাত্ৰ ধ্বনিত হয়। লাকগীতত প্ৰয়োগ হোৱা ছেকানুপ্রাসৰ উদাহৰণ এটি এনে ৰণৰ—

আখৈৰে খৰাহী ডাবহি ডুবহি
পিঠাৰে খৰাহী সৰু;
লখিমী আয়ে ভঁড়ালটি ভৰাব
ভৰাব গোহালিৰ গৰু।
(লখিমী সবাহৰ গীত)

ইয়াত 'ডাবহি ডুবহি' শব্দ দুটাৰ 'ডব' ব্যঞ্জনধ্বনি দুটা ক্তভাৰে থাকি দুবাৰ মাত্ৰ উচ্চাৰিত হৈ ছেকানুপ্রাস অলংকাৰৰ ষ্টি কৰিছে।

অন্ত্যনুপ্রাস ঃ পুৰণি অসমীয়া পদকাব্যৰ দৰে অন্ত্যনুপ্রাস লাকগীতৰ এৰাব নোৱাৰা সম্পদ। প্ৰায় প্ৰতিটো গীতেই ন্ত্যনুপ্রাস যুক্ত।

ছালত মলঙিলে চালেদৈ কোমোৰা
পথাৰ ঘুৰিলে বগ;
মনৰ কথা বতৰা মনতে থাকিলে
ক'বলৈ নাপোলো লগ।

ইয়াত 'বগ' আৰু 'লগ' শব্দ দুটা পংক্তিৰ অন্তিম ধ্বনি ইচাপে ব্যৱহৃত হৈ অন্ত্যনুপ্রাসৰ সৃষ্টি কৰিছে।

যমক ঃ স্বৰব্যঞ্জনবৰ্ণৰ একেটা সমূহৰ একে ক্ৰমতে সাৰ্থক নিৰৰ্থকভাৰে যদি পুনৰুক্তি হয় তেতিয়া যমক অলংকাৰ হয়। যিকেইটা স্বৰব্যঞ্জনৰ পুনৰুক্তি হয় সেইকেইটা লগলাগি অৰ্থ থকা শব্দও হ'ব পাৰে আৰু অৰ্থ নথকা শব্দও হ'ব পাৰে। কিন্তু যদিহে অৰ্থ থাকে তেনেহ'লে একেটা অৰ্থতে পুনৰুক্তি হ'ব নোৱাৰে।[২৪] লোকগীতত এনে অলংকাৰৰ প্ৰয়োগ আছে উদাহৰণ স্বৰূপে—

ছিটিকি চিবনে বনে ঐ নাচনী
ছিটিকি চিবনে বন।
ছিটিকি চিবনে নাচনী মৰমে
নচুৱাই থাকিব মন।।

এই বিহুগীত ফাকিত 'চিবনে' আৰু 'বন' এই দুটা শব্দৰ এটা সাৰ্থক আৰু এটা নিৰৰ্থক। 'চিবনে' নিৰৰ্থক আৰু 'বন' সাৰ্থক ৰূপত ব্যৱহৃত হোৱাত যমক অলংকাৰ সৃষ্টি হৈছে।

অৰ্থালংকাৰ ঃ অৰ্থালংকাৰত শব্দালংকাৰৰৰ দৰে ধ্বনিৰ ওপৰত গুৰুত্ব দিয়া নহয়। ইয়াত অৰ্থহীহে গুৰুত্ব লাভ কৰে। অৰ্থালংকাৰৰ বিভাগবোৰ হ'ল— সাদৃশ্যমূলক, বিৰোধমূলক, শৃংখলামূলক, ন্যায়মূলক আৰু গূঢ়ার্থমূলক। লোকগীতবোৰত সাদৃশ্যমূলক অলংকাৰহে বেছি চকুত পৰে। সাদৃশ্যমূলক অলংকাৰসমূহৰ আলোচনাত কেইটামান শব্দ আৰু ধাৰণা অতি আৱশ্যকীয়— উপমেয় উপমান, সাধাৰণ ধৰ্ম আৰু তুলনাবাচক শব্দ।[২৫] উপমেয় হ'ল বিষয় অৰ্থক যিহক উপমাৰ বিষয় কৰা হয়, উপমান হ'ল বিষয়ী অৰ্থাৎ যাৰ লগত তুলনা কৰা হয়, সাধাৰণ ধৰ্ম হ'ল যিহৰ ভিত্তিত দুটা ভিন্ন বস্তুৰ সাদৃস্য নিৰূপণ কৰা হয় আৰু তুলনাবাচক শব্দ হ'ল— যেন, দৰে, নিচিনা, সম, তুল্য ইত্যাদি।[২৬] উপমা অলংকাৰ প্ৰাধনকৈ তিনি প্ৰকাৰৰ; যেনে— পূৰ্ণোপমা, লুপ্তোপমা আৰু মালোপমা। লোকগীতত ব্যৱহৃত উপামৰ উদাহৰণ হৈছে—

ঘৰতো নবহে মন সমনীয়া
পথাৰতো নবহে মন,
কমোৱা তুলাবোৰ যেনেকৈ উৰিছে
তেনেকৈ উৰিবৰ মন।
(বিহুনাম)

ইয়াত 'মন' উপমেয়, কমোৱা তুলা উপমান, উৰাটো সাধাৰণ ধৰ্ম আৰু যেনেকৈ, তেনেকৈ তুলনাবাচক শব্দ ব্যৱহাৰ কৰি দুটা বিসদৃশ বস্তুৰ মাজত সাম্য বিচাৰ কৰা হৈছে। সেইবাবে ই উপমা অলংকাৰ। ইয়াত উপমাৰ চাৰিওটা অংগ স্পষ্টভাৰে উল্লেখ থকা বাবে পূৰ্ণোপমা হৈছে। লোকগীতত 'পাভ মাছৰ নিচিনা গাল', তিঁয়হৰ জালি যেন ভৰি', 'আইৰ গা কেতেকী পাহি', 'সোণৰ খৰিকা যেন ভৰি' আদি বিবিধ উপমাৰ প্ৰয়োগ মন কৰিবলগীয়া।

ব্যতিৰেক ঃ উপমানতকৈ উপমেয়ক যদি উৎকৰ্ষ বা অপকৰ্ষ দেখুৱাই বৰ্ণনা কৰা হয় তেতিয়া ব্যতিৰেক অলংকাৰ হয়।[২৭] লোকগীতত ইয়াৰ প্ৰয়োগ দেখা যায়।

পিয়াহৰ সুৱদি পানী ঐ লাহৰি

ভোকবে সুবদি ভাত;
তাতোকৈ সুবদি তোমাব মাতেষাবি
লগাই থৈ যোৱা মাত।

ইয়াত উপমেয় প্রেয়সীব 'মাতযাবি' উপমান ভোক-পিয়াহব ভাত-পানীতকৈ উৎকৃষ্ট হৈ ধবা দিছে। সেইবাবে ই ব্যতিবেক অলংকাব।

অতিশয়োক্তি ঃ সিদ্ধ অধ্যবসায় চমৎকৃতিজনক হ'লে অতিশয়োক্তি অলংকাব হয়। এই সিদ্ধ অধ্যবসায়ত উপমেয় নোহোৱা হৈ যায়, তাব ঠাই উপমানে লয়। উপমানে উপমেয়ক গ্রাস কবে।[৮] উদাহবণ স্বৰূপে—

আম মলে থোপা থুপি, কদম মলে হালি
বেইব মাজত পদ্ম জ্বলে, মেঘে ঢালে পানী
(বিয়ানাম)

'বেইব মাজত পদ্ম জ্বলে' বুলি কওঁতে বেইব তলত কইনাব জিলিকি থকা পদুমব দবে মুখখনব কথা কৈছে। ইয়াত মুখ উপমেয় আৰু পদ্ম উপমান। উপমান 'পদ্ম'ই উপমেয় 'মুখ'ক সম্পূর্ণৰূপে ঢাকি বাখিছে অর্থাৎ উপমানেবে উপমেয়ক বুজাইছে। সেইবাবে ই অতিশয়োক্তি অলংকাব। অতিশয়োক্তি অলংকাবত উপমেয় উপমানব সাদৃশ্যই সম্ভব সীমাক অতিক্রম কবি যায়; অর্থাৎ বাহিবব জগতত থকা বস্তুব স্বাভাবিক স্বৰূপটোব লগত নিমিলা কথা বা লোক প্রসিদ্ধিব সীমা চেবাই যোৱা কথা কোৱাব পবা অতিশয়োক্তি অলংকাব হয়।[৯] জনাগাভৰুব গীতত জনাব অংগ-সৌষ্ঠবব যি বর্ণনা আছে সেয়া অতিশয়োক্তিব সুন্দব নিদর্শন—

আঙুলি কি চাবা পবালি পবালি
দাঁতবোৰ আৰ্চীব বাণ,
বুকুনো কি চাবা চন্দনব পটা যেন
নগা পাণ যেন কাণ।

ইয়াত জনাব আঙুলি, দাঁত, বুকু আৰু কাণব বিষয়ে বর্ণনা কবিবলৈ যাওঁতে দাঁতক আৰ্চীব বাণ, বুকুক চন্দনব পটা, কাণক নাগাপাণব লগত তুলনা কবাত অতিশয়োক্তি অলংকাব হৈছে।

উৎপ্রেক্ষা ঃ উপমেয়ক উপমান বুলি কবা একপক্ষীয় প্রবল সন্দেহব ভেটিত উপমেয় উপমানব যি একৰূপতাব কল্পনা সিয়েই উৎপ্রেক্ষা অলংকাব। এই একৰূপতাব বোধ জন্মে সাধ্য অধ্যবসানব ফলত।[১০] তলত উৎপ্রেক্ষা অলংকাবব এটা উদাহবণ দিয়া হ'ল—

বাঁহব কোন ডালি পোন ঐ চেনাইটি
বাঁহব কোনডালি পোন;
বগা পাট পিন্ধি চেনাইটি আহিছে
যেন পূর্ণিমাবে জোন।

ইয়াত উপমেয় বগা পাট পিন্ধা চেনাইটি আৰু উপমান পূর্ণিমাব জোন। দুয়োটাবে মাজত প্রবল সাদৃশ্য থকাব বাবে উপমেয়কেই উপমান বুলি সন্দেহ হয়, অর্থাৎ চেনাইতকৈ পূর্ণিমাব জোন বুলিহে সন্দেহ হয়। সেইবাবেই ই উৎপ্রেক্ষা অলংকাব।

অপ্রস্তুত প্রশংসা অলংকাব ঃ অলংকাবব এটি ভাগ অপ্রস্তুত প্রশংসা। অপ্রস্তুত প্রশংসা অলংকাবব প্রয়োগো দেখা যায়। অপ্রস্তুত অর্থাৎ যিটো বর্ণনীয় নহয়, তাব সহায়ত বর্ণনীয় বিষয়ব প্রস্তুতি জন্মে। উদাহবণ স্বৰূপে—

কেলৈ ফুলিলি কপহী
কেলৈ পেলালি কলি;
শুকনো নালাগে ভকতহে
থাক তলে ভবি সবি।।

ইয়াত অপ্রস্তুত 'মদাৰ'ব কথাবে কিন্তু ইংগিত কবা হৈছে। থকা ৰূপহী গাভৰুৰ বিফলে যোৱা যৌৱন, ইয়াকে বুজিছে। মদাৰ ফুল শুকুৱা ভকতক নলগা এনেদৰে বর্ণনীয় বিষয় নহয়, বর্ণনীয় বিষয় বিষয়ে যৌৱনহে।[১১]

চিত্রধর্মী বর্ণনা

কাব্যিক চিত্রধর্মী বর্ণনাই লোকগীতক ব্যঞ্জনাময় ৰূপ দান কবিছে। কম কথাত ভাৱ কবাত আৰু লোকসমাজব বিবিধ দিশ অংকিত কবিসকলব দক্ষতাও প্রকাশিত হৈছে। লোকগীতত বর্ণনা পোৱা যায়। এনে বর্ণনাই কর্মৰত মানুহব ধৰাৰ লগতে প্রকৃতি, প্রেম-ভালপোৱা, পোৱা-নোৱা অনাটন আদিকো সুন্দৰ ৰূপত তুলি ধবে। কাপোৰ এখন থকা বিহুনাম এফাকি এনে ধৰণৰ—

চিৰিপ চিৰিপ কৰি কাপোৰ খুই
চিৰী লুইতলৈ চাই,
চিৰী লুইততে সুগুৰি মাৰিলে
ধনে নাও মেলি যায়।

লুইতৰ বালিৰ ৰূপ সৌন্দর্যৰ বর্ণনাৰ জৰিয়তে এখন দাঙি ধৰিছে এই গীতত— 'লুইতৰ বালি কাছেই কণী পাৰে লেখি/ গাতে জুই জ্বলিছে সবিয়হ পানী ঘাটত দেখি।'

আইটিৰ সৌন্দর্যৰ বর্ণনা দিবলৈ গৈ লোক-কবি ছবি এখন এনেদৰে দাঙি ধৰিছে— 'আমাৰ অঞ্চল কুমলীয়া/ নিচেই কলাপাতৰ থুৰি/ পিন্ধিব নেজাৰ কাছুটি/ বান্ধিব নেজানে চুলি।'

বিয়ানামৰ জৰিয়তেও ঘৰুৱা-জীৱনৰ সহজ দাঙি ধৰা হৈছে। তলৰ বিয়ানাম ফাকিত এজনী গাভৰুৰ অসমৰ গাভৰুজীৱনৰ ইতিহাস প্রতিফলিত হৈছে— আছিলা লাচনি পাচনি/ বাপেৰাৰ কাচলি ধৰা/ ভায়েকৰ সমান ভাগে খোৱা/ আজি পৰৰ জনে হ'লা।'

জতুৱা ঠাঁচ আৰু খণ্ডবাক্যৰ প্রয়োগ ঃ লোকগীতত খণ্ডবাক্যৰ প্রয়োগে গীতসমূহৰ কাব্যিক সৌন্দর্য বিহুগীত-বিয়ানাম আদিত এনে বহু জতুৱা ঠাঁচ বিহুনামত ব্যবহৃত এনে জতুৱা ৰূপ আৰু খণ্ডবাক্য

ছে— সাত-শতৰু, কটনা-কাটি খোৱা, উৰুঙা-পুৰুঙা; চেনেহৰ ায়ে নাকটি চিঙা, গাত জুই জ্বলিছে, সৰিহয়হ ফুটিছে ইত্যাদি। াহৰণ স্বৰূপে—

আছে সাত শতৰু মাতিব নোৱাৰো
মাতিলে লাগিব লেঠা।.....
তোমাকে চেনেহী আনিব পাৰিলে
কটনা কাটিয়ে খাম।.....

চেনেহৰ চুমায়ে নাকটি চিঙিলে
পঙা কথা পঙাতে থাকিলে।.....
গাত জুই জ্বলিছে সৰিয়হ ফুটিছে
ধনক পানীঘাটত দেখি।

সাংকেতিক ভাষা

সাংকেতিক ভাষাই লোকগীতক মাজে মাজে ৰহস্যময় ৰি তোলে। লোকগীতৰ এনে সাংকেতিক ভাষাৰ উদাহৰণ ল—

আমলৈ বুলি মাৰো ফৰমুটি
কি বুলি তেতেলি সৰে,
ভনী জোঁৱাই বুলি তামোলখন যাচিলো
কি বুলি হাততে ধৰে।

ইয়াত আম গছৰ পৰা তেতেলি সৰাটো বিসংগতিপূর্ণ। াৰ স'তে ভনীজোঁৱায়ে হাতত ধৰা কার্যৰ তুলনাই নিঃসন্দেহে ীতটিত থকা গোপন ভাৱৰ ইঙ্গিত দিছে। সেইদৰে—

হাতী পানী খালে হৈয়াঙে দৈয়াঙে
ঘোঁৱাই পানী খালে ৰৈ।
মোৰ ধনে পানী খালে পীৰিতি নিজৰাত
থিয় গৰাত খোপনি থৈ।।

এই লোকগীতটিত হাতী-ঘোঁৱাই পানী খোৱাৰ গইনা লৈ নে পীৰিতি নিজৰাত থিয় গৰাত খোপনি লৈ পানী খোৱা থাটোৰো অন্তৰালত এক গোপন বক্তব্য আছে, যিটো প্রকাশ াইছে 'ঠিয় গৰাত খোপনি থৈ' কথাষাৰিৰ মাজেৰে।

এনেদৰে বিচাৰ-বিশ্লেষণ কৰিলে দেখা যায় যে অন্যান্য ীতৰ দৰে লোকগীতসমূহো কাব্যিক সৌন্দর্যত চহকী। প্রকাশভঙ্গী, ৰস, ছন্দ, অলংকাৰ আদি দিশৰপৰা এইবোৰ যে বিশেষভাৱে সমৃদ্ধ, সেয়া ওপৰৰ আলোচনাৰ পৰা জানিব পাৰি। লোক-কবিসকলে প্রকৃতিৰ বিবিধ চিত্রৰ আলমত মানুহৰ মনত উদয় হোৱা বিভিন্ন ভাৱ-চিন্তাক লোকগীতৰ যোগেদি প্রকাশ কৰিছে। লোকগীতৰ প্রকাশভঙ্গী পোনপটীয়া যদিও ইয়াত প্রায়ে প্রকৃতি জগতৰ বিভিন্ন ৰূপৰ সহায়ত মূল বক্তব্যটি প্রকাশ কৰা দেখা যায়। সেয়ে চহা কবিসকল মনৰ প্রকাশ হ'লেও লোকগীতবোৰ কাব্য সম্পদতো চহকী। ❑

পাদটীকা

১। ধীৰেণ দাস, গোৱালপৰীয়া লোকসংস্কৃতি আৰু লোকগীত, পৃ. ৬০-৬১
২। উল্লিখিত
৩। ইমদাদ উল্লাহ, কবিতাৰ সবিশেষ, পৃ. ৫১
৪। নির্মলপ্রভা বৰদলৈ, অসমৰ লোক কবিতা, পৃ. ১৫৫
৫। হেমাঙ্গ বিশ্বাস, পূর্বোল্লিখিত গ্রন্থ, পৃ. ৪১
৬। মনোৰঞ্জন শাস্ত্রী, সাহিত্য দর্শন, পৃ. ১০৫
৭। তীর্থনাথ শর্মা, সাহিত্য বিদ্যা পৰিক্রমা, পৃ. ১৫০
৮। বিশ্বনাৰায়ণ শাস্ত্রী, অনু আৰু সম্পাদক, সাহিত্য দর্পণ, পৃ. ১২৪
৯। উল্লিখিত, পৃ. ১৩৯
১০। অসমীয়া আখ্যান গীত সংগ্রহ, সম্পাদক, ভৱপ্রসাদ চলিহা, পৃ. ৯
১১। উল্লিখিত, পৃ. ১১৬
১২। বিশ্বনাৰায়ণ শাস্ত্রী, অনুবাদ আৰু সম্পাদক, পূর্বোল্লিখত গ্রন্থ, পৃ. ১৩৭
১৩। ব'হাগ বিহুৰ বাৰেবৰণীয়া ছবি, সম্পাদক, প্রফুল্ল দত্ত গোস্বামী, পৃ. ২২
১৪। তীর্থনাথ শর্মা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ১৭৬
১৫। যতীন বৰা, ছন্দ ধ্বনি আৰু অলংকাৰ, পৃ. ১১৯
১৬। ত্রৈলোক্য নাথ গোস্বামী, সাহিত্য আলোচনা, পৃ. ১২৯
১৭। বসন্ত কুমাৰ ভট্টাচার্য, অসমীয়া লোকগীত সমীক্ষা, পৃ. ৪৩-৪৪
১৮। যতীন বৰা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ১৩৬
১৯। যতীন বৰা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ১৯
২০। তীর্থনাথ শর্মা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ৪৬
২১। উল্লিখিত, পৃ. ৬৮
২২। যতীন বৰা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ২৪
২৩। উল্লিখিত, পৃ. ২৫
২৪। তীর্থনাথ শর্মা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ৭৫
২৫। নৱকান্ত বৰুৱা, পূর্বোল্লিখিত গ্রন্থ, ৩৬
২৬। উল্লিখিত
২৭। যতীন বৰা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ৫৩
২৮। তীর্থনাথ শর্মা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ১১০
২৯। যতীন বৰা, পূর্বোল্লিখিত গ্রন্থ, পৃ.৪৮
৩০। তীর্থনাথ শর্মা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ১০৬
৩১। যতীন বৰা, পূর্বোল্লিখিত গ্রন্থ, পৃ. ৫৯-৬০

প্ৰাচীন ভাৰতৰ শ্ৰমনীতি

প্ৰদীপ শইকীয়া

প্ৰাচীন ভাৰতৰ ভূমিনীতিত আৰু অৰ্থনৈতিক গাঁথনিত স্পষ্টভাৱে বহুখিনি জ
থাকিলেও সেই সময়ৰ শ্ৰমনীতি বৰ উৎসাহজনক বা গৌৰৱ কৰিবলগীয়া বিধৰ নাহি
যুগৰ পৰাই ভাৰতত দাসপ্ৰথা প্ৰচলিত থকাৰ অসংখ্য প্ৰমাণ ভাৰতৰ ইতিহাস আৰু
গ্ৰন্থবিলাকত পোৱা যায়। দাসত্ব প্ৰথাক স্বাভাৱিক বুলিয়েই সামাজিক আৰু অৰ্থনৈতি
হৈছিল। পৃথিৱীৰ দেশসমূহৰ মাজত জ্ঞান-বিদ্যা-দৰ্শনৰ ক্ষেত্ৰত ভাৰত যেতিয়া অতি অ
আছিল, তেতিয়াও ভাৰতৰ কিন্তু চিন্তাশীল দাৰ্শনিকে বা পণ্ডিতে দেশৰ সৰ্বত্ৰ প্ৰচলিত
চিন্তা কৰিব লগা কিবা আছিল বুলি ভবা নাছিল। দাসপ্ৰথা মানৱ সমাজৰ স্বাভাৱিক ব্যৱস্থা
গণ্য কৰিছিল। অন্ততঃ সেই এটা বিষয়ত ভাৰত পৃথিৱীৰ অন্যান্য দেশ আৰু সমাজ
বেলেগ নাছিল। গ্ৰীচ, ইজিপ্ত, ৰোম, বেবিলন, মালয়, ইণ্ডোনেচিয়া, আফ্ৰিকা, চীন আদি
দাসপ্ৰথাৰ বিপুল প্ৰয়োভৰ আছিল। মধ্যপ্ৰাচ্য, দূৰপ্ৰাচ্যৰ সকলো দেশতে দাসপ্ৰথা প্ৰচলিত
দেশতে মানুহে বিশ্বাস কৰিছিল যে কোনো কোনো লোক দাস হিচাপে জন্ম গ্ৰহণ কৰা এ
সিহঁতৰ পৰিশ্ৰমৰ একমাত্ৰ লক্ষ্য দেৱতাৰ বিশেষ অনুগ্ৰপ্ৰাপ্ত এমুঠিমান মানুহৰ সুখ-সমৃদ্ধি
জীৱন-যাপনত সহায় কৰা। মানুহৰ সমান অধিকাৰ, পৰিশ্ৰমৰ মৰ্যাদা— এইবিলাক কথা
মানুহৰ উপলব্ধিহে। সভ্যতাৰ বৰ্তমানৰ স্তৰত উপনীত হ'বলৈ বিশ্বমানৱক বহু হাজাৰ বছৰ

ঋকবেদৰ অষ্টম মণ্ডলৰ ৫৬-৩ শ্লোকত এজনে এশ দাস খোজাৰ উল্লেখ আছে
অনেক ঠাইত বৈদিক যুগত দাস, 'দস্যু' আদিৰ কথা কোৱা হৈছে। সাধাৰণতে বিভিন্ন অনাৰ্য
হোৱা যুদ্ধত বন্দী হোৱা অনাৰ্যসকলক দাস হিচাপে ব্যৱহাৰ কৰা হৈছিল। যেহেতু তেওঁলো
নীতিৰ অন্তৰ্ভুক্ত নাছিল, সেইবাবে তেওঁলোকক অন্যব্ৰতাঃ আৰু অমানুষাঃ বুলি গণ্য কৰা
ব্ৰহ্মাপুত্ৰৰ পাদযুগলৰ পৰা উৎপন্ন বুলি এটা আখ্যানত সন্নিৱিষ্ট কৰি লৈ চিৰকালৰ বাবে শূ
কৰা হৈছিল। এইদৰে অনাৰ্যলোকক দাস বা দস্যু বুলি কৰা উল্লেখ ঋকবেদৰ ৮-৭০/১১ আ
শ্লোকবোৰতো পোৱা যায়। সেইদৰে ঋকবেদৰ অষ্টম মণ্ডলৰ ১৯-৩৬ শ্লোকত স্ত্ৰী-দাসীৰ
যায়। ব্ৰাহ্মণবিলাকৰ উপৰিও বৌদ্ধ আৰু জৈন সাহিত্যতো দাসীৰ বহুত উল্লেখ আছে।

এই দাসবিলাকক সাধাৰণতে কৃষিক্ষেত্ৰত বা কোনো শিল্পকৰ্মত সাধাৰণ যোগালী
কৰা হৈছিল। ঘাইকৈ গৃহভৃত্যৰ কামকে সিহঁতৰ হতুৱাই কৰোৱা হৈছিল। এই দাসবিলাকৰ
একোৰেই নাছিল। সিহঁতৰ গৰাকীয়ে নিজৰ কামবোৰ সিহঁতৰ হতুৱাই কৰাই লোৱাৰ
হতুৱাই আনবো কাম কৰাই লৈ সিহঁতৰ পাৰিশ্ৰমিকেৰে নিজৰ আয় বৃদ্ধি কৰিছিল। সেইটো
ৰখা মানুহৰ বাবে লাভজনক ব্যৱসায় হৈ পৰিছিল। দাসীবিলাকে কাম-কাজ কৰাৰ উপৰিও গ
মনোৰঞ্জনৰ সামগ্ৰী হৈছিল। সিহঁতক অন্যৰ মনোৰঞ্জনৰ বাবেও উপযুক্ত মূল্যৰ বিনিময়ত ব্যৱ
নাৰদ নামৰ স্মৃতিকাৰজনৰ স্মৃতিশাস্ত্ৰৰ প্ৰথম অধ্যায়ৰ ১০৭ নং শ্লোকত স্পষ্টভাৱে লিখিছে

ৰোতে দাসীবোৰ সন্তানৱতী হ'লে তেনে সন্তানে গৰাকীৰ
ীতদাসৰ সংখ্যা বৃদ্ধি কৰিছিল মাত্ৰ, আৰু লাভজনক বুলিয়েই
্য কৰা হৈছিল। অৱশ্যে সাধাৰণতে এনে দাসীবিলাকক গৰাকীৰ
জৰ ঘৰৰ কামতে ব্যৱহাৰ কৰা হৈছিল। কিন্তু নামসিদ্ধিকা জাতকত
পালি নামে এজনী তেনে দাসীক মালিকে মাৰপিট কৰি আনৰ
াত কাম কৰিবলৈ পঠাই তাইৰ আৰ্জনৰ ধন লোৱাৰ কথা পোৱা
য়। জাতকবিলাকৰ অনেক ঠাইত অনুৰূপ অনেক দৃষ্টান্ত পোৱা
য়।

সেইদেখি এই কথাত কোনো সন্দেহ নাই যে পৃথিৱীৰ
ন্যান্য দেশবিলাকৰ দৰে প্ৰাচীন ভাৰততো ক্ৰীতদাস-
ীতদাসীবোৰ অবৰ্ণনীয়, অমানৱীয় অত্যাচাৰৰ বলি হৈছিল। আমি
পস্বিনী ৰাবেয়াৰ কাহিনী সৰুতে সাহিত্য পাঠত পঢ়িছিলো। এদিন
ৰৰ দেশত ৰাবেয়াৰ মালিকৰ বৈঠকখানাত কেইজনমান পণ্ডিত-
কিৎসকৰ মাজত মানুহৰ গোৰোহাৰ হাড় এডালৰ আকৃতি সম্বন্ধে
তভেদ হৈ নানা তর্ক-বিতর্ক হ'ল। মালিকে বিনা দ্বিধাই ঘৰৰ দাসী
বেয়াৰ ভৰি কাটি হাড় উলিয়াই চাই নিঃসন্দেহ হৈ ল'বলৈ সুবিধা
ৰি দিলে। প্ৰাচীন ৰোম, গ্ৰীচ, বেবিলন, চীন আদি কোনো দেশতে
স-দাসীৰ জীৱনৰ কোনো মূল্য নাছিল।

এই দাস-দাসীবিলাকেই প্ৰাচীন ভাৰতৰ শ্ৰমিক শ্ৰেণীৰ প্ৰধান
ংশ গঠন কৰিছিল। গতিকে শ্ৰমিকৰ অৱস্থা কেনে আছিল
ালোতে এটা মোটামোটি ধাৰণা আমি প্ৰথমে কৰি ল'ব পাৰোঁ।
যাৰ উপৰি আছিল হাজিৰা বা উপযুক্ত পা�ৰিশ্ৰমিকৰ বিনিময়ত
ইৰা শ্ৰমিক। যিকোনো কৃষি বা শিল্পকৰ্মৰ বাবে ওপৰঞ্চি শ্ৰমিকৰ
য়োজন সকলো যুগতে আছিলেই। সেই ধৰণে নিয়োগ কৰা শ্ৰমিকে
াটি চাহ কৰিছিল, শস্য ৰখিছিল, চপাইছিল, পশুপালন কৰিছিল
াৰু শিল্পকৰ্মবোৰত সহায় কৰিছিল। এইদৰে নিযুক্ত শ্ৰমিকবোৰে
য়োগকৰ্তাৰ গৃহভৃত্যবিলাকৰ লগত একেলগে কাম কৰিছিল। গা-
াটনিৰ দৰকাৰ হ'লে তেনে কামৰ শূদ্ৰসকলৰ ডাক পৰিছিল। ব্ৰাহ্মণ,
ত্ৰিয় আৰু বৈশ্য - এই তিনিবিধ দ্বিজ বা উচ্চবৰ্ণ লোকৰ ঘৰৰ
কলো শাৰীৰিক পৰিশ্ৰমৰ কাম শূদ্ৰবোৰে কৰিছিল। ব্যক্তিগত
লিকৰ নিজা কাম কৰাৰ উপৰিও সেই শূদ্ৰবিলাকেই মজুৰিৰ
িনিময়ত কাম কৰিব লগা হৈছিল বাণিজ্যিক বা শিল্পকৰ্মৰ নিগম
hilds) বিলাকতো। উপৰি উক্ত তিনি জাতিৰ ভিতৰত
শ্যবিলাকেই শ্ৰমৰ চাহিদা সৃষ্টি কৰিছিল সকলোতকৈ বেছিকৈ।
ণ বৈশ্যবিলাকেই কৃষিকৰ্ম, বাণিজ্য, শিল্প-উদ্যোগ, পশুপালন
াৰু বৃত্তিমূলক নিগমবোৰৰ সঞ্চালন কৰি দেশৰ অর্থনীতিৰ গুৰি
াছিল। বৈশ্যবিলাকৰ অনেকেই নিজে নিপুণ শিল্পকৰ্মী আছিল।
ীন ভাৰতত দাস-দাসী, উপযুক্ত পাৰিশ্ৰমিক বা বানচৰ বিনিময়ত
ুক্ত শ্ৰমিক আৰু বাধ্যতামূলক ভাবে কামত লগোৱা বনুৱা—
তিনিবিধ লোকেৰেই শ্ৰমিক শ্ৰেণী গঠিত হৈছিল। তাৰ ভিতৰত
-দাসীবিলাকৰ সামাজিক অধিকাৰ কি ধৰণৰ আছিল, তাৰ এটা
আভাস ওপৰত দিয়া হৈছে।

যিবিলাক শ্ৰমিকে বেতনৰ বিনিময়ত নিজৰ শ্ৰম বিক্ৰী কৰিছিল সেইবিলাকৰ অৱস্থাও বৰ সুখৰ নাছিল। স্থায়ীভাৱে বেতন লৈ কাম কৰা শ্ৰমিকৰ উপৰিও অস্থায়ীভাৱে ক'ৰবাত এদিন, ক'ৰবাত এসপ্তাহ বা এপষ বা মাহেক দিন হাজিৰা কৰা শ্ৰমিকো অসংখ্য আছিল। সেইবিলাকৰ সামাজিক স্থান কিন্তু নিয়মীয়া চাকৰি কৰা বনুৱাতকৈ বহুত তলত আছিল। বনুৱাৰ বেতন মুদ্ৰাৰেও দিয়া হৈছিল। কেতিয়াবা খাদ্য দ্ৰব্যৰেও দিয়া হৈছিল। অনেক সময়ত দুয়ো ধৰণে একেলগে দিয়া হৈছিল বুলি বৃহৎ সংহিতাত কৈছে।

বৃহস্পতি আৰু নাৰদ এই দুই স্মৃতিকাৰে মজুৰি লৈ কামকৰা বনুৱাৰ সম্বন্ধে কিছুমান বিধি-বিধানো দিছে। বৰাহমিহিৰে মানুহৰ ঘৰে ঘৰে কাম বিচাৰি ফুৰা এই ধৰণৰ শ্ৰমিকবোৰৰ দুখ-দুর্গতিৰ কথা বর্ণনা কৰিছে। কোনো শিল্পকৰ্মত কোনোধৰণৰ প্ৰশিক্ষণ নথকা অকল গা-খাটনিৰ ওপৰত নির্ভৰ কৰি চলা এই মানুহবোৰৰ অৱস্থা ক্ৰীতদাস বিলাকতকৈ বেয়া আছিল। ক্ৰীতদাসবোৰে অন্ততঃ গৰাকীৰ ঘৰত দুবেলা-দুমুঠি খাবলৈ পাইছিল। জতিভেদদুষ্ট ভাৰতীয় সমাজৰ নিম্নজাতিৰ মানুহবোৰৰ মাজৰ পৰাই ঘাইকৈ এটা বনুৱা শ্ৰেণী সৃষ্টি হৈছিল। চিৰ উপেক্ষিত এই মানুহবোৰে যিকোনো মজুৰিতে লোকৰ ঘৰত কাম কৰি সীমাহীন দৰিদ্ৰতাৰ মাজত জীৱন অতিবাহিত কৰিছিল। সেইকালত বেহা-বেপাৰ কৃষি, পশুপালন, যিকোনো শিল্প-উদ্যোগ বা বিশেষ কোনো কাৰিকৰী বিষয়ত পার্গতালি থকা মানুহৰ বাবে নিগম (ghilds) আছিল যদিও এই হতভগীয়া শ্ৰেণীটোৰ বাবে তেনে কোনো সংগঠন নাছিল। সেই কাৰণে ভাৰতবর্ষ ঐশ্বর্য আৰু সমৃদ্ধিৰে বিশ্বৰ ভিতৰতে ধনী দেশ বুলি পৰিগণিত হ'লেও এই শ্ৰেণী লোকৰ জীৱন আছিল অন্ধকাৰ ডাৱৰে আৱৰা। জ্ঞান-বিজ্ঞান-যোগ-জ্যোতিষ-ৰাজনীতি-সমাজনীতি আদি সকলো বিষয়তে আগবঢ়া ভাৰতবর্ষত এই নিষ্পেষিত মানুহবোৰৰ বাবে কিঞ্চিৎ চিন্তা কৰা এজনো ৰাষ্ট্ৰনায়ক বা চিন্তানায়কো যে নোলাল সেইটোও এটা পৰম বিস্ময়ৰ কথা। দেশৰ দুই তৃতীয়াংশ লোক অকল দাস আৰু ক্ৰীতদাস হোৱাৰ বাবেই অকল সেই বিলাকৰ ভৰতে ৰোমান সাম্ৰাজ্য ভাগি চুৰমাৰ হোৱাৰ দৰে এই বিপুল সংখ্যক উপেক্ষিত নিষ্পেষিত, দলিত মানুহৰ ভৰতে পতন হৈছিল ইতিহাসত সুপ্ৰাচীন ভাৰতীয় সমাজৰ।

ইয়াৰ উপৰিও আছিল বাধ্যতামূলকভাৱে শ্ৰমদান কৰিব লগা বনুৱা। ৰজাঘৰে বিভিন্ন কাৰণত প্ৰজাৰ পৰা বলপূর্বক শ্ৰম আদায় কৰিছিল। তাৰ অলেখ উদাহৰণ সসাগৰা জম্বুদ্বীপৰ সর্বত্র আছে। আমাৰ অসমৰ আহোম ৰাজত্বৰ কালতো সাধাৰণ প্ৰজাই গা-খাটনি দিব লগা নিয়ম আছিল। কুৰি শতিকাৰ প্ৰথম ভাগলৈকে বৃটিছৰ আমোলতো এই বাধ্যতামূলক শ্ৰমৰ নিয়ম ভাৰতত আছিল। অসমতো বৰ বৰ বিষয়াৰ আগমন হ'লে মৌজাদাৰে কুলি ধৰা প্ৰথাৰ যোগেৰে গাঁৱৰ মানুহ ধৰাই আনি বন কৰিবলৈ লগোৱা নিয়ম

আছিল। এই বাধ্যতামূলক ভাৱে নিযুক্ত বনুৱাৰ ৰীতি ইমান বাস্তব আছিল যে কৌটিল্যৰ অর্থশাস্ত্রত গাঁও আৰু নগৰৰ হিচাপ ৰক্ষকসকলৰ প্রতি এনেকৈ বাধ্যতামূলকভাৱে নিয়োগ কৰা বনুৱাৰ হিচাপ ৰাখিবলৈ নির্দেশ দিয়া আছে দাস আৰু বনুৱা বিষয়ক বিধি সম্বলিত ৬৫ তম প্রকৰণত (ত্রয়োদশ অধ্যায়)। তদুপৰি দ্বিতীয় অধ্যায়ৰ ১৭ নং শ্লোকত।

গুপ্তযুগত এইদৰে বাধ্যতামূলকভাৱে কাম কৰি দিয়া মানুহে ৰজাঘৰত বেলেগে খাজানা দিব নেলাগিছিল। তেনেদৰে বাধ্যতামূলকভাৱে কাম কৰিব নলগীয়াসকলে ৰজাঘৰীয়া ৰাজহ দিব লগাত পৰিছিল। তামৰ ফলিবিলাকৰ পৰা সেই বিষয়ে জনা যায়। ৰজা প্রৱৰসেনৰ ৰাজত্বকালত ভূমি দান দিয়া দুখন তামৰ ফলিত স্পষ্টভাৱে লিখা আছে যে দান দিয়া গাওঁবোৰৰ মানুহৰ ওপৰত বাধ্যতামূলক শ্রমদানৰ নিয়ম প্রযোজ্য নহ'ব। আনহাতে সুদেয়ৰাজ নামৰ এজন ৰজাই দান দিয়া তামৰ ফলিতো স্পষ্টভাৱে খোদিত আছে যে নাগৰৎস আৰু বন্ধুৰৎস নামে যি দুজন ব্রাহ্মণক গাঁওখন দান দিয়া হ'ল, তেওঁলোকৰ আদেশমতে গাঁওবাসীয়ে শ্রমদান কৰিব লাগিব। ৰজা প্রথম শিলাদিত্যই নৱলক্ষ্মী তাম্রলিপিৰ দ্বাৰা তেনেকৈ শ্রমদান কৰোতেও অনুৰূপ চর্ত বান্ধি দিছিল। এইবোৰৰ পৰা সেই সময়ৰ প্রচলিত বাধ্যতামূলক শ্রমদানৰ বিষয়ে জানিব পৰা যায়।

সেই কাৰণে কৃষি কর্মৰ বাবে নিযুক্ত মানুহৰ অৱস্থা কেনে আছিল সেই বিষয়ে বেছি তথ্য পোৱা নেযায়। দেশৰ শতকৰা আশীভাগ মানুহেই কৃষিজীৱী হোৱা কাৰণে লোকৰ কৃষিক্ষেত্রত কাম কৰা মানুহৰ সংখ্যা স্বাভাৱিকতে বৰ বেছি নহ'ব। সেইটো এটা স্বাভাৱিক কথা। অসমত চাহখেতি আৰম্ভ কৰোঁতে অসমীয়া লোকৰ মাজত চাহ বাগিছাত কাম কৰিবলৈ বনুৱা বিচাৰি নেপাওঁতে মুলাৰ নামে চাহাবে সোৱোপা, কানীয়া বুলি শাও-শপনি দিলেও শতকৰা ৮০/৯০ ভাগ নিজৰ মাটিত খেতি কৰা অসমীয়া মানুহে চাহ বাগিছাত কাম কৰিবলৈ নোযোৱাটোৱেই স্বাভাৱিক। কিন্তু জনসংখ্যা বৃদ্ধিৰ লগে লগে আৰু বিভিন্ন যুদ্ধ-বিগ্রহ, ৰাজশক্তিৰ উত্থান-পতন আদিৰ যোগেদি ভূমিৰ মালিকানা সলনি হোৱাৰ ফলত ভূমিহীন শ্রমিকৰ সংখ্যা দেশত বাঢ়িবলৈ ধৰিলে। অর্থাৎ চতুর্বর্ণৰ মাজত আর্থিক ভাৱে দুর্দশাগ্রস্ত শূদ্রৰ সংখ্যা অধিক হ'ল। তেতিয়া ভূ-স্বামী ধনী বৈশ্যসকলে নিজৰ নিজৰ বিস্তীর্ণ কৃষিক্ষেত্রত সহজপ্রাপ্য ভূমিহীন শূদ্র বনুৱাক নিযুক্ত কৰি বিপুল বিত্তশালী হৈ পৰিল। গুপ্ত ৰাজবংশটোৱেই বৈশ্য কুলোদ্ভৱ আছিল। কৌটিল্যই অর্থশাস্ত্রত লিখিছে যে সিতাধ্যক্ষই কৃষিক্ষেত্রসমূহ ক্রীতদাস, হাজিৰা কাম কৰা মানুহ, শ্রমদানকাৰী বনুৱা আৰু ফাটেকিয়াল বন্দীবিলাকৰ দ্বাৰাই কর্ষণ কৰোৱাৰ ব্যৱস্থা কৰিব লাগে। সিতাধ্যক্ষ মানে খাদ্য, কৃষি আৰু ভূমি বিভাগৰ মন্ত্রী।

কৃষিক্ষেত্রত কাম কৰা শ্রমিকৰ মাজত দুই শ্রেণী-ক্রীতদাস আৰু পাৰিশ্রমিকৰ বিনিময়ত নিযুক্ত কৰা [illegible] ক্রীতদাসবোৰে অকল ভৰণ-পোষণহে পাইছিল [illegible] নির্দিষ্ট নিৰিখত বানচ পাইছিল। কাম অৱশ্য কৰোঁতে [illegible] বা বেতন স্থিৰ কৰা হৈছিল। তেনেদৰে নির্দিষ্ট [illegible] নহ'লে উৎপাদিত ফচলৰ এক দশমাংশ শ্রমিকক [illegible] লোৱা হৈছিল। এই কথা অর্থশাস্ত্রতে কোৱা হৈছে। [illegible] আদি স্মৃতিকাৰ সকলেও শ্রমিকৰ বানচৰ নি [illegible] কৌটিল্যই সিতাধ্যক্ষই নিযুক্ত কৰা কৃষি বনুৱাৰ [illegible] পন ধার্য কৰিছে। এক পন মানে ১৪৬ গ্রেইন [illegible] মুদ্রা। কৃষিবনুৱাৰ দৰে পশুপালনত নিযুক্ত বনুৱাৰ [illegible] ঠিক কৰিব লাগিছিল। নকৰিলে পশুপালনৰ পৰা [illegible] দশমাংশ বনুৱাৰ প্রাপ্য বুলি ধৰা হৈছিল। নাৰদে [illegible] ৰাখি দিলে এজনী চেউৰী গৰখীয়াৰ প্রাপ্য বুলি [illegible]

কৌটিল্যই সকলো ধৰণৰ চাকৰিয়ালৰ বেত [illegible] দিছিল। সেইমতে দৈবজ্ঞ, ৰথচালক বা সাৰথি, পুৰো [illegible] কাহিনী কোৱা মানুহ, সভাকবি আৰু বিভিন্ন ৰাজকী [illegible] ১০০০ পনকৈ বার্ষিক পাব লাগিছিল। সৈন্য, লেখ [illegible] ৰক্ষকসকলে বার্ষিক ৫০০ পনকৈ; কাৰিকৰ আৰু কা [illegible] পনকৈ; পৰিচালক, অনুচৰ আৰু পশুপালক সকলে [illegible] আৰু ভেৰী বা শিঙা বজোৱাসকলে ৫০০ পন [illegible] লাগিছিল। তদুপৰি নিপুণ ঘোঁৰাচোৱাৰ, খনিত কা [illegible] বনুৱা, স্থপতি, যাদুকৰ, শিক্ষক আৰু বেদজ্ঞ পণ্ডি [illegible] গুণ আৰু যোগ্যতা অনুসৰি ৫০০ ৰ পৰা ১০০০ প [illegible] বেতন পাইছিল। গাঁৱৰ ধোবাৰ কাম কৰা লোক, ন [illegible] লোক বা গাঁওবুঢ়া আৰু চোৰাংচোৰাই বছৰি ৫০০ প [illegible] সংবাদ বা চিঠি অনা-নিয়া কৰা ডাকোৱালে প্রতি [illegible] বাবে ১০ পনৰ পৰা ২০ পনলৈকে বানচ পাইছি [illegible] দিনত বিভিন্ন বিষয়া আৰু কর্মচাৰীৰ বেতনৰ নিৰিখ [illegible] ১০০০ পনলৈকে ব্যাপ্ত আছিল।

কৌটিল্যৰ অর্থশাস্ত্রৰ বিধানমতে কপাহী [illegible] বাবে তাঁতী বা শিপিনীৰ বানচ ব্যৱহৃত কপাহৰ মূল্য [illegible] ৰেচমী বা উলৰ বস্ত্র প্রস্তুত কৰা বয়নশিল্পীৰ বানচ [illegible] বা উলৰ মূল্যৰ দেৱগুণ বা দুগুণ হ'ব লাগিছিল। ৰজাঘ [illegible] সাধাৰণভাৱে কাপোৰ ধুলে পাইছিল $^{১}/_{৪}$ পন। বি [illegible] লগা হ'লে বানচ বেছি আছিল। ৰৌপ্যকাৰসকলে [illegible] নির্মাণমূল্য এক ৰৌপ্যমুদ্রা। স্বর্ণকাৰসকলে সোণৰ অ [illegible] ব্যৱহৃত স্বর্ণৰ মূল্যৰ এক অষ্টমাংশ গঢ়নি লৈছিল। বি [illegible] পৰা জনা যায় যে ঘাঁহীবিলাকে এদিন ঘাঁহ কাটিলে [illegible] বানচ পাইছিল।

ওপৰঞ্চি সময় কাম কৰাৰ বাবে কোনা [illegible] (Over Time Allowoncu) পোৱাৰ প্রথা না [illegible]

কামত নিযুক্ত শ্রমিক বা কর্মচাৰী নির্দিষ্ট সময়ত কর্মক্ষেত্রত
াস্থিত হ'ব লাগিছিল। কামলৈ আহি প্রকৃততে কাম নকৰিলে
াচ নেপাইছিল। কামলৈ পলমকৈ আহিলে প্রাপ্য বানচৰ ১/৪
শ কটা গৈছিল। শ্রমিক-কর্মচাৰীক ছুটী দিয়াৰ উদাৰ নিয়ম
ছিল। দিনত কামৰ মাজত আৰু বাতি জিৰণিৰ সময় ধৰাবন্ধা
ছিল। উৎসৱাদি হ'লে দৰমহাৰে সৈতে বন্ধ উপভোগ কৰিবলৈ
া হৈছিল। খুব বেছি জৰুৰী কাম নেথাকিলে উৎসৱাদিৰ বন্ধ
ভোগ কৰাত কোনো বাধা নাছিল। ৰাজকর্মচাৰীসকলৰ বা
কানো শ্রমিকৰ অসুখ-বিসুখ হ'লে তাৰ বাবেও ছুটী দিয়াৰ বিধান
ছিল। স্মৃতিকাৰ শুক্রাচার্যই তেওঁৰ স্মৃতিৰ দ্বিতীয় অধ্যায়ত এই
াকৰ বিষয়ে স্পষ্টভাৱে বহু বিধান ৰচনা কৰি গৈছে। কোনো
াই যদি নিজৰ পৰিশ্রমেৰে আশাতীত ধৰণে বেছি উৎপাদন
দেখুৱাব পাৰে বা কোনো নিপুণ কাৰিকৰে যদি আশা কৰাতকৈ
তৰ মানযুক্ত দ্রব্য প্রস্তুত কৰিব পাৰে, তেন্তে নিয়োগকর্তাই
যোগ্য ওপৰঞ্চি পুৰস্কাৰ দিবলৈ বাধ্য আছিল। কৌটিল্য নিজেও
া-কর্মচাৰীক নির্দিষ্ট নিৰিখত লভ্যাংশ (Bonus) দিয়াৰ
পাতী আছিল। সর্বপ্রকাৰ বনুৱা-কর্মচাৰীক নিয়মীয়াকৈ দর্মহা-
ত আদি দিয়া ৰজাঘৰৰ ফালৰ পৰা কর্তব্য বুলি গণ্য কৰিছিল।
তাৰ বিনিময়ত বনুৱা-কর্মচাৰীয়েও আন্তৰিকতাৰে আৰু
ণতাৰে কাম কৰাটো বিচাৰিছিল। কাম কৰিব নোৱাৰিলে বা
ৰিলে বা সম্পূর্ণকৈ নকৰি অৱহেলা কৰিলে অপৰাধ বুলি গণ্য
দণ্ড বিহা হৈছিল। কোনো কাম কৰিব বুলি অগ্রিম ধন লৈ
কাম নকৰিলে জৰিমনাৰ উপৰি কাৰাদণ্ড ভোগ কৰিবও লগা
ল।

কৌটিল্যই বিধান দিছিল যে কোনো শ্রমিকে কাম কৰিব
াৰিশ্রমিক অগ্রিম লৈ যদি পিচত কাম নকৰে, তেন্তে ১২ পন
মনা ভৰিব লাগিব। মনুস্মৃতিত কৈছে যে তেনে অপৰাধত
াধী শ্রমিকে ৮ 'কৃষ্ণল' (তেতিয়াৰ দিনৰ এবিধ মুদ্রা) জৰিমনা
লাগিব লগতে বানচো কটা যাব। বিষ্ণু নামৰ স্মৃতিকাৰৰ
মতে কোনো শ্রমিকে যদি যিমান দিনলৈ কাম সোমাব বুলি
দ্ধ হোৱাৰ পিচত নির্দিষ্ট সময়ৰ আগতেই গুচি যাবলৈ বিচাৰে
সমুদায় বানচৰ টকাতো ঘুৰাই দিব লাগিবই— সেইটোৰ
ৰজাকো ১০০ পন জৰিমনা দিব লাগিব। বৃহস্পতি স্মৃতিত
দিছে যে যদি কোনো শ্রমিকে নিজৰ নির্ধাৰিত কামৰ
শও অসম্পূর্ণ ৰাখে তেন্তে তেওঁৰ গোটেই বানচেই কটা
তদুপৰি বিচাৰালয়ত তেওঁৰ বিচাৰ হ'ব। অকল সেয়েই নহয়
ঠিকমতে নকৰি অসাবধানভাৱে বা অৱহেলাপূর্ণভাৱে কৰিলে
দিনৰ হাজিৰা কাটিবলৈ কৌটিল্যই বিধান দিছে। আজি কালিৰ
শ্রমিক সংগঠনবোৰ প্রাথমিক অৱস্থাৰ কিছু আভাস প্রাচীন
ত পোৱা যায়। যেনে— কোনো নিয়োগকর্তাৰ লগত কাম-
আৰু মজুৰি সম্বন্ধে সমূহীয়াভাৱে আলোচনা কৰি
শ্রমিকসকলে নিজেই নির্ধাৰণ কৰাৰ বিষয়ত কৌটিল্যৰ অনুমোদন আছিল। কিন্তু সমূহীয়াভাৱে সিদ্ধান্ত কৰি নিয়োগকর্তাৰ লোকচান হ'ব লগা কাম কৰাৰ অধিকাৰ দিয়া হোৱা নাছিল। নিয়োগকর্তাৰ বিৰুদ্ধে শ্রমিকসকলৰ তেনে সমূহীয়া ব্যৱস্থা গ্রহণ আইন বিৰুদ্ধ আৰু দণ্ডনীয় আছিল। কিন্তু দৰাচলতে শ্রমিকসকলে সমূহীয়াভাৱে কোনো নিয়োগকর্তাৰ বিৰুদ্ধে তেনে ব্যৱস্থা ল'লেও আইন বৰ কঠোৰভাৱে প্রয়োগ কৰা নহৈছিল। কিন্তু কোনো শ্রমিকে গাইগুটীয়াভাৱে মালিকৰ লোকচান হোৱা কাম কৰিলে কঠোৰ ভাৱে দণ্ড দিয়া হৈছিল।

ক্রীতদাসীবিলাকক ঠাইসৰা, মজিয়া চাফা কৰা, বাচন-বর্তন, কাপোৰ-কানি ধোৱা, ঘৰৰ গিৰিহঁত-গিৰিহঁতনীৰ আলপৈচান ধৰা আদি কামত নিয়োগ কৰা হৈছিল। ৰাজপ্রাসাদৰ দাসীবোৰৰ কাম আছিল ৰজা-ৰাণীৰ সেৱা কৰা। ক্রীতদাসীক সুৰাৰ বিপণীত সুৰা বিক্রী কৰা, চোৰাংচোৱাৰ কাম কৰা আৰু সুৰাসক্ত লোকৰ পৰা সন্দেহ কৰিব নোৱাৰাকৈ গোপন কথা সংগ্রহ কৰা আদি কামত নিয়োগ কৰা হৈছিল। পুৰণি ভাৰতত ধুনীয়া তিৰোতাই গণিকা বৃত্তি গ্রহণ কৰাৰ অলেখ উদাহৰণ আছে। ৰাজসভাতো গণিকাহঁতে স্থান পাইছিল। বৃদ্ধাৱস্থাত তেনে গণিকাই দাসীৰ কাম কৰি জীৱিকা অর্জন কৰিছিল। শিল্প-উদ্যোগ আদিতো স্ত্রী-শ্রমিকৰ কাম আছিল আৰু তাৰ বাবে বানচো পাইছিল। কাপোৰ বা সূতাত ৰাং দিয়া, চিলাই কৰা বা কাপোৰত ফুল বছা কাম কৰা, পাচি-খৰাহি সজা এনে ধৰণৰ হাতৰ কাম তিৰোতাই কৰিছিল। ৰজাঘৰীয়া সূতা-কটা আৰু বয়ন কেন্দ্রবিলাকত তিৰোতা বনুৱাই কাম কৰিছিল। সাধাৰণতে নিৰাশ্রয়া বয়সীয়া তিৰোতা, কেওঁ-কিছু নোহোৱা সন্যাসিনী, বৃদ্ধা গণিকা বা দেৱদাসী, পতিতা আৰু অনাথ কম বয়সীয়া যাৰ নিজৰ জীৱিকা নিজে নুলিয়ালে জীৱন কটোৱা অসম্ভৱ তেন্তে তিৰোতায়েই শিল্প-উদ্যোগবিলাকত কাম বিচাৰি লৈছিল। তদুপৰি মদ প্রস্তুত কৰা সুৰাকেন্দ্রবিলাকতো তিৰোতাই কাম কৰিছিল। এই বনুৱা তিৰোতাবোৰৰ সতীত্বৰক্ষাৰ কোনো নিশ্চয়তা নাছিল। নিয়োগকর্তাই মনোৰঞ্জনৰ বাবে তিৰোতাকর্মীক যথা ইচ্ছা ব্যৱহাৰ কৰিব পাৰিছিল। কৌটিল্যৰ অর্থশাস্ত্রতে উপৰি উক্ত সকলো তথ্যৰ সন্ভেদ আছে।

সূত্রাধ্যক্ষ নামে এজন ৰাজবিষয়াই বনুৱা তিৰোতাবোৰৰ মজুৰিৰ পৰিমাণ নির্দিষ্ট কৰি দিছিল। মুখৰ সৌন্দর্য আৰু দেহাৰ গঠন অনুযায়ী একোজনী গণিকাৰ প্রাপ্য ধনৰ পৰিমাণ নির্দিষ্ট হৈছিল। ক্রীতদাসীবোৰৰ কোনো প্রাপ্যই নাছিল। অর্থশাস্ত্রৰ দ্বিতীয় অধ্যায়ৰ ১৩, ১৮, ২৭ আৰু ৩৩ শ্লোকত কোনো কামত নিযুক্ত তিৰোতা বনুৱাই যদি কাম নকৰে বা কৰিবলৈ অসন্মত হয় তেন্তে তাৰ বাবেও শাস্তিৰ বিধান আছে। প্রয়োজন হলে হাতৰ বুঢ়া আঙুলি কাটি পেলোৱাৰ বিধানো আছিল। কোনো গণিকাই যদি কাৰোবাক দেহদান কৰিবলৈ অসন্মত হয় তেন্তে তাইৰ নির্দিষ্ট প্রাপ্য ধনৰ দুগুণ জৰিমনা ভৰিব লাগিছিল।

প্ৰাচীন ভাৰতৰ শিশু শ্ৰমিকৰ হতুৱায়ো কাম কৰোৱা প্ৰথা আছিল। আঠ বছৰৰ তলৰ শিশুকো অতি নিকৃষ্ট কামত লগোৱা হৈছিল। ক্ৰীতদাসৰ সন্তান-সন্ততিয়ে জন্মৰ পৰা মৃত্যু পৰ্যন্ত দাস হৈয়ে জীৱন কটাব লগাত পৰিছিল।

গতিকে এই কথা নিশ্চিত ভাবে ক'ব পাৰি যে প্ৰাচীন ভাৰতত শ্ৰমিক শক্তিৰ সংগঠন আৰু সঞ্চালনত অন্য প্ৰাচীন দেশ আৰু সভ্যতাৰ তেনে ব্যৱস্থাৰ লগত তুলনা কৰিলে আচলতে গৌৰৱ কৰিবলগীয়া বা আদৰ্শনীয় একো নাছিল। শ্ৰমিকসকলৰ অৱস্থা মজলীয়া ধৰণৰ আছিল। দাস প্ৰথা অন্য দেশৰ দৰেই অমানুষিক আৰু বৰ্বৰ আছিল। স্ত্ৰী-শ্ৰমিকৰ প্ৰতি অবিচাৰ অমৰ্যাদাপূৰ্ণ ব্যৱহাৰত একে ধৰণৰ গ্লানিয়েই প্ৰকাশ পাইছিল আৰু শিশু শ্ৰমিকৰ প্ৰথাৰ দৰে নিষ্ঠুৰ ব্যৱস্থাবো প্ৰচলন আছিল।

মাত্ৰ ভাবিলে আচৰিত হ'ব লাগে যে যিখন ভাৰতবৰ্ষৰ মানুহে হেজাৰ হেজাৰ বছৰৰ আগতেই নিম্নোক্ত যজুৰ্বেদৰ শ্লোকেৰে স্তুতি কৰিছিল সেইখিনি মানুহেই ইমান নিষ্ঠুৰ ব্যৱহাৰ কৰিব পাৰিছিল কেনেকৈ! যজুৰ্বেদৰ উল্লিখিত ৩৬-১৮ শ্লোকটো হ'ল—

মিত্ৰস্য মা চক্ষুষা সৰ্ব্বানি ভূতানি সমীক্ষন্তাম্।
মিত্ৰস্যাহং চক্ষুষা সৰ্ব্বানি ভূতানি সমীক্ষে।
মিত্ৰস্য চক্ষুষা সমীক্ষামহে।।

অৰ্থাৎ— 'সকলোৱেই মোক বন্ধুভাৱে চাওক। মই যেন সকলোকে বন্ধুভাৱ চাব পাৰো। আমি [illegible] মিত্ৰকপে চাব পাৰোঁ।'

এইখন ভাৰতৰ মানুহে ঋকবেদৰ [illegible] জানত গাইছিল—

কি চক্ৰ মে পৃথিবীম এষ এতাং কেতায় [illegible]
ধ্ৰুবাসী অসা কীৰয়ো জনাস উৰুক্ষিতিং [illegible]

অৰ্থাৎ— 'বিষ্ণুয়ে এই পৃথিবী [illegible] ছিচাপে দিবলৈ। তেওঁৰ চৰণত ক্ষুদ্ৰ লোকেও পৃথিবী সকলোকে আশ্ৰয় দিব পৰাকৈ বিস্তীৰ্ণ

যিখন দেশৰ মানুহে এনে বিশ্ববন্ধুত্বৰ [illegible] পাৰিছিল— এই বিপুলা পৃথিবীত সাধাৰণ লোকৰ অধিকাৰ মানি লোৱাৰ দৰে আধ্যাত্মিক গৰিমা লাভ ভাৰতৰে ঋষি কৌটিল্য, নাৰদ, বৃহস্পতি, শুক্ৰাচাৰ্য আদি স্মৃতিকাৰসকলে আইন প্ৰণয়ন কৰোঁতে ক্ৰীতদাস-ক্ৰীতদাসীৰ প্ৰতি, শিশু-শ্ৰমিকৰ প্ৰতি [illegible] মানি লৈছিল কেনেকৈ? বুৰঞ্জীৰ সেই অধ্যায় তমসাচ্ছন্ন যুগত সমাজ-মনত সামান্যভাৱে [illegible] নুঠিল আকাশ চোৱা ভাৰতীয় জ্ঞানৰ জেউতিৰ [illegible] সেই কথা ইতিহাসৰ এক সাঁথৰ। ❑

শিল্পাচার্য ইন্দ্রেশ্বৰ বৰঠাকুৰৰ শিল্প-চিন্তা

নৱেন কলিতা

জ্যোতিপ্রসাদ আগৰৱালা, বিষ্ণুপ্রসাদ ৰাভা, ইন্দ্রেশ্বৰ বৰঠাকুৰ আদি অগ্রণী শিল্পীসকলৰ প্রত্যেকেই নিজৰ নিজৰ শিল্প-চিন্তাৰ উল্লেখেৰে একাধিক ৰচনা লিখি থৈ গৈছে। এওঁলোকৰ ৰচনাৰ সার্বজনীন দিশটো হৈছে শিল্পই দিব পৰা আনন্দ। কিন্তু প্রত্যেকৰে শিল্প-বিশ্লেষণৰ উপায় আৰু প্রকৃতি সুকীয়া সুকীয়া। জ্যোতিপ্রসাদৰ ৰচনাৱলী আৰু তাৰ পিছত বিষ্ণুপ্রসাদ ৰাভাৰ ৰচনাৱলী প্রকাশ হোৱাৰ ফলত দুয়োগৰাকী প্রাতঃস্মৰণীয় শিল্পীৰ শিল্প-চিন্তাৰ বিষয়ে সম্যক ধাৰণা কৰিব পৰা হৈছে। একেদৰে ১৯৯৮ চনত শিল্পাচার্য ইন্দ্রেশ্বৰ বৰঠাকুৰৰ ৰচনাৱলী প্রকাশ হোৱাৰ পিছত, এইগৰাকী ওজা শিল্পীৰ ধ্যান-ধাৰণা আৰু শিল্পকর্মৰ বিষয়ে জানিব পৰা হৈছে। শিল্প-চিন্তাৰ বিষয়ত ইন্দ্রেশ্বৰ বৰঠাকুৰ আৰু বিষ্ণুপ্রসাদ ৰাভাৰ মাজত অধ্যয়নৰ গভীৰতাৰ ক্ষেত্রত সাদৃশ্য দেখিবলৈ পালেও, বৰঠাকুৰৰ দৃষ্টিভংগী ৰাভাতকৈ পৃথক বুলি ক'ব পাৰি।

ইন্দ্রেশ্বৰ বৰঠাকুৰৰ ৰচনাৱলীৰ প্রথম খণ্ডত ওজা শিল্পীগৰাকীয়ে অভিনয়, নাট, সংগীত, নৃত্য আৰু চিত্রৰ বিষয়ে লিখা পাঁচখন প্রশস্ত ৰচনাৰ উল্লেখ আছে। এইকেইখনৰ উপৰি সপ্তম খণ্ডত অন্তর্ভুক্ত হৈছে সপ্তপর্ণ আৰু মালচী নামৰ তত্ত্বগধুৰ প্রবন্ধৰ দুটি সংকলন। ৰাধা-কৃষ্ণ অর্থাৎ ভাৰতীয় আনন্দতত্ত্ব এই দুয়োখন গ্রন্থৰ উপজীব্য সম্পদ। কৃষ্ণ-সংস্কৃতি বিশ্লেষণৰ ক্ষেত্রত ৰাভা বা আগৰৱালাৰ লগত সমজাতীয় চিন্তাৰ প্রৱাহ এটা লক্ষ্য কৰিব পাৰি যদিও বৰঠাকুৰৰ চিন্তাৰ স্বতন্ত্রতা দুয়োখন ৰচনাৰ মাজত স্পষ্ট হৈ পৰিছে। দুয়োখন ৰচনাৰ মাজেৰে চিন্তাবিদ শিল্পীগৰাকীয়ে একোটা শিল্পৰূপক অসীম শক্তিশালী ঈশ্বৰৰ অভিব্যক্তি বুলিহে গ্রহণ কৰিছে, কোনো প্রতিমাক উপাসনাৰ বিগ্রহ বুলি ক'ব খোজা নাই। উল্লেখযোগ্য যে উপাসনাৰ যিকোনো বিগ্রহেই শাস্ত্রীয় ধ্যানমন্ত্রৰ বক্তব্য প্রকাশ কৰে। কিন্তু ভাৰতবর্ষত এনে বিগ্রহৰ সংখ্যা বহু কম বুলিয়েই ক'ব খোজে ড° নিহাৰৰঞ্জন ৰয়ে। (তেওঁৰ 'আইডিয়া এণ্ড্ ইমেইজ্' গ্রন্থ দ্রষ্টব্য)। ভাৰতবর্ষত সৰহখিনি মূর্তিয়েই শিল্পীৰ হৃদয়ৰ ভাবৰ ৰূপ-বর্ণময় প্রকাশ বুলি তেওঁ ধাৰণা কৰে। শিল্পাচার্য ইন্দ্রেশ্বৰ বৰঠাকুৰেও মূর্তি বা প্রতিমাৰ মাজেৰে ঈশ্বৰৰ সীমাহীন সৌন্দর্যৰ প্রকাশ ঘটিছে বুলি ভাবে। এই ক্ষেত্রত মূর্তি-নির্মাণত তেওঁ ৰচনা বৈচিত্র্য প্রকাশ কৰা দুটা উদাহৰণ ৰচনাৱলীখনৰ পৰাই তুলি দিয়া হ'ল (মুখবন্ধ ঃ পৃষ্ঠা ০.২৮)

১) ১৯২৫ চনত বৰঠাকুৰে নলবাৰীত থাকোঁতে সৰস্বতীৰ প্রতিমা এখন সাজিছিল। প্রতিমাখন তিনিটা স্বতন্ত্র অথচ পৰস্পৰ এডাল সূতাৰে সম্বন্ধিত বিস্ময়কৰ ৰচনা। মূর্তিকেইটা হৈছে দেৱী সৰস্বতী, সন্মুখত দুখন হাতৰ এখনত পদুম আৰু আন এখনত ভেটফুল লৈ অঞ্জলি দিবলৈ তিতা গাৰে সাজু হোৱা কালিদাস আৰু এগৰাকী বৃদ্ধা। দেৱী সৰস্বতীক কিহেৰে অঞ্জলি দিব, এই কথা ভাবি দোধোৰ-মোধোৰত পৰা কালিদাসক পানীত বুৰ মাৰি যি পায় তাৰেই অঞ্জলি দিবলৈ উপদেশ দিয়া আলৰ বুঢ়ীগৰাকী। এই তিনিওৰে ৰূপ-বর্ণময় সংৰচনাই হৈছে প্রতিমাখন। মূর্তিজনা চাবলৈ মানুহ হিলদল ভাঙি ল'ৰি আহিছিল। আলৰ বুঢ়াগৰাকীৰ মূর্তি এনে জীৱন্ত হৈছিল যে তামোল খুন্দি থকা এজনী দর্শনার্থী বুঢ়ীয়ে খুন্দা তামোল খুৱাবলৈ জোৰ কৰি ধৰিছিল। এয়ে আছিল শিল্পী বৰঠাকুৰৰ সফলতাৰ শ্রেষ্ঠ পুৰস্কাৰ।

২) দ্বিতীয় উদাহৰণটোও সৰস্বতীৰ প্রতিমা। নগাঁৱত সাজিছিল ১৯৪১ চনত। এই কামত

ৰঠাকুৰৰ সহযোগী আছিল অসমৰ আন এগৰাকী ওজা শিল্পী যুগল দাস। প্ৰতিমাখনৰ বিষয় আছিল বিখ্যাত 'মা নিষাদ' শ্লোকটো। সেয়ে প্ৰতিমাখনত সৰস্বতীৰ লগত আছিল বাল্মীকি, ক্ৰৌঞ্চ-চৰাইটো আৰু ব্যাধ।

প্ৰবন্ধৰ আৰম্ভতে প্ৰতিমা নিৰ্মাণৰ ক্ষেত্ৰত ৰঠাকুৰৰ সিদ্ধহস্ততাৰ কথা আলোচনা কৰাৰ মূল কাৰণ হৈছে এই লেখকে শিল্পাচাৰ্যগৰাকীক নিখুঁতকৈ কৰা প্ৰতিমাৰ খনিকৰ বুলি গণ্য কৰিব খোজে। এই ক্ষেত্ৰত যুগল দাস, প্ৰদীপ চলিহা আদিয়েও প্ৰতিমা নিৰ্মাণত দেখা পোৱা ৰঠাকুৰৰ সিদ্ধহস্ততাৰ কথা কৈ গৈছে। প্ৰদীপ চলিহাই তেওঁক নিজৰ শিল্পগুৰু বুলিও অকপটে গ্ৰহণ কৰিছে।

মৃন্ময় প্ৰতিমা-নিৰ্মাণত ৰঠাকুৰ অতিশয় সিদ্ধহস্ত পুৰুষ আছিল। তেওঁ প্ৰতিমা-নিৰ্মাণৰ কাৰণে নিজা কৌশল উদ্ভাবন কৰি লৈছিল। যুগল দাসে কৈছে যে ৰঠাকুৰে প্ৰতিমা-নিৰ্মাণত কেতিয়াও সাঁচ ব্যৱহাৰ কৰা নাছিল। ফলত প্ৰতিজনা মূৰ্তিৰ মুখমণ্ডলৰ মাজেৰে শিল্পীয়ে বিচৰা ভাব প্ৰকাশ কৰিব পাৰিছিল। আনহাতে মুখমণ্ডলৰ সমতা নিৰ্ণয় কৰিছিল মাটিৰ চাকিৰ অনুজ্বল পোহৰত। তেওঁ প্ৰতিমাত ৰং-ৰৰণ সনা পদ্ধতি আহৰণ কৰিছিল অসমৰ পুথিচিত্ৰৰ পৰা। প্ৰতিমাৰ চকুযুৰি অংকনত ৰঠাকুৰে বিশেষ গুৰুত্ব দিছিল আৰু এই ক্ষেত্ৰত এটা নিজস্ব পদ্ধতি উদ্ভাবন কৰি লৈছিল। প্ৰদীপ চলিহাই কৈছে যে তেওঁ নিৰ্মাণ কৰা প্ৰতিমা আৰু চিত্ৰত ৰঠাকুৰৰ পৰাই আহৰণ কৰা শিক্ষাৰ ফল প্ৰকাশ পাইছিল চকু অঙ্কনত।

আগত উল্লেখ কৰি অহা হৈছে যে শিল্পাচাৰ্য ইন্দ্ৰেশ্বৰ ৰঠাকুৰে অভিনয়, নাট, সংগীত, নৃত্য আৰু চিত্ৰ এই পাঁচটা বিষয়ৰ পাঁচটা দীঘলীয়া প্ৰবন্ধ লিখি থৈ গৈছে। এই পাঁচটা প্ৰবন্ধৰ সংকলনটোক 'পঞ্চ প্ৰদীপ' নাম দিছিল।

অভিনয় প্ৰসংগৰ প্ৰদীপ গছিত ৰঠাকুৰে ৰসৰ কথা আলোচনা কৰিছে। তেওঁ ৰসৰ সংজ্ঞা আহৰণ কৰিছে ভৰতমুনিৰ নাট্যশাস্ত্ৰৰ পৰা। ৰসৰ উৎপত্তি প্ৰসংগত ভাৰতবৰ্ষত বিকাশ লাভ কৰা তিনিওটা মতবাদ, যেনে— মীমাংসকৰ উৎপত্তিবাদ (ভট্টলোল্লট পৰম্পৰা), নৈয়ায়িক শংকুকৰ অনুমিতিবাদ আৰু সাংখ্যবাদী ভট্টনায়কৰ ভুক্তিবাদ আলোচনা কৰিছে। ইয়াৰ বাহিৰেও ৰঠাকুৰে অভিনৱ গুপ্তৰ সিদ্ধান্ত বিশ্লেষণ কৰিছে। অভিনব গুপ্তই ৰচনা কৰা নাট্যশাস্ত্ৰৰ অভিনৱ ভাৰতী টীকাত উল্লেখিত তিনিওটা মতবাদ খণ্ডন কৰিছে। ৰঠাকুৰে তেওঁৰ আলোচনাৰ কাৰণে অভিনৱ-ভাৰতী গ্ৰহণ কৰিছে।

ৰঠাকুৰৰ লেখাৰ পৰা বুজিব পাৰি যে তেওঁ অভিনৱ গুপ্তক প্ৰাচীন কামৰূপৰ মানুহ আছিল বুলি ভাবিছিল। ড° কে. চি. পাণ্ডে নামৰ আন্তৰ্জাতিক খ্যাতিসম্পন্ন পণ্ডিতগৰাকীয়েও প্ৰথমতে অভিনৱ গুপ্তক কামৰূপৰ বুলিয়েই ভাবছিল। কিন্তু অধিক গৱেষণাৰ পৰা তেওঁ বিচাৰি পালেগৈ যে নাট্যশাস্ত্ৰ আৰু ধ্বন্যালোক আদিৰ টীকাকাৰ অভিনৱ গুপ্ত প্ৰকৃততে কাশ্মীৰৰ পণ্ডিত আছিল। নাট্যশাস্ত্ৰৰ টীকা অভিনৱ-ভাৰতী দক্ষিণ ভাৰতত থকা সেই টীকা উদ্ধাৰ হোৱাৰ পিছত অৰ্থ আৰু তাৎপৰ্য জনাত বিশেষ সহায়ক হৈ ভৰতমুনিৰ নাট্যশাস্ত্ৰ আৰু অভিনৱ গুপ্তপাদৰ পঢ়িছিল আৰু ৰসনিষ্পত্তি প্ৰসংগৰ সাধাৰণীকৰণ কৰিছিল।

নাটকৰ ৰস জীৱন্ত কৰিবলৈকে অভি 'সৰ্বসাধাৰণে বুজিব পৰা আংগিক আৰু শাৰীৰি কৰিব ৰসাত্মক বাক্যক প্ৰাণৱন্তকৈ প্ৰকাশ কৰাই (ৰচনাৱলী, পৃ.৬)। পাশ্চাত্য নাট্য-সাহিত্যত নাট অনুকৰণ বুলি কোৱা হয়। কিন্তু ভাৰতীয় পৰ হৈছে পুনৰনিৰ্মাণ। নাটকত থকা দেৱ-দেৱতাৰ সম্ভৱ নহয়। অভিনয়ত নাটকীয় চৰিত্ৰৰ সাজ-পো অনুকৰণ হ'ব পাৰে, তাৰ চিত্তবৃত্তি আংগিক-বিক্ষে অথবা নাটকীয় ঘটনাৰ অনুকৰণ হ'ব নোৱাৰে; কি প্ৰত্যক্ষে দেখা কথা নহয়। যাক প্ৰত্যক্ষে দেখ অনুকৰণ সম্ভৱ। অভিনয়ত সাধাৰণীকৃত অংশ বাজে কোনো ব্যক্তিগত অভিব্যক্তিৰ কথা সেইহে সাধাৰণীকৰণৰ উপায়েই হ'ল অভিনেতাৰ শিক্ষা বিষয় (ৰচনাৱলী, পৃ.৭)।

সাধাৰণীকৰণ বিষয়টো বিশ্লেষণ কৰাৰ ভৰতমুনিৰ নাট্যশাস্ত্ৰৰ মহত্ব আৰু ৰসকেন্দ্ৰিক বিষয়বোৰ (অংগ-প্ৰত্যংগৰ সঞ্চালন-প্ৰক্ৰিয়া সা কৰিছে। ৰঠাকুৰৰ মতে ভৰতমুনিৰ নাট্যশাস্ত্ৰই অভিনয় প্ৰসংগত বিশ্বৰ প্ৰথম শাস্ত্ৰ। মন্দিৰতে ঘটিছিল। ৰঠাকুৰে এই প্ৰসংগত কামৰূপত ধাৰাটো আলোচনা কৰিছে। পুৰাণ উল্লেখিত কামৰূপৰ নাট্যচৰ্চাৰ কেন্দ্ৰস্থল বুলি কৈছে। নাটক মহাপুৰুষ শংকৰদেৱে নাট-অভিনয়ক অসমত তোলে (ৰচনাৱলী, পৃ, ১০)। ৰঠাকুৰৰ এই তাৎপৰ্যপূৰ্ণ। কিয়নো অসমেই নহয় সমগ্ৰ ভাৰতবৰ্ষত 'শূৰ্পণখাৰ মনোমোহা ৰূপৰ চমক' ক্ষতিৰ কাৰক অসমীয়া ভাওনাই নাট্যশাস্ত্ৰোক্ত নাট্যধৰ্মী চৰিত্ৰ পেলাইছে। 'পাত্ৰৰ গাত ভেৰোণীয়া ৰাজপোছাক কপালে হাত দিব লগাত পৰে' (ৰচনাৱলী, পৃ. ১৬) অসমৰ পৰম্পৰাগত নাট্যভিনয় ক্ষতিগ্ৰস্ত হোৱা অনেক খেদ কৰিছে।

ৰঠাকুৰৰ পঞ্চ-প্ৰদীপৰ দ্বিতীয় গছি প্ৰদীপ লেখাটোত বেদৰ আবৃত্তিত নাটৰ উৎপত্তি হোৱা বিষয় কৰাৰ পিছত নাট্যশাস্ত্ৰৰ জন্ম, বিষয়বস্তু, দশৰূপক, আদি নৃত্যৰ উপকৰণ, কালিদাস-ভৱভূতি প্ৰমুখ্যে নাট্যকাৰৰ বিষয়ে ৰঠাকুৰে নিজৰ মন্তব্য আগবঢ়াই পিছত তেওঁ বিস্তাৰিতভাৱে বিশ্বৰ বিভিন্ন প্ৰান্তৰ,

ইটালি, ফ্রান্স, ইংলণ্ড আদি দেশৰ নাট্য-আন্দোলনৰ বিষয়ে আলোচনা কৰিছে আৰু এনে সিদ্ধান্তত উপনীত হৈছে যে ভাৰতীয় নাট্য পৰম্পৰাৰ লগত উল্লেখিত দেশবোৰৰ নাট্য পৰম্পৰাই সমানে কৃতিত্বৰ অংশীদাৰ হ'ব নোৱাৰে। বিশ্ব-নাট্য পৰম্পৰাৰ লেখাবোৰৰ পৰা এইটো সহজতে ক'ব পাৰি যে ৰৱঠাকুৰৰ অধ্যয়ন বৰ বিস্তৃত পৰ্যায়ৰ আছিল। বাস্তৱিকতে নাটৰ ৰে এটা বিষয়ৰ ক্ষেত্ৰত মন্তব্য দিবলৈ ৰৱঠাকুৰে অধ্যয়নৰ পৰা আহৰণ কৰা জ্ঞানৰ পৰিসৰ দেখিলে যিকোনো পাঠকেই বিস্ময়াভিভূত হ'ব লগা হ'ব।

লেখাটোৰ অন্তিম ছেদ দুটাত (ঙ আৰু চ) ওজাপালিৰ পৰা আৰম্ভ কৰি অসমৰ নাট্য-আন্দোলনৰ বিষয়ে এক প্ৰায় পূৰ্ণাঙ্গ গতিয়ান দাঙি ধৰা হৈছে। অসমৰ নাটৰ বুকুত বঙলুৱা নাটৰ অনুপ্ৰৱেশ ঘটা দেখা পাই ৰৱঠাকুৰে বৰ বেদনা অনুভৱ কৰিছিল। ামনি অসমত বঙালী যাত্ৰা আৰু উজনিত বাইগান সোমাই অসমৰ ধ্ৰুপদী পৰম্পৰাক বাৰুকৈয়ে ক্ষতিগ্ৰস্ত কৰিছে। এই ক্ষত্ৰত ৰৱঠাকুৰে অসমীয়া মানুহকে দোষাৰোপ কৰিছে— াংগালাৰে কথা পাতি বাংগালীসকলক অনুকৰণ কৰি গৌৰৱ নুভৱ কাৰিলে' (ৰচনাৱলী, পৃ. ৫১)। পশ্চিমৰ পৰা প্ৰৱেশ কৰা থিয়েটাৰ শিল্পৰূপটোৱে ৰৱঠাকুৰৰ মতে অসমৰ নাট্যলীলাৰ াহ্নিকে কঁপাই তুলিছে। অসমত থিয়েটাৰ শিল্পৰূপটো বিলাতফেৰৎ' হৈ বংগদেশৰ মাজেৰে আহি প্ৰৱেশ কৰিছেহি। অসমৰ মানুহৰ নতুন সৃষ্টি কৰাৰ কিবা হেঁপাহ থাকিলেও সুবিধাৰ ভাৰত নাট্যকাৰসকলে বংগদেশৰ আৰ্হিকে গ্ৰহণ কৰিব লগা ’ল। অসমত নাটকৰ নতুন যুগৰ সূচনা এনেদৰেই হ'ল। ৰৱঠাকুৰে এই নতুন নাটক আৰু নাট্যকাৰসকলৰ বিষয়ে তথ্যসমৃদ্ধ ালোচনা কৰিছে। তাৰ সমান্তৰালভাৱে আলোচনা কৰিছে াট্যশিল্পলৈ অসমীয়া মানুহৰ নিম্ন ৰুচিবোধ আৰু ভাৱনা অৱক্ষয়ৰ ষয়ে। তেওঁৰ মতে ভাৱনা ভাৰতৰ গৌৰৱ, অসমীয়া জাতিৰ জয় নিচান। একেদৰে— ৰংগমঞ্চ বিলাস-ভৱন নহয়। সি টবাজ ৰংগনাথৰ মন্দিৰ, অভিনয় তাৰ পূজা-উপচাৰ (ৰচনাৱলী, . ৫৮)।

'ন সংগীতাৎ পৰা বিদ্যা'— সংগীত এক মহৎ বিদ্যা। াঞ্চ-প্ৰদীপৰ তৃতীয় গছি বস্তি হৈছে সংগীত। অসমৰ ৰাইজে ানে (অথবা পাহৰিবও পাৰে) যে ৰৱঠাকুৰৰ শিৰাই-উপশিৰাই াৰতীয় শাস্ত্ৰীয় সংগীতৰ সুৰ-ফল্গুধাৰা প্ৰৱাহিত হৈ আছে। ৱঠাকুৰৰ সমকালীন সমাজত ভাল ঘৰৰ ল'ৰাই সংগীত শিকাটো াষিদ্ধ আছিল। তেওঁৰ জ্যেষ্ঠ পুত্ৰ বিশিষ্ট শিক্ষাবিদ নীলৰঞ্জন ৰৱঠাকুৰৰ পৰা জানিব পৰা মতে তেওঁৰ পিতৃজনাই ল'ৰাকালত গধূলি সংগোপনে, অভিভাৱকৰ চকুৰ আঁৰেদি, ওচৰতে থকা মুচিয়াৰ এটাৰ ঘৰত তবলাৰ তালিম লৈছিল (ৰচনাৱলী, মুখবন্ধ, পৃ. ০.১৬)। ভাৰতীয় সংগীতত শ্ৰুতি-স্বৰ আদিৰ সংখ্যা, ব্যৱধান, কম্পন আদি বিবিধ দিশৰ বিষয়ে ৰৱঠাকুৰে ভাৰতীয় সংগীত-শাস্ত্ৰৰ আধাৰতে লিখি তেওঁৰ তৃতীয় বস্তিগছি পূৰ্ণাংগ কৰি তুলিছে। এই লেখাটোত তেওঁৰ বিস্তৃত অধ্যয়নৰ পৰিচায়ক।

ৰৱঠাকুৰৰ লেখাৰ এটা বিশেষ বৈশিষ্ট্য হৈছে তেওঁ যিটো বিষয়ৰ কথাকে কওক, তাৰ মাজত অসমৰ স্থান নিৰ্দ্ধাৰণ কৰাটো তেওঁৰ এক সবল প্ৰচেষ্টা আছিল। সংগীতৰ বেলিকাও অসমৰ সংগীত-ঐতিহ্য, মহাপুৰুষ শংকৰদেৱৰ সৃষ্টি, অসমত প্ৰচলিত ৰাগ আদিৰ বহল আলোচনা তৃতীয় বস্তিগছিৰ মাজত কৰিবলৈ পাহৰা নাই।

ৰৱঠাকুৰে ৰচনা কৰা চতুৰ্থ বস্তিগছি হৈছে নৃত্য-প্ৰসংগৰ। তেওঁ ইয়াত ভাৰতীয় শাস্ত্ৰোক্ত তাণ্ডৱ-লক্ষণ, হস্তাভিনয়, গতি-প্ৰচাৰ আদি বিবিধ বিষয়ৰ আলোচনাৰ সমান্তৰালভাৱে ভাৰতীয় নৃত্য-ঐতিহ্যৰ বিভিন্ন অভিব্যক্তিৰ কথাও আলোচনা কৰিছে। মণিপুৰী নৃত্যৰ বিষয়ে তেওঁ এক মনোজ্ঞ আলোচনা কৰিছে। ৰৱঠাকুৰে এটা মনোযোগ আকৰ্ষক মন্তব্য আগবঢ়াই কৈছে যে অসমৰ অবৈতনিক মঞ্চবোৰত ল'ৰাই নচা নাচবোৰক অসমৰ নাচ বুলি স্বীকৃতি দিয়া উচিত (ৰচনাৱলী, পৃ. ১০২)। কিয়নো এই নাচবোৰ অসমীয়া ল'ৰাই নচা নাচ।

প্ৰবন্ধৰ আৰম্ভণিতে চিত্ৰ আৰু ৰৱঠাকুৰৰ চিত্ৰকৰ্মৰ বিষয়ে আলোচনা কৰা হৈছে। ৰৱঠাকুৰৰ পঞ্চম বস্তিগছি হৈছে চিত্ৰ। ৰৱঠাকুৰৰ মতে আঁকৰ আকাৰেই আলেখ্য বা চিত্ৰ। এই মন্তব্যৰ পৰা বুজিব পাৰি যে ৰৱঠাকুৰে চিত্ৰ-ৰচনাৰ বেলিকা ৰেখাৰ ওপৰত বিশেষ গুৰুত্ব দিছিল। ৰৱঠাকুৰৰ বিষয়ে লিখিবলৈ গৈ যুগল দাসে কৈছিল যে শিল্পাচাৰ্য উপাধিটো ৰৱঠাকুৰক কোনেও দিয়া নাছিল; এইটো তেওঁৰ স্ব-উপাৰ্জিত উপাধি। ভাৰতীয় চিত্ৰ-সূত্ৰত উল্লেখ আছে যে 'ৰেখাং প্ৰশংসয়ন্তি আচাৰ্য্যাঃ বৰ্তনাঞ্চ বিচক্ষণাঃ।'— আচাৰ্যসকলে ৰেখাৰ প্ৰতি বিশেষ দৃষ্টি দিয়ে আৰু ওজাসকলে চিত্ৰৰ বৰ্তনা গুণৰ ওপৰত গুৰুত্ব দিয়ে। ওজাসকল হৈছে শিল্পবিদ্যাৰ বিচক্ষণ বিচাৰক (Connoisseur), বা ৰসগ্ৰাহী পণ্ডিত। ৰৱঠাকুৰ আছিল আচাৰ্য আৰু সমানেই ৰসগ্ৰহী পণ্ডিত। আচাৰ্যৰ ৰূপত তেওঁ আদৰ্শস্থানীয় আছিল আন এজন ওজাশিল্পী যুগল দাসৰ আৰু গুৰু হিচাপে প্ৰদীপ চলিহাৰ। ❑

ইতিহাস অধ্যয়ন আৰু সমাজ

ড° সাগৰ বৰুৱা

বৰ্তমানক সুস্থ তথা ভালদৰে গঢ়ি তুলিবলৈ আৰু অনাগত দিনৰ বুজ ল'বলৈ ঘূৰি চাব বিছাৰে। ভৱিষ্যতৰ বাবে এক গৌৰৱময় সৌধ তৈয়াৰ কৰাৰ উদ্দেশ্যে মানৱ কেৱল সৌন্দৰ্যময় সৌধলৈকে লক্ষ্য নকৰে, অতীতৰ খলা-বমাবোৰলৈকো দৃষ্টি দিয়ে যে মানৱ সভ্যতাক শুদ্ধ পথত আগুৱাই নিবৰ বাবে বিজ্ঞানসম্মত ইতিহাস অধ্যয়ন এক প্রশ্ন উত্থাপন হ'ব পাৰে ইতিহাসবিদে প্রকৃত সত্যক ঢুকি পোৱা সম্ভৱ জানো? যাক গিয়েলে কৈছে 'একনিষ্ঠ সেৱকৰ কঠোৰ পৰিশ্রমৰ বিনিময়তো ক্রিয়ো (ইতিহাসৰ ক্ষীণ আভাসহে প্রদর্শন কৰে, তেওঁৰ অমূল্য সম্পদৰাজিক কোনোপধ্যে হস্তান্তৰ কৰিব ক'ব পাৰি যে কঠোৰ অনুশাসনৰ মাজেৰে ইতিহাস অধ্যয়ন কৰিলে প্রকৃত সত্য উদ্‌ঘাটি কাষ চাপিব পাৰি।

উল্লেখযোগ্য যে ইতিহাস হ'ল সমাজ বিজ্ঞান আৰু মানৱ অধ্যয়নৰ অন্তর্ভুক্ত সকল প্রয়োজনীয় ভিত্তি। কিন্তু সাম্প্রতিক কালত ইতিহাস বিষয়টো সর্বসাধাৰণ লোকৰ ম শিক্ষানুষ্ঠান সমূহতো ই যেন এলাগী হৈ পৰিছে। জাতিৰ আত্মাস্বৰূপ এই বিষয়টিক অ কথাটো কিন্তু জাতি এটাৰ বাবে শুভ লক্ষণ নহয়। কোৱা হয় "A nation that forgets have no future" অধ্যাপক পোউইকৰ ভাষাত "The carving for an interpretation so deep-rooted that, unless we have a constructive outlook over the past, either to mysticism or to cynicism." অতীতৰ ইতিবাচক দিশবোৰৰ প্রতি যদি আ তেন্তে সমাজ হৈ পৰিব অস্থিৰ বা জড়তাৰ বলি। এটা সময় আছিল যেতিয়া স্বৈৰতান্ত্রি প্রতিভূসকলে ইতিহাসক বিদ্যালয়ৰ পাঠ্যক্রমত স্থান দিব বিচৰা নাছিল। আন এচাম অ-গণ আকৌ ইতিহাসক নিজৰ মনঃপুত হোৱাকৈ ইতিহাস ৰচনা কৰাইছিল। আনহে নেলাগে স্বাধী "Towards Freedom" গ্রন্থখনৰ ওপৰত বাধা নিষেধ কৰিছিল। ইয়াৰ পূর্বে ১৯৭৭ চনত প্রখ্যা বিপিন চন্দ্র, অমলেশ ত্রিপাঠী আৰু বৰুণ দেৰ দ্বাৰা ৰচিত "Freedom struggle" নামৰ গ্র এগৰাকী সদস্যৰ অভিযোগৰ ভিত্তিত বাতিল কৰা হৈছিল। যি কি নহওক, গণতান্ত্রিক বিজ্ঞানভি চর্চা বা অধ্যয়নক গুৰুত্ব নিদিয়া কার্য কোনো কাৰণতে গ্রহণযোগ্য নহয়। এফালেদি শাসন- জনসাধাৰণ যদি ইতিহাস অধ্যয়নৰ ক্ষেত্রত অনিচ্ছুক হৈ ৰয়, তেন্তে সাম্প্রতিক কালত উ আর্থ-সামাজিক, ৰাজনীতিক আদি প্রশ্নবোৰৰ সমাধান বিচাৰি পোৱা সম্ভৱ নহ'ব। মন ক অসমত বুৰঞ্জী শব্দটো ইতিহাসৰ এক বিকল্প শব্দ হিচাপে ব্যৱহাৰ কৰা হয়। আহোমসকলে অপৰিহার্য বুলি বিবেচিত কৰিছিল। টাইমূলীয় এই বুৰঞ্জী শব্দটোৰ অর্থ হ'ল 'মূৰ্খৰ আহোমসকলৰ দৰেই ইংৰাজসকলেও বিশ্বাস কৰিছিল যে ইতিহাস পঢ়িলে মানুহ জ্ঞানী হয়, প্র হয়। ফেন্সিচ বেকনৰ (১৫৬১-১৬২৬) ভাষাত "History makes man wise"

ইতিহাস অধ্যয়ন কৰিবলৈ যাওঁতে ইতিহাস বিষয়টিৰ ওপৰত সঠিক ধাৰণা থাকিব ল

বা ইতিহাসৰ ভাবার্থ বুজি নেপালে কাহিনী, ঘটনাপঞ্জী (Chronicle) আৰু ইতিহাস একাকাৰ হৈ পৰিব। পাশ্চাত্যত ইতিহাস ৰচনা আৰম্ভ হেছিল গ্ৰীক ঐতিহাসিক হিৰোড'টাছ (৪৮৪-৪২৫ খৃঃ পূঃ) আৰু থুচীডাইডিছৰ (৪৫৫-৪০০ খৃঃ পূঃ)ৰ সময়ৰ পৰা। মন কৰিবলগীয়া যে সেই সময়ত গ্ৰীচ আৰু ৰোমত ইতিহাসক ৰাজনৈতিকভাৱে স্বীকৃতি দিয়া হৈছিল। তেতিয়া ইতিহাস মানেই আছিল ৰজা-মহাৰজাৰ ইতিহাস, যুদ্ধৰ বিবৰণ তথা সামৰিক বিজয়ৰ কাহিনী, ৰাষ্ট্ৰীয় ঘটনা, বীৰত্বপূৰ্ণ কাৰ্যৰ খতিয়ান। কিন্তু সময়ৰ পৰিৱৰ্তনৰ লগে লগে ইতিহাসৰ ধাৰণা, ইতিহাস অধ্যয়নৰ পদ্ধতি আদি সলনি হৈ আহিছে। History শব্দটো গ্ৰীক শব্দ যাৰ অৰ্থ অনুসন্ধান। অনুসন্ধানৰ মৰ্মই হ'ল কোনো ঘটনা বা বিষয় সম্পৰ্কে অজ্ঞাত আৰু সেই অজ্ঞতাক উন্মোচন কৰি সত্যত উপনীত হোৱা। ৰুচ'ৰ ভাষাত ইতিহাস হ'ল সিঁচৰতি হৈ থকা বিভিন্ন বিষয়ৰপৰা সত্যক বিচাৰি উলিওৱাৰ এক কলা। যিহেতু সত্য হ'ল আপেক্ষিক আৰু প্ৰায়েই বিতৰ্কিত, সেয়েহে যিমানদূৰ সম্ভৱ সিমানদূৰ প্ৰকৃত সত্যৰ কাষ চপাৰ এক প্ৰচেষ্টাই হ'ল ইতিহাসৰ উদ্দেশ্য। নিতৌ ঘটা সকলোবোৰ ঘটনা বুজি পোৱা সম্ভৱ নহয়, তাৰে বহুত আকৌ অস্পষ্ট আৰু অমূলক। সেয়ে আমি বুজি পোৱাৰ ক্ষেত্ৰত সেইবোৰৰ ওপৰতেই সীমাবদ্ধতা ৰাখিব লগা হয়, যিবোৰ অৰ্থবহুল আৰু লাগতিয়াল আৰু যিবোৰে মানৱ জাতিৰ ওপৰত এক গুৰুত্বপূৰ্ণ সাঁচ পেলাব পাৰে।

আমি পুনৰ ঘুৰি যাওঁ বিভিন্নজন পণ্ডিতে ইতিহাসৰ ওপৰত কৰা মন্তব্যৰ কাষলৈ। এলেন, নেভিন্সে কৈছিল, ইতিহাস হ'ল 'সংঘটিত ঘটনাৰাজিক লৈ সত্য উদ্‌ঘাটনৰ বাবে সমালোচনাত্মক মনোভাবেৰে এটা সংহত (Integrated) বৰ্ণনা বা বিৱৰণ লিখি তাক উপস্থাপন কৰা।' ৰেনিয়াৰে আকৌ কৈছে যে সমাজত বাস কৰা মানুহৰ কাহিনীয়েই ইতিহাস (Story of men living in society)। তেওঁৰ ধাৰণাত মানুহৰ সামূহিক কৰ্মৰাজি, সৃষ্টিশীল চিন্তা-ধাৰণা সামাজিক গুণৰ প্ৰতি মানুহৰ সামূহিক সঁহাৰি, সামূহিক স্বাৰ্থৰ হকে মানুহৰ কাম কৰাৰ ইচ্ছা আদিয়ে স্থান পাইছে। আনহাতেদি ঐতিহাসিক ধৰ্মনিন্দ কৌশাম্বীৰ ভাষাত সমাজত উৎপাদনৰ আহিলা আৰু উৎপাদন সম্পৰ্কত ক্ৰমাগত পৰিৱৰ্তনৰ কালানুক্ৰমিক উপস্থাপনেই ইতিহাস (History is the presentation in chronological order of successive changes in the means and relations of production) এইদৰে বিভিন্নজনে ইতিহাসৰ সংজ্ঞা বিভিন্ন ধৰণে দাঙি ধৰিছে। অতি পৰিচিত এটা সংজ্ঞাৰে ক'বলৈ গ'লে ইতিহাসক সময়সীমাৰ ভিতৰত সংঘটিত হোৱা এক আন্দোলন বুলি ক'ব পাৰি (History is a movement in time)। এই অভিধান মানি ল'লে ক'ব পাৰি যে ইতিহাস অতীতৰ অলঙ্কাৰ নহয়, হাজাৰ হাজাৰ বছৰ ধৰি সযত্নে আটিৰ তলত ৰাখি থোৱা 'মামি'ৰ দৰে নিশ্চল পদাৰ্থও নহয়। ই হৈছে এক আন্দোলন, যাৰ গতি আছে আৰু যি অতীতত আৰম্ভ হৈ বৰ্তমানৰ মাজেৰে ভৱিষ্যতৰ ফালে আগবাঢ়ি যায়। গতিকে ইতিহাসৰ এক ধাৰাবাহিকতা আছে।

ইতিহাস সম্পৰ্কে যেনে ধৰণৰ সূত্ৰ বা সংজ্ঞা দাঙি নধৰক কিয়, ইতিহাসৰ কেন্দ্ৰীয় বিষয় হ'ল মানুহ। কাল আৰু স্থানৰ পৰিপ্ৰেক্ষিতত কৰা মানৱ সমাজৰ অধ্যয়নেই ইতিহাস। ঐতিহাসিক গৱেষক জয়ন্ত ভূষণ ভট্টাচাৰ্যই সেয়েহে জনতাক ইতিহাসৰ চালিকা শক্তি বুলি কৈছে। তেখেতৰ ভাষাত "The Driving force of history is the people and the individuals are only a derivative of history. Therefore, the historical basis includes the whole of a people's life throughout its existence" ভল্টায়াৰে কোৱাৰ দৰে অপৰাধ বা দুৰ্ভাগ্যজনক ঘটনাৰ প্ৰতিচ্ছবিয়েই ইতিহাসৰ বিষয় বস্তু নহয় অথবা ৰজা-মহাৰজা বা মহৎলোকৰ জীৱনী বা যুদ্ধ-বিগ্ৰহেই ইতিহাস নহয় বা ইতিহাসৰ বিষয়বস্তু নহয়। লাখ লাখ পুৰুষে-নাৰীয়ে, যি সময়ৰ বালিত খোজ থৈ যাব পৰা নাই অথচ সেই সকলৰো ইতিহাসত স্থান আছে। জৱাহৱলাল নেহৰুৰ ভাষাত "History is the story of man's struggle through the ages against nature and the elements, against wild beasts and the jungle and the last and most difficult of all against some of his own kind who have tried to keep him down and exploit him for their own benefit" মানুহে নিজৰ বা সমাজৰ অভাব পূৰণৰ বাবে চেষ্টা কৰাৰ লগে লগেই ইতিহাস ৰচনা কৰে। কৌশাম্বীয়ে কৈছে 'জনসাধাৰণৰ বিৰাট অংশটোৰ ক্ষতি সাধন কৰি মুষ্টিমেয় কেইজনমানে নিজৰ প্ৰয়োজন পূৰণ কৰাৰ সাফল্যৰ কাহিনীয়েই ইতিহাস নহয়, সকলো মানুহে মিলিজুলি মানৱৰ প্ৰয়োজন পূৰণ কৰোঁতে ঘটোৱা মানৱ সমাজৰ উন্নতিৰ কথাহে ইতিহাসত প্ৰতিফলিত হ'ব লাগে।' অন্যহাতেদি তেওঁ আকৌ কৈছে "The more important question is not who was a king, nor whether the region had a king, but whether its people used a plough, light or heavy, at the time ....history must reflect man's process at satisfying them at the expense of most of their fellow man." গতিকে ইতিহাস অধ্যয়নৰ মূল কেন্দ্ৰবিন্দু হ'ল মানৱ জাতিৰ সামগ্ৰিক অধ্যয়ন। মানুহে যিহেতু এক নিৰ্দিষ্ট ভৌগোলিক সীমা ৰেখাৰ ভিতৰত সমাজপাতি বাস কৰে, গতিকে কোনো ব্যক্তিক অকলসৰীয়াকৈ অধ্যয়ন কৰিব নোৱাৰি। ভৌগোলিক পৰিস্থিতি, সমাজ আৰু সামাজিক পৰিৱেশ আৰু সংগঠন, জীৱন ধাৰা, উৎপাদন-বিতৰণ পদ্ধতি, ধৰ্মীয় ধাৰণা-বিশ্বাস, শিক্ষা, কলা-ভাষা-সাহিত্য আদি প্ৰাসঙ্গিকতা বৰ্জন কৰি মানুহক অকলসৰীয়াকৈ অধ্যয়ন কৰা সম্ভৱ নহয়।

ইতিহাস অধ্যয়নৰ পৰা যদি মানৱ জাতিৰ উন্নতি সাধন কৰিব বিচৰা হয়, তেন্তে ইতিহাসক বৈজ্ঞানিক দৃষ্টিভঙ্গীৰে বিচাৰ কৰিব লাগিব। ১৯০৩ চনত কেম্ব্ৰিজ বিশ্ববিদ্যালয়ত এক বক্তৃতা অনুষ্ঠানত অধ্যাপক জে. বি. বিউৰিয়ে কৈছিল 'ইতিহাস হ'ল এক বিজ্ঞান, ইয়াৰ এক বিন্দুও ব্যতিক্ৰম নহয়' (History is a science

no less no more)। বহুতৰ ধাৰণা ৰূপকথা (myth or legend) আৰু আখ্যানেই ইতিহাস। কিন্তু সেইবোৰ তথ্যভিত্তিক নহয়। সেয়েহে তেনে আখ্যান বা কাহিনীক ইতিহাসৰ শাৰীত ধৰিব নোৱাৰি। দাৰ্শনিক কলিংউদে কৈছে "Myth is not concerned with human actions at all. The human element has been completely purged away and the characters of the story are simply gods." বিষয়টো হ'ল যে আৱশ্যকীয় সমল বা তথ্য আহৰণ কৰাটো হ'ল ইতিহাস চৰ্চাৰ বাবে এক প্ৰয়োজনীয় চৰ্ত। তথ্য বা দলিল হ'ল প্ৰনয়ণৰ বাবে কেঁচা সামগ্ৰী। কলিংউদৰ ভাষাত ক'ব পাৰি "A source authority or document is the raw material out of which history is made." তথ্যৰ মাজত সোমাই থকা ঐতিহাসিক তাৎপৰ্যৰ ব্যাখ্যা দানেহে ইতিহাস সমৃদ্ধ কৰি ইতিহাসক বিজ্ঞানৰ শাৰীলৈ আগুৱাই নিয়ে আৰু তেনে ইতিহাসে সমাজক শুদ্ধ পথ দেখুৱাব পাৰে। হেৰম্বকান্ত বৰপূজাৰীয়ে কৈছে 'ইতিহাস গৱেষণা বিজ্ঞান আৰু ইয়াৰ বৰ্ণনা হ'ল কলা। লিখন ৰীতিত সিদ্ধহস্তসকলে তেওঁলোকৰ কল্পনা আৰু শব্দালংকাৰে সেই বৰ্ণনালৈ অৰিহণা যোগায় যদিও, ইতিহাসৰ সমলসমূহক সমালোচনাত্মক মূল্যায়নেৰে পৰীক্ষা কৰি চোৱাটো বিজ্ঞানসম্মত পদ্ধতিৰ অনুসৰণকাৰীসকলৰ বাবে নিতান্ত আৱশ্যক।' ঐতিহাসিক ই. এইচ কাৰেও উল্লেখ কৰিছে ইতিহাস হ'ল ঐতিহাসিক আৰু তেওঁৰ তথ্যৰ মাজত চলা এক অবিৰত ক্ৰিয়া-প্ৰতিক্ৰিয়াৰ প্ৰক্ৰিয়া, অতীত আৰু বৰ্তমানৰ মাজত হোৱা এক অন্তহীন কথোপকথন (History is a process of interac... historian and his facts, an unending ... the past and present)

ইতিহাস যদি মানৱ জাতিৰ অধ্যয়ন ... গঠনৰ বাবে বিজ্ঞানসম্মত ইতিহাস অধ্যয়ন ... বিষয়। সুস্থ ইতিহাস অধ্যয়নেহে বৰ্তমানক ... ঘটায় আৰু কেনেকৈ মানুহক সুন্দৰ জীৱন ... কৰাৰ লগতে সুস্থ এখন সমাজ (সভ্যতা) ... জনাৰ সুযোগ দিয়ে। ইতিহাস অধ্যয়নৰ ... অতীতৰ দোষ-ত্ৰুটিবোৰ বিছাৰ কৰি এখন ... কৰিব পাৰে। ইতিহাসক অৱহেলা কৰি ... ভৱিষ্যৎ গঢ়ি তুলিব নোৱাৰে। বৰ্তমানে অতীতৰ ... কৰে আৰু বৰ্তমানৰ ওপৰতেই ভৱিষ্যৎ ... Hobsbawmৰ মতে "The past was (is) ... present and future." গতিকে অতীতৰ সুস্থ ... অধ্যয়নে আমাৰ কৰ্ম নিৰ্ধাৰণত সহায় কৰিব ... ভাষাৰে সামৰিব পাৰি যে 'অতীতৰ লগত সমন্ধ ... কোনো কথাৰ ব্যাখ্যা দিব নোৱাৰি। অতীতত ... সেই কাৰণসমূহ যিবিলাকৰপৰা উৎপাদিত হৈছে ... আজিৰ জাতি, আজিৰ সাম্ৰাজ্য। বৰ্তমানক বুজি ... ভৱিষ্যতৰ আগজাননীৰ সঙ্কেত পাবৰ হ'লে ইতিহাস ... ভেটি।' ❑

ীলাৱতী আৰু 'লিলাৱতি অংক শাস্ত্ৰ'

ৰামচন্দ্ৰ ডেকা

হিন্দু গণিতৰ ইতিহাস বেদকালৰ ওচৰাউচৰি আৰু সংখ্যা লিখনৰ দশমিক পদ্ধতিৰ প্ৰাচীনতাও সমানেই। দশমিক পদ্ধতিৰ বিষয়ে বিখ্যাত ফৰাচী গণিত-মহাপুৰুষ লাপ্লাচ (১৭৮৯-১৮২৭) ৰ মন্তব্য থাওকতে উল্লেখ কৰিব পাৰি "The ingenious method of expressing every possible number using a set of ten symbols (each symbol having a place value and an absolute value) emerged in India. The idea seems so simple now-a-days that its significance and profound importance is no longer appreciated. Its simplicity lies in the way it facilitated calculation and placed arithmetic foremost amongst useful inventions. The importance of this invention is more readily appreciated when one considers that it was beyond the two greatest men of antiquity, Archimedes and Apollonius". [কৈৱল দহোটা চিহ্ন (চিহ্নৰ স্থান মান আছে আৰু নিৰপেক্ষ মান আছে) যিকোনো সংখ্যাকে লিখিব পৰা অপূৰ্ব পদ্ধতিটোৰ আৱিৰ্ভাৱ ভাৰতবৰ্ষত। সংখ্যা লিখাৰ এই অতি সুগম আৰু সহজ পদ্ধতিটোক আমি আজিকালি মহত্ত্ব নিদিওঁ। এই পদ্ধতিৰ সৰলতাই গণিতক সকলো উপকাৰী আৱিষ্কাৰৰ শীৰ্ষলৈ লৈ গ'ল। প্ৰাচীন কালৰ দুই মহান মনীষী আৰ্কিমিডিছ আৰু এপলনিয়াচে এই ধাৰণা ঢুকি পোৱা নাছিল বুলি জানিলেহে আচৰিত হোৱাৰ পাল।] তাৰ লগে লগে জ্যামিতিৰো উৎকৰ্ষ সাধন হৈছিল। বিভিন্ন যাগযজ্ঞৰ বাবে বেদী নিৰ্মাণ কৰা হৈছিল আৰু বেদীৰ আকাৰ আৰু প্ৰকৃতি সম্পৰ্কে শুল্ব সূত্ৰ সমূহত বিস্তাৰিত বিবৰণো আছে। তাৰে অতি প্ৰাচীন বৌধায়ন শুল্বসূত্ৰ (১২০০ খ্ৰীঃপূঃ)ত আজিকালিৰ পাঠ্যপুস্তকত থকা পাইথাগোৰাচৰ প্ৰমেয়টো পোৱা যায়। বিভূতিভূষণ দত্ত আৰু অৱধেশ নাৰায়ণ সিঙৰ এটা প্ৰৱন্ধ [Hindu Geometry, Indian J. of Historical Sciences Vol. 14, No. 2, 1980] ত হিন্দু জ্যামিতি সম্পৰ্কে কোৱা হৈছেঃ The Hindu Geometry originated in a very remote age in connection with the construction of the altars for the Vedic sacrifices. The sacrifices as described in the Vedic literature of the Hindus, were of various kinds. The performance of some of them was obligatory upon every Vedic Hindu, and hence they were known as *Nitya* (a obligatory, indipensable). Other scarifies were to be performed each with the purpose of achieving some special object classed as *Kamya* (or optional, intentional). According to the strict injunctions of the Hindu scriptures, each sacrifice must be made in an altar of prescribed shape and size.... So the greatest care had to be taken to secure the right shape and size. In the way there arose in ancient India problem of Geometry and also of arithmeic and algebra.

এই পাইথাগোৰাচ প্ৰমেয়টোৰ পৰা B.L. Vander waerden [Gemetry and Algebra in Ancient Civilization, Springer Verlag 1983] এ এক ঐতিহাসিক সম্ভাব্য সিদ্ধান্তলৈ আহিছে।

এই প্রমেয়টো সমসাময়িক ভাবে গ্রীক আৰু ইজিপ্ত, বেবিলনীয় আৰু চীনা সাহিত্যতো পোৱা গৈছে। ইয়াৰ পৰা তেওঁৰ সম্ভাব্য সিদ্ধান্তটোও কৈছে যে সকলো সভ্যতাৰ উৎস এটাই (৩০০০-২৫০০ খ্ৰীষ্টপূৰ্ব) আৰু স্থান কেন্দ্ৰীয় ইউৰোপ।

বেদাংগজ্যোতিষত এক প্ৰসিদ্ধ শ্লোকেৰে গণিতৰ শ্ৰেষ্ঠত্ব ঘোষণা কৰা হৈছে ঃ

যথা শিক্ষা ময়ূৰাণাং সৰ্পাণাং মণয়োঃ যথা
তদ্ বদ্ ৱেদাঙ্গ শাস্ত্ৰাণাং গণিতম মুৰ্দ্ধনি স্থিতম্।।
(অৰ্থ সহজ)

'ৰূপ, লেখা, গণনা'ৰে গণিতৰ আৰম্ভণি যদিও ইয়াৰ সৈতে জ্যোতিষ (জ্যোতিৰ্বিজ্ঞান আৰু ফলিত জ্যোতিষ) জড়িত হ'ল। ৪৯৯ খ্ৰীষ্টাব্দত আৰ্যভট্ট (জন্ম ৪৭৬ খ্ৰীঃ, পাটনাৰ ওচৰৰ কুসুমপুৰ) ই তেওঁৰ অৰ্যভট্টীয় ৰচনা কৰিলে। এই গ্ৰন্থত জ্যোতিৰ্বিজ্ঞানৰ লগতে গণিত (গণিত পাদ)ৰ আলোচনা কৰা হৈছে। সেই তাহানিতে আৰ্যভট্টই ৰাহু আৰু কেতু গ্ৰহৰ ধাৰণা মিথ্যা বুলি কৈ গৈছে। আৰ্যভট্টৰ পিচতে পাওঁ ৰৰাহমিহিৰ (পঞ্চ সিদ্ধান্তিকাৰ প্ৰণেতা), ব্ৰহ্মাগুপ্ত (ব্ৰহ্মস্ফুট সিদ্ধান্ত আদিৰ প্ৰণেতা), ভাস্কৰ (৭ম শতিকা), লল্ল (৮ম শতিকা) আদি ভাৰতীয় গণিতজ্ঞ।

খ্ৰীষ্টীয় দ্বাদশ শতিকাৰ আৰম্ভণিতে ১১১৪ খ্ৰীষ্টাব্দত জন্ম হয় ভাস্কৰাচাৰ্য বা ভাস্কৰ দ্বিতীয়। সম্ভৱতঃ তেওঁ মাৰাঠীভাষী লোক আছিল; কিন্তু তেওঁৰ শিক্ষা আৰু সাধনাৰ ক্ষেত্ৰ আছিল উজ্জেয়িনী। ভাস্কৰাচাৰ্যৰ গণিত কৃতি হ'ল লীলাৱতী, বীজগণিত, সিদ্ধান্ত শিৰোমণি, ৰাসনাভাষ্য, ব্ৰহ্মতুল্য আৰু বিৱৰণ। অনেক পণ্ডিতে প্ৰথম দুখন গ্ৰন্থ তৃতীয়খনৰ অন্তৰ্গত বুলি গণ্য কৰে। সিদ্ধান্ত শিৰোমণিৰ গোলাধ্যায় (জ্যোতিৰ্বিজ্ঞান) ৫৮ নং শ্লোকত ভাস্কৰাচাৰ্যই নিজৰ জন্মৰ বিষয়ে কৈছে।

ৰসগুণ পূৰ্ণমহী সংশক নৃপসময়ে অভৱন মমোৎপত্তিঃ।
ৰসগুণ বৰ্ষেণ ময়া সিদ্ধান্ত শিৰোমণি ৰচিতঃ।। ৰস (৬) গুণ (৩), পূৰ্ণ (০), মহী (১) (অংকানাং ৰামতো গতি মতে ১০৩৬) অৰ্থাৎ ১০৩৬ + ৭৮ = ১১১৪ খ্ৰীষ্টাব্দত তেওঁৰ জন্ম। ভাস্কৰাচাৰ্য আছিল উচ্চকোটিৰ কবিও। তেওঁৰ অন্যান্য ৰচনাত আছে ব্যাকৰণৰ আঠখন গ্ৰন্থ, চিকিৎসা বিষয়ক ছয়, দৰ্শনত ছয়, আৰু মীমাংসাত দুখন গ্ৰন্থ। বেদৰ বিষয়তো তেওঁৰ ৰচনা উপলব্ধ হৈছে।

ভাস্কৰাচাৰ্যৰ পাণ্ডিত্য তেওঁৰ যিকোনো লেখাতে প্ৰকাশ পায়। বীজগণিতৰ আৰম্ভণিতে তেওঁ পিতৃ তথা শিক্ষাগুৰু শ্ৰীমহেশ্বৰ আৰু জন্মৰ গ্ৰাম বিড়নগৰ (আধুনিক বিজৰাড়া?) আৰু গুৰুদেৱ ৰলদেৱ মিশ্ৰক প্ৰণাম কৰি 'শিষ্টাচাৰৰ পালনাৰ্থ' মঙ্গলাচৰণম্ কৰিছে ঃ

উৎপাদকম্ য়ৎপ্ৰৱদন্তি বুদ্ধেৰ্ধিষ্ঠিতং সৎৰূপেণ সাংখ্যাঃ।
ব্যক্তস্য কৃৎস্নস্য তদেকবীজমব্যক্তমীশ্ম গণিতম্ বন্দে।।

'উপজাতিবৃত্ত' ছন্দত লিখা এই সুমধুৰ কবিতাটিৰ একাধিক অৰ্থ কৰিব পাৰি। সাংখ্য শাস্ত্ৰৰ মতে পদাৰ্থ ব্যক্ত আৰু ইয়াৰ (সৃষ্টিৰ) মুখ্য কাৰণ অব্যক্ত। সেই অব্যক্তক মই বন্দনা কৰো। উত্তৰ মীমাংসা মতে 'একমেৱ অদ্বিতীয়ম্ ব্ৰহ্ম'। সকলোৰে [illegible] থকাৰোৰ ব্যক্ত আৰু ব্ৰহ্ম অব্যক্ত তেওঁক প্ৰণাম [illegible] শাস্ত্ৰ মতে জ্যোতিৰ্বিজ্ঞানক জানোতা লোক [illegible] পৰিশ্ৰমক যি প্ৰকাশ কৰে সেই ব্যক্ত গণিত (পাটী অব্যক্ত গণিত (বীজগণিত)ক মই বন্দনা কৰো।

পৰৱৰ্তী শ্লোকত ভাস্কৰাচাৰ্যই কৈছে যে [illegible] লীলাৱতীক ৰচনা কৰা হৈছে আৰু যিহেতু [illegible] সমাধান ব্যক্ত গণিতেৰে সম্ভৱ নহয় সেয়ে বুলি [illegible] বীজগণিত ভাগ ৰচনা কৰা হ'ল।

আমি এই লীলাৱতীৰ বিষয়ে ইয়াত [illegible] কৰিম।

লীলাৱতীৰ বিষয়ে স্বয়ং ৰচকে কৈছে ঃ

পাটীম সদ্ গণিতস্য ৰচ্মি চতুৰপ্রীতি [illegible]
সংক্ষিপ্তাক্ষৰ কোমলামলপদৈর্লালিত্যলীলাৱতীম্।।

সকলোকে প্ৰীতি প্ৰদান কৰিবৰ বাবে পাটীগণিত [illegible] সংক্ষিপ্ত শব্দত কোমল অমল লালিত্যযুক্ত পদেৰে [illegible]

য়েষাং সুজাতি গুণৱর্গভূষিতাংগী শুদ্ধাক্ষি [illegible]
কণ্ঠসক্তা।
লীলাৱতী সৱসোক্তিমুদাহৰন্তী [illegible]
সুখসম্পদুপৈতি ৱৃদ্ধিম্।।

এই গ্ৰন্থত ফটফটীয়াকৈ ভগ্নাংশ, সাধাৰণ ভগ্নাংশ আদি নিয়মবোৰ দিয়া হৈছে। দিন-প্ৰতিদিন লাগি থকা [illegible] দিয়া হৈছে। বাছকৱনীয়া শব্দেৰে নিয়মবোৰ দেখুওৱা [illegible] সকলে লীলাৱতী (গ্ৰন্থখন)ক হৃদয়ংগম কৰিব পাৰিব, তেওঁ আনন্দ আৰু সমৃদ্ধি লাভ কৰিব।

লীলাৱতীক এক কন্যা ৰূপে কল্পনা কৰিলে শ্লোকটি এনে হয়গৈ ঃ লীলাৱতী উচ্চ কুল সম্ভৱা; তেওঁ যি কোনো মাজত জাকতজিলিকা; তেওঁ সাহিত্য (ৱচন, প্ৰৱচন)ত [illegible] হৈ উঠিছে। যেয়ে তেওঁৰ পাণিগ্ৰহণ কৰে তেওঁৰ জীৱন আৰু সমৃদ্ধিৰে উপচি পৰিব।

পৰৱৰ্তী উৎসাহী প্ৰশংসকে লীলাৱতীক ৰচক ভাস্কৰে কন্যা ৰূপে বৰ্ণনা কৰিছে। কিন্তু গ্ৰন্থৰ বিভিন্ন শ্লোকত লীলাক ৰূপা 'সখে', 'মিত্ৰ', 'ৱৎস', 'মৃগাক্ষি' (হে হৰিণী নয়নী) গণিতকোবিদ (গণিতত পাৰ্গত), বাণিজ্যকম্ ৱেত্তি (ৱাণিজ্যগণিত জানা আদি কোৱা), গণক (গণনা কৰোতা) সম্বোধন বোৰৰ পৰা জনা যায় যে লীলাৱতী এক কল্পিত অৱশ্যে নাম যিয়ে নহওক, কিন্তু ইয়াৰ অংকসমূহ, অংকৰ লগতে উপমাসমূহে লীলাৱতীক এক অপূৰ্ব অনন্য গণিতজ্ঞ পৰিচিত কৰিলে।

লীলাৱতী খন একান্ত মৌলিক গ্ৰন্থ নহয়। ইয়াৰ উৎস শ্ৰীধৰাচাৰ্যৰ ত্ৰিশতিকা আৰু মহাবীৰাচাৰ্যৰ (৮৫০ খ্ৰীঃ) গণিত সংগ্ৰহ। লীলাৱতী ইমান বিখ্যাত আৰু জনপ্ৰিয় হ'ল যে ত্ৰিশতিকা খনকে লীলাৱতী ত্ৰিশতিকা বোলা হয়।

আধুনিক অভিধাৰে লীলাৱতীৰ অংকসমূহক চাৰি ভাগত ভগাব পাৰি—

পাটীগণিত / বীজ গণিত / ত্রিকোণমিতি আৰু জ্যামিতি / পৰিমিতি

ভাস্কৰাচার্যই লীলাৱতীৰ আৰম্ভণি গণেশৰ বন্দনাৰে কৰিছে।

লীলাগললুলল্লোলকালব্যালবিলাসিনে/
গণেশায় নমো নীলকমলামলকান্তয়ে।।

নীল অমল কমলৰ দৰে কান্তিৰ গণেশ (যাৰ গলধনত বিভিন্ন প্রজাতিৰ সাপে মেৰ খাই আছে) ক নমস্কাৰ কৰো। তাৰ পিচতে সংখ্যাৰ দশগুণোত্তৰ সংজ্ঞা দিছে। তাৰ পিচতে তেওঁ সংখ্যাৰ ক্ষেত্রত চাৰি নিয়ম ($+, -, \times, \div$) ৰ সংজ্ঞা দিছে। একেখিনিকে দিছে ভগ্নাংশৰ ক্ষেত্রতো। ভগ্নাংশৰ হৰণৰ $^{a}/_{b} \div {}^{d}/_{c}$ মানে যে $^{a}/_{b} \times {}^{c}/_{d}$ এইটো লীলাৱতীৰ এটা শ্লোকত এনেদৰে দিছে ঃ

ছেদং লবং চ পৰিবর্ত্য হৰস্য শেষঃ।
কার্যো অথ ভাগহৰণে গুণনাবিধিশ্চ।।

তেওঁ সংখ্যাৰ বর্গ, ঘন, বর্গমূল, ঘনমূল নির্ণয়ৰ নিয়ম দিছে। তেওঁ প্রতি নিয়মৰ তলতে এক বা একাধিক প্রশ্ন দিছে। প্রশ্নৰ গঠনত একোটা দৃশ্যৰ মনোমোহা কাব্যিক বর্ণনা আছে। আৰু ইয়ে লীলাৱতীৰ সাফল্যৰ মুকুট।

শূন্য সম্পর্কে আঠোটা নিয়ম (বিধি) আৰু অসীম সম্পর্কে ভাস্কৰাচার্যৰ উক্তি ৰসাল আৰু বুদ্ধিদীপ্ত। শূন্যক শূন্যৰে হৰণ কৰিলে কোনো নির্দিষ্ট সংখ্য পোৱা নাযায়; গতিকে ইয়াক খহৰ (খ=শূন্য) নাম দিছে। তেওঁ খহৰক বিষ্ণুৰ সৈতে তুলনা কৰিছে (বীজগণিতত)। ইয়াৰ উপৰিও তেওঁ সৰলসুত, অনুপাত-সমানুপাত, প্রগতি, দ্বিঘাত সমীকৰণ, ত্রিভুজ, আয়তন, বিন্যাস, সংখ্যা পৃথকীকৰণ (প্রখ্যাত গণিতজ্ঞ শ্রীনিবাস ৰামানুজনৰ প্রিয় বিষয়) আদিৰ বিষয় সন্নিৱিষ্ট কৰিছে। সংখ্যাতত্ত্বত Diophantine Equation নামে জনাজাত সমীকৰণৰ সমাধান ভাস্কৰাৰ্যই 'কুট্টক' নামৰ নিজ পদ্ধতিৰে সমাধান কৰিছিল।

লীলাৱতীৰ ভাষা সংস্কৃত আৰু সংক্ষিপ্ত। কাৰণ 'স্বল্পাক্ষৰম্ (সু + অল্প + অক্ষৰম্) অসন্দিগ্ধম্' আছিল গ্রন্থ ৰচনাৰ প্রথম নির্দেশনা। সেয়ে লীলৱাতীৰ অনেক টীকা, ভাষ্য পৰৱর্তী কালত ৰচিত হয়। তাৰ ভিতৰত গঙ্গাধৰৰ ভাষ্য (১৪২০ খ্রী) প্রাচীন আৰু গণেশ দৈৱজ্ঞৰ বুদ্ধিবিলাসিনী (১৫৪৫ খ্রী) ভাষ্যখন অতি বিশ্বসনীয় আৰু বিস্তাৰিত। অন্য কেইখনমান ভাষ্য হ'ল লীলাৱতী ভূষণ, লীলাৱতী বিৱৰণ ইত্যাদি। ড° সূর্যকুমাৰ ভূএঞাৰ এটা প্রবন্ধ (১৯৩৫) মতে দুর্গাচৰণ বৰ কাইথ নামৰ বিজ্ঞ গণিতজ্ঞই (abtruse mathematician) লীলাৱতীখন বংগৰ পৰা অসমলৈ আনে। ৰজা নৰনাৰায়ণৰ নির্দেশত বকুল কায়স্থই লীলাৱতীখন 'কায়স্থ সকল' ৰ বাবে ভাঙনি কৰে। কৱিৰত্ন দ্বিজই এই সময়ত লীলাৱতী কথা লিখে বুলি ইতিহাসে কয়। আকবৰৰ নির্দেশত ফৈজীয়ে লীলাৱতীক পার্চী ভাষালৈ অনুবাদ কৰে (১৫৮৭ খ্রীঃ)। মেধ্রিমল বিন ধৰমদাস নাৰায়ণ বিন কলিয়ামল কায়থ চাক্সেনা (প্রা ১৬৬৩ খ্রীঃ) ই *লীলাৱতীৰ পার্চী অনুবাদ বাদা ই-উল-ফুলাল লিখে। অন্য এখন পার্চী অনুবাদ হ'ল মা'জমা'-উল হিচাপ (মিস্কিন চ'ন্দী ছাহ নাগছ্ বন্দী)*। হেনৰী থ'মাচ ক'লব্রুক (Henry Thomas Colebroke, 1765-1837) লীলাৱতীৰ ইংৰাজী ভাঙনি (১৮৯৩ খ্রী) কৰে।

লীলাৱতীৰ মাৰাঠী অনুবাদসহ পূর্ণপাঠ এন.এইচ. ফাড়কেই প্রকাশ কৰে (১৯৭০)। তাৰ ভিত্তিত ইংৰাজী ৰূপ দিয়ে কে.এচ. পটৱর্দ্ধন, সোমাশংকৰ অমৃত নেইমপল্লী আৰু শ্যামনন্দন সিঙ (২০০১)। অসমীয়া অনুবাদ (মূল সংস্কৃতহীন) ওলায় ২০০৫ চনত (ড° দিলীপ শর্মা, অসম প্রকাশন পৰিষদ)।

অসমৰ পুৰাতত্ত্ব বিভাগত 'লীলাৱতীৰ অংকপুথি' নামেৰে দুখন (নং ৬৬৪, ১০০১) আৰু লীলাৱতী পাটীগণিত নামেৰে এখন (নং ৯৮৬) আৰু অংকশাস্ত্র পুথি এখন (নং ১৪৮, সংগ্রাহক শ্রীশৰৎ চন্দ্র গোস্বামী) আছে। তাৰে নং ১০০১ খন সংগ্রাহক বেণুধৰ শর্মা, নবিস্তাৰ শ্রীথানেশ্বৰ দেৱ শর্মাৰ হস্তাক্ষৰ আৰু ভাষা পঢ়া কঠিন। নং ৯৮০ খনত মূল লীলাৱতীৰ সংস্কৃত শ্লোক আছে (সমস্ত নাই)। উদাহৰণবোৰত সংখ্যা (অসমীয়া সংখ্যা চিহ্ন) ব্যৱহাৰ হৈছে। নং ৬৬৪ খনত সংস্কৃত আৰু অসমীয়া মিহলি। কিন্তু অসমাপ্ত কাৰণে ৰচক বা নবিস্তাৰৰ নাম জনা নগ'ল।

লীলাৱতী অংকপুথি আৰম্ভ হৈছে এনেদৰে— 'নমো শ্রীকৃষ্ণায়ে নমো। নমো গণেশায় নমো। লীলাৱতী অংক।' অংক শাস্ত্রপুথিৰ আৰম্ভণি এনেদৰে— 'আৰম্ভিলো পদ গুৰু আজ্ঞা শিৰে ধৰি। ...নধৰিবা দোষ মোত কায়স্থ সকলে।' মাজত বিষয় সলনি কৰোতে লিখে, 'ইতো কথা এহিমানে সাহৰিয়া কঞ'।।

এইখিনি উদ্ধৃতিৰে আমি ক'ব বিচাৰিছোঁ যে যদিও লীলাৱতীৰ নাম লৈ 'অংকপুথি' আৰম্ভ কৰিছে, মূলতঃ এই অংকবোৰ কেৱল অসমীয়া সমাজ আৰু মগজুৰ সৃষ্টি।

π ৰ আসন্ন মান $^{22}/_{7}$ ৰ প্রয়োগ আৰু লগতে বৃত্তৰ পৰিধি = $\pi \times$ ব্যাসৰ প্রয়োগ লক্ষ্য কৰো ঃ 'মেৰে জেতেক বোলে তেতেকক ২২ হৰি ৭ পূৰিব জেতেক হই মাজে তেঁতে বেঞে।' ইয়াত মেৰ = পৰিধি, মাজেবেঞে = ব্যাস। বিপৰীত ক্রমে ব্যাস দিয়া থাকিলে পৰিধি নির্ণয়ৰ নিয়ম দিছে।

ঘৰৰ ভেটি তোলা অংক এটা। এটি দীঘলে এটি হাত পথালি এটি হাত ওখকে এটি হাত হ'ব লাগে। গাত দীঘলে আছে এটি হাত বহলে এটি হাত সেই কিমান দ কৰিম। ভেটি দীঘলে জি বোলে দিব, পথালিকে পূৰিব জি হই তাকে ওখকেৰে পূৰিব জি হই তাকে গাতৰ দিঘে পথালিকে পূৰিলে তাক হৰিব, তলত যি পায় সেয়ে দ হ'ব।

এতিয়াই অর্থ উলিয়াব নোৱাৰা অংক এটা হ'ল ঃ

একৰ কেকৰ জেকৰ নিম্ব (?) ২০ হ'ব লাগে, ৯/৩/২ মাধ্যাদি পৰিৱানি।

তলত কেইটামান উদাহৰণ দিওঁ— যাৰ সম্পর্ক মূল লীলাৱতীৰ সৈতে নাই।

(১) ৪ চোৰে এগৃহস্তৰ ৰূপ চুৰ কৰি আনি এক বুটীৰ হাতত দিলে। পিছে তাৰ এটাই ৪ ভাগ কৰিলে, ১টা ৰূপ বাঢ়িলে, সেইটো বুটীক দিলে, এক ভাগ সি আনিলে। ৩ ভাগ থৈ আহিল। এনেদ্ৰূপে ৪ ওঁ আনিলে। বঢ়াটো তাইক দি আহে। কেতেক ৰূপ আনিলে? (সমাধানটো লগতে দিছে।)

৪ পূৰি ৪ ৰে পূৰিব ১৬ হ'ব, ১৬ লৰ ৪ পূৰিব ৬৪ হ'ব ৬৪ ৰীক ৪ পূৰিব ২৫৬ হ'ব, তাকেও ৪ পূৰিব ১০২৪ তাৰে তিনি গুচাব ১০২১ হ'ব, তাকে ৪ হৰিব ৩ পূৰিব জি হই তাকেও ৪ হৰিব ৩ পূৰিব এতদ্ৰূপ কৰিলে হ'ব।।

(২) কলৰ থোক বুঢ়া ১ টী তাক ২ টা, ডেকা ১ টী তাক ১, খৰ (সৰু) লড়াক ১ টী তাক।। (আধা) এনেদৰে হ'ব লাগে ২০ টা ৰৰ ২০ টী।

(উত্তৰ ৪/৪/১২/ জনমস্যেদি পূৰিৱান।)

(৩) এক কিনে ৩ মিন, ৩ কিনে ৫ হৰিণ, পাচে কিনে ৭ চাগ, ৭ কিনে ১ বাঘ।। ৮০ হ'ব লাগে। ৫/৫/৫/৫ জানমস্যোদি পূৰিৱান।।

(৪) দুগোটা মনুস্য গৈলা বানিজাৰু মনে।
কিচো কিচো ধন নিলে পৰম জতনে।।
লেখিয়া চাহিলা পুনু জাহাৰ পথত।
তিনি গোটা বঢ়া ভৈলা একৰ হাতত।।
কত কত টকা নিয়া বানিজ কৰিল।
একৈক তেতত লাভ দুহানো লভিল।।
গৃহে আনিয়া দুয়ো লেখিয়া চাহিল।
একধিক সাত কৰি একৰ বাঢ়িল।
কহিয়ো কায়স্থ সব লেখা কৰি মনে।
কোনে কত ধন নিল বানিজক মনে।।

(৫) এক গৃহস্তৰ বেঙেনা বাৰি বেঙেনা আচে লক্ষ সাৰি
সাৰিত আছে হাজাৰ কুৰি গাছে লাগে চচয় বুৰি।
হালিত বেচে গণ্ডা চয়।
কহৰে কায়স্থ ভাই কতনা কৌৰি হয়।
(১০ টাত ১ বুৰি, ১ হালি = ৪ টা)

(৬) এক সদাগৰে তেওঁৰ তিনি পত্নীক ৭৭৭ টকা দিবলৈ ক'লে।

এক পত্নীয়ে তাতে তিনি শূন্য দিলে ৭০৭০৭০। ভাগ কি হ'ব।

(৭) এক সদাগৰৰ ঘৰলৈ তিনিটা মানুহে ৰূপ ধাৰ কৰিবলৈ গ'ল। পাচে সদাগৰে আপোনাৰ ৰূপ যি আছিল তাকে দুভাগ কৰি ১ টাক এক ভাগ দিলে। পুনু দিয়া ভাগে লেখি ৩ ভাগ কৰি এভাগ ১ টাক দিলে। পুনু দিয়া দুভাগ সহিতে লেখি ৯ ভাগ কৰি এভাগ ১ টাক দিলে। পাচে সদাগৰৰ হাতত ৫২ টা ৰূপ থাকিল। সদাগৰৰ ৰূপ কিমান আছিল?

(৮) এক ৰাজা ১২৬ টকা ৰূপ ব্ৰাহ্মণ দক্ষিণা দিলে। উত্তমক আঠ অনা, মধ্যমক চাৰি অনা, সামান্যক ২ অনা। ব্ৰাহ্মণ কিমান কৰ লাগে। (টোকা ঃ ১৬ অনাই এক টকা)

(৯) সাউদৰ ধন ১৫ হৰিলে ১ ৰয়, ১৬ হৰিলে ২ ৰয়, ১৭ হৰিলে ৩ ৰয়। ধন কিমান। (Chinese Remainder Theorem)

(১০) দুই তিনি ঠাইত যাদুবৰ্গ আছে। এটা উদাহৰণ

১	৮	৩	৮
৫	৬	৩	৬
৭	২	১	২
৭	৪	৫	৪

এইখিনি বাছনি কৰা আৰু পুথিৰ পৰা পঢ়িব পৰা অংকহে। এইখিনি খাঁচ অসমীয়া অংক। কেৱল মন কৰিবলগীয়া যে অংক বা গণনাৰ কামটো কায়স্থ (কাইথ)ৰ মাজত প্ৰচলিত আছিল। এইখিনিতে স্বঃ দণ্ডীৰাম দত্তৰ 'কৌতুক আৰু কাইথেলী অংক' গ্ৰন্থৰ নাম উল্লেখনীয়।

লীলাৱতী পাটিগণিত (নং ৯৮৬) ৰ আৰম্ভণি শ্লোকটো মূল লীলাৱতীৰ সৈতে একে।

শ্ৰীগণেসায় নমঃ প্ৰীতিং ভক্তজনৈ স্যযোজনয়তেবিস্বং বিনিস্বংস্তং .... কোমলামল পদে ন্যলিখ লীলাৱতিং।

(টোকা ঃ অসমীয়াৰ ং টো ওপৰত ংৰূপে দিছিল। ৰ টো ৰ দৰে লিখিছিল। ১৭৯১ চনত প্ৰকাশিত এক প্ৰবন্ধত দেখা গৈছে যে বঙালী ভাষাৰ ৰ টো তেতিয়ালৈকে ৰ আছিল।)

(১১) এক জাৰ গাচ ওখকে ৯০ হাত সেয়ে মাজত ভাগি গচৰ গুৰিৰ পৰা ৩৫ হাত অন্তৰত পৰিল কিমান ওখত ভাগিল। (সমাধান দিছে ৯০ কে ৩৫ কে বৰ্গান্তৰ কৰি সেসক ৯৪ হৰিব, লব বৰ্গমূল কৰিব সেইমানত ভাগে।) এইটো লীলাৱতীৰ অংক।

(১২) একে সৰোবৰত পদ্ম ১ ডাল গজি পানীৰ পৰা ১ বিগত ওখ হৈ আছে সেয়ে বতাসত হালি ২ হাতৰ অন্তৰত পানিৰে সমান হৈ ৰল পানি কিমান দ হাতক বেগেত কৰি ২ বেগতে বৰ্গান্তৰ কৰিব সেশত ৪ বেগেতে হৰিব লবৰ বৰ্গমূল জি হয় পানি সেইমান।

লীলাৱতীৰ তলৰ সূত্রটোৰ ই হ'ল এটা উদাহৰণ, লগতে সমাধান।

সখে পদ্মতন্মজ্জনস্থানমধ্যম্ ভুজঃ কোটিকর্ণান্তৰম্ পদ্ম দৃশ্যম।

নলঃ কোটিৰেতন্মিতং স্যাদ্ যতোজ্ঞো বদৈৱং সমানীয় পানীয় মানম্।।

(১৩) ১ জাৰ গচ ৪০ হাত ওখক তাৰে ওপৰত মৰা এটি আচ গছৰ গুৰিৰ পৰা ৮০ হাত অন্তৰত সাপ এটি আচে পাচে মঁৰা সাপলৈ খেদিলে সাপ গচৰ গুৰিলৈ লৰ মাৰি আহোতে বাটতে ধৰিলে, দুয়োৰো সমগতি গচৰ গুৰিৰ পৰা কিমান আতৰত ধৰিলে। ৪০ কে ৮০ বৰ্গান্তৰ কৰিব সেশক ৮৪ ৰে হৰিব লবক বৰ্গমূল জি হয় গচৰ গুৰিৰ পৰা সেইমান অন্তৰত ধৰিলে। ই তলৰ শ্লোকটোৰ সুন্দৰ অসমীয়া অনুবাদ (অৱশ্যে সংখ্যা কেইটা পৃথক) ঃ

অস্তি স্তম্ভতলে বিলম্ তদুপৰি ক্রীড়াশিখণ্ডী স্থিতঃ।
স্তম্ভে হস্তনবোচ্ছ্রিতে ত্রিগুণতস্তম্ভ প্রমাণান্তৰে।।

দৃষ্টৱাহি বিলযাব্রজন্তমপতৎ তির্যক তস্যোপৰি।
ক্ষিপ্রং ব্রুহি তয়োর্বিলাৎ কতিমিতৈ সাম্যেন গত্যোর্যুতিঃ।।

(ইয়াত গছৰ উচ্চতা ৯ হাত আৰু সাপৰ দূ�ৰত্ব ২৭ হাত ধৰা আছে।)

(১৪) দিপাধাৰৰ অংক লেখি দেখাওঁ। গচা ওখক ৬০ আঙুল তাৰ পৰা অন্তৰ ৭২ আঙুলত খুটি ১২ আঙুল আচে তাৰ চায়া কিমানত পৰিব। ইয়াৰ সমাধান লগতে দিছে ঃ ৭২ লব ১২ পূৰিব ৮৬৪ হ'ব পৃথকে থব। পুনু ৬৫ লব ১২ কাটিব ৪৮ হ'ব তাৰে ৮৬৪ হৰিব ১৮ আঙুল পাই চাঁ বুলি কয়। ইয়াৰ সূত্রটো মূলত আছে। উদাহৰণ নাই। এইটো উদাহৰণ, নিশ্চয়কৈ অসমীয়া কায়স্থৰ কীর্তি। নতুবা এনেওতো হ'ব পাৰে, অসমলৈ অহা/অনা লীলাৱতীত এইটো অংক আছে, কিন্তু মহাৰাষ্ট্রত আৱিষ্কৃত লীলাৱতী পাণ্ডুলিপিত নাই।

লীলাৱতীৰ আৰম্ভণিৰ ফালে সংখ্যাৰ বর্গ কৰাৰ নিয়ম দিছে। আমাৰ অসমীয়া লীলাৱতীত তাৰ উদাহৰণ কেইটা উদ্ধৃত হৈছে, 'ন্যাস' অভিধাৰে।

৯/১৪/২৯৭/১০০৫ৰ বর্গ ৮১ / ১৯৬ / ৮৮২০৯ / ১০০১২০০২৫

$৯^২ = (৪+৫)^২ = ১৬ + ২ (৪×৫) + ২৫ = ৮১$

আধুনিক ভাষাত $(a+b)^2 = a^2 + 2ab + b^2$

এইটোকে কৈছে এনেদৰে ঃ অথবা নবানাং খণ্ডে ৪/৫ অনযোৰভিহতি ২০ দ্বীনিশী ৪০ তত খণ্ডবর্গয়ো ১৬/২৫ অয়নেযুতাসেবহ্যতি ৮১

সেইদৰে ১৪ ক ৬/৮, ৪/১০ কৰি বর্গ কৰিব পাৰি।

আমাৰ ওপৰৰ বিবৰণবোৰৰ পৰা দেখা গ'ল যে তথাকথিত 'পাণ্ডৱবর্জিত দেশ অসম তথা পূর্বাঞ্চল'ত সমসাময়িক গণিত সম্পর্কে জ্ঞান আছিল। লীলাৱতীয়ে অসমৰ গণিতপ্রেমী লোকৰ সমাদৰ পাইছিল। সেই সময়ৰ লোকসকলৰ সংস্কৃততো দখল আছিল। ৰজাসকল পৃষ্ঠপোষক আৰু কায়স্থসকল গণিতৰ উপাসক আছিল। লীলাৱতীৰ লগতে অঞ্চলৰ লোকগণিতে স্থান পোৱাটো এক তাৎপর্যপূর্ণ কথা।

আমি যি খিনি পাণ্ডুলিপি পাইছো, সেয়াৰ এখনো সম্পূর্ণ নহয়; গতিকে আমাৰ মন্তব্যও নিশ্চয়কৈ শেষ কথা নহয়। অসমত সাঁচিপাতত কেৱল ধর্মপুথি আৰু হস্তি বিদ্যার্ণৱ নহয়, গণিতৰ পুথি আছে। ইয়ো এক মহান অনুভৱ। লীলাৱতীৰ ভালেখিনি অংক বিশেষকৈ যিবোৰত বীজগণিতৰ নিতান্ত প্রয়োজন সেইবোৰ এৰাই গৈছে। কিন্তু গণিত চর্চা অসমত আছিল তাৰ প্রমাণ এই আলোচনাই দিয়ে।

মধুৰেণ সমাপয়েৎ কৰিবৰ বাবে ৰসজ্ঞ পাঠকলৈ লীলাৱতীৰ গোটাচেৰেক অংক আগবঢ়ালো।

(১) অমল কমল ৰাশেঃ এয়ঃ শ পঞ্চাশষষ্ঠেঃ
ত্রিনয়ন হৰি সূর্যা যেন তুর্যেণ চ আর্যা।
গুরু পদম্ অথ ষড়ভিঃ পূজিতম্ শেষ পদ্মৈঃ।
সকল কমল সংখ্যাং ক্ষিপ্রম্ আখ্যাহি তস্য।।

এথাপা পদুমফুলৰ পৰা $১/৩$ শিৱক, $১/৫$ বিষ্ণুক, $১/৬$ সূর্যক, $১/৪$ গোসাঁনীক আৰু অৱশিষ্ট ৬ পাহ গুৰুৰ সেৱাত দিয়া হ'ল। ততালিকে কোৱাচোন পদুমৰ সংখ্যা।

(২) হাৰস্তাৰস্তরুণ্যা নিধুবন কলহে মৌক্তিকান্যং বিশীর্ণো
ভূমৌ যাতঃ ত্রিভাগঃ শয়ম তলগত পঞ্চমাংশ্যে অস্য দৃষ্ট/
প্রাপ্তঃ ষষ্ঠঃ সুকেশ্যা গণক দশমকঃ সংগৃহীতঃ
প্রিয়েণ দৃষ্টং ষট্কং চ সূত্রে কথয় কতিপয়ৈঃ মৌক্তিকৈঃ
এষ হাৰঃ।

পতি-পত্নীয়ে ধেমালি কৰোতে পত্নীৰ মুকুতাৰ হাৰ ডাল চিঙি, তাৰে মণিবোৰ $১/৩$ মজিয়াত, $১/৫$ পাটিৰ তলত পৰিল; পত্নীয়ে গোটালে $১/৬$ ভাগ আৰু পতিয়ে $১/১০$, তথাপি হাৰৰ সুতাত লাগি থাকিল ৬টা। হাৰ ডালৰ থকা মণি আছিল কিমান?

(৩) কোটি শ্চতুষ্টয়ম্ যত্র দোস্ত্রয়ং তত্র কা শ্রুতিঃ।
কোটিম্ দোষ্কর্ণতঃ কোটি শ্রুতিভ্যাম্ চ ভুজম্ বদ।।

(কোনো সমকোণী ত্রিভুজৰ) ভূমি ৩, উন্নতি ৪ হ'লে কর্ণ (শ্রুতি) কি হ'ব?

কর্ণ ৫, ভূমি ৩ হ'লে উন্নতি কি? আৰু কর্ণ ৫, উন্নতি ৪ হ'লে ভূমি কি হ'ব? (পাইথাগোৰাচৰ প্রমেয়।)

শিৱসাগৰৰ সংগৃহীত এখনি অংকৰ পুথিৰ সামৰণিৰে আমাৰ এই পৰিচয়াত্মক লেখা সামৰিব বিচাৰিছোঁ। ইতি অংকপুস্তকম্ সমাপ্তম্।।)০(।। ১৭৩০ শকৰ আষাৰ ২০ দিন গতে শ্রীভাণ্ডাৰ কাকতি ডাবহৰ (?) হস্তাক্ষৰ মিদম্ ভবেৎ।। অতি শ্রমে লিখিয়াচে, আক অনাদৰ নকৰিব, অন্যজনক নিদিব যদি কোনোবা অংক বুজ নাপাই লোকত... সুধিলেহে পাব। কিমধিকম্। ❑

ভাৰতৰ স্বাধীনতা আন্দোলনত নগাঁৱৰ অৱদান

উপেন্দ্ৰ বৰকটকী

ভাৰতৰ স্বাধীনতা আন্দোলনত অসম ১৯২১ চনৰ পৰা প্ৰত্যক্ষভাৱে জড়িত হৈ পৰে যদিও ইংৰাজৰ বিৰুদ্ধে অসমৰ জনসাধাৰণে ১৯২৬ চনত হোৱা ইয়াণ্ডাবু সন্ধিৰ পাছৰ পৰাই বিদ্ৰোহ কৰিছিল। অসম ইংৰাজৰ অধীনলৈ যোৱাৰ পাছত অসমৰ ৰাজনৈতিক, সামাজিক, ভাষিক, অৰ্থনৈতিক আৰু সাংস্কৃতিক ক্ষেত্ৰত উপৰ্যুপৰি দুৰ্যোগ হৈছিল। সকলোক্ষেত্ৰতে বঞ্চিত আৰু অৱহেলিত হোৱাৰ কাৰণে অসমৰ জনসাধাৰণে প্ৰকাশ্যে প্ৰতিবাদ কৰিবলৈ কুণ্ঠাবোধ কৰা নাছিল। উদাহৰণস্বৰূপে ১৮৬১ চনত নগাঁৱৰ ফুলগুৰিত হোৱা কৃষক বিদ্ৰোহৰ কথাই প্ৰথমে আঙুলিয়াব পাৰি। 'ফুলগুৰিৰ ধেৰা' নামেৰে ইতিহাসৰ পাততে স্মৰণীয় হৈ থকা এই বিদ্ৰোহত ফুলগুৰিৰ বাইজে মাটিৰ খাজানা বৃদ্ধিৰ প্ৰতিবাদত ব্ৰিটিছ চৰকাৰৰ চকুৰ টোপনি নোহোৱা কৰি তুলিছিল। লেফটেনেণ্ট চিংগাৰ চাহাবক হত্যা কৰাৰ কাৰণে ফুলগুৰিবাসীয়ে অশেষ নিৰ্যাতন ভোগ কৰিছিল। নিৰ্বিচাৰে গুলীচালনা কৰাত বহু লোকৰ মৃত্যু হৈছিল, কোনোৰ ফাঁচি হৈছিল, কোনোক কলীয়াপানীলৈ পঠোৱা হৈছিল আৰু বহুতকে সশ্ৰম কাৰাদণ্ড বিহা হৈছিল। মন কৰিবলগীয়া, ফুলগুৰিৰ বিদ্ৰোহৰ পাছতহে দৰঙৰ পথৰুঘাট আৰু কামৰূপৰ ৰঙিয়াত ১৮৯৪ চনত কৃষক বিদ্ৰোহ হৈছিল। এনে বিদ্ৰোহ হৈছিল নলবাৰী, বজালী আৰু ৰৰপেটাতো। ইতিহাসৰ পাতত পথৰুঘাটৰ ৰণেও এক সুকীয়া অধ্যায় অধিকাৰ কৰিছে। কৃষক বিদ্ৰোহৰ দৰে আন আন ক্ষেত্ৰত ১৮২৬ চনৰপৰা ১৯২০ চনলৈ ইংৰাজৰ বিৰুদ্ধে তেনে কোনো বিপ্লৱ অসমত হোৱা নাছিল যদিও ঊনবিংশ শতিকাৰ শেষাৰ্দ্ধত কলিকতাত পঢ়ি থকা এমুঠি অসমীয়া ছাত্ৰই অসমৰ জনসাধাৰণক জাতীয় ভাব জাতীয় চিন্তাৰে উদ্বুদ্ধ কৰাত মুখ্য ভূমিকা লৈছিল। গংগা গোবিন্দ ফুকন আৰু পাছৰ চামৰ বেজবৰুৱা, গোহাঞিৰবৰুৱা প্ৰমুখ্যে ছাত্ৰসকলে ইংৰাজৰ বিৰুদ্ধে বিদ্ৰোহ কৰা নাছিল। কিন্তু অসমীয়া ভাষা-সাহিত্যক প্ৰতিষ্ঠা কৰাত আৰু সাহিত্যৰ মাধ্যমেৰে জাতীয় প্ৰীতি বঢ়োৱাত বিশেষ ভূমিকা লৈছিল। তেওঁলোকৰ সৃষ্টিকৰ্মত অসমৰ বীৰ-বীৰাংগনা আৰু মহৎ লোকসকলৰ গুণ-গৰিমা প্ৰকাশ পাইছিল। তেনে প্ৰচেষ্টাত সেই সময়ৰ নগঞা কবি-সাহিত্যিকসকলেও ৰৰঙণি যোগাইছিল।

১৯২১ চনত মহাত্মা গান্ধী পোনপ্ৰথম অসমলৈ আহোঁতে আৰু ১৯২৬ চনত পাণ্ডুত ভাৰতীয় জাতীয় কংগ্ৰেছ অধিৱেশন অনুষ্ঠিত হওঁতে অসমৰ জনসাধাৰণৰ স্বাধীনতা স্পৃহাৰ উমান গান্ধীজী প্ৰমুখ্যে ভাৰতীয় নেতৃবৃন্দই উপলব্ধি কৰিছিল। ১৯২১ চনত গান্ধীজীৰ নেতৃত্বত দেশজুৰি হোৱা অসহযোগ আন্দোলনত অসম পাছ পৰি নাথাকিল। সেই বছৰতে মহাত্মা গান্ধী অসমলৈ আহি অসমবাসীক দুওপে উৎসাহিত কৰিলে। জাতি-বৰ্ণ-ধৰ্ম নিৰ্বিশেষে অসমৰ সকলো অঞ্চলৰ লোক ঐক্যবদ্ধ হৈ স্বাধীনতা আন্দোলনত জঁপিয়াই পৰিল। অসমত এই আন্দোলন ব্যাপক কৰি তোলাত অগ্ৰণী ভূমিকা লৈছিল দেশপ্ৰাণ চন্দ্ৰনাথ শৰ্মা, দেশভক্ত তৰুণৰাম ফুকন, কৰ্মবীৰ নবীন চন্দ্ৰ ৰৰদলৈ, দেশসেৱক কুলধৰ চলিহা, কৃষ্ণনাথ শৰ্মা, ত্যাগবীৰ হেম বৰুৱা প্ৰমুখ্যে কেইগৰাকীমান লোকে। সেইসকলৰ উদাত্ত আহ্বানত নগাঁৱৰ জনসাধাৰণে স্বতঃস্ফূৰ্ত সঁহাৰি জনালে। নগাঁৱত এই আন্দোলনৰ নেতৃত্ব দিছিল — পণ্ডিত কনক চন্দ্ৰ শৰ্মা কাব্যতীৰ্থই। সেই সময়ত গুৱাহাটীত কটন কলেজত পঢ়ি থকা পূৰ্ণচন্দ্ৰ শৰ্মা প্ৰমুখ্যে ১০/১২ গৰাকী

ছাত্রই আন্দোলনত যোগ দিয়াৰ উদ্দেশ্যে কলেজ ত্যাগ কৰি নগাঁৰলৈ আহে আৰু সভা-সমিতিৰ আয়োজন কৰি স্বাধীনতাৰ বাণী প্ৰচাৰ কৰে। ছাত্ৰকেইগৰাকীৰ এই প্ৰচেষ্টাত বিশেষভাৱে উদগনি যোগালে সুধাংশু মোহন বন্দোপধ্যায়, ইচলাম খা আৰু মোহন চন্দ্ৰ গুণে। উল্লেখযোগ্য যে বন্দোপধ্যায়ে নিজে গীত ৰচি গাই সকলোকে মুগ্ধ কৰিছিল। সেই সময়ত কলেজ ত্যাগ কৰি নগাঁৱত আন্দোলন সফল কৰি তোলাত ফুল সিং ছেত্ৰী আৰু মহবুব আলী নামৰ দুগৰাকী ছাত্ৰয়ো বহুখিনি অৰিহণা যোগাইছিল। ১৯২১ চনৰ ৩০ জানুৱাৰিৰ দিনা নগাঁৱৰ জুবিলী পথাৰত এইসকল ছাত্ৰৰ উদ্যোগত হোৱা প্ৰথমখন ৰাজহুৱা সভাত পণ্ডিত কনক চন্দ্ৰ শৰ্মাক নেতা হিচাপে বৰণ কৰা হয়। এই সভাতে আন্দোলনৰ বিভিন্ন কাৰ্যসূচী গ্ৰহণ কৰা হয়। দাৰিদ্ৰ্যৰ বিৰুদ্ধে কঠোৰ সংগ্ৰাম কৰি নিজক প্ৰতিষ্ঠা কৰা কনক শৰ্মাই দেশৰ স্বাধীনতাৰ স্বাৰ্থত নগাঁও চৰকাৰী স্কুলৰ চাকৰি ইস্তফা দিছিল। পাছত হাইস্কুল স্থাপন কৰি শিক্ষকতা কৰিছিল। তেওঁৰ কাৰণেই নগাঁৱত অসহযোগ আন্দোলনে 'আশাতীতভাৱে সাফল্য লাভ কৰিবলৈ ধৰে' বুলি প্ৰখ্যাত মুক্তিযোদ্ধা পূৰ্ণচন্দ্ৰ শৰ্মাই উল্লেখ কৰি গৈছে। কনক চন্দ্ৰ শৰ্মাৰ দৰে কমলানন্দ ভট্টাচাৰ্য, জোনাৰাম বৰা আৰু চৰ্দাৰ আত্মা সিং ছেত্ৰীয়ে শিক্ষকতা আৰু লোকসেৱক হলধৰ ভূঞাই চৰকাৰী চাকৰি বাদ দি এই আন্দোলনত যোগ দিয়াত নতুন গতি লাভ কৰে।

সেই সময়ত কনক চন্দ্ৰ শৰ্মা আৰু হলধৰ ভূঞা নগাঁও জিলা কমিটিৰ যথাক্ৰমে সভাপতি আৰু সম্পাদক আছিল। আনহাতে স্বেচ্ছাসেৱকৰ নায়কৰ দায়িত্বত আছিল পূৰ্ণ চন্দ্ৰ শৰ্মা। এই ত্ৰিমূৰ্তিয়েই জিলাখনত সফলতাৰে অসহযোগ আন্দোলন পৰিচালনা কৰিছিল। আন্দোলনৰ ঘাই উদ্দেশ্য আছিল — ইংৰাজ চৰকাৰৰ বিৰুদ্ধে অসহযোগিতাকে ধৰি বিভিন্ন উপায়েৰে অহিংস আন্দোলন গঢ়ি তোলা, কানি, ভাং, মদ আদি মাদকদ্ৰব্য নিবাৰণৰ কাৰণে অভিযান চলোৱা, বিদেশী বস্তু বৰ্জন আৰু স্বদেশী বস্ত্ৰ তৈয়াৰ কৰা আৰু স্বাধীনতাৰ মৰ্মবাণী চুকে-কোণে প্ৰচাৰ কৰা। এনে আঁচনি বা কাৰ্যসূচীৰ দ্বাৰা জনসাধাৰণক সুস্থ-সবল নাগৰিক গঢ়ি তোলা, স্বাৱলম্বী কৰা আৰু স্বাধীন ভাবাদৰ্শৰে উদ্বুদ্ধ কৰাই গান্ধীজীৰ মুল উদ্দেশ্য আছিল। এনে উদ্দেশ্যত কৃতকাৰ্য হ'বলৈ হ'লে এচাম আশাশুধীয়া কৰ্মীৰ নিতান্ত প্ৰয়োজন। সেই কথা উপলব্ধি কৰি ৰাজ্য আৰু জিলা পৰ্যায়ৰ নেতাসকলে বিভিন্ন অঞ্চলত একো একোটি স্বেচ্ছাসেৱক বাহিনী গঠন কৰিছিল। তেতিয়াৰ অবিভক্ত নগাঁও জিলাত আন্দোলনৰ কাম কৰা কষ্টকৰ কথা আছিল। কিয়নো তেতিয়া যান-বাহন চলাচলৰ কোনো সু-ব্যৱস্থা নাছিল। নেতাসকলে খোজ কাঢ়িয়েই সাংগঠনিক কাম-কাজ কৰিব লগা হৈছিল। এতিয়াৰ কাৰ্বি আংলং জিলা আৰু মৰিগাঁও নগাঁৱৰ অন্তৰ্ভুক্ত আছিল। এই বৃহৎ জিলাখনৰ পূৰ্বে বাগুৰী, কুঠৰীৰ পৰা পশ্চিমে ৰজামায়ং, মৰিগাঁও, জাগীৰ'ডলৈকে, উত্তৰে ধিং, ৰূপহীঘাট, লাওখোৱা শিলঘাটৰ পৰা দক্ষিণ-পূবৰ লামডিং, লংকা, হোজাই যমুনামুখলৈকে এই বিস্তৃত অঞ্চলত আন্দোলন ব্যাপক ৰূপত গঢ়ি তোলাত যি কেইগৰাকী লোকে অশেষ কষ্ট আৰু ত্যাগ স্বীকাৰ কৰিছিল সেই কেইগৰাকীৰ ভিতৰত তেতিয়াৰ জিলা কংগ্ৰেছৰ সভাপতি, সম্পাদকৰ লগতে পূৰ্ণ চন্দ্ৰ শৰ্মা, মহেন্দ্ৰ নাথ হাজৰিকা, নৰেন্দ্ৰ নাথ হাজৰিকা, প্ৰতাপ চন্দ্ৰ শৰ্মা, মতিৰাম বৰা আৰু পাছত বিয়াল্লিছত ব্ৰিটিছ প্ৰশাসনক সততে অস্থিৰ কৰি তোলা লক্ষ্মীপ্ৰসাদ গোস্বামীৰ নাম বিশেষভাৱে উল্লেখ কৰিবলগীয়া। এখেতসকলক সকলো প্ৰকাৰে বিভিন্ন অঞ্চলৰ মুক্তিযোদ্ধাসকলে সহায়-সহযোগিতা আগবঢ়োৱা কাৰণেহে নগাঁৱত স্বাধীনতা আন্দোলনে তীব্ৰৰূপ ধাৰণ কৰিছিল। বিভিন্ন অঞ্চলৰ সেইসকল মুক্তিযোদ্ধাৰ অৱদানো আছিল বিস্ময়কৰ। কবিৰ ভাষাত সেইসকল 'দেশ বুলিলে আদেশ নালাগে' এনে ভাবাদৰ্শত উদ্বুদ্ধ হৈয়ে মুক্তি আন্দোলনত জঁপিয়াই পৰিছিল।

১৯২১ চনৰ আগষ্ট মাহত মহাত্মা গান্ধীয়ে অসমত ১২ দিন ধৰি ভ্ৰমণ কৰোঁতে নগাঁও চহৰ আৰু জিলাখনৰ বিভিন্ন ঠাইলৈ গৈছিল। তেওঁৰ আগমনে নগাঁওবাসীকো প্ৰভাৱান্বিত কৰিছিল। কোনোৱে চৰকাৰী চাকৰি আৰু কোনোৱে চৰকাৰে দিয়া ৰাজসন্মান ত্যাগ কৰিছিল। এইসকলৰ ভিতৰত এগৰাকী ব্যক্তি আৰু অধিবক্তা নুৰুদ্দিন আহমদে ৰাজহুৱা সভাত 'খান চাহাব' উপাধি ত্যাগ কৰিছিল। আনহাতে গান্ধীজী তেজপুৰৰ পৰা জাহাজেৰে আহি শিলঘাটত উপস্থিত হওঁতে হাজাৰ হাজাৰ লোকে সম্বৰ্ধনা জনাইছিল। সম্বৰ্ধনা সভাত তৰুণৰাম ফুকনৰ প্ৰাণ উতলোৱা ভাষণে কলিয়াবৰৰ ৰাইজক পৰাধীনতাৰ দাসত্বৰ পৰা মুক্ত হ'বলৈ বাৰুকৈয়ে প্ৰেৰণা যোগালে। গান্ধী আদৰণী অনুষ্ঠানত কৰ্মকৰ্তা ঠানুৰাম ভূঞাই সেই তেতিয়াৰ পৰাই আন্দোলনত সক্ৰিয়ভাৱে জড়িত হৈ পাছত দুঃসাহসিক কেতবোৰ কাম কৰিছিল। সেই অঞ্চলৰ আন এগৰাকী প্ৰখ্যাত মুক্তিযোদ্ধা গণেশ চন্দ্ৰ বৰঠাকুৰে নিজৰ বহু হাজাৰ টকাৰ মূল্যৰ দোকান আৰু ব্যৱসায় এৰি আন্দোলনত সক্ৰিয়ভাৱে জড়িত হৈ পৰিছিল। গান্ধীজীৰ নগাঁৱত পদাৰ্পণৰ পাছতে পুৰণিগুদামৰ দৰ্জিসকলে খদ্দৰৰ বাহিৰে আন কাপোৰ চিলাবলৈ অমান্তি হৈছিল, ভালেমান ঠাইত খাজনা বন্ধ আন্দোলনে গা কৰি উঠিছিল। সেইবাৰ গান্ধীজী শ্ৰীহট্টলৈ লামডিং হৈ যাওঁতে লামডিঙৰ জনসাধাৰণৰ মনতো স্বাধীন ভাবাদৰ্শৰ প্ৰভাৱ পৰিছিল। তেতিয়া লামডিঙত ঘাইকৈ কাৰ্বি জনগোষ্ঠীয়ে বাস কৰিছিল। গান্ধীক দৰ্শন কৰিবৰ কাৰণেই লামডিঙত লংকা-হোজাই আদিৰ ভালেসংখ্যক লোকৰ সমাগম হৈছিল। এখন সভাও অনুষ্ঠিত হৈছিল। সেই সভাত যোগ দিয়াৰ কাৰণে বহুসংখ্যক ৰেল কৰ্মচাৰীক চাকৰিৰ পৰা সাময়িকভাৱে বৰ্খাস্ত কৰা হৈছিল বুলি মুক্তযোদ্ধা বেণুধৰ কলিতাই উল্লেখ কৰিছে। সেইখন সভাত তৰুণৰাম ফুকনেও ভাষণ দিছিল। নগাঁৱৰ দঃ পূঃ অঞ্চলৰ দৰে নগাঁৱৰ উত্তৰ-পশ্চিম অঞ্চলতো অসহযোগ আন্দোলনে ব্যাপক প্ৰভাৱ পেলাইছিল। মায়ং, মনহা, মৰিগাঁও, ৰহা, বেবেজীয়া, বাৰপূজীয়া, হাতীচোং আদিত আন্দোলনৰ

কার্যসূচী পৰিচালনা কৰাত আগভাগ লৈছিল — কনক চন্দ্র শর্মা, কেশৱানন্দ ভট্টাচার্য, যজ্ঞেৱাম বৰা, হৱেন্দ্র ৰায়, ধর্মনাথ বৰঠাকুৰ, মতিৰাম বৰা আদিয়ে। এইসকলেই সেইবোৰ ঠাইত স্বাধীনতাৰ পৰৱর্তী আন্দোলনকেইটা সফল হোৱাত প্রভুত্ব পৰিমাণে সাৱপানী যোগাইছিল।

স্বাধীনতা আন্দোলনৰ এগৰাকী অগ্রণী যুঁজাৰু বিশিষ্ট গান্ধীবাদী নেতা বিজয় চন্দ্র ভাগৱতীয়ে ভাৰতৰ স্বাধীনতা আন্দোলনক অসহযোগ, আইন অমান্য (১৯৩০-৩৪) আৰু ভাৰত ত্যাগ আন্দোলন (১৯৪২-৪৫) এই তিনিটা পর্যায়ত ভাগ কৰি নগাঁৱৰ অৱদানৰ কথা বিশেষভাৱে উল্লেখ কৰিছে। তেওঁ ভাগ কৰা দ্বিতীয়টো আন্দোলনত নগাঁৱৰ মহিলাসকলৰ অৱদান আছিল উল্লেখনীয়। আনহাতে পূর্ণচন্দ্র শর্মাৰ ভাষাত — "১৯৩০-৩১ চনৰ নগাঁৱৰ আন্দোলন কলিয়াবৰতে গণ আন্দোলনৰ ৰূপ ধৰিছিল আৰু তাৰ স্বেচ্ছাসেৱকসকলেই অধিক ত্যাগ আৰু কষ্ট স্বীকাৰ কৰিব লগা হৈছিল।" কলিয়াবৰৰে গণেশ চন্দ্র বৰঠাকুৰৰ পত্নী গুণেশ্বৰী দেৱী আৰু আন এগৰাকী মহিলা মোহিনী বৰগোহাঁয়ে সেইটো আন্দোলনত অগ্রণী ভূমিকা লৈছিল। ঠানুৰাম ভূঞাৰ নেতৃত্বত পদব্রজে নগাঁৱলৈ যোৱা শোভাযাত্রাত এই দুগৰাকী মহিলাই আগভাগ লৈ আন মহিলাকো উলিয়াই নিছিল। গুণেশ্বৰী দেৱীয়ে ১৯৩০ চনৰ পৰা ৪২ চনলৈকে কেবাবাৰো জেল খাটিছিল।

অসমত ৰাজনৈতিক অপৰাধত দণ্ড পোৱা প্রথম অসমীয়া মহিলা দুগৰাকীৰ ভিতৰত তেৱোঁ এগৰাকী আছিল বুলি সেই সময়ৰ কাকত (বাতৰি, ২২ নৱেম্বৰ ১৯৩০) প্রকাশ পাইছিল। শোভাযাত্রা কৰি যোৱা ১৭ গৰাকী মহিলাক গ্রেপ্তাৰ কৰা হৈছিল যদিও ১৫ গৰাকীক লগে লগে খালাছ দিয়া হৈছিল। কিন্তু গুণেশ্বৰী দেৱী আৰু এগৰাকীক ফাটেক দিয়া হৈছিল। ফাটেক খটা ইগৰাকীৰ নাম উল্লেখ কৰা নহ'ল। কিন্তু যুক্তিৰ আধাৰত সেইগৰাকী মোহিনী বৰগোহাঁই হয় বুলি ক'ব পাৰি। সেই সময়ত তেওঁ দেশপ্রেমমূলক গীত ৰচি নিজে গাই আলোড়নৰ সৃষ্টি কৰিছিল। তদুপৰি তেওঁ আছিল স্বেচ্ছাসেৱক বাহিনীৰ নায়িকা। কোলাত কেঁচুৱা লৈ জেল খটা এগিৰাকী সাহসী মহিলাৰ অকালতে ১৯৩৫ চনত মৃত্যু ঘটিল। গুণেশ্বৰী দেৱী আৰু গণেশ চন্দ্র বৰঠাকুৰৰ বিষয়ে সকলোৰে শ্রদ্ধেয়া চন্দ্রপ্রভা শইকীয়ানীয়ে এইদৰে উল্লেখ কৰি গৈছে —"এনেকুৱা স্বদেশপ্রাণ স্বামী-স্ত্রীৰ কথা কোনেও পাহৰা উচিত নহয়।' সেই সময়ত বৰঠাকুৰ দম্পতীয়ে নিজৰ ঘৰতে কলিয়াবৰ কংগ্রেছৰ কার্যালয় স্থাপন কৰিছিল, ৫০০ জনতকৈয়ো অধিক যুৱকক ভলনণ্টিয়াৰ তৈয়াৰ কৰি উলিয়াইছিল আৰু তেতিয়াৰ এহাজাৰমান টকাৰ দোকান আৰু ঘৰ-বাৰী কংগ্রেছত উইল কৰি থৈ গৈছিল।

জিলাখনৰ আন কেইগৰাকীমান মহিলাৰ অৱদানো উলাই কৰিব নোৱাৰি। সেইসকলৰ ভিতৰত ঊষা বৰঠাকুৰ, স্বর্ণলতা বৰুৱা, খগেন্দ্র প্রিয়া বৰুৱা, কুসুম কুমাৰী গোস্বামী, তাৰিণী প্রিয়া দেৱী, অৰুণা ভূঞা (হলধৰ ভূঞাৰ পত্নী) আৰু পাছত হিৰণ্য ভূঞা, কিৰণময়ী বৰুৱা, প্রভাৱতী দেৱী, বুদ্ধেশ্বৰী হাজৰিকা প্রমুখ্যে মহিলাসকলে দ্বিতীয় আৰু তৃতীয় পর্যায়ত বিশেষ ভূমিকা ল'ব লগা হৈছিল। আইন-অমান্য আন্দোলনত নগাঁৱৰ পুৰুষ-নাৰীৰ সম্মিলিত শক্তিয়ে অসমৰ সকলোৰে দৃষ্টি আকর্ষণ কৰিছিল। সেই চনতে (১৯৩০) তেতিয়াৰ শিক্ষাধিকাৰ কলিংহাম চাহাবৰ এখন বিজ্ঞপ্তিয়ে শিক্ষা জগতত খলকনি তুলিছিল। এই বিজ্ঞপ্তি বা জাননীখনক কুখ্যাত 'কানিংহাম চার্কুলাৰ' বোলা হৈছিল। নগাঁৱত ইয়াৰ বিৰুদ্ধে সৰৱ প্রতিবাদ কৰিছিল দেৱকান্ত বৰুৱা প্রমুখ্যে তেতিয়াৰ ছাত্রসকলে। এই কাৰণেও বহুতো ছাত্র কাৰাগাৰত সোমাব লগা হৈছিল। প্রসংগক্রমে উল্লেখ কৰিব পাৰি যে স্বাধীনতাৰ সেই দ্বিতীয়টো আন্দোলনে অসমত বিয়াল্লিছৰ আন্দোলনৰ দৰে ব্যাপক ৰূপ লোৱা নাছিল, কিন্তু নগাঁৱত এই আন্দোলন স্তিমিত হোৱা নাছিল। সেই কথা অগ্রগণ্য মুক্তিযোদ্ধা ত্যাগবীৰ হেম বৰুৱা, অমিয় কুমাৰ দাস, ৰবীন কাকতী আদিয়ে যথাস্থানত উল্লেখ কৰি থৈ গৈছে। এই আন্দোলনতো জিলাখনৰ ভালেসংখ্যক কংগ্রেছ কর্মীয়ে সশ্রম কাৰাদণ্ড ভোগ কৰিবলগীয়া হৈছিল। কিছুসংখ্যকক আন শাস্তিও বিহা হৈছিল।

স্বাধীনতা আন্দোলনৰ শেষ পর্যায়ৰ আন্দোলনটোৰ 'ভাৰত ত্যাগ আন্দোলন' আৰু 'বিয়াল্লিছৰ গণবিপ্লৱ' আখ্যা দিয়া হৈছে। সর্বাত্মক ৰূপ লোৱা এই অভূতপূর্ব আন্দোলনে অৱশেষত ব্রিটিছ চৰকাৰক সেও হ'বলৈ বাধ্য কৰালে। বিয়াল্লিচৰ ৮ আগষ্ট ইতিহাসৰ এটা স্মৰণীয় দিন। ভাৰতীয় নেতৃবৃন্দৰ লগত আলোচনা কৰি ক্রিপ্চ মিছন ব্যর্থ হোৱাত বোম্বাইত বহা নিখিল ভাৰত কংগ্রেছ কার্যনির্বাহক কমিটিয়ে সেইদিনা 'ভাৰত ত্যাগ' প্রস্তাৱ গ্রহণ কৰিলে। সাম্রাজ্যবাদীহঁতে ভাৰত ত্যাগ নকৰিলে কংগ্রেছ কর্মীসকলে গান্ধীৰ নির্দেশত 'কর্তব্য সাধন কিম্বা মৃত্যুবৰণ' কৰা সংকল্প ল'লে। এই অগ্নিমন্ত্রত দীক্ষিত হোৱাৰ লগে লগে গান্ধীজীকে ধৰি আন্দোলনৰ কাণ্ডাৰীসকলক গ্রেপ্তাৰ কৰা হ'ল। দেশৰ সকলো ঠাইতে এই বাতৰি বিয়পি পৰিল। গোপীনাথ বৰদলৈ, তৈয়বুল্লা, বিষ্ণুৰাম মেধি, দেবেশ্বৰ শর্মা, ফখৰুদ্দিন আলী আহমদ, সিদ্ধিনাথ শর্মা প্রমুখ্যে অসমৰ নেতৃবৃন্দকো গ্রেপ্তাৰ কৰা হ'ল। সেই আন্দোলনক অম্বিকাগিৰী-জ্যোতিপ্রসাদ, পদ্মধৰ চলিহা আদিয়ে দেশপ্রেমমূলক গীতৰ দ্বাৰা উজ্জীৱিত কৰি ৰাখিছিল। জ্যোতিপ্রসাদৰ 'বজ্র কণ্ঠৰে বিশ্বক শুনা/ সত্যৰ জয়গান/ বুকুৰ তেজেৰে ধুই দে আজি/ ভাৰতৰ অপমান/ সাজু হ সাজু নজোৱান'। এনে ধৰণৰ গীত শুনি কোনো আৰু থিৰেৰে থাকিব নোৱৰিলে। ৰজা খেদা আখ্যা পোৱা নগঞায়ো এই আন্দোলনত ভালদৰেই কঁকালত টঙালি বান্ধি ল'লে।

নগাঁৱত সেই সময়ত জিলা কংগ্রেছৰ সভাপতি মহেন্দ্র হাজৰিকা আৰু শান্তিসেনাৰ জিলা অধিনায়ক পূর্ণচন্দ্র শর্মাই এই আন্দোলন কৃতকার্য কৰি তুলিবলৈ উঠিপৰি লাগিল। মৃত্যুবাহিনী গঠন কৰা হ'ল। তেওঁলোকৰ আহ্বানত সঁহাৰি জনাই আগবাঢ়ি

আহিল এচাম দুর্দান্ত সাহসী, নিষ্ঠাৱান, সৎ আৰু ত্যাগী লোক। এইসকলৰ ভিতৰত লক্ষ্মী প্রসাদ গোস্বামীৰ নামটো বিশেষভাৱে উল্লেখ কৰিবলগীয়া। এইগৰাকী দুর্ধর্ষ সংগ্রামীৰ কেতবোৰ কার্যই ব্রিটিছ চৰকাৰক চকুৰ টোপনি নোহোৱা কৰিছিল বুলিব পাৰি। তেওঁৰ কর্মপদ্ধতি কেৱল নিজৰ জন্মস্থান কামপুৰতে আবদ্ধ নাৰাখিলে। সমগ্র জিলাখনতে তেওঁ প্রভাৱ পেলালে। সেই বছৰতে পূর্ণ শর্মাক গ্রেপ্তাৰ কৰাত লক্ষ্মী প্রসাদ গোস্বামীক স্বেচ্ছাসেৱক বাহিনীৰ জিলাধিপতি নায়কৰ দায়িত্ব দিয়া হ'ল। নগাঁৱত বিয়াল্লিছৰ আন্দোলন পূর্ণগতিত চলোৱাত এওঁৰ অৰিহণা বহুখিনি আছে। চৰকাৰে তেওঁৰ বিৰুদ্ধে হত্যা, ৰেলগাড়ী বগৰোৱা আদি নানা অভিযোগ আনিছিল। পলাতক অৱস্থাত থকা লক্ষ্মীপ্রসাদক ধৰাই দিব পাৰিলে দহ হাজাৰ টকা পুৰস্কাৰ দিয়া হ'ব বুলিও ব্রিটিছ চৰকাৰে ঘোষণা কৰিছিল। সেই সময়ত তেওঁ বিভিন্ন ৰূপ ধৰি আত্মগোপন কৰিছিল। একে সময়তে উজনিত শংকৰ বৰুৱায়ো ব্রিটিছ চৰকাৰক বাৰুকৈ অতিষ্ঠ কৰি তুলিছিল। শংকৰ বৰুৱাৰ কাৰণেও ব্রিটিছ চৰকাৰে দহ হাজাৰ টকাৰ পুৰস্কাৰ ঘোষণা কৰিছিল। কিন্তু নুমলীগড়ত শংকৰ বৰুৱা ধৰা পৰিল, গোস্বামী তেতিয়া অকলশৰীয়া হ'ল। তেওঁ তেজপুৰ, গুৱাহাটী আদিত আত্মগোপন কৰি পাছত কলিকতা আৰু বোম্বাইলৈ যায়। তেতিয়াই তেওঁ জয় প্রকাশ নাৰায়ণ আদি নেতাসকলৰ ঘনিষ্ঠ সংস্পর্শলৈ আহি আন্দোলনৰ আন কার্যসূচীত জড়িত হৈ পৰিল। সশস্ত্র সংগ্রামত জড়িত হৈ পৰাৰ কাৰণে তেওঁ ১৯৪৫ চনলৈকে পলাতক অৱস্থাত থাকিব লগা হৈছিল। বিয়াল্লিছৰ এক অবিস্মৰণীয় পাণবাৰীত ৰেল বগৰোৱা ঘটনা গোস্বামীৰ নির্দেশতে সংঘটিত হৈছিল। অৱশ্যে এই ৰেল বগৰোৱা কার্যত প্রত্যক্ষভাৱে জড়িত আছিল মায়ং-দৈপড়াৰ মহদানন্দ দেৱগোস্বামী আৰু তেওঁৰ সহযোগী বেণুধৰ ডেকা, ভোগৰাম ডেকা, দধি বৰদলৈ, মধু কেওট, বিকাৰাম ডেকা, বিৰহু মেধি, লয়ৰাম মেধি, ভগীৰথ কোঁৱৰ আৰু ভূৱন মেধি। এওলোকৰ লগত লগ লাগিল কামপুৰৰ ভিবিৰাম বৰা, ধনপুৰ লস্কৰ, মাণিক বৰা আৰু ৰহা অঞ্চলৰ আন দুজন সতীর্থ ৰূপৰাম সূত আৰু কামেশ্বৰ বৰদলৈ। ভিবিৰাম বৰাৰ মতে — "এই ঘটনাৰ পটভূমি শ্রীলক্ষ্মীপ্রসাদৰ সৃষ্টি আছিল। দৈপড়াৰ মহদা গোসাঁইৰ দলে সহায়-সাৰথি নকৰা হ'লে আৰু আমি কামপুৰীয়া দলে তালৈ গৈ সহযোগ নকৰা হ'লে সেই কার্য নহ'লহেঁতেন। এই কৃতকার্যতাৰ গুৰিতে লয়ৰামৰ নির্ভুল পথ প্রদর্শন প্রশংসনীয়।" পাণবাৰীৰ বাহিৰেও লক্ষ্মীপ্রসাদৰ নির্দেশতে কামপুৰৰ মাজৰআটি ৰেল গেটত আৰু নাৰিকলি গাঁৱৰ ওচৰত আগষ্ট মাহত মালগাড়ী বগৰাই আৰু ৰেলগাড়ী লাইনচ্যুত কৰি বিস্তৰ ক্ষতি কৰা হৈছিল। কিন্তু পাণবাৰীত ইংৰাজ সৈন্য কঢ়িয়াই নিয়া ৰেলগাড়ী বগৰোৱাৰ গুৰুত্ব আছিল বেছি। পাণবাৰীৰ এই ঘটনাই ব্রিটিছ সংসদতো তোলপাৰ লগাইছিল। এই চিৰস্মৰণীয় ঘটনাক মুখ্য কৰি ড° বীৰেন্দ্র কুমাৰ ভট্টাচার্যই ৰচনা কৰা বিখ্যাত 'মৃত্যুঞ্জয়' উপন্যাসখনে পাছত সন্মানীয় 'জ্ঞানপীঠ বঁটা' অর্জন কৰিছিল। উপন্যাসখনত কামপুৰ আৰু বিশেষকৈ নগাঁৱৰ পশ্চিম অঞ্চলৰ জনসাধাৰণে আন্দোলনত লোৱা ভূমিকাৰ মনোগ্রাহী বিৱৰণ আছে।

নগাঁৱৰ পূব অঞ্চলতো এই আন্দোলনে ব্যাপক ৰূপ ধাৰণ কৰিছিল। ইয়াৰে এটা ঘটনাৰ বিষয়ে মুক্তিযোদ্ধা আৰু প্রবীণ সাংবাদিক তিলক হাজৰিকাই এইদৰে বর্ণাইছে — "আমাৰ মনত পৰে অসমত তেতিয়াও আন্দোলনৰ প্রত্যক্ষ ৰূপ ধৰা নাই। অসম সেই সময়ত ব্রিটিছৰ সন্মিলিত বাহিনীৰ এক প্রচণ্ড ঘাটি। যিমানদূৰ মনত পৰে ১১ আগষ্ট তাৰিখে দুপৰীয়া কলিয়াবৰৰ শিলঘাটত পতা এটা যুদ্ধৰ ডাঙৰ ঘাটি প্রায় দুহেজাৰৰো অধিক মৃত্য বাহিনীৰ ভলণ্টিয়াৰৰ সমদলে গৈ জুই লগাই দিয়ে আৰু সকলো সম্ভাৰ ধ্বংস কৰে। এই ভয়ানক কামটোৰ নেতত্ব কৰে স্বর্গীয় বিপ্লৱী ঠানু�ৰাম ভূঞাই। তেওঁ লগে লগে এইবুলি ঘোষণা কৰিছিল যে এতিয়া ৰাইজ নিজেই নিজৰ নেতা আৰু সেই মতেই কাম কৰক। আমাৰ মনত পৰে সেইদিনা এই জুইকু�ৰাই অসমত প্রত্যক্ষ আন্দোলন সম্পর্কে এটা সুস্পষ্ট ধাৰণা দিলে আৰু সেইকুৰাই আছিল আন্দোলনৰ প্রথম জুই।" স্বাধীনতা আন্দোলনৰ এগৰাকী সক্রিয় কর্মী জ্যোতি প্রসাদৰ ঘনিষ্ঠ সহযোগী, অসমবাণী কাকতৰ প্রাক্তন সম্পাদকগৰাকীয়ে "ইতিহাসৰ এই ঘটনাটো সঠিক সময়ত লিপিবদ্ধ" — নোহোৱাৰ কাৰণে "দুর্ভাগ্য" বুলি উল্লেখ কৰিছে। এই ঘটনাৰ পাছত নগাঁৱকে ধৰি অসমৰ বিভিন্ন ঠাইত আন্দোলনৰ জুইকুৰাই প্রচণ্ড ৰূপ ধাৰণ কৰিলে। বৰহমপুৰৰ মুক্তকামী জনগণে সেই ঘটনাৰ প্রায় এমাহ পাছতে অর্থাৎ ১৮ ছেপ্টেম্বৰৰ দিনা পুলিচৰ অধীনলৈ নিয়া শান্তিসেনা শিবিৰটো নিজৰ হাতলৈ আনিলে। মুক্তিকামীসকলে সেইদিনা এটা ভোজৰো আয়োজন কৰিছিল। পিছে আচম্বিতে মিলিটেৰী আহি সকলো লণ্ডভণ্ড কৰি পেলালে। ইয়াৰ প্রতিবাদ কৰোঁতে ভোগেশ্বৰী ফুকননী, লক্ষ্মী হাজৰিকা, ঠগী সূত আৰু বলোৰাম সূতে সাম্রাজ্যবাদীৰ আজ্ঞাবাহীৰ হাতত প্রাণ আহুতি দিব লগা হ'ল। হাতত ত্রিৰংগ পতাকা লৈ আগবাঢ়ি যোৱা ভোগেশ্বৰী ফুকননীৰ জীয়েক ৰত্নাৰ হাতৰ পৰা কেপ্টেইন ফিন্‌ছে পতাকাখন কাঢ়ি নিবলৈ ধৰোঁতে মাকে সহ্য কৰিব নোৱাৰি পতাকা অঁৰা বাঁহ ছটাৰে খোঁচমাৰি দিয়াত চাহাবে ৰিভলভাৰেৰে প্রতিশোধ ল'লে।

চাৰিগৰাকী শ্বহীদৰ তেজেৰে বৰহমপুৰ পুণ্যতীর্থ হ'ল। গুলী চলোৱাৰ আগেয়ে আন্দোলনৰ নেতা প্রতাপ চন্দ্র শর্মা আৰু আন এঘাৰজন স্বাধীনতা সংগ্রামীক সেই ঠাইৰ পৰা মিলিটেৰী ভেনত উঠাই লৈ আহিল। বৰহমপুৰৰ ঘটনাৰ আগেয়ে আগষ্ট মাহত হোৱা জিলাখনৰ আন কেইটামান ঘটনাত কেবাগৰাকী মুক্তিযোদ্ধাই স্বাধীনতাৰ কাৰণে প্রাণ আহুতি দিলে।

বেবেজীয়াৰ ওচৰত দলং পোৰাৰ অপৰাধত মুক্তিকামী জনগণৰ ওপৰত নানা ধৰণৰ অত্যাছাৰ-উৎপীড়ন চলোৱা হ'ল। প্রায় চাৰিশ লোকক গ্রেপ্তাৰ কৰাৰ উপৰি নগাঁৱলৈ জাক পাতি নিৰাপৰাধী লোকক লৈ যোৱা হৈছিল। বেবেজীয়াৰ এই ঘটনাৰ

পাছত স্বাভাৱিকতে ওচৰ-পাঁজৰৰ লোকসকল উত্তেজিত হৈ পৰিছিল। জোঙালবলহু গড়ৰ ওচৰৰ দলং এখন ভাঙি দিয়াৰ অপৰাধত মিলিটেৰীয়ে গুলীচালনা কৰোঁতে গুণাভি বৰদলৈ আৰু হেমোৰাম পাটৰে মৃত্যুবৰণ কৰিলে। সেইদৰে নিৰস্ত্ৰ জনসাধাৰণৰ পক্ষে থিয় দিয়াত মুক্তিযোদ্ধা কলাই কোঁচ আৰু হেমৰাম বৰাই মৃত্যুক সাবটি ল'লে। চৰাইবাহীৰ তিলক ডেকাই গাঁওবাসীক শিঙা ফুকি সতর্ক কৰি দিয়াৰ কাৰণে তেওঁকো গুলিয়াই হত্যা কৰা হ'ল। এইগৰাকী স্বেচ্ছাসেৱকে তেওঁৰ নিজৰ দায়িত্ব সুছাৰুৰূপে পালন কৰিছিল। বিয়াল্লিছৰ ২০ চেপ্টেম্বৰত ঢেকীয়াজুলি থানাত পতাকা উত্তোলন কৰিবলৈ গৈ মৃত্যুবৰণ কৰা মনবৰ নাথৰ ঘৰ নগাঁৱৰ জামুগুৰিত আৰু সেইদিনাই শ্বহীদ হোৱা খহুলী নাথৰ ঘৰ নগাঁৱৰ ধিঙৰ ওচৰৰ ডুমডুমীয়াত আছিল বুলি জনা যায়।

বিয়াল্লিছৰ আন্দোলনত নগাঁৱত শ্বহীদৰ সংখ্যা অবিভক্ত দৰং জিলাৰ পাছতে। গ্ৰেপ্তাৰ হোৱা লোকৰ সংখ্যা ৮১৬ জন বুলি ১৯৪৬ চনৰ ২৫ চেপ্টেম্বৰৰ দিনা বিধান সভাত মহেন্দ্ৰ মোহন চৌধুৰীৰ এটা প্ৰশ্নৰ উত্তৰত বিভাগীয় মন্ত্ৰীয়ে কৈছিল। আনপ্ৰকাৰে নিৰ্যাতিত হোৱা ক্ষেত্ৰত নগাঁৱে অভিলেখ স্থাপন কৰিছিল। ১৯২১ চনৰ পৰা, ১৯৪৩ চনৰ ভিতৰত আন্দোলনকাৰীৰ ওপৰত কমেও ২৫০ বাৰ লাঠী চালনা কৰা ডেৰ হাজাৰৰ অধিক লোক আহত আৰু দুশৰো বেছি চিকলি কাৰণে ঘুণীয়া হোৱা কথা নথিপত্ৰতে উল্লেখ আছে। আনহাতে চৰকাৰী তথ্যপাতিত 'অভিশপ্তিত' লোকৰ সংখ্যা ৫০২ গৰাকী বুলি উল্লেখ আছে আৰু এই সংখ্যা ৰাজ্যখনৰ ভিতৰতে সৰ্বাধিক বুলি কোৱা হৈছে। কিন্তু জিলাখনত হোৱা কেতবোৰ ঘটনা এতিয়াও পোহৰলৈ অহা নাই। উদাহৰণস্বৰূপে ইয়াৰ পশ্চিম নগাঁৱত হোৱা এটা চাঞ্চল্যকৰ ঘটনাত ব্ৰিটিছ ৰাজানুগত্য এজন আৰক্ষী উপ-পৰিদৰ্শকক স্বাধীনতা প্ৰয়াসী তেওঁলেই আত্মীয়ই চৰম শাস্তি বিহিছিল বুলি বাইজৰ মুখত পাছত প্ৰচাৰ হৈছিল। আন এটা ঘটনা ঘটিছিল কলিয়াবৰৰ নাগশংকৰত। সেইদিনাই বৰঠাকুৰে তেওঁৰ বৰপুত্ৰ শিৱৰাম বৰঠাকুৰক দেশৰ কাৰণে প্ৰকাশ্যে উচৰ্গা কৰিছিল। নগাঁৱৰ জনসাধাৰণ দেশৰ স্বাধীনতা আন্দোলনত এনেদৰেই জড়িত হৈ পৰিছিল। নগাঁৱৰ এই অবিস্মৰণীয় অৱদানৰ কথা স্বীকাৰ কৰিছে স্বাধীনতা আন্দোলনৰ অসমৰ কাণ্ডাৰীসকলেও। "আতিশয্য আৰু ব্যাপকতাৰ ফালৰ পৰা নগাঁৱে এক স্পষ্ট নিদৰ্শন দাঙি ধৰিছে" বুলি ত্যাগবীৰ হেমচন্দ্ৰ বৰুৱাই উল্লেখ কৰা কথাষাৰ এই প্ৰসংগতে উনুকিয়াব পাৰি। ❑

বিশ্বায়ন ঃ সম্ভাৱনা আৰু সংশয়

গীতিমল্লিকা শইকীয়া

বিশ্বায়ন বা গ্লোবেলাইজেছনৰ এটা সৰ্বসন্মত সংজ্ঞা দিয়া এতিয়াও সম্ভৱ হৈ উঠা নাই। আজি কোনো দেশৰেই ৰাজনীতি, অৰ্থনীতি, ধৰ্ম, সংস্কৃতি, জ্ঞান-বিজ্ঞানৰ চৰ্চ্চা বিশ্বায়ন প্ৰক্ৰিয়াৰ উৰ্ধত নহয়। ইয়াৰ আটাইতকৈ গভীৰ প্ৰভাৱ পৰিছে অৰ্থনীতিৰ জগতখনত। এই ক্ষুদ্ৰ টোকাটোত আমাৰ আলোচনা অৰ্থনীতিৰ বিষয়তে সীমাবদ্ধ ৰখা হ'ব। ব্যৱসায়-বাণিজ্য, বিনিময়ৰ মাধ্যম, পুঁজিৰ প্ৰবাহ আৰু বিনিয়োগ, বহুজাতিক কোম্পানিবোৰৰ উৎপাদন আৰু বাণিজ্য, প্ৰযুক্তিৰ আদান-প্ৰদান, আন্তৰ্জাতিক তথ্যৰ চলাচল, কৰ্মসংস্থানমুখী জনপ্ৰবাহ, পৰিৱেশ আদি বহু বিষয় অৰ্থনৈতিক বিশ্বায়নে সামৰি লৈছে।

বিশ্বায়নৰ ইতিহাস বহু পুৰণি। নয়ন চন্দই তেওঁৰ ইতিমধ্যে বিখ্যাত হোৱা *বাউণ্ড টুগেদাৰ* গ্ৰন্থত সুদীৰ্ঘ আলোচনাৰে প্ৰতিপন্ন কৰিছে যে খ্ৰীষ্টজন্মৰ বহু হাজাৰ বছৰ পূৰ্বেই ভাগ্যান্বেষী, সদাগৰ, ধৰ্মপ্ৰচাৰক আৰু যোদ্ধাসকলে গঢ় দিয়া ব্যৱস্থাটোৰেই এতিয়া বিশ্বায়নৰ ৰূপ লৈছে। খ্ৰীষ্টপূৰ্ব পঞ্চাছ সহস্ৰাব্দৰ পৰা আঠাইছ সহস্ৰাব্দৰ ভিতৰত মানৱজাতিৰ উদ্ভৱস্থান আফ্ৰিকা মহাদেশৰ পৰা জনসমষ্টি ওলাই আহি ভাৰত, মালয়েছিয়া, অষ্ট্ৰেলিয়া, চীন, কোৰিয়া, ইউৰোপ আদি বিভিন্ন প্ৰান্তত বিয়পি পৰাৰ লগে লগে বিশ্বায়নৰ যাত্ৰা আৰম্ভ হ'ল; চতুৰ্থ সহস্ৰাব্দত ভাৰত আৰু মেছোপটেমিয়াৰ (বৰ্তমানৰ ইৰাক) মাজত বাণিজ্যিক আদান-প্ৰদান চলিছিল; তৃতীয় সহস্ৰাব্দত ফিনিছীয় সদাগৰসকলে পশ্চিম ভূমধ্যসাগৰীয় অঞ্চলৰ পৰা ইজিপ্তলৈকে বিশাল বাণিজ্যিক ঘাটি প্ৰতিষ্ঠা কৰিছিল; প্ৰথম সহস্ৰাব্দত গ্ৰীক বণিকসকলে পূৱ ভূমধ্যসাগৰীয় অঞ্চলত বাণিজ্যিক উপনিবেশ স্থাপন কৰিছিল। খ্ৰীষ্টপূৰ্ব তৃতীয় শতিকাত ৰেছম পথেদি (চিল্ক ৰোড) চীনৰ লগত ভূমধ্যসাগৰীয় অঞ্চলৰ বেহা-বেপাৰ চলিছিল; প্ৰথম শতিকাত ভাৰতীয় ৰজাই ৰোমলৈ বাণিজ্যিক প্ৰতিনিধি পাঠয়াইছিল। খ্ৰীষ্টজন্মৰ পিছৰ কালছোৱাত বাণিজ্যৰ বেগ বাঢ়িছিল। খ্ৰীষ্টীয় প্ৰথম শতিকাত গ্ৰীক নাবিকসকলে মৌচুমী বায়ুপ্ৰবাহৰ ৰহস্য ভেদ কৰে, ইয়াৰ লগে লগে বিশ্ব বাণিজ্যৰ এক নতুন অধ্যায় মুকলি হ'ল; ভাৰত মহাসাগৰেদি বাণিজ্যৰ সম্প্ৰসাৰণ ঘটিবলৈ ল'লে; দ্বিতীয় শতিকাৰ পৰা ৰোমানসকলৰ লগত ভাৰতৰ মছলা ব্যৱসায় আৰম্ভ হ'ল; চতুৰ্থ শতিকাত মধ্য এছিয়াত বৌদ্ধধৰ্ম বিস্তাৰ হ'ল আৰু ই ৰেছমৰ বাণিজ্য বৃদ্ধিত সহায় কৰিলে; পঞ্চম শতিকাত ৰোম আৰু বাইজেনটাইনৰ সোণ আৰু ৰূপৰ মুদ্ৰা আন্তৰ্জাতিকভাৱে গ্ৰহণীয় মুদ্ৰা হৈ পৰিল; সপ্তম শতিকাত চীন দেশে মধ্য এছিয়াৰ পৰা ঘোঁৰা আমদানি আৰু তালৈ ৰেছম ৰপ্তানি কৰিছিল; খ্ৰীষ্টীয় বাৰ শতিকাৰ পৰা চীন হৈ পৰিছিল আফ্ৰিকাৰ দাসবোৰৰ বিক্ৰীকেন্দ্ৰ; সোতৰ শতিকাত গঠন হোৱা ইংৰাজ আৰু ওলন্দাজ ইষ্ট ইন্দিয়া কোম্পানিকেইটাই বিশ্বৰ প্ৰথম বহুজাতিক কোম্পানি; এই শতিকাতে ইউৰোপৰ প্ৰথম কফি হাউছ অক্সফোৰ্ডত খোলা হয়। পিছৰ শতিকাত ওলন্দাজসকলে কফি উলিয়ালেগৈ জাভাদ্বীপত। ফৰাছীসকলে কফি নিলে কেৰেবিয়ান দ্বীপপুঞ্জলৈ। ইউৰোপৰ উপনিৱেশিক শক্তিসমূহে সোণ বিচাৰি আফ্ৰিকা চলাথ কৰিলে। এছিয়াৰ বিলাসী সামগ্ৰীৰে পৰ্তুগীজ বণিকে ব্ৰাজিলত বেপাৰ আৰম্ভ কৰিলে। এই ওঠৰ শতিকাতে এলি হুইট্‌নীৰ সূতাকটা যন্ত্ৰ আৱিষ্কাৰৰ ফলত আমেৰিকাৰ কপাহ ব্যৱসায় তুংগত উঠিল। ঊনেছ শতিকাত জাপানৰ কমোদৰ পেৰিয়ে জাপানৰ বহিৰ্বাণিজ্যৰ দুৱাৰ মুকলি কৰিলে; টেলিগ্ৰাফ আৰু ভাপ ইঞ্জিনৰ জাহাজ আৱিষ্কাৰ হোৱাত পৰিবহণ ব্যয় হ্ৰাস পালে, প্ৰথম ৰেফ্ৰিজাৰেটৰ সংলগ্ন জাহাজো চলিবলৈ

ল'লে। পেট্রোলৰ আৱিষ্কাৰে পৰিবহণ ব্যৱস্থাৰ বিপ্লৱ সাধন কৰিলে। ১৯৬১-১৯৭৯ চনৰ সময়ছোৱাত ইংৰাজী ভাষাত "গ্লোবেলাইজেছন' শব্দটোৰ প্ৰথম প্ৰয়োগ ঘটিল, ফেক্স মেছিন, কম্পিউটাৰ আৱিষ্কাৰ হ'ল। ১৯৮০-১৯৮৯ চনৰ ভিতৰত ভাৰতৰ চফট্‌ৱেৰ কোম্পানি ইনফোচিছে বাণিজ্যিক উৎপাদন আৰম্ভ কৰিলে। ২০০০ চনত প্ৰথমটো কলচেণ্টাৰ ছেনেগালত আৰম্ভ হ'ল, তাৰ পিছতেই আৰু বহুবোৰ দেশত, লগে লগে আৰম্ভ হ'ল আউট ছ'চিং।

হেনৰি হৱহাউচে তেওঁৰ বহু চৰ্চিত *ছীডচ অব চেঞ্জ* গ্ৰন্থত সোতৰ শতিকাত বিশ্বৰ বিস্তাৰিত অৰ্থনীতিৰ এটি ৰূপ এইদৰে দাঙি ধৰিছে — "Spices were exchanged for salt in Persian Gulf, salf for cloves in Zanzibar, cloves for gold in India, gold for tea and silk in China, silk for copper in Japan, copper for spices in the East Indies. A huge Indies - to - Indies trade was nearly as profitable as Grand Trade from the East to Europe"

এই পৰিক্ৰমাৰে পৰিণতি আজিৰ বিশ্বায়ন। তথ্য-প্ৰযুক্তিৰ অভূতপূৰ্ব প্ৰয়োগে আজিৰ বিশ্বায়নক দ্ৰুত গতিবেগ দিছে। এতিয়া বিশ্বায়ন বা গ্লোবেলাইজেছন বুলিলে আমি বুজিব লাগিব কুৰি শতিকাৰ অন্তিম দুটা দশকত বিশ্বৰ দেশবোৰৰ ৰাজনৈতিক আৰু ভৌগোলিক সীমা অতিক্ৰম কৰি দ্ৰুতভাৱে গঢ়ি উঠা সামাজিক আৰু অৰ্থনৈতিক প্ৰক্ৰিয়াটোক। বিকল্প ব্যৱহাৰযুক্ত সীমিত সম্পদেৰে মানুহৰ অসীম আকাংক্ষাৰ জোৰা মাৰিবলৈ এখন দেশৰ সম্পদ আৰু মানুহৰ জ্ঞান, উদ্ভাৱনা, আৱিষ্কাৰ, উৎপাদন সেই দেশৰ সীমাৰ ভিতৰতে আৱদ্ধ ৰাখিব নে বহির্জগতৰ উপকাৰত অহাকৈ এইবোৰ বাণিজ্যিক উদ্দেশ্যে মুকলি কৰি দিব, সেই লৈ ৰাষ্ট্ৰনায়কসকলৰ চিন্তা-ভাৱনাৰ অন্ত নাই। ক্ৰমাৎ শক্তিশালী হৈ অহা বিশ্বায়ন প্ৰক্ৰিয়াত যিদৰে আছে অপাৰ সম্ভাৱনা, সেইদৰে আছে যুক্তিসঙ্গত আশংকা। বিশ্বায়নৰ মাজত লুকাই আছে ব্যৱসায়-বাণিজ্যৰ অপাৰ সুযোগ সৃষ্টি কৰাৰ, জ্ঞানৰ ক্ষীপ্ৰ প্ৰসাৰ ঘটোৱাৰ আৰু যুদ্ধ নহয়, দেশবোৰৰ মাজত পাৰস্পৰিক নিৰ্ভৰশীলতাৰে সমন্বয়ৰ বিশ্ব গঢ়াৰ সম্ভাৱনা।

এই সম্ভাৱনা আৰু প্ৰতিশ্ৰুতি লৈয়ে বিশ্বায়নে একৈছ শতিকাত প্ৰৱেশ কৰিছে। প্ৰতিখন দেশে নিজা নিজা বাণিজ্য আৰু অৰ্থনীতি সুৰক্ষিত কৰি ৰাখিবৰ বাবে কিছুমান সুৰক্ষা ব্যৱস্থা ল'ব লগা হয়। কিন্তু এতিয়া যুগৰ পৰিৱৰ্তন ঘটিছে। বিশ্ববাসী এতিয়া প্ৰবেশ কৰিছে এনে এখন বাণিজ্য মেলাত য'ত সামগ্ৰী, সেৱা আৰু পুঁজিৰ মুকলি আদান-প্ৰদান হ'ব লাগিছে। বিশ্বায়নৰ সাফল্য নিৰ্ভৰ কৰিছে দেশবোৰৰ পাৰস্পৰিক নিৰ্ভৰশীলতা আৰু সহযোগিতাৰ ওপৰত। যোৱা দুটা দশকত এই প্ৰক্ৰিয়াই অবিশ্বাস্য গতিবেগ লাভ কৰিছে। অৰ্থনীতিবিদ *চাৰ্লছ হিলে* এই কথাটো এজন আমেৰিকান নাগৰিকৰ এদিনৰ ডায়েৰীৰ পৰা আমাক সুন্দৰকৈ বুজাই দিব পাৰিছে,— "আমেৰিকানজন কৰ্মস্থানলৈ উঠি যোৱা গাড়ীখন কোৰিয়াৰ তীখা আৰু মালয়েছিয়াৰ ৰবৰেৰে আমেৰিকা আৰু জাপানত তৈয়াৰ কৰা বিভিন্ন অংশবোৰ মেক্সিকোৰ ডেইলা ক্ৰিছলাৰে সংলগ্ন কৰি জাৰ্মানিৰ আৰ্হিৰে নিৰ্মাণ কৰি উলিয়াই হৈছে। যাওঁতে বাটতে তেওঁ ইংৰাজ বহুজাতিক কোম্পানি এটাই চলোৱা চাৰ্ভিছ ষ্টেছন এটাৰ পৰা গাড়ীখনত গেছোলীন ভৰাই লৈছে। এই গেছোলীন এটা ফৰাচী তেল কোম্পানিয়ে অফ্ৰিকাৰ উপসাগৰীয় অঞ্চলৰ তেলখাদ এটাৰ পৰা উলিয়াই অনা তেল পৰা তৈয়াৰ কৰি গ্ৰীচ জাহাজ কোম্পানি এটাৰ জাহাজেৰে আমেৰিকালৈ কঢ়িয়াই আনিছে। গাড়ী চলাই গৈ থাকোঁতেই তেওঁ যিটো ন'কিয়া মোবাইল ফোনেৰে ষ্টকমাৰ্কেটৰ এজেণ্টৰ লগত কথা পাতিছে সেই টো ফিনলেণ্ডত ডিজাইন কৰা আৰু কালিফোৰ্ণিয়াৰ ছান ডিয়েগোৰ কোৱালকাম নামৰ প্ৰতিষ্ঠান এটাই কৰ্মৰত ভাৰতীয় ইঞ্জিনিয়াৰসকলে প্ৰস্তুত কৰা আৰ্হিৰে, টাইৱান উৎপাদন কৰা সস্তীয়া সৰঞ্জামেৰে, টেক্সাছত বিভিন্ন অংশবোৰ একত্ৰিত কৰা হৈছে। তেওঁ চেলফোনত ষ্টকমাৰ্কেটৰ এজেণ্টৰ কৰ্মদ্যোগী ইজৰাইলী মুখ্য কাৰ্যবাহী পৰিচালক এজন আন্তৰ্জাতিক কোম্পানি এটাই পূৰ্বৰ জাৰ্মান চৰকাৰৰ একচেটিয়া টেলিকমিউনিকেছন উদ্যোগৰ পৰা কিনি লোৱা ডাচ্‌চ টেলিকম শ্বেয়াৰ কিনিবলৈ কৈছে। এইবাৰ তেওঁ গাড়ীতে সংলগ্ন জাপানী প্ৰতিষ্ঠান এটাই মালয়েছিয়াত তৈয়াৰ কৰা ৰেডিঅ'টো চলাই দিলে। এজন ছুইদিচ নাগৰিকে ৰচনা কৰা আৰু ডেনিচ দল এটাই ইংৰাজীতে গোৱা এটা জনপ্ৰিয় গীত ৰেডিঅ'ত ভাহি আহিছে। এই সংগীতৰ দলটোৱে আমেৰিকাত তেওঁলোকৰ গানৰ ৰেকৰ্ড বিক্ৰী বঢ়াবলৈ এটা ফৰাছী সংগীত কোম্পানিৰ লগত চুক্তিবদ্ধ হৈছে। এইবাৰ তেওঁ সোমাইছেগৈ কোৰিয়ান প্ৰবজনকাৰী এজনে চলাই থকা কফি দোকান এখনত আৰু তাত চৰ্বিহীন কফি আৰু চকলেট বিস্কুটৰ ফৰমাইছ দিছে। এই কফি আহিছে ব্ৰাজিলৰ পৰা আৰু চকলেট আহিছে পেৰুৰ পৰা আৰু বিস্কুটটো পুৰণি ইটালীৰ পদ্ধতিৰে স্থানীয়ভাৱেই প্ৰস্তুত কৰা। গান শেষ হোৱাৰ পাছত ৰেডিঅ'ৰ বাতৰি পঢ়োতাই জনাইছে এটা বিশ্বায়ন বিৰোধী প্ৰতিবাদৰ খবৰ। প্ৰতিবাদীসকলে চুইজাৰলেণ্ডৰ ডাভোছত অনুষ্ঠিত ৰাষ্ট্ৰনেতাসকলৰ সভাত বিক্ষোভ প্ৰদৰ্শন কৰিছে। এজন প্ৰতিবাদকাৰীৰ মৃত্যু হৈছে। পিছৰ বাতৰিটোত কোৱা হৈছে আমেৰিকাৰ অৰ্থনৈতিক অৱনতিৰ ফলত জাপানৰ নিক্কেই ষ্টক মাৰ্কেট সোতৰ বছৰৰ ভিতৰত নিম্নতম স্থানত উপনীত হৈছে।"

আমি এইখন জগততে বাস কৰিছোঁ। আধুনিক সভ্য জগতখনক বাদ দি কোনো মানুহেই নিৰ্জন অকলশৰীয়া দ্বীপ এটাত বাস কৰিব নোৱাৰোঁ। বিশ্বায়নৰ এই সৰ্বব্যাপী ৰূপ আমিও দৈনন্দিন জীৱনত অনুভৱ কৰিব পৰা হৈছোঁ। দিল্লী, মুম্বাই, বাংগালোৰ, হায়দৰাবাদৰ কথাই নাই, গুৱাহাটী, শিৱসাগৰ, ডিব্ৰুগড়ৰ ৰাজপথতো ওপৰত উল্লেখ কৰা আমেৰিকানজনৰ গাড়ীখনৰ দৰে অসংখ্য গাড়ী সদায় দেখা পাইছোঁ। আমাৰ ইয়াতো হাজাৰজনে হাতে হাতে লৈ ফুৰা মোবাইল ফোনবোৰ হয় জাপান, নহয় কোৰিয়া, নহয় চীন, নহয় জাৰ্মানি বা আমেৰিকাৰ

নির্মিত বিভিন্ন অংশ বা আৰ্হিৰে প্ৰস্তুত কৰা। ব্ৰাজিলৰ কফিয়ে আমাৰ ক্লান্তি দূৰ কৰাৰ দৰে অসমৰ চাহো পৃথিৱীৰ কত দেশৰ মানুহৰ ব্ৰেকফাষ্ট টেবুল পাইছেগৈ! মানৱ সভ্যতা যিমানে আগবাঢ়িছে সিমানে এখন দেশৰ মানুহ আন এখন দেশৰ সম্পদ আৰু মানুহৰ শ্ৰম, আৱিষ্কাৰ, উৎপাদন আৰু ধ্যান-ধাৰণাৰ ওপৰত অধিক নিৰ্ভৰশীল হৈছে। তাতেই সন্তুষ্ট নাথাকি বিশ্বায়ন প্ৰক্ৰিয়াই এখন দেশৰ মানুহৰ সেৱা আৰু পুঁজি আন এখন দেশৰ উন্নয়নৰ কামত সহজে প্ৰয়োগ কৰিব পৰা কৰিছে। কুৰি শতিকাৰ শেষৰ দুটা দশকৰ পৰা বিশ্বত সামগ্ৰী, সেৱা আৰু পুঁজি-বিনিয়োগৰ আদান-প্ৰদান ক্ষীপ্ৰ গতিত বৃদ্ধি পাইছে। ভাবিলে আচৰিত হ'ব লাগে আমি এনে এখন বিশ্বৰ বাসিন্দা য'ত প্ৰতিদিনে ১.২ বিলিয়ন ডলাৰতকৈ বেছি মূল্যৰ বাণিজ্যিক আদান-প্ৰদান চলিব লাগিছে। এতিয়া ব্যক্তি আৰু ৰাষ্ট্ৰৰ ওপৰত বৈশ্বিক প্ৰবাহ ইমান শক্তিশালী যে ইয়াক কোনেও আওকাণ কৰা সম্ভৱ নহয়। LPG অৰ্থাৎ Liberalization, Privatization আৰু Globazation এতিয়া অপৰিত্যাজ্য।

বিশ্বায়ন কেৱল বৃহৎ উদ্যোগৰে বন্ধু নহয়, ই ক্ষুদ্ৰ উদ্যোগবোৰক প্ৰতিযোগিতামুখী আৰু শক্তিশালী হৈ থকাৰ বাবে সুযোগ দিছে। ২০০১ চনত আমেৰিকাৰ ৰপ্তানি বাণিজ্যত ভাগ লোৱা প্ৰতিষ্ঠানবোৰৰ ভিতৰত শতকৰা ঊনানবৈ ভাগেই ক্ষুদ্ৰ উদ্যোগ যিবোৰৰ প্ৰতিটোৰে মুঠ শ্ৰমিক-নিযুক্তিৰ সংখ্যা এশজনতকৈ কম। আনফালে এনে উদ্যোগবোৰৰ উৎপাদিত সামগ্ৰী আমেৰিকাৰ মুঠ ৰপ্তানি সামগ্ৰীৰ একৈছ শতাংশ। আন কেইবাখনো দেশত ক্ষুদ্ৰ উদ্যোগবোৰৰ সবল অংশ গ্ৰহণে ৰপ্তানি বাণিজ্য শক্তিশালী কৰিছে। জাৰ্মানিত পাঁচশতকৈ কম শ্ৰমিক লৈ গঠিত ক্ষুদ্ৰ প্ৰতিষ্ঠানবোৰৰ দেশখনৰ মুঠ ৰপ্তানিলৈ বৰঙণি শতকৰা ত্ৰিছ ভাগ। বিশ্বায়নৰ লগে লগে বিশ্বৰ পৰিবহণ আৰু যোগাযোগ ব্যয় বহু পৰিমাণে কমি অহাৰ ফলত আৰু সামগ্ৰী, সেৱা, মূলধন, জ্ঞানৰ আদান-প্ৰদানত থকা কৃত্ৰিম প্ৰতিবন্ধকতাবোৰ দূৰ হ'লত বিশ্ববাসীৰ মাজত সমন্বয় বৃদ্ধি পোৱাৰ সুযোগ বাঢ়িল।

অনুন্নত দেশবোৰ ক্ষীপ্ৰ গতিৰে আগবঢ়াত বিশ্বায়নে সহায় কৰিছে। অনুন্নত দেশ এখন অৰ্থনৈতিকভাৱে পিছ পৰা বুলিয়ে অকলশৰীয়া বুলি ভবাৰ দিন উকলিল। মুক্ত বাণিজ্য আৰু জ্ঞান-প্ৰযুক্তি-পুঁজিৰ আদান-প্ৰদানে তেনে দেশৰ মানুহৰ জীৱিকাৰ মান উন্নত কৰিছে। ধনী দেশবোৰৰ বহু বৃহৎ উদ্যোগ উৎপাদনক্ষম কৰি ৰখাৰ বাবে বহু অনুন্নত দেশৰ ক্ষুদ্ৰ উদ্যোগৰ উৎপাদন অপৰিহাৰ্য হৈ পৰিছে। অনুন্নত দেশ এখনত নতুন বিদেশী প্ৰতিষ্ঠান এটা স্থাপনৰ ফলত চৰকাৰী সাহায্যৰে পুষ্ট স্থানীয় উদ্যোগ এটা ক্ষতিগ্ৰস্ত হ'ব পাৰে, কিন্তু বিদেশী প্ৰতিষ্ঠানটোৰ উন্নত প্ৰযুক্তি আৰু বজাৰ-জ্ঞান আন আন উদ্যোগৰ বাবে সহায়ক হ'ব পাৰে। কোনোবা এটা বিদেশী প্ৰতিষ্ঠানত অনুন্নত দেশৰ নিবনুৱাসকলৰ কম মজুৰিৰ নিযুক্তিবোৰ বিশ্বায়ন প্ৰক্ৰিয়াৰ সমালোচকসকলৰ চকুত শোষণ যেন লাগিব পাৰে, কিন্তু নিবনুৱাসকলৰ বাবে সেই নিযুক্তি পৰম আশীৰ্বাদস্বৰূপ হৈছে। আফ্ৰিকা মহাদেশৰ বহুবোৰ পিছপৰা দেশৰ নিবনুৱাসকলৰ এনে নিযুক্তিৰ ফলত জীৱিকাৰ মান উন্নত হৈছে। বিদেশী সাহায্য আৰু বিশ্ববেংকৰ পুঁজিয়ে পিছপৰা বহুত দেশৰ জলসিঞ্চন ব্যৱস্থা, খোৱাপানীৰ যোগান, শিক্ষা প্ৰসাৰ, স্বাস্থ্য আঁচনি ৰূপায়ণ, ৰাস্তা-ঘাট নিৰ্মাণ, এইডছ প্ৰতিৰোধ ব্যৱস্থা, পলিও নিবাৰণ আঁচনি আদি বাস্তৱায়িত কৰিছে। ২০০৯ চনৰ বিশ্ববেংকৰ এক প্ৰতিবেদন অনুসৰি ২০০৮-০৯ চনৰ অৰ্থনৈতিক অৱনতিৰ ফলত ধনী দেশবোৰৰ বিকাশৰ গতি যি হাৰত নিম্নগামী হৈছে, অনুন্নত দেশবোৰত তেনে হোৱা নাই। এই প্ৰৱণতাৰ আঁত ধৰি চীন আৰু ভাৰতে ভৱিষ্যৎ বিশ্বঅৰ্থনীতিত এক বিশাল ঠাই অধিকাৰ কৰিব বুলি বহু অৰ্থনীতিবিদে ভৱিষ্যৎবাণী কৰিছে।

বিশ্ব অৰ্থনীতিৰ এটা ঐতিহাসিক পৰ্ব হ'ল ১৯৩০ চনৰ গ্ৰেট ডিপ্ৰেছন বা মহামন্দা। ১৯২০-৩০ চনৰ সময়ছোৱাত আমেৰিকাকে ধৰি কেইখনমান দেশে ঘৰুৱা উদ্যোগসমূহক বিদেশী প্ৰতিযোগিতাৰ পৰা ৰক্ষণাবেক্ষণ দিবৰ বাবে আন্তৰ্জাতিক বাণিজ্য আৰু বিদেশী পুঁজিৰ ক্ষেত্ৰত প্ৰতিবন্ধকতা বঢ়াই তোলাৰ পিছত আমদানিৰ পৰিমাণ কমি যায়। ইয়াৰ ফলত বিশ্বজুৰি সামগ্ৰীৰ চাহিদা হ্ৰাস পালে আৰু ইয়াৰ অন্তিম পৰিণাম হ'ল বিশ্ব অৰ্থনীতি থান-বান কৰা মহামন্দা। প্ৰধানকৈ আমেৰিকা, জাপান আৰু ইউৰোপৰ দেশবোৰৰ অৰ্থনীতি দেউলিয়া হ'ল, উদ্যোগ আৰু বেংকসমূহ মৃত্যুমুখী হ'ল, দেশে দেশে নিবনুৱাই ভয়ঙ্কৰ ৰূপ ধাৰণ কৰিলে। পুঁজিবাদী অৰ্থনীতিৰ সন্মুখত দেখা দিয়া এই সংকটৰ পৰা দেশবোৰক উদ্ধাৰ কৰিবলৈ অৰ্থনীতিবিদ *জন মেনার্ড কীনছে* চাহিদা বৃদ্ধিৰ যোগেদি অৰ্থনৈতিক কাম-কাজ ত্বৰান্বিত কৰা আৰু মুক্ত অৰ্থনৈতিক ব্যৱস্থাত চৰকাৰৰ হস্তক্ষেপ আৰু নিয়ন্ত্ৰণ বৃদ্ধি কৰাৰ বাবে যি পৰামৰ্শ আগবঢ়ালে, সেই অভিনৱ সূত্ৰই দেশবোৰ বিপদমুক্ত হোৱাত সহায় কৰিলে।

মহামন্দাৰ ভয়াৱহ অভিজ্ঞতাই পশ্চিমীয়া দেশবোৰক প্ৰতিবন্ধকতাবোৰ আঁতৰাই দেশবোৰৰ মাজত সামগ্ৰী আৰু সেৱাৰ অবাধ চলাচলৰ ব্যৱস্থা কৰিবলৈ বাধ্য কৰালে। এই ক্ষেত্ৰত উদ্যোগ ল'লে ৰাষ্ট্ৰসংঘই। ৰাষ্ট্ৰসংঘৰ উদ্যোগত ১৯৪৭ চনত জেনেৱেল এগ্ৰিমেন্ট অন টেৰিফ এণ্ড ট্ৰেড চমুকৈ গেটৰ জন্ম হ'ল। যাৰ মূল লক্ষ্যই আছিল আন্তৰ্জাতিক ক্ষেত্ৰত প্ৰতিবন্ধকতাবোৰ দূৰ কৰি মুক্ত বাণিজ্যৰ প্ৰসাৰ ঘটোৱা। প্ৰতিষ্ঠাকালৰে পৰা প্ৰায় আঠুৰ কুৰি বছৰ সময়ে সময়ে অধিবেশন অনুষ্ঠিত কৰাতেই গেটৰ কাম সীমাবদ্ধ আছিল। গেটৰ মুহূৰ্ত উপস্থিত হ'ল শীতল যুদ্ধৰ অৱসান হ'লত ১৯৯৩ চনত উৰুগুৱে অধিৱেশনত। গেটৰ সেই বৈঠকতে মুক্ত বাণিজ্যৰ সম্প্ৰসাৰণ নিশ্চিত কৰিবলৈ ৱৰ্ল্ড ট্ৰেড অৰ্গেনাইজেন (ডব্লিও.টি.ও.) বা বিশ্ব বাণিজ্য সংস্থা গঠন কৰি বিশ্ব বাণিজ্য ব্যৱস্থা পৰ্যবেক্ষণ আৰু নিয়ন্ত্ৰণৰ দায়িত্ব এই সংস্থাৰ ওপৰত দিয়া হয়। গেটৰ জন্মৰ পিছৰ পৰাই এফালে বাণিজ্য প্ৰতিবন্ধকতাবোৰ উল্লেখনীয়ভাৱে হ্ৰাস পালে আৰু আনফালে বাণিজ্যৰ গতিবেগ বৃদ্ধি পাবলৈ ধৰে। ১৯৫০ চনৰ পৰা ২০০২ চনৰ সময়ছোৱাৰ ভিতৰত আন্তৰ্জাতিক

বাণিজ্য কুৰি গুণ বৃদ্ধি পায়। এই বৃদ্ধিৰ বছৰেকীয়া হাৰ ১৯৯০ চনৰ পৰা দ্রুততৰ হয়। লগতে দেশে দেশে বিদেশী পুঁজি বিনিয়োগৰ দ্বিপাক্ষিক চুক্তিৰ সংখ্যাও বাঢ়িবলৈ লয়।

বিশ্বায়নৰ যাত্রা সফল কৰি তোলা প্রধান বিষয় দুটাৰ এটা হৈছে দেশবোৰে আৰোপ কৰা বাধাবোৰ আঁতৰ কৰি সামগ্রী, সেৱা, পুঁজিৰ অবাধ চলাচল আৰু আনটো হৈছে বিজ্ঞান-প্রযুক্তিৰ উন্নয়নৰ যোগেদি হোৱা যোগাযোগ পৰিবহণ ব্যৱস্থাৰ আমূল পৰিৱর্তন। পৰিবহণ ব্যয় হ্রাসৰ ফলত দেশবোৰৰ মাজত সামগ্রীৰ সহজ চলাচল সম্ভৱ হৈছে। কম্পিউটাৰ আৰু ইণ্টাৰনেট ব্যৱস্থাৰ প্রসাৰে বজাৰৰ বিশ্বায়ন দ্রুত কৰাত ইন্ধন যোগাইছে। ইনফৰমেচন টেকন'লজিৰ এই উত্তৰণে বিশ্ব অর্থনীতিলৈ চমকপ্রদ পৰিৱর্তন আনিলে।

কুৰি শতিকাৰ শেষৰফালে মানৱজাতিক উদ্বেলিত কৰা কেইটামান ঘটনা হৈছে কমিউনিষ্ট ছোভিয়েট ৰাছিয়াৰ পতন, বার্লিন ৰাল ভঙ্গৰ লগতে পুঁজিবাদী পশ্চিম জার্মানিৰ সৈতে সাম্যবাদী পূৱ জার্মানিৰ মিলন আৰু পূৱ ইউৰোপৰ দেশসমূহৰ সাম্যবাদী ৰাষ্ট্রব্যৱস্থাৰ প্রতি মোহভংগ। এনেবোৰ ঘটনাৰ পিছত সৃষ্টি হোৱা আদর্শগত শূন্যতাৰ ঠাই পূৰণ কৰিলে বিশ্বায়নৰ ধাৰণাই।

কেৱল পুঁজিবাদী বজাৰকেন্দ্রিক দেশবোৰৰ অর্থনীতিতে নহয়, সমাজবাদী দেশবোৰত বিশ্বায়নে ৰাষ্ট্রকেন্দ্রিক অর্থনীতিবোৰ বজাৰকেন্দ্রিক অর্থব্যৱস্থালৈ ৰূপান্তৰ কৰাত বেছি সময় নল'লে। ক্ষীপ্র অর্থনৈতিক উন্নয়নৰ সম্ভাৱনাৰ প্রতি আকর্ষিত হৈ এই দেশবোৰেও নতুন ব্যৱস্থাটোক আঁকোৱালি ল'লে। বিশ্বায়নে এই দেশবোৰক বিচলিত কৰা নাই, যাৰ ফলত চীনদেশত ১৯৮০ চনৰ পৰা ২০০২ চনলৈ বিদেশী পুঁজি বিনিয়োগৰ পৰিমাণ বছৰি গঢ়ে দুই বিলিয়ন ডলাৰৰ পৰা পঞ্চাছ বিলিয়ন ডলাৰলৈ বৃদ্ধি পালে। বিশ্ব বজাৰত চীনে নিজৰ স্থান জাপান আৰু উন্নত পশ্চিমীয়া দেশবোৰতকৈ মজবুত কৰি লৈছে। ৰাষ্ট্রৰ কর্তৃত্ব দূৰ কৰি বজাৰ অর্থনীতি গ্রহণ কৰা বিষয়ত মিশ্র অর্থনীতিৰ দেশ ভাৰতবর্ষতকৈ কমিউনিষ্ট দেশ চীনৰ তৎপৰতা বহুত বেছি দেখা গ'ল। চীনে অর্থনীতিৰ এই ৰূপান্তৰ সাধনৰ বাবে সহায় লৈছিল বজাৰ অর্থনীতিৰ গুৰু কেনেথ এৰো আৰু জোছেফ ষ্টিগলিট্জ-কে ধৰি বহুজন আমেৰিকান অর্থনীতিবিদৰ পৰা। চীনৰ জনসাধাৰণে নতুন ব্যৱস্থাৰ সুফল লগে লগেই পাইছিল। ১৯৯০ চনত যি চীনদেশত দৰিদ্রসীমাৰ তলত আছিল ৩৫৮ নিযুত মানুহ, মাত্র সাত বছৰৰ পিছত তাত সেই সংখ্যা ২০৮ নিযুতলৈ হ্রাস পাইছিল। চীনদেশে বিশ্বৰ ভিতৰতে আটাইতকৈ বেছি পৰিমাণৰ বিদেশী-পুঁজি আকর্ষণ কৰিছে। চীনে পুৰণি অর্থনীতিৰ কাঠামো ভাঙি নতুন নতুন শিল্প-উদ্যোগ গঢ়ি তুলিছে। পশ্চিমীয়া বহুজাতিক কোম্পানিৰ লগত নানা যৌথ উদ্যোগৰ পৰিকল্পনা হাতত লৈছে।

বিশ্বায়নে সৃষ্টি কৰা সুযোগ-সুবিধাবোৰ কোনখন দেশে কিমান গ্রহণ কৰিব পাৰে সেই কথা নির্ভৰ কৰে দেশ এখনৰ কর্ম-সংস্কৃতি, নেতৃত্বৰ দূৰদর্শিতা, মানুহৰ যোগ্যতা, নতুন পৰিস্থিতিৰ সৈতে খাপ খুৱাই চলাৰ বাবে মানুহৰ আগ্রহ আদি চাৰিত্রিক গুণ ওপৰত।

বিশ্ব বাণিজ্য সংস্থা, আন্তর্জাতিক মুদ্রা নিধি, আৰু বিশ্ব বেংক এই তিনিটা আন্তর্জাতিক অনুষ্ঠান বিশ্বায়নৰ তিনিটা স্তম্ভস্বৰূপ। ৰাষ্ট্রসংঘৰ সহাৰধানত এই অনুষ্ঠানকেইটাই বিশ্বৰ ধনী-দুখীয়া সকলো দেশৰ সকলো মানুহৰ আর্থিক বিকাশৰ বাবে অনুকূল বাণিজ্যিক পৰিবেশ আৰু পুঁজিৰ যোগান নিশ্চিত কৰে। বিশ্বৰ অর্থনৈতিক সুস্থিৰতাৰ বাবে আন্তর্জাতিক ক্ষেত্রত সমূহীয়া কার্যক্রমণিকাৰ যে গুৰুত্বপূর্ণ ভূমিকা আছে সেইকথা উপলব্ধি কৰিয়েই আন্তর্জাতিক মুদ্রানিধি (আই. এম. এফ) প্রতিষ্ঠা কৰা হৈছিল।

কিন্তু দেখা যায়, বিশ্বায়নৰ সুবিধৰোঁতা এই তিনিটা অনুষ্ঠানৰ প্রতিখন অধিবেশন বিঘ্নিত হৈছে অনুন্নত দেশবোৰৰ ক্ষুব্ধ জনতাৰ প্রতিবাদত। কেৱল অনুন্নত দেশবোৰেই নহয়, এতিয়া প্রতিবাদৰ ধুমুহা উন্নত দেশবোৰতো ববলৈ লৈছে।

বিশ্বায়নৰ বিৰুদ্ধে বৈশ্বিক প্রতিবাদ আৰম্ভ হ'ল ৰাছিলৈৰ ছিয়াতল চহৰত অনুষ্ঠিত বিশ্ব বাণিজ্য সংস্থাৰ অধিবেশনত। প্রতিবাদকাৰীসকলে সংস্থাৰ পক্ষপাতমূলক নীতি আৰু উন্নত দেশবোৰৰ ভণ্ডামিৰ বিৰুদ্ধে সজোৰে মাত মাতিলে। এফালে উন্নত দেশবোৰে তেওঁলোকৰ নিজা সামগ্রী বিক্রীৰ বাবে অনুন্নত দেশবোৰৰ বজাৰ মুক্ত কৰি ৰখাৰ পোষকতা কৰে, আনফালে পিছপৰা দেশবোৰৰ পৰা অহা বহুবোৰ সামগ্রীৰ বাবে নিজৰ দেশৰ বজাৰ বন্ধ ৰাখে। ধনী দেশবোৰে এফালে দাবী কৰে যে অনুন্নত দেশবোৰে উদ্যোগ আৰু কৃষি খণ্ডত দিয়া ৰাজসাহায্য বন্ধ কৰিব লাগে, অথচ তেওঁলোকে বৃহৎ পৰিমাণৰ ৰাজসাহায্য বা ভর্তুকীৰে নিজ দেশৰ কৃষি আৰু উদ্যোগ খণ্ডক ৰক্ষণাবেক্ষণ দিয়ে। মার্কিন যুক্তৰাষ্ট্রৰ নিচিনা ধনী দেশবোৰে বিচাৰে বিত্তীয় সেৱাসমূহৰ উদাৰীকৰণ আৰু অবাধ চলাচল, কিন্তু তেওঁলোকেই অনুন্নত দেশবোৰৰ সবল সেৱাখণ্ডক দুর্বল কৰিব খোজে। বিশ্বায়নৰ যুগতে বিশ্ব-বাণিজ্য ব্যৱস্থা ইমান পক্ষপাতদুষ্ট হৈ পৰিছে যে বিশ্বায়নে সৃষ্টি কৰা সুফলৰ ভাগ অনুন্নত দেশবোৰে আশা কৰা মতে ভোগ কৰিব পৰা নাই। তাৰ উপৰি এই প্রক্রিয়াই সমাজৰ পৰম্পৰাগত মূল্যবোধৰ ওপৰত আঘাত হানিছে বুলিও অভিযোগ উঠিছে। বিশ্বায়ন প্রক্রিয়াৰ সুফলেৰে বলী হৈ বৃহৎ কোম্পানিবোৰে সৰু সৰু অঞ্চলৰ সৰু সৰু ব্যৱসায়ীসকলৰ অস্তিত্ব বিপদাপন্ন কৰিছে বুলি আন এক অভিযোগ আছে। বিত্তীয় সাহায্যৰ লগতে বিদেশী প্রতিষ্ঠানবোৰে জাপি দিয়া চর্তসমূহ কোনো কোনো দেশে সার্বভৌমত্বৰ প্রতি ভাবুকি বুলি গণ্য কৰে। দ্রুত সামাজিক- অর্থনৈতিক ৰূপান্তৰৰ বাবে বিশ্বায়নে সৃষ্টি কৰা বাণিজ্যমুখী বাতাবৰণ বিশ্বৰ সুস্থ পৰিৱেশ সংৰক্ষণৰ কাৰণে অনুকূল নহয় বুলি বহুতো পৰিৱেশ বিজ্ঞানীয়ে অভিযোগ কৰিছে। বহুতো সমালোচকে ক'ব কোজে যে বিশ্বায়নে মানুহৰ মাজত অর্থনৈতিক বৈষম্য বৃদ্ধি কৰিছে। এই প্রক্রিয়াই সম্পদৰ অপচয় বৃদ্ধি, বঞ্চিতৰ সংখ্যা বৃদ্ধি আৰু যথোপযুক্ত মজুৰিত নিযুক্তি

সংখ্যা হ্রাস কৰিছে বুলি কোনো কোনোৱে অভিযোগ আনিছে।

বিশ্বৰ বাণিজ্য ক্ষেত্ৰত হোৱা এই বিসংগতিবোৰ দূৰ কৰি দুৰ্বল অৰ্থনীতিৰ দেশবোৰৰ আস্থাভাজন হোৱাত আন্তৰ্জাতিক অনুষ্ঠানকেইটাই যথোচিত ভূমিকা ল'ব পৰা নাই।

সেয়ে, পৃথিৱীৰ বিভিন্ন অংশত বিশ্বায়নে আশংকাৰ সৃষ্টি কৰিছে। কিন্তু সঠিকভাবে পৰিচালিত হ'লে ই সুফল সৃষ্টিকাৰী শক্তি হোৱাৰ সম্ভাৱনাই বেছি। বিশ্বায়নে মানুহৰ গণতান্ত্ৰিক চেতনাবোৰ শাণিত কৰিছে (বিশ্বায়ন বিৰোধী আন্দোলন তাৰেই প্ৰমাণ)। ই হাজাৰ হাজাৰ দৰিদ্ৰ মানুহক উন্নত জীৱন-যাপনৰ সোৱাদ দিব পাৰিছে। এই প্ৰক্ৰিয়াই পিছপৰা দেশবোৰৰ সৰু সৰু মানুহৰ দ্বাৰা নিৰ্মিত সামগ্ৰীৰ বাবে ন ন বজাৰ সৃষ্টি কৰিছে, তেওঁলোকে উৎপাদন কৰা সামগ্ৰীসমূহ প্ৰতিযোগিতামুখী কৰাৰ লগতে এইবোৰৰ গুণগত মান উন্নত কৰাত উদগণি দিছে।

বাণিজ্য সম্প্ৰসাৰণৰ দ্বাৰা বিশ্ব অৰ্থনীতিলৈ অহা দ্ৰুত বিকাশ মূলতঃ বিশ্বায়নৰ সুফল। অথচ, একৈছ শতিকাৰ আৰম্ভণিৰ পৰা ক্ৰমান্বয়ে ঘণীভূত হোৱা অৰ্থনৈতিক সংকট বিশ্বায়ন প্ৰক্ৰিয়াৰে নেতিবাচক পৰিণতি বুলি কোনো কোনো অৰ্থনীতিবিদে ক'ব খোজে। বিশ্ব বাণিজ্য সংস্থাৰ হিচাপ অনুসৰি ২০০৮-০৯ চনত বিশ্ব বাণিজ্য শতকৰা ন ভাগলৈ কমিছে। এই সংকটে পোনপ্ৰথম আমেৰিকাত আত্মপ্ৰকাশ কৰিছিল বিত্তীয় সংকটৰ ৰূপত। অতি কমদিনৰ ভিতৰতে তাৰ প্ৰভাৱ দেখা গ'ল বৃহৎ অৰ্থনীতিৰ ৰপ্তানিকাৰী দেশবোৰৰ ওপৰত। সংকট ক্ৰমান্বয়ে ঘণীভূত হ'ল। বেংকবোৰ দেউলিয়া হ'ল, ষ্টকমাৰ্কেটত তাৰ নিম্নমুখী প্ৰতিফলন ঘটিল, বহু উদ্যোগ বন্ধ হ'ল, লাখ লাখ শ্ৰমিক-কৰ্মচাৰী সংস্থানহীন হ'ল। এই সংকটে কম-বেছি পৰিমাণে সকলোবোৰ দেশতে অৰ্থনৈতিক অস্থিৰতাৰ সৃষ্টি কৰিছে। আমেৰিকা আৰু ইউৰোপৰ দেশবোৰত চাহিদা আৰু বিনিয়োগ নিম্নগামী হোৱা হেতুকে বাণিজ্যিক লেন-দেনৰ পৰিমাণ হ্ৰাস পাইছে। আমেৰিকাৰ আমদানি আৰু ৰপ্তানি বাণিজ্যৰ পৰিমাণ শতকৰা ত্ৰিশৰ পৰা পঁইত্ৰিশ ভাগ কমি গৈছে। আমেৰিকাৰ বজাৰৰ ওপৰত নিৰ্ভৰশীল জাপানৰ ৰপ্তানি বাণিজ্য তাতোকৈ বেয়াকৈ ক্ষতিগ্ৰস্ত হৈছে। বিশ্বৰ দ্বিতীয় বৃহৎ অৰ্থনীতি - জাপান অৰ্থনীতিৰ বিকাশৰ হাৰ শতকৰা পোন্ধৰ ভাগকৈ কমিছে। জাপানৰ পাছতে বৃহৎ ৰপ্তানিকাৰী দেশ চীন আৰু ব্ৰাজিলৰ ৰপ্তানি শতকৰা প্ৰায় কুৰি ভাগকৈ কমিছে। আমেৰিকাৰ ওপৰত নিৰ্ভৰশীল মেক্সিকোৰ ৰপ্তানি শতকৰা প্ৰায় ঊনত্ৰিশ ভাগ কমিছে। ভাৰতৰ বিজাৰ্ভ বেংকৰ কঠোৰ প্ৰশাসনিক শৃংখলাৰ বাবে প্ৰথম অৱস্থাত ভাৰতীয় অৰ্থনীতিয়ে বহির্জগতৰ এই বিত্তীয় সংকট প্ৰতিৰোধ কৰিবলৈ সক্ষম হৈছিল যদিও মন্থৰ অৰ্থনৈতিক বিকাশৰ লগতে আমেৰিকা আৰু ইউৰোপৰ দেশবোৰৰ অৰ্থনৈতিক অৱনতিৰ ফলস্বৰূপে হোৱা ৰপ্তানি সংকোচনৰ কাৰণে দেশখনে আগৰ স্থিতি বক্ষা কৰা সম্ভৱ নহ'ল। ৰপ্তানি সামগ্ৰীৰ চাহিদা কমি যোৱাত ভাৰততো বহু উদ্যোগ ব্যৱসায় বন্ধ হৈ গৈছে, লাখ লাখ শ্ৰমিক-কৰ্মচাৰী কৰ্মহীন হৈছে। গ্লোবেল ডেভেলপমেন্ট ফাইনান্সৰ প্ৰতিবেদন (২০০৮-০৯)ত বিশ্ববেংকে বিশ্ব অৰ্থনীতিৰ অধিক ভয়াৱহ অৱস্থাৰ সংকেত দিছে; বিশ্ববাণিজ্য শতকৰা দহ ভাগ হ্ৰাস পোৱাৰ আশংকা প্ৰকাশ কৰিছে।

আপাতদৃষ্টিত এই সংকটৰ বাবে বিশ্বায়ন প্ৰক্ৰিয়াটোকে জগৰীয়া কৰিব পাৰি। কিন্তু শেহতীয়াকৈ এচাম অৰ্থনীতিবিদ আৰু বুদ্ধিজীৱীয়ে নিৰ্ভৰযোগ্য বিশ্লেষণেৰে দেখুৱাইছে যে এই মহাসংকটৰ বাবে বিশ্বায়ন জগৰীয়া নহয়। সংকট ৰোধ কৰিবলৈ তুলনামূলকভাৱে সুৰক্ষিত দেশবোৰে গ্ৰহণ কৰা সংৰক্ষণবাদী ব্যৱস্থাহে সংকটমোচনৰ ডাঙৰ অন্তৰায় হৈছে। এই সংকট পুঁজিবাদী অৰ্থব্যৱস্থাৰ সংকট, বিশ্বায়নৰ সংকট নহয়। এনে বিশ্বগ্ৰাসী পুঁজিবাদী সংকটৰ পূৰ্ব দৃষ্টান্ত হ'ল ঊনৈছশ ত্ৰিশৰ দশকৰ মহামন্দা।

বিশ্বায়ন এটা অপ্ৰতিৰোধ্য প্ৰক্ৰিয়া। ইয়াৰ গঠনমূলক সমালোচনাৰ প্ৰয়োজন আছে। তেনে সমালোচনাই সকলোবোৰ দেশৰ বাবে বিশ্বায়নক অধিক উপযোগী আৰু নিৰাপদ কৰি তোলাত সহায় কৰিব। আন্তৰ্জাতিক মুদ্ৰা নিধি, বিশ্ব বাণিজ্য সংস্থা আৰু বিশ্ব বেংকৰ নিৰপেক্ষ পৰিচালনাই বিশ্বায়নক শুদ্ধ পথে আগবঢ়াই নিব পাৰিব। প্ৰতিখন দেশে 'বেগাৰ দাই নেইবাৰ'ৰ নিচিনা প্ৰতিশোধমূলক বাণিজ্যিক নীতি অনুসৰণ নকৰি নিজা নিজা দক্ষতা আৰু গুণগত মান বৃদ্ধিৰে পাৰস্পৰিক সহযোগিতা আগবঢ়ালে বিশ্বায়নে মানৰ সমাজৰ কল্যাণৰ অনুকূলে কাম কৰিব। বিশ্বায়ন এটা মিশ্ৰিত আশীৰ্বাদ।

যিদৰে আদৰ্শ পুঁজিবাদ নাই, বিশ্বায়নবো আদৰ্শৰূপ থাকিব নোৱাৰে। বিজ্ঞানসন্মত আদৰ্শ ৰূপে দাবী কৰা সমাজবাদেই বিশ্বায়ন বিস্তাৰৰ বাবে ঠাই এৰি দিলে। অতি স্বাভাৱিকভাৱেই বিশ্বায়ন প্ৰক্ৰিয়ালৈকো ভৱিষ্যতে পৰিৱৰ্তন আহিব পাৰে। সমস্বাৰ্থসম্পন্ন এক বা একাধিক গোটৰ আঞ্চলিক নীতি অথবা অতি উন্নত আৰু অনুন্নত ৰাষ্ট্ৰৰ মাজত সংঘাতৰ ফলত বিশ্বায়ন প্ৰক্ৰিয়াৰ ৰূপান্তৰ ঘটিব পাৰে। ❑

তথ্য সূত্ৰ ঃ

১) Henry Hobhouse, *Seeds of Change : Six plants that transformed mankind, 1999.*

২) Joseph Stiglitz, *Globalization and its Discontents,* 2003

৩) Charles W. L. Hill, *International Business : Competing in the Global Market place, 2005*

৪) Nayan Chanda, *Bound Together : How Traders, Preachers, Advanturers and Warriors Shaped Globalization, 2007*

৫) অমিয় কুমাৰ বাগচী, (সম্পাদনা), *বিশ্বায়ন ঃ ভাবনা-দুৰ্ভাবনা* (দুই খণ্ড), ২০০৫

হেমন্তৰ মিঠা সন্ধিয়াত আত্মাৰ অন্বেষণ

আব্দুল কুদ্দুছ

কেউপিনে ফৰকাল। নাতিশীতোষ্ণ, মনোৰম বতৰ। দুমাহ আগতে এনে ৰূপ নাছিল পৃথিৱীৰ। চাওঁতে চাওঁতে যাদুৰ দৰে আকাশখন নীলা, নির্মল আৰু মুকলি হৈ পৰিছে। পুৰাৰ পাতল কুঁৱলিবিনি আহে লাহে আঁতৰি গৈছে। মাথোন শেৱালি তলত সিঁচৰতি হৈ পৰি আছে শুভ্ৰ-সুন্দৰ শেৱালি ফুল আৰু বতাহত বিৰাজ কৰিছে তাৰ আমেজভৰা মিঠা সু�ৰভি। বাট পথৰ বোকা পানী শুকাই সুচল সুন্দৰ হৈছে হেমন্ত শান্ত প্ৰকৃতি। দূৰ দিগন্তলৈ বিয়পি আছে সেউজীয়া ধাননি। নিজৰাপাৰৰ কোমল কোমল কঁহুৱা ফুলবোৰে যেন হাত-বাউলি মাতে। ৰিৰ্ ৰিৰ্ মলয়াত যেন কুমলীয়া ফুলপাতৰ মৃদু কঁপনি উঠে। প্ৰাকৃতিক মাধুৰিমালৈ চালে চকু ৰৈ যায়, পৰাণ জুৰায়। ৰাতিৰ নীৰৱতাৰ পিছত দিনৰ সোণালী পোহৰত মতলীয়া হয় পৃথিৱীৰ সকলো জীৱন। কিন্তু এই পোহৰ জানো একেৰাহে থাকে?

দিনৰ পিছত পুনৰায় ৰাতি অৱধাৰিত হৈ আহে। চক্ৰাকাৰে চলি থাকি দিনৰ পিছত ৰাতি, ৰাতিৰ পিছত দিন। চক্ৰৱত চলি থাকে প্ৰাকৃতিক শৃঙ্খলা। পশ্চিম আকাশৰ বুঢ়া বেলিটো দিগন্তৰ সিপাৰে সিঁচৰতি হৈ থকা ৰাঙলী আভাৰ তলেৰে ক্ৰমাগত লুকাই পৰাৰ সময়তে জাকে জাকে বগলীবোৰ উৰি যায় ক'ৰবাৰ গছৰ ডালত বহি ৰাতিটোৰ বাবে বিশ্ৰাম ল'বলৈ। বগলী আৰু কাউৰীৰ জাকবোৰ উৰি যোৱাৰ পিছতে জাকে জাকে উৰি যায়, আন কিছুমান ছবিৰ দৰে সুন্দৰ বনৰীয়া চৰাই। আকাশৰ বুকুত সিহঁতে মালাৰ দৰে আকৃতি সজাই উৰি যায় দূৰদূৰণিৰ বিলৰ পানীত আহাৰ বিচাৰি। হেমন্তৰ মনোৰমা এইৰূপ প্ৰতিবাৰে আহে পৃথিৱীলৈ হাজাৰ হাজাৰ বছৰ ধৰি। কাৰবাৰে সৃষ্ট এই ৰূপ মাধুৰী!

এদিন হেমন্তৰ এনে এক শান্ত, সমাহিত সন্ধিয়াত চন্দ্ৰমোহন অকলশৰে ওলাই যায় আগফাল দীঘলীয়া চোতালখনৰ সিটো কাষলৈ। চোতালখনৰ কাষেৰে পাৰ হৈ গৈছে গাঁৱৰ এটা পুৰণি বাট। বাটৰ কাষৰ শাৰী শাৰী পুৰণি গছ-গছনিবোৰে পৰিৱেশটো গহীন কৰি ৰাখিছে। মানসপটত প্ৰস্ফুটিত হৈ উঠা ভাব চিন্তাবোৰ পাগুলি পাগুলি চন্দ্ৰমোহন কাকতি সেই বাটেৰে আগবাঢ়ি গ'ল কিছু আগলৈ। চিনাকি বাট-পথবোৰ যেন কেতিয়াবা হৈ পৰে কিবা ৰহস্যৰ অলি-গলি। দুকুৰি বাৰ বছৰীয়া চন্দ্ৰমোহন কাকতি বিগত জীৱনত এই বাটেদি অহা-যোৱা কৰিছে অলেখবাৰ। সৰুতে ফুৰিছিল দেউতাকৰ আঙুলিমুৱৰ ধৰি ধৰি। তাৰ পিছত সমনীয়া-চেমনীয়াৰ লগত, পিছত বন্ধু-বান্ধৱবোৰৰ লগত হাঁহি-মাতি। আৰু এতিয়া ফুৰে অকলে। তেওঁ বুজিব নোৱাৰে কিয় বাৰু মনৰ ভাব-চিন্তাবোৰ সদায় সলনি হয়। এই বাটেদি অহা যোৱা কৰোতে তেওঁ সদায় বেলেগ বেলেগ কথা ভাবে। আন সময়তো তেওঁ ভাবে। কিন্তু ভাববোৰ কেতিয়াও একে গাঁথনিত একে বিষয়ৰ হৈ নাথাকে। আজি এই কথাটোকেই প্ৰৱল এটা প্ৰশ্নৰ ৰূপত তেওঁৰ মনলৈ আহিছে বাবে বাবে। কিয় বাৰু এনে হয়? কোনে নিয়ন্ত্ৰণ কৰে মানৱ মনৰ চিন্তাৰ এনে অদৃশ্য জগতখনক? জগতৰ চিন্তাৰ উঁৰিয়লি আছে কাৰ অধীনত? ক্ষন্তেক পিছতে মনলৈ কি ভাব আহিব কোনো মানুহেই তাক আগতীয়াকৈ কেতিয়াও ক'ব নোৱাৰে। তেন্তে মানুহৰ ক্ষমতাৰ প্ৰসাৰ বাৰু কিমান বিস্তৃত?

এনে ৰহস্যৰ আঁত বিচাৰি চন্দ্ৰমোহন আজি ধ্যানমগ্ন মুনিৰ দৰে গহীন। জগতৰ উন্মত্ত মানুহৰ

ধ্বংসাত্মক কার্যবোৰে জীৱনৰ ক্ষতি কৰা নাই জানো? কথাবোৰ ভাবি ভাবি আগবাঢ়ি গৈ থাকোঁতে তেওঁৰ মূৰৰ ওপৰৰ আকাশেৰে 'পিও পিও' কাকলিৰে লগৰীয়াবোৰক কিবা ইঙ্গিত দি উৰি গ'ল আচহুৱা এটা শৰালি হাঁহৰ জাক। চন্দ্রমোহনে অনুভৱ কৰিলে তেওঁৰ মন আকাশৰ দূৰ দিগন্তত যেন এক প্রদীপ শিখা অশান্তভাৱে কঁপি আছে।

সেই বাটেৰে আৰু কিছুদূৰ আগবাঢ়ি গৈ থাকোঁতে চন্দ্রমোহন হঠাৎ থমকি ৰ'ব লগা হ'ল। তেওঁৰ অতি প্রিয়বন্ধু ডঃ নির্মলচন্দ্র শর্মাৰ লগত তেওঁৰ ভেটাভেটি হ'ল। নির্মলচন্দ্র আহি আছিল তেওঁকে লগ ধৰিবলৈ; অন্তৰঙ্গতাৰে কথা পাতিবলৈ। একে গাঁৱৰে যদিও তেওঁ বহুবছৰ ধৰি বাহিৰত আছে। দূৰণিৰ মধুপুৰ কলেজত তেওঁ চাকৰি কৰে। তেওঁ সেই কলেজৰ ৰাজনীতি বিভাগৰ মুৰব্বী প্রবক্তা। বহুদিন দেখা-দেখি নাই হোৱা বাবে তেওঁ আহি আছিল চন্দ্রমোহনক লগ ধৰি বা-বতৰা ল'বলৈ। পূজাৰ বন্ধত তেওঁ ঘৰলৈ আহিছে। সেয়ে সন্ধিয়া পৰত ওলাই আহোঁতে বন্ধুজনৰ লগত সাক্ষাৎ হোৱাত খন্তেকৰ বাবে দুয়োৰে মনত আনন্দ লাগিল। মনে বিচৰাজনক লগ পাই সঁচাকৈ পৰস্পৰৰ ভাল লাগিল।

দুয়ো বন্ধুৰে একেলগে আহি চন্দ্রমোহনৰ ঘৰতে বহিল। চন্দ্রমোহন এজন উচ্চ শিক্ষিত লোক। দর্শন বিষয়ৰ এম. এ.। তেওঁ গাঁৱৰে উচ্চতৰ মাধ্যমিক বিদ্যালয়ত শিক্ষকতা কৰে। বহুদিনৰ পিছত দুয়ো বন্ধুৰ মিলনত ক্রমে উচ্চমার্গৰ অন্তৰঙ্গ আলাপ আলোচনাই ঠাই পালে।

ঘৰুৱা খা-খবৰ কুশল-মঙ্গলৰ কথাৰ পিছত চাহ-জলপান খাই লৈ উভয়ে আন্তৰিকতাৰে আলোচনা আৰম্ভ কৰিলে জীৱন আৰু সমাজক সাঙুৰি। সমাজ, দেশ, ৰাজনীতি, অর্থনীতি, ভূত-ভৱিষ্যৎ, জনমানসিকতা, আধুনিকতা আদি বিভিন্ন বিষয়ৰ তত্ত্বদর্শনমূলক আলোচনা হ'ব ধৰিলে তেওঁলোকৰ মাজত। তেওঁলোকৰ আলোচনাত সঠিক অর্থত বাস্তৱতাই ঠাই পালে। এনে সুগভীৰ আলোচনা, পর্যালোচনা আজিৰ দিনত জৰুৰী হৈ পৰিছে। চন্দমোহনে সুধিলে — 'নির্মল, মধুপুৰ কলেজত তোমাৰ কেনে লাগিছে?'

নির্মল— "কলেজখন ভালেই কিন্তু আগৰ সেই শৈক্ষিক পৰিৱেশ আৰু আনন্দ-অনুৰাগ আজি আৰু নাই। প্রকৃত বিদ্যা অর্জনৰ ধাউতিৰ সলনি কেৱল পৰীক্ষাত উত্তীর্ণ হোৱাৰ প্রমাণ-পত্র গোটোৱাত বেছিভাগ ছাত্র-ছাত্রীৰ মনোযোগ। আজিৰ দিনত বাহ্যিকতাই আন্তৰিকতাৰ ঠাই দখল কৰা যেন লাগিছে। ছাত্র আৰু শিক্ষকৰ মাজৰ সম্বন্ধও আগৰ দৰে নাই কিবা যেন হেৰাই গৈছে, মনত কিবা যেন সন্দেহ আছে এনে অনুভৱ হয়। সমাজ আধুনিকতাৰ ফালে আগবাঢ়ি যোৱাৰ ফলত কোনেও কাকো সমীহ নকৰাৰ দৰে হৈছে। প্রকৃততে লাহে লাহে সমাজৰ নৈতিক অধঃপতন হৈ আহিছে। ইয়াৰ প্রকৃত কাৰণ নিৰূপণ আৰু নিৰাময় কৰাৰ প্রয়োজন হৈ পৰিছে। সঁচা অর্থত ক'বলৈ গ'লে আজিকালি প্রায়সকল শিক্ষক আগৰ দিনৰ শিক্ষকৰ দৰে সূক্ষ্মদর্শী, সতর্ক, সৰল, আদর্শবাদী আৰু নিষ্ঠাৱান নহয়। ছাত্রও আগৰ দৰে অমায়িক আৰু সত্যানুগামী হৈ থকা নাই। সেয়ে ছাত্র-শিক্ষকৰ মাজৰ পৰা পাৰস্পৰিক আদৰ, সম্ভ্রম, সদ্ভাৱ, ভয়-ভক্তি, মঙ্গল কামনাৰ গভীৰতা, মনৰ অৱধান, মান আৰু আন্তৰিক সম্পর্ক ক্রমাগত কমি যোৱা যেন অনুভৱ হৈছে। সমাজৰ এই অধোগতিৰ কাৰণবোৰ ফঁহিয়াই উলিয়াই তাক নির্মূল কৰিব পৰা হ'লে জীৱনৰ সুৱদি চানেকি আগৰ দৰে পুনঃ প্রতিষ্ঠিত হ'লহেঁতেন বুলি মই ভাবো। নীতি-আদর্শৰ স্থিতি অৱিহনে সমাজ আৰু জীৱনৰ ক্ষতি হোৱা স্বাভাৱিক।"

চন্দ্র— "চন্দ্র-সূর্য, গ্রহ-তৰা, বায়ু-পানী, প্রকৃতি প্রায় একে আছে। প্রকৃতিৰ যদি কিবা পৰিৱর্তন হৈছে সেয়া মানুহৰ অসংগতিপূর্ণ কাৰুকার্যৰ ফলতহে হৈছে। মানুহৰ জীৱনৰ পৰা হেৰাই যোৱা শান্তি আৰু সংহতিৰ বাবে মানুহ নিজেই দায়ী। মানৱতাৰ আদর্শ আৰু মূল্যবোধৰ গৰাখহনীয়া আৰম্ভ হৈছে। অন্যায় অনীতিৰ তীব্র প্রতিযোগিতা চলিছে। সমাজৰ সৰলপন্থীসকলৰ জীৱন জটিল হৈ আহিছে। দুর্নীতিকাৰীসকলৰ দুর্বাৰ গতিবিধিয়ে সমাজ আৰু শিক্ষাজগতত ভয়ানক প্রভাৱ পেলোৱা পৰিলক্ষিত হৈছে। অৱশ্যে, দেশ আৰু সমাজত জনসংখ্যা বাঢ়ি অহাৰ ফলতো সকলোক্ষেত্রত প্রতিযোগিতাৰ ভাব গঢ় লৈ উঠিছে। প্রতিযোগিতাৰ তীব্রতাই ভাঙি দিছে নৈতিকতাৰ সীমাৰেখা; খুলি দিছে দুর্নীতিৰ মুখ্য দুৱাৰ।"

নির্মল — "দুর্নীতিৰ খোলা দুৱাৰ বন্ধ কৰাৰ উপায় জানো নাই?"

চন্দ্র — "উপায় নাই বুলি মই নাভাবো। দুর্নীতি মানুহে কৰে। মানুহেই তাক বন্ধ কৰিব পাৰিব। তাৰ বাবে প্রয়োজন কিছু উপলব্ধিৰ, কিছু সংযমৰ। প্রকৃত সত্য উপলব্ধি কৰিব পাৰিলে, জীৱনৰ মূল্য উপলব্ধি কৰিব পাৰিলে, মানুহে বেয়া কাম কৰিবলৈ ইচ্ছা নকৰিব। নিজ স্বার্থত অন্ধ হৈ পৰাতকৈ নিজৰ প্রয়োজনৰ সীমাৰেখাৰ ভিতৰত অৱস্থান কৰিব পৰাটো প্রকৃত মানৱবাদৰ পুণ্য আদর্শ। তেনে আদর্শত সংঘাত সৃষ্টি হ'ব নোৱাৰে। নিজৰ প্রয়োজন বুজি পোৱাতে জীৱনৰ মঙ্গল নিহিত হৈ থাকে। প্রয়োজনৰ লক্ষণৰেখা ঠাৱৰ কৰিব নোৱাৰিলে মিছা গৌৰৱ আৰু বিভূতিলাভৰ তৃষ্ণা বাঢ়ি যায়। সেই তৃষ্ণাই জীৱনক ঠেলি দিয়ে দুর্নীতিৰ সাগৰতীৰলৈ। সেই তৃষ্ণাৰ সাগৰ তলিবিহীন। সেই সাগৰত এবাৰ পৰিলে পৰিত্রাণ পোৱা টান।'

নির্মল — "মানুহৰ এনে তৃষ্ণা বঢ়াৰ প্রকৃত কাৰণ বাৰু তুমি কি বুলি ভাবা?"

খন্তেক টলকামাৰি থাকি চন্দ্রই ক'বলৈ লয় — "আচলতে জীৱমাত্রৰে নিজস্ববোধ (prossessiveness) আছে। সেই কাৰণে চিকাৰৰ মঙহলৈ জীৱ-জন্তুৰ মাজত টনাটনি হয়, যুদ্ধ হয়,

মানুহৰ ক্ষেত্ৰতো প্ৰায় একে কথা। বৰ্তমানকালত মানুহৰ মাজত আগৰ তুলনাত খোৱা-কামোৱা বেছি হৈছে।"

নিৰ্মল— "জন্তু আৰু মানুহ মাজত যদি একে কথা হয় তেন্তে, বিবেক-বিবেচনা, আইন-কানুন, ন্যায্যতা-সুবিচাৰ, ধৰ্মশিক্ষা, গুৰুৰ বাণী, দয়া-মমতা আদিৰ অৰ্থ ক'ত?"

চন্দ্ৰ— "তুমি অতি প্ৰবীণভাৱে বৰ গভীৰ কথা ক'লা। দকৈ তত্ত্ব বিচৰা মানুহ আজিকালি পাবলৈ টান। স্বাৰ্থত অন্ধ হ'ব পৰা মানুহৰ বিবেক বা স্বাভাৱ বেলেগ। সকলো মানুহৰ স্বভাৱ একে নহয়। পৰম্পৰাও একে নহয়। নীচ প্ৰকৃতিৰ প্ৰাণীয়ে খোৱা বস্তুলৈ পৰস্পৰে টনাটনি কৰে। উন্নত মানৰ প্ৰাণীয়ে তেনে নকৰে বা কম কৰে। সিহঁতে নিজে বিচাৰি পোৱা খিনিতেই সন্তুষ্ট থাকে। তেনেদৰে ভাল মনৰ লোকে কেতিয়াও গৰ্হিত কাম নকৰে। তেওঁলোকে নিজৰ বংশ আৰু পৰম্পৰাৰ মৰ্যাদা ৰাখে। প্ৰকৃত শিক্ষিত বা জ্ঞানীলোকেও গৰ্হিত কাম নকৰে। তেনেলোকৰ সংখ্যা সমাজত বৰ কম।"

নিৰ্মল— "যিসকল লোক দেশৰ শাসন কাৰ্যত অধিষ্ঠিত, তেওঁলোক যদি সংযমী নহয়, তেন্তে দেশৰ শান্তি-সমৃদ্ধি সম্ভৱ নহয়। আমাৰ দেশৰ বৰ্তমান অৱস্থা হতাশাজনক।"

চন্দ্ৰ— "ৰাজনীতিৰ অধ্যাপক হিচাপে, বৰ্তমান ৰাজনৈতিক পৰিস্থিতিৰ প্ৰতি তোমাৰ ধাৰণা কেনে?" উত্তৰ দিয়াৰ আগতে নিৰ্মলে মিচিকি হাঁহি এটা মাৰি ক'বলৈ ধৰিলে— "আজিকালিৰ যুগত ৰাজনীতিৰ অধ্যাপক সকলতকৈ অৰ্ধশিক্ষিত বা অল্প শিক্ষিত পাষণ্ড শ্ৰেণীৰ ৰাজনৈতিক নেতা পালিনেতাৰ ৰাজনৈতিক দৌৰ আৰু দৰ্প-দম্ভালি বেছি। বৈষয়িক তত্ত্বজ্ঞান একাষৰীয়াকৈ পেলাই থৈ তেনে শ্ৰেণীৰ লোকে প্ৰায়ে দেশৰ ৰাজনৈতিক আসন দখল কৰি থকা দেখা যায়। ৰুগ্ন গণতন্ত্ৰত ৰাইজৰ ভূমিকা প্ৰবল হোৱা উচিত। কিন্তু, আমাৰ দেশত এতিয়াও সৰ্বসাধাৰণ ৰাইজে গণতন্ত্ৰৰ তত্ত্ব তথা সাৰমৰ্ম বুজি উঠা নাই। প্ৰকৃততে, ৰাজনীতিৰ লগত সমাজনীতি, অৰ্থনীতি, প্ৰতিৰক্ষানীতি, বিকাশনীতি, শিক্ষানীতি আদি সকলো দিশৰ প্ৰত্যক্ষ বা পৰোক্ষ সম্বন্ধ আছে। মানৰ ইতিহাসৰ পোহৰত চালে দেখা যায় যে ধৰ্মৰ ওপৰতো ৰাজনীতিৰ ছাঁ পৰে। ৰাজনীতিয়েই জীৱনধাৰাৰ ডৰিয়লি বুলি কোৱাৰ বহুত যুক্তি আৰু উদাহৰণ আছে। আমাৰ দেশৰ ৰাজনৈতিক ধাৰা বা চৰিত্ৰৰ নাম গণতন্ত্ৰ বা প্ৰজাতন্ত্ৰ। গণতন্ত্ৰ আধুনিক পৃথিৱীৰ আটাইতকৈ উত্তম ৰাজনৈতিক ধাৰা বুলি গণ্য কৰা হয়। গণতন্ত্ৰত সকলো নাগৰিকৰ সমান অধিকাৰ থাকে বাবেই ই অতি উত্তম পন্থা। কিন্তু, দুখৰ বিষয়, পৃথিৱীৰ বহুত দেশত প্ৰকৃত বা সঠিক গণতন্ত্ৰ (True Democracy) বৰ্তি থকা নাই। আমাৰ গণতন্ত্ৰৰ নমুনা দিনক দিনে সলনি হ'ব ধৰিছে। প্ৰবঞ্চনা, অৰ্থলোভ, পাপাছাৰ আদি জঘন্য মানসিকতাই টলাব নোৱাৰা ৰাজনীতিজ্ঞৰ সংখ্যা আজি আঙুলিমুৰত গণিব পৰা অৱস্থা। ব্যক্তি স্বাৰ্থ, দলীয় স্বাৰ্থ, স্বজন-প্ৰতি, জাতিগত চিন্তাধাৰা আদি সংকীৰ্ণ ভাবধাৰাই গণতন্ত্ৰৰ টেঁটু চেপি ধৰিছে। ব্যক্তিগত প্ৰবল প্ৰতিযোগিতাই সকলো আঁৰ-বেৰ ভাঙি আত্ম প্ৰকাশ কৰা দেখা যায়। আজিৰ যুগৰ ৰাজনৈতিক দলবোৰত যথা চিন্তাসম্পন্ন মুষ্টিমেয় কেইজনমান ব্যক্তিয়েহে সঠিক নীতি চলিবলৈ চেষ্টা কৰে। ভাৰতবৰ্ষৰ দৰে বিশাল দেশত সেইসকল দৰে প্ৰকৃষ্ট ভাব-চিন্তাৰ নেতাৰ সংখ্যা নিচেই কম। আনফালে নাগৰিক বা ভোটাৰসকলো প্ৰকৃত অনুভৱ আৰু সঠিক শিক্ষা অভাৱত দৃঢ়নিয়মী হ'ব নোৱাৰে। তেওঁলোকৰ মাজত দূৰদৰ্শিতা অভাৱ। তেওঁলোকে সঠিক ব্যক্তিক নিৰ্বাচিত কৰি পাঠাব নোৱাৰে। টকা-পইছাৰ মোহ, অশিক্ষা, আৰ্থিক অনাটন, ৰাজনৈতিক চেতনাৰ অভাৱ তথা উদাসীনতাই বিশাল জনতাক কোঙা কৰি ৰাখিছে। সঠিক সদস্য নিৰ্বাচন কৰা দূৰৰ কথা, নিৰ্বাচনত অংশ গ্ৰহণ কৰাৰ মানসিকতা তেওঁলোকে হেৰুৱাই পেলাইছে। প্ৰচাৰৰ ইন্দ্ৰজালৰ মেৰ পাকত আ�ৱদ্ধ হৈ বহুতে ভোট দান কৰে। তাৰ ফলত অবাঞ্ছিত বা অসজ্ঞাতী লোক নিৰ্বাচিত হয়। সেইকাৰণে আমাৰ দেশত কোনো চৰকাৰেই আশাশুধীয়াভাৱে সকলো দিশত উন্নতিৰ চমক দেখুৱাব নোৱাৰে। প্ৰকৃত সত্য উপলব্ধি কৰিব নোৱাৰালৈকে ভাৰতবাসীৰ বাবে আশাশুধীয়া উন্নতিৰ বাট অচিনাকি হৈ ৰ'ব যেন লাগে। আজি আমাৰ দেশবাসীয়ে এই কথা উপলব্ধি কৰা অতি প্ৰয়োজন। যিসকল লোকে নিজ স্বাৰ্থৰ বাবে নিয়ম-নীতি উপেক্ষা কৰে তেওঁলোকে দেশ আৰু জনতাক ধ্বংসৰ পিনে আগুৱাই নিয়ে। প্ৰয়োজনতকৈ অধিক সম্পদে মানুহক অকৰ্মণ্য কৰে। স্বাৰ্থলোভী আৰু সংকীৰ্ণমনৰ ৰাজনৈতিক নেতাসকলেই গণতন্ত্ৰৰ হন্তা। প্ৰকৃত গণতন্ত্ৰক জীয়াই ৰাখিবলৈ হ'লে জনগণ আৰু ৰাজনীতিজ্ঞসকল সৎ আৰু নিৰপেক্ষ স্বভাৱৰ হ'বই লাগিব। বৰ পৰিতাপৰ বিষয় যে, আমি তাৰপৰা বহু দূৰৈত অৱস্থিত। আচলতে দেশৰ সকলো ৰাইজৰ বা অধিকাংশ ৰাইজৰ অধিক উপকাৰ সাধিব পৰা ৰাজনীতিৰ নামেই গণতন্ত্ৰ। বৌদ্ধধৰ্মৰ মতে বহুজনৰ হিত আৰু বহুজনৰ সুখৰ বাবে কৰা কৰ্মই ধৰ্ম। তেন্তে, তেনে চিন্তাই গণতন্ত্ৰৰ মূল নহয় জানো? পৃথিৱীৰ সকলো ধৰ্মতে জনহিত, জনকল্যাণৰ কথা উল্লেখ আছে। তেন্তে জনহিত নকৰি নিজৰ স্বাৰ্থপূৰণ কৰা অধৰ্ম নহয়নে?"

নিৰ্মলৰ আৱেগপূৰ্ণ কথাবোৰে চন্দ্ৰমোহনক আৰু অধিক আৱেগপূৰ্ণ কৰি তুলিলে। নিজ শক্তিৰে লৰাব নোৱাৰা বিয়াগে আকৃতিৰ শিল এটা বাটত পৰি থাকি বাট বন্ধ কৰি ৰখাৰ নিচিনা অনুভৱ হ'ল তেওঁৰ। দীপ্তিমন্ত চকুযোৰ মেলি গহীন মাতেৰেৰে এইবাৰ ক'বলৈ ধৰিলে— "সঁচাঅৰ্থত জনগণৰ জাগৰণৰ প্ৰয়োজন। সেই জাগৰণ হ'ব লাগিব চেতনাদীপ্ত, গঠনমূলক আৰু সাম্য ভাৱধাৰাৰে পুষ্ট। সকলো সংকীৰ্ণতাক পৰিহাৰ কৰি সাম্প্ৰদায়িক ভেদ-বুদ্ধিৰ উৰ্ধত উঠি সাম্যবাদৰ আদৰ্শ আগত ৰাখি ৰাজনীতিৰ ভেটি দৃঢ় কৰিব পৰাতেই নিৰ্ভৰ কৰিব দেশৰ ভৱিষ্য

মঙ্গল। তাৰ বাবে জনগণৰ যথার্থ শিক্ষাৰ প্রয়োজন। দেশৰ বাতৰি কাকত আৰু আলোচনীসমূহে এইক্ষেত্রত জ্ঞানৰ নতুন পোহৰ বিলাব পাৰে। বাতৰি কাকতবোৰত লিখা হয় যদিও সেই লিখা এতিয়াও সার্বজনীনভাৱে গ্রহণযোগ্য বা আদৰণীয় হ'ব পৰা নাই। কাকতবোৰত প্রকাশ পোৱা সমালোচনাৰ তীব্রতা, ভাবধাৰাৰ সংকীর্ণতা, কোনোবা গোষ্ঠী-গোত্রৰ প্রতি থকা হিংসা বা পোষকতাপূর্ণ লেখা বেছি থকা বাবে সেই লেখা সকলোৰে গ্রহণযোগ্য হ'ব পৰা নাই। প্রকৃতি যিদৰে উদাৰ, আকাশ-বতাহ যেনেকৈ মুক্ত, মানুহৰ ভাবধাৰাও সেইদৰে উদাৰ হোৱা বাঞ্ছনীয়। সংকীর্ণতাৰ ভিত্তিত চিন্তা কৰি মানুহে যি পাইছে, উদাৰ হ'ব পাৰিলে তাতোকৈ অধিক শান্তি পাব বুলি সাধু-সন্ত সকলৰ বিশ্বাস। ভাৰতবর্ষ যিমান দুখীয়া বুলি জগতত পৰিচিত; প্রকৃততে ভাৰতবর্ষ তেনে নহয়। অক্ষয় বিভূতিৰ ভাণ্ডাৰ আছে এই দেশত। সম্পদৰ সৎ ব্যৱহাৰ নোহোৱা বাবে দুখীয়া বুলি অনুভৱ হয়। ভাৰতবর্ষৰ বৃহৎ মানৱসম্পদ আজি বহু পৰিমাণে উপেক্ষিত। এই সম্পদক উপযুক্তভাৱে ব্যৱহাৰ কৰি কর্মমুখী কৰি ল'ব পাৰিলে ভাৰতবর্ষই হ'ব পৃথিৱীৰ সর্বশ্রেষ্ঠ ধনী দেশ। ৰাজনীতিজ্ঞসকলৰ সকলোৰে এই কথা ভাৱেনে? যদি ভাৱে তেন্তে তাৰ প্রণিধানযোগ্য প্রতিধ্বনি ক'ত? এই দিশত কৰা পর্যাপ্ত পৰিমাণৰ অনুশীলনী পৰিদৃষ্ট হোৱা নাই কিয়? সাম্প্রদায়িক মিলা-প্রীতি আৰু পাৰস্পৰিক শ্রদ্ধাৰ মজিয়াখন এতিয়াও কেঁচা হৈ আছে কিয়?

উত্তৰত নির্মলে কয়— "ভাৰতবর্ষত এতিয়াও গণতন্ত্র চালুকীয়া অৱস্থাতে আছে। ইয়াৰ দ্রুত বিকাশৰ প্রয়োজন আছে। উন্নত মানসিকতাৰ বাহিৰে সমাজত উচ্চ আদর্শবাদ স্থাপিত হ'ব নোৱাৰে। এই দুয়োটাৰ অভাৱত গণতন্ত্র ৰুগ্ন হৈ থকাই স্বাভাৱিক। এখন গণতান্ত্রিক দেশত প্রতিজন নাগৰিকৰ সামগ্রিক বিকাশ, নিৰাপত্তা বাহাল নাথাকিলে দেশৰ অগ্রগতি সহজসাধ্য নহ'ব। তাৰবাবে নাগৰিক আৰু ৰাজনীতিজ্ঞ সকলোৰে উপলব্ধি আৰু যৌথ প্রচেষ্টাৰ প্রয়োজন। পৃথিৱীৰ সকলো মানুহ আত্মসম্মানেৰে ভূষিত হৈ স্বাধীন চিন্তাৰে জীয়াই থকাৰ অধিকাৰ আছে। জন্মগত এই অধিকাৰক অস্বীকাৰ কৰিব পৰা নাযাব। মানৱ সমাজে এই অধিকাৰক স্বীকৃতি দি থৈছে।"

নির্মলৰ কথাত ৰাজনৈতিক সূত্রৰ সত্যতা নিহিত আছে। নীতি-আদর্শৰ গোন্ধ থকা এই কথাবোৰে চন্দ্রমোহনক মোহিত কৰিলে। ভাবৰ গভীৰতাত বুৰ গৈ তেওঁ কিছুপৰ চকু মুদি কিবা ভাবিলে। তাৰ পিছত গুৰু-গম্ভীৰ মাতেৰে চন্দমোহনে ক'বলৈ ধৰিলে— "গণতান্ত্রিক দেশৰ সাধাৰণ বা উচ্চ আসনত অধিষ্ঠিত যিকোনো ব্যক্তিয়ে নিজৰ স্বার্থৰ বাবে আনৰ স্বার্থত ব্যাঘাত জন্মালে মানৱ অধিকাৰ বিনষ্ট কৰা হয়। ৰাজশক্তিৰ অপব্যৱহাৰ কৰি নিজৰ স্বার্থ পূৰণৰ অধিকাৰ কাৰো থাকিব নালাগে। তেনে হ'লে সমাজত অশান্তি বিৰাজ কৰিবই।"

নির্মলে ক'লে— "এই অশান্তিৰ শেষ নাই। এনে অবিছাৰ, অশান্তিৰ বাবেই সৃষ্টি হয় সন্ত্রাসবাদৰ। বিছাৰ-বিবেচনাৰ অন্তর্ধান হ'লেই সন্ত্রাসবাদে সেই ঠাই দখল কৰি লয়। প্রতিশোধৰ ঘোঁৰা চেকুৰাই আগবাঢ়ি আহে সন্ত্রাসবাদ।"

চন্দ্রমোহনে 'সন্ত্রাসবাদ সন্ত্রাসবাদ' বুলি মুৰ দুপিয়াই ক'বলৈ ধৰিলে— "অন্তহীন প্রতিশোধৰ দাবানলৰ পৰাই সৃষ্টি হয় সন্ত্রাসবাদ। গুলি-বোমাৰেও অন্ত কৰিব নোৱাৰি সন্ত্রাসৰ গতিধাৰা। পৰা হ'লে আমেৰিকাৰ দৰে মহাশক্তিশালী দেশে ইৰাকী বিদ্রোহ নিষ্প্রভ কৰিব পাৰিলেহেঁতেন। আমেৰিকাৰ স্বেচ্ছাছাৰী বিধ্বংস আগ্নেয় নীতিত মানৱতাবাদ নাই কাৰণে নোৱাৰে। আমেৰিকাৰ শান্তি গানত শব্দ আছে, প্রাণৰ সু�ৰভি নাই। বাক্য আছে; বোধ নাই। দূৰদর্শনত দেখা পোৱা আখৰাবোৰত ছবি আছে, আন্তৰিকতা নাই। প্রকৃততে চাবলৈ গ'লে মানুহ প্রকৃতিৰ এক অঙ্গ। তেওঁলোক মহাবিশ্বৰ সমগ্র সৃষ্টিৰ এক অংশ। নীতিগতভাৱে তাক ধ্বংস কৰা নাযায়। অৱজ্ঞা বা অৱহেলাও কৰা নাযায়। মানুহ প্রকৃতিৰ এক অঙ্গই নহয়; স্বয়ং ঈশ্বৰৰ প্রতিবিম্ব সেইগতিকে মানৱক ধ্বংস কৰিলে নিগ্রহত পতিত হোৱা স্বাভাৱিক।"

চন্দ্রমোহন কাকতিৰ দার্শনিক-তত্ত্বমূলক কথাবোৰ শুনি নির্মলৰ অন্তৰত ভাল লাগিল। উপলব্ধি বহুতৰ আছে। উপযুক্ত মঞ্চত অধিষ্ঠিত হ'ব নোৱাৰৰ বাবে ব্যক্তিগত উপলব্ধিবোৰ প্রায়ে মৰহি যায়। যিসকল উচ্চ মঞ্চত অধিষ্ঠিত, তেওঁলোকৰ বহুতে সঁচা উপলব্ধিবোৰক দমাই ৰাখি, মিছাৰ আশ্রয়লৈ টলকা মাৰি থাকে। নোমটেঙৰ এই শ্রেণীৰ লোকৰ হাতত ক্ষমতা থাকিলে দেশবাসীৰ জীৱনত কোনো সুপৰিৱর্তন অহা সম্ভৱ নহয়। নির্মলে এই বাৰ ইতিহাসৰ সূত্র ধৰি ক'বলৈ ধৰিলে "যুগে যুগে প্রতাপীলোকৰ আৱির্ভাব হয়। সময়ত সেইসকলৰ জীৱন আন সকলোৰে দৰে উকলি যায়। সকলোধৰণৰ ৰংচঙীয়া বর্তমানবোৰ নির্মমভাৱে অতীত হৈ যায়। কোনেও কাহানিও মায়াবীসময়ক ধৰি ৰাখিব নোৱাৰে। মানৱ ইতিহাসে কয় যে, একালত মিচৰত অতি প্রবল প্রতাপী শাসকসকলৰ সাম্রাজ্য আছিল। সময়ৰ বুকুত সকলো অতীত হৈ গ'ল। সেই অতীতৰ বর্তমান উপলব্ধি অতি দুঃখলগা। মিচৰৰ মামীবোৰলৈ চালে দেখা যায় যে, মামীবোৰৰ দাঁত-মুখ ভাঙি আছে। কপাল ফাটি-ফুটি আছে, চকুবোৰ গহ্বৰত পোত খাই আছে। কবি শ্বেলীয়ে কৰা এক মর্মস্পশী বর্ণনাত আমি পাওঁ যে আজি মান্দিয়াছৰ দৰে প্রবল প্রতাপী মিছৰীয় সম্রাট এজনৰ মূর্তিও আজি ভাঙি টুকুৰা-টুকুৰ হৈ বালিত পোত খাই আছে. তেওঁৰ সাম্রাজ্যৰ চিন-চাপ নাই। দিগন্ত প্রসাৰী শুকান বালিৰ বাহিৰে আজি তাত একো নাই।"

নির্মলৰ কথাৰ আঁত ধৰি চন্দ্রমোহনে মন্তব্য কৰিলে, "সকলো মানুহে সত্য উপলব্ধি কৰি নোৱাৰে। তেনে উপলব্ধিবোৰ মনলৈ আহিলেও লোভ-মোহৰ ধুমুহাই সিবোৰক শুকান পাতৰদৰে উৰাই নি ক'ৰাবাত পেলাই থয়। প্রকৃত উপলব্ধি কৰিব

পৰাজনেই প্ৰকৃত মানুহ।" কথাষাৰ শেষ হওঁতেই নিৰ্মলে ক'লে— "প্ৰকৃত মানুহ সৃষ্টি কৰাই সমাজৰ শ্ৰেষ্ঠ কাম। মানৱৰ বাবে প্ৰথমে নিজৰ ঘৰখন তাৰ পিছত সমাজখনেই বিদ্যালয়, মহাবিদ্যালয়, বিশ্ববিদ্যালয়— সকলো। গতিকে সমাজত মানৱ সম্পদ সৃষ্টি কৰাৰ অনুশীলনী আৰম্ভ হ'লে আমাৰ ভৱিষ্যৎ ভাল হ'ব। অস্থায়ী মানৱজীৱনত প্ৰকৃত সুখ পাবলৈ হ'লে মানৱীয় আৰু ন্যায়চিন্তাৰ বিকল্প নাই। ন্যায়চিন্তা, সৎ কৰ্ম, মানৱপ্ৰেম, অন্তৰৰ সৎ বিশ্বাস আদি গুণৰাজি গ্ৰহণ কৰি বিভিন্ন ধৰ্মগোষ্ঠীৰ মানুহে উৎকৰ্ষ সাধনৰ বাবে মুক্ত প্ৰতিযোগিতা আৰম্ভ কৰিলেই কমসময়ৰ ভিতৰত উৎকৃষ্ট মানৱতাবাদৰ সৃষ্টি হ'ব বুলি মোৰ বিশ্বাস।" তেওঁ আকৌ ক'লে— "আচলতে সকলো মানুহৰ মাজতে শক্তি নিহিত আছে। কিন্তু দিক্‌ভ্ৰান্ত হৈ বহুমানুহে শক্তিৰ অপচয় ঘটায় প্ৰকৃত শিক্ষাৰ অভাৱত; প্ৰশিক্ষণৰ অভাৱত। যি সমাজৰ ল'ৰা-ছোৱালীক সৰুতে উপযুক্ত প্ৰশিক্ষণ দিয়া নাযায়, সেই সমাজত পিছলৈ অশান্তি আৰু দুখ-দুৰ্গতি অহাটো অনিবাৰ্য। মনৰ মাজত সহ্যগুণ নিহিত হৈ নাথাকিলে ভৱিষ্যৎ জীৱন সুস্থ হৈ থাকিব নোৱাৰে। জোখ-মাপ, পৰিমাণ, বৰ্তমান-ভৱিষ্যৎ আৰু ফল-পৰিণতিৰ জ্ঞান নাথাকিলে জীৱনলৈ অশান্তি আৰু হতাশা অহাটো খাটাং। কাৰ-কাজ কৰাৰ ক্ষেত্ৰতো শুদ্ধ সিদ্ধান্ত ল'ব নাজানিলে জীৱনত ক্ষতি হোৱাই স্বাভাৱিক। সৎ আৰু অভিজ্ঞলোকৰ দিহা-পৰামৰ্শ মুকুতাৰ দৰে মূল্যবান। নিজৰ ধাৰণা স্পষ্ট হোৱা যেন নালাগিলে অভিজ্ঞলোকৰ পৰামৰ্শমতে কাম কৰা সমীচীন।"

দুয়োৰে এনেবোৰ গুৰুত্বপূৰ্ণ কথা-বতৰা পাতি থাকোতে বহু সময় পাৰ হৈ গ'ল। বাতিৰ নিৰ্জনতাত আৰু আত্মাৰ আকোঁৱে দুয়ো বন্ধু বিভোৰ হৈ কথা পাতি সত্যৰ যেন অন্বেষণ কৰিছিল। কোনে জানে এনেবোৰ উপলব্ধিয়ে কেতিয়া যে সকলোৰে মনত তোলপাৰ লগাব।

চিন্তাত অভিভূত হোৱা নিৰ্মলে ইমানতে কথাৰ উপসংহাৰ ঘটাই চন্দ্ৰমোহনৰ পৰা বিদায় লৈ আগবাঢ়িল নিজ ঘৰলৈ। নিৰ্মলৰ দীপ্তিমান মনটোৱে আন্ধাৰ ফালি আগবাঢ়িলে পোহৰ বিচাৰি। সেই পোহৰেই যেন সাৰথি হয় সকলোৰে বাবে, তেওঁ ভাবে।

'জয় হওক মানৱতাৰ, উদ্ধাৰ হওক গণতন্ত্ৰ' এই কথা ভাবি ভাবি চন্দ্ৰমোহনো ভিতৰ সোমায় ধীৰ গতিৰে। ❑

ANANDARAM DHEKIAL PHOOKAN COL... LIBRARY
Acc. No.....
Date..
NAGAON:ASSAM

বৰ অসম ঃ 'সাত ৰাজ মাৰি এক ৰাজ' পত্তন

ড° মিনামুদ্দিন আহমেদ

অতি প্ৰাচীন কালৰ পৰাই ব্ৰহ্মপুত্ৰ উপত্যকা আৰু ইয়াৰ পাৰ্শ্ববৰ্তী অঞ্চল প্ৰাগজ্যোতিষপুৰ ৰূপে পৰিচিত হৈ আহিছিল। খ্ৰীষ্টীয় ষষ্ঠ শতিকাৰ পৰা এই ভূ-খণ্ড কামৰূপ নামে পৰিচিত হ'ব ধৰে। উল্লেখ যে প্ৰচীন কামৰূপৰ শাসক কুমাৰ ভাস্কৰ বৰ্মনে সিংহাসন প্ৰাপ্তি উপলক্ষে কামৰূপান্দ নামে এটি নতুন চনৰ প্ৰবৰ্তন কৰিছিল।[১] সেইকালত কুমাৰ ভাস্কৰ বৰ্মনৰ শাসনাধীন ৰাজ্যখনে ব্ৰহ্মপুত্ৰ উপত্যকাৰ লগতে কৰ্ণসুৱৰ্ণ, পুন্দ্ৰবৰ্দ্ধন (উত্তৰ বংগ), শ্ৰীহট্ট, ত্ৰিপুৰা, মৈমনসিংহ আৰু ঢাকাৰ কিছু অংশ সামৰি লৈছিল। সপ্তম শতিকাৰ আদি ভাগত এই ৰাজ্যলৈ অহা চীনা পৰিব্ৰাজক হিউৱেন চাঙে এই ৰাজ্যৰ পৰিধি ১০,০০০ লি অৰ্থাৎ প্ৰায় ১,৭০০ মাইল বুলি উল্লেখ কৰিছে।[২] ইয়াৰ কেইবা শতিকাৰ পিছত, সন্ধ্যাৰ* ৰাজত্ব কালৰ পৰা (১২২৮-১২৬০ খ্ৰী), ঘাইকৈ তুঘ্ৰিল খাঁ মালিক উজবেকক পৰাজিত কৰাৰ পিছত, তেওঁ নিজ ৰাজ্যৰ ৰাজধানী কামৰূপ নগৰৰ (উত্তৰ-গুৱাহাটী) পৰা কমতাপুৰলৈ স্থানান্তৰিত কৰাৰ দিনৰে পৰা 'কামৰূপ' নামটো 'কামৰূপ-কমতা' ৰূপে খ্যাত হৈ পৰে।[৩] বিশ্ব সিংহৰ ৰাজত্ব কালৰে (১৫৫০-১৫৩৩ খ্ৰীঃ) পৰা এই কামৰূপ কমতাই কোচ ৰাজ্য ৰূপে আত্ম প্ৰকাশ কৰিছিল। এইদৰে দেখা যায় যে আদি মধ্যযুগত কামৰূপ ৰাজ্যখণ্ড 'কামৰূপ-কমতা'ৰূপে খ্যাত হৈ পৰিছিল। ইপিনে প্ৰায় খ্ৰীষ্টীয় পঞ্চদশ শতিকাৰ শেষ ভাগৰ পৰা উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত আহোম ৰাজত্ব নিষ্কণ্টক হোৱাত, সেই অঞ্চলটো 'অসম'ৰূপে পৰিচিত হ'ব ধৰে। লগতে বৰ অসমৰ ৰাজনৈতিক ভেটি ক্ৰমান্বয়ে শক্তিশালী হ'ব ধৰে। পঞ্চদশ শতিকাৰ শেষাৰ্দ্ধ আৰু ষষ্ঠদশ শতিকাৰ প্ৰথমাৰ্দ্ধত শ্ৰীমন্ত শঙ্কৰদেৱ-মাধৱদেৱৰ নেতৃত্বত গঢ় লৈ উঠা নৱ-বৈষ্ণৱ বা ভক্তি আন্দোলনৰ দৰে কালজয়ী ঘটনাই অসমৰ জাতীয় জীৱনলৈ কঢ়িয়াই আনিছিল মধুৰ সংহতি আৰু সমন্বয়ৰ বতৰা। ভক্তি আন্দোলনে গঢ়ি তুলিছিল বৰ অসমৰ সাংস্কৃতি ভেটি। আমাৰ আলোচ্য বিষয় হ'ল বৰ অসমৰ ৰাজনৈতিক ঐক্য প্ৰতিষ্ঠা আৰু ইয়াৰ সুদৃঢ়কৰণৰ অন্তৰালত থকা আহোম শাসকবৰ্গৰ ৰাজ্য সম্প্ৰসাৰণ মূলক নীতি।

বিখ্যাত টাই বা শ্বান জনগোষ্ঠীৰ অন্তৰ্ভুক্ত আহোমসকলৰ আদি গৃহভূমি আছিল বৰ্তমানৰ চীনদেশ। চীনদেশৰ য়ুনান প্ৰদেশৰ মুংমাও নামৰ ক্ষুদ্ৰ ৰাজ্যখনৰ অধিবাসী এই টাই বা শ্বানসকলৰ একাংশ লোকে ১২১৫ খ্ৰীঃত চুকাফাৰ নেতৃত্বত বিদেশলৈ প্ৰব্ৰজন কৰিছিল।[৪] কথিত আছে যে চুকাফাৰ নেতৃত্বত আৰম্ভণিতে ৮জন ডাঙৰীয়া আৰু ৯ হেজাৰ লোকে নিজ গৃহভূমি মুংমাওৰ পৰা বিদেশলৈ প্ৰব্ৰজন কৰিছিল।[৫] মুংমাওৰ পৰা যাত্ৰা কৰি পাটকাই পৰ্বতৰ সমীপত উপনীত হওঁতে চুকাফাৰ মুঠতে ১৩ বছৰ লাগিছিল। উজনি ব্ৰহ্মপুত্ৰ উপত্যকালৈকে বিস্তৃত সুদীৰ্ঘ যাত্ৰা পথ আছিল অত্যন্ত দুৰ্গম। অসংখ্য খৰস্ৰোতা নদ-নদী, দুৰ্লঙ্ঘ্য পাহাৰ-পৰ্বত, হিংস্ৰ জীৱ-জন্তুৰে পৰিপূৰ্ণ অটব্য অৰণ্য আৰু দুৰ্ধৰ্ষ যুঁজাৰু পাহাৰীয়া জাতি-জনগোষ্ঠীয়ে তেওঁলোকৰ যাত্ৰাপথ বিপদ-সঙ্কুল কৰি তুলিছিল। সেয়েহে সম্ভৱতঃ চুকাফাই লগত তিৰোতা মানুহ অনাত গুৰুত্ব দিয়া নাছিল। ব্ৰহ্মপুত্ৰ উপত্যকাৰ সৌমাৰ অঞ্চলত উপনীত হোৱা আৰু তাত নিগাজীকৈ থাকিবলৈ লোৱাৰ পিছৰ পৰাহে তেওঁলোকে অতি সোনকালেই থলুৱা জনগোষ্ঠীসমূহৰ সৈতে বৈবাহিক সম্পৰ্ক স্থাপন কৰাটোক এফালে বংশবৃদ্ধি আৰু আনফালে ৰাজ্য বিস্তাৰৰ কৌশল হিচাপে প্ৰয়োগ কৰিছিল।

ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰাৰ পিছত ১২২৮ খ্ৰীঃৰ পৰা ১২৫৩ খ্ৰীঃলৈকে অৰ্থাৎ চৰাইদেউত ৰাজধানী পতাৰ আগলৈকে চুকাফা আৰু তেওঁৰ অনুগামীসকলে উপযুক্ত ঠাইৰ সন্ধানত টিপাম, অভয়পুৰ,

নামৰুক (পাচলৈ নামৰূপ), দিহিং, হাবুং, লিগিৰাগাঁও, শিলপানী, শিমলুগুৰি, ডিমৌ, বাণ্টুং আদি অঞ্চল পৰিভ্রমণ কৰি ফুৰিছিল।[৯] অৱশেষত ১২৫৩ খ্ৰীঃত চৰাইদেউত ৰাজধানী পাতি নিগাজীকৈ থাকিবলৈ লয় আৰু ১২৬৮ চনত মৃত্যুকাল পৰ্যন্ত দেশ শাসন কৰিব ধৰে। চুকাফাৰ আগমনৰ সময়ত দিখৌ আৰু দিচাং নৈৰ মাজৰ ঠাইখিনি মৰাণ আৰু বৰাহী নামৰ দুটা জনজাতিৰ অধীনত আছিল। মৰাণসকলৰ শাসকজনাৰ নাম আছিল বদৌচা আৰু বৰাহীসকলৰ শাসক জনাৰ নাম আছিল থাকুমথা। কথিত আছে যে, শিমলুগুৰিত থাকোঁতেই দূৰদৰ্শী চুকাফাই মৰাণ আৰু বৰাহী ৰজাৰ ওচৰলৈ কটকী পঠাই মিত্ৰতা কৰিছিল[৭] আৰু মিত্ৰতাৰ এনাজৰীডাল শকত কৰিবলৈ বৰাহী-মৰাণৰ চাৰিগৰাকী কুঁৱৰী বিবাহ কৰাইছিল।

উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত চুকাফাই প্ৰতিষ্ঠা কৰা টাই-আহোম ৰাজ্যৰ পৰিসীমা আছিল অত্যন্ত ক্ষুদ্ৰ। সেই সময়ত ব্ৰহ্মপুত্ৰ উপত্যকাত থকা অন্যান্য জনজাতীয় ৰাজ্যসমূহ আছিল চুতীয়া ৰাজ্য, মৰাণ ৰাজ্য, বৰাহী ৰাজ্য, কছাৰী ৰাজ্য, বাৰভূঞাসকলৰ শাসনাধীন ক্ষুদ্ৰ ক্ষুদ্ৰ ভূঞা ৰাজ্যসমূহ, ডফলা ৰাজ্য, দৰঙী ৰাজ্য, ডিমৰুৱা ৰাজ্য, ৰাণী ৰাজ্য, লুকী ৰাজ্য, বেলতলা ৰাজ্য আদি।[৮] এই ৰাজ্যসমূহ আছিল প্ৰাকৃতিক সীমাৰেখাৰে সু-পৰিৱেষ্টিত আৰু সু-ৰক্ষিত। ইয়াৰ পাহাৰ-পৰ্বতসমূহ জনা গৈছিল ঘাইকৈ তাত বসবাস কৰা জনগোষ্ঠীসমূহৰ নামানুসাৰে, যেনে নগা পাহাৰ, মিচিমি পাহাৰ, ডফলা পাহাৰ, খাচী পাহাৰ, গাৰো পাহাৰ, জয়ন্তীয়া পাহাৰ আদি। চুকাফাৰ আগমনৰ সময়ত সমগ্ৰ ব্ৰহ্মপুত্ৰ উপত্যকাটো মূলতঃ মংগোলীয় প্ৰজাতিৰ বড়ো জনগোষ্ঠীৰ দ্বাৰা অধ্যুষিত আছিল।[৯]

তাকৰীয়া সংখ্যক অনুগামীৰে সৈতে অপৰিচিত হাবি-জংঘলেৰে পৰিপূৰ্ণ তথা বিভিন্ন জাতি-জনগোষ্ঠীৰে পৰিৱেষ্টিত উজনি ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰতিষ্ঠা কৰা চুকাফাৰ ৰাজ্যখণ্ড আছিল ক্ষুদ্ৰ। ইয়াৰ অৱস্থান আছিল এফালে বুঢ়ী দিহিং আৰু আনফালে ব্ৰহ্মপুত্ৰ নদ আৰু দিখৌ নদী আৰু নগা পাহাৰৰ মাজৰ অঞ্চলটোত। অৰ্থাৎ বৰ্তমানৰ ডিব্ৰুগড় আৰু শিৱসাগৰ জিলাৰ দক্ষিণ-পূব অঞ্চলত এই আহোম ৰাজ্যৰ অস্তিত্বই প্ৰাণ পাই উঠিছিল। পৰৱৰ্তী কালত চুকাফাৰ উত্তৰাধিকাৰী অন্যান্য আহোম ৰজাসকলৰ সম্প্ৰসাৰণমূলক নীতিৰ ফলত মৰাণ-বৰাহীৰ লগতে চুতীয়া, কছাৰী, বাৰভূঞা, ৰাণী, লুকী, ডিমৰুৱা, দৰং আদি ৰাজ্যসমূহ এখন এখনকৈ কালক্ৰমত টাই-আহোম ৰাজ্যৰ অন্তৰ্ভুক্ত হৈছিল। চুকাফাৰ আগমনৰ ঠিক পিছতেই মৰাণ আৰু বৰাহীসকলৰ ৰাজ্য আহোম ৰাজ্যৰ সৈতে চামিল হৈছিল যদিও উক্ত জনজাতীয় ৰাজ্যসমূহ আহোম ৰাজ্যৰ সমান্তৰাল আৰু প্ৰতিদ্বন্দ্বীৰূপে দীৰ্ঘকাল ধৰি বৰ্তি আছিল। ব্ৰহ্মপুত্ৰ উপত্যকাত নিজ নিজ ৰাজনৈতিক অধিপত্য প্ৰতিষ্ঠাৰ বাবে লগতে আহোমসকলৰ সম্প্ৰসাৰণ ৰুদ্ধ কৰিবৰ বাবে এফালে সেই জনজাতীয় ৰাজ্যসমূহ আৰু আনফালে আহোমসকলৰ মাজত ঘোৰতৰ আৰু ৰক্তক্ষয়ী সংঘৰ্ষৰ সূত্ৰপাত ঘটিছিল। অৱশ্যে, বহু সময়ত আহোমসকলে সেই জনজাতীয় ৰাজ্যবোৰৰ সৈতে বৈবাহিক সম্বন্ধ প্ৰতিষ্ঠা কৰি মিত্ৰতাৰ পাশত আৱদ্ধ কৰিছিল।

আহোম ৰাজ্যৰ দাঁতিকাষৰীয়া আৰু কৰতলীয়া ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ শাসকসকলক 'ৰজা-পোৱালী'[১০] বোলা হৈছিল। সেই তলতীয়া ৰাজ্যসমূহ আছিল গোভা, নেলী, ডিমৰুৱা, লুকী, বণী, বেলতলা, বকো, বনগাঁও, ছয়গাঁও, পানতলী, ববদুৱাৰ, মৰুৱাপু, দৰং, চতিয়া আদি। গৱেষক ডঃ হাতেম আলীয়ে[১১] তেওঁৰ গৱেষণা গ্ৰন্থত তেনে ক্ষুদ্ৰ ক্ষুদ্ৰ ৰাজ্যৰ সংখ্যা ৭২ খনতকৈ অধিক বুলি উল্লেখ কৰিছে।

এইদৰে দেখা গ'ল যে এজন সাহসী, দূৰদৰ্শী, ধৈৰ্যশীল, কৰ্মপটু, সুনিপুণ তথা দিগ্বিজয়ী বীৰ চুকাফাই মৰাণ আৰু বৰাহীসকলক মিত্ৰতাৰ বান্ধোনেৰে আৱদ্ধ কৰি তথা লৰা ৰজাৰ সৈতে প্ৰীতিপূৰ্ণ সম্পৰ্ক প্ৰতিষ্ঠা কৰি 'ৰৰ অসম'ৰ বীজ বোপণ কৰিছিল। তিওঁ নিজ জন্মভূমিৰ আৰ্হিত বুঢ়াগোহাঁই আৰু ৰৰগোহাঁই নামে দুজনা মন্ত্ৰী পাতি, ৰাজ্য পৰিচালনাৰ ভাৰ বহুখিনি তেওঁলোকৰ দুজনাৰ হাতত গটাই দিছিল। উল্লেখ্য যে টাই-শ্বানসকলে প্ৰথমে আমাৰ দেশখনৰ নাম দিছিল 'মুংডন চুন্ খাম' অৰ্থাৎ সোণৰ বাগিছাৰে ভৰা দেশ, পিছলৈ দেশখন 'আসাম', 'অসম' আৰু লোকসকল 'আহোম' নামে পৰিচিত হৈ পৰিল। ডঃ পদ্মেশ্বৰ গগৈৰ দৰে গৱেষক পণ্ডিতৰ মতে 'আসাম' নামটো 'টাই' বা 'শ্বান' শব্দৰ পৰাহে উৎপত্তি হোৱা। চুকাফাৰ আগমন কালত থলুৱা বড়ো জাতিৰ লোকসকলে টাই-শ্বানসকলক 'সাম' বুলিছিল। এই 'সাম' শব্দৰ লগত বড়ো ভাষাৰ আ (বা হা, অৰ্থ = মাটি বা দেশ) লগ লাগি 'আসাম' (অৰ্থাৎ সামসকলৰ দেশ) নামৰ উৎপত্তি হয়। কালক্ৰমত ইয়াক সংস্কৃত কৰি অসম (অজেয়) কৰা হয়। পিছলৈ এই 'আসাম' বা 'অসম' নামৰ পৰাই 'আহোম' নামৰ উৎপত্তি হয়। বৰ্তমানেও অসমৰ টাই-শ্বানসকলক 'আহোম' নামেৰেই জনা যায়। সি যি কি নহওক, ব্ৰহ্মপুত্ৰ উপত্যকাত ছশ বছৰীয়া টাই-আহোম ৰাজত্বৰ পাতনি মেলোতা তথা ব্ৰহ্মপুত্ৰ উপত্যকাত টাই-আহোম ৰাজবংশৰ প্ৰতিষ্ঠাতা কিংবদন্তী পুৰুষ চুকাফাই এই ব্ৰহ্মপুত্ৰ উপত্যকাতেই ১২৬৮ খ্ৰীঃত স্বৰ্গগামী হয়।

চুকাফাৰ মৃত্যুৰ পাছৰে পৰা চুহুংমুং বা দিহিঙীয়া ৰজা (১৪৯৭-১৫৩৯ খ্ৰীঃ)ৰ ৰাজত্বৰ আগমুহূর্তলৈকে এই কালছোৱাত আহোম ৰাজ্যৰ সম্প্ৰসাৰণ ঘটিছিল মন্থৰ গতিৰে। টাই-শ্বানসকলে ব্ৰহ্মপুত্ৰ উপত্যকাত প্ৰৱেশ কৰাৰ সময়ত ব্ৰহ্মপুত্ৰ নদীৰ দক্ষিণ পাৰে দিখৌৰ পৰা কলঙলৈকে এই সমভূমিখণ্ড কছাৰী ৰাজ্যৰ অন্তৰ্ভুক্ত আছিল। ধনশিৰী উপত্যকা আৰু উত্তৰ কাছাৰ পাহাৰো এই ৰাজ্যৰ ভিতৰত আছিল। ৰাজধানী আছিল ডিমাপুৰ বা হিড়িম্বাপুৰ।[১২] চুকাফাৰ দিনত কছাৰীসকলৰ সৈতে টাই-শান (বা আহোম) সকলৰ কোনো সামৰিক সংঘৰ্ষ হোৱা নাছিল যদিও চুকাফাৰ পুত্ৰ চুতেওফাৰ দিনত (১২৬৮-১২৮১ খ্ৰীঃ) আহোমসকলে কৌশলেৰে কছাৰীসকলৰ পৰা দিখৌ আৰু নামদাং নৈৰ মাজৰ অংশটি দখল কৰি লয়। ইয়াৰ পাছত প্ৰায় দুশ বছৰলৈকে এই নামদাং নৈয়েই আহোম আৰু কছাৰী ৰাজ্যৰ মাজৰ সীমা হৈ ৰয়।

পোন্ধৰ শতিকাৰ শেষৰ ফালে ১৪৯০ খ্ৰীঃত আহোম ৰজা চুহান্‌ফা (১৪৮৮-১৪৯৩ খ্ৰীঃ)ৰ ৰাজত্ব কালত কছাৰীসকলৰ

বিৰুদ্ধে আহোমসকলৰ ৰণশিঙা বাজি উঠে। দিখৌ নদীৰ সিপাৰে থকা আহোম সৈন্যৰ কোঠ কছাৰীসকলে আক্রমণ কৰি আহোম সেনানীক পৰাভূত কৰে আৰু দিখৌৰ পূব পাৰৰ অঞ্চলসমূহ দখল কৰি পেলায়। উপায়হীন হৈ ৰজা চুহান্‌ফাই এগৰাকী আহোম কুঁৱৰীক কছাৰী ৰজালৈ বিবাহ দি মিত্রতা স্থাপন কৰে। এই যুদ্ধত জিকি কছাৰীসকলে তেৰ শতিকাত আহোমসকলক এৰি দিয়া নামদাং আৰু দিখৌ নৈৰ মাজৰ ঠাইখিনিৰ লগতে দিখৌ নৈৰ পূব পাৰৰ ঠাইখিনিও দখল কৰি লয়।

ৰৰ অসমৰ ৰাজনৈতিক ভেটি সুদৃঢ় হৈছিল খ্রীষ্টীয় ষোল শতিকাৰ প্রথমার্দ্ধত, চুহুংমুং বা দিহিঙীয়া ৰজা (১৪৯৭-১৫৩৯ খ্রীঃ)ৰ ৰাজত্ব কালত। এই সময়ছোৱাতেই আহোম ৰাজ্যই তলত উল্লেখ কৰাৰ দৰে চৌদিশে বিস্তৃতি লাভ কৰি সমগ্র উত্তৰ-পূব ভাৰতৰ ভিতৰতে একমাত্র শক্তিত পৰিণত হৈছিল। দিহিং নদীৰ পাৰৰ ৰকতাত ৰাজধানী পতাৰ বাবেই হওঁক, অথবা দিহিঙ্গীয়া ফৈদৰ সর্বশ্রেষ্ঠ ৰজা হোৱাৰ বাবেই হওক, ১৪৯৭ খ্রীঃত ৰাজপাটত আৰোহণ কৰা চুহুংমুঙক ইতিহাসত 'দিহিঙ্গীয়া ৰজা' নামেৰেও জনা যায়। ইয়াৰ উপৰিও তেওঁ 'স্বর্গনাৰায়ণ' নামে এক হিন্দু নামো গ্রহণ কৰিছিল। তেওঁৰ দিনতে ৰচিত 'শ্রীশ্রী স্বর্গনাৰায়ণৰ জন্ম কথা' নামৰ বুৰঞ্জী পুথিখনত আহোম ৰাজবংশৰ লগত হিন্দু দেৱতা ইন্দ্রৰ সম্পর্ক দেখুৱাই এক উৎপত্তিমূলক আখ্যান সৃষ্টি কৰা হয়। ফলত ৰজা চুহুংমুঙৰ দিনৰে পৰাই আহোম ৰজাসকলক 'স্বর্গদেউ' বোলাৰ নিয়ম আৰম্ভ হয়।

চুকাফাৰ পৰা চুপিমফাৰ সময়লৈকে আহোম ৰজাসকলক ৰাজকার্যত সহায় কৰিবৰ বাবে 'ৰৰগোহাঁই' আৰু 'ৰুঢ়াগোহাঁই' নামৰ দুজনা মন্ত্রী আছিল। কিন্তু চুহুংমুঙ ৰজাৰ দিনতে 'ৰৰপাত্র গোহাঁই' নামৰ একে পদমর্যাদাৰ তৃতীয় এজন মন্ত্রীৰ পদ সৃষ্টি কৰা হ'ল।[১৩]

ৰৰ অসমৰ ৰাজনৈতিক ভেটিৰ প্রথম বীজ অংকুৰিত হয় আহোমসকলৰ চুটীয়া ৰাজ্য দখলৰ দ্বাৰা। চুহুংমুং ৰজাৰ দিনতে আহোম ৰাজ্যৰ পূবে অৱস্থিত চুতীয়া ৰাজ্যৰ সৈতে থকা আহোমৰ পূর্বৰ শত্রুতা পুনৰ প্রাণ পাই উঠিল আৰু ই প্রবল সামৰিক সংঘর্ষৰ ৰূপ লয়। ১৫১৩ খ্রীঃত চুতীয়া ৰজা ধীৰ নাৰায়ণে জল-স্থল উভয় দিশেৰে 'আহোম ৰজ্য আক্রমণৰ উদ্দেশ্যেৰে এক বিশাল সৈন্যদল প্রেৰণ কৰে যদিও আহোম সৈন্যৰ হাতত পৰাস্ত হৈ চুতীয়াসকল পলায়ন কৰিবলৈ বাধ্য হ'ল। ফলত আহোমসকলে দিচাং আৰু দিহিং নৈৰ মাজৰ অঞ্চলটি দখল কৰে। অৱশ্যে ১৫২০ খ্রীঃত পুনৰ চুতীয়া সেনানীয়ে অতর্কিতে দিহিং নৈৰ মুখত থকা মুংখ্রাঙৰ আহোমৰ কোঠ আক্রমণ কৰি আহোমৰ সেনাপতিজনক হত্যা কৰে। ৰণত হাৰি বাধ্য হৈ আহোম সেনানী পিছুৱাই অহাত এক বিস্তীর্ণ অঞ্চল চুতীয়াসকলে অধিকাৰ কৰি লয়। পাটকাইৰ এইপাৰে আহোমসকলৰ এয়েই আছিল প্রথম পৰাজয়ৰ গ্লানি।

আহোম আৰু চুতীয়াসকলৰ মাজত চূড়ান্ত সংঘর্ষ হৈছিল ১৫২৩ খ্রীঃত চুতীয়া শাসক নিতাই ওৰফে নীতি পালৰ ৰাজত্ব কালত। চুহুংমুং স্বর্গদেৱৰ ভনী-জোঁৱায়ে (মূলা গাভৰুৰ স্বামী) ফ্রাচংমুং ৰৰগোহাঞি, কনচেং ৰৰপাত্র গোহাঁই আৰু ঘৰ সন্ধিকৈৰ সৱল নেতৃত্বত আহোম সোনানীয়ে ক্রমে চুতীয়া ৰাজধানী শদিয়া দখল কৰে।[১৪] ইয়াৰ পাছতে চুহুংমুঙে সমগ্র চুতীয়া ৰাজ্য আহোম ৰাজ্যৰ সৈতে চামিল কৰে। বন্দী হোৱা লোকসকল যাতে ঐক্যৰদ্ধ হৈ পুনৰ ৰাজ্য উদ্ধাৰ কৰিব নোৱাৰে, সেইবাবে তেওঁলোকক নিজ নিজ স্থানৰ পৰা তুলি আনি ডিবুৰু নৈৰ পাৰৰ পৰা কলং-কপিলীৰ পাৰলৈকে সিঁচৰতি কৰি বহুৱালে। নতুনকৈ আহৰণ কৰা অঞ্চলটোৰ প্রশাসনৰ বাবে 'শদিয়াখোৱা গোহাঁই' নামৰ এটি নতুন পদবীৰ সৃষ্টি কৰি ফ্রাচেংমুং ৰৰগোহাঁইক প্রথমবাৰৰ বাবে এই পদত নিযুক্তি দিয়ে।[১৫]

ইতিমধ্যে আহোম ৰাজ্য পূবে ব্রহ্মকুণ্ড আৰু ব্রহ্মপুত্রৰ উত্তৰ পাৰে সোৱণশিৰী নদীলৈকে বিস্তাৰিত হ'ল। চুহুংমুং উচ্চাকাঙ্ক্ষী ৰজা আছিল। ৰাজ্যৰ সীমা বহল কৰাৰ হেঁপাহ আছিল অপৰিসীম। সেয়েহে তেওঁ এইবাৰ সোৱণশিৰি আৰু ৰৰনদীৰ মাজৰ অঞ্চলটোত থকা দুর্দান্ত স্বাধীন বাৰভূঞা[১৬] সকলক দমন কৰিবলৈ মন মেলে। তেওঁলোক আছিল প্রকৃততে কামৰূপৰ শাসকৰ অধীনত থকা মাটিৰ গৰাকী বা শাসনকর্তা। ইয়াৰ কিছুমানক তেওঁ অতি সহজতে বশ কৰিছিল যদিও পৰাক্রমী বিলাকক সহজে বলে নোৱাৰি তেওঁলোকৰ বিৰুদ্ধে কঠোৰ ব্যৱস্থা হাতত লয়। চুহুংমুঙৰ সৈন্যবাহিনীয়ে ভূঞা ৰাজ্য দখল কৰি ল'লে। তেওঁলোকৰ একতা নাইকীয়া কৰিবৰ উদ্দেশ্যে তেওঁলোকৰ ভিতৰৰ অতি পৰাক্রমী ভূঞাসকলক ব্রহ্মপুত্রৰ দক্ষিণপাৰে নগাঁৱৰ ৰৰদোৱাত সংস্থাপন কৰিলে[১৭]। এনে ব্যৱস্থা লোৱাৰ প্রকৃত উদ্দেশ্যে এয়ে আছিল যে ৰৰদোৱাত ভূঞাসকলে দক্ষিণফালৰ কছাৰীসকলৰ আক্রমণৰ বাবে সদায় প্রস্তুত থাকিব লাগিব আৰু এনে পৰিস্থিতিত তেওঁলোকে আহোম ৰজাৰ বিৰুদ্ধে জাগ্রত হ'বলৈ সময় নাপাব। চুহুংমুঙৰ উদ্দেশ্য সফল হ'ল। এনে কৌশলপূর্ণ ব্যৱস্থা লোৱাৰ ফলত এসময়ৰ পৰাক্রমী ভূঞাসকলে আহোমৰ বশ্যতা স্বীকাৰ কৰিলে।

১৫২৪ খ্রীঃত পাটকাইৰ সিপাৰে থকা মোগউং বা নৰা ৰাজ্যৰ ৰজাই নামৰূপৰ খামজঙ্গীয়া গোহাঁইৰ লগ হৈ আহোম ৰাজ্য আক্রমণ কৰে। কিন্তু, যুদ্ধত পৰাজয়ৰণ কৰি আহোমৰ বশ্যতা স্বীকাৰ কৰিবলৈ সন্মত হয়।

পূর্বে চুকাফাই মৰাণ আৰু ৰৰাহীলোকৰ সৈতে যি মিত্রতা কৰিছিল, চুহুংমুঙে এতিয়া ইয়াক অধিক দৃঢ় কৰিলে। স্বর্গদেৱে সেই মৰাণ-ৰৰাহীৰ নাতি-পুতিক চৰগুৱা, দিহিং, পাইবেলা, জাঁজি, বাঘচৌ আৰু লঙ্গককত স্থাপন কৰে।[১৮] অনুৰূপ ধৰণে আহোমসকলৰ শৌর্য-বীর্যৰ বাবেই হওক বা কূট-কৌশলৰ বাবেই হওক, মৰাণ-ৰৰাহী লোকসকলে অষ্টাদশ শতিকাৰ প্রথমার্দ্ধলৈকে আহোম ৰাজত্বৰ ছত্র-ছায়াত সম্প্রীতিৰে সৈতে কাল কটাব পাৰিছিল।

এইবাৰ চুহুংমুঙে পশ্চিম দিশলৈ আহোম ৰাজ্য বঢ়াবলৈ মনস্থ কৰি কনচেং ৰৰপাত্র গোহাঁইৰ অধীনত এদল আহোম সৈন্য কছাৰীসকলৰ বিৰুদ্ধে প্রেৰণ কৰে। ৰৰপাত্র গোহাঁয়ে সামৰিক শক্তি আৰু কূটনীতি এই দুয়োটাৰে সাহায্য লৈ ক্রমে দিখৌ আৰু পাছত ধনশিৰী নদীলৈকে এই ঠাইখিনি কছাৰীসকলৰ হাতৰ পৰা অধিকাৰ

কৰি লয় আৰু শীতল-নেঘেৰীত[১৯] খুঁটি পুতি বহিল। ১৫৩১ খ্ৰীঃত আহোমসকলে মৰঙ্গীত কোঠ মৰাত সীমা বিবাদ আৰম্ভ হ'ল আৰু দীঘলীয়া যুদ্ধৰ সূত্ৰপাত ঘটিল। কেতিয়াবা সন্ধিৰ প্ৰস্তাৱ আহে; শান্তিৰ বা বলে, থিতাতে অশান্তিৰ জুই জ্বলি উঠে, ঘোৰতৰ সংঘৰ্ষ হয়। এই সময়ছোৱাৰ বুৰঞ্জী ঘটনাবহুল[২০]। ৰণত জিকি আহোমসকলে কছাৰী বাহিনীক ৰাজধানী ডিমাপুৰলৈকে খেদি নিয়াত কছাৰী ৰজা খুনখৰা ৰাজধানী এৰি পলাই যায় আৰু তেওঁৰ ভাতৃ ডেট্ছাৰ মৃত্যু হয়। এনে সময়তে ডেট্চুং নামৰ এজন কছাৰী কোঁৱৰে আহোমসকলৰ হাতৰ পৰা কছাৰী সিংহাসন প্ৰাৰ্থনা কৰাত স্বৰ্গদেউ চুহুংমুঙে ডেট্চুং কোঁৱৰক ডিমাপুৰত আহোমৰ কৰতলীয়া ৰজা পাতে। এই সময়ৰে পৰা আহোমসকলে কছাৰী ৰজাসকলক 'থাপিত সঞ্চিত' অৰ্থাৎ কৰতলীয়া আশ্ৰিত ৰজা হিচাপে জ্ঞান কৰিব ধৰিলে। কিন্তু, ইয়াৰ পাঁচ বছৰৰ পিছতেই ডেট্চুঙে আহোমৰ বিৰুদ্ধাচৰণ কৰাত আহোম সেনানীয়ে ১৫৩৬ খ্ৰীঃত পুনৰ ডিমাপুৰ আক্ৰমণ কৰে আৰু ধ্বংস কৰি পেলায়। কছাৰীসকলে ডিমাপুৰ এৰি দক্ষিণে ভটিয়াই গৈ কাছাৰৰ মাহুৰ নদীৰ পাৰৰ মাইৰঙত নতুনকৈ ৰাজধানী পাতে। অৱশ্যে, সোতৰ শতিকাৰ আৰম্ভণিৰে পৰা প্ৰায় শেষলৈকে (১৬১৫খ্ৰীঃৰ পৰা ১৬৮২খ্ৰীঃলৈকে) এই সুদীৰ্ঘ কালছোৱা আহোমসকলে বেছিভাগ সময় মুছলমানসকলৰ বিৰুদ্ধে যুদ্ধত ব্যস্ত হৈ থাকিব লগাৰ বাবে কছাৰীসকলৰ পিনে মনোযোগ দিব পৰা নাছিল। ইয়াৰ সুযোগলৈ তেওঁলোকে আহোম ৰজাৰ অধীনতা দলিয়াই দি নিজকে স্বাধীন বুলি ঘোষণা কৰে। ওঠৰ শতিকাৰ আগভাগত কছাৰী ৰজা তাম্ৰধ্বজ নাৰায়ণে স্বৰ্গদেৱ ৰুদ্ৰসিংহলৈ (১৬৯৬-১৭১৪খ্ৰীঃ) দিয়া চিঠিৰ দ্বাৰা নিজকে স্বাধীন ৰজা ৰূপে ঘোষণা কৰাৰ পৰিপ্ৰেক্ষিতত আহোম সেনানীয়ে কছাৰী ৰাজ্য আক্ৰমণ কৰি ৰাজধানী মাইৰঙ অধিকাৰ কৰি লয়। এইবাৰ কছাৰী ৰজা খাচপুৰলৈ পলাইগৈ তাৰ পৰা জয়ন্তীয়া ৰাজ্যৰ ৰজা ৰামসিংহৰ পৰা সহায় ভিক্ষা কৰাত, ৰামসিংহই তাম্ৰধ্বজক চক্ৰান্তকৈ ধৰি নি জয়ন্তীপুৰত বন্দী কৰি থয়। তাম্ৰধ্বজে ছোৱাংকৈ ৰুদ্ৰসিংহ স্বৰ্গদেৱৰ ওচৰত ক্ষমা বিচাৰে আৰু গোপন চিঠিৰ দ্বাৰা তেওঁক জয়ন্তীয়া ৰজাৰ হাতৰ পৰা উদ্ধাৰ কৰিবলৈ কাকুতি কৰাত ৰুদ্ৰসিংহই জয়ন্তীয়া ৰাজ্য আক্ৰমণ কৰে। ৰামসিংহ পৰাজিত হৈ বন্দী হ'ল। আহোম সেনানীয়ে তাম্ৰধ্বজক উদ্ধাৰ কৰি, ৰামসিংহৰ সৈতে একেলগে বিশ্বনাথৰ দৰবাৰত স্বৰ্গদেৱ ৰুদ্ৰসিংহৰ ওচৰত উপস্থিত কৰায়। কছাৰী ৰজা তাম্ৰধ্বজে পুনৰ আহোমৰ বশ্যতা স্বীকাৰ কৰে আৰু কৰতলীয়া ৰজা ৰূপে থাকিবলৈ সন্মত হয়।

স্বৰ্গদেউ চুহুংমুঙৰ ৰাজত্ব কালছোৱাতে মুছলমানসকলৰ তিনিটাকৈ সবল অভিযান প্ৰতিৰোধ কৰি আহোম ৰাজ্যৰ সীমা সম্প্ৰসাৰণ ঘটোৱা হৈছিল। তেওঁৰ সমসাময়িক বংগ দেশৰ (বা গৌড় দেশৰ) শাসক আছিল আলাউদ্দিন হুছেইন শ্বাহ। (১৪৯৩-১৫১৯) আৰু নচৰৎ শ্বাহ (১৫১৯-১৫৩২)। ১৪৯৮ খ্ৰীঃত আলাউদ্দিন হুছেইন শ্বাহে কমতাপুৰ আক্ৰমণ কৰি খেন বংশৰ শেষ ৰজা নীলাম্বৰক পৰাস্ত কৰে আৰু নিজ পুত্ৰ ডেনিয়েলক নতুনকৈ অধিকৃত কমতা ৰাজ্যৰ শাসনকৰ্তা হিচাপে নিযুক্তি দি নিজ ৰাজধানীলৈ প্ৰত্যাবৰ্তন কৰে।[২১] কিন্তু, মুছলমানসকলৰ এই শাসন দীৰ্ঘস্থায়ী নহ'ল। অচিৰেই ভূঞা নেতাসকলে একত্ৰিত হৈ ১৫১৫ খ্ৰীঃত ডেনিয়েলক হত্যা কৰে আৰু কমতা ৰাজ্যৰ বিভিন্ন অংশত ভূঞা নেতাসকলে ক্ষুদ্ৰ ক্ষুদ্ৰ স্বাধীন ৰাজ্য স্থাপন কৰে। অৱশ্যে এই ভূঞা নেতাসকলৰ শাসন বেছি দিন স্থায়ী নহ'ল। ১৫১৫খ্ৰীঃত বিশ্বসিংহৰ নেতৃত্বত কোচসকলৰ উত্থান হ'ল আৰু সমগ্ৰ কমতা ৰাজ্যত কোচসকলৰ শাসন প্ৰতিষ্ঠা হ'ল।

বিশ্বসিংহৰ ৰাজত্ব কালছোৱাতে তিনিবাৰকৈ মুছলমান আক্ৰমণকাৰীসকলে ক্ৰমে ১৫২৭, ১৫২৯ আৰু ১৫৩২-৩৩ খ্ৰীঃত কোচ ৰাজ্যৰ মাজেৰে অগ্ৰসৰ হৈ আহোম ৰাজ্য আক্ৰমণ কৰিছিল।[২২] স্বৰ্গদেউ চুহুংমুঙৰ নেতৃত্বত আহোমসকলে এই মুছলমান আক্ৰমণকেইটা প্ৰতিহত কৰাত সফল হৈছিল। ১৫৩২-৩৩ চনত তুৰ্বক খানৰ নেতৃত্বত অহা মুছলমান সৈন্য বাহিনীয়ে প্ৰাৰম্ভিকত কিছু সফলতা অৰ্জন কৰিছিল যদিও অৱশেষত আহোমসকলে জয় লাভ কৰে আৰু তুৰ্বকে মৃত্যুবৰণ কৰিব লগা হয়।[২৩] আহোম সেনাধ্যক্ষ চন্খাম্ ৰৰগোহাঁয়ে মুছলমান সৈন্য বাহিনীক পিছে পিছে খেদি নি কোচ ৰাজ্যৰ পশ্চিমে সীমা কৰতোৱা নদী পাৰ কৰিলে। গৌড়ৰ চুলতানে মিত্ৰতাৰ প্ৰস্তাৱ আগবঢ়ায় আৰু নিজৰ দুগৰাকী জীয়ৰী ক্ৰমে হাৰমতী আৰু দাৰমতীক আহোম ৰাজকাৰেঙলৈ প্ৰেৰণ কৰাৰ লগতে যৌতুক হিচাপে ঘোৰাঘাট, ফৰিয়াবাদ, পাটলাদহ, এঘাৰা সেন্দুৰ আৰু ছেৱপুৰ প্ৰদান কৰে।[২৪] এনে সময়তে চুহুংমুঙে উৰিষ্যাৰ শাসক বিক্ৰম সেনৰ ওচৰলৈ এটি শান্তিৰ অভিযান প্ৰেৰণ কৰি জগন্নাথ মন্দিৰত পূজা-সেৱা দিয়ে আৰু ইয়াত এটি পুখুৰী খন্দায়[২৫]। এনে মিত্ৰতাৰ দ্বাৰা দূৰদৰ্শী স্বৰ্গদেউজনাই মুছলমান আগ্ৰাসনৰ বিৰুদ্ধে অসম আৰু উৰিষ্যাৰ মাজত একতা আৰু শক্তি গঢ়ি তুলিছিল। তেওঁ আনকি বৈবাহিক সম্বন্ধৰ জৰিয়তে মণিপুৰৰ সৈতেও মিত্ৰতা গঢ়ি তুলিছিল।[২৬] পৰৱৰ্তী কালছোৱাত ঘাইকৈ সপ্তদশ শতিকাত কেইবাটাও মুছলমান আক্ৰমণ সংঘটিত হৈছিল যদিও স্বৰ্গদেউ গদাধৰ সিংহৰ ৰাজত্ব কালত (১৬৮১-১৬৯৬ খ্ৰীঃ) ইটাখুলিৰ যুদ্ধৰ দ্বাৰা আহোম মোগল সংঘৰ্ষ পৰিসমাপ্তি ঘটোৱা হয়।

স্বৰ্গদেউ চুহুংমুঙৰ প্ৰতিপত্তিৰ ফলত আহোম ৰাজ্যৰ পশ্চিম দিশত সম্প্ৰসাৰণ হোৱাত কোচ শক্তিৰ লগত সংঘৰ্ষ আসন্ন হৈ পৰিল। বিশ্বসিংহই প্ৰথমে আহোমসকলক প্ৰতিহত কৰিবলৈ স্থিৰ কৰিছিল যদিও অৱশেষত বিনাযুদ্ধে বশ্যতা স্বীকাৰ কৰি আহোমশক্তিৰ কৰতলীয়া হৈ থাকিবলৈ সন্মত হ'ল। তেওঁৰ পুত্ৰ মহাৰাজ নৰনাৰায়ণৰ (১৫৪০-১৫৮৭) সিংহাসন আৰোহণৰ কিছু পাছতেই আহোম-কোচ সংঘৰ্ষ আৰম্ভ হয়,[২৭] চুক্লেনমুঙৰ ৰাজত্ব কালত ক্ৰমে ১৫৪৩, ১৫৪৬ আৰু ১৫৪৭ খ্ৰীঃত হোৱা ভয়ংকৰ সংঘৰ্ষত কোচ বাহিনীয়ে আহোম শক্তিৰ হাতত পৰাজয় বৰণ কৰে।

চুখাম্ফা বা খোৱা ৰজাৰ ৰাজত্বকালত (১৫৫২-১৬০৩ খ্ৰীঃ) ১৫৬২ খ্ৰীঃত মুখ্য সেনাধ্যক্ষ চিলাৰায়ৰ নেতৃত্বত প্ৰায় ৬০ হেজাৰ সৈন্যৰ বিশাল কোচ বাহিনীয়ে বিনা বাধাই নাৰায়ণপুৰত উপস্থিত হৈছিলগৈ। কিন্তু, গো-ব্ৰাহ্মণ হত্যা নকৰি কোচ সেনানী

নিজ ৰাজ্যলৈ প্ৰত্যাৱৰ্তন কৰে।[২৮] পিচে অচিৰেই আহোমৰ চক্ৰান্তৰ কথা জানিব পৰি, পিছৰ বছৰতে অৰ্থাৎ ১৫৬৩ খ্ৰীঃত পুনৰাই আহোম ৰাজ্য আক্ৰমণ কৰে। চিলাৰায়ৰ নেতৃত্বত অহা বিশাল কোচ বাহিনীয়ে ব্ৰহ্মপুত্ৰেৰে উজাই আহি দিখৌমুখত আহোম সৈন্যক জল-স্থল উভয় ভাগতে শোচনীয়ভাৱে পৰাস্ত কৰি ক্ৰমে আহোম ৰাজধানী গড়গাঁও দখল কৰিলে। উপায়বিহীন হৈ চুখাম্‌ফাই নগা পাহাৰৰ চৰাইখোঙলৈ পলায়ন কৰে। কিছুদিনৰ পাছতে আহোম ৰজাই এক অপমানজনক সন্ধিত স্বাক্ষৰ কৰি কোচৰ বশ্যতা স্বীকাৰ কৰে।[২৯] অৱশ্যে, ১৫৬৭-৬৮ চনত চিলাৰায়ে গৌড় আক্ৰমণ কৰি তাৰ শাসক চুলেইমান কৰ্ৰাণিৰ হাতত বন্দী হোৱাত ভৱিষ্যতে মুছলমান আক্ৰমণৰ বিপক্ষে আহোম-কোচ সক্ৰিয় ঐক্যৱদ্ধ হোৱাৰ মানসেৰে মহাৰাজ নৰনাৰায়ণে আহোমৰ সৈতে সদ্‌ভাৱ স্থাপন কৰিবলৈ প্ৰচেষ্টা চলায়। পাশাখেলত নিজে পৰাজিত হোৱাৰ চল কৰি আটাইকেইজন আহোম ডেকাক মুক্তি দিলে। এই সুযোগতে চুখাম্‌ফাই ভৰলী নদী পৰ্যন্ত পূবতে কোচ ৰজাক এৰি দিয়া ব্ৰহ্মপুত্ৰৰ উত্তৰখণ্ডৰ অঞ্চলসমূহ পুনৰ উদ্ধাৰ কৰি ১৫৭১ খ্ৰীঃৰ ভিতৰত নিজৰ হৃত স্বাধীনতা পুনৰুদ্ধাৰ কৰিলে। অৱশেষত, চিলাৰায়ৰ মৃত্যুৰ লগে লগে কোচ ৰাজ্যৰ যুদ্ধ বিজয়ৰ অধ্যায়ৰ পৰিসমাপ্তি ঘটিল আৰু কোচবিহাৰ আৰু কোচ হাজো নামে দুখন ৰাজ্যত কোচ ৰাজ্যখন বিভক্ত হ'ল।[৩০] কোচ বিহাৰৰ শাসক ৰঘুদেৱৰ মৃত্যুৰ পাছত তেওঁ পুত্ৰ পৰীক্ষিত নাৰায়ণে ১৬০৬ চনত নিজকন্যা মঙ্গলদৈক আহোম স্বৰ্গদেউ প্ৰতাপ সিংহ লৈ বিবাহ দি মিত্ৰতা কৰিছিল। অৱশ্যে তেওঁৰ প্ৰতিদ্বন্দ্বী লক্ষীনাৰায়ণৰ প্ৰৰোচনাত মোগল শক্তিৰ আক্ৰমণৰ বলি হৈ পৰীক্ষিতে সম্ৰাট জাহাঙ্গীৰৰ বশ্যতা স্বীকাৰ কৰে। ইয়াৰ ঠিক পাছতেই পৰীক্ষিতৰ মৃত্যু ঘটাত ৰৱনদী পৰ্যন্ত কোচ, হাজো, মোগল সাম্ৰাজ্যৰ লগত চালিম কৰা হ'ল। ইপিনে পৰীক্ষিতৰ ভায়েক বলিনাৰায়ণে স্বৰ্গদেউ প্ৰতাপসিংহৰ আশ্ৰয় লয়। তেনেতে আহোম-মোগল সংঘৰ্ষ আৰম্ভ হ'ল। মোগলৰ বিৰুদ্ধে জয়লাভ কৰি আহোম শক্তিয়ে পূৰ্বৰ পৰীক্ষিতৰ ৰাজ্য ভৰলী আৰু ৰৱনদীৰ মাজৰ অঞ্চল (অৰ্থাৎ দৰঙ অঞ্চল) মোগলৰ পৰা অধিকাৰ কৰিলে। ১৬১৬ চনত প্ৰতাপ সিংহই বলিনাৰায়ণক এই দৰঙ অঞ্চলত আহোমৰ কৰতলীয়া ৰজা হিচাপে প্ৰতিষ্ঠা কৰি তেওঁক ধৰ্মনাৰায়ণ নাম দিলে। এওঁৰ দিনৰে পৰাই দৰঙ ৰাজবংশৰ উৎপত্তি হ'ল।

ইপিনে লক্ষীনাৰায়ণ আৰু তেওঁৰ উত্তৰাধিকাৰীসকলে মোগলৰ কৰতলীয়া হিচাপে কোচবিহাৰত ৰাজপাট ভোগ কৰিছিল। মোগলৰ পতনৰ পিছত ইংৰাজ শাসন প্ৰতিষ্ঠা হোৱাত তেওঁলোকে ভাৰতবৰ্ষৰ স্বাধীনতা-প্ৰাপ্তি পৰ্যন্ত ইংৰাজৰ আশ্ৰিত ৰজা হিচাপে কাৰ্যনিৰ্বাহ কৰে।

এতেকে দেখা গ'ল যে চুকাফাই প্ৰতিষ্ঠা কৰা আহোম ৰাজ্যৰ ভেটি স্বৰ্গদেউ চুহুংমুঙৰ দিনত সু-বিস্তৃত হৈ পৰিল। চুতীয়া, মৰাণ, বৰাহী, কছাৰী, বাৰভূঞা, কমতা তথা মুছলমান এই 'সাত ৰাজ মাৰি একৰাজ' কৰা হ'ল আৰু বৰ অসমৰ ৰাজনৈতিক ভেটি প্ৰতিষ্ঠিত হ'ল। পৰৱৰ্তীকালত ঘাইকৈ স্বৰ্গদেউ চুচেংফা বা প্ৰতাপসিংহৰ ৰাজত্বকালত (১৬০৩-১৬৪১) ইয়াক সামাজিক তথা প্ৰশাসনিকভাৱে অধিক সুদৃঢ়, সু-সংগঠিত আৰু ঐক্যৱদ্ধ কৰি অসমীয়া জাতি গঠন প্ৰক্ৰিয়াত অৰিহণা যোগায়। ফলত যিদৰে বিভিন্ন জাতিগোষ্ঠী যেনে পিক্ট, এংগোল, জুট, ডেন, ভাইকিং, চেকান, নৰ্মাণ মিলি ইংৰাজ জাতি গঠন হৈছিল, ঠিক তেনেকৈয়ে আহোম, কছাৰী, চুতীয়া, কোচ, কলিতা, কায়স্থ আদি মিলি গঠিত হয় বৃহৎ অসমীয়া জাতি। সেয়েহে ৰাষ্ট্ৰীয় সংকটৰ সময়ত ঘাইকৈ মোগলসকলে উপৰ্যুপৰি আক্ৰমণ চলাই অসমৰ স্বকীয় অস্তিত্ব বিপদাপন্ন কৰি তোলাৰ সময়ত পোন প্ৰথমবাৰৰ বাবে স্বৰ্গদেউ প্ৰতাপ সিংহৰ নেতৃত্বত এই ভূ-খণ্ডৰ উক্ত জাতি-জনজাতিৰ মাজত এক সংঘৱদ্ধ প্ৰতিৰোধ সংগ্ৰামৰ সৃষ্টি হয়।

সূত্ৰ নিৰ্দেশ আৰু টোকা ঃ

১। Rhodes, N.G. & Bose, S.K. The Coinage of Assam, Vol. I. Pre-Ahom period, Kolkata / Guwahati, 2009, P. 10.

২। Quoted in Gait, Sir Edward, A History of Assam, 1905/1926/1981, P. 28.

★ এওঁ চুকাফাৰ (১২২৮-১২৬৮) সমসাময়িক আছিল।

৩। কলিতা, ৰমেশ চন্দ্ৰ, অসমৰ কালানুক্ৰমিক ইতিহাস, অসম প্ৰকাশন পৰিষদ, গুৱাহাটী, ২০০৬, পৃঃ ১৯-২০

৪। টাই বা শান গোষ্ঠীৰ জনসাধাৰণ প্ৰব্ৰজনশীল। ইয়াং চিকিয়াং-হোৱাংহো উপত্যকাৰ পৰা সাগৰৰ উপকূললৈকে, টাইৱানৰ পৰা হিমালয়ৰ পাদদেশ নেপাললৈকে টাই গোষ্ঠীৰ জনসাধাৰণৰ প্ৰব্ৰজন ঘটা পৰিলক্ষিত হয়।

৫। বৰুৱা, গোলাপ চন্দ্ৰ, অসম বুৰঞ্জী, অসম চৰকাৰ, ১৯৩০ পৃঃ ৪৪, সূর্য কুমাৰ ভূঞা সম্পাদিত দেওধাই অসম বুৰঞ্জী, বুৰঞ্জী আৰু পুৰাতত্ব বিভাগ, গুৱাহাটী ১৯৩২, পৃঃ ১৭।

৬। সূর্যকুমাৰ ভূঞা সম্পাদিত সাতসৰী অসম বুৰঞ্জী, গুৱাহাটী বিশ্ববিদ্যালয়, ১৯৬৪, পৃঃ ৪।

৭। ঐ, পৃঃ ৫।

৮। Gogoi, Padmeswar, The Tai and the Tai Kingdoms, Gauhati University, 1968, P. 266-67.

৯। Ibid, P. 266.

১০। বৰবৰুৱা, হিতেশ্বৰ, আহোমৰ দিন, অসম প্ৰকাশন পৰিষদ, ১৯৮১, পৃঃ ৫০৩

১১। Ali, Md. Hatem, A Study of the History of the Vassal Kingdoms under the Ahoms, unpublished Ph. D. thesis, Gauhati University, 2003, Guwahati, PP. 7–8.

১২। মতান্তৰে 'ডিমাচা'সকলৰ 'পুৰ' (নগৰ বা ৰাজধানী) 'ডিমাপুৰ' নামে প্ৰসিদ্ধি লাভ কৰে। (কাছাড়েৰ ইতিবৃত্ত, উপেন্দ্ৰ চন্দ্ৰ গুহ)।

১৩। চুহুংমুং ৰজাৰ পিতৃ চুপিম্‌ফাই নক্তে নগা ৰজা কৰঙ্গপাৰ লগত পঠাই দিয়া ৰজাৰ গৰ্ভৱতী চমুৱা কুঁৱৰী গৰাকীয়ে নগাচাঙত জন্ম দিয়া ল'ৰাজনক কনচেং নাম দি প্ৰথম 'ৰৱপাত্ৰ গোহাঁই'ৰ বাব দিয়ে।

১৪। শদিয়াৰ পুৰণি নাম সধয়াপুৰী। চুতীয়া ৰজা ধীৰ নাৰায়ণৰ লগত

গৌড়ৰ ৰজাৰ মিত্রতা আছিল বাবে চুতীয়া ৰজাৰ পুতেকক গৌড় দেশত ৰাখিছিল। কিন্তু, গৌড় দেশতে চুতীয়া ৰাজকোঁৱৰৰ মৃত্যু হোৱাত কোঁৱৰৰ মৰা শৰ আনি সধয়াপুৰীত শৰ সৎকাৰ কৰি মৈদাম বান্ধিলে। সেয়েহে নগৰৰ নাম শ-দিয়া, শদিয়া হ'ল।

১৫। Bhuyan, S.K. (ed.) Assam Buranji, P. 10 Gait, E.A. A History of Assam, P. 77.

১৬। সেই সময়ত কলং উপত্যকাৰ অঞ্চল বিশেষত আৰু লুইতৰ উত্তৰ পাৰৰ প্রায় সমগ্র অঞ্চল বাৰজন ভূঞাৰ অধীনত আছিল। তেওঁলোক হ'ল উতৈ, তমাই, ৰাই, শঁকাই, কৌশিক, উজিৰ, লস্কৰ, চোমদাৰ, সনাতন, কেহোঁ, ৰাম আৰু ভকত। এওঁলোকে সৰু সৰু ৰাজ্য পাতি বাস কৰিছিল আৰু এজনক শিৰোমণি ভূঞা পাতি লৈছিল।

১৭। সূর্য্যকুমাৰ ভূঞা সম্পাদিত সাতসৰী অসম বুৰঞ্জী, পৃঃ ১৪, সূর্যকুমাৰ ভূঞা সম্পাদিত, অসম বুৰঞ্জী, পৃঃ ১১।

১৮। সাতসৰী অসম বুৰঞ্জী, পৃঃ ১৫।

১৯। শীতল নেঘেৰী হ'ল বর্তমানৰ দেৰগাঁৱৰ শীতলা পথাৰ আৰু নেঘেৰিটিং।

২০। আহোমসকলে কূট-কৌশলৰ দ্বাৰা অর্থাৎ ম'হ বলিৰ প্রতিযোগিতাত বিজয়ী হৈ দেৱৰ গাঁও বা দেৰগাঁও আৰু একেৰাতিৰ ভিতৰতে পুখুৰী খান্দি কৌশলৰ দ্বাৰা পানী উলিয়াই মৰঙ্গী অঞ্চল লাভ কৰে। নতুনকৈ লাভ কৰা এই বৃহৎ এলেকাটোত শাসন কৰিবৰ বাবে 'মৰঙ্গী খোৱা গোহাঁই'ক নিযুক্ত কৰে। অৱশ্যে, আহোমৰ কৌশল বুজিব পাৰি অচিৰেই কছাৰীসকলে যুদ্ধ ঘোষণা কৰে।

২১। আলাউদ্দিন হুছেইন শাহৰ কমতা ৰাজ্য আক্রমণৰ তৎকালীন কাৰণ সম্পর্কে এটি ৰোমাণ্টিক কাহিনী পোৱা যায়। এই কাহিনী মতে নীলাম্বৰ ৰজাৰ ব্রাহ্মণ মন্ত্রী শচী পাত্রৰ ডেকা পুত্র পণ্ডিত চন্দ্রশেখৰৰ সৈতে নীলাম্বৰৰ গৌড় দেশীয় সুন্দৰী পত্নী সুশুদ্ধি বা গড়মা কুঁৱৰীৰ অবৈধ প্রণয় আছিল। ৰজাই ইয়াৰ সন্ভেদ পাই চন্দ্রশেখৰ আৰু গড়মা কুঁৱৰীক বন্দী কৰে। আনহাতে মুখ্য দ্বাৰৰক্ষী সতানন্দই গোপনে এই কার্যত চন্দ্রশেখৰক সহায় কৰাৰ সন্দেহ কৰি তেওঁৰ পুত্র কেশৰ ৰায়ক হত্যা কৰে আৰু তেওঁৰ মাংস বান্ধি পিতাক সতানন্দক খুৱায়। ৰজাৰ এনে বীভৎস কাণ্ডৰ প্রতিশোধ লোৱাৰ মানসেৰে সতানন্দই তীর্থ ভ্রমণৰ চলেৰে বঙ্গৰ চুলতান আলাউদ্দিন হুছেইন শাহৰ ৰাজসভাত উপস্থিত হ'ল আৰু কমতাৰাজ্য আক্রমণৰ বাবে প্ররোচিত কৰে।

২২। বুৰঞ্জীবিদ গেইট আৰু কলিকলাল বৰুৱাৰ মতে, কোচ ৰাজধানীক মুছলমান আক্রমণকাৰীসকলে লোৱা পথৰ পৰা বহু নিলগত আছিল বাবে বিশ্বসিংহই এই অভিযানকাৰী দলক বাধা দিয়াৰ পৰা বিৰত আছিল।

২৩। আহোমৰ সেনাপতি ফাচেংমুং বৰগোহাঁই ৰণত পৰাত তেওঁৰ পত্নী মূলাগাভৰুৱে পুৰুষৰ দৰে বিক্রমেৰে যুঁজি মৃত্যুক সাৱটি লয়।

২৪। সাতসৰী অসম বুৰঞ্জীয়ে পৃঃ ৬৯ত ঘোৰাঘাট আৰু ফৰিয়াবাদৰ ঠাইত কামপুৰ আৰু ঢেকেৰা বুলি উল্লেখ কৰিছে।

২৫। সূর্যকুমাৰ ভূঞা সম্পাদিত শ্রীশ্রী স্বর্গনাৰায়ণ মহাৰজাৰ জন্ম চৰিত, গৌহাটী, ১৯৬০, পৃঃ ২০।

২৬। দেউধাই অসম বুৰঞ্জী, পৃঃ ৩৫।

২৭। মহাৰাজ নৰনাৰায়ণৰ সমসাময়িক আছিল স্বর্গদেউ চুক্লেনমুং বা গড়গঙ্গা ৰজা (১৫৩৯-১৫৫২) আৰু চুখাম্‌ফা বা খুড়া ৰজা (১৫৫২-১৬০৩)।

২৮। বিশাল কোচ বাহিনীক সমুখ সমৰত পৰাভূত কৰাৰ কোনো সম্ভাৱনা নেদেখি স্বর্গদেউ চুখাম্‌ফাই কূট-কৌশলৰ সহায় লয়। বুৰঞ্জী পুথি কিছুমানত উল্লেখ আছে যে আহোম সেনাধ্যক্ষই নিজৰ অব্রাহ্মণ সৈন্যবোৰক লগুণ পিন্ধাই কপালত চন্দনৰ ফোঁট দি ব্রাহ্মণৰ বেশত একোটা গৰুৰ পিঠিত তুলি যুদ্ধক্ষেত্রলৈ পঠাইছিল। কিন্তু, গো-ব্রাহ্মণৰ প্রতি শ্রদ্ধাশীল নৰনাৰায়ণে এই গো-ব্রাহ্মণ হত্যাৰ পাপে চুৰাৰ ভয়ত যুদ্ধ নকৰি ঘূৰি যায়।

২৯। সন্ধিৰ চর্ত অনুযায়ী আহোম স্বর্গদেৱে কোচ ৰজালৈ বিপুল পৰিমাণৰ ধন-সোণ দিবলগীয়া হোৱাৰ লগতে এক নির্দিষ্ট পৰিমাণৰ বার্ষিক কৰ শোধাবলৈ সন্মত হ'ল। তদুপৰি সন্ধিৰ চর্ত আখৰে আখৰে পালন কৰাটো সুনিশ্চিত কৰিবলৈ ডা-ডাঙৰীয়া তিনিজনৰ পুত্রকে ধৰি গণ্যমান্য বিষয়াৰ মুঠ পাঁচ জন পুত্রক স্বর্গদেৱে ১৫৬৩ চনৰ জুলাই মাহত আহোম ৰজাৰ 'প্রতিভূ' স্বৰূপে কোচ ৰাজসভালৈ প্রেৰণ কৰিছিল। চিলাৰায়ৰ পৰাক্রমত ১৫৬২-৬৫ খ্রীঃৰ ভিতৰত সমগ্র উত্তৰ-পূৰ ভাৰতত কোচ সকলৰ প্রভুত্ব স্থাপন হৈছিল। অৱশ্যে, এই ৰাজ্যবোৰক কোচ ৰাজ্যৰ সৈত্যে চামিল কৰাৰ পৰিৰ্তে কৰতলীয়া হিচাপে থাকিবলৈ দিয়াৰ হেতুকে কোচ প্রতিপত্তিৰ কোনো স্থায়ী চিহ্ন ৰৈ যোৱা নাছিল।

৩০। চিলাৰায়ৰ পুত্র ৰঘুদেৱে লাভ কৰে কোচ হাজো আৰু মহাৰাজ নৰনাৰায়ণৰ পুত্র লক্ষীনাৰায়ণে লাভ কৰে কোচবিহাৰ। ❑

বিদ্যুৎ সঙ্কট

প্রবীৰ কুমাৰ বৰুৱা

আমি বাস কৰা এই পৃথিৱীখনক দিনে দিনে নতুন সমস্যাই আগুৰি ধৰিছে— গোলকীয় উষ্ণতা বৃদ্ধি, পৰিবেশ প্রদূষণ এনেবোৰ বিষয় এতিয়া বিজ্ঞানীসকলৰ আলোচনা কক্ষৰ পৰা আহি চাহমেলৰ আলোচনাৰ বিষয় হৈ পৰিছে। শক্তিৰ উৎপাদন দিনক দিনে কমি গৈছে—প্রকৃততে উৎপাদন কমা নাই— কিন্তু জনসংখ্যা বৃদ্ধিৰ ফলত চাহিদা বাঢ়ি গৈ আছে। সেয়ে শক্তিৰ মূল্য ক্রমান্বয়ে বৃদ্ধি পাই গৈ আছে। শক্তিৰ পাৰম্পৰিক উৎসসমূহ যেনে— কয়লা, খনিজ তেল আদিৰ ভূগর্ভস্থ ভঁৰাল প্রতিদিনে কমি আহিছে। এনেবোৰ উৎসৰ পুনৰ সৃষ্টি নহয়! আমাৰ অবিবেচনাৰ ফলস্বৰূপে অ'জন স্তৰত ছিদ্রৰ সৃষ্টি হৈছে— সেই ছিদ্রইদি অতি বেগুনীয়া ৰশ্মি সোমাই আহি মানুহৰ শৰীৰত দু�ৰাৰোগ্য ৰোগৰ সৃষ্টি কৰিছে। আমাৰ দেশত শক্তিৰ উৎপাদনৰ এক অন্যতম আহিলা হৈছে জলবিদ্যুৎ। উচ্চ স্থানত নদীত বান্ধ দি বিদ্যুৎ উৎপন্ন কৰা হয়। কৃষিৰ ক্ষেত্রত অন্যতম সাফল্য দেখুওৱা পাঞ্জাৱত নদীৰ বান্ধৰ পানী জলসিঞ্চনত ব্যৱহাৰ কৰা হয়। বিদ্যুতৰ বাবে জলবিদ্যুতৰ ওপৰত বেছিকৈ নির্ভৰশীল হোৱা বাবে আমি প্রকৃতিৰ ওপৰত কিমান নির্ভৰশীল হ'বলগীয়া হৈছো— এই বছৰেই আমি উপলব্ধি কৰিছো। দক্ষিণ পশ্চিম মৌচুমী বায়ুৰ আগমন দুদিনমান পলম হোৱা বাবেই আমি অন্ধকাৰত ডুব যাবলগীয়া হৈছো। জলবিদ্যুৎ শক্তিৰ উৎপাদনৰ ক্ষেত্রত এটা প্রধান অসুবিধা হ'ল অতি মাত্রা বৰষুণ হ'লে বান্ধসমূহৰ জলপৃষ্ঠৰ উচ্চতা বাঢ়ি যায়। এই উচ্চতাই বিপদসীমা অতিক্রম কৰিলে বান্ধৰ পানী এৰি দিয়া হয়। ইয়াৰ ফলত পশ্চাৎভূমি অঞ্চলত বানপানীয়ে প্রলয়ঙ্কৰ ৰূপ ধাৰণ কৰে। এই সংক্রান্তত কপিলী জলবিদ্যুৎ প্রকল্পৰ পানীয়ে নগাঁৱত সৃষ্টি কৰা তাণ্ডৱ উল্লেখযোগ্য। ৰঙানদী প্রকল্পৰ বান্ধৰ পানীয়ে উত্তৰ লক্ষীমপুৰত আৰু ভুটানৰ কুৰিশ্বু বান্ধৰ পানীয়ে উত্তৰ কামৰূপত প্রতি বছৰেই তাণ্ডৱৰ সৃষ্টি কৰে। পৰম্পৰাগত শক্তিৰ উৎসসমূহ ধ্বংস কৰি, বনাঞ্চল শেষ কৰি, অ'জন স্তৰত ছিদ্র সৃষ্টি কৰি আমি ভৱিষ্যৎ প্রজন্মৰ বাবে কি ৰাখি থৈ গৈছো— এইবোৰ ভাবিলে মোৰ নিজকে বৰ দোষী যেন লাগে। ভবিষ্যৎ প্রজন্মই যিখিনি কষ্ট ভোগ কৰিব, তাৰবাবে তেওঁলোকতো দোষী নহয়— আমাৰ পিছত তেওঁলোকৰ জন্ম হৈছে, কেৱল এই কাৰকৰ বাবেই তেওঁলোক যথেষ্ট অসুবিধাৰ সন্মুখীন হ'ব— এই প্রজন্মৰ জন্মৰ বাবে তেওঁলোকতো দায়ী নহয়— দায়ী আমি, তেওঁলোকৰ পূর্বসূৰীসকল!

পৃথিৱীত মানৱ সভ্যতা থকালৈকে শক্তিৰ প্রয়োজন হ'বই। সভ্যতাৰ উত্তৰণৰ মাপ-কাঠি হ'ল- শক্তি। কোনো এখন দেশৰ শক্তিৰ উৎপাদন তথা ব্যয়ৰ পৰিমাণেই সেই দেশৰ উন্নতিৰ মাপকাঠি। আণৱিক শক্তি আয়োগৰ প্রাক্তন মুৰব্বী আৰু এজন প্রখ্যাত ইঞ্জিনিয়াৰ ডঃ এইচ. এন. শেঠনাই (H.N. Sethna) কোৱা কথা এষাৰ মোৰ মনলৈ আহিছে— No power is costlier than no-power. পৰম্পৰাগত শক্তিৰ উৎসসমূহ ক্রমাগতভাৱে নিঃশেষ হৈ অহাৰ প্রতি লক্ষ্য ৰাখি বর্তমান অহৰহ চেষ্টা চলিছে অপৰম্পৰাগত শক্তিৰ উৎসৰ সন্ধান। এতিয়ালৈকে লক্ষ্যণীয়ভাবে (বিশেষভাৱে) সফলকাম হোৱা পৰিলক্ষিত হোৱা নাই। এনে পৰিপ্রেক্ষিততেই বিশেষকৈ আমাৰ দেশত নিউক্লিয় শক্তিৰ সহায়ত বিদ্যুৎ উৎপাদনৰ প্রচেষ্টাৰ বিষয়ে সজোৰে দাবী উত্থাপিত হৈছে। অৱশ্যে এই পদ্ধতিত তেজস্ক্রিয় ৰশ্মিৰ বাবে হ'ব পৰা প্রদূষণৰ বাবে ইয়াৰ বিৰুদ্ধেও জনমত গঢ়ি উঠিছে। নিউক্লিয় শক্তিৰ সহায়ত বিদ্যুৎ উৎপাদনৰ বাবে ভাৰত আৰু আমেৰিকাৰ মাজত যথেষ্ট বিসম্বাদৰ সৃষ্টি কৰা এখন সহযোগিতা চুক্তি স্বাক্ষৰিত হৈছে।

এনে চুক্তিৰ সম্পাদনৰ বিৰোধিতাৰ বাবে লোকসভাত চৰকাৰৰ স্থায়িত্বৰ বাবে ভোটগ্ৰহণ পৰ্যন্ত হৈ গৈছে।

বৰ্তমান উন্নত দেশসমূহত বিদ্যুৎ উৎপাদনৰ প্ৰধান আহিলা হ'ল নিউক্লিয় শক্তি। ইউৰোপ আৰু আমেৰিকাত নব্বৈ শতাংশতকৈয়ো বেছি শক্তি এই প্ৰথাৰ দ্বাৰা উৎপন্ন কৰা হয়। এই পদ্ধতিত আটাইতকৈ সুবিধাজনক কথা হ'ল সামান্য পৰিমাণৰ জ্বালক(fuel)ৰ পৰা যথেষ্ট পৰিমাণৰ বিদ্যুৎ শক্তি পাব পাৰি। নিউক্লিয় শক্তিৰ মূল নীতি হ'ল ভৰক শক্তিলৈ ৰূপান্তৰ— আইনষ্টাইনৰ বিখ্যাত সমীকৰণৰ আধাৰত। সামান্য পৰিমাণৰ ভৰ শক্তিলৈ ৰূপান্তৰ হওঁতে অসামান্য হৈ পৰে। কিন্তু এই পদ্ধতিৰ আটাইতকৈ ডাঙৰ অসুবিধা হ'ল প্ৰজ্জ্বালক আৰু কাৰিকৰী কৌশল। নিউক্লিয় বিভঙ্গণ ক্ৰিয়া সম্পন্ন কৰিবলৈ প্ৰজ্জ্বালকসমূহ উপযুক্ত কৰি তোলাৰ পদ্ধতি অতি ব্যয়বহুল আৰু প্ৰয়োজনীয় প্ৰযুক্তি অতি উচ্চ মানৰ। তৃতীয় বিশ্বৰ অনুন্নত দেশসমূহৰ বাবে এনে প্ৰযুক্তি আৰু প্ৰজ্জ্বালক সংগ্ৰহ সম্ভৱ নহয়। প্ৰজ্জ্বালকৰ আঁকৰসমূহো সহজে উপলব্ধ নহয়। কাৰিকৰী প্ৰযুক্তিসমূহ মাত্ৰ কেইখনমান দেশৰহে আয়ত্বাধীন। এই দেশসমূহে আকৌ এই প্ৰযুক্তি কোনো কাৰণতে হস্তান্তৰ নকৰে। আমাৰ দেশত কিছু পৰিমাণে প্ৰজ্জ্বালক আঁকৰ ৰূপে পোৱা যায়। এই আঁকৰবিলাক বিভঙ্গনৰ উপযোগী প্ৰজ্জ্বালকত পৰিণত কৰিবলৈ আৱশ্যকীয় প্ৰযুক্তিও আমাৰ দেশে আয়ত্ব কৰিছে। নিউক্লিয় শক্তিৰ প্ৰজ্জ্বালক হিচাপে ইউৰেনিয়াম ২৩৫ উৎকৃষ্ট— আমাৰ দেশত ইউৰেনিয়ামৰ আঁকৰৰ উৎপাদন পৰ্যাপ্ত নহয়। প্ৰজ্জ্বালক হিচাপে ব্যৱহাৰযোগ্য আন এবিধ মৌল থৰিয়াম (Thorium) আমাৰ দেশত যথেষ্ট পৰিমাণে পোৱা যায়। Nuclear Non-Proliferation Treatyৰ অন্তৰ্ভুক্ত নোহোৱা বাবে থৰিয়ামক নিউক্লিয় প্ৰজ্জ্বালকত পৰিণত কৰাৰ প্ৰযুক্তি আমাৰ বাবে আনৰ পৰা সংগ্ৰহ কৰা সম্ভৱ নাছিল। কিন্তু এই কথা আমাৰ বাবে আশীৰ্বাদস্বৰূপ হৈ পৰিল। আমাৰ দেশত বিজ্ঞানিকসকলে সম্পূৰ্ণ একক আৰু নিজস্ব প্ৰচেষ্টাৰে থৰিয়ামক প্ৰজ্জ্বালক হিচাপে ব্যৱহাৰযোগ্য ইউৰেনিয়ামত পৰিণত কৰাৰ প্ৰযুক্তি উদ্ভাৱন কৰিছে। উল্লেখ্য যে এই প্ৰযুক্তি উদ্ভাৱনৰ ক্ষেত্ৰত ভাৰতৰ স্থান বিশ্বৰ ভিতৰতে যথেষ্ট সন্মানজনক অৱস্থানত। আমাৰ দেশত নিউক্লিয় শক্তিৰ পৰা বিদ্যুৎ উৎপাদন ইতিমধ্যে আৰম্ভ হৈছে— যদিও সেয়া যথেষ্ট নহয়। সদ্য সমাপ্ত ভাৰত-মাৰ্কিন চুক্তি এইক্ষেত্ৰত আমাৰ যথেষ্ট সহায়ক হ'ব। নিউক্লিয় শক্তিৰ বিস্তাৰৰ ক্ষেত্ৰত এটা প্ৰধান বাধা হৈছে Nuclear Non-Proliferation Treaty (NPT)। এই চুক্তিৰ সদস্যভুক্ত নোহোৱা দেশৰ বাবে নিউক্লিয় প্ৰজ্জ্বালক আৰু প্ৰযুক্তি আহৰণ কৰা যথেষ্ট কঠিন। আমাৰ দেশো এই চুক্তিৰ অন্তৰ্ভুক্ত সদস্য নহয়।

আমাৰ দেশে গোলকীয় স্থলভাগৰ দুই শতাংশ অধিকাৰ কৰি আছে আৰু গোলকীয় বিদ্যুতৰ দুই শতাংশহে উৎপন্ন কৰে। বিশ্বৰ জনসংখ্যাৰ ১৬ শতাংশই আমাৰ দেশৰ। আমাৰ দেশত বিদ্যুতৰ প্ৰতিবছৰে জনমুৰী ব্যয় ৪৮০ একক (Kwh)। চীনৰ বাবে এই মান ১৮০০ একক আৰু আমেৰিকাৰ বাবে ১৩৬৮০ একক। আমাৰ দেশত প্ৰতিবছৰে ১৪৫০০০ মেগাৱাট বিদ্যুৎ উৎপন্ন হয়। মধ্যমস্তৰৰ উন্নয়নশীল দেশ হিচাপে পৰিগণিত হ'বলৈও ২০৫১ চনত আমাৰ দেশে প্ৰতিবছৰে ইয়াৰ দহগুণ বিদ্যুৎ উৎপাদন কৰিব লাগিব। পাৰম্পৰিক উৎসসমূহৰ পৰা এনে পৰিমাণৰ বিদ্যুৎ উৎপাদনৰ আহিলা হিচাপে ব্যৱহাৰ কৰাৰ বাদে আমাৰ গত্যন্তৰ নাই।

আগতেই উল্লেখ কৰি আহিছো যে নিউক্লিয় শক্তিৰ উৎপাদনৰ ক্ষেত্ৰত আমাৰ দেশ এতিয়ালৈকে বহির্বিশ্বৰ বাবে অস্পৃশ্য হৈ আছে— NPTত স্বাক্ষৰ নকৰাৰ বাবে। সদ্য-স্বাক্ষৰিত মাৰ্কিন-ভাৰত সহযোগিতাৰ চুক্তি সম্পন্ন হোৱাৰ আগতে আমেৰিকাৰ সক্ৰিয় সহযোগিতাত আৰু আন্তঃৰাষ্ট্ৰীয় আণৱিক আয়োগ (IAEA)ৰ মধ্যস্থতাত নিউক্লিয় প্ৰজ্জ্বালক আমদানি কৰিব পৰা দেশসমূহ (NSG Nuclear Suppliers Group)ৰ লগত আমাৰ দেশৰ এখন বুজাবুজিৰ চুক্তি স্বাক্ষৰিত হয়। এই দুয়োখন চুক্তিৰ সহায়ত আমাৰ দেশৰ বাবে বৰ্তমান প্ৰজ্জ্বালক আৰু কাৰিকৰী কৌশল আহৰণ কৰা যথেষ্ট সহজ হৈ পৰিল। প্ৰক্ষেপিত তথ্যমতে নিউক্লিয় শক্তিৰ আধাৰত ২০২০চনৰ ভিতৰত আমাৰ দেশে প্ৰতি বছৰে ২০,০০০ মেগাৱাট বিদ্যুৎ উৎপাদন কৰিবলৈ সমৰ্থ হ'ব আৰু ২০৫০ চনত আমাৰ দেশে বিদ্যুৎ শক্তিৰ চাহিদা সম্পূৰ্ণ নিজস্ব প্ৰচেষ্টাৰে সম্পূৰ্ণ কৰিবলৈ সক্ষম হ'ব। তমসাৰ ৰাতিৰ হ'ব অৱসান। ঢেকিয়াল ফুকনৰ ভাষাৰে হে জগদীশ্বৰ— তেনে এটা দিন শীঘ্ৰে ঘটোৱা!!! ❑

সোণালী জয়ন্তী বৰ্ষৰ কিছু অনুভৱ

মঃ আৰশ্বাদ হুছেইন

মহাবিদ্যালয়ৰ গৌৰৱ উজ্জ্বল সোণালী জয়ন্তী বৰ্ষত কিছু অনুভৱ প্ৰকাশ কৰাৰ প্ৰবল ইচ্ছা সাধাৰণতে মহাবিদ্যালয়ৰ প্ৰতি মৰম থকা সকলোৰে মনত জাগ্ৰত হোৱাটো স্বাভাৱিক। মহাবিদ্যালয়ৰ এজন ছাত্ৰ তথা ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে মোৰ ক্ষেত্ৰতো ইয়াৰ অকনো ব্যতিক্ৰম নহয় এনে শুভক্ষণত প্ৰকৃতাৰ্থে অন্তৰত সঞ্চিত হোৱা মিঠা অনুভূতিবোৰ প্ৰকাশ কৰাৰ হেঁপাহ জন্মে। গৌৰৱ অনুভৱ হয় এই মহাবিদ্যালয়ৰ সোণালী জয়ন্তী বৰ্ষৰ ছাত্ৰ হিচাপে পৰিচয় দিবলৈ পাই। মহাবিদ্যালয়খনৰ আজিৰ এই সোণালী জয়ন্তী বৰ্ষৰ সন্তুষ্টিৰ বতৰা সকলোৰে অন্তৰত বিয়পাৰ আঁৰত আছে বহুজনৰ অশেষ কষ্ট, নেৰানেপেৰা চেষ্টা আৰু সীমাহীন ঘাত-প্ৰতিঘাত অতিক্ৰম কৰাৰ ইতিহাস। এই মহান ব্যক্তি সকলৰ স্পৰ্শত মহাবিদ্যালয়খন অংকুৰিত হৈছিল আৰু লাহে লাহে বিকশিত হৈ এতিয়া ফলে-ফুলে জাতিষ্কাৰ হৈছে।

সেয়েহে আজি এই সোণালীৰ অৱসৰত সেই মহান ব্যক্তিসকললৈ অন্তৰৰ শ্ৰদ্ধা আৰু কৃতজ্ঞতা আগবঢ়াইছোঁ।

কেৱল যে বছৰ হিচাপে মহাবিদ্যালয়খন আগবাঢ়িছে এনে নহয় মোৰ দৃষ্টিত মহাবিদ্যালয়খনৰ প্ৰতিটো বিভাগে সৃষ্টি কৰা মানৱ সম্পদ, মহাবিদ্যালয়ৰ শৈক্ষিক পৰিৱেশৰ লগত খাপ খাব পৰা আন্তঃগাঁথনি আদিৰ ক্ষেত্ৰতো যথেষ্ট আগবাঢ়িছে। আমাৰ মহাবিদ্যালয়ৰ বৰ্তমানৰ অধ্যক্ষ মহোদয়ৰ সবল নেতৃত্বত শেহতীয়াকৈ কেইবছৰ মানৰ ভিতৰত মহাবিদ্যালয়খনে এখন উন্নত মানৰ মহাবিদ্যালয় ৰূপে পৰিচয় দিবলৈ সক্ষম হৈছে। মহাবিদ্যালয়খনে জন্মলগ্নৰে পৰা গ্ৰাম্যাঞ্চলৰ পিছপৰা আৰু দৰিদ্ৰতাৰ সীমাৰেখাৰ তলৰ ছাত্ৰ-ছাত্ৰীসকলক শিক্ষা দানৰ ক্ষেত্ৰত বিশেষ ভূমিকা পালন কৰি আহিছে। দুখীয়া অথচ মেধাৱী ছাত্ৰ-ছাত্ৰীসকলক আৰ্থিকভাৱে সকাহ দিয়াৰ ব্যৱস্থা মহাবিদ্যালয় খনত ধাৰাবাহিকভাৱে বৰ্তি আছে। আমি ছাত্ৰ সমাজে মহাবিদ্যালয়ৰ এই গুৰুত্বপূৰ্ণ পদক্ষেপক শলাগ লৈছোঁ।

আজি মহাবিদ্যালয়খনত প্ৰায়খিনি অভাৱেই পূৰ হৈছে বুলি ধৰিব পাৰি। তথাপি আশাৰ শেষ নাই। কিন্তু এইখিনিতে এটি ভয়াবহ সমস্যাই গা কৰি উঠিছে। সেইটো হ'ল আজিৰ ছাত্ৰ সমাজৰ স্নাতক পাঠ্যক্ৰমৰ প্ৰতি ক্ৰমান্বয়ে কমি অহা ধাউতি। সৰহ সংখ্যকে উচ্চতৰ মাধ্যমিকৰ দেওনা পাৰ হৈ বিভিন্ন বৃত্তিমূলক শিক্ষাৰ ফালে গতি কৰে, যাৰ ফলত স্নাতক পৰ্যায়ত ছাত্ৰ-ছাত্ৰীৰ সংখ্যা লক্ষণীয়ভাৱে কমি অহা পৰিলক্ষিত হৈছে। ইয়াৰ মূলতে ছাত্ৰ সমাজৰ মনত সৃষ্টি হোৱা হতাশা আৰু হতাশাৰ মূল কাৰণ নিবনুৱা সমস্যা। এনে পৰিস্থিতিত আমাৰ মহাবিদ্যালয়খনে কেইবাটাও বৃত্তিমুখী বিষয়ৰ শিক্ষা প্ৰদানৰ ব্যৱস্থা হাতত লৈছে। কিন্তু সামগ্ৰিকভাৱে সাধাৰণ পাঠ্যক্ৰমৰ ওপৰত এক সংকটৰ সৃষ্টি হোৱা যেন অনুভৱ হয়।

যুৱ উশৃংখলতা আজিৰ সমাজৰ এক ডাঙৰ ব্যাধি। আমাৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীসকল এই ক্ষেত্ৰত যথেষ্ট সজাগ। ইয়াৰ মূলতে মহাবিদ্যালয়ৰ অধ্যক্ষ মহোদয় তথা ছাত্ৰ একতা সভাৰ সবল প্ৰচেষ্টা আৰু ছাত্ৰ-ছাত্ৰীসকলে এই ক্ষেত্ৰত আগবঢ়োৱা সহযোগিতা। প্ৰতেকজন ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকসকলক কৰা

সন্মান আমাৰ মহাবিদ্যালয়ৰ বৈশিষ্ট্য।

মহাবিদ্যালয়ৰ প্ৰতিটো বিভাগত পৰ্যাপ্ত সা-সুবিধা আমি পাইছো। তথাপি আমি বিভিন্ন বিভাগত ছাত্ৰ-ছাত্ৰীৰ অনুপাতে অধিক শিক্ষকৰ প্ৰয়োজন অনুভৱ কৰো। গাঁৱৰ পৰা অহা ছাত্ৰৰ সুবিধাৰ কাৰণে ছাত্ৰাবাসৰ দৰকাৰ অনুভৱ কৰিছো। এখন উন্নতমানৰ প্ৰেক্ষাগৃহ নিৰ্মাণ হ'লে, এক পুৰণি স্থায়ী সমস্যাৰ সমাধান হ'ব। এখন উন্নত মানৰ কেন্টিনৰ ব্যৱস্থা কৰা অতি প্ৰয়োজন।

সেয়েহে এই ক্ষেত্ৰত অধ্যক্ষ মহোদয়ৰ দৃষ্টি আকৰ্ষণ কৰিছো। ৰাষ্ট্ৰীয় ঘাই পথৰ পৰা মহাবিদ্যালয়ৰ ফালে অহা সংযাগী পথৰ উন্নতি কৰিলে সকলোৱে উপকৃত হ'ব।

মহাবিদ্যালয়ৰ বৰ্দ্ধিত উত্তীৰ্ণৰ হাৰৰ অন্যতম কাৰণ হৈছে ছাত্ৰ-ছাত্ৰীসকলৰ নিয়মীয়া উপস্থিতি আৰু লগতে ছাৰ-বাইদেউসকলৰ নিয়মীয়া পাঠদান। ছাত্ৰ-ছাত্ৰীসকলে শ্ৰেণীত নিয়মীয়াকৈ উপস্থিত থাকি শিক্ষা গ্ৰহণ কৰি মহাবিদ্যালয়ৰ শৈক্ষিক পৰিবেশ উন্নত কৰিছে। ছাত্ৰ-ছাত্ৰীসকলে এই কাৰ্য যাতে বাহাল ৰাখে তাৰ বাবে বিনম্ৰ অনুৰোধ জনাইছো।

সদৌ শেষত অধ্যক্ষ মহোদয়ৰ সবল নেতৃত্বত তথা ছাৰ-বাইদেউ সকলোৰে চেষ্টাত আমাৰ কলেজখন সকলো দিশতে আগবাঢ়ি যাব বুলি আশা কৰিলোঁ। আজি আমি সকলোৱে গৌৰৱ অনুভৱ কৰো যে আমি আনন্দৰাম ঢেকিয়াল ফুকন কলেজৰ ছাত্ৰ।

জয়তু আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়! ❑

"In my youth my wings were strong and tireless
But I did not know the mountains,
In age I knew the mountains
But my weary wings could not follow my vision"

–Edgar Lee Masters

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ
বৰ্তমানৰ পৰিচালনা সমিতি



বাওঁফালৰ পৰা ঃ চেনাৰাম বৰা (কার্যালয়-পর্যবেক্ষক), ড° নিত্যানন্দ পট্টনায়ক, বিপুল কুমাৰ বৰা, লুৎফুৰ ৰহমান, অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ (সম্পাদক), ড° জে. বালাজী (সভাপতি), ডাঃ ৰণবীৰ কুণ্ডু, ড° অজন্তা বৰদলৈ, শৰৎ খাউণ্ড আৰু উপাধ্যক্ষ পদ্মকান্ত শর্মা

আনন্দৰাম ঢেকিয়াল ফুকন মহাবিদ্যালয়ৰ
সোণালী জয়ন্তী উদ্‌যাপন সমিতি



বাওঁফালৰ পৰা ঃ আমিনুল ইছলাম (সম্পাদক, শিক্ষক পৰিষদ), চেনাৰাম বৰা (কার্যালয়-পর্যবেক্ষক), ড° নিত্যানন্দ পট্টনায়ক, বিপুল কুমাৰ বৰা, লুৎফুৰ ৰহমান, অধ্যক্ষ ড° ছৰিফ উদ্দিন আহমেদ (সম্পাদক), ড° জে. বালাজী (সভাপতি), ডাঃ ৰণবীৰ কুণ্ডু, ড° অজন্তা বৰদলৈ, শৰৎ খাউণ্ড, কৈলাস চন্দ্র দাস (সভাপতি, শিক্ষক পৰিষদ), আৰু উপাধ্যক্ষ পদ্মকান্ত শর্মা।,
ফটোত অনুপস্থিত ঃ সহজানন্দ ওজা (কার্যকৰী সভাপতি), আৰু আৰশ্বাদ হুছেইন (সাধাৰণ সম্পাদক, ছাত্র একতা সভা)।

